# নগাঁও ছোৱালী কলেজ

# আলোচনী

২০১১-১২ বৰ্ষ



সম্পাদিকা: গায়ত্ৰী বৰা
তত্ত্বাৱধায়িকা: ড° মঞ্জু লস্কৰ

## নগাঁও ছোৱালী কলেজৰ বৰ্তমানৰ শিক্ষক-শিক্ষয়িত্ৰীসকল



বাওঁফালৰপৰা ( বহি) : মৰমী গায়ন, মীৰা বৰুৱা, ৰ'জী ডেকা, লীনা বৰা হাজাৰী, ৰঞ্জনা বৰা, ড° মঞ্জু লস্কৰ, স্বপ্না নেওগ, ড° গায়ত্ৰী দেৱী, মুনি কাকতী, ড° অজন্তা দত্ত বৰদলৈ (অধ্যক্ষা), গৌতম গোস্বামী (উপাধ্যক্ষ), জ্যোতিৰ্ময় জানা, বিজয় প্ৰসাদ সিং, ড° ৰ'জলীন জাহান, ৰীতা কলিতা, কল্পনা ভট্টাচাৰ্য, ৰাজেন দেৱনাথ
বাওঁফালৰপৰা (থিয় হৈ) : লাৱণ্য দাস (লিয়েন), ৰীতাৰাণী দে, ড° নীলাক্ষী মিলি, সঞ্চিতা বৰা, অমিয়া পাটৰ, জোনালী মুদৈ, মৃদুলা কাশ্যপ, নীতু গুপ্তা বৰুৱ, ৰশ্মি ডেকা, ড° নমিতা কলিতা, উদয়ভান ভগৎ, শঙ্কৰজ্যোতি বৰা, ৰঞ্জিত বৰুৱা, নিত্যানন্দ ডেকা, মুনীন বৰা, নিজামুদ্দিন আহমেদ, শৰৎ হাজৰিকা
বাওঁফালৰপৰা (থিয় হৈ) : ড° বিপুল মালাকৰ, লোহিত পায়েং, মনোজ চুতীয়া, দীপক শৰ্মা, ড° বিশ্বজিৎ দাস, স্মৰজিৎ ওজা।
(ফটোত অনুপস্থিত: টঙ্কেশ্বৰ বৰা, প্ৰদীপ দুৱৰা, দিব্যজ্যোতি মহন্ত, ললিত বৰবৰা, কুলেনচন্দ্ৰ দাস, দিব্যজ্যোতি শইকীয়া, ড° জয়ন্তী সাহা, ৰণজয় সাহা, বিনোদ গোস্বামী, পিকলি বুঢ়াগোহাঁঞিঃ)

## নগাঁও ছোৱালী কলেজৰ বৰ্তমানৰ কৰ্মচাৰীবৃন্দ



বাওঁফালৰপৰা (বহি) : মৃণালী বৰা, দেৱজিৎ বৰদলৈ, তীৰ্থজ্যোতি ওজা, মুহিৰাম বৰা, ড° অজন্তা দত্ত বৰদলৈ (অধ্যক্ষা), ড° কিশোৰ শৰ্মা (গ্ৰন্থাগাৰিক), মুনীন্দ্ৰ শইকীয়া, ৰবীন শইকীয়া, কুলেন শইকীয়া।
বাওঁফালৰপৰা (থিয় হৈ) : ৰামচন্দ্ৰ দাস, ৰামনৰেশ ৰায়, ৰগীৰাম শইকীয়া, গিৰিধৰ হাজৰিকা, হৰকান্ত শইকীয়া, টঙ্কেশ্বৰ বৰা, দেৱেন শইকীয়া, বদন ভূঞা, জোনমণি শইকীয়া, মিতালী বৰা।

# নগাঁও ছোৱালী কলেজ আলোচনী
# Nowgong Girls' College Magazine

প্ৰতি,
শ্ৰীযুত/শ্ৰীযুতা..........................................................................
..........................................................................
..........................................................................

বাৰ্ষিক প্ৰকাশ
২০১১-১২ বৰ্ষ

# নগাঁও ছোৱালী কলেজ আলোচনী

বাৰ্ষিক প্ৰকাশ - ২০১১-১২ চন

**সভাপতি**
ড° অজন্তা দত্ত বৰদলৈ, অধ্যক্ষা

**তত্ত্বাৱধায়িকা**
ড° মঞ্জু লস্কৰ, মুৰব্বী অধ্যাপিকা, অসমীয়া বিভাগ

**সম্পাদিকা**
গায়ত্ৰী বৰা

**আৰ্হি কাকত**
ড° মঞ্জু লস্কৰ (অসমীয়া বিভাগ)
ড° জয়ন্তী সাহা (বাংলা বিভাগ)
প্ৰদীপ দুৱৰা, সঞ্জিতা সিন্‌হা, নীতু সিং বব্বৰ, মৃদুলা কাশ্যপ (ইংৰাজী বিভাগ)
ড° মণিকা শইকীয়া (হিন্দী বিভাগ)

**প্ৰকাশিকা**
অধ্যক্ষা, নগাঁও ছোৱালী কলেজ।

**বেটুপাত**
ড° মঞ্জু লস্কৰ

**ছপা**
গিগাবাইট্‌চ প্ৰেছ এণ্ড পাব্লিকেশ্যন,
মিলনপুৰ, নগাঁও



নগাঁও ছোৱালী কলেজৰ
সোণালী জয়ন্তী বৰ্ষত সেইসকল শুভানুধ্যায়ী ব্যক্তিলৈ
আমাৰ হিয়াভৰা শ্ৰদ্ধা আৰু কৃতজ্ঞতা যাচিলোঁ
যিসকলে প্ৰতিষ্ঠা কালৰেপৰা আজিলৈকে
নগাঁও ছোৱালী কলেজৰ
সৰ্বাংগীণ উন্নতিত পৰোক্ষ আৰু প্ৰত্যক্ষভাৱে
সহযোগ আগবঢ়ালে
আৰু
যিসকলে বিগত বছৰবোৰত
আমাক এৰি থৈ
যাত্ৰা কৰিলে অমৃত ধামলৈ।
সেই সকলো স্মৰণীয় ব্যক্তিলৈ
নগাঁও ছোৱালী কলেজৰ
তৰফৰপৰা জনালোঁ সশ্ৰদ্ধ প্ৰণিপাত।

— সম্পাদনা সমিতি



# অধ্যক্ষাৰ একলম

প্ৰকৃতিয়ে মানৱ জাতিক পৰ্যবেক্ষণ তথা বিশ্লেষণৰ যোগ্যতা আৰু সিদ্ধান্ত গ্ৰহণৰ ক্ষমতা দিছে। ঈশ্বৰে আমাক প্ৰেম দিছে, প্ৰকৃতিয়ে দিছে আৱেগ। মানুহৰ আৱেগ! অনুভূতি প্ৰকাশৰ আটাইতকৈ শক্তিশালী মাধ্যম হৈছে আখৰ। আখৰৰ মাজেৰে আমি আমাৰ ভাৱ অনুভূতি, চিন্তা-ধাৰা প্ৰকাশৰ সুবিধা পালোঁ। পাঁচ হাজাৰ বছৰ আগতে ইজিপ্তত আৰম্ভ হৈছিল আখৰৰ দ্বাৰা ভাৱ প্ৰকাশৰ পদ্ধতি। তেতিয়াৰ পৰা বৰ্তমানলৈকে মানুহে নিজৰ চিন্তাধাৰা, ভাৱ-অনুভূতি আখৰৰ ইজিপ্ততে মাধ্যমেৰে গ্ৰন্থাকৰে প্ৰকাশ কৰি আহিছে। মনৰ ভাব প্ৰকাশৰ বাবে ছবি আঁকা, গান গোৱা আদি বিভিন্ন পদ্ধতি আছে যদিও আখৰ সকলোতকৈ শক্তিশালী মাধ্যম হিচাপে বিবেচিত হৈ আহিছে

আম আজি সভ্যতাৰ এনে এক স্তৰত প্ৰৱেশ কৰিছোঁ, য'ত মৌলিকত্ব নোহোৱা হৈ গৈছে। ইণ্টাৰনেট, প্ৰযুক্তিবিদ্যাৰ ব্যৱহাৰে আমাৰ মাজত ক'ৰবাত সংযোগ বিচ্ছিন্ন কৰিছে। তথাপি ইণ্টাৰনেটৰ যুগতো গ্ৰন্থ অধ্যয়নৰ প্ৰতি মানুহৰ আকৰ্ষণ কমা নাই। কিতাপৰ সমাদৰ বৰ্তমানো আছে আৰু ভৱিষ্যতেও থাকিব।

কেৱল কিতাপৰ শিক্ষাই শিক্ষা নহয়। শিক্ষা হৈছে এজন ছাত্ৰৰ সামগ্ৰিক উন্নয়ন সাধন। ব্যক্তি, সমাজ, সংস্কৃতি, কলা, সাহিত্য ব্যৱহাৰিক জীৱন আদি সৰ্ব দিশত অভিজ্ঞ হোৱাকৈ এজন ছাত্ৰক সৃষ্টি কৰাটোহে শিক্ষাৰ উদ্দেশ্য হোৱা উচিত।

আমাৰ ছাত্ৰীসকলে বৰ্তমান বিশ্বায়নৰ যুগত সকলো দিশতে নিজকে পটু কৰি তুলিব লাগিব। আমাৰ ছাত্ৰীসকলৰ  যথেষ্ট প্ৰভাৱ আছে। আমাৰ সংস্কৃতি আমি সুদৃঢ় কৰি ৰাখিব লাগিব। অন্যান্য দিশত আগবঢ়াৰ লগে লগে আমাৰ সংস্কৃতিকো জীয়াই ৰাখিব লাগিব।

এই সকলোবোৰ কথা আগত ৰাখি ছাত্ৰীসকলৰ বৌদ্ধিক আৰু মানসিক বিকাশৰ বাবে লগতে তেওঁলোকৰ সৃষ্টিশীল তথা সৃজনাত্মক মৌলিক প্ৰতিভাৰ উত্তৰণৰ অৰ্থে নগাঁও ছোৱালী কলেজ আলোচনী পাথেয় হওক। সুকুমাৰ কলা সাধনাৰে তেওঁলোক সৎ, চিন্তাশীল ব্যক্তিৰূপে গঢ়ি উঠক। ছাত্ৰীসকলৰ জ্ঞান আহৰণৰ স্পৃহা আৰু প্ৰকাশৰ ক্ষমতা বাঢ়ক এই কামনাৰে....

**ড° অজন্তা দত্ত বৰদলৈ**, অধ্যক্ষা
নগাঁও ছোৱালী কলেজ, নগাঁও (অসম)

# তত্ত্বাৱধায়িকাৰ মেজৰপৰা



"ৱিদ্যা নাম নৰস্য ৰূপমধিকং প্ৰচ্ছন্নগুপ্তং ধনম্।
ৱিদ্যা ভোগকৰী যশঃ শুভকৰী ৱিদ্যা গুৰুণাং গুৰুঃ।।
ৱিদ্যা বন্ধুজনো বিদেশগমনে ৱিদ্যা পৰং দৈৱতম্।
ৱিদ্যা ৰাজেষু পূজিতা নহি ধনং বিদ্যাবিহীনঃ পশুঃ।।

ভৰ্ত্তৃহৰি: *নীতি শতকম্*

সোণসেৰীয়া নীতিবাক্যকেইটাৰ অন্তৰ্নিহিত সত্যক গ্ৰহণ নকৰা কোনো ব্যক্তি নোলাব নিশ্চয়। *গুৰু-চৰিতত* বুঢ়ীমাক খেৰসুতীয়ে টটাটিঙা শঙ্কৰক বুজনি দিছিল: "মাতা শত্ৰু পিতা বৈৰী পুত্ৰে নপঢ়ায়। বিদ্যাহীন ভৈলে পুৰুষকো নশোভয়।। বিদ্যাৱন্ত পুৰুষক পূজে ঠাই ঠাই। নৰেশ্বৰ ভৈলে স্বদেশত পূজা পাই।।" ১৩৩৬-১৩৩৭

শাৰীৰিক সৌন্দৰ্য যিমানেই অনুপম নহওক কিয় ৰোগ-বাৰ্ধক্য আৰু মৃত্যুয়ে ইয়াক কুন্ধচ কৰি পেলাবই। ধন যিমানেই মূল্যৱান হ'ব তাক গোপন কৰি ৰাখিবই লাগিব। ৰূপ আৰু ধনতকৈ বিদ্যা শ্ৰেয়ঃ। গুৰুৰ কৃপাত বিদ্যা অৰ্জন কৰাজনে যশ লাভ কৰে আৰু পৃথিৱীৰ যিকোনো স্থানতে সন্মান পায়। কিন্তু ৰূপৱান, ধনৱান নতুবা ৰজাৰ (বিদ্বানজনৰ তুলনাত) স্বস্থানতহে সন্মান, মৰ্যাদা বা খ্যাতি থাকে।

বিদ্যা দান আৰু গ্ৰহণৰ প্ৰয়োজনীয়তা উপলব্ধি কৰি অতীজৰেপৰা বৰ্তমানলৈকে অলেখ বিদ্যামন্দিৰ গঢ় লৈ উঠিছে। একমাত্ৰ পাঠ্যপুথিৰ নিৰ্ধাৰিত পাঠকেইটাতে ছাত্ৰছাত্ৰীক সীমাবদ্ধ নকৰি প্ৰতিগৰাকী ছাত্ৰ বা ছাত্ৰীৰ মাজত সুপ্ত হৈ থকা সৃজনশীল প্ৰতিভাৰ বিকাশ হ'বলৈ প্ৰায় প্ৰতিটো বিদ্যানুষ্ঠানে বছৰত অন্ততঃ এখন হ'লেও মুখপত্ৰ প্ৰকাশৰ ব্যৱস্থা কৰে। সৃজনশীল প্ৰতিভা প্ৰকাশৰ আখৰা-ঘৰস্বৰূপ একোখন আলোচনী বা মুখপত্ৰত প্ৰথম খোজটো চুচুক-চামাককৈ দিয়া অনেকজনেই ক্ৰমশঃ স্ব স্ব প্ৰতিভাৰ উত্তৰণ ঘটাই সময়বালিত নিজ নিজ পদচিহ্ন থৈ যাবলৈ সক্ষম হয়। নগাঁও ছোৱালী কলেজৰ ছাত্ৰীসকলো নিশ্চয় তাৰ ব্যতিক্ৰম নহয়।

২০০৩-০৪ আৰু ২০০৪-০৫ চনৰ নগাঁও ছোৱালী কলেজ আলোচনীৰ তত্ত্বাৱধায়িকা হিচাপে আমাৰ চকুত পৰা এক ঋণাত্মক দিশ বা ধাৰণাৰ সামান্য ইতিবাচক সঁহাৰি এইবাৰ ২০১১-১২ চনত পাম বুলি ভাবিছিলোঁ। কিন্তু এইক্ষেত্ৰত এইবাৰো হতাশা নাতৰিল। নগাঁও ছোৱালী কলেজে সুদীৰ্ঘ পঞ্চাছটা বছৰত ভৰি থৈ সোণালী জয়ন্তী বৰ্ষ উদ্‌যাপন কৰাৰ সৌভাগ্য অৰ্জন কৰিলে। অনেক প্ৰতিকূল পৰিস্থিতি আৰু প্ৰত্যাহ্বানৰ লগত যুঁজি আজি যি ঠাইত গৌৰৱেৰে অৱতীৰ্ণ হৈছে বা হ'বলৈ সক্ষম হৈছে সেই কথা মনত ৰাখি নগাঁও ছোৱালী কলেজৰ প্ৰতিগৰাকী ছাত্ৰীৰ নৈতিক দায়িত্ব আৰু কৰ্তব্য হোৱা উচিত কলেজখনৰ সুনাম ৰক্ষা কৰা; অকল বিদ্যায়তনিক দিশতে নহয়, জীৱনৰ বাবে লগা আনুষঙ্গিক প্ৰতিটো দিশত পৰ্যাপ্ত অনুশীলন কৰা। কলেজ আলোচনীখনৰ প্ৰতিও তেওঁলোক দায়বদ্ধ। কিন্তু কিমানখিনি দায়িত্ব পালন কৰিছে সেয়া তেওঁলোকৰ বিচাৰ্য বিষয়।

সোণালী জয়ন্তী উদ্‌যাপনৰ শুভ দিনবোৰত প্ৰতিগৰাকী অধ্যাপক-অধ্যাপিকা নিজ নিজ দায়িত্ব আৰু কৰ্তব্যৰ বিষয়ে অত্যন্ত সজাগ। তেনেস্থলত যেতিয়াই সহায় বিচাৰিছোঁ ততালিকে আন্তৰিকতাৰে দুহাত আগবঢ়াই আমাক কৃতাৰ্থ কৰিছে। সকলোটিলৈকে ধন্যবাদ জ্ঞাপন কৰিছোঁ। উপদেষ্টা অধ্যক্ষা ড° অজন্তা দত্ত বৰদলৈৰ জ্ঞাতসাৰে আলোচনীখন সজাই-পৰাই তোলা হৈছে। তেখেতলৈ আন্তৰিক কৃতজ্ঞতা জনালোঁ। আলোচনীখনত ৰৈ যোৱা ত্ৰুটিৰ কাৰণ আমাৰ সীমাবদ্ধতা। ক্ষমা প্ৰাৰ্থনাৰে—

ড° মঞ্জু লস্কৰ



## সম্পাদিকাৰ মেজৰপৰা

প্ৰত্যেক বৰ্ষতেই নগাঁও ছোৱালী কলেজ আলোচনীখন প্ৰকাশ পাই আহিছে। ২০১২ বৰ্ষ আমাৰ বাবে এক আনন্দদায়ক বৰ্ষ, সৌভাগ্যৰ বৰ্ষ। কাৰণ, এই বৰ্ষটো হৈছে আমাৰ নগাঁও ছোৱালী কলেজৰ সোণালী জয়ন্তী বৰ্ষ। এই বৰ্ষত প্ৰকাশ পাবলগীয়া কলেজ আলোচনীখনৰ গুৰুত্ব অসীম। আমি চেষ্টা কৰিছোঁ যাতে আলোচনীখন সৰ্বাঙ্গসুন্দৰ হয়। আশা কৰোঁ, প্ৰত্যেক বৰ্ষৰ দৰে এইবাৰো সানন্দে-সহৃদয়তাৰে আলোচনীখন সকলোৱে আদৰি ল'ব।

আলোচনীখন প্ৰকাশ কৰিবলৈ মোক সহায় কৰা প্ৰতিজনৰ ওচৰত মই চিৰকৃতজ্ঞ। বিশেষকৈ ড° অজন্তা দত্ত বৰদলৈ বাইদেউ, তত্ত্বাৱধায়িকা ড° মঞ্জু লস্কৰ বাইদেউ আৰু শ্ৰীযুত জ্যোতিৰ্ময় জানাছাৰলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

জয়তু নগাঁও ছোৱালী কলেজ
সোণালী জয়ন্তী বৰ্ষ

গায়ত্ৰী বৰা, সম্পাদিকা

## সূচীপত্ৰ

### অসমীয়া বিভাগ

প্ৰবন্ধ


- লিপিৰ পৰিচয় আৰু ক্ৰমবিকাশ/ৰূপজ্যোতি শইকীয়া/১১
- অসম বঙ্গ আৰু উৰিষ্যাৰ ব্ৰজবুলি সাহিত্য/পূণ্যশ্ৰী বেজবৰুৱা/১৪
- অসমীয়া সাহিত্যলৈ মিছনেৰিসকলৰ অৱদান/উপাসনা বৰদলৈ/১৬
- মাধৱ কন্দলীৰ সাহিত্য কৃতি/মৌচুমী ভাৰতী/১৮
- অসমৰ ভক্তি আন্দোলন: এটি আলোকপাত/মৰমী গায়ন/২১
- স্বপ্নবাসৱদত্তা নাটকত বাসৱদত্তা আৰু পদ্মাৱতী এটি তুলনামূলক অধ্যয়ন/মীৰা বৰুৱা /২৪
- পীতাম্বৰ কবিৰ 'উষা পৰিণয়'/ড° মঞ্জু লস্কৰ /২৭
- 'জীৱনৰ বাটত' উপন্যাসত বীণা বৰুৱাৰ চিন্তাচেতনা/ড° বিশ্বজিৎ দাস/৪০
- কাৰ্বি ভূমিত যমুনাৰ ঐতিহাসিক তাৎপৰ্য/শিখা কোঁচ/৪৩
- অসমীয়া সংস্কৃতিত লোকশিল্প/ৰিমঝিম্ দেৱী/৪৫
- লোক-বিশ্বাসত তামোলপাণ/নৱস্মৃতা দেৱী/৪৮
- বাঁহগছ আৰু শিল্প/নয়ন মণি বৰা/৫০
- অসমীয়া সমাজৰ এটি অঙ্গস্বৰূপ 'বিয়ানাম'/জয়শ্ৰী শইকীয়া/৫২
- বিহুগীতত আনুষঙ্গিক বাদ্যযন্ত্ৰ/ৰুপিকা বৰা/৫৪
- ধৰ্ম আৰু সমাজ/ৰিম্চী গোস্বামী/৫৬
- মানৱ বিকাশ/কংকনা বৰা/৫৮
- ভাৰতীয় সংবিধানত মানৱ অধিকাৰৰ উপস্থিতি/দীপশিখা দাস/৬০
- শিশুসকলৰ মানৱ অধিকাৰ/ৰীমা বৰা/৬৩
- মহিলা সবলীকৰণ/ কবিতা বসুমতাৰী/৬৫
- ছাত্ৰ জীৱনত ৰাজনীতিৰ ভূমিকা/ডনা দাস/৬৭
- ভাৰতবৰ্ষৰ অৰ্থনৈতিক উন্নয়নত প্ৰাকৃতিক আৰু মানৱ সম্পদৰাজিৰ গুৰুত্ব/জয়শ্ৰী গোস্বামী/৬৯
- গ্ৰাহক হিচাপে আমি কিমান সজাগ/লীনা বৰা হাজাৰী/৭২
- পৰিৱেশ আৰু প্ৰাকৃতিক সম্পদ/পল্লৱী শইকীয়া/৭৪
- পৰিৱেশ আৰু পৰিৱেশ প্ৰদূষণ/ৰশ্মিৰেখা ফুকন/৭৭
- নাৰীৰ ভূষণ অলঙ্কাৰ/অনামিকা শৰ্মা/৭৮
- ইনফৰ্‌মেশ্বন টেক্‌ন'লজিয়ে সলনি নকৰে গ্ৰন্থৰ শৰীৰ/দিব্যজ্যোতি শইকীয়া/৭৯
- বৰ্তমান সময়ত অধিক প্ৰচলিত এটা সমস্যা— মোবাইল প্ৰেম/ উপাসনা বৰদলৈ/৮১
- সফল জীৱন গঢ়াৰ চাবিকাঠি/জুলি কলিতা/৮২
- চোৰ আৰু ডকাইতৰ প্ৰভেদ/অৰ্থনীতি বিভাগ/৮২


চুটিগল্প


- বেমাৰ/মৃদুলা হাজৰিকা/৮৩
- দূৰ্গা পাগল/দেৱযানী/৮৭
- স্মৃতিৰ আৱেশ/শিল্পী শইকীয়া/৮৯
- অসাৰ্থক প্ৰেম/পাখী বৰা/৯৭
- এক পুৱাৰ আশ্চৰ্য্য/জ্যোতিস্মিতা দেৱী/৯৯
- বেদনা নাই ক'ত/পূজা কলিতা/১০১
- ৰোমন্থন/মণি বৰা/১০২
- নিঃসঙ্গতাৰ লগৰী/ৰিচামণি দাস/১০৩


অন্যান্য


- নৱাগতা আদৰণি সভাত একেষাৰ/জয়ন্তী চুতীয়া/১০৬
- বৰ্ষাৱাণী বিষয়াৰে অন্তৰঙ্গ আলাপ/স্নাতক দ্বিতীয় বৰ্ষৰ ছাত্ৰী/১০৮
- মোৰ অনুভৱ এটি গল্পৰ/প্ৰিয়া গোস্বামী/১১১
- ক'লনিৰ ডাষ্টবিন/মাধুৰী শৰ্মা/১১১


লোক কথা


- থংনকবে/ ইলিনা টেৰন পী/১১২
- তিৱা জনগোষ্ঠীৰ লোককথা/পলী মেধি/১১৩
- কাৰ্বি লোক কাহিনী ৰংফাৰপী ৰংবে/ইলিনা টেৰন পী/১১৩


সাধু/কাহিনী


- উপলব্ধি/মিলি শইকীয়া/১১৪
- আপোন/জোনমণি দেৱী/১১৫
- সোণালী সপোন/ মিছ আছমিনা বেগম/১১৫
- এহাল যুৱক-যুৱতীৰ কাহিনী/ৰিমি তেৰাংপী/১১৬


ডাক পখিলী


- ১-১১/চিঠি/১১৭
- ভন্টিৰ বাবে নীলা খামৰ চিঠি/ৰশ্মিৰেখা ভাগৱতী/১২৪


কবিতা


- বহুদিন তাইক দেখা নাই/ ৰুমা দত্ত/ ১২৫
- পাহৰিব পৰা নাই/ প্ৰমতা ডাউলাগুফু/ ১২৫
- মোৰ সোণৰ সপোন/ প্ৰিয়া শইকীয়া/ ১২৫
- মা/ ৰিমা গোস্বামী/১২৬
- অনুভৱ/ দ্বীপৰেখা পাটৰ/১২৬
- বৈচিত্ৰ্যময় এই ধৰা/ লুনা গগৈ/১২৬
- সময়/ বিশাকা মজুমদাৰ/১২৭
- মনত নপৰেনে/ সংগীতা বসুমতাৰী/১২৭
- স্বপ্ন/ সংগীতা বৰা/১২৭
- আই বসুন্ধৰা/ চয়নিকা দেৱী/১২৮
- জীৱনৰ বাট/ দিপিকা বৰা/১২৮
- ক'ত গ'ল সুখবোৰ/ সীমাৰাখী বৰা/১২৮
- তেওঁতো বুজে/ পলী মেধি/১২৯
- শালিকী/ সাগৰিকা বৰা/১২৯
- উন্মাদ ফাগুন/ ঝৰ্ণা বৰা/১২৯
- নতুন জীৱনৰ আগমন/ হিমাক্ষী বাৰিক/১৩০
- প্ৰত্যুষ/ সমন্বিতা বৰা/১৩০
- অমূল্য জীৱন/ জ্যোতিস্মিতা দেৱী/১৩১
- কলীয়া মেঘে আৱৰা আকাশত এজাক নীড়হাৰা মানুহ/ কৃষ্ণমণি শৰ্মা/১৩১
- কাৰ স'তে সলাওঁ যাতনাৰ দীঘল উশাহ/ ৰীমা শইকীয়া/১৩২

## বাংলা বিভাগ

প্রবন্ধ
- ◆ রবীন্দ্রনাথের উপন্যাসে বঙ্গভঙ্গ আন্দোলনের প্রভাব/ড° জয়ন্তী সাহা/১৩৬
- ◆ কাব্য ও কাব্যের লক্ষ্য/ রঞ্জয় সাহা/১৩৯

কবিতা
- ◆ সভ্য মানব/ নন্দিতা রয়/১৪৪
- ◆ ভূপেন হাজরিকা/ বিজয়ীতা সাহা, স্নাতক প্রথম বর্ষ/১৪৫
- ◆ রবীন্দ্রনাথ ঠাকুর/ সুরভি সূত্রধর/১৪৫
- ◆ জীবনামৃতের সন্ধানে/ শিল্পী সূত্রধর, স্নাতক দ্বিতীয় বর্ষ/১৪৫
- ◆ বৃষ্টিস্নাতা/ পায়েল দাস/১৪৬
- ◆ অহংকার/ মমতা সূত্রধর/১৪৬
- ◆ মা/ তুলসী দাস//১৪৬
- ◆ প্রেম/ সরস্বতী বসাক/১৪৬

গল্প
- ◆ টাকার ইন্দ্রজাল/ শবনম আরা বেগম বড়ভূঁঞা//১৪৭
- ◆ সখি ভাবনা কাহারে বলে.../ পম্পী দাস//১৪৮
- ◆ শিকারী পোলিও/ কুমারী মাণ্টি দেবনাথ//১৪৮
- ◆ দর্পচূর্ণ/ পিয়াংকী রায়//১৪৯

রচনা
- ◆ কাব্যে উপেক্ষিতা বিবেকানন্দ-জননী/ ত্রয়ী দাস//১৫০

## English Section

**Article :**
- ◆ **Reading 'Macbeth' in Contemporary Times**/Neetu Gupta/১৫৩
- ◆ **Different schools of sanskrit Grammar**/Nilakshi Mili/১৫৫
- ◆ **Eric Hobsbowm: A Great Marxist Historian of Present World**/Compiled by– Munin Borah/১৬০
- ◆ **Gandhiji's view on Politics and Religion**/Rosy Deka/১৬২
- ◆ **Regionalism in relation to National Interation: An Analysis**/Ranjana Borah/১৬৪
- ◆ **Social Change and Value: An Overview**/Sanchita Bora/১৬৮
- ◆ **Relevance of Gandhian philosophy in 21st century**/ Fahmin Akhtar/১৭২
- ◆ **Panchayati Raj System**/Susmita Bathari/১৭৪
- ◆ **Individual and society**/Alpana Brahma/১৭৬
- ◆ **Globel Warming**/Shahina Nasrin/১৭৭

**Story :**
- ◆ **Karbi Tragedy Story**/Moina Sewarpi/১৭৯

**Poem :**
- ◆ **You will succeed**/ Afshana H.Choudhury/১৮০
- ◆ **Make your dreams come true**/ Afshana H. Choudhury/১৮০

## हिन्दी विभाग

आलोचना
- ◆ डॉ. भवेन्द्रनाथ शइकीया कृत कहानी 'गह्वर': एक समीक्षा/डॉ. मनिका शइकीया/১৮৩
- ◆ अज्ञेय की कविताओं में समाज चेतना/ उदय भान भगत/১৮৫

साम्प्रतिक चिंता
- ◆ नारी के ऊपर हो रहा अत्याचार/ रिशामनि दास/১৮৮

कविता
- ◆ कलंग के किनारे प्रात: समय/ धर्मिला पासवान/১৮৯
- ◆ हमारे देश की समस्या/ अंचल कुमारी राय/১৮৯
- ◆ किताबें/ हेमलता चौहान/১৮৯
- ◆ कमरे की तलाश/ मनालिचा/১৯০
- ◆ भौर का सौन्दर्य/ कविता जयसवाल/১৯০
- ◆ यही जिंदगी है दोस्तो/ पूजा कुमारी/১৯০

প্ৰতিবেদন
- ◆ সাধাৰণ সম্পাদিকাৰ বাৰ্ষিক প্ৰতিবেদন /১৯১
- ◆ সহ-ক্ৰীড়া সম্পাদিকাৰ প্ৰতিবেদন /১৯২
- ◆ সহকাৰী সাধাৰণ সম্পাদিকাৰ প্ৰতিবেদন /১৯৩
- ◆ সঙ্গীত সম্পাদিকাৰ প্ৰতিবেদন /১৯৪
- ◆ সাংস্কৃতিক সম্পাদিকাৰ প্ৰতিবেদন /১৯৫
- ◆ ক্ৰীড়া সম্পাদিকাৰ প্ৰতিবেদন /১৯৬
- ◆ তৰ্ক আৰু আলোচনা চক্ৰ বিভাগৰ সম্পাদিকাৰ বাৰ্ষিক প্ৰতিবেদন /১৯৭
- ◆ ছাত্ৰী সাহয্য পুঁজিৰ সম্পাদিকাৰ বাৰ্ষিক প্ৰতিবেদন /১৯৮

# অসমীয়া বিভাগ

# লিপিৰ পৰিচয় আৰু ক্ৰমবিকাশ

ৰূপজ্যোতি শইকীয়া, স্নাতক তৃতীয় ষাণ্মাসিক, ২০১২-১৩ চন

লিপিৰ পৰিচয় আৰু ক্ৰমবিকাশৰ ওপৰত কিছুকথা লিখিবলৈ লওতেই প্ৰথমতে উল্লেখ কৰিব লাগিব যে এই লিপিৰ পৰিচয় আৰু ক্ৰমবিকাশৰ সন্দৰ্ভত ড° বাণীকান্ত কাকতি আৰু ড° নাৰায়ণ দাসৰ মন্তব্যবোৰ প্ৰায় সকলো ক্ষেত্ৰতে মিল দেখা যায়। গতিকে তেওঁলোক দুয়োৰে মন্তব্যবোৰ যুগুত কৰি অতি চমুকৈ লিপিৰ পৰিচয় আৰু ক্ৰমবিকাশৰ বিষয়ে ইয়াত উল্লেখ কৰা হ'ব।

**লিপিৰ পৰিচয়:** বাণীৰ লৈখিক প্ৰতিৰূপেই হৈছে লিপি। লিপি শব্দৰ অৰ্থ হ'ল লেপন কৰা। ইয়াক কিছুমান ৰঞ্জক পদাৰ্থৰে তৈয়াৰ কৰা হৈছে বাবে ইয়াক লিপি বোলে। লিপিৰ ব্যৱহাৰৰদ্বাৰা কোনো এক সময়ৰ কোনো মনোভাব বা ঘটনাক ভৱিষ্যতলৈ সংৰক্ষণ কৰাৰ সুবিধা হ'ল।

আন কথাত, বাগ্‌যন্ত্ৰৰ সহায়ত উচ্চাৰিত ধ্বনিসমূহক যি প্ৰতীক চিহ্ন অথবা ৰেখাচিত্ৰৰ সহায়ত ব্যক্ত কৰা হয়, সেয়ে লিপি।

**ক্ৰমবিকাশ:** ভাষাৰ নিচিনা লিপিকো মানুহে নিজৰ আৱশ্যকতা অনুসৰি বিকশিত কৰি লৈছে। অৱশ্যে আৱিষ্কাৰ কৰিম বুলি মানুহে লিপিৰ আৱিষ্কাৰ কৰা নাই। সময়ত নানা ঘটনাৰ সমাৱেশত লিপিৰ জন্ম হ'ল। প্ৰথম অৱস্থাত যাদু আদিৰ কাৰণে কিছুমান ৰেখা অঁকা হৈছিল, চিনাক্ত কৰাৰ কাৰণে নিজৰ নিজৰ বস্তুৰ ওপৰত কিহবাৰ দাগ দিয়া হৈছিল। পাহাৰ-পৰ্বতত সচৰাচৰ দেখা গছ-গছনি বা জীৱ-জন্তুৰ চিত্ৰ আঁকিবলৈ যত্ন কৰা হৈছিল। মনত ৰাখিবলৈ ৰচি বা গছৰ বাকলি আদিত গাঁঠি দি থোৱা হৈছিল আৰু অৱশেষত এইবোৰ পদ্ধতিৰে মানুহৰ মনোভাব প্ৰকাশ কৰিবলৈ ব্যৱহাৰ কৰিবলৈ লোৱা প্ৰচেষ্টাৰ ফলত সেইবোৰ লিপিত পৰিণত হ'ল। প্ৰাচীন ভাৰতত, ধাতুৰে নিৰ্মিত সূক্ষ্মাগ্ৰ কলমৰ সহায়ত ভুৰ্জপত্ৰ আৰু তালপাতত দাগকাটি তাৰ ওপৰত চিয়াঁহি ঘঁহি দিয়া হৈছিল। এনেধৰণৰ ৰঞ্জক পদাৰ্থ লেপন কৰাৰ পৰাই লিপি শব্দৰ উৎপত্তি হয় বুলি পণ্ডিতসকলে কয়। পৃথিৱীৰ লিপিৰ আৱিষ্কাৰ মাত্ৰ হাজাৰ বছৰৰ পূৰ্বৱৰ্তী কথা। পণ্ডিতসকলে খৃঃপূঃ দহ হাজাৰ আৰু খৃঃপূঃ চাৰি হাজাৰ মধ্যৱৰ্তী খৃঃপূঃ ছয় হাজাৰ বছৰমানত লিপিৰ প্ৰাৰম্ভিক বিকাশ হোৱা বুলি অভিমত প্ৰকাশ কৰিছে। পূৰ্ণাঙ্গ আক্ষৰিক লিপিৰ ইতিহাস আৰু সাম্প্ৰতিক ইয়াৰ জন্ম লগ্নত ঈশ্বৰ অথবা ঈশ্বৰ প্ৰেৰিত দূতৰ হাত থকা বুলি বিভিন্ন দেশৰ লোকে বিশ্বাস কৰিছিল। উদাহৰণস্বৰূপে ব্ৰাহ্মীলিপিৰ সৈতে সৃষ্টিকৰ্তা ব্ৰহ্মাক, মিছৰীয় লিপিৰ সৈতে থচ বা আইচিচ, বেবিলনীয় লিপিৰ লগত নেবু, গ্ৰীক লিপিৰ সৈতে হৰ্মিচ, আৰবৰ লিপিৰ সৈতে আল্লা প্ৰভৃতি পৌৰাণিক দেৱতাক সাঙোৰা ৰূপকথা আজিও প্ৰচলিত। কিন্তু বাস্তৱ দৃষ্টিৰে পৰ্যবেক্ষণ কৰিলে আদিম মানৱৰ প্ৰয়োজন পূৰ্তিৰ দীৰ্ঘম্যাদী প্ৰযত্নৰ ফলশ্ৰুতিৰূপেহে যে লিপিৰ বিকাশ সম্ভৱ হৈছে এই কথা ওলাই পৰে।

এই লিপি সমূহ ক্ৰমে কেইবাটাও ভাগত বিভক্ত কৰা হৈছে। সেইবোৰৰ ভিতৰত—

**(ক) গ্ৰন্থি লিপি:**

স্মৃতি সংৰক্ষণৰ কাৰণে গামোচা বা ৰুমালত গাঁঠি দি ৰখা পদ্ধতি আজিও অব্যাহত। আদিম মানৱে ৰুমাল অথবা গামোচাৰ পৰিৱৰ্তে ৰচি অথবা জন্তুৰ ছালত গাঁঠি দি কথা মনত ৰখাৰ উপায় উদ্ভাৱন কৰি লৈছিল। দক্ষিণ আমেৰিকাৰ পেৰু দেশৰ অধিবাসীসকলে (ক) ৰচি এডালত বেলেগ বেলেগ ৰং লগাই, (খ) ৰচি অথবা চামৰাৰ ফিটাত বেলেগ বেলেগ ৰঙৰ সূতা বা মণি আদি আঁৰি দি উল্লেখযোগ্য বিষয়, ঘটনা, পৰিসংখ্যা আদি মনত ৰখাৰ উপৰি ব্যৱসায় বাণিজ্যৰো প্ৰাথমিক কাৰ্য সম্পাদন কৰিছিল। সাধাৰণতে ৰঙা ৰঙৰ ৰচিৰে সৈনিক, হালধীয়া ৰঙৰ ৰচিৰে সোণৰ আৰু বগা ৰঙৰ ৰচিৰে বিয়াৰ অৰ্থ সূচায়। তদুপৰি এটা গাঁঠিয়ে ১০, দুটা গাঁঠিয়ে ২০. এশটা গাঁঠিয়ে ১০০ আদি বুজায়। এটা সময়ত এনেদৰে ৰচিত গাঁঠি বন্ধা আৰু তাৰ অৰ্থ বুজাবলৈ একশ্ৰেণী লোকেই নিয়োজিত হৈছিল। মনৰ ভাব প্ৰকাশ কৰা এই পদ্ধতিক পেৰু দেশত কিপাচ, কুইপাচ, কুইপু অথবা গ্ৰন্থিলিপি ৰূপে জনা যায়। টঙ্গানিকাৰ মকোন্দে আদিবাসীসকলে ছালৰ ৰচিত গাঁঠি দি বিভিন্ন ঘটনা আৰু সময় গণনা কৰা পদ্ধতি দীৰ্ঘদিন জুৰি প্ৰচলিত হৈ আহিছে। এইদৰেই গ্ৰন্থিলিপিৰ প্ৰয়োগ হৈছিল।

**(খ) প্ৰতীকাত্মক লিপি:**

কেতিয়াবা কেতিয়াবা দূৰত থকা লোক এজনৰ মনোভাব প্ৰকাশৰ বাবে পতাকা, বিশেষ ধৰণৰ বস্তু অথবা চিহ্নৰ প্ৰয়োগ কৰা দেখা যায়। উদাহৰণস্বৰূপে গাৰ্ডে ৰেলগাড়ীখন যাবলৈ বা ৰাখিবলৈ সেউজীয়া বা ৰঙা পতাকা এখন ব্যৱহাৰ কৰে, কাৰোবাৰ মৃত্যু বাতৰি বুজাবলৈ বাতৰিটোৰ চাৰিওফালে ক'লা আঁচ দিয়া হয়, কোনো ডাঙৰ লোকৰ মৃত্যুত শোক প্ৰকাশৰ

চিন স্বৰূপে পতাকা অৰ্ধনিম্নকৈ ৰখা হয়, কাৰোবাৰ ল'ৰা জন্মিলে অসমৰ কোনো কোনো অঞ্চলত মাছ আৰু কোনো কোনো অঞ্চলত জলা আৰু নিমখৰ টোপোলা বিলাই দিয়া হয়। বগা পতাকা উত্তোলনেৰে চলি থকা যুদ্ধ সাময়িকভাৱে স্থগিত ৰখা পদ্ধতি বিশ্বত আজিও প্ৰচলিত। ফতেহপুৰ জিলাৰ উচ্চশ্ৰেণীৰ হিন্দুসকলে হালধিৰে ছোৱালী আৰু চুপাৰীৰদ্বাৰা ল'ৰাৰ নিমন্ত্ৰণ আগবঢ়ায়। বাস্তৱ দৃষ্টিত এনেবোৰ প্ৰক্ৰিয়াক লিপি বুলিব নোৱাৰিলেও ইয়াৰদ্বাৰা যে এজনৰ মনোভাব ব্যক্ত হয় তাত অকণো সন্দেহ নাই। এনে পদ্ধতিক ভাব অভিব্যক্তিৰ প্ৰতীকাত্মক ৰীতি অথবা প্ৰতীকাত্মক লিপি আখ্যা দিয়া।

লিপিৰ বিকাশৰ আৰম্ভণি এই দুবিধ লিপিৰ পৰাই হৈছে যদিও এই লিপি দুবিধৰ বিশেষ স্থান নাই। লিপি বিকাশৰ ক্ষেত্ৰত গ্ৰন্থিলিপি আৰু প্ৰতীকাত্মক লিপিৰ স্থান নিঃসন্দেহে শূন্যৰ ঘৰত।

**(গ) চিত্ৰলিপি:**

চিত্ৰলিপি লেখন কলাৰ প্ৰথম স্তৰ। ইয়াৰ পৰা চিত্ৰ কলাৰ ইতিহাসো আৰম্ভ হৈছে। অৰণ্যাচাৰী আদিম মানৱে চিকাৰৰ অনুসন্ধান কৰোঁতে চকুৰ আগৰপৰা বিভিন্ন জীৱ-জন্তুৰ চেহেৰাক ৰৈখিক চিত্ৰৰ মাধ্যমত স্মৰণীয় কৰি ৰাখিছিল। এনেকৈয়ে মানৱ মনৰ সুকুমাৰ চিন্তাধাৰাৰ প্ৰকাশ পৰ্বতৰ বুকুত থকা বিভিন্ন আকাৰৰ মসৃণ শৈল পৃষ্ঠত সম্ভৱ হৈছিল। এয়ে চিত্ৰলিপি। গুহাবাসী মানৱে আন ঠাইলৈ নগৈ গুহাৰ ভিতৰতে চিত্ৰাঙ্কন সমাধা কৰিছিল। সেই চিত্ৰসমূহ বাস্তৱৰ ভেটিত অঙ্কিত হৈছিল। সাধাৰণতে হৰিণ এটা বুজাবলৈ সম্পূৰ্ণ হৰিণটো আঁকিব লগা হৈছিল। চিকাৰৰ দৃশ্যত হৰিণৰ সৈতে আয়ুধহস্ত চিকাৰীকো দেখা যায়। এই চিত্ৰসমূহে আদিম মানৱৰ সৌন্দৰ্যবোধৰ পৰিচয় প্ৰদৰ্শন কৰাৰ উপৰি আন এটি উদ্দেশ্যও সাধন কৰিছিল। অনামী শিল্পীয়ে যেতিয়া এটা হৰিণৰ ছবি আঁকিছিল তেতিয়া তেওঁৰ সঙ্গীসকলে সহজে বুজিব পাৰিছিল যে তেওঁ হৰিণৰ কথা চিন্তা কৰিছে। এনেদৰে এই চিত্ৰসমূহে এজনৰ মনৰভাব আন এজনৰ ওচৰলৈ কঢ়িয়াই নিয়াত সফল হৈছিল। সময়ৰ অগ্ৰগতিয়ে চিত্ৰলিপিৰ ভালেখিনি বিকাশ সাধন কৰে।

পৃথিৱীৰ বিভিন্নস্থানত উদ্ধাৰ হোৱা চিত্ৰলিপিসমূহ শৈলপৃষ্ঠৰ উপৰি হাতীদাঁত, গছৰ ছাল, জন্তুৰ ছাল, কাঠৰ ফলক আদিতো অঙ্কন কৰা দেখা গৈছে, এই সমস্ত চিত্ৰ ৰেখা সৰ্বস্ব। চিত্ৰলিপিৰ বিশ্বজনীন মূল্যবোধৰ কথা অস্বীকাৰ কৰিব নোৱাৰি। অৱশ্যে এই চিত্ৰলিপিৰ সীমাবদ্ধতাও আছিল যথেষ্ট। সেয়া আছিল এনেধৰণৰ —

১। চিত্ৰলিপিয়ে ব্যক্তি ভিন্নতা বুজাবলৈ অসমৰ্থ।

২। চিত্ৰাঙ্কনত ভালেখিনি সময়ৰ প্ৰয়োজন।

৩। প্ৰত্যেক মানুহেই চিত্ৰবিদ্যাত পাৰদৰ্শী হ'ব বুলি আশা কৰিব নোৱাৰি।

আমেৰিকাত পোৱা চিত্ৰলিপিৰ একাংশ তলত দিয়া ধৰণৰ[1]



১ নং চিত্ৰ

চিত্ৰলিপিৰ পৰম্পৰা প্ৰাচীন কালৰপৰা বৰ্তমান সময়লৈকে চলি আছে। বৰ্তমান কালতো ভৌগোলিক, মানচিত্ৰত পাহাৰ পৰ্বত, নৈ-নলা, কল-কাৰখানা আদিক আৰু পঞ্জিকাৰ গ্ৰহবোৰক চিত্ৰৰদ্বাৰা বুজোৱা হয়।

**(ঘ) ভাবলিপি:**

চিত্ৰলিপিৰ বিকশিত ৰূপেই হৈছে ভাবমূলক লিপি। চিত্ৰলিপিত যি যি বস্তুৰ চিত্ৰ আঁকা হয় সেই সেই বস্তুবোৰক ব্যক্ত কৰে। সুখ-দুখ, দয়া-ক্ষমা, বিমূৰ্ত ভাবৰাশি চিত্ৰলিপিৰে প্ৰকাশ কৰিব নোৱাৰি, কিন্তু ভাবলিপিত স্থূল বস্তুবোৰৰ উপৰি ভাবকো ব্যক্ত কৰিবলৈ চিত্ৰবোৰ সমৰ্থ হ'ল। এই স্তৰত চিত্ৰৰ প্ৰাধান্য কমি আহিল, ৰেখা অথবা চিহ্নই মুখ্য আসন অধিকাৰ কৰিলে। ভাবলিপিত অঙ্কিত কোনো এটা বস্তুৰ প্ৰতীকটোৱে সেই বস্তুটোক প্ৰত্যক্ষভাৱে নুবুজাই সেই বস্তুটোৰ সৈতে সংযোজিত ভাবটোৰ দ্যোতনা কৰে। চিত্ৰলিপিত ভৰি এখনৰ চিত্ৰই কেৱল ভৰিখনকে বুজাইছিল, কিন্তু ভাবলিপিত ভৰিখনৰ ছবিয়ে গমন কৰা অৰ্থ প্ৰকাশ কৰিবলৈ সক্ষম হ'ল। ঠিক সেইদৰে গোলাকাৰ চিত্ৰটোৱে চিত্ৰলিপিত মাথো সূৰ্যটো বুজাইছিল। কিন্তু ভাবলিপিত সি সূৰ্যদেৱতা, গৰম প্ৰভৃতি



২ নং চিত্ৰ

ড° উপেন্দ্ৰনাথ গোস্বামীৰ *অসমীয়া লিপি* নামৰ গ্ৰন্থখনৰ ৯নং পৃষ্ঠাত সন্নিৱিষ্ট (চিত্ৰ নং ২) চিত্ৰটো ওপৰত দিয়া হ'ল।

১। দ্ৰষ্টব্য ঃ তিৱাৰী, ভোলানাথ: *ভাষা-বিজ্ঞান*



বুজাবলৈ ধৰিলে। এই স্তৰত অৰ্ধচন্দ্ৰৰ তলত তৰা আঁকিলে সি বুজাব ৰাতিৰ অন্ধকাৰক, চকুৰ কাষৰ পানীৰ টোপালে দুখৰ সংবাদ দিব। ভাবলিপিৰদ্বাৰা দীঘলীয়া চিঠি-পত্ৰৰ কামো সমাধা কৰিব পাৰি। আলিবাটত থকা উপপথ, দলং, চোকা ভাঁজ প্ৰভৃতি বুজাবলৈ ব্যৱহাৰ কৰা চিত্ৰ সমূহেই তাৰ প্ৰমাণ। পিছে ছবিৰে মুখৰ ধ্বনিক ৰূপ দিব নোৱাৰি। দৃশ্যমান বস্তু এটিয়ে আমাৰ মানসপটত যিটো ছবি আঁকে, তাৰ ৰেখাময় ৰূপটিহে চিত্ৰলিপি কিম্বা ভাবলিপিত পৰিস্ফুট হয়। ২ নং চিত্ৰৰ ৮ নম্বৰৰ লোকজনেই হ'ল প্ৰেছিডেণ্ট। পত্ৰলেখক (১নং) ৫ নম্বৰলৈকে একে গঢ় আৰু সাজ-পাৰৰ দলটো হ'ল নেতা। ১নং চিত্ৰৰ মূৰত থকা আঁক দুডালে তাকে বুজাইছে। তেওঁৰ আগবঢ়াই দিয়া হাতখনে এইটো বুজাইছে যে সেই নেতাজনে প্ৰেছিডেণ্টৰ লগত মিত্ৰতা কৰিবলৈ বিচাৰিছে। ৬ নম্বৰ আৰু ৭ নম্বৰৰ চিত্ৰ দুটাই এই দুটা দলৰ আন দুজন নেতাক বুজাইছে। তেওঁলোকৰ মূৰৰ ওপৰত চাৰিওফালে আঁকা আঁচবোৰে ১ নম্বৰ চিত্ৰৰ নেতাজনতকৈ তেওঁলোক বেছি ক্ষমতাশালী বুলি সূচাইছে। আটাইকেইজনৰ চকুবোৰক একেলগ কৰা ৰেখাবোৰে সকলোৰে একমতৰ কথা ব্যক্ত কৰিছে। নেতাজনে পঠোৱা চিঠিখন এনেদৰে পঢ়িব পাৰি। 'একে সাজ-পাৰ পিন্ধা এই পাঁচজনীয়া দলটোৰ



৩ নং চিত্ৰ

মই নেতা। মোৰ লগত আৰু দলৰ দুজন নেতাও আছে। তেওঁলোক মোতকৈ বেছি ক্ষমতাশালী আমি আটায়ে একগোট হৈ আপোনাৰ লগত মিত্ৰতা স্থাপন কৰিব বিচাৰোঁ। আপোনাৰ লগত আমাৰ কোনো মতানৈক্য নাই।'

ওপৰৰ চিত্ৰটো ড° উপেন্দ্ৰনাথ গোস্বামীৰ *অসমীয়া লিপি* নামৰ পুথিখনৰ ১১ নং পৃষ্ঠাত উল্লেখিত (চিত্ৰ নং ৩) চিত্ৰৰ পৰা তুলি দিয়া হৈছে।

**ঙ) ভাবধ্বনিমূলক:**

ভাবলিপিৰ বিকশিত ৰূপটোৱেই হ'ল ভাবধ্বনি মূলক লিপি। এই লিপিৰ কিছুমান চিহ্ন চিনাত্মক আৰু ভাবমূলক আৰু কিছুমান চিহ্ন ধ্বনিমূলক। কোনো কোনো পণ্ডিতৰ মতে হৰপ্পা আৰু মহেঞ্জোদাৰোত পোৱা মোহৰৰ সিন্ধুলিপি এই শ্ৰেণীৰ ভিতৰুৱা। ইয়াৰ কিছুমান চিহ্ন চিত্ৰৰ নিচিনা আৰু কিছুমান আখৰৰ নিচিনা। তলত দুয়োবিধৰে চানেকি দাঙি ধৰা হ'ল—

মেচোপটেমিয়া, হিভী আৰু মিছৰৰ পুৰণি লিপিক সাধাৰণতে ভাবলিপিৰূপে চিহ্নিত কৰিলেও সিবোৰ দৰাচলতে ভাব ধ্বনিমূলক লিপিৰহে দৃষ্টান্ত। মিছৰৰ চিত্ৰ প্ৰতীক লিপিত আকাশৰ চিত্ৰৰূপে আকাশ বাচক 'পতা' এই ধ্বনিৰূপত ব্যৱহাৰ হোৱাটো স্মৰণযোগ্য। আধুনিক চীনালিপিয়ো ইয়াৰ পৰ্যায়ভুক্ত। উদাহৰণস্বৰূপে "ফ্যাং" শব্দটোৱে চীনাভাষাত বুজায় নাও, স্থান, বয়ন প্ৰভৃতি। গতিকে স্থান বুজাবলৈ নাৱৰ লগত পৃথিৱী আৰু বয়নৰ অৰ্থ বুজাবলৈ নাৱৰ সৈতে ৰেচমৰ চিহ্ন অঙ্কন কৰিবলগীয়া হয়।

ওপৰৰ চিত্ৰটো ড° উপেন্দ্ৰনাথ গোস্বামীৰদ্বাৰা লিখিত *অসমীয়া লিপি* নামৰ পাঠ্যপুথিখনৰ ১২ নং পৃষ্ঠাৰ উল্লেখিত চিত্ৰ নং ৪ ৰ চিত্ৰটো ইয়াত অঙ্কন কৰা হ'ল।

**চ) ধ্বনিমূলক চিহ্ন:**

লিপিৰ পূৰ্ণবিকশিত ৰূপ হ'ল ধ্বনিমূলক লিপি। ইয়াত কোনো এটা চিহ্নই কোনো বস্তু বা ভাব প্ৰকাশ নকৰে। কোনো চিহ্নই কোনো এটা ধ্বনিহে প্ৰকাশ কৰে। সেই ধ্বনিৰ সহায়ত মূৰ্ত-বিমূৰ্ত বস্তু অথবা ভাব আপোনা-আপুনি প্ৰকাশ পাবলৈ বাধ্য। নাগলী, আৰবী প্ৰভৃতি লিপি ইয়াৰ দৃষ্টান্ত। ধ্বনিমূলক লিপিক আৰু দুটা ভাগত ভাগ কৰা হয়—

১। অক্ষৰাত্মক লিপি

২। বৰ্ণাত্মক লিপি।

১। অক্ষৰাত্মক লিপি আৰু ২। বৰ্ণাত্মক লিপি ঃ

অক্ষৰাত্মক লিপি বা অক্ষৰ লিপিত কোনো এটা চিহ্নই কোনো এটা অক্ষৰক বুজায়, বৰ্ণ(ধ্বনি)টোক নুবুজায়। দেৱনাগৰী বা অসমীয়া লিপি অক্ষৰাত্মক। ইয়াত ব্যৱহৃত 'ক' চিহ্নটোৰদ্বাৰা ক+অ, এই দুটা বৰ্ণ(ধ্বনি)ক বুজোৱা হৈছে। ৰোমান লিপি বৰ্ণাত্মক। "কণক" শব্দটো লেখিবলৈ হ'লে, অসমীয়াৰ তিনিটা চিহ্নৰে (ক - ণ - ক) বুজাব পাৰি, কিন্তু ৰোমান লিপিত তাক বুজাবলৈ হ'লে (k - a - n - a - k) এই পাঁচোটা চিহ্ন ব্যৱহাৰ কৰিবলগীয়া হয়। আদৰ্শ বৰ্ণাত্মক লিপিত প্ৰত্যেক ধ্বনিৰ কাৰণে সুকীয়া চিহ্ন ব্যৱহাৰ কৰা হয়। লিপিৰ উদ্ভৱ আৰু বিকাশ এক সুদীৰ্ঘ পৰিক্ৰমা। মানৱ-সভ্যতাৰ বিকাশত ইয়াৰ অৱদান অতুলনীয়। ■

সহায়ক গ্ৰন্থপঞ্জী— এই প্ৰবন্ধটিৰ বাবে তলৰ পুথিৰ সহায় লোৱা হৈছে:
১। ড° নাৰায়ণ দাস: *বিশ্বলিপিৰ ভূমিকা*।
২। ড° উপেন্দ্ৰনাথ গোস্বামী: *অসমীয়া লিপি*।

# অসম, বঙ্গ আৰু উৰিষ্যাৰ ব্ৰজবুলি সাহিত্য

পুণ্যশ্ৰী বেজবৰুৱা, স্নাতক তৃতীয় বৰ্ষ (অসমীয়া বিভাগ)

ৰাষ্ট্ৰীয় সংহতি আৰু আৱেগিক ঐক্যৰ দৃষ্টি আগত ৰাখি পূব-ভাৰতীয় মধ্যযুগীয় কবিসকলে এক আদৰ্শ ভাষাক কাব্য ৰচনাৰ মাধ্যম হিচাপে গ্ৰহণ কৰিছিল, এই ভাষাকে ব্ৰজবুলি ভাষা হিচাপে জনা যায়। এই ব্ৰজবুলি ভাষাটো পূৰ্বৰে পৰা জনসাধাৰণৰ মাজত সমাদৃত হৈ আহিছে। 'ব্ৰজবুলি' শব্দটোৰ প্ৰয়োগ সৰ্বপ্ৰথমে ঈশ্বৰচন্দ্ৰ গুপ্তৰ লিখাত পোৱা গৈছে। অসম, বঙ্গ আৰু উৰিষ্যাৰ আৰু লগতে নেপালৰো ভক্ত কবিসকলৰ ঐকান্তিক প্ৰচেষ্টাত পদাৱলী সাহিত্যই ব্ৰজবুলি ভাষাৰ সাজ পৰিধান কৰি বৃহৎ ভূ-খণ্ডৰ সাহিত্য-সংস্কৃতিত এক নৱজাগৰণৰ সৃষ্টি কৰিছিল।

এই ব্ৰজবুলি ভাষাটো পূব ভাৰতৰ অসম, বঙ্গ আৰু উৰিষ্যাতো নানা উপায়েৰে বিকাশ লাভ কৰিছিল। অসমীয়া ব্ৰজবুলিয়ে মিথিলাৰ সৈতে যোগাযোগৰ ফলস্বৰূপে স্বাধীনভাৱে বিকাশ লাভ কৰা যেন লাগে। অসমৰ পুৰণি ৰচনাসমূহত যি ভাষাৰ প্ৰয়োগ কৰা হৈছিল, সেই ভাষা আচলতে ব্ৰজবুলি হয়নে নহয় তাকে লৈ মতভেদ পোৱা যায়। যোড়শ শতাব্দীৰ মাজভাগত বৈষ্ণৱ পদাৱলীৰ বিশিষ্ট ভাষাক শঙ্কৰদেৱৰ শিষ্য কবি মাধৱদেৱে 'ব্ৰজাৱলী' বুলিছে। শ্ৰীবাপচন্দ্ৰ মহন্তই অনুমান কৰে যে অসমত 'ব্ৰজাৱলী' শব্দ খ্ৰীঃ ১৭-১৮ শতিকাৰ মাজভাগৰপৰা সেই ভাষাটো বুজাবলৈ বঙ্গত 'ব্ৰজবুলি' শব্দৰ প্ৰয়োগ কৰা হৈছে। বঙ্গৰ অনুকৰণতে উৰিষ্যা আৰু নেপালৰ ভাষাটোকো ব্ৰজবুলি হিচাপে নামকৰণ কৰা হয়। অসমৰ ব্ৰজাৱলীও বঙ্গৰ অনুকৰণত ব্ৰজবুলি নামেৰে পৰিচিত হ'বলৈ ধৰিলে।

অসমৰ কিছুসংখ্যক পণ্ডিতে ড° সুকুমাৰ সেনৰ দৰে বিশ্বাস কৰে যে শঙ্কৰদেৱৰ সময়ৰেপৰা অসমত বৰগীত, অঙ্কীয়া নাটৰ যোগেৰে প্ৰচলিত হোৱা ভাষাটো মৈথিলী প্ৰভাৱৰ ফল। ড° বিৰিঞ্চি কুমাৰ বৰুৱাই অসমৰ বৈষ্ণৱ কবিৰ ব্ৰজবুলি মিথিলাৰ সংস্পৰ্শত বিকশিত হৈ উঠাৰ বিষয়ে ধাৰণা কৰিছে। তেওঁ ক'ব বিচাৰিছে যে মধ্যযুগত নৱ-বৈষ্ণৱ ধৰ্মৰ প্ৰচাৰৰ কেন্দ্ৰস্থল মিথিলাত যি সৰ্বমান্য ভাষাৰ সৃষ্টি হৈছিল, কামৰূপৰ পণ্ডিতসকলে মিথিলা বা বিহাৰলৈ যাওঁতে সেই ভাষাটো শিকিছিল। উভতি আহি তেওঁলোকে সেই ভাষাত গীত ৰচনা কৰিবলৈ লয়। কিন্তু তাত মৈথিলী ভাষাৰ প্ৰাচুৰ্যই দেখা দিয়ে। এই নতুন উপভাষাটোৰ নামেই হ'ল ব্ৰজবুলি। বঙালী আৰু অসমীয়া কবিসকলে সাধাৰণতে এই ভাষাৰ ব্যৱহাৰ কৰিছিল। ড° সত্যেন্দ্ৰনাথ শৰ্মাই অসমৰ ব্ৰজবুলিক মৈথিলী আৰু অসমীয়াৰ সংমিশ্ৰণত এক কৃত্ৰিম ভাষাৰূপে গণ্য কৰি বিশেষকৈ ইয়াক গীত আৰু নাটত প্ৰয়োগ কৰাৰ ৩ টা কাৰণ দেখুৱাইছে— (১) মধ্যযুগৰ বৈষ্ণৱ নাটৰ পাত্ৰৰ মুখত দৈনন্দিন ব্যৱহৃত ভাষাতকৈ কিছু পৃথক ভাষাৰ ব্যৱহাৰ কৰি দৰ্শকৰ মনত সাঁচ বহুওৱা ইষ্টদেৱৰ ভাষা, (২) পূব ভাৰতত বিদ্যাপতিৰ মৈথিলী গীত আৰু নাটৰ জনপ্ৰিয়তা বৃদ্ধিৰ ফলত বৈষ্ণৱ কবিসকলে তেওঁৰ ৰচনা নীতিৰ অনুকৰণ কৰাৰ প্ৰবল ইচ্ছা সামৰিব পৰা নাছিল, (৩) নাটবোৰত মৈথিলী ভাষাৰ প্ৰয়োগৰ ফলত দৰ্শকৰ সংখ্যা বৃদ্ধি পোৱাৰ উপৰি অনা অসমীয়া লোকেও ইয়াৰ ৰস পাইছিল।

ড° কৃষ্ণনাৰায়ণ প্ৰসাদে ঐতিহাসিক-ৰাজনৈতিক-ধাৰ্মিক অৱস্থাৰ পৰিপ্ৰেক্ষিতত ব্ৰজবুলি ভাষাৰ প্ৰচাৰৰ ওপৰত আলোচনা কৰি এই মৈথিলী প্ৰভাৱৰ কথা নুই কৰিছে। তেওঁ কৈছে যে, নালন্দা বিশ্ববিদ্যালয় ধ্বংসপ্ৰাপ্ত হোৱাৰ ফলত ইয়াৰ পণ্ডিতসকল উত্তৰ-পূব ভাৰতত বিয়পি পৰিছিল। ইয়াৰোপৰি চৰ্যাপদত মাগধী প্ৰয়োগ, আধুনিক মাগধীৰ পূৰ্বী বোলী পূৰ্বী মৈথিলী ৰূপে প্ৰচলিত হোৱা ইত্যাদি তথ্যৰ আধাৰত ব্ৰজবুলি ভাষাত মাগধী প্ৰভাৱহে দেখা যায়। ড° উপেন্দ্ৰনাথ গোস্বামীয়েও মন্তব্য দিছে যে, অসমীয়া ব্ৰজবুলি ভাষাটো মিথিলাৰ পৰা অনা এটা সম্পূৰ্ণ কৃত্ৰিম ভাষা নহয়। ই বঙ্গদেশৰ মাজেৰেও অসমত প্ৰৱেশ কৰা নাই। এই ভাষা চৰ্যাপদৰ ভাষাই প্ৰতিনিধিত্ব কৰা পূৰ্বৰ সাহিত্যিক ভাষাটোহে। তাৰ পৰম্পৰা পূৰ্বৰ লেখকসকলৰ ৰচনাৰ মাজেৰে চলি আহিছিল। শঙ্কৰদেৱে আৰু তেওঁৰ অনুকৰণকাৰীসকলে স্থানীয়, ঘৰুৱা জতুৱা ঠাঁচযুক্ত অসমীয়া প্ৰয়োগক অৱহেলা নকৰিছিল। অৱশ্যে এই কথা বা ভিত্তি কিমানদূৰ গ্ৰহণযোগ্য সি বিবেচনাৰ বিষয়। এই কথা সঠিককৈ ক'ব পাৰি যে মহাপুৰুষ শঙ্কৰদেৱে ৰচনা কৰা বৰগীত আৰু অঙ্কীয়া নাটৰ পৰাই অসমত ব্ৰজবুলি প্ৰচলন হয়। মহাপুৰুষজনাই সুদীৰ্ঘকাল কৰা ভ্ৰমণ আৰু বৃন্দাবন, পুৰী প্ৰভৃতি ঠাইত নানা বৈষ্ণৱ পণ্ডিতৰ সংস্পৰ্শ লাভ কৰিছিল। এই অভিজ্ঞতাই তেওঁক ব্ৰজবুলিত সাহিত্য ৰচনা কৰিবলৈ প্ৰেৰণা যোগাইছিল।

বঙ্গ আৰু উৰিষ্যাতো অসমৰ দৰেই 'ব্ৰজবুলি' ভাষাৰ বিকাশ ঘটিছিল। *ব্ৰজবুলি সাহিত্যৰ ইতিহাসত* ড° সেনে মৈথিলী পদাৱলীৰ অনুকৰণত বিশেষকৈ বিদ্যাপতিৰ পদাৱলীৰদ্বাৰা আকৃষ্ট হৈ বঙ্গৰ কবিসকলে অনায়াসে ব্ৰজবুলি ভাষাত পদাৱলী ৰচনা কৰা বুলি দিয়া যুক্তি কুৰি বছৰ পিছত শুধৰায়। *ব্ৰজবুলিৰ কাহিনী* শীৰ্ষক এটা নিবন্ধত (*বিশ্বভাৰতী পত্ৰিকা,* ১৩৬২) তেওঁৰ পূৰ্বৰ অনুমান ভ্ৰান্তিমূলক বুলি স্বীকাৰ কৰি কয়— *মৈথিলা পদাৱলীৰ অনুকৰণে তীৰহুত প্ৰত্যাগত বাঙালী কবিৰ পদ ৰচনাৰ ফলে ব্ৰজবুলিৰ সৃষ্টি এটা নিছক অনুমান। পঞ্চদশ শতাব্দীতে বাংলা তীৰহুতেৰ সংযোগ খুব ঘনিষ্ঠ ছিল। মিথিলায় যেমন বঙালী ছেলে পড়তে যেত, বাংলায়ও তেমনি মৈথিলী ছেলে পড়তে আসত। পদাৱলী ৰচনাৰ শৈলী দু দেশেই সমান ছিল, অন্তত পক্ষে জয়দেৱেৰ দেশ বাংলায় তা কিছুতেই তীৰহুতেৰে চেয়ে কম ছিল না এমন মনে কৰা অসংগত নয়। এমন অৱস্থায় মৈথিলী ভাষাৰ ঠাট পুৰাপুৰি নিয়ে যে বাংলায় একটা নতুন কাব্যধাৰা সৃষ্টি হ'ল দশ-বিশ পঞ্চাশ বছৰেৰ মধ্যে সে কথা স্বতঃসিদ্ধ মনে কৰাৰ কাৰণ নেই।*

ড° অসিত কুমাৰ বন্দোপাধ্যায়ে বঙ্গৰ ব্ৰজবুলি মিথিলাৰ প্ৰভাৱৰ ফল বুলি স্বীকাৰ কৰে। খ্ৰীঃ ১৩শ-১৪ শতাব্দীত বঙ্গদেশ মুছলমানসকলৰ শাসনাধীন হোৱাৰ ফলত ইয়াৰ স্থানীয় বিদ্যা-সংস্কৃতিৰ কেন্দ্ৰসমূহত কিছুকাল বিদ্যাচৰ্চা ব্যাহত হৈ পৰে বাবে বিদ্যাৰ্থীসকলে মিথিলা শিক্ষা-কেন্দ্ৰবোৰলৈ যাতায়ত অব্যাহত ৰাখে। এই মিথিলা প্ৰবাসী বঙালী বিদ্যাৰ্থীসকলে বিদ্যাপতিৰ অপূৰ্ব পদাৱলী নিজৰ প্ৰদেশলৈ আনে। স্থানীয় প্ৰভাৱৰ ফলত বিদ্যাপতিৰ ভাষাৰ পৰিৱৰ্তন হয়— *কালেৰ ব্যৱধানে বিদ্যাপতিৰ মৈথিলী গান বাংলায় আসিয়া বাঙালী গায়ক ও পাঠকেৰ প্ৰভাৱে কিছু কিছু বাংলা শব্দ গ্ৰহণ কৰিল, অজ্ঞতাৰ জন্য মৈথিলী ব্যাকৰণেৰ নিয়মাৱলীতেও শিথিলতা আসিয়া পড়িল এবং ইতা হইতে বাংলা বাকৰীতি অনুসৃত হইতে লাগিল। পৰৱৰ্তী কালে বংগীয় গোস্বামী সম্প্ৰদায়ৰ প্ৰভাৱে এই কৃত্ৰিম ভাষা (অৰ্থাৎ মৈথিলীও বাংলাৰ সংমিশ্ৰণ) বৈষ্ণৱ পদসাহিত্য বিপুলভাৱে অনুশীলিত হইয়াছিল। ইহাৰ 'ব্ৰজবুলি' নামে পৰিচিত।*

বঙ্গদেশত ব্ৰজবুলিৰ উৎপত্তি সম্বন্ধে আন এটি ধাৰণা হৈছে যে ই চৰ্যাপদৰ ভাষাৰপৰা বিকশিত হৈছে। এই প্ৰসঙ্গত জাহ্নৱী কুমাৰ চক্ৰৱৰ্তীৰ মন্তব্য প্ৰণিধানযোগ্য। তেওঁৰ মতে, চৰ্যাপদৰ ভাষাটোৱে যিদৰে উত্তৰ অঞ্চলত প্ৰচলিত ভাষাৰ পৰা বিকাশ লাভ কৰিছে। ব্ৰজবুলিৰো সেইদৰেই জন্ম আৰু বিকাশ হৈছে। বঙলা সাহিত্যৰ জনৈক পণ্ডিতে উৰিষ্যাত ব্ৰজবুলিৰ বিকাশ বঙ্গদেশৰ প্ৰভাৱত হোৱা বুলি মত পোষণ কৰা দেখা যায়। ড° অসিত কুমাৰ বন্দোপাধ্যায়েও প্ৰকাৰান্তৰে স্বীকাৰ কৰিছে— *অনুমান বাংলা দেশ হইতে এই নতুন শিল্পৰীতিৰ তৰংগ উৰিষ্যাতেও ব্ৰজবুলি পদাৱলী প্ৰধানত গৌড়ীয় দৰ্শনেৰে প্ৰভাৱিত*। উৰিষ্যাতে ব্ৰজবুলি ভাষাই নিজাকৈ বিকাশ লাভ কৰিছিল। নৃপতি বৈদ্যনাথৰ পৰা আৰম্ভ কৰি চম্পতি ৰায়, কানুৰাম দাস, মাধৱী দাস, পঞ্চসখাৰ এক সমৃদ্ধ পৰম্পৰা আছে যাৰ ব্ৰজবুলি পদাৱলীয়ে উৰিষ্যাৰ স্বকীয় ঐতিহ্যৰ কথা সোঁৱৰায়। এই প্ৰদেশৰ ব্ৰজবুলিতো বিদ্যাপতিৰ প্ৰভাৱ অনস্বীকাৰ্য। কিন্তু বঙ্গৰ প্ৰভাৱত উৰিষ্যাৰ ব্ৰজবুলিয়ে গঢ় লৈ উঠা কথা বঙ্গৰ পণ্ডিতসকলৰ বঙ্গ প্ৰীতিৰ পূৰ্বাগ্ৰহহে মাথোন।

এনেদৰে বিচাৰ কৰিলে আমি দেখিবলৈ পাওঁ যে অসম, বঙ্গ আৰু উৰিষ্যাৰ বিশেষকৈ মধ্যযুগত বৈষ্ণৱ কবিসকলৰ ৰচনাত ব্ৰজবুলি ভাষাই বিস্তাৰ লাভ কৰিছিল। এই কথাও সত্য যে বৈষ্ণৱ সাধু আচাৰ্যসকলে সেইসময়ত ব্ৰজভূমিত পদাৰ্পণ কৰি সুদীৰ্ঘকাল পুৰী, বৃন্দাবন, মথুৰা আদিত বাস কৰিছিল। সেই গতিকে তেওঁলোকে সমকালীন উত্তৰ-পূব ভাৰতৰ এক সৰ্বপ্ৰচলিত ভাষাক স্থানীয় ভাষাৰ সমন্বয়ত সাহিত্য ৰচনাৰ মাধ্যমৰূপে গ্ৰহণ কৰিছিল। গতিকে স্বাভাৱিকতে মৈথিলী, ব্ৰজভাষা, ফাৰ্চী মূল শব্দৰ প্ৰভাৱ পৰিছিল। অৱশ্যে এই ভাষাত শৌৰসেনী ভাষাৰ প্ৰেৰণা লুকাই আছে, এই প্ৰেৰণাই ব্ৰজবুলি ভাষাৰ বিকাশ ঘটাইছিল। এই সকলোবোৰৰে সমৃদ্ধ ভাষা ব্ৰজবুলিক বৈষ্ণৱ কবিসকলে অতি সাদৰেৰে গ্ৰহণ কৰি পদাৱলী সাহিত্যৰ প্ৰসাৰতাত অনন্য বৰঙণি যোগাইছিল। ■

**সহায়ক গ্ৰন্থ:**
ড° ভূপেন্দ্ৰ ৰায়চৌধুৰী: *ব্ৰজবুলি সাহিত্য মুকুৰ,* পঞ্চম সংস্কৰণ, ২০০৪ খ্ৰীঃ।

## শ্ৰীমন্ত শঙ্কৰদেৱ বিৰচিত বৰগীত

### ৰাগ-গৌৰী

ধ্ৰুং — সোই সোই; ঠাকুৰ মোই; যো হৰি পৰকাশা।
নাম স্মৰত; ৰূপ ধৰত; তাকেৰি হামু দাসা।।

পদ — পণ্ডিতে পঢ়ে শাস্ত্ৰ মাত্ৰ; সাৰ ভকতে লিয়ে।
অন্তৰ জল; চুটয় কমল; মধু মধুকৰ পিয়ে।
যাহে ভকতি; তাহে মুকুতি; ভকতে এ তত্ত্ব জানা।
যৈছে বণিক; চিন্তামণিক; জানি গুণ বখানা।।
কৃষ্ণ কিঙ্কৰ; শঙ্কৰ কহ; ভজ গোবিন্দক পায়।
সোহি পণ্ডিত; সোহি পণ্ডিত; যো হৰিগুণ গায়।।

# অসমীয়া সাহিত্যলৈ মিছনেৰীসকলৰ অৱদান

উপাসনা বৰদলৈ, স্নাতক তৃতীয় ষাণ্মাসিক

ইংৰাজসকলে অসমত কেইবছৰমান ৰাজত্ব কৰাৰ পিছতেই অসমীয়া ভাষা আৰু সাহিত্যাকাশ এছটা ক'লা ডাৱৰে আৱৰি ধৰে; কিন্তু সৌভাগ্যবশতঃ সেই ডাৱৰ বহু বেছি দিনলৈ থাকিব নোৱাৰিলে। বৰং পূব আকাশত অৰুণোদয় হোৱাত সেই ক'লা ডাৱৰ আৰু লগতে এন্ধাৰ লাহে লাহে আঁতৰিল আৰু অসমৰ সাহিত্য আকাশ নতুন আলোকেৰে আলোকিত হৈ উঠিল।

ইংৰাজসকলৰ দিনতে ইংৰাজ শাসনকৰ্তাই অসমীয়া ভাষাৰ ঠাইত বঙালী (বাংলা) ভাষা অসমৰ স্কুল আদালতত কিছুমান বঙালী কেৰাণী-মহৰী আদি চাকৰিয়ালৰ ফুচুলনিত প্ৰচলন কৰাইছিল। উইলিয়াম ৰবিনছন প্ৰমুখ্যে কেইজনমান ইংৰাজ বিষয়ায়ো বঙলা ভাষাৰ হকে মাত মাতি অসমীয়া ভাষাৰ বিৰোধিতা কৰিছিল। কিন্তু সৌভাগ্যক্ৰমে ১৮৩৬-৩৭ চনত ৰেভাৰেণ্ড নাথান ব্ৰাউন, ও টি কাটাৰ, ডাঃ মাইলছ ব্ৰন্‌ছন আদিকে ধৰি কেইবাগৰাকীও আমেৰিকাৰ বেপ্তিষ্ট মিছনেৰী চাহাবে সপৰিয়ালে আহি অসমত খ্ৰীষ্টধৰ্ম প্ৰচাৰৰ যত্ন কৰে। অসমত বৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ ক্ষেত্ৰত যেনেকৈ মহাপুৰুষ সকলে সংস্কৃত ভাষা এৰি 'স্থানীয় ভাষাত' বৈষ্ণৱ গ্ৰন্থসমূহ প্ৰণয়ন কৰিছিল, সেইদৰে মিছনেৰীসকলেও অসমবাসীৰ মাজত নিজা ইংৰাজী ভাষা এৰি অসমীয়া ভাষাত খ্ৰীষ্টান্ ধৰ্ম প্ৰচাৰৰ যত্ন কৰিলে। এই উদ্দেশ্যে তেওঁলোকে অলপদিনৰ ভিতৰতে অসমীয়া ভাষাটো শিকি পেলালে। ইয়াৰ উপৰিও সকলো ভাষাৰ কাৰণে ব্যাকৰণ আৰু অভিধান নিতান্ত অপৰিহাৰ্য বুলি জানি ৰবিন্‌ছন চাহাবে ১৮৩৯ খ্ৰীঃত ইংৰাজীতে অসমীয়া ভাষাৰ ব্যাকৰণ (A Grammar of the Assamese Language), ১৮৪৬ খ্ৰীঃত ডাঃ নাথান ব্ৰাউনে চমু অসমীয়া ব্যাকৰণ (Grammatical Notices on the Assamese Language) আৰু ১৮৬৭ খ্ৰীঃত ডাঃ মাইলছ ব্ৰনছনে চৈধ্য হাজাৰ মান শব্দৰ *অসমীয়া আৰু ইংৰাজী অভিধান* লিখি প্ৰকাশ কৰে। ১৮৪০ খ্ৰীঃত শ্ৰীমতী কাটাৰৰ ইংৰাজী অসমীয়া Vocabulory and Phrases প্ৰকাশ পায়। মিছনেৰী সকলৰ যত্নতেই ১৮১৩ খ্ৰীঃত নগাঁৱৰ আত্মাৰাম শৰ্মাই বাইবেল পুথি অনুবাদ কৰে।

মিছনেৰীসকলে অসমত খ্ৰীষ্টধৰ্ম প্ৰচাৰ কৰাৰ লগতে অসমীয়া ভাষাটোকো সঞ্জীৱিত কৰিবলৈ দেহে-কেহে লাগি গৈছিল। বঙালী কৰ্মচাৰীৰ দুষ্টবুদ্ধি আৰু ইংৰাজ শাসকৰ অজ্ঞতা আৰু অৱহেলাৰ ফলতেই যে জনসাধাৰণে অসমীয়া ভাষাটো স্কুল-আদালতত চলাব নোৱাৰে বা অসমীয়া ভাষাৰ এনে দুৰৱস্থা হৈছে সেইটো বুজিবলৈ তেওঁলোকৰ বেছিদিন নালাগিল। সেয়ে তেওঁলোকে কিছুমান অসমীয়া লোকৰ লগ-লাগি বৃটিছ শাসকবৰ্গক বুজায় দিলে যে অসমীয়া বঙলাৰ পৰা সম্পূৰ্ণ স্বতন্ত্ৰ এটা ভাষা আৰু অসমৰ স্কুল-আদালতত বঙলাৰ ঠাইত অসমীয়া ভাষা চলোৱাহে যুক্তিযুক্ত। এইদৰে মিছনেৰীসকলৰ যত্নতেই ১৮৭৩ খ্ৰীঃত অসমীয়া ভাষাই স্কুল আদালতত পুনৰ প্ৰতিষ্ঠা লাভ কৰে।

মিছনেৰীসকলে অসমীয়া ভাষাক এখোজ আগবঢ়াই নিবৰ বাবে অসমীয়া সমাজলৈ এখন নতুন মাহেকীয়া আলোচনী *অৰুণোদই*ৰ জন্ম দিলে। এই আলোচনীখন শিৱসাগৰ প্ৰেছৰপৰা ১৮৪৬ চনৰ জানুৱাৰী মাহত প্ৰথম প্ৰকাশ পায়। ইয়াৰ প্ৰথম সম্পাদক আছিল ও টি কাটাৰ। এই আলোচনীখনে অসমীয়াৰ মাজত দেশ-বিদেশৰ জ্ঞানৰ বাট মুকলি কৰে।

অসমীয়া ভাষাৰ প্ৰথম আলোচনী বাতৰি কাকত হিচাপে *অৰুণোদই*এ কেইটিমান বিশেষ উপকাৰ সাধিলে।

১। *অৰুণোদই*এ এক শ্ৰেণী লিখকৰ সৃষ্টি কৰিলে।
২। *অৰুণোদই*ত প্ৰকাশিত কিছুমান বৰ্ণনামূলক কবিতা পুৰণি বৈষ্ণৱ কাব্যৰ অনুকৰণত ৰচিত যদিও এই কাকতৰ যোগেদিয়েই পাশ্চাত্য সাহিত্যৰ ভাবধাৰা পোন প্ৰথমতে অসমীয়া সাহিত্যলৈ আমদানি হয়।
৩। অসমীয়া ভাষা যে বঙলাৰপৰা সম্পূৰ্ণ পৃথক ভাষা, এইটো প্ৰমাণ কৰাত পুৰণি পুথিবোৰৰ দৰে *অৰুণোদয়ৈ*ও সহায় কৰে।

মিছনেৰীসকলে উল্লেখিত দানসমূহ আগবঢ়োৱাৰ উপৰি অসমীয়া ভাষাত ভালেমান গ্ৰন্থ অনুবাদ আৰু ৰচনা কৰে। ডাঃ নাথান ব্ৰাউনে ১৮৪৯ খ্ৰীঃত *নিউ টেষ্টামেণ্ট*ৰ (New Testament) অসমীয়া ভাঙনি *আমাৰ ত্ৰাণকৰ্তা যীশুখৃষ্টৰ নতুন নিয়ম* আৰু ১৮৫৪ খ্ৰীঃত বাইবেলৰপৰা ভাঙনি কৰি *খৃষ্টৰ বিৱৰণ* আৰু *শুভ বাৰ্তা* প্ৰকাশ কৰে। ব্ৰাউনৰ পত্নী এলিজা ব্ৰাউনেও অসমীয়া ভাষাত ল'ৰা-ছোৱালীৰ উপযোগীকৈ সাধুৰ পুথি, গণনা-পুথি ৰচনা কৰে আৰু *ভুগোলৰ বিৱৰণ* প্ৰকাশ কৰে। আন এজন মিছনেৰী চাহাব ডাঃ মাইলছ ব্ৰন্‌ছনে *অচমীয়া আৰু ইংৰাজী অভিধান*ৰ উপৰি বাইবেলৰ ভালেমান তুতিগান অসমীয়ালৈ ভাঙনি কৰে। এ কে গাৰ্নিয়ে শিৱসাগৰত ধৰ্মযাজক ৰূপে থাকি *অৰুণোদই* সম্পাদনা কৰাৰ উপৰিও কেইবাখনো পুথি অসমীয়াত ৰচনা কৰিছিল। ৰচনাৰীতি বা কলা-কৌশলৰ ফালৰ পৰা ত্ৰুটি থাকিলেও এওঁৰ ৰচিত *কামিনীকান্ত* কেই (১৮৭৭ খ্ৰীঃ) অসমীয়া ভাষাৰ প্ৰথম উপন্যাস বুলি ক'ব পাৰি। খৃষ্টধৰ্ম প্ৰচাৰৰ অৰ্থে এই পুথিখনি লিখা হৈছিল। এ কে গাৰ্নিয়ে ইয়াৰ উপৰি *এলোকেশী বেশ্যাৰ বিষয়, কানি বেহেৰুৱাৰ কথা, পুৰণি নিয়ম* (Old testament); *যোচেফৰ কাহিনী* আদি ৰচনা কৰে। শ্ৰীমতী গাৰ্নিয়েও *ফুলমণি আৰু কৰুণা* নামৰ এখনি পুথি লিখে। শ্ৰীমতী এছ্ আৰ্ ৱাৰ্ডে এখনি শব্দাৱলী (১৮৬৪ খ্ৰীঃ) প্ৰণয়ন কৰিছিল।

উল্লেখিত গ্ৰন্থসমূহৰ উপৰি মিছনেৰী চাহাবসকলে অসমীয়া ভাষাত *বাইবেলৰ সাধু, জাত্ৰিকৰ যাত্ৰা, জোচেফৰ কাহিনী, মাউৰী ছোৱালী, আফ্ৰিকাৰ কোঁৱৰ, আমেৰিকা আৱিষ্কাৰ* আদি ভালেমান পুথি ৰচনা কৰে।

মিছনেৰীসকলে অসমীয়া ভাষাত আলোচনী আৰু নানা ধৰণৰ পুথি প্ৰকাশ কৰাৰ উপৰিও অসমীয়া শব্দমালালৈকো দান দি গ'ল। তেওঁলোকে ইংৰাজীভাষী হোৱা কাৰণে অসমীয়া ভাষাত ভালেমান নতুন আভিধানিক আৰু বৈয়াকৰণিক ৰূপৰ প্ৰৱেশ হ'ল। তেওঁলোকে ইংৰাজী শব্দৰ ভাব লৈ বহুত অসমীয়া শব্দ সৃষ্টি কৰিলে। তেওঁলোকে স্থানীয় কথিত ভাষা ব্যৱহাৰ কৰিছিল যদিও বৰ্ণবিন্যাসত সংস্কৃত তৎসম, তদ্ভৱ শব্দৰ বানানৰ প্ৰতি লক্ষ্য নাৰাখি উচ্চাৰণৰ প্ৰতিহে লক্ষ্য ৰাখিছিল।

মিছনেৰীসকলৰ বাক্যৰচনা বা শব্দ-চয়ণ ৰীতিত খুঁট থাকিলেও এইটো ঠিক যে পৰৱৰ্তী যুগতো বাক্য ৰচনা বা শব্দ-চয়নৰ ক্ষেত্ৰত তেওঁলোকৰ আদৰ্শই সহায় কৰিছিল। মিছনেৰীসকলে বিশেষকৈ *আমাৰ ভাষাক এটি সুৰ শিকাই গ'ল*। ই পাশ্চাত্য সাহিত্যৰ নিজা সম্পত্তি। তাক পাদুৰী চাহাবসকলে সাত সাগৰ তেৰ নৈ পাৰ হৈ আহি ভাৰতবৰ্ষৰ ভাষাবোৰক শিকাই দিলেহি।

এইদৰে দেখা যায়, মিছনেৰীসকলে অসমীয়া ভাষাটোক বঙলা ভাষাৰ কবলৰ পৰা মুক্ত কৰি নতুন বোলেৰে নতুন সুৰেৰে যিভাৱে প্ৰাণৱন্ত কৰি তুলিলে, তাৰ বাবে সকলো অসমীয়া ভাষা-ভাষী তেওঁলোকৰ ওচৰত নিশ্চয় চিৰঋণী হৈ থাকিব। ■

---

## অসমীয়া ভাষা কাক বোলে?

পণ্ডিত হেমচন্দ্ৰ গোস্বামী

"অসমীয়া মানুহৰ ইটে-সিটে যি কথা কৈ মনৰ ভাব সলনা-সলনি কৰে তাক অসমীয়া ভাষা বোলে। যদিও "অসমীয়া" শব্দ "অসম" আৰু "অসম" শব্দ "আহোম" শব্দৰপৰা ওলাইছে, তথাপি "অসমীয়া ভাষা" আহম জাতিৰ ভাষা বা সিবিলাকৰ ভাষাৰপৰা ওলোৱা এটা ভাষা নহয়। অহমবিলাকে ইংৰাজি তেৰ শতিকাৰ শেহ ভাগতহে আমাৰ দেশ অধিকাৰ কৰে; অসমীয়া ভাষা তাৰ বহুতদিনৰ আগৰেপৰা আছে। যেতিয়া সাত শতিকাৰ আৰম্ভতে চীন দেশৰ বিখ্যাত পৰিব্ৰাজক হোৱেন্‌স্যাঙ্গে ভাৰতবৰ্ষ ভ্ৰমণ কৰিবলৈ আহে, তেতিয়া তেওঁ বিৱৰণীত এইদৰে লিখিছে— "বঙ্গ-বিহাৰ আৰু উড়িষ্যা অঞ্চলৰ ভাষা হে বেলেগ আছিল।" হোৱেন্‌স্যাঙ্গৰ কথাৰপৰা ভালকৈ বুজিব পাৰি যে অসমীয়া ভাষা বঙ্গালী ভাষাৰ এটা ঠেঙ্গুলি নহয়। ব্ৰাউন চাহাবে বহুত পৰিশ্ৰমেৰেঅনুসন্ধান কৰি ঠিক কৰিছে যে অসমীয়া ভাষাৰ বাক্যাৱলীৰ শত ৭ টাকৈ অঁকা, ৫ টাকৈ মান, ১ টাকৈ খামতি, ১ টাকৈ আবৰ, ৩১ টাকৈ মিচিমি আৰু ৬৩ টাকৈ সংস্কৃতমূলক শব্দ আছে; ইয়াৰপৰা ফট্-ফটীয়াকৈ দেখা যায় যে অসমীয়া ভাষাৰ সৰহ ভাগ শব্দ সংস্কৃত ভাষাৰপৰা অহা। হোৱেন্‌স্যাঙ্গ আৰু ব্ৰাউন দুইৰো মত মিলাই আমি এইটো সিদ্ধান্ত কৰিলে, অনুমান কৰোঁ, একো ভুল নহ'ব, যে অসমীয়া ভাষা পুৰাতন কামৰূপত বসতি কৰিবলৈ অহা আৰ্য্যবিলাকৰ ভাষাৰে ৰূপান্তৰ মাথোন। সেইগুণে, অসমীয়া ভাষাৰ উৎপত্তি ঠাৱৰ কৰিবলৈ হ'লে কামৰূপত প্ৰথমতে কেতিয়া আৰ্য্যবসতি থাপনা কৰা হয় তাক ঠাৱৰ কৰিব লাগিব।"

(অ. ভা. উ. সা. সভাৰ দ্বিতীয় বছেৰেকীয়া অধিৱেশনত পঢ়া হৈছিল, ১৮৯০
*পণ্ডিত হেমচন্দ্ৰ গোস্বামী ৰচনাৱলী*, অসম সাহিত্য সভা)

# মাধৱ কন্দলীৰ সাহিত্য কৃতি

মৌচুমী ভাৰতী, স্নাতক প্ৰথম ষাণ্মাসিক

অসমীয়া সাহিত্যৰ প্ৰাক্-শঙ্কৰী যুগত যিকেইজন কবি-সাহিত্যিকে তেওঁলোকৰ বৰঙণিৰে অসমীয়া কাব্য সাহিত্যলৈ উল্লেখযোগ্য অৱদান আগবঢ়াইছিল তেওঁলোকৰ ভিতৰত ৰামায়ণ অনুবাদ কৰা কবি মাধৱ কন্দলীয়ে আছিল শ্ৰেষ্ঠ।

মাধৱ কন্দলীয়ে মধ্যযুগৰ অসমৰ বৰাহী ৰজা মহামাণিক্যৰ অনুৰোধত বাল্মীকিৰ ৰামায়ণ অসমীয়ালৈ অনুবাদ কৰিছিল। মাধৱ কন্দলীয়ে ৰামায়ণৰ লঙ্কা কাণ্ডত আত্ম-পৰিচয় প্ৰসঙ্গত তেওঁ বৰাহী ৰজা মহামাণিক্যৰ অনুৰোধক্ৰমে সৰ্বজনবোধ্য হিচাপে সংস্কৃত ভাষাৰ বাল্মীকিৰ ৰামায়ণখন অসমীয়ালৈ অনুবাদ কৰা বুলি এনেদৰে কৈছে—

কবিৰাজ কন্দলী যে আমাকেসে বুলি কয়।
কৰিলোহো সৰ্ব্বজন বোধে।।
ৰামায়ণ সুপয়াৰ শ্ৰীমহামাণিক্য যে
বৰাহ ৰজাৰ অনুৰোধে।।

পণ্ডিতসকলৰ আলোচনা অনুসৰি এই সিদ্ধান্তলৈ আহিব পাৰি যে খ্ৰীষ্টীয় চতুৰ্দশ শতিকাৰ মাজভাগত নগাঁও অঞ্চলৰ কপিলী উপত্যকাত মহামাণিক্য নামৰ এজন বৰাহী ৰজাই ৰাজত্ব কৰিছিল আৰু তেওঁৰ অনুৰোধতেই মাধৱ কন্দলীয়ে ৰামায়ণ অনুবাদ কৰিছিল।

প্ৰাক্-শঙ্কৰী যুগৰ কবি মাধৱ কন্দলী কেৱল যে সেই যুগৰ কবিসকলৰ ভিতৰতেই শ্ৰেষ্ঠ আছিল এনে নহয়, তেওঁ আছিল এগৰাকী বিশিষ্ট কবি আৰু সাধাৰণতে অসমৰ প্ৰাচীন যুগৰ আগশাৰীৰ কবি শঙ্কৰদেৱ, মাধৱদেৱ, ৰাম সৰস্বতী আদিৰ সৈতে তেওঁক একে ঠাইতে ৰখা হয়। মহাপুৰুষ শঙ্কৰদেৱেও উত্তৰাকাণ্ড ৰামায়ণৰ অনুবাদ কৰিবলৈ লওঁতে কবিগৰাকীৰ অতি উচ্চ প্ৰশংসা কৰি গৈছে এনেদৰে—

পূৰ্ব কবি অপ্ৰমাদী মাধৱ কন্দলী আদি
বিৰচিলা পদে ৰাম কথা।
হস্তীৰ দেখিয়া লাদ শশা যেন ফাৰে মাৰ্গ
মোৰ ভৈল তেহ্নয় অৱস্থা।।

শঙ্কৰদেৱৰ এই কথাই মাধৱ কন্দলী যে এগৰাকী প্ৰমাদবিহীন বা নিৰ্ভুল আগশাৰীৰ কবি সেই কথাকেই প্ৰতিপন্ন কৰে।

ৰামায়ণৰ অনুবাদ প্ৰসঙ্গত মাধৱ কন্দলীয়ে তেওঁৰ লঙ্কা কাণ্ডৰ শেষত "সপ্তকাণ্ড ৰামায়ণ পদবন্ধে নিবন্ধিলো লম্ভা পৰিহৰি সাৰোদ্ধৃতে" বুলি এষাৰ কথা কৈছে যদিও বৰ্তমানে মাধৱ কন্দলীৰ ৰামায়ণৰ কিন্তু পাঁচটা কাণ্ডহে পোৱা যায়। পৰৱৰ্তী সময়ত মাধৱদেৱে ৰামায়ণৰ আদিকাণ্ড আৰু শঙ্কৰদেৱে উত্তৰাকাণ্ড ৰামায়ণ ৰচনা কৰিহে মাধৱ কন্দলীৰ ৰামায়ণখন সম্পূৰ্ণ কৰে।

মাধৱ কন্দলীৰ ৰামায়ণৰ ৰচনা প্ৰসঙ্গত মনকৰিবলগীয়া কথা এয়ে যে উত্তৰ-ভাৰতৰ প্ৰান্তীয় ভাষাত ৰচিত ৰামায়ণসমূহৰ ভিতৰত কন্দলীৰ ৰামায়ণেই হৈছে প্ৰাচীনতম। কিন্তু প্ৰাচীন হ'লেও মাধৱ কন্দলীয়ে অতি সুন্দৰভাৱে সংস্কৃত ৰামায়ণৰ বিষয়বস্তু জনসাধাৰণৰ আগত উত্থাপন কৰিবলৈ সমৰ্থ হৈছে। তেওঁৰ ভাষা আৰু ৰচনাশৈলীত ক'তো কোনো ধৰণে ভাব প্ৰকাশৰ অক্ষমতা বা দুৰ্বলতা বিচাৰি পোৱা নাযায়। সৰল আৰু সতেজ ভাষাৰে তেওঁ ৰামায়ণৰ বিষয়বস্তু চতুৰ্দশ শতিকাৰ সময়তে অসমীয়া পাঠকৰ আগত দাঙি ধৰিবলৈ সমৰ্থ হৈছিল।

মাধৱ কন্দলীয়ে ৰামায়ণ ৰচনা কৰোঁতে মুঠতে বাল্মীকিৰ ৰামায়ণৰ বিষয়বস্তুহে চমুকৈ অসমীয়াত ৰূপ দিয়া বুলি ক'ব পাৰি। তেওঁৰ অনুবাদৰ মূল নীতিয়েই আছিল আগতে উল্লেখ কৰা অনুসৰি "লম্ভা পৰিহৰি সাৰোদ্ধৃতে" নীতি। তেওঁ অতি সুন্দৰকৈ অসমীয়া পাঠকৰ বাবে ৰামায়ণৰ যিখিনি প্ৰয়োজনীয় সেইখিনিকেই ৰামায়ণত ৰাখিছে। সমালোচকৰ ভাষাত সেই বুলি তেওঁ প্ৰয়োজনীয় ঘটনা বা বিৱৰণ বাদ দি খৰামুৰা বা নীৰস ক'তো কৰা নাই।

মাধৱ কন্দলীয়ে ৰামায়ণ ৰচনাৰ সময়ত কেনেকুৱা দৃষ্টিভঙ্গী লৈছিল সেই বিষয়ে কিষ্কিন্ধা কাণ্ডত পোৱা পদ কেইফাঁকি মানে অতি সুন্দৰভাৱে বুজাই দিয়ে। তেওঁৰ মতে—

বাল্মীকি ৰচিলা শাস্ত্ৰ গদ্য পদ্য ছন্দে।
তাহাক বিচাৰ আমি কৰিয়া প্ৰবন্ধে।।
আপোনাৰ বুদ্ধি অৰ্থ যিমতে বুজিলোঁ।
সংক্ষেপ কৰিয়া তাক পদ বিৰচিলোঁ।।
সমস্ত ৰসক কোনে জানিবাক পাৰে।
পখীসৱ উৰয় যেন পখা অনুসাৰে।।
কবিসৱ নিবন্ধয় লোক ব্যৱহাৰে।
ক'তো নিজ ক'তো লম্ভা কথা অনুসাৰে।।
দৈৱবাণী নুহি ইটো লৌকিকহে কথা।
এতেকে ইহাৰ দোষ নলৈবা সৰ্বথা।।

কন্দলীৰ ৰামায়ণৰ অনুবাদত সন্নিৱিষ্ট এই পদ কেইফাকিত কোৱা অনুসৰি মাধৱ কন্দলীয়ে সংস্কৃত ৰামায়ণখন নিজে যিদৰে বুজি পাইছিল তাকেই সংক্ষিপ্ত ৰূপত পাঠকৰ আগত দাঙি ধৰিছিল। কবিসকলে যে অনুবাদ বা ৰচনা কাৰ্যত লোকজনৰ মনলৈ দৃষ্টি আৰোপ কৰি আৰু কেতিয়াবা 'লম্ভা' বা 'সাৰ' হিচাপে জনসাধাৰণৰ উপযোগীকৈ কথা সংযোগ কৰে সেই কথাও ইয়াত উল্লেখ কৰিছে আৰু এইদৰে ৰামায়ণ ৰচনা কৰা বুলি কৈ এই কাৰ্যত কিবা দোষ হ'লে তাক পৰিহাৰ কৰিবলৈ কৈ নিজৰ দীনতাৰ ভাবো প্ৰকাশ কৰিছে।

মাধৱ কন্দলীয়ে ৰামায়ণ অনুবাদত সংযোগ আৰু বিয়োগ কাৰ্যৰ জৰিয়তে কেতিয়াবা তেওঁ বাল্মীকিয়ে চমুকৈ লিখা কথাত যোগ দি মুকলিকৈ অনুবাদ কৰিছে নাইবা কেতিয়াবা কেতিয়াবা মূলৰ কথা চমুকৈও ৰাখিছে। কিন্তু সেয়া হ'লেও যিবোৰ শ্লোক ৰসাল আৰু অপৰিহাৰ্য সেইবোৰ কিন্তু মাধৱ কন্দলীয়ে কেতিয়াও এৰি যোৱা নাছিল, অতি ৰসালকৈ সেইবোৰ তেওঁ অনুবাদ কৰি গৈছিল। এই ক্ষেত্ৰত মাধৱ কন্দলীয়ে ৰামায়ণৰ অনুবাদত নতুন কথাৰ সংযোগ কৰাৰ উদাহৰণ স্বৰূপে মন্থৰা নামৰ কুঁজী বুঢ়ীজনীয়ে প্ৰকাশ্যে নহ'লেও গুপ্তভাৱে ভৰতৰ পটেশ্বৰী হ'বলৈ কৰা অনুচিত হাবিয়াসৰ কথাটোৱেই উল্লেখ কৰিব পাৰি। মাধৱ কন্দলীয়ে সংযোগ কৰা এই নতুন বিষয়ৰ সন্দৰ্ভত এনে মন্তব্য দিয়া হয় যে ভৰতৰ মাতৃ কৈকেয়ীতকৈও বয়সস্থা আৰু মাতৃতুল্য ধাত্ৰী কুঁজীৰ মনত এনে ভাবৰ সংযোগ কৰাটোৱে ইয়াৰ বৰ্ণনা ৰুচিবিগৰ্হিত আৰু গ্ৰাম্য দোষযুক্ত কৰি তুলিছে। কিন্তু সেয়া হ'লেও জনসাধাৰণৰ মনত আনন্দ প্ৰদানৰ বাবেই যে মাধৱ কন্দলীয়ে মূলত নোহোৱা অনেক বৰ্ণনাৰ সংযোগ কৰিছিল সেই কথা বুজিব পাৰি। অৱশ্যে তেওঁৰ সকলো বৰ্ণনাই যে গ্ৰাম্য দোষদুষ্ট তেনে কথাও নহয়।

মাধৱ কন্দলীয়ে ৰামায়ণৰ ৰচ[illegible]কৰোঁতে বিভিন্ন পৰিৱেশ বা অৱস্থা, প্ৰাকৃতিক শোভা সৌন্দৰ্য আদিৰ সুন্দৰ বৰ্ণনা সংযোগ কৰাৰ লগতে সাহিত্যত প্ৰয়োগ কৰিবলগীয়া বীৰ, হাস্য, কৰুণ আদি বিভিন্ন ৰসসমূহৰো সুন্দৰ আৰু সুসংহতভাৱে প্ৰয়োগ কৰিছে। তেওঁ এহাতে যিদৰে যুদ্ধ-বিগ্ৰহৰ ভয়ঙ্কৰ চিত্ৰ দাঙি ধৰিছে, আনহাতে শৃঙ্গাৰ, কৰুণ আদি ৰসৰ পৰিপোষক বিবিধ বৰ্ণনাও সুন্দৰকৈ সংযোগ কৰিছে। উৎসৱমুখী অযোধ্যানগৰৰ চিত্ৰ, ৰামৰ বন গমনৰ সময়ত দশৰথৰ মানসিক কৰুণ অৱস্থা, চিত্ৰকূট বনৰ নৈসৰ্গিক শোভা, লঙ্কাৰ বৰ্ণনা, বিকটাকাৰ ৰাক্ষস সকলৰ বিস্ময়জনক চিত্ৰ আদিও কন্দলীৰ লেখনীত অতি সুন্দৰ আৰু ৰসগ্ৰাহী হৈ উঠিছে।

মাধৱ কন্দলীয়ে অতি সুন্দৰ উপমা, ৰূপক আদি সংযোগ কৰিও বৰ্ণনা মধুময় কৰি তুলিছে। উদাহৰণ স্বৰূপে ৰাক্ষসিনী সকলৰ মাজত সীতাৰ বৰ্ণনা কবিয়ে কিদৰে সুন্দৰ ৰূপত ফুটাই তুলিছে সেই কথা দাঙি ধৰা হ'ল—

তাসম্বাৰ মাজে দেৱী সংসাৰত সাৰা।
মেঘে যেন ঢাকি আছে সৰ্বোত্তম তাৰা।।
কেশে যেন ঢাকি আছে চম্পক মল্লিকা।
ভস্মে যেন ঢাকি আছে অগনিৰ শিখা।।

আকৌ সীতাৰ ৰূপ বৰ্ণনা কৰা হৈছে—

ৰাজহংস দেখা সীতা তোমাৰ গমন।
চক্ৰবাক যুগল তোমাৰ দুই তন।।

কবিয়ে অসমীয়া জীৱনৰ লগত জড়িত বিবিধ সামগ্ৰীকো উপমাৰ সৈতে জড়িত কৰিছে। উপমাৰ সামগ্ৰী হিচাপে তেওঁৰ ৰামায়ণত পোৱা যায়। (ক) বটালি নকাটে যেন বিনা হাটুৰিয়ে, (খ) তপত খোলাত দিলে যেন মৎস্য পৰে, (গ) খৰ লগা ধান যেন বৰিষণ জলে, (ঘ) বিচিধান বুইলো যেন উখৰা ভূমিত, (ঙ) অলপ পানীৰ মাছ দদৰা-দদৰি, (চ) বৰশীয়া ৰাৱণৰ পুঙাতেসে চকু ইত্যাদি। এনেধৰণৰ অসমীয়া জীৱনৰ বিবিধ বিষয়ৰ সৈতে যুক্ত বিবিধ যোজনা-পটন্তৰ ইয়াত আছে।

অলঙ্কাৰৰ লগতে মাধৱ কন্দলীৰ ৰামায়ণৰ অন্য এটা বৈশিষ্ট্য দেখা যায় তেওঁ প্ৰয়োগ কৰা বিভিন্ন শব্দসমূহৰ প্ৰয়োগ কৌশলত। ৰামায়ণখন যিহেতু সংস্কৃত মহাকাব্য সেয়ে ইয়াৰ অনুবাদত যথেষ্ট পৰিমাণে সংস্কৃত তৎসম শব্দৰ প্ৰয়োগ হোৱাটো স্বাভাৱিক কথা হ'লেও, তৎসম শব্দৰ লগতে কন্দলীয়ে কিন্তু অসমীয়া ঘৰুৱা জীৱনত সচৰাচৰ প্ৰয়োগ হোৱা তদ্ভৱ, অৰ্ধতৎসম আৰু দেশীয় আদি শব্দৰো সুন্দৰভাৱে সমন্বয় সাধন কৰিছে আৰু ইয়াৰ ফলত তেওঁৰ ৰচনা সাধাৰণ পাঠকৰ বাবেও অতি উপভোগ্য হৈ উঠিছে। অৱশ্যে এই কথা উল্লেখযোগ্য যে মাধৱ কন্দলীৰ ৰামায়ণত এনে ধৰণৰ কিছুমান শব্দ পোৱা যায় যিবোৰ শব্দ পিছৰ যুগত অপ্ৰয়োজনীয় আৰু অপ্ৰচলিত হৈ পৰিছে।

কন্দলীৰ ৰামায়ণৰ অনুবাদৰ ক্ষেত্ৰত অন্য এটা মন কৰিবলগীয়া দিশ হৈছে বিভিন্ন চৰিত্ৰৰ মুখত দিয়া সংলাপধৰ্মী বচনবোৰ। এনে ধৰণৰ সংলাপসমূহো পাঠকৰ বাবে ৰসগ্ৰাহী হৈ পৰিছে। উদাহৰণ স্বৰূপে পিতৃৰ মৃত্যু আৰু ৰাম-সীতাৰ বনবাসৰ কাৰণে মাক কৈকেয়ীক দায়ী বুলি জানি ভৰতে মাকক ককৰ্থনা কৰি কোৱা কথাখিনি ইয়াত উল্লেখ কৰিব পাৰি। যেনে—

স্বামী ঘাতিনীক পৃথিৱীয়ে কেনে ধৰে।
ফাট দিয়া লুকাই থৈয়া তোক নসম্বৰে।।
শুষিণী, নাগিনী, নিকাৰুণী, সংহাৰিণী।
নিৰ্দ্দয়িনী ৰাক্ষসিনী, বাঘিনী, দাৰুণী।।
যক্ষিণী ডাইনী তই স্বস্বামীভক্ষিণী।
পিশাচিনী আৰে কাণ্ডী ভৈলি আলখিণী।

মাধৱ কন্দলী ৰামায়ণত এইদৰে বৰ্ণনা চাতুৰ্য, শব্দ প্ৰয়োগ আৰু ঘৰুৱা উপমা আদিৰে পৰিপূৰ্ণ হোৱাৰ উপৰি আৰু ইয়াত সাধাৰণ লোকৰ উপভোগ্য হিচাপে বৰ্ণনীয় বিষয়সমূহ দাঙি ধৰাৰ উপৰি কবিয়ে চতুৰ্দশ শতিকাৰ অসমীয়া সমাজখনৰো কিছুমান চিত্ৰ ইয়াত প্ৰতিফলিত কৰিছে। সেই সময়ত অসমীয়া সমাজখনত কিদৰে বিভিন্ন বৰ্ণ বা সম্প্ৰদায়ৰ লোকে বসবাস কৰিছিল আৰু তেওঁলোকে কিদৰে মুকলিমূৰীয়া

পৰিৱেশত আনন্দ মনেৰে বসবাস কৰিছিল, তাৰ আভাস পুথিখনৰপৰা পোৱা যায়। কবিয়ে ৰামক বনৰপৰা ওভোতাই আনিবলৈ ভৰতৰ লগত যোৱা প্ৰজাসকলৰ বিৱৰণত বিভিন্ন বৰ্ণ-সম্প্ৰদায়ৰ লোকৰ কথা উল্লেখ কৰিছে। ইয়াৰ উপৰিও সেই সময়ৰ ধৰ্ম সম্পৰ্কীয় দিশৰ কিছু আভাসো পুথিখনৰপৰা পোৱা যায়।

এইদৰে চতুৰ্দশ শতিকাৰ সময়তে মাধৱ কন্দলীয়ে অসমীয়া ভাষাত বাল্মীকিৰ সংস্কৃত *ৰামায়ণ*খন অনুবাদ কৰি অসমীয়া কাব্য সাহিত্যৰ বুৰঞ্জীত এক চিৰস্মৰণীয় খ্যাতি অৰ্জন কৰে।

অসমীয়া সাহিত্যৰ বুৰঞ্জীত মাধৱ কন্দলীৰ বিষয়ে কৰা আলোচনা প্ৰসঙ্গত *দেৱজিৎ* নামৰ কাব্য এখনতো মাধৱ কন্দলীৰ ভণিতা পোৱাৰ কথা উল্লেখ কৰিব লাগিব। কিন্তু এই কাব্যখনত মাধৱ কন্দলীৰ ভণিতা আছে যদিও, এই পুথিখনৰ ভাষা কন্দলীৰ ৰামায়ণৰ ভাষাতকৈ নিম্নস্তৰৰ আৰু লগতে অৰ্বাচীনো। কাব্যখনত নৰনাৰায়ণ অৰ্থাৎ অৰ্জুন আৰু কৃষ্ণৰ মাহাত্ম্য বৰ্ণনা কৰা হৈছে। কাব্যখনত ভক্তি আৰু নামধৰ্মৰ মহিমা দেখুওৱা হৈছে আৰু সেয়ে এই কাব্যখন বৈষ্ণৱ যুগৰ মাধৱ কন্দলী নামধাৰী কোনোবা অন্য কবিৰ ৰচনা বুলি ভাবিব পাৰি বুলিহে সমালোচকসকলে মত দাঙি ধৰিছে। ■

* উচ্চ আদৰ্শ মনত লৈ সংসাৰত বাট বুলিলে তুমিও উচ্চ হ'বা। ক্ষুদ্ৰ আদৰ্শ বা আদৰ্শবিহীন হৈ চলিলে তোমাৰ উন্নতি হ'ব মৰুভূমিত পানী বিচৰাৰ নিচিনা। উন্নত হ'ব নোৱাৰিলে নিশ্চয় অধঃপাত, কাৰণ সংসাৰত একে ঠাইতে থাকিব কোনেও কেতিয়াও নোৱাৰে। হয় তুমি আগবাঢ়িব লাগিব, নহয় পিছপৰি যাবলৈ বাধ্য হ'বা। ডাঙৰ ভাব, ওখ চিন্তা, ওখ আৰ্হি লৈ বাট বুলা, ভয় নকৰিবা... তুমি দিনক দিনে উন্নতিৰ বাটত আগুৱাব পাৰিবা।

— লক্ষ্মীনাথ বেজবৰুৱা।

* আমাৰ বহুতো সম্পদ আছে। সেইটো গৌৰৱৰ কথা। যি আছিল তাক বঢ়াব পৰা নাই সেইটো দুখৰ কথা। কিন্তু যি আছিল তাক লোপ পাব দিয়াটো বিশেষকৈ শোক আৰু লাজৰ কথা হ'ব।

— তৰুণৰাম ফুকন।

* ওখ ঠাইত উঠিবলৈ যেনেকৈ এটা আলম লাগে, উদ্‌গতি কৰিবলৈ তেনে এটা আলম লাগে। কেৱল বিদ্যা-বুদ্ধি আৰ্জিলৈ বাঢ়ি থাকিলে জীৱনত উদ্‌গতি কৰিব নোৱাৰি। বিদ্যা উদ্‌গতিৰ এবিধ আহিলা হয় কিন্তু আলম নহয়। কৰ্ম হৈছে উদ্‌গতিৰ আলম। মানুহে কৰ্মৰ সহায়ত সামান্য অৱস্থাৰ পৰা ভাল অৱস্থালৈ উঠে। কৰ্ম নহ'লে বিদ্যা-বুদ্ধি সকলো অসাৰ হয়।

— সত্যনাথ বৰা।

* এটা পুখুৰীত চেং, গৰৈ, পুঠি, শিঙি আদি বিভিন্ন মাছ থাকিলেও আটাইকে মাছ বুলিয়ে কোৱা হয়। সেইদৰে অসমত বিভিন্ন সম্প্ৰদায়ৰ মানুহ থাকিলেও মূলতঃ সকলো অসমীয়া।

— বেণুধৰ শৰ্মা।

* ভাষা যেনেকৈ কেইটামান আখৰ নহয়, সাহিত্য যেনেকৈ কেইটামান বাক্য নহয়, গৱেষণা যেনেকৈ সাঁচিপাতৰ ধূলি জোকাৰি পোৱা কাৰ্য নহয়, সংস্কৃতি তেনেকৈ গীত বা নৃত্য নহয়।

— ড° ভূপেন হাজৰিকা।



# অসমৰ ভক্তি আন্দোলন: এটি আলোকপাত

মৰমী গায়ন, সহযোগী অধ্যাপিকা, অসমীয়া বিভাগ, নগাঁও ছোৱালী কলেজ

**অৱতৰণিকা:** অসমৰ ভক্তি আন্দোলন মধ্যযুগীয়া অসমলৈ এক মহত্তম অৱদান। নৱম শতিকাতে দক্ষিণ ভাৰতত অঙ্কুৰিত হোৱা ভক্তি আন্দোলনে ভাৰতাৰ পূব প্ৰান্তত অৱস্থিত অসম ৰাজ্যক স্পৰ্শ কৰে পঞ্চদশ শতিকাতহে। সমগ্ৰ ভাৰতবৰ্ষ প্লাৱিত কৰা এই বৈষ্ণৱ ভক্তি আন্দোলনৰ লগত অসমৰ সৈতে সম্পৰ্ক স্থাপন কৰে মহাপুৰুষ শঙ্কৰদেৱে। সেই সময়ত অসমীয়া সমাজত প্ৰচলিত নানা দেৱ-দেৱীৰ পূজা-উপাসনা, যাগযজ্ঞ, বলি-বিধান আদিৰ বিপৰীতে এজন দেৱতাৰ সন্ধান দিলে মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে। এক বিশাল আধ্যাত্মিক আৰু মানসিক শক্তিৰ আধাৰ অসমৰ ভক্তি আন্দোলনে মধ্যযুগৰ জনসাধাৰণক বিলাই গ'ল ধৰ্মৰ প্ৰতি গভীৰ বিশাল প্ৰত্যয়, হেঁপাহ আৰু আশা। সেয়ে এনে এক মহান আন্দোলনৰ পটভূমি, উদ্দেশ্য, বৈশিষ্ট্য, অৱদান কি এই সম্পৰ্কত এটি সমীক্ষাত্মক আলোচনা আগবঢ়োৱাৰ চেষ্টা কৰা হৈছে।

**'ভক্তি' শব্দৰ অৰ্থ:** 'ভক্তি' শব্দটোৰ অৰ্থ পোনপটীয়াকৈ এটা সংজ্ঞাৰদ্বাৰা ব্যক্ত কৰা কঠিন। কিয়নো, এই শব্দটোক বিভিন্ন দৃষ্টিকোণৰপৰা বিভিন্ন ধৰণে পোৱা যায়। তথাপিও এটা কথাত আমি নিশ্চিত যে— সাধাৰণভাৱে ভক্তি শব্দই ঈশ্বৰক সেৱা-উপাসনা কৰাকে বুজায়। এই ভক্তি শব্দৰ লগত জড়িত হৈ আছে প্ৰেম, ভালপোৱা, আসক্তি, অনুৰাগ আদি। নাৰদীয় ভক্তি সূত্ৰত কোৱা হৈছে "সা তস্মিন পৰম প্ৰেমৰূপা" অৰ্থাৎ ঈশ্বৰৰ প্ৰতি থকা পৰম প্ৰেমেই হৈছে ভক্তি। অন্য এক সংজ্ঞাত কৈছে— ভক্তি হৈছে এনে এক সূক্ষ্ম আৰু গভীৰ অনুভূতি, যাক ভাষাৰে প্ৰকাশ কৰিব নোৱাৰি। এনেদৰে ভক্তি সম্পৰ্কত বহুতো সংজ্ঞা পোৱা যায়। সেয়ে এই সংজ্ঞাসমূহ চালি-জাৰি চাই এটা কথাই ক'ব পাৰি যে— ভক্তি হৈছে মধুৰতকৈ সুমধুৰ য'ত ভক্তিৰ যোগেদি ভক্ত আৰু ভগৱানৰ মাজত সম্পৰ্ক স্থাপিত হয়।

**ভক্তি আন্দোলনৰ পটভূমি:** দক্ষিণ ভাৰত বা তামিল প্ৰদেশত সূত্ৰপাত ঘটা এই আন্দোলনৰ পটভূমি সম্পৰ্কত বিচাৰ কৰিলে এটা কথা স্পষ্ট হৈ পৰে যে, ইয়াৰ মূল আছিল সেই সময়ৰ দক্ষিণ ভাৰতৰ কিছুমান সামাজিক আৰু ধৰ্মীয় পৰিস্থিতিৰ ক্ৰিয়া আৰু প্ৰতিক্ৰিয়া। খ্ৰীষ্টীয় সপ্তম-দশম শতাব্দীত তামিল দেশৰ আলৱাৰ ভক্তসকলে বৈষ্ণৱ ধৰ্মক অভিনৱভাৱে জনপ্ৰিয় কৰি তোলে আৰু এই সময়ৰপৰাই বৈষ্ণৱ জাগৰণৰ সূত্ৰপাত হয় বুলি ক'ব পাৰি।[1] আনুমানিক ষষ্ঠ শতিকাৰ আগতে দক্ষিণ ভাৰতত জৈন আৰু বৌদ্ধ ধৰ্ম প্ৰচলিত আছিল। এই জৈন আৰু বৈষ্ণৱ ধৰ্মৰ আঁৰতে সৃষ্টি হয় ভক্তি বা বৈষ্ণৱ আন্দোলনৰ। সেই সময়ৰ তামিলৰ জনসাধাৰণে ধৰ্ম গ্ৰহণৰ বাবে মানসিকতা হেৰুৱাই পেলোৱাৰ উপক্ৰম হৈছিল। কাৰণ, বৌদ্ধ ধৰ্মত আৰম্ভ হৈছিল অনাচাৰ, ব্যভিচাৰ। আনহাতেদি ব্ৰহ্মচৰ্য আৰু ভিক্ষু জীৱনক উচ্চ আসন প্ৰদান কৰি এই ধৰ্মৰ বিৰোধিতা কৰে। ইফালেদি জৈন সকলৰ দিগম্বৰ পন্থাটোৰ লোকসকলৰ আচৰণেও জনসাধাৰণক অতীষ্ঠ কৰি তুলিছিল। অন্যহাতে কিছু শক্তি উপাসকৰ যাগ-যজ্ঞ, পূজা পাতল, বলি-বিধান পদ্ধতিয়ে ধৰ্মৰ প্ৰতি থকা শ্ৰদ্ধা আৰু ভক্তিভাবৰ পৰিৱৰ্তে জনসাধাৰণৰ মনত ভয় আৰু ঘৃণা ভাবহে সৃষ্টি কৰিছিল। সেয়ে, এনে সামাজিক তথা ধৰ্মীয় পৰিৱেশ মানুহৰ বাবে অস্বস্তিকৰ হৈ পৰিছিল আৰু সকলোৱে  ইয়াৰপৰা পৰিত্ৰাণৰ উপায় সন্ধান কৰিছিল। তামিলবাসীৰ এই অশান্তি নিৱাৰণৰ হেতু আগবাঢ়ি আহে বৈষ্ণৱ ভক্ত কবি আলৱাৰ আৰু শৈৱভক্ত কবি নায়নমাৰসকল আৰু এওঁলোকেই সূচনা কৰে ভক্তি আন্দোলনৰ।

**ভক্তি আন্দোলনৰ প্ৰসাৰ:** আলৱাৰসকলৰ শেষভক্ত নাথমুনিৰ পাছত এই ঐতিহ্যতে বৈষ্ণৱ আচাৰ্য সকলৰ আৱিৰ্ভাৱ হয়। এই আচাৰ্যসকলৰ ভিতৰত প্ৰসিদ্ধ যমুনাচাৰ্য আৰু ৰামানুজাচাৰ্য। ৰামানুজাচাৰ্যই ভক্তিক দাৰ্শনিক ভেঁটিত স্থাপন কৰি শ্ৰীবৈষ্ণৱ সম্প্ৰদায় সৃষ্টি কৰি ভক্তি আন্দোলনৰ সূত্ৰপাত কৰে।[2] ৰামানুজাচাৰ্যৰ দাৰ্শনিক মতবাদক বিশিষ্ট দ্বৈতবাদ বোলা হয়। ৰামানুজাচাৰ্যৰ প্ৰায় সমসাময়িক নিম্বাকাচাৰ্যই ভেদাভেদ দাৰ্শনিক সিদ্ধান্ত থিয় কৰাই ভক্তিমত প্ৰচাৰ কৰে। কৰ্ণাটক আৰু গুজৰাটত মাধৱাচাৰ্যই দ্বৈতসিদ্ধান্ত স্থাপন কৰি ত্ৰয়োদশ শতিকাত বৈষ্ণৱ ভক্তি প্ৰচাৰ কৰে। মহাৰাষ্ট্ৰত প্ৰান্তত জ্ঞানদেৱ আৰু নামদেৱ আদিয়ে দ্বাদশ-ত্ৰয়োদশ শতিকাৰ ভিতৰত ভক্তিধৰ্ম প্ৰতিষ্ঠা আৰু প্ৰচাৰ কৰে। *শ্ৰীমদ্ভাগৱত পুৰাণ*ক মূল গ্ৰন্থ হিচাপে লৈ শ্ৰীৰামানুজাচাৰ্য্যই দক্ষিণত উদ্ভৱ কৰা বিশিষ্ট দ্বৈতবাদৰ লাহেকৈ পৰিসৰ বৃদ্ধি কৰে। ৰামানুচাৰ্যৰ মৃত্যুৰ লগে লগে বৈষ্ণৱ ধৰ্ম তথা আন্দোলনটো উত্তৰ ভাৰতলৈ সম্প্ৰসাৰিত হয় আৰু ইয়াৰ

১. ড° সত্যেন্দ্ৰনাথ শৰ্মা: *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত*, পৃষ্ঠা ৯৪।
২. ড° হৰিনাথ শৰ্মা দলৈ: *শঙ্কৰ সাহিত্য প্ৰতিভা*, পৃষ্ঠা ৬।

মূল নায়ক হৈ পৰে স্বামী ৰামানন্দ। ৰামানন্দৰ ভক্তি ধৰ্ম দুটা ভাগে প্ৰৱাহিত হয়— নিৰ্গুণ ভক্তি আৰু সগুণ ভক্তি। এই দুই ধাৰাৰেই প্ৰচাৰকৰ দায়িত্ব গ্ৰহণ কৰে কবীৰ দাস আৰু তুলসী দাসে। এইদৰে ক্ৰমে বিস্তাৰিত হৈ এই ভক্তি আন্দোলনে বঙ্গদেশ পৰ্যন্ত চুই যায়। দীৰ্ঘ অতিক্ৰমণৰ অন্তত পোন্ধৰশ-ষোড়শ শতিকাত অসম কামৰূপত শঙ্কৰদেৱে এই আন্দোলনৰ গুৰি বঁঠা ধৰে। শঙ্কৰদেৱৰো ভক্তি ধৰ্মৰ আধাৰ গ্ৰন্থ হ'ল *শ্ৰীমদ্ভাগৱদগীতা* আৰু *শ্ৰীমদ্ভাগৱত পুৰাণ*।

**অসমলৈ ভক্তি আন্দোলনৰ আগমন:** মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে প্ৰথম তীৰ্থ ভ্ৰমণলৈ গৈয়েই নৱবৈষ্ণৱ বা ভক্তি আন্দোলনৰদ্বাৰা প্ৰভাৱান্বিত হয়। সেয়ে অসম, কামৰূপ আৰু কমতাত শঙ্কৰদেৱক কেন্দ্ৰ কৰিয়েই ভক্তি আন্দোলনৰ সূত্ৰপাত হয়। লগে লগে অসমৰ নৱ-বৈষ্ণৱ জাগৰণৰ ক্ষেত্ৰত এই ভক্তি আন্দোলনে চালিকা শক্তিৰ ভূমিকা গ্ৰহণ কৰে। সকলো দেৱতাতকৈ বিষ্ণু বা ভাগৱত-শাস্ত্ৰোক্ত কৃষ্ণই শ্ৰেষ্ঠ আৰু তেওঁত নৱবিধা ভক্তি নিৱেদনেই জীৱৰ একান্ত শ্ৰেয়ঃ— প্ৰধানভাৱে ইয়াকেই জনসাধাৰণক বুজাবৰ উদ্দেশ্যে তেওঁ সৰ্বভাৰতীয় বৈষ্ণৱ মধুকোষৰপৰা বিষয় মধু আহৰণ কৰে।[৩] ফলস্বৰূপে ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তত নৱ-বৈষ্ণৱ জাগৰণৰ প্লাৱন সমান গতিত অসমতো ব'বলৈ ধৰে।

**অসমত ভক্তি আন্দোলনৰ উদ্দেশ্য:** মহাপুৰুষ শঙ্কৰদেৱৰ মূল লক্ষ্যই আছিল বিশ্বাস আৰু ভক্তিক উচ্চ আসন প্ৰদান কৰা। সেয়ে তেখেতে সদায় সমাজৰ দুৰ্বল আৰু অনগ্ৰসৰ সামাজিক আৰু আধ্যাত্মিক উন্নতিৰ হকেই কাম কৰি গৈছিল। শঙ্কৰদেৱৰ কাৰণে নৱবৈষ্ণৱ আন্দোলনক আগবঢ়াই নিয়াত ধৰ্মীয় দিশটোতকৈ অধিকতৰ অগ্ৰাধিকাৰ লাভ কৰিছিল সামাজিক দিশটোৱেহে।[৪] গুৰুজনাই নৱবৈষ্ণৱ জাগৰণৰ মাজত দেখা পাইছিল আশাৰ ৰেঙণি। সেইবাবেই তেখেতে এফালে জনসাধাৰণক লোকশিক্ষা আৰু আনফালে আধ্যাত্মিক চেতনা প্ৰদান কৰিবলৈ সমৰ্থ হৈছিল একমাত্ৰ ভক্তি ধৰ্মৰদ্বাৰা। যথেষ্ট কষ্টৰ মূৰত তেখেতে নিজ লক্ষ্যত উপনীত হৈছিল। অসূয়া-অপ্ৰীতিৰে ভৰা জনতাৰ মনত আধ্যাত্মিক চেতনা জাগ্ৰত কৰি শান্তিৰ নিজৰা বোৱাইছিল।

**অসমৰ ভক্তি আন্দোলনৰ বিকাশ আৰু বৈশিষ্ট্য:** মহাপুৰুষ শঙ্কৰদেৱে ভাৰতীয় ভক্তি আন্দোলনৰ ভেঁটিত গঢ়ি তোলা ভক্তি আন্দোলনে ক্ৰমাৎ থিতাপি গ্ৰহণ কৰি নৱবৈষ্ণৱ ধৰ্মৰূপে জনসাধাৰণৰ মাজত জাগৰণৰ সৃষ্টি কৰিলে, সকলো শ্ৰেণীৰ মানুহৰ বাবে নৱ-বৈষ্ণৱ ধৰ্ম হৈ পৰিল আদৰ্শ আৰু আস্থাৰ ধৰ্ম। ফলস্বৰূপে এই সময়ছোৱাত ভক্তি ধৰ্মই বিকাশৰ চৰম বিন্দুত উপনীত হয়। *ভাগৱতৰ বিষ্ণু ভক্তিধাৰাই শঙ্কৰদেৱৰ সাহিত্যিক পৰিপ্লাৱিত কৰিছে*[৫] শঙ্কৰদেৱৰ বাহিৰেও মাধৱদেৱ, ৰামসৰস্বতী, অনন্ত কন্দলী আদি সকলো ভক্ত কবি-সাহিত্যিকে বিভিন্ন ভক্তিমূলক কাব্য, নাট, গীত আদি ৰচনাৰে ভক্তি ধৰ্মৰ প্ৰচাৰ-প্ৰসাৰৰ পোনপটীয়াভাৱে চেষ্টা চলাইছিল। যাৰ ফলত, ভক্তি ধৰ্মৰ বিকাশ তীব্ৰতৰ হৈ উঠে আৰু অসমীয়া জাতিয়ে এটা নতুন পথৰ সন্ধান পায়।

শঙ্কৰদেৱদ্বাৰা প্ৰতিষ্ঠিত নৱ-বৈষ্ণৱ ভক্তি মাৰ্গৰ কিছুমান বিশেষত্ব আছে; যিবোৰ বিশেষত্বৰ হেতু এই ধৰ্মই সৰ্বজনৰ মন-প্ৰাণ, হৃদয় স্পৰ্শ কৰিবলৈ সক্ষম হৈছিল। সেই বিশেষত্বসমূহ এনেধৰণৰ:

১। শঙ্কৰদেৱৰ প্ৰৱৰ্তিত ভক্তি ধৰ্মত পৰম পুৰুষ শ্ৰীকৃষ্ণই আছিল একমাত্ৰ আৰাধ্য দেৱতা।

২। তেখেতৰ মতে মুক্তিতকৈ ভক্তি শ্ৰেষ্ঠতৰ। নৱবিধা ভক্তিৰ ভিতৰত শ্ৰৱণ-কীৰ্তনতহে শঙ্কৰদেৱে গুৰুত্ব দিছে অধিক ভাৱে।

৩। নানা দেৱ-দেৱীৰ অব্যভিচাৰী ভক্তিৰদ্বাৰা বিযুক্ত আশ্ৰয়।

৪। যাগ-যজ্ঞ, তপ-জপ-তপস্যাৰ স্থান এই ধৰ্মত নাই।

৫। নাম, দেৱ, গুৰু আৰু ভকত এই চাৰিবস্তু হৈছে নৱবৈষ্ণৱ ধৰ্মৰ মূলাধাৰ।

৬। এই ধৰ্মত জাতি-ধৰ্ম-বৰ্ণ-ভাষা নিৰ্বিশেষে সৰ্বমানৱেই সমান আসন লাভ কৰে।

৭। এই ভক্তি ধৰ্মৰ মূল ধৰ্ম শাস্ত্ৰ হৈছে *শ্ৰীমদ্ভাগৱদ গীতা* আৰু *শ্ৰীমদ্ভাগৱত পুৰাণ*।

এনেবোৰ বিশেষত্বৰ অধিকাৰী হোৱা হেতুকেই বৰ্তমানলৈকে অসমীয়া সমাজত নৱবৈষ্ণৱধৰ্মই শ্ৰেষ্ঠ আসন লাভ কৰিবলৈ সক্ষম হৈছে।

**অসমৰ ভক্তি আন্দোলনৰ মূলমন্ত্ৰ স্বৰূপ: শঙ্কৰী সাহিত্য**

শঙ্কৰদেৱে পাতনি মেলা নৱ-বৈষ্ণৱ ধৰ্ম আন্দোলনে অসমত যি এক অভিনৱ জাগৰণৰ সৃষ্টি কৰিছিল তাৰ মূলতে ধৰ্মীয় অথবা আধ্যাত্মিক আকৰ্ষণেই কেৱল নাছিল। তীব্ৰ হৈ আছিল সাহিত্য আৰু সংস্কৃতিৰ সম্মোহনী আকৰ্ষণ। গুৰুজনাই তেখেতৰ ভক্তি ধৰ্মত শ্ৰৱণ আৰু কীৰ্তনৰদ্বাৰাহে যে মানুহৰ অন্তৰাত্মাত আধ্যাত্মিক চেতনা প্ৰকৃতভাৱে জাগ্ৰত হয় এই কথাযাৰ প্ৰকাশ কৰি গৈছে। সেয়েহে নৱ-বৈষ্ণৱ জাগৰণ আৰম্ভৰ লগে লগেই তেখেতে শ্ৰৱণ-কীৰ্তনৰ উপযোগী সাহিত্যৰাজিৰো সৃষ্টি কৰি গৈছে। যিবোৰ সাহিত্যই আমাক নৱ-বৈষ্ণৱ ভক্তিধৰ্মৰ উদ্দেশ্য আৰু মহত্ব হৃদয়ঙ্গম কৰাত অহৰ্নিশে সহায় কৰি আহিছে। ভক্তি ধৰ্মৰ প্ৰচাৰক মূলমন্ত্ৰ হিচাপে সৃষ্টি কৰা মহাপুৰুষজনাৰ সাহিত্যৰাজিক ৰচনাৰীতিৰ ফালৰপৰা আলোচনাৰ সুবিধাৰ্থে ছয়টা ভাগত ভাগ কৰা হৈছে—

১। অনুবাদমূলক, ২। কাব্য, ৩। নাটক, ৪। গীতা, ৫। নামপ্ৰসঙ্গ সম্বন্ধীয় আৰু ৬। ভক্তিতত্ত্বমূলক।

**১। অনুবাদ মূলক:** (১) *ভাগৱত প্ৰথম, দ্বিতীয়, ষষ্ঠ (অজামিল উপাখ্যান), অষ্টম (বলিছলন, অমৃত মন্থন), দশম (আদি), একাদশ আৰু দ্বাদশ স্কন্ধ;*
(২) *উত্তৰাকাণ্ড ৰামায়ণ।*

**২। কাব্য:** (১) *হৰিচন্দ্ৰ উপাখ্যান,*
(২) *ৰুক্মিণীহৰণ,*
(৩) *অজামিল উপাখ্যান,*
(৪) *বলিছলন,*
(৫) *অমৃত মন্থন,*
(৬) *কুৰুক্ষেত্ৰ কাব্য আৰু গ্ৰাহগজেন্দ্ৰৰ যুদ্ধ।*

**৩। নাটক:** (১) *পত্নী প্ৰসাদ,*
(২) *কালীয়দমন,*
(৩) *কেলিগোপাল,*
(৪) *ৰুক্মিণীহৰণ,*
(৫) *পাৰিজাত হৰণ* আৰু
(৬) *ৰামবিজয়।*

**৪। গীত:** (১) *বৰগীত,*
(২) *ভটিমা,*
(৩) *টোটয় আৰু চপয়।*

**৫। নামপ্ৰসঙ্গ:** (১) *কীৰ্তন ঘোষা* আৰু
(২) *গুণমালা।*

**৬। ভক্তি তত্ত্বমূলক:** (১) *ভক্তি প্ৰদীপ,*
(২) *ভক্তি ৰত্নাকৰ,*
(৩) *অনাদি পাতন*
(৪) *নিমি-নৱ-সিদ্ধ সংবাদ।*

মহাপুৰুষজনাৰ বৈষ্ণৱ সাহিত্যৰাজিয়ে অসমীয়া সাহিত্যৰ ভঁৰাল যেনেদৰে সমৃদ্ধ কৰিলে তেনেদৰে অসমীয়া জনসাধাৰণৰ চিন্তা, ৰুচিবোধ আদি উচ্চ স্তৰত স্থাপন কৰি অসমীয়াৰ প্ৰাণত আধ্যাত্মিক ভাৱৰ ঢল বোৱাই নৱজাগৰণৰ সৃষ্টি কৰিলে। সেয়েহে মহাপুৰুষজনাৰ সাহিত্যৰাজিয়ে নৱবৈষ্ণৱ ভক্তি ধৰ্মৰ মূলমন্ত্ৰ ৰূপে সদায় আদৰ লাভ কৰি আহিছে।

**অসমীয়া জনজীৱনলৈ সাংস্কৃতিক আৰু সামাজিক অৱদান:** মহাপুৰুষ শঙ্কৰদেৱৰদ্বাৰা প্ৰৱৰ্তিত নৱবৈষ্ণৱ ভক্তিধৰ্মই অসমীয়াক কি দি থৈ গ'ল সেই সম্পৰ্কে একেটা আলোচনাত শেষ কৰা সম্ভৱ নহয়। কাৰণ অসমৰ সমাজ তথা বিশাল সংস্কৃতিৰ পথাৰখনৰ প্ৰতি খোজতে অনুভূত হয় মহাপুৰুষৰ অৱদান। সমাজ আৰু সংস্কৃতিৰ মাজত থকা সম্বন্ধত মহাপুৰুষজনা সচেতন আছিল। তেখেতৰ ভক্তিধৰ্মৰ মুখ্য উদ্দেশ্যই আছিল এখন সুস্থ সবল সমাজ গঢ়া। এই সুস্থ সবল সমাজৰ সৈতে সংস্কৃতিৰ আছে এৰাব নোৱৰা সম্বন্ধ। সংস্কৃতি অবিহনে এখন সুস্থ সমাজ আশা কৰিবও নোৱাৰি। শঙ্কৰদেৱে ধৰ্ম প্ৰচাৰৰ কালছোৱাত অধিক গুৰুত্ব প্ৰদান কৰি সমাজ-সংস্কৃতিৰ উন্নতিৰ হকে কিছুমান পন্থা হাতত লৈছিল। ফলত অন্ধকাৰচ্ছন্ন অসমীয়া সংস্কৃতিৰ পথাৰখনত সৰ্বভাৰতীয় সংস্কৃতিৰ সমন্বয় সাধন কৰি পোহৰেৰে জাতিষ্কাৰ কৰি তুলিছিল। সংস্কৃতিৰ প্ৰতি পদ উপাদানতে তেওঁ হাত বুলাইছিল, য'ত সাহিত্য সঙ্গীত, নৃত্য, বাদ্যযন্ত্ৰ, স্থাপত্য, ভাস্কৰ্য্য, সাজপাৰ আদি ন-ৰূপত জিলিকি উঠিছিল। ইয়াৰ অন্তৰালত গঢ়লৈ উঠিছিল শঙ্কৰী-সংস্কৃতি। ইফালেদি ধৰ্ম আৰু সংস্কৃতিৰ চৰ্চাৰ কেন্দ্ৰৰূপে গঢ় দিলে নামঘৰৰ। শঙ্কৰদেৱৰ অনবদ্য অৱদান নামঘৰতে আৰম্ভ হয় ধৰ্ম চৰ্চা তথা ঈশ্বৰ সেৱাৰ। ভাওনা প্ৰদৰ্শনৰ মাজেদি নামঘৰত সকলো জাতি আৰু পন্থাৰ সমাৱেশ ঘটি নান্দনিক সুৰৰ ৰঙে-ৰূপে-ৰসে ভৰপূৰ হৈ পৰিল অসমীয়া সমাজ। নামঘৰেই হৈ পৰিল সামাজিক একতা আৰু শৃঙ্খলাৰ এক বাস্তৱ নিদৰ্শন।

**উপসংহাৰ:** সুদূৰ তামিলনাডুৰপৰা বিস্তাৰ লাভ কৰা ভক্তি আন্দোলন নাইবা নৱবৈষ্ণৱ আন্দোলন পলমকৈ হ'লেও মহাপুৰুষ শঙ্কৰদেৱৰ হাতত আহি পৰা বাবেই মধ্যযুগটো অসমীয়াৰ বাবে "স্বৰ্ণযুগ" ৰূপে চিহ্নিত হৈ ৰ'ল। ইয়াৰ অন্তৰালত আছিল অনুকৰণীয় এক আদৰ্শ, যি আদৰ্শত একেলগ হৈছিল জাতি, ধৰ্ম, সমাজ, সংস্কৃতি, ভাষা আদি। এটা জাতিৰ উন্নয়নৰ বাবে যিবোৰ উপাদানৰ প্ৰয়োজন, এই প্ৰতিটো উপাদানেই নৱবৈষ্ণৱ ভক্তি ধৰ্মৰ মাজেদি প্ৰদান কৰি গ'ল এই মহাপুৰুষজনাই। ধৰ্মৰ মূলমন্ত্ৰ হিচাপে দি গ'ল "এক দেৱ"। যাৰবাবে বৰ্তমানো নৱ-বৈষ্ণৱ ভক্তিধৰ্মই অধিক সমৃদ্ধিশালী ৰূপত বৰ্তি থাকিবলৈ সক্ষম হৈছে। ■

৩. ড° শিৱনাথ বৰ্মন: *অসমীয়া সাহিত্যৰ বুৰঞ্জী,* (দ্বিতীয় খণ্ড) পৃষ্ঠা ১৩।
৪. ড° হৰিনাথ শৰ্মা দলৈ: *শঙ্কৰ সাহিত্য প্ৰতিভা,* পৃষ্ঠা ৭।

**সহায়ক গ্ৰন্থপঞ্জী:**


১। চলিহা, ভৱপ্ৰসাদ: *শঙ্কৰী সাহিত্যৰ সমীক্ষা,* কৃষ্ণ প্ৰকাশ, ডকাপাৰা, তেজপুৰ, প্ৰথম প্ৰকাশ, ১৯৮১।
২। দাস নাৰায়ণ: *শঙ্কৰী সাহিত্যৰ ভূমিকা,* পৰিবৰ্ধিত সংস্কৰণ মালিগাঁও, গুৱাহাটী ১৯৮৯।
৩। নেওগ, ডিম্বেশ্বৰ: *যুগনায়ক শঙ্কৰদেৱ,* পূৰ্বশ্ৰী প্ৰকাশ, এ. টি, ৰোড, দ্বিতীয় তাঙৰণ ৫২৮ শকাব্দ।
৪। বৰ্মন, শিৱনাথ (সম্পাদিত): *অসমীয়া সাহিত্য বুৰঞ্জী,* প্ৰথম প্ৰকাশ, জুন ১৯৯৭।
৫। বৰ্মন, শিৱনাথ: *শ্ৰীমন্ত শঙ্কৰদেৱৰ কৃতি আৰু কৃতিত্ব,* গুৱাহাটী- ১ প্ৰথম প্ৰকাশ, ১৯৮৬।
৬। মহন্ত, বাপচন্দ্ৰ: *ঐতিহাসিক পটভূমিত মহাপুৰুষ শঙ্কৰদেৱ,* বনলতা সংস্কৰণ, ১৯৯৯ চন।
৭। মহন্ত, ৰুবী: *শঙ্কৰদেৱৰ সাহিত্যৰ নন্দনতাত্বিক অধ্যয়ন,* প্ৰথম প্ৰকাশ, ১৯৯১।
৮। শৰ্মা, সত্যেন্দ্ৰ: *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত,* অৰুণোদয় প্ৰেছ, শিলপুখুৰী, গুৱাহাটী, দ্বিতীয় প্ৰকাশ ১৯৮৪।

# স্বপ্নবাসৱদত্তা নাটকত বাসৱদত্তা আৰু পদ্মাৱতী এটি তুলনামূলক অধ্যয়ন

মীৰা বৰুৱা, সহযোগী অধ্যাপিকা, সংস্কৃত বিভাগ

সংস্কৃত সাহিত্যৰ প্ৰথিতযশা কবিসকলৰ ভিতৰত ভাস হ'ল অন্যতম। কিন্তু এই কবিজনাৰ আৱিৰ্ভাৱ কাল সম্বন্ধে নিৰ্দিষ্ট মতামত পোৱাটো কঠিন। সংস্কৃত সাহিত্যৰ কিছুমান সমালোচকে ভাসক কালিদাসৰ পূৰ্বৱৰ্তী নাট্যকাৰ বুলি ক'ব বিচাৰে। কিয়নো সংস্কৃত সাহিত্যত কালিদাসকে আদি কৰি পিছৰ নাট্যকাৰসকলে তেওঁলোকৰ নাটকত ভৰতমুণিৰ *নাট্যশাস্ত্ৰৰ* নিয়মসমূহ মানি চলা দেখা যায়। কিন্তু ভাসৰ নাটকসমূহত সেই বিষয়সমূহ মানি চলা পৰিলক্ষিত নহয়। ইয়াৰ ভিতৰত বিশেষকৈ মন কৰিবলগীয়া লক্ষণ বা নিয়মটো হ'ল যে— কালিদাস আৰু অন্যান্য নাট্যকাৰসকলৰ নাটকৰ প্ৰস্তাৱনা অংশত প্ৰথমে নান্দীশ্লোক পাঠ কৰে আৰু তাৰপিছত 'নান্দ্যন্তে সূত্ৰধাৰ:' বুলি কয়। কিন্তু ভাসৰ নাটকসমূহত 'নান্দ্যন্তে ততঃ প্ৰৱশতি সূত্ৰধাৰ:' এই বুলি আৰম্ভ কৰে। তদুপৰি ভাস যে কালিদাসৰ পূৰ্বৱৰ্তী এই কথা কালিদাসে নিজে *মালবিকাগ্নিমিত্ৰ* নামৰ নাটকৰ সূচনাত কৰা ভাসৰ প্ৰশংসাৰ পৰা জানিব পাৰি। তেওঁ প্ৰশংসা কৰি কৈছে যে—

প্ৰথিতযশসাং ভাসকবি পুত্ৰসৌমিল্লকাদীনাং
প্ৰৱন্ধামনতিক্ৰম্য বৰ্তমানকবেঃ কালিদাসস্য
ক্ৰিয়ায়াং কথং পৰিষদো বহুমানঃ।

ঠিক এনেদৰেই ভাসৰ আৱিৰ্ভাৱ কাল সম্বন্ধে পোৱা অন্য এক আলোচনাৰ পৰা জানিব পাৰি যে ভাস প্ৰথম শতাব্দীৰ কবি অশ্বঘোষৰ পিছৰ কবি। কিয়নো তেওঁৰ আন এখন বিখ্যাত নাটক *প্ৰতিজ্ঞাযৌগন্ধৰায়ণত* অশ্বঘোষৰ ৰচিত *বুদ্ধচৰিত* মহাকাব্যৰ কোনো এক শ্লোকৰ প্ৰভাৱ পৰিলক্ষিত হয়। সেয়েহে ভাসক অশ্বঘোষ আৰু কালিদাসৰ মধ্যৱৰ্তী অৰ্থাৎ ২য়/৩য় শতাব্দীৰ কবি বুলি ধৰা হয়।

সংস্কৃত সাহিত্যৰ অন্যতম কবিজনে মুঠ তেৰখন (১৩) নাটক ৰচনা কৰিছিল। ইয়াৰে কেইখনমান হ'ল একাঙ্কী আৰু কেইখনমান হ'ল পূৰ্ণাঙ্গ নাটক। *স্বপ্নবাসৱদত্তা প্ৰতিজ্ঞাযৌগন্ধৰায়ণ, বালচৰিত, পঞ্চৰাত্ৰ, প্ৰতিমা, অভিষেক, অবিমাৰক, দৰিদ্ৰচাৰুদত্ত* হ'ল নাটকৰ অন্তৰ্ভুক্ত আৰু *মধ্যমব্যায়োগ দূতবাক্য, দূতঘটোৎকচ, কৰ্ণভাৰ আৰু উৰুভঙ্গ* হ'ল একাঙ্কী। ভাসৰ এই সমগ্ৰ ৰচনাৱলী প্ৰধানকৈ চাৰিটা আধাৰৰ ওপৰত ৰচিত। ইয়াৰে প্ৰথমটো হ'ল— *ৰামায়ণৰ* আধাৰত, দ্বিতীয়টো হ'ল *মহাভাৰতৰ* আধাৰত, তৃতীয়টো হ'ল *উদয়ন-কথাৰ* আধাৰত আৰু চতুৰ্থটো হ'ল কল্পনাৰ আধাৰত ৰচিত।

এতিয়া আমাৰ আলোচ্য বিষয়টি তেওঁৰ বিখ্যাত নাটক *স্বপ্নবাসৱদত্তাৰ* কাহিনীৰ অন্তৰ্গত। ছয়টা অঙ্কৰে সন্নিৱিষ্ট স্বপ্নবাসৱদত্তা হ'ল ভাসৰ সৰ্বোৎকৃষ্ট নাটক। এই নাটকখনিৰ শ্ৰেষ্ঠত্বৰ বিষয়ে প্ৰাচীন আৰু আধুনিক সমালোচকসকলৰ মতামত একেই দেখা যায়। নাটকৰ বিষয়বস্তু প্ৰাচীন *উদয়ন কথা* কাহিনীৰ পৰা সংগ্ৰহ কৰা হৈছে। বৎসৰাজ উদয়নে অৱন্তীদেশৰ ৰাজকন্যা বাসৱদত্তাক বিবাহ কৰাই সুখেৰে দিন অতিবাহিত কৰিছিল। ঠিক তেনে এক সময়তেই পৰাকান্ত শত্ৰু আৰুণিয়ে বৎসৰাজ্য আক্ৰমণ কৰি উদয়নক পৰাস্ত কৰি ৰাজ্য কাঢ়ি লৈছিল। উদয়ন পলাই গৈ লাৱাণক নামৰ গাঁৱত বসবাস কৰা দেখি উদয়নৰ হিতৈষী আৰু চতুৰ মন্ত্ৰী যৌগন্ধৰায়ণে উদয়নৰ হেৰুৱা ৰাজ্য উদ্ধাৰৰ বাবে চিন্তা কৰিবলৈ ধৰিলে। এনেদৰে উপায়ৰ বাবে চিন্তা কৰি থাকোতে হঠাৎ তেওঁৰ মনত পৰিল যে দৈৱজ্ঞসকলে এবাৰ ভৱিষ্যৎ বাণী কৰি কৈছিল যে মগধৰ ৰাজকন্যা পদ্মাৱতী ৰজা উদয়নৰ দ্বিতীয় পত্নী হ'ব। এই কথা মনত পৰাৰ লগে-লগে মন্ত্ৰী যৌগন্ধৰায়ণে উপায় হাততে পোৱা যেন ভাবি কেনেদৰে উদয়নৰ লগত পদ্মাৱতীৰ বিবাহ সম্পন্ন কৰাই মগধৰাজ দৰ্শকৰ সহায়ত হেৰুৱা ৰাজ্য উদ্ধাৰ কৰিব পাৰি তাৰ বাবে চিন্তা কৰিছিল। কিন্তু তেওঁৰ এই চিন্তাত একমাত্ৰ বাধক ৰূপে পৰিগণিত হ'ল মহাৰাজ উদয়নৰ ৰাজমহিষী বাসৱদত্তা। কিয়নো, বাসৱদত্তাৰ বৰ্তমানত ৰজা উদয়ন দ্বিতীয় বিবাহৰ বাবে কেতিয়াও সন্মত নহ'ব। সেয়েহে, ইয়াৰ উপায় বিচাৰি মন্ত্ৰী যৌগন্ধৰায়ণ বাসৱদত্তাৰ ওচৰ চাপিল। তেওঁ বাসৱদত্তা আৰু অন্যান্য মন্ত্ৰীসকলৰ লগত সকলো আলোচনা কৰি এক পৰিকল্পনা কৰিলে। বাসৱদত্তাই স্বামীৰ হেৰুৱা ৰাজ্য উদ্ধাৰৰ বাবে যৌগন্ধৰায়ণৰ কথাত সন্মত হৈ মহান ত্যাগৰ বাবে সাজু হ'ল। সেই পৰিকল্পনা অনুসৰি এদিন উদয়নৰ অনুপস্থিতিত লাৱাণক নামৰ গাঁৱত অগ্নিসংযোগ কৰি সেই অগ্নিত বাসৱদত্তা পৰিল আৰু তেওঁক বচাবলৈ গৈ যৌগন্ধৰায়নো জুইত পুৰি মৰিল বুলি মিছা বাতৰি প্ৰচাৰ কৰি দিলে। তাৰ পাছত তেওঁলোকে মন্ত্ৰীসকলৰ হাতত ৰজাৰ ভাৰ অৰ্পণ কৰি ছদ্মবেশে মগধ ৰাজ্যৰ প্ৰান্তৱৰ্তী তপোবনত প্ৰৱেশ কৰিলে। অন্যহাতেদি মগধৰাজপুত্ৰী পদ্মাৱতীও সেই সময়ত মাকক দৰ্শন কৰিবৰ বাবে আশ্ৰমলৈ আহিছিল। তেওঁ তপোবনবাসীসকলক তেওঁলোকৰ প্ৰয়োজনীয় বস্তু দান কৰি নিজকে কৃতাৰ্থ কৰিবৰ বাবে মনত এক অভিলাষ পুহি ৰাখিছিল। সেই উদ্দেশ্যেই তপোবনবাসীৰ মাজত ঘোষণা কৰি দিছিল যে তেওঁ তেওঁলোকৰ অভীষ্ট বস্তু দিবলৈ ইচ্ছা কৰে আৰু তাৰ বাবে যেন তপোবনবাসীয়ে তেওঁক জনায়, এইটো অনুৰোধ কৰিছিল। সেই সুযোগতে যৌগন্ধৰায়ণে বাসৱদত্তাক ভগ্নী বুলি পৰিচয় দি কিছুদিন তেওঁৰ ওচৰত ৰাখিবৰ কাৰণে অনুৰোধ জনালে। পদ্মাৱতীয়েও নিজৰ মৰ্যাদা অনুসৰি যৌগন্ধৰায়ণৰ অনুৰোধ ৰক্ষা কৰিছিল। এনেদৰেই মন্ত্ৰীসকলৰ সহযোগত বাসৱদত্তাৰ অবৰ্তমানত শোকত ম্ৰিয়মান হৈ পৰা ৰজা উদয়নৰ বিবাহ পদ্মাৱতীৰ সৈতে সম্পন্ন কৰাইছিল। কিন্তু ৰজা উদয়নে পদ্মাৱতীৰ সৈতে বিবাহপাশত আবদ্ধ হ'লেও বাসৱদত্তাক পাহৰিব পৰা নাছিল। বাসৱদত্তাৰ স্মৃতিয়ে ৰজাক বিহ্বল কৰি তুলিছিল। এদিন পদ্মাৱতীৰ মূৰৰ বিষ হোৱা বুলি শুনি পদ্মাৱতীৰ দাসীৰূপে পৰিচিত বাসৱদত্তা তেওঁৰ খবৰ কৰিবলৈ আহি পদ্মাৱতীৰ সমুদ্ৰগৃহত প্ৰৱেশ কৰিছিল। ইতিমধ্যে ৰজা উদয়নো পদ্মাৱতীৰ এনে অৱস্থাৰ বুজ ল'বলৈ বুলি আহি পদ্মাৱতীক নেদেখি সেই গৃহতে তেওঁৰ বাবে অপেক্ষা কৰি আছিল। এনেদৰে বহু সময় অতিবাহিত কৰি ৰজাৰ আমনিবোধ হোৱাত তাতে শুই পৰিল। বিদূষকে ৰজাক তেনে অৱস্থাত দেখি এখন চাদৰ তেওঁৰ গাত পেলাই দিছিল। বাসৱদত্তাইও সেই সমুদ্ৰগৃহত প্ৰৱেশ কৰি প্ৰদীপৰ কম পোহৰত উদয়নকেই পদ্মাৱতী বুলি ভাবিলে। অলপ সুস্থ হৈ পদ্মাৱতীয়ে নিদ্ৰাৰ আশ্ৰয় লৈছে বুলি ভাবি বাসৱদত্তাই আমনি নকৰি ৰজাৰ কাষত শুই পৰিল। ৰজা উদয়নে গভীৰ নিদ্ৰাত বাসৱদত্তাৰ সপোন দেখি তেওঁৰ নাম ধৰি মাতিবলৈ ধৰিলে। ৰজাৰ মাত শুনি বাসৱদত্তা চমকি উঠি তাৰপৰা যাবলৈ ওলাই দেখে যে ৰজাই সপোনতহে তেওঁক চিঞৰি আছে। ৰজাই সপোনত তেওঁক যি সুধিছে সকলো উত্তৰ বাসৱদত্তাই দি আছিল। কিন্তু তেওঁ ৰজাই হঠাৎ সাৰ পাব বুলি আশঙ্কা কৰি যাবলৈ উদ্যত হওঁতে ৰজাৰ হাতখন হাউলী পৰি থকা দেখি তুলি দিওঁতে তেওঁৰ স্পৰ্শত ৰজাই সাৰ পাই তেওঁক ধৰিবলৈ গ'ল। কিন্তু দুৱাৰত লাগি বাধা আহি পৰাত বাসৱদত্তা তাৰপৰা ওলাই গ'ল। এনেদৰেই সপোনৰ লগে-লগে বাস্তৱতো বাসৱদত্তাৰ লগত ৰজাৰ মিলন সম্ভৱ হৈ উঠিছিল।

সংস্কৃত নাটকৰ নিয়ম অনুসৰি বিশ্লেষণ কৰি চালে ভাসৰ নাটক আৰু নাটকীয় চৰিত্ৰসমূহ গতানুগতিক বুলি ক'ব পাৰি। বিশেষকৈ *স্বপ্নবাসৱদত্তা* নাটকত চাৰিত্ৰিক বিশ্লেষণ দাঙি ধৰাতকৈও নাটকৰ ঘটনাৰ চমৎকাৰিত্বৰ ওপৰতহে নাট্যকাৰে গুৰুত্ব প্ৰদান কৰিছিল। তথাপি এই নাটকখনিত বাসৱদত্তা আৰু পদ্মাৱতী এই দুই নায়িকাৰ চৰিত্ৰ চিত্ৰণত নাট্যকাৰে যথেষ্ট নৈপুণ্যতাৰ পৰিচয় দাঙি ধৰিছে। এই দুই চৰিত্ৰৰ বিশেষ কৃতিত্ব হ'ল যে দুই নায়িকাই ইটোৱে-সিটোৰ প্ৰচিচ্ছবি নহৈ নিজ-নিজ বৈশিষ্ট্যৰে নিজৰ চৰিত্ৰ উজ্জ্বল কৰি তুলিছে। দুয়োটা চৰিত্ৰ অধ্যয়ন কৰিলে দেখিবলৈ পোৱা যায় যে বাসৱদত্তা আৰু পদ্মাৱতী দুয়ো উচ্চকূলসম্ভূতা, সুন্দৰী আৰু গুণশালিনী— ৰমণী। বাসৱদত্তা হ'ল উজ্জয়িণীৰ ৰজা প্ৰদ্যুতৰ কন্যা আৰু বৎসৰাজ উদয়নৰ প্ৰিয়তমা পত্নী। অন্যহাতে পদ্মাৱতী হ'ল মগধৰাজ দৰ্শকৰ ভগ্নী আৰু ভৱিষ্যৎ বক্তাৰ গণনাৰ মতে তেওঁ উদয়নৰ দ্বিতীয় পত্নী হোৱাৰ সম্ভাৱনা সম্ভূত নাৰী। বাসৱদত্তাৰ স্বামীভক্তি অতুলনীয় আৰু পদ্মাৱতীৰ চিত্তও বাসৱদত্তাৰ অবিহনে বিৰহকাতৰ হৈ পৰা উদয়নৰ প্ৰতি সমবেদনা মিশ্ৰিত অনুৰাগেৰে আদ্ৰ। তথাপি দুয়ো গৰাকী নায়িকাৰ চৰিত্ৰই নাটকখনিত স্বতন্ত্ৰৰূপে অঙ্কিত কৰা হৈছে। নাট্যকাৰে নিজ নৈপুণ্যতা নাইবা কবিকৌশলৰদ্বাৰা দুই-এটা লেখাৰ বাদে দুয়োটা চৰিত্ৰকেই স্বতন্ত্ৰভাৱেৰেই উজ্জ্বল কৰি তুলিছে।

বাসৱদত্তা আৰু পদ্মাৱতী এই দুটা নাৰী চৰিত্ৰৰ মাজত বাসৱদত্তা হ'ল নাটকৰ প্ৰধান নায়িকা। নাট্যকাৰে তেওঁক এক মানস প্ৰতিমা, কৰুণতাৰ মূৰ্ত আৰু সৰ্বত্যাগিনী নাৰী চৰিত্ৰৰূপে অঙ্কন কৰিছে। প্ৰথম যৌৱনত উদয়নৰ প্ৰতি গঢ়ি উঠা গাঢ় প্ৰেমৰ বাবে তেওঁ নিজৰ পিতৃ-মাতৃক ত্যাগ কৰিছে। ৰজা উদয়নৰ হৃদয়ৰ একচ্ছত্ৰী অধিষ্ঠাত্ৰী হ'লেও যৌগন্ধনাৰায়ণৰ পৰিকল্পনা সফল কৰাৰ মানসেৰে আৰু স্বামীৰ মঙ্গল কামনা কৰি কিছুদিনৰ কাৰণে স্বামীক পৰিত্যাগ কৰি অজ্ঞাতবাস কটাবলেও কুণ্ঠাবোধ কৰা নাই। বাসৱদত্তাৰ বাবে তেওঁৰ স্বামী তেওঁৰ প্ৰাণতকৈও প্ৰিয় আছিল। নাটকৰ প্ৰথম অঙ্কত ব্ৰহ্মাচাৰীজনৰদ্বাৰা যি লাৱাণক বৃত্তান্ত দিয়া হৈছিল সেই বৰ্ণনাত বাসৱদত্তাৰ মৃত্যুৰ সংবাদ শুনি উদয়নৰ অৱস্থা কেনে হৈছিল তাক বৰ্ণনা কৰা হৈছে। উদয়নৰ সেই শোকাতুৰ অৱস্থাৰ বৰ্ণনা শুনি কোমল হৃদয়ৰ বাসৱদত্তাই অশ্ৰু সংবৰণ কৰিব পৰা নাছিল। তেওঁৰ চকুত চকুপানী দেখি চেটীয়ে এনেদৰে উক্তি কৰিছিল—

"ভৰ্ত্তৃদাৰিকে, খলু ৰোদিতি খামু ইয়মাৰ্যা"।

স্বামীক পৰিত্যাগ কৰি থকাটো অপৰিসীম কষ্ট হ'লেও স্বামীৰ ভৱিষ্যত মঙ্গলৰ কাৰণে সংযতভাৱে ধৈৰ্য্যধাৰণ কৰি থকা গুণৰ পৰা বাসৱদত্তা যে স্বভাৱতেই সংযতস্বভাৱা তাক জানিব পাৰি। স্বাৰ্থত্যাগৰ মহিমা, অপৰিসীম ধৈৰ্য্যৰ দৃঢ়তাৰ বৰ্ণনা কৰি বাসৱদত্তাৰ চৰিত্ৰ দেৱীত্বলৈ উন্নীত কৰালেও নাট্যকাৰে তেওঁৰ মানৱীয় চৰিত্ৰৰ বৰ্ণনা কৰিবলৈও পাহৰা নাই। যেতিয়া পদ্মাৱতীৰ সৈতে ৰজা উদয়নৰ বিবাহ কাৰ্য সম্পন্ন হৈছিল তেতিয়া তেওঁৰ মানৱীয় চৰিত্ৰ সুন্দৰকৈ প্ৰকাশ পাইছে। তেওঁ অন্তৰ মহান হ'লেও নিজৰ স্বামী পৰৰ হৈ যোৱা বাবে এগৰাকী নাৰীৰ হৃদয়ত যি শোকৰ জুই উথলি উঠে সেই কথাৰ প্ৰমাণ তেওঁৰ মুখৰ ভাষাৰ পৰাই স্পষ্ট হৈ পৰে।

— "অহো অত্যাহিতম্। আৰ্যপুত্ৰোহপি নাম পৰকীয়ঃ সংবৃত্তঃ।"

ৰজা উদয়নে নিজ ইচ্ছানুসৰি পদ্মাৱতীৰ প্ৰতি আসক্ত হৈ তেওঁক বিয়া কৰাবলৈ মন কৰিছে বুলি ভাবি বাসৱদত্তাৰ হৃদয় অস্থিৰ হৈ উঠিছিল। কিন্তু যেতিয়া তেওঁ জানিব পাৰিছিল মগধৰাজ আৰু উদয়নৰ মন্ত্ৰীসকলৰ অনুৰোধ মৰ্মে পদ্মাৱতীক বিয়া কৰাইছে তেতিয়া তেওঁৰ মন আশ্বস্ত হৈছিল। বাসৱদত্তা আছিল ধৈৰ্যৰ প্ৰতীক। কিয়নো উদয়নৰ দ্বিতীয় বিবাহৰ বাবে প্ৰয়োজন হোৱা মালা তেওঁ নিজ হাতেৰে তৈয়াৰ কৰিছিল। মালা গাঁথাত নিপুণ চৰিত্ৰৰ বাসৱদত্তাক চেটীসকলে যেতিয়া মালা গাঁথিবলৈ অনুৰোধ কৰিছিল অতি কষ্টেৰে তথা ধৈৰ্যৰে মালা গাঁথিবলৈ মনৰ মাজত সাহস পুঞ্জীভূত কৰি লৈছিল। এনে সাহসিতাৰ গৰাকিনী হ'লেও মনৰ নিভৃততম কোণৰ দুঃখ অভিব্যক্ত নকৰাকৈও থকা নাছিল—

"অহো অকৰুণা খল্বীশ্বৰাঃ— হায়, বিধাতা কি নিষ্ঠুৰ।"

পদ্মাৱতীৰ প্ৰতি থকা অকৃত্ৰিম স্নেহৰ জৰিয়তেও বাসৱদত্তাৰ চৰিত্ৰৰ মাধুৰ্য্য পৰিলক্ষিত হয়। পদ্মাৱতীক প্ৰথম দেখাৰ পিছতেই বাসৱদত্তাৰ মনত যি ভগ্নী ভাবৰ উদয় হৈছিল সেই ভাব পদ্মাৱতী তেওঁৰ সপত্নী হোৱাৰ পিছতো অকণো ক্ষুণ্ণ হোৱা নাছিল। স্বামী উদয়নৰ প্ৰতি থকা অনুৰাগ আৰু মঙ্গল কামনাৰ ভাবেই হ'ল বাসৱদত্তাৰ চৰিত্ৰৰ অন্যতম বৈশিষ্ট্য। তেওঁৰ চৰিত্ৰৰ এনেবিলাক প্ৰতীকেই হ'ল তেওঁৰ চিত্তৰ উদাৰতাৰ পৰিচায়ক। এনে মহান উদাৰতাৰ বাবেই পদ্মাৱতীক আত্মীয় বুলি স্বীকৃতি দিব পাৰিছিল। ৰজা উদয়নৰ প্ৰতি গভীৰ প্ৰেম থকা বাবেই সদা-সৰ্বদাই তেওঁৰ পৰিচৰ্যাৰ বাবে ব্যাকুল হৈ পৰিছিল। এবাৰ ৰাণী পদ্মাৱতীৰ মূৰৰ বিষ হোৱা বুলি জানিব পাৰি অধিক বিচালিত হৈ এনেদৰে কৈছিল—

"বিৰহ পৰ্য্যুজসুকস্য আৰ্যপুত্ৰস্য বিশ্ৰামস্থানভূতেয়মপি নাম পদ্মাৱতী অস্বস্থা জাতা।"

— অৰ্থাৎ বিৰহব্যাকুলা আৰ্যপুত্ৰৰ বিশ্ৰামস্থলস্বৰূপ পদ্মাৱতীও অসুস্থ হৈ পৰিল।

ঠিক সেইদৰে নাটকৰ ষষ্ঠ অঙ্কত আমি পাওঁ যে যেতিয়া বাসৱদত্তাৰ পৰিচয় সকলোৰে আগত উদ্‌ঘাটন কৰা হৈছিল তেতিয়া পদ্মাৱতীয়ে কৈছিল যে— অজ্ঞাতে তেওঁৰ লগত সখীয়েকৰ দৰে কৰা ব্যৱহাৰৰ বাবে যেন তেওঁক ক্ষমা কৰি দিয়ে। কিন্তু এই কথাৰ প্ৰতিবাদ কৰি বাসৱদত্তাই কৈছিল— যদি তুমি তেনেদৰে কোৱা তেনেহ'লে যৌগন্ধনাৰায়নৰদ্বাৰা ন্যাসৰূপে থোৱা মোৰ এই শৰীৰ তোমাৰ ওচৰত অপৰাধী ৰূপেহে পৰিগণিত হ'ব—

"অৰ্থিস্বং নাম শৰীৰম্ অপৰাধ্যতি।"

এনে ধৰণৰ উক্তিৰদ্বাৰা বাসৱদত্তাৰ চৰিত্ৰৰ নিৰহঙ্কাৰিতাৰ পৰিচয় পোৱা যায়।

বাসৱদত্তাৰ দৰেই স্বপ্নবাসৱদত্তা নাটকত পদ্মাৱতীৰ চৰিত্ৰটোও অতি আকৰ্ষণীয় ভাৱেৰে চিত্ৰিত কৰা হৈছে। তেওঁক নাটকখনিত এগৰাকী সুন্দৰী আৰু গুণৱতী নাৰীৰূপে অঙ্কণ কৰিছে। মধু-ভাষিতা হ'ল তেওঁৰ চৰিত্ৰৰ অন্য এক পৰিচয়। তেওঁ যে এগৰাকী ধৰ্মপ্ৰাণা নাৰী আছিল সেই কথা যৌগন্ধৰায়ণ আৰু কঞ্চুকীৰ মন্তব্যৰ পৰা স্পষ্টকৈ জানিব পাৰি। পদ্মাৱতীৰ এনে গুণৰ প্ৰশংসা কৰি যৌগন্ধৰায়ণে কৈছিল যে—

"ধীৰা কন্যেয়ং দৃষ্টধৰ্মপ্ৰচাৰা।"

তদুপৰি পদ্মাৱতী আছিল বিদ্বেষহীন মনোভাবৰ গৰাকিনী। বাসৱদত্তাক সপত্নী বুলি জনাৰ পিছতো তেওঁৰ প্ৰতি পদ্মাৱতীৰ ব্যৱহাৰ সদায় মধুৰ আছিল। কোনোদিনেই বিদ্বেষভাব প্ৰকাশ কৰা নাছিল। আনকি বাসৱদত্তাৰ প্ৰতি থকা উদয়নৰ প্ৰগাঢ় অনুৰাগকো পদ্মাৱতীয়ে সকলো সময়তে সন্মানৰ চকুৰে চাইছিল। পদ্মাৱতীৰ আচাৰ-ব্যৱহাৰ আৰু বাক্যই তেওঁৰ আভিজাত্যৰ পৰিচায়ক। তেওঁৰ সহিষ্ণুতা গুণ হ'ল তেওঁৰ চৰিত্ৰৰ আন এক বৈশিষ্ট্য। ৰূপে-গুণে মনোহাৰিণী হ'লেও বাসৱদত্তাৰ প্ৰেমে উদয়নৰ মন-প্ৰাণ আৱৰি থকাৰ বাবে উদয়ন তেওঁৰ প্ৰতি আকৰ্ষিত হ'ব পৰা নাই, এই কথা জানিও উদয়ন নাইবা বাসৱদত্তা কোনোজনৰে প্ৰতি ঈৰ্ষা ভাব প্ৰদৰ্শন কৰা নাছিল। আশ্ৰিতা বাসৱদত্তাক কোনোদিনেই "আৰ্যা" বুলি নোকোৱাকৈ সম্বোধন নকৰা চৰিত্ৰৰদ্বাৰা তেওঁৰ মহানুভৱতাৰ পৰিচয়ো পোৱা যায়। এনে গুণৰ অধিকাৰিণী হোৱা বাবেই বাসৱদত্তাৰ প্ৰকৃত পৰিচয় পোৱাৰ পিছত তেওঁৰ ওচৰত দাসী স্বৰূপে থকাৰ সময়ত কিবা দোষ কৰিছে বুলি ভাবি বাসৱদত্তাৰ ওচৰত ক্ষমা প্ৰাৰ্থনাহে কৰিছিল। এনেদৰেই স্বপ্নবাসৱদত্তা নাটকত বৰ্ণিত বাসৱদত্তাৰ গাম্ভীৰ্য, ধৈৰ্যশীলা, ত্যাগিনী চৰিত্ৰৰ লগে-লগে পদ্মাৱতীৰ কোমল মধুৰ চৰিত্ৰও সকলোৰে বাবে আকৰ্ষণীয় হৈ পৰিছে। ■

মানুহে মানুহক অন্ধকাৰৰপৰা পোহৰলৈ আনিব পাৰে। মানুহক নতুন জীৱন দান দিব পাৰে। পৃথিৱীত প্ৰেম আৰু মহানুভৱতাই এই কাম কৰিব পাৰে।

— মামণি ৰয়ছম গোস্বামী



# পীতাম্বৰ কবিৰ 'উষা পৰিণয়'

## ('চিত্ৰলেখাৰ পটনিৰ্মাণ' অধ্যায়ৰ বিশেষ উল্লিখন সহ)

**ড° মঞ্জু লস্কৰ**

(১)

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ সম-সাময়িক পাঁচালী কবিসকলৰ এজন হ'ল পীতাম্বৰ।[১] ৰামানন্দ দ্বিজৰ *গুৰুচৰিতৰ* মতে উজনিৰ পৰা ভটিয়াই আহি মহাপুৰুষ শঙ্কৰদেৱে বৰপেটা অঞ্চলত বসতি কৰিবলৈ লোৱাৰ সময়ত ভাটি অঞ্চলৰপৰা ভৱানন্দ সাউদে (নাৰায়ণ ঠাকুৰ বা ঠাকুৰ আতা) তেখেতৰ ওচৰত শৰণ ল'বলৈ আহে। গুৰুজনাই সেই অঞ্চলৰ প্ৰখ্যাত লোকসকলৰ নাম জানিবলৈ বিচৰাত ভৱানন্দ সাউদে পীতাম্বৰ কবিৰ নাম উল্লেখ কৰে আৰু প্ৰসঙ্গক্ৰমে কবিজনাই দশমস্কন্ধৰ পদ ভাঙি কবিতা কৰা বুলিও উল্লেখ কৰে। লগতে পীতাম্বৰ কবিয়ে কৰা কাব্য দৃষ্টান্ত হিচাপে গাই শুনায়:

বিলাপ কৰিয়া কান্দে দেৱী ৰুকমিণী।
কোন অঙ্গ খুন দেখি নাইলা পদ্মপাণি।।[২]

শাৰীৰিক সৌন্দৰ্যৰে কৃষ্ণক লাভ কৰিবলৈ প্ৰয়াস কৰা ৰুক্মিণীৰ চৰিত্ৰ অঙ্কনত মহাপুৰুষ জনা অসন্তুষ্ট হয় আৰু পীতাম্বৰৰ কাব্যক নিন্দা কৰি 'ধৰ্ম ধৰিবাৰ সিটো নোহে লোক' বুলি 'তামসিক কবি' আখ্যা দিয়ে। এই কথাৰ তাৎপৰ্য বিচাৰ কৰাৰ পৰা বিৰত থাকিও এটা কথা কিন্তু স্বীকাৰ কৰিব লাগিব যে পীতাম্বৰে *ভাগৱতৰ* দশম স্কন্ধ ভাঙনি কৰিছিল। প্ৰকৃততে পীতাম্বৰ কবিয়ে কোন শকত ভাগৱতৰ দশম স্কন্ধৰ পদ ৰচনা কৰিছিল সেই বিষয়ে সৰ্বসন্মত মত এটা আজি পৰ্যন্ত সঠিককৈ নিৰ্ণয়[৩] হোৱা নাই।

পীতাম্বৰ কবিৰ ব্যক্তিগত জীৱনী সম্পৰ্কে জনা নাযায়। তেওঁৰ পৰিচয় বিচাৰিবলৈ হ'লে তেওঁৰ কাব্যৰ কাষ চাপিব লাগিব। *উষা-পৰিণয়* কাব্যত তেওঁ আত্মপৰিচয় দিছে এনেদৰে—

কামতা নগৰে সুৰ পৰ অৱতাৰ।
একমুখে গুণ গণ কে কহিবে তাৰ।।
পীতাম্বৰ নাম কবি শিশু মতি অতি।
উষা-পৰিণয় লাস কথা ৰস ৰতি।।[৪]

উক্ত অংশৰদ্বাৰা তেওঁ যে কমতাপুৰবাসী আছিল সেই কথা সুনিশ্চিত কৰে। এই কাব্যত কবিয়ে নিজকে 'শিশুমতি' বুলি চিনাকি দিছে। এই কাব্যত অৱশ্যে কমতানগৰৰ 'সুৰ' (ৰজা) কোন আছিল সেইকথা স্পষ্টকৈ উল্লেখ কৰা নাই। কিন্তু বৈষ্ণৱ-বিনয়ৰে নিজকে 'শিশুমতি' বুলি উল্লেখ কৰা কথাই এই কাব্যখন যে কবিৰ আগবয়সৰ ৰচনা, সেই কথা অনুমান কৰাত সহায় কৰিছে।

### সাহিত্য-কৃতি:

পীতাম্বৰ কবিয়ে, *ভাগৱত,* ('প্ৰথম' আৰু 'দশম স্কন্ধ'), *উষা-পৰিণয়, মাৰ্কণ্ডেয়-পুৰাণ,* (*মাৰ্কণ্ডেয় চণ্ডী:* বা *চণ্ডী আখ্যান*) আৰু *নল চৰিত্ৰ* বা *নল-দময়ন্তী*— এইকেইখন পুথি ৰচনা কৰিছিল বুলি জানিব পৰা গৈছে। অৱশ্যে এইকেইখন পুথিৰ ভিতৰত *উষা-পৰিণয়*খনহে ছপা হৈ ওলাইছে।

### ভাগৱত দশম স্কন্ধ:

উল্লেখ কৰি অহা হৈছে যে ৰামানন্দ দ্বিজৰ *গুৰু চৰিত* আৰু *কথা গুৰু চৰিত*ত পীতাম্বৰ কবিয়ে দশম স্কন্ধৰ পদ ৰচনা কৰাৰ কথা কথা-প্ৰসঙ্গত ভৱানন্দ ঠাকুৰ আতাই শঙ্কৰদেৱৰ আগত উল্লেখ কৰিছিল। 'ভাগৱতৰ দশম স্কন্ধ'ৰ পাছত কবিয়ে কমতা নগৰৰ মহাৰাজ বিশ্বসিংহৰ পুতেক কুমাৰ সমৰসিংহৰ আদেশত ভাগৱতখন ৰচনা কৰাৰ কথা উল্লেখ কৰিছে। *দৰং-ৰাজবংশাৱলী*[৫]ত নৰ-নাৰায়ণে শুক্লধ্বজক 'সংগ্ৰাম সিংহ' আৰু 'চিলাৰায়' উপাধি দিয়াৰ উল্লেখ আছে। মহেশ্বৰ নেওগৰ মতে, "১৪৫৫ শকত নৰ-নাৰায়ণ ৰজা হয় আৰু ১৪৬৮ শকমানত শঙ্কৰদেৱ কামৰূপলৈ আহে তেওঁ কামৰূপত কিছুদিন থকাৰ

১. হেমচন্দ্ৰ গোস্বামী সম্পাদিত *অসমীয়া সাহিত্যৰ চানেকি* (দ্বিতীয় খণ্ড)ত তেওঁৰ নাম 'কবি পীতাম্বৰ দ্বিজ' আছে। ড° মহেশ্বৰ নেওগ সম্পাদিত *অসমীয়া সাহিত্যৰ ৰূপৰেখাত* 'পীতাম্বৰ দাস কবি', ড° সত্যেন্দ্ৰনাথ শৰ্মাৰ *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত*ত 'পীতাম্বৰ কবি' বুলি উল্লেখ আছে।
২. হৰিনাৰায়ণ দত্তবৰুৱা (সম্পাদক), ৰামচৰণ ঠাকুৰ কৃত *গুৰুচৰিত,* পদসংখ্যা ২৫২৭-২৫২৯।
৩. ড° মহেশ্বৰ নেওগৰ মতে '১৪৬৮ শকৰ পিছত চিলাৰায়ে নতুন ধৰ্ম গ্ৰহণ কৰাৰো পিছতহে পীতাম্বৰ কবিয়ে দশম ভাগৱতৰ পদ কৰে আৰু তাৰ পিছতহে নাৰায়ণ ঠাকুৰৰ পৰা শঙ্কৰদেৱে সেই উদ্ধৃতি শুনিবলৈ পায়।' *অসমীয়া সাহিত্যৰ ৰূপৰেখা* — পৃষ্ঠা ১২১।
ড° সত্যেন্দ্ৰনাথ শৰ্মাৰ মতে 'পীতাম্বৰে ভাগৱত দশম স্কন্ধৰ ভাঙনি ১৫৫০ খৃষ্টাব্দৰ আগতে আৰম্ভ কৰে।' *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত,* পৃষ্ঠা ১১১।
যতীন্দ্ৰ নাথ গোস্বামীৰ মতে, '১৫৪৬ খ্ৰীষ্টাব্দৰ আগতে দশমৰ ভাঙনি আৰম্ভ কৰে' 'অসমীয়া সাহিত্যৰ চমু বুৰঞ্জী', পৃষ্ঠা ৯১।
৪. হেমচন্দ্ৰ গোস্বামী, *অসমীয়া সাহিত্যৰ চানেকি,* দ্বিতীয় খণ্ড, 'কবি পীতাম্বৰ দ্বিজ', পৃষ্ঠা ৪২১।
৫. নবীন শৰ্মা, সম্পাদক, *দৰং ৰাজবংশাৱলী,* পৃষ্ঠা ৬৯।

পিছত পীতাম্বৰৰ ভাগৱতৰ পদ ঠাকুৰ আতাৰ মুখে শুনে। এই দুই তাৰিখৰ মাজতে বা তাৰ কেইবছৰমান পিছত শুক্লধ্বজৰ আদেশত নিশ্চয় এই দশম ভাগৱত পুথি ৰচনা কৰা হয়।[৬]

পয়াৰ আৰু ত্ৰিপদী ছন্দত ৰচিত এই পুথিখনৰ এটি অসম্পূৰ্ণ প্ৰতিলিপি কোঁচ বিহাৰৰ পুথিভঁৰালত আছে। আদিৰসৰ চাট প্ৰবল হোৱাৰ বাবে হয়তো পীতাম্বৰ কবিৰ *ভাগৱতে* (শঙ্কৰদেৱৰ প্ৰভাৱৰ বাবে) অসমৰ ভক্ত সমাজত প্ৰৱেশ কৰিবলৈ সক্ষম নহ'ল।

**মাৰ্কণ্ডেয় চণ্ডী:**

পয়াৰ আৰু ত্ৰিপদী ছন্দত ৰচনা কৰা এইখন পুথি পীতাম্বৰ কবিয়ে মূল সংস্কৃত *মাৰ্কণ্ডেয় চণ্ডী*ৰ মুক্ত অনুবাদ কৰিছে। কোচবিহাৰৰ ৰজাঘৰীয়া পুথিভঁৰালত সংৰক্ষিত *মাৰ্কণ্ডেয় পুৰাণত* উল্লেখ থকা মতে এই পুথি সমৰসিংহৰ নিৰ্দেশত তেওঁ ৰচনা কৰিছে। ৰচনাৰ সময় হ'ল— 'বেদ পক্ষ বাণ আৰু শশাঙ্ক শকত' অৰ্থাৎ, ১৫২৪ শক (ইং ১৬০২)। পণ্ডিতসকলে উক্ত সময়টো অভ্ৰান্ত বুলি মানি লোৱা নাই।[৭] কিয়নো উক্ত সময়খিনি মানি ল'লে পীতাম্বৰ কবিয়ে তেওঁৰ এশ বছৰ বয়সত উক্ত গ্ৰন্থখন ৰচনা কৰা বুজাব।

**নল-দময়ন্তী:**

পদ, লেছাৰী আৰু দীৰ্ঘ ছন্দত ৰচনা কৰা *নল-দময়ন্তী* বা *নলৰ চৰিত্ৰ* গীত আৰু পদৰ সংমিশ্ৰণেৰে এখনি পাঁচালি কাব্য। কবিয়ে সুদক্ষতাৰে নিষধৰাজ নল আৰু দময়ন্তীৰ কৰুণ কাহিনী বৰ্ণনা কৰিছে। সম্পূৰ্ণ পাঠ নোপোৱাৰ বাবে পণ্ডিত সমালোচক সকলে উক্ত গ্ৰন্থখনৰ ৰচনা কাল নিৰ্ণয় কৰিব পৰা নাই।[৮]

(২)

**উষা-পৰিণয় কাব্যৰ ৰচনাকাল:**

*উষা-পৰিণয়* কাব্যত উল্লেখ থকা মতে আমি এনেদৰে পাওঁ—

**বাণ যুত বাণ বেদ শশাঙ্ক সময়।**
বৈশাখৰ সিত পক্ষত শুভ সময়।।
সৰ্ব্ব সিদ্ধি যোগ আৰু শুভ গুৰুবাৰ।
কহে পীতাম্বৰ উষা-বিবাহ পয়াৰ।।[৯]

অৰ্থাৎ, ১৪৫৫ শকত (১৫৩৩ খৃষ্টাব্দত) কবিয়ে *উষা-পৰিণয়* কাব্য ৰচনা কৰে। কাব্যখনত বিশ্বসিংহ নৰ-নাৰায়ণ বা চিলাৰায় কোনো এজনো ৰজাৰ নাম উল্লেখ নকৰা কথাই, তেতিয়ালৈকে তেওঁ কোনো ৰজাৰ পৃষ্ঠপোষকতা লাভ কৰা নাছিল বুলি ভবাৰ অৱকাশ দিয়ে। সেইফালৰ পৰাও এই কাব্যখন কবিৰ নবীন বয়সৰ ৰচনা বুলিব পাৰি।

উল্লেখযোগ্য যে বৈষ্ণৱ কবি অনন্ত কন্দলিয়েও উষা আৰু অনিৰুদ্ধৰ প্ৰণয় আৰু বিবাহক আধাৰ হিচাপে লৈ *কুমৰ হৰণ* কাব্য ৰচনা কৰিছে। এই গ্ৰন্থখন হৰিবংশ আৰু ভাগৱতৰ কথাৰ মিশ্ৰণেৰে বৈষ্ণৱ আদৰ্শৰদ্বাৰা অনুপ্ৰাণিত হৈ লিখিছিল। সেইবাবে ইয়াত লৌকিকতাক কবিয়ে ইচ্ছাকৃতভাৱে পৰিহাৰ কৰি কাব্যিক গঠনৰ দিশত অধিক মনোনিৱেশ কৰিছে। অনন্ত কন্দলিয়ে— *উষা-পৰিণয়ত* ৰতি বা শৃঙ্গাৰ ৰসৰ ঢল বোৱাই অনাৰ পৰিৱৰ্তে কাব্যিক গাঁঠনি সু-সংহত আৰু নিটোল কৰাত গুৰুত্ব দিছে। পীতাম্বৰ কবিৰ *উষা-পৰিণয়ক* উপলক্ষ কৰি বাণীকান্ত কাকতিয়ে এনেদৰে উল্লেখ কৰি গৈছে— 'হৰিবংশত উষাৰ কাহিনী যেনেকৈ মেৰপাক খোৱা ভাৱে আছে, পীতাম্বৰৰ কল্পনাই সকলোকে সমানভাৱে সামৰিবৰ চেষ্টা কৰি যক্ষভুক অগ্নিৰ দৰে ৰোগগ্ৰস্ত হৈ পৰিছে।'[১০]

পীতাম্বৰ কবিয়ে *হৰিবংশ*ৰ 'বিষ্ণু পৰ্ব'ৰ ১২৬ ৰপৰা ১২৮ অধ্যায়ৰ পদখিনিৰ পৰা উষা-অনিৰুদ্ধৰ প্ৰণয়ৰ কথাভাগ বাছি লৈ তাক অৱলম্বন কৰি কাব্যখন ৰচনা কৰিছে। *উষা-পৰিণয়* যদিও অনুবাদ— ইয়াত প্ৰয়োজন সাপেক্ষে কবিয়ে স্বকীয় দুই এটা কথাও সংযোগ কৰিছে। এইবিষয়ে পিছলৈ আলোচনা কৰা হ'ব। *উষা-পৰিণয়*ৰ সন্নিৱিষ্ট গীতবোৰ অনুবাদ নহয়। কবিৰ মৌলিক সৃষ্টি। গীতবোৰত কাব্যিক প্ৰতিভা পৰিস্ফুট হৈছে যদিও নিজাকৈ সংযোগ কৰা কথা বা ঘটনাবোৰে কাব্যৰ সৌন্দৰ্য বঢ়াইছে বুলি ক'ব নোৱাৰি।

**'উষা-পৰিণয়'ৰ কাহিনী:**

বালিৰ পুত্ৰ বাণৰজাই শিৱক তপস্যা কৰি সন্তুষ্ট কৰে আৰু তিনিও ভুৱনৰ ভিতৰত অসীম শক্তিৰ বৰ লাভ কৰে। তেওঁ শিৱৰপৰা ময়ূৰধ্বজ লাভ কৰিছিল। শিৱৰ বৰপ্ৰাপ্ত বাণে দেৱতাক বশ কৰি মহা প্ৰতাপেৰে ৰাজত্ব কৰিবলৈ ধৰে। বাণৰজা এশপুত্ৰ আৰু এগৰাকী কন্যা সন্তানৰ পিতৃ হয়। উষাকালত জন্ম হোৱাৰ বাবে কন্যা সন্তানিটিৰ নাম দিলে 'উষা'।

উষাৰ জন্মৰ সময়খিনিত শোণিত ৰাজ্যৰ পশ্চিম আকাশত ধুমকেতু ওলাইছিল। মেঘে তেজ বৰষিছিল। তেনে অমঙ্গলীয়া অৱস্থাই বাণৰজাক বিচলিত কৰিব পৰা নাছিল। শিৱৰ বৰত অবিচলতি হৈ তেওঁ তেনে অমঙ্গলবোৰ আওকাণ কৰিবলৈ সাহস পালে। উষাৰ প্ৰতিপালনৰ দায়িত্বত থকা ধাইগৰাকীয়ে ৰাজ্যত অমঙ্গলৰ চিনবোৰ দেখি উষাক নৈত উটুৱাই দিবলৈ অনুমতি বিচাৰি ৰজাৰ কাষ চাপিছিল। বাণৰজাই গৰ্ব কৰি কৈছিল, তেওঁৰ কোনো অমঙ্গল নহয় আৰু তেওঁক কোনেও পৰাজিত কৰিব নোৱাৰে। তেওঁ কাকো ভয় নকৰে, কিয়নো শিৱৰ বৰত তেওঁৰ এহেজাৰ বাহুক পৰাজিত কৰিব পৰাকৈ কোনো নাই। বাণক ময়ূৰধ্বজ প্ৰদান কৰোঁতে শিৱই কৈছিল, যিদিনা ময়ূৰধ্বজ ভাগি পৰিব সেইদিনাই গোবিন্দৰ সৈতে ৰজাই সংগ্ৰামত লিপ্ত হ'ব পাৰিব। ইতিমধ্যে উষাৰ জন্মৰ পিছত ময়ূৰধ্বজ ভাগি পৰিছে। গতিকে সেই পৰম ক্ষণ সন্নিকট বুলি জানি তেওঁ গোবিন্দৰ সৈতে ৰণ কৰিবলৈহে অপেক্ষাৰত হৈ থাকিল।

বাণৰজাৰ অন্তেষপুৰত উষা ক্ৰমশঃ ডাঙৰ-দীঘল হয় আৰু যৌৱনত ভৰি দিয়ে। অতিশয় সুন্দৰী উষা। বসন্তকালত উষাই সখীসকলৰ সৈতে আনন্দ বিনোদনৰ কাৰণে এদিন উপবনলৈ গ'ল। ইতিমধ্যে সেই উপবনলৈ হৰ-পাৰ্বতীও আহিছিল। হৰ-পাৰ্বতীৰ কাম-কেলি দৰ্শন কৰি উষাৰ মন উন্মনা হৈ উঠিল। উষাই মনে মনে আক্ষেপ কৰিলে[১১]। পাৰ্বতীয়ে উষাৰ মনোকষ্ট উপলব্ধি কৰি 'চিত্ৰলেখা' নামৰ অপ্সৰা গৰাকীৰদ্বাৰা 'কামসেনা'ক পঠিয়াই উষাক তেওঁৰ কাষলৈ মতাই আনিলে—

*চিত্ৰলেখা দিয়া তাক আনিল ডাকিয়া।*[১২]
* * * * * * * * *
*কামসেনা দিয়া তাকে আনিল মতায়া।*[১৩]

উষাৰ মনৰ কথা বুজি হৰ-পাৰ্বতীয়ে তেওঁক পতি লাভ কৰিবৰ কাৰণে বৰ দান কৰিলে। তেওঁ বৰ দিলে ব'হাগ মাহৰ শুক্লপক্ষৰ দ্বাদশী তিথিত সপোনত উষাই যিজন পুৰুষৰ দৰ্শন পাব সেইজনেই তেওঁৰ স্বামী হ'ব। বৰ দিয়াৰ উপৰিও চিত্ৰলেখাক উষাৰ সখী হিচাপে দি দুয়ো কৈলাসলৈ প্ৰত্যাৱৰ্তন কৰিলে। চিত্ৰলেখায়ো উষাক চুমা খাই স্মৰণ কৰিলেই তেওঁ আহি উপস্থিত হোৱাৰ প্ৰতিশ্ৰুতি দি সেই ঠাই পৰিত্যাগ কৰে।

হৰ-পাৰ্বতীয়ে কামসেনাক মতাই আনি দ্বাৰকালৈ গৈ অনিৰুদ্ধৰ মন মুহিবৰ কাৰণে উষাৰ ছদ্মবেশ ধাৰণ কৰিবলৈ পঠিয়াই দিলে। হৰ-পাৰ্বতীৰ দিহা মতে কামসেনাই উষাৰ ৰূপ ধাৰণ কৰি দ্বাৰকালৈ আহে আৰু এনিশা অনিৰুদ্ধক ৰতিসুখ দিয়ে। পুৱা সাৰ পাই কন্যাক শয্যাত নাপাই অনিৰুদ্ধ ব্যাকুল হৈ পৰে আৰু কন্যাক নাপালে সন্ন্যাসী হৈ গুচি যাবলৈ বিচাৰিলে। অনিৰুদ্ধৰ এই অৱস্থাৰ কথা কৃষ্ণই গম পাই নাতিয়েকক প্ৰবোধ দিয়ে আৰু সপোনত দেখা কন্যাক আনি দিয়াৰ প্ৰতিশ্ৰুতি দিয়ে। কৃষ্ণই বলভদ্ৰক ব্যাকুল হৈ থকা অনিৰুদ্ধক ৰখীয়া হৈ থাকিবলৈ দায়িত্ব দিলে।

পাৰ্বতীয়ে দিয়া বৰটোৰ কথা উষাই পাহৰি গৈছিল। ব'হাগ মাহৰ নিৰ্দিষ্ট দিনটোত বৰ দিয়া মতে, উষাই নিশা সপোনত এজন সুন্দৰ পুৰুষক লগ পায়। পুৱা নিজৰ শৰীৰটোৰ অৱস্থা দেখি উষা হতভম্ব হয়। লাজত তেওঁ কান্দি পেলায়—

ঋতুমতি আপোনাকে দেখিয়া সুন্দৰী।
কান্দে নিৰন্তৰে বহে নয়নেৰ বাৰি।।[১৪]

উষাই মনৰ শংকা দূৰ কৰিব নোৱাৰি মন্ত্ৰী কুম্ভাণ্ডৰ জীয়ৰী ৰামাক কুমাৰী ব্ৰত ভঙাৰ কথা অৱগত কৰে আৰু সেই দুষ্কৰ্মৰ কাৰণে অগ্নিত আত্মাহু দিয়াৰ সঙ্কল্প লোৱাৰ কথাও জনায়। ৰামাই তেতিয়া উষাক মনত পেলাই দিয়ে হৰ-পাৰ্বতীয়ে দিয়া বৰটোৰ কথা। সেই কথা স্মৰণ হোৱাৰ লগে লগে উষাৰ মনৰ সংশয় দূৰ হয় আৰু সপোনৰ কোঁৱৰক পাবলৈ, স্বামী হিচাপে লভিবলৈ উন্মনা হৈ উঠে। 'দাৰুণ মদনে' বিয়াকুল হোৱা উষাক সেই সমস্যাৰ পৰা পৰিত্ৰাণ কৰিবলৈ একমাত্ৰ যে চিত্ৰলেখাইহে পাৰিব সেই কথা ৰামাই সোঁৱৰাই দিয়ে। উষাই স্মৰণ কৰাৰ লগে লগে চিত্ৰলেখা আহি উপস্থিত হয়। চিত্ৰলেখাৰ আগত উষাই সকলো কথা ব্যক্ত কৰে। উষাৰ বিৰহ দূৰ কৰিবলৈ

৬. মহেশ্বৰ নেওগ (সম্পাদক) *অসমীয়া সাহিত্যৰ ৰূপৰেখা,* পৃষ্ঠা ১২০।
অভিনৱ পুৰুযে যে কমতা নগৰ
আছয় বিশ্বসিংহ নৃপবৰ।
তাহাৰ তনয় যে সমৰসিংহ নাম।
কৃষ্ণৰ লীলাত তাঞে অতি অভিৰাম।।
কৃষ্ণ-পদে-পদ্মে তাৰ ভকতি সততে।
গুণ কিছু 'শ্বভিশ্বাস (?) চিত্তে।।
শিসুমতি পীতাম্বৰ সমীপে।
কৃষ্ণেৰ লীলাৰ পদ ৰচিল সংক্ষেপে।। উক্ত গ্ৰন্থ, পৃষ্ঠা ১২১।

৭. দ্ৰষ্টব্য, উক্ত গ্ৰন্থ, পৃষ্ঠা ১২১।
ড° সতেন্দ্ৰনাথ শৰ্মা, *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত,* পৃষ্ঠা ১১৪।

৮. যতীন্দ্ৰ নাথ গোস্বামীৰ *অসমীয়া সাহিত্যৰ চমু বুৰঞ্জীত* উল্লেখ আছে'ড° সুকুমাৰ সেনে এই পুথি ৰংপুৰ জিলাৰ পৰা সংগ্ৰহ কৰে। পুথিৰ ৰচনাৰ সময় হৈছে ১৫৪৪-৪৫ খ্ৰীষ্টাব্দ।' পৃষ্ঠা ৯৩।

৯. উক্তগ্ৰন্থ, পৃষ্ঠা ৪২১।

১০. ড° মহেশ্বৰ নেওগ (সম্পাদক), *বাণীকান্ত কাকতি ৰচনাৱলী,* অসম প্ৰকাশন পৰিষদ, ১৯৯১।

১১. বসন্ত সময়ে যাৰ কোলে নাহি পতি।
অকাৰণে প্ৰাণ ধৰে সেহিসে যুৱতী।।
দেখিয়া কুমাৰী উষা গুণে মনে মনে।
ধন্য নাৰী পুৰুষ বিলাপ কৰে বনে।।
হেনয় সময়ে যাৰ কোলে নাহি পতি।
অকাৰণ প্ৰাণ ধৰে সেহিসে যুৱতী।।
বসন্ত সময়ে যাৰ কোলে নাহি পতি।
কলসি বান্ধিয়া জলে মৰোক যুৱতী।।

** ব্যৰ্থ মোৰ জন্ম ভৈল ৰাজাৰ কুমাৰী।
হেন বনে একলে বেৰাওঁ মই নাৰী।।
ডিম্বেশ্বৰ নেওগ, *নতুন পোহৰত অসমীয়া সাহিত্যৰ বুৰঞ্জী,* শুৱনী প্ৰকাশ, ১৯৫২, পৃষ্ঠা ১১২-১১৩।

১২. ডিম্বেশ্বৰ নেওগ, *নতুন পোহৰত অসমীয়া সাহিত্যৰ বুৰঞ্জী,* শুৱনী প্ৰকাশ, ১৯৫২ পৃষ্ঠা ১১২-১১৩।

১৩. মহেশ্বৰ নেওগ (সম্পাদনা), *পীতাম্বৰ কবিৰ উষা পৰিণয়,* ১৯৫৯। উদ্ধৃতিবোৰ এই কিতাপখনৰ পৰাই দিয়া হ'ব।

১৪. উক্ত গ্ৰন্থ, পদ সংখ্যা ১০৪।

চিত্ৰলেখাই তিনিওলোকৰ পুৰুষসকলৰ চিত্ৰ আঁকি দেখুৱায়। চিত্ৰলেখাৰ চিত্ৰত অনিৰুদ্ধক দেখাৰ লগে লগে ঊষা উৎফুল্লিত হয় আৰু সেইজনেই তেওঁৰ স্বামী বুলি চিত্ৰলেখাক জনায়। অনিৰুদ্ধ যে কৃষ্ণৰ নাতি সেই কথা চিত্ৰলেখাৰপৰা ঊষাই জানিব পাৰে। সপোনৰ ৰাজকুমাৰ অনিৰুদ্ধক আনি দিবলৈ ঊষাই চিত্ৰলেখাক খাটনি ধৰে। দ্বাৰকাৰ পৰা অনিৰুদ্ধক অনা যে সহজ নহয় এই কথা চিত্ৰলেখাই ঊষাক জনালে—

মঞি নপাৰিবো যে কুমাৰ হৰিবাৰে।

ঊষাই এনে কথা শুনি মৰ্মাহত হয়। বিৰহ যন্ত্ৰণাত দগ্ধ হৈ থকাতকৈ অগ্নিত জাপ দি পৰিত্ৰাণ পোৱাই উচিত হ'ব বুলি মনস্থ কৰি প্ৰাণ-বিসৰ্জন দিবলৈ বিচাৰোতে চিত্ৰলেখাই তেনে কাৰ্য কৰাৰপৰা ঊষাক বিৰত কৰে আৰু অনিৰুদ্ধক আনি দিবলৈ গাত লয়।

**'চিত্ৰলেখাৰ পট নিৰ্মাণ'** অধ্যায়টোত পীতাম্বৰ কবিৰ কাব্য নিৰ্মাণত কুশল প্ৰকাশ ঘটিছে মুঠ আঠাৱন্ন (৫৮) টা স্তৱকত। চিত্ৰলেখাৰ চিত্ৰ অঙ্কনৰ আঁৰত আছে শিৱ মহাদেৱৰ বৰ। চিত্ৰলেখাই শিৱ-পাৰ্বতীৰ নিৰ্দেশত তেওঁ ঊষাৰ সৈতে সখী পাতিছে। এই সম্বন্ধ মাত্ৰ নামত নহয়, সম্পূৰ্ণ বিশ্বাস আৰু সততাৰে চিত্ৰলেখাই ইয়াৰ মৰ্যদা দিবলৈ যত্ন কৰিছে।

সপোনত লাভ কৰা পতিক বাস্তৱত পাবৰ বাবে ঊষাৰ তীব্ৰ আগ্ৰহ। সেই আগ্ৰহক কাৰ্যকৰী কৰিবলৈ চিত্ৰলেখা বদ্ধপৰিকৰ। ঊষাৰ আৱেগক বাস্তৱত ৰূপায়িত কৰিবলৈ, আয়ত্তত থকা সকলোখিনি কৰিবলৈ সদা উন্মুখ চিত্ৰলেখাই সেইবাবে উপস্থিত বুদ্ধিৰ সহায় লৈছে। মহাদেৱৰ আশীষেৰে ধন্য চিত্ৰলেখাই ঊষাক অভয় প্ৰদান কৰি সাত দিন সময় বিচাৰিছে—

চিত্ৰলেখা বোলে শুনা পৰানেৰ সখি।
সাত দিন ভিতৰে দেখাইবো পট লেখি।।

চিত্ৰলেখাই সাতদিনৰ ভিতৰত ত্ৰিভূৱনৰ সমস্ত পুৰুষৰ ছবি আঁকি দিব আৰু তাৰ মাজৰপৰা ঊষাই চিনাক্ত কৰিব লাগিব নিজৰ স্বামীক। ঊষাৰ পৰা চিত্ৰলেখাই সময় বিচৰিছে সাত দিন। কিন্তু ৰাজকুমাৰী ঊষাৰ বাবে সাতোটা দিন প্ৰতীক্ষা কৰা যে কিমান জটিল হ'ব, সেইবিষয়ে স্পষ্টভাৱে ব্যক্ত কৰিছে এনেকৈ—

ঊষা বোলে সাতদিন সাত যুগ মোৰ।
ৰহে বা নৰহে প্ৰাণ আগে কৈলো তোক।
যেন তেন প্ৰকাৰে ৰখিলো সাত দিন।
আৰ দিন বাণী পাইবো তাৰ কিবা চিন্ন।

চিত্ৰলেখাই দিয়া প্ৰতিশ্ৰুতি ঊষাই দ্বিধাহীনভাৱে মানি লোৱা নাই। ক'ৰবাত যেন সামান্য ইতস্ততা ৰৈ গৈছে। সাতদিন প্ৰতীক্ষা কৰাৰ অন্ততো স্বামীক যে পাবই তাৰ কোনো নিশ্চয়তা নাই বুলি চিত্ৰলেখাৰ ওচৰত ঊষাই নিজৰ মনৰ সন্দেহ ব্যক্ত কৰিছে। প্ৰত্যুত্তৰত চিত্ৰলেখাই সান্ত্বনা দিছে ঊষাক এনেদৰে—

চিত্ৰলেখা বোলে সাত দিনৰ ওপৰে।
অৱশ্যে আনিয়া দিবো স্বামীক তোমাৰে।।
থাক প্ৰাণ সখি তুমি চিত্তে ক্ষেমা দিয়া
যাৱে ত্ৰিভুৱন মঞি দেখাঞ লেখিয়া।।

এইদৰে বুজাই-বঢ়াই থৈ চিত্ৰলেখাই দিব্য ৰথত উঠি কৈলাসলৈ প্ৰস্থান কৰিলে। কৈলাসত উপৱিষ্ট উমাপতি হৰক অনেক স্তুতি কৰাত হৰ তৃপ্ত হ'ল আৰু চিত্ৰলেখাৰ প্ৰতি সদয় হৈ ক'লে—

হৰ বোলে চিত্ৰলেখা পাইলো যে পিৰিতি।
বৰ লহ অপেশ্বৰী তোৰ যেহি মতি।।

মনে বিচৰা বৰ দিবলৈ হৰ প্ৰস্তুত হোৱা বুলি জানি চিত্ৰলেখাই মাত্ৰ এটাহে বৰ বিচাৰিছে। মন কৰিবলগীয়া কথা হ'ল— সখিপ্ৰাণা চিত্ৰলেখাই ঈপ্সিত বৰটো কিন্তু নিজৰ বাবে বিচৰা নাই, বিচাৰিছে সখিয়েক ঊষাৰ মনোবাঞ্ছা পূৰণ কৰিবলৈ হে। ঊষাৰ বাবে বৰ বিচৰাত চিত্ৰলেখাৰ চৰিত্ৰৰ মহত্ত্ব প্ৰকাশ পাইছে এনেদৰে—

চিত্ৰলেখা বোলে দেৱদেৱ মহেশ্বৰ।
অৱধান কৰ গোঁসাই মাগো এক বৰ।।
স্বৰ্গ, মৰ্ত পাতালে যতেক অংছে প্ৰাণী।
হেন বৰ দেহ চিত্ৰ লেখিবাক জানি।।

'হেন হৌক' বুলি ত্ৰিদশৰ অধিপতি মহেশ্বৰে দিয়া 'আশীৰ্বাদ লৈ আনন্দিত মনেৰে চিত্ৰলেখা কৈলাসৰ পৰা নিজৰ গৃহ অভিমুখে প্ৰত্যাৱৰ্তন কৰিলে। দেৱাদিদেৱ মহেশ্বৰৰ কৃপাধন্য হৈ তেওঁ প্ৰথমে এখন পট নিৰ্মাণ কৰিবলৈ প্ৰস্তুত হ'ল আৰু আনন্দ মনেৰে হাতত নানান তুলিকা তুলি ল'লে।—

এক পট প্ৰথমে কৰিল অনুবন্ধ।
তুলি লৈলা নানা হৃদয় আনন্দ।।

চিত্ৰলেখাই মহেশ্বৰৰ নাম স্মৰণ কৰি পোন-প্ৰথমে পুৰন্দৰৰ ছবি অঙ্কন কৰিলে। পীতাম্বৰ কবিয়ে পুৰন্দৰৰ ছবি অঙ্কনত চিত্ৰলেখাৰ সূক্ষ্ম দৃষ্টিভঙ্গীৰ পৰিচয় দিছে। চিত্ৰলেখাই অকা ছবিখনত পুৰন্দৰৰ শৰীৰ, পৰিধান, সহচৰ, পৰিচৰবৰ্গ, অলঙ্কাৰ, অস্ত্ৰ আনকি বাহনলৈকে অতি সুন্দৰকৈ একো বাদ নিদিয়াকৈ আঁকিছে—

লেখিতে আৰম্ভ কৈলা স্মৰি মহেশ্বৰ।
প্ৰথমে লেখিলা দেৱৰাজ পুৰন্দৰ।।
সহস্ৰ নয়ন অঙ্গে দিলেক প্ৰৱন্ধে।
কণ্ঠে পাৰিজাত মালা ঐৰাৱত কন্ধে।।
দিব্য গন্ধ চন্দনে ভূষিত কৈল অঙ্গে।
কিন্নৰ গন্ধব বিদ্যাধৰ দিল্য সঙ্গে।।
দক্ষিণত কুকিলা অঙ্কুশ আৰ হাতে।
দুই কৰ্ণে কুণ্ডল মুকুট শোভে মাথে।।

উদ্ধৃতাংশত পীতাম্বৰ কবিৰ সৃজনিশীল দক্ষতা ফুটি উঠিছে।



পুৰন্দৰক অঙ্কন কৰাৰ দৰে ক্ৰমান্বয়ে তেওঁ অঙ্কন কৰিছে ছাগলিৰ পিঠিত বৈশ্বানৰক (অগ্নি), মহিষৰ পিঠিত দণ্ডধৰক (যম), সপ্ত ভুৰঙ্গম (ঘোঁৰা) মাজত দেৱ দিনপতিক, ময়ূৰৰ পিঠিত হৰৰ সন্ততি কাৰ্তিকক, হংসযানত ব্ৰহ্মাক, গৰুড়ৰ বাহনত বিষ্ণুক, শহাপহুৰ ওপৰত চন্দ্ৰক, কুবেৰ - বৰুণ বায়ু আৰু অস্বিনীকুমাৰ দ্বয়কো চিত্ৰলেখাই অঙ্কন কৰিলে। যাৰ যেনেকুৱা বাহন আৰু অস্ত্ৰ তেনেকৈ আঁকিলে। মুঠতে স্বৰ্গৰ কোনো দেৱ-দেৱতা বাদ নপৰিল।

স্বৰ্গৰ ছবি অঁকা অন্ত পৰাত তেওঁ এইবাৰ মেদিনীৰ ছবি আঁকিবলৈ ল'লে। মেদিনীমণ্ডলৰ সৰ্বপ্ৰথম আঁকিবলৈ লোৱাজন হ'ল দ্বাৰকানগৰীৰ নৱঘনশ্যামল সুন্দৰ দেৱ হৰিৰ ছবি। কাণত মকৰ কুণ্ডল, শিৰত শিখণ্ডৰ মণিৰ মুকুট, পৰিধানত নেত বস্ত্ৰ, হাতত বেণু, অঙ্গত পুষ্পৰেণু। অতি অনুপম যদুপতিক খাটত শয়ন কৰা অৱস্থাত চিত্ৰলেখাই অঙ্কন কৰিলে। পীতাম্বৰ কবিৰ ৰচনা-নৈপুন্যত যদুপতিৰ এক অনুপম ৰূপ উদ্ভাসিত হৈছে এনেদৰে—

লেখিলা সবাতো আগে দ্বাৰকা নগৰী।
নবঘনশ্যাম সুন্দৰ দেৱ হৰি।।
মকৰ কুণ্ডল দুই দোলে গণ্ডস্থলে।
শিৰত শিখণ্ড মণি মুকুট মণ্ডলে।।
পৰিধান নেত বাস হাতে বেত বেণু।
পাৱত নূপুৰ দিলা পুষ্পৰেণু।
ভুৱন মোহন ৰূপ অনুপম আতি।।
খাটেৰ উপৰে লেখিলেক যদুপতি।।

যদুপতিক অঙ্কন কৰাৰ পাছত এইবাৰ চিত্ৰলেখাই হলধৰক অঙ্কন কৰিবলৈ হাতত তুলিকা তুলি ল'লে। হলধৰৰ পাছত ক্ৰমে অনিৰুদ্ধ আৰু পাঞ্চশৰ (প্ৰদ্যুম্ন) কে আদি কৰি যিমানবোৰ ৰজাৰ কুমাৰ খিতিতলত (মেদিনী)ত আছিল সকলোবোৰৰে ছবি তেওঁ আঁকিলে। আনকি মহীতল অৰ্থাৎ পাতালত থকা মূৰ্তিমন্ত নদীসমূহো বাদ নপৰিল। তদুপৰি তেওঁ আঁকিলে 'ভাল ভাল' চাই সুবানৰ সকলক আৰু পাতালপুৰত থকা অনন্তক। ভুৰঙ্গ (ঘোঁৰা), দানৱ, যক্ষ, সুন্দৰ অসুৰবোৰক, স্বৰ্গ, মৰ্ত্য, পাতাল, সাগৰৰ বাসিন্দাসকলক— যাৰ যেনেকুৱা ৰূপ, তাক তেনেদৰে অবিকল ভাৱে চিত্ৰলেখাই অঙ্কন কৰিলে।

ঊষাক প্ৰতিশ্ৰুতি দি থৈ অহাৰ দৰে সাতদিনৰ ভিতৰত চিত্ৰলেখাই পট নিৰ্মাণৰ কাম অন্ত কৰিলে। ঊষাৰ মানসিক ক্লেশৰ কথা উপলব্ধি কৰি অকণো বিলম্ব নকৰাকৈ চিত্ৰলেখাই সমস্ত চিত্ৰ লগত লৈ দিব্যৰথত উঠি শীঘ্ৰে শোণিতপুৰ পায়গৈ।

চিত্ৰলেখাই পট নিৰ্মাণ কৰি চিত্ৰপট হাতত লৈ গকুলত উপস্থিত হোৱাৰ সময়খিনিত ৰাজনন্দিনী ঊষাৰ ব্যাকুলতা, ব্যগ্ৰতা আৰু উৎসুক্যতাৰ চপল ছবি এখন অঙ্কন কৰাৰ সুযোগ পীতাম্বৰ কবিয়ে পুৰ্ণমাত্ৰা গ্ৰহণ কৰিছে। সাত দিন সাতযুগৰ সমান বুলি অশেষ কষ্টেৰে ধৈৰ্য ধৰি থকা ঊষাৰ আকুল প্ৰতীক্ষাৰ অন্ত পৰাত চিত্ৰলেখাক ছবি কেইখন দেখুৱাবলৈ থৰযুগুতি হেৰুৱাইছে। ঊষাই পলক নেপেলোৱাকৈ চঞ্চল নয়নেৰে ইখনৰ পিছত সিখন ছবি নিৰীক্ষণ কৰিছে—

পট দেখি ঊষা বোলে শুনা প্ৰাণ সখি।
মেল সখি কি লেখিলে তোৰ পট দেখি।।
চিত্ৰলেখা দেখাইলা ঊষা কৰিলা নিৰীক্ষণ।
চাহে চিত্ৰপট ঊষা চঞ্চল নয়ন।।
স্বৰ্গৰ দেৱতা নিৰীখিলা জনে জনে।
মঞ্চলোক সকলে নিৰিখে মনে মনে।।

মঞ্চলোক অৰ্থাৎ মৰ্ত্যৰ ছবিবোৰৰ মাজত গোবিন্দৰ ছবিখন চকুত পৰাত তেওঁ মুহূৰ্তৰ বাবে চমকিত হৈ উঠিছে। তেওঁ এই কথা ব্যক্ত কৰিছে এনেকৈ—

গোবিন্দক দেখি চমকিত ভৈলা মতি।
এহি অনুৰূপ মোৰ সোপনৰ পতি।।

ছবিখন ভালদৰে নিৰীক্ষণ কৰাৰ পাছত ঊষাই নিজৰ ভুল ধৰিব পাৰিছে। এইবাৰ তেওঁ হলধৰৰ ছবিখন হাতত তুলি লৈছে। ক্ৰমে পাঞ্চশৰ অৰ্থাৎ প্ৰদ্যুম্নৰ ছবিখন চোৱাৰ অন্তত অনিৰুদ্ধৰ ছবিখন দেখাৰ লগে লগে ঊষাৰ সপোন কোঁৱৰৰ অনুসন্ধানৰ অন্ত পৰিছে আৰু প্ৰগলভা ঊষাই মনৰ ভাব ব্যক্ত কৰিছে—

হলধৰ দেখিলা দেখিলা পাঞ্চশৰ।
তাত পাচে দেখৈ ঊষা কামেৰ কুমৰ।।
অনিৰুদ্ধ দেখিয়া চিনিলা তেতিখনে।
বোলে এহি পুৰুষক দেখিলোঁ সপোন।।

ৰাজকুমাৰী ঊষাই অনিৰুদ্ধক চিনাক্ত কৰিয়েই ক্ষান্ত থকা নাই, বৰং তেওঁৰ হৃদয়ত পুঞ্জীভূত হৈ থকা অব্যক্ত কথাবোৰ বাৰিষাৰ ঢলৰ দৰে ফেনে ফোটোকা বৈ আহিছে। শালীনতা পৰিহাৰ কৰি মনৰ গোপন কথাবোৰ স্বতঃস্ফুৰ্তভাৱে প্ৰকাশ কৰিছে চিত্ৰলেখাৰ আগত এনেদৰে—

ইহাৰ সঙ্গমে সখি হুইয়াছি যুৱতি।
এহিজন চিত্ৰলেখা মোৰ প্ৰাণপতি।।
ইয়ৰ বিৰহে মোৰ তনুসৰ দহে।
এইতো যৌৱন চোৰা আনজন নোহে।।
কি নাম ইহান সখি কোন দেশে থাকে।
কিবা নাম কাহাৰ তনয় কহ মোকে।।

এনে আঁৰ-বেৰ নোহোৱা যৌনগন্ধী বাক্যাংশৰ প্ৰয়োগ কৰাৰ বাবে ঊষা চৰিত্ৰৰ নাৰীসুলভ মৰ্যাদা নিম্নগামী হৈছে। কিন্তু সাতটাকৈ দিন অধীৰ অপেক্ষাত ধৈৰ্য ধৰি থকাৰ পাছত ঈপ্সিত ধন হাতত পোৱাৰ বাবে তেওঁ আৱেগ ৰোধ কৰি ৰাখিব পৰা নাই বুলি ভাবি ল'লে তেনে সৌজন্যহীন আচৰণক এৰাই চলিব পাৰি। কিয়নো ঊষাই একে প্ৰসঙ্গতে অভিযোগ আনিছে এই বুলি যে এইজন যুৱকৰ বাবে তেওঁ কষ্ট পাইছে। এওঁৱেই সপোনত সম্ভোগ কৰি তেওঁৰ কুমাৰীত্ব হৰণ কৰিছে আৰু

কলঙ্কিতা কৰি আঁতৰি গৈছে—

বড় দুখ পাইলো সখি ইয়াৰে কাৰণে।
কলঙ্ক ৰাখিয়া মোক এড়িলা সোপনে।।

প্ৰবোধ দি চিত্ৰলেখাই এইবাৰ দানৱ নন্দিনী উষাক সপোনত দেখা স্বামীৰ পৰিচয় দিলে—

চিত্ৰলেখা বোলে দানৱ নন্দনী।
দ্বাৰকা নগৰে নাৰায়ণ যদুমণি।।
নাহি আদি অন্ত যাৰ স্বৰূপ আকাৰ।
হেন দেৱ অসুৰ বধিতে অৱতাৰ।
গোবিন্দৰ পুত্ৰ যাক বুলি পাঞ্চশৰ।
যাৰ শৰে জগতৰ তনু জৰজৰ।।
সেহিতে কামৰ পুত্ৰ গোবিন্দৰ নাতি।
অনিৰুদ্ধ নামে সতী তোৰ প্ৰাণপতি।।

স্বৰ্গ-মৰ্ত্য-পাতাল এই তিনিও লোকৰ যিমান চৰাচৰ আছে এই সকলোবোৰ যাৰ দাস সেইজন দ্বাৰকা অধিপতি যদুমণিৰ পুত্ৰ হ'ল পাঞ্চশৰ অৰ্থাৎ প্ৰদ্যুম্ন। পাঞ্চশৰৰ পুত্ৰ অনিৰুদ্ধ। এনে এটা গৌৰৱময় মৰ্যাদা সম্পন্ন পৰিয়ালৰ তৰুণ যুৱকৰ সৈতে মিলনৰ আকাংক্ষা কৰি উষাই চিত্ৰলেখাক অনুৰোধ কৰিছে তেওঁৰ প্ৰিয়তম পুৰুষজনক আনি দিবলৈ—

চিত্ৰলেখা বচন শুনিয়া তেবে উষা।
বোলে সখি মোৰ জীৱনক আছে আশা।।
তেবে মোক সত্বৰে আনিয়া দেহ পতি।
এখনে দ্বাৰকাপুৰী লড় শীঘ্ৰগতি।।

উষাৰ অনুৰোধ শুনি চিত্ৰলেখা বিপাঙত পৰিছে। দ্বাৰকাপুৰত প্ৰৱেশ কৰি অনিৰুদ্ধক হৰণ কৰি অনাৰ সাহস কাৰ হ'ব বুলি চিত্ৰলেখাই মনে মনে ভাবিছে। উষাৰ মনোবাঞ্ছা পূৰণ কৰা আৰু অসাধ্য-সাধন কৰা একে বুলি ভাবি চিত্ৰলেখাই নিজৰ অপাৰাগতা ব্যক্ত কৰিছে এনেদৰে—

চিত্ৰলেখা বোলয় উষাৰ মুখ চাই।
কে কৰিব সাহস দ্বাৰকাপুৰী যাই।।
কুমাৰ হৰিতে পাৰে কাহাৰ পৰাণে।
কে যাইবে কৃষ্ণৰ পুৰী প্ৰাণ হাৰাইবাৰে।।

উক্ত কাব্যাংশত চিত্ৰলেখাৰ কৃষ্ণৰ প্ৰতি শ্ৰদ্ধাজনিত ভীতি প্ৰকাশ পাইছে। উল্লেখযোগ্য যে, *উষা পৰিণয়* কাব্যৰ *চিত্ৰলেখাৰ পট নিৰ্মাণ* অধ্যায়টোৰ ৰচনাশৈলীৰ সাৱলীলতাই কাব্যখনক অন্য এক মাত্ৰা প্ৰদান কৰিছে। *চিত্ৰলেখাৰ পটনিৰ্মাণ* অধ্যায়টোত উষাৰ তুলনাত চিত্ৰলেখা চৰিত্ৰটো কৰ্মকুশল আৰু দূৰদৰ্শিতাৰে এগৰাকী পৈণত যুৱতী হিচাপে পীতাম্বৰ কবিয়ে ৰূপায়ণ কৰাত সফলতা লাভ কৰিছে।

উষাক কথা দিয়া মতে চিত্ৰলেখাই পৱন সমান গতিৰে ৰথ চলাই দ্বাৰকা নগৰলৈ যাত্ৰা কৰে। দ্বাৰকা নগৰত প্ৰৱেশ কৰি ৰথৰ পৰা নামি পানী পিবলৈ নদীৰ কাষলৈ যাওঁতে চিত্ৰলেখাই নাৰদক লগ পায়। কথা প্ৰসঙ্গত চিত্ৰলেখাই দ্বাৰকালৈ যোৱাৰ উদ্দেশ্য ব্যক্ত কৰে। নাৰদে আদ্যোপান্ত শুনি, অনিৰুদ্ধক দ্বাৰকাৰ পৰা হৰণ কৰা যে কঠিন হ'ব সেই কথা বুজাই ক'লে। উষাৰ কথা ৰাখি অনিৰুদ্ধক নিব নোৱাৰিলে চিত্ৰলেখাই তাতে প্ৰাণ ত্যাগ কৰিব বুলি সঙ্কল্প লোৱাত নাৰদে বাধ্যত পৰি তেওঁক তামসী বিদ্যা শিকাই দিয়ে। চিত্ৰলেখাই তামসী বিদ্যাৰদ্বাৰা ৰখীয়া পৰীয়াক মায়া নিদ্ৰাৰ কবলত পেলাই অনিৰুদ্ধৰ কোঠাত প্ৰৱেশ কৰে। একেদৰে অনিৰুদ্ধকো তেওঁ নিদ্ৰামগ্ন কৰে। এইবাৰ অনিৰুদ্ধক কুণ্ডিললৈ অনাৰ উদ্দেশ্যে দাঙি আনিবলৈ 'অঙ্গ-পৰশা'ৰ লগে লগে চিত্ৰলেখাৰ শৰীৰতো যেন পঞ্চবাণৰ পৰশ লাগে আৰু তাই ৰোমাঞ্চিত হৈ উঠে। অত্যন্ত ধৈৰ্য ধৰি বিষ্ণু নাম স্মৰণ কৰি চিত্ৰলেখাই নিজক সংযত কৰে আৰু নিদ্ৰাৰত অনিৰুদ্ধক ৰথত তুলি দ্বাৰকাৰ পৰা শোণিতপুৰলৈ যাত্ৰা কৰে।

পথত আহোতে অনিৰুদ্ধই সাৰ পাই কাষত এগৰাকী যুৱতীক দেখি আচৰিত হয়। চিত্ৰলেখাই নিজৰ পৰিচয় দি সকলো কথা বিৱৰি কয়। শোণিতপুৰ পোৱাৰ লগে লগে অগ্নিগড় চকুত পৰাত অনিৰুদ্ধ আতঙ্কিত হয়। চিত্ৰলেখাই অগ্নিগড় লঙ্ঘন কৰা কঠিন নহ'ব বুলি আশ্বাস দিয়ে। চিত্ৰলেখাৰ কৃপাত মায়া পোহৰত অনিৰুদ্ধই দৈত্যপুৰীখন ভালদৰে চাই লয়। চিত্ৰলেখাই উষাক দিয়া প্ৰতিশ্ৰুতি ৰক্ষা কৰে। তেওঁ অনিৰুদ্ধক অগ্নিগড় পাৰ কৰি উষাৰ ওচৰত চমজাই দিয়ে। তাৰপিছত অনিৰুদ্ধৰ সৈতে উষাৰ গন্ধৰ্ব প্ৰথা অনুসৰি বিয়া পাতি দিয়ে। গোপনে পতা এই বিয়াখনৰ কথা তেওঁলোক কেইগৰাকীমানে সখীৰ বাহিৰে আন কোনেও নাজানিলে।

এদিন উষাক লগ পাবলৈ কোকিলা নামৰ ধাই এৰনী অন্তেষপুৰলৈ আহে। কোঠাত এজন অচিনাকি যুৱকক দেখি তাই অতিশয় আচৰিত হয় আৰু সকলোবোৰ কথা বাণৰজাক জনাই দিয়ে। বাণৰজাই ক্ৰোধান্বিত হৈ উষাৰ লগত থকা অনিৰুদ্ধক ধৰি আনিবলৈ সেনাপতিসকলক আদেশ দিয়ে। সেনাপতিসকল অহা দেখি উষাৰ অনুশোচনা জাগে। তেওঁ নাৰদক স্মৰণ কৰে যাতে অনিৰুদ্ধক আসন্ন মৃত্যুৰ পৰা ৰক্ষা কৰিব পাৰে। নাৰদ আহি উপস্থিত হয় আৰু সেই সঙ্কটৰ পৰা ৰক্ষা পাবলৈ অনিৰুদ্ধক আশীৰ্বাদ দি অন্তৰ্ধান হয়।

অনিৰুদ্ধই সেনাপতিসকলৰ সন্মুখত সাহসেৰে উপস্থিত হৈ নিজৰ পৰিচয় ব্যক্ত কৰি যুদ্ধত প্ৰবৃত্ত হয়। যুদ্ধত সমস্ত বাণৰজাৰ সেনাপতি হাৰে। এইবাৰ বাণৰজাই সদাশিৱই দিয়া প্ৰমথ সকলক যুদ্ধ কৰিবলৈ পঠিয়াই দিয়ে। নিজেও অনিৰুদ্ধৰ সৈতে যুদ্ধ কৰিবলৈ প্ৰচণ্ড হুঙ্কাৰেৰে ওলাই আহে। পিতাক অহা দেখি উষাই ভয় খাই অনিৰুদ্ধক পৰাজয় স্বীকাৰ কৰি আত্মসমৰ্পন কৰিবলৈ অনুৰোধ কৰে। অনিৰুদ্ধই নিৰ্ভয় দি যুদ্ধত প্ৰবৃত্ত হয়।

অনিৰুদ্ধক দেখাৰ লগে লগে বাণৰজাৰ খং দুগুণে বাঢ়ে। তেওঁ গোৱালৰ ল'ৰা বুলি অনিৰুদ্ধক তিৰস্কাৰ কৰে। কিন্তু অনিৰুদ্ধই উত্তেজিত নহৈ অতি ধীৰভাৱে বাণৰজাক প্ৰত্যুত্তৰ দিয়ে এই বুলি যে উষাই স্ব-ইচ্ছাই তেওঁক পতিবৰণ কৰিছে আৰু দুয়োজনে গন্ধৰ্ব প্ৰথামতে বিবাহ কৰিছে।

দুয়োজনৰ মাজত তুমুল যুদ্ধ লাগে। অনিৰুদ্ধই কৃষ্ণক স্মৰণ কৰি হাতত খড়্গ লৈ বাণাসুৰৰ লগত যুদ্ধত প্ৰবৃত্ত হয়। বাণে ৰথত উঠি প্ৰচণ্ড বিক্ৰমেৰে অনিৰুদ্ধক আঘাত কৰে। অনিৰুদ্ধই বাণৰ সকলো অস্ত্ৰ প্ৰতিৰোধ কৰে আৰু একোবত তেওঁৰ ৰথত উঠি সকলোবোৰ ৰথৰ সাৰথি আৰু ঘোঁৰা কাটি পেলায়। যিমানেই বাণৰজাৰ ৰথী সৈন্য আহিল সকলোবোৰক পৰাভূত কৰি বাণাসুৰকো যুদ্ধত অচেতন কৰে। মন্ত্ৰীৰ শুশ্ৰূষাত চেতনা ঘূৰাই পাই বাণৰজাই মায়াযুদ্ধত প্ৰবৃত্ত হোৱাৰ প্ৰস্তুতি ল'লে। সমুখ-যুদ্ধত পৰাভূত বাণৰজাই মায়া যুদ্ধত নাগপাশেৰে অনিৰুদ্ধক বান্ধি পেলায় আৰু নাগপাশৰ বন্ধনত অনিৰুদ্ধৰ মৃত্যু হ'ব বুলি নিশ্চিত হৈ সেই স্থান পৰিত্যাগ কৰে।

অনিৰুদ্ধৰ সেই অৱস্থা দেখি উষা দুখত ব্যাকুল হৈ পৰে। কৃষ্ণ আহিব আৰু নাগপাশৰপৰা অনিৰুদ্ধক মুক্ত কৰিব বুলি শোকাতুৰা উষাক তেওঁ (অনিৰুদ্ধই) সান্ত্বনা দিয়ে। তেনে সময়তে নাৰদ আহি উপস্থিত হয় আৰু তেওঁ দ্বাৰকালৈ গৈ শীঘ্ৰে খবৰ দিব বুলি দুয়োজনক আশ্বাস দিয়ে। ইয়াৰ উপৰিও নাগপাশৰ বিষ নিৰাময় কৰিবলৈ উষা-অনিৰুদ্ধক দেৱী স্তুতি কৰিবলৈ তেওঁ উপদেশ দি থৈ যায়। নাৰদে দিয়া দিহামতে উষাই দেৱী-স্তুতি কৰাত দেৱী সন্তুষ্ট হয় আৰু দৰ্শন দি নাগপাশৰ বিষৰ বন্ধনৰপৰা অনিৰুদ্ধক মুক্ত কৰে।

আনফালে দ্বাৰকাত অনিৰুদ্ধ নিৰুদ্দেশ হোৱাত সকলো চিন্তিত হয়। কৃষ্ণই চাৰিওফালে অনুসন্ধান কৰিবলৈ দূত পঠিয়ায়। দূতে কোনো খা-খবৰ আনিব নোৱাৰাত দ্বাৰকাত দুখে চাটি ধৰে। তেনে সময়ত নাৰদ আহি উপস্থিত হয় আৰু অনিৰুদ্ধৰ বতৰা দিয়ে। লগে লগে অনিৰুদ্ধক উদ্ধাৰ কৰিবলৈ কৃষ্ণ, বলভদ্ৰ আৰু পাঞ্চশৰে গৰুড়ৰ পিঠিত উঠি শোণিতপুৰলৈ যাত্ৰা কৰে। শোণিতপুৰত প্ৰৱেশ কৰিয়ে প্ৰথমে বাণাসুৰে জৰাসুৰক পঠিয়ায়। জৰাসুৰে ভস্মবাণ মাৰি বলভদ্ৰক হীনবল কৰি পেলায় তেতিয়া কৃষ্ণই জৰাসুৰৰ লগত মল্লযুদ্ধত প্ৰবৃত্ত হয়। কৃষ্ণই তাক বধ কৰাৰ উদ্দেশ্যে ডিঙিত ভৰি থোৱাৰ লগে লগে জৰক বধ কৰিলে পৃথিৱীৰ সকলো প্ৰাণী অজৰ-অমৰ হ'ব বুলি আকাশবাণী হয়। কৃষ্ণই পৃথিৱীৰ জীৱজগতৰ কথা ভাবি জৰক বধ কৰাৰ পৰা বিৰত হোৱাৰ লগে লগে জৰ অসুৰে কৃষ্ণক আক্ৰমণ কৰি মাটিত বগৰাই পেলায়। নাৰদে কৃষ্ণক তেওঁৰ শক্তিৰ কথা মনত পোলোৱাৰ পাছত কৃষ্ণই অবিকল আৰু এজন জৰ অসুৰ সৃষ্টি কৰে। দুয়োজন জৰাসুৰৰ মাজত তয়া-ময়া যুদ্ধ লাগে। বিষ্ণুয়ে সৃষ্টি কৰা জৰাসুৰে সেই যুদ্ধত দৈত্য জৰাসুৰক পৰাস্ত কৰে। কৃষ্ণই পৰাজিত দৈত্য জৰাসুৰক শোণিতপুৰৰ বাহিৰ হৈ যাবলৈ দি বৈষ্ণৱ জৰাসুৰক নিজৰ গৰ্ভত স্থান দিয়ে। জৰাসুৰ বধ হোৱা বুলি শুনি বানাসুৰ বিচলিত হয়। ভয়তে তেওঁ শিৱক আৰাধনা কৰে। ভক্তৰ দুখ দূৰ কৰিবলৈ শিৱ-পাৰ্বতী বাণৰজাৰ সন্মুখত উপস্থিত হয়হি আৰু বাণৰজাৰ হকে যুদ্ধ কৰিবলৈ প্ৰস্তুত হয়। সেই উদ্দেশ্যে গণেশ, কাৰ্তিক আৰু অন্যান্য সেনাক লৈ শিৱই যুদ্ধক্ষেত্ৰত হৰিৰ সন্মুখত উপস্থিত হয়।

যুদ্ধক্ষেত্ৰত হৰি-হৰই বাক্-যুদ্ধৰে প্ৰথম আৰম্ভ কৰিলে। ইজনে আনজনক হেপাহ পলুৱাই তিৰস্কাৰ কৰিলে। তাৰপিছত আৰম্ভ হ'ল অস্ত্ৰ-যুদ্ধ।

বিষ্ণু-শিৱৰ মাজত লগা এই যুদ্ধখনত স্বৰ্গ-মৰ্ত্য-পাতালৰ সকলোবোৰ ভয়ত কম্পমান হ'ল—

দানৱ মানৱ কাম্পে নাগ বিদ্যাধৰ।
সুৰ-সুধাকৰ কম্পে দেৱতা অমৰ।।
পৃথিৱী পাতাল কাম্পে আৰু সুৰপুৰী।
কাম্পে সব অচল সুমেৰু আদি কৰি।।

হৰি-হৰৰ পদভৰত বসুমতী পীড়িত হ'ল। যন্ত্ৰণাত কাতৰ হৈ তেওঁ লোকপতি ব্ৰহ্মাৰ কাষ চাপিল। ব্ৰহ্মাই সমস্ত দেৱতাক লগত লৈ হৰি-হৰই যুদ্ধ কৰা ঠাইলৈ আহিল—

পৃথিৱীৰ কৰুণা শুনিয়া লোকপতি।
যতেক দেৱতা গণ কৰিয়া সংগতি।।
যথা হৰি হৰে ৰণ কৰে দুয়োজনে।
দেৱগণ লৈয়া ব্ৰহ্মা আইল আপোনে।।

দেৱতাসকলৰ সৈতে ব্ৰহ্মাই হৰি-হৰ দুয়োজনক স্তুতি কৰিলে—

ব্ৰহ্মা বোলে ভুত নাথ পাশাৰিলা কেনে।
একয়ে শৰীৰ ভিন্ন কৰ কি কাৰণে।।
হৰি-হৰ এক তনু নাহি কিছু ভিন্ন।
সৃষ্টি নাশ কৰিবাৰ পাতিলাহা চিন।।

ইয়াৰ পাছত সদাশিৱই কৃষ্ণৰ শৰীৰত বিশ্বৰূপ দৰ্শন কৰিলে— 'হৰিৰ শৰীৰে সৰে দেখে পশুপতি।' অকল সেয়ে নহয়, নিজৰ মাজত কৃষ্ণক আৰু কৃষ্ণৰ মাজত নিজকে দেখা পালে। সদাশিৱই যুদ্ধ পৰিত্যাগ কৰি কৈলাসলৈ গুচি গ'ল। কিন্তু যুদ্ধ চলিয়েই থাকিল। সদাশিৱৰ ঠাইত কাৰ্তিকে যুদ্ধ কৰিবলৈ লয়। কাৰ্তিকৰ লগত কৃষ্ণ আৰু বলভদ্ৰৰ তুমুল যুদ্ধ চলিল। কৈলাসত থাকিয়েই কাৰ্তিকৰ উদ্দেশ্যে কৃষ্ণই সুদৰ্শন চক্ৰ নিক্ষেপ কৰা কথা গম পাই শিৱই পত্নী পাৰ্বতীক যুদ্ধক্ষেত্ৰলৈ পঠিয়াই দিয়ে। দিগম্বৰী হৈ পাৰ্বতী আহি যুদ্ধক্ষেত্ৰত প্ৰৱেশ কৰে। পাৰ্বতীৰ সেই ৰূপ দেখি কৃষ্ণই বিচুৰ্তি খালে। পাৰ্বতীয়ে কৃষ্ণৰ উদ্দেশ্যে কয়—

চক্ৰ নিবাৰণ কৰ প্ৰভু দেৱ হৰি।
তেবেসে পিন্ধিবো বস্ত্ৰ বোলো নিষ্ট কৰি।।

কৃষ্ণই কাৰ্তিকক যুদ্ধক্ষেত্ৰৰপৰা পাৰ্বতীক লৈ যাবলৈ নিৰ্দেশ দিলে। কৃষ্ণৰ কৃপাত কাৰ্তিকে যুদ্ধক্ষেত্ৰ ত্যাগ কৰে। এই বাতৰি দূতে গৈ বাণাসুৰক জনোৱাত তেওঁ খঙত গৰজিবলৈ ধৰে আৰু নিজেই সৈন্য সামন্তৰ সৈতে যুদ্ধক্ষেত্ৰলৈ আহে। যুদ্ধ যাত্ৰাৰ সময়ত নানান অমঙ্গলে দেখা দিয়ে। মেকুৰীয়ে

ৰজাৰ আগত কাজিয়া কৰিলে, পথৰ সোঁফালৰপৰা বাওঁফাললৈ সাপ-শিয়াল পাৰ হৈ গ'ল। মন্ত্ৰী কুম্ভাণ্ডই ৰজাক যুদ্ধ ত্যাগ কৰি উষাক অনিৰুদ্ধৰ লগত বিয়া দিবলৈ বুজালে। বাণাসুৰে মন্ত্ৰীৰ কথা নামানি ৰণথলীলৈ যাত্ৰা কৰিলে। প্ৰচণ্ড প্ৰতাপেৰে কৃষ্ণৰ সৈতে শিৱ যুদ্ধত লিপ্ত হয় যদিও কৃষ্ণৰ হাতত পৰাভূত হৈ সমৰথলীতে মূৰ্চ্ছা যায়। বাণৰজা পৰাজিত হোৱাৰ পাছতো ধ্বজ, ময়ূৰ আৰু গৰুড়ৰ মাজত যুদ্ধ হয়। গৰুড়ৰ হাতত ময়ূৰৰ পতন ঘটে।

কৈলাসৰপৰা শিৱই সকলোবোৰ গম লৈ আছিল। তেওঁ নিজৰ ৰথখন বাণাসুৰলৈ পঠিয়াই দিয়ে। সেই ৰথখনত উঠি বাণাসুৰে আকৌ যুদ্ধ আৰম্ভ কৰে। এইবাৰ তেওঁৰ ৰথৰ সাৰথি হ'ল নন্দি। কৃষ্ণৰ লগত যুদ্ধত কাৰ্তিক পৰাজিত হ'বলগীয়া অৱস্থা হোৱা দেখি পাৰ্বতীয়ে পুনৰ দিগম্বৰী ৰূপ ধাৰণ কৰি কৃষ্ণক সাক্ষাৎ কৰে আৰু তেওঁৰ ওচৰত বাণাসুৰৰ প্ৰাণ ভিক্ষা মাগে। কৃষ্ণই পাৰ্বতীৰ এই প্ৰাৰ্থনা মঞ্জুৰ কৰি বাণাসুৰৰ প্ৰাণ ৰক্ষা কৰে আৰু যুদ্ধক্ষেত্ৰ ত্যাগ কৰে। বাণাসুৰেও শিৱই দিয়া পূৰ্বৰ বৰ লাভ কৰি প্ৰমথ সকলৰ সৈতে পৃথিৱী ত্যাগ কৰি শিৱলোকলৈ গতি কৰে।

চিত্ৰলেখাই যুদ্ধৰ ফলাফলৰ বিষয়ে উষা আৰু অনিৰুদ্ধক জনায়। কৃষ্ণৰ সৈতে গৰুড়ৰ আগমনৰ লগে লগে অনিৰুদ্ধৰ কাষত থকা সমস্ত নাগ ভয়তে আঁতৰি যোৱাত অনিৰুদ্ধ নাগপাশৰ বন্ধনৰ পৰা মুক্ত হয়।

কৃষ্ণই বাণৰজাৰ মন্ত্ৰী কুম্ভাণ্ডক শোণিতপুৰৰ ৰজা পাতে। কৃষ্ণৰ অনুমতি সাপেক্ষে ৰজা কুম্ভাণ্ডই শোণিতপুৰৰ উষা-অনিৰুদ্ধৰ বিয়া ওলহ-মালহেৰে সম্পাদন কৰে। বিবাহ কাৰ্যৰ অন্তত কৃষ্ণৰ কথা মতে উষা-অনিৰুদ্ধ দ্বাৰকালৈ ৰাওনা হয়।

উষা-অনিৰুদ্ধ দ্বাৰকালৈ যোৱাৰ পাছত কৃষ্ণই কুম্ভাণ্ডৰ সমুখত শোণিতপুৰৰ ধেনু (গোধন)ৰ গুণ বখানে আৰু সেই ধেনুবোৰ সত্যভামাৰ কাৰণে লৈ যোৱাৰ ইচ্ছা প্ৰকাশ কৰে। কুম্ভাণ্ডই ধেনুবোৰ বাণাসুৰে বৰুণালয়ত থৈ গৈছে বুলি কোৱাত কৃষ্ণই গৰুড়ত উঠি বৰুণালয়ত প্ৰৱেশ কৰে। কৃষ্ণই ৰখীয়াবোৰক পৰাজিত কৰি ধেনুবোৰ আনিবলৈ উদ্যত হোৱাত বৰুণে কৰযোৰে স্তুতি কৰিলে যাতে তেওঁ তেনে কাম নকৰে। কিয়নো ধেনুগণ ৰক্ষা কৰিব বুলি বৰুণে ইতিমধ্যে বাণাসুৰক কথা দি থৈছে। বৰুণৰ স্তুতিত সন্তুষ্ট হৈ কৃষ্ণই বাণাসুৰৰ গো-সম্পদ দ্বাৰকালৈ নিনিয়াকৈ উলটি গ'ল। কৃষ্ণই দ্বাৰকাত প্ৰৱেশ কৰি উষাক লগ পোৱাৰ উদ্দেশ্যে উষাৰ মন্দিৰত প্ৰৱেশ কৰাৰ লগে লগে *উষা পৰিণয়* কাব্যৰ সামৰণি পৰিছে।

(৩)

**উষা-পৰিণয় কাব্যৰ মূল:**

*উষা-পৰিণয়* কাব্য পীতাম্বৰ কবিৰ প্ৰথম ৰচনা বুলি প্ৰায় সকলো সমালোচকে মানি লৈছে। কাব্যখনত কবিয়ে আত্ম পৰিচয় দিছে এনেদৰে—

কামতা নগৰ সুৰপুৰ পৰতেক।
তাত পীতাম্বৰ নামে আছে শিশু এক।।[১৫]

— শিশু বুলি নিজকে চিনাকি দিয়া পীতাম্বৰৰ *উষা-পৰিণয়* কাব্যৰ বিষয়বস্তুৰ চয়ন আৰু যৌৱনসুলভ কল্পনাৰ প্ৰৱণতালৈ লক্ষ্য কৰিলে এই কাব্যখন তেওঁৰ প্ৰথম বয়সৰ ৰচনা বুলি প্ৰত্যয় নিয়ায়। এইখিনিতে উল্লেখ কৰা সমীচীন হ'ব যে অনন্ত কন্দলীয়েও উষা আৰু অনিৰুদ্ধৰ জীৱনক লৈ *কুমৰ হৰণ* শীৰ্ষক এখন কাব্য ৰচনা কৰিছিল। কিন্তু অনন্ত কন্দলিয়ে *কুমৰ হৰণ*ৰ বিষয়বস্তু ভাগৱতৰ পৰাহে লৈছে। উল্লেখ কৰি অহা হৈছে যে পীতাম্বৰ কবিয়ে তেওঁৰ *উষা-হৰণ* কাব্যৰ বিষয়বস্তু *হৰিবংশ*ৰ বিষ্ণুপৰ্বৰ ১১৬ তম অধ্যায়ৰ পৰা ১১৮ তম অধ্যায়ৰ (উষাহৰণ আৰু হৰিহৰ যুদ্ধৰ বিৱৰণৰ) পৰা লৈছে। পীতাম্বৰ কবিয়ে *হৰিবংশ*ত উল্লেখ থকা ঘটনাবোৰৰ হুবহু অনুবাদ কৰিছে। অৱশ্যে লোকৰঞ্জনৰ উদ্দেশ্যে কেতিয়াবা ক'ৰবাত কাহিনীত স্বকীয় সংযোজনো কৰিছে। মনকৰিবলগীয়া কথা হ'ল— *হৰিবংশ*ত 'বিষ্ণু'ক অৰ্থাৎ বৈষ্ণৱ ধৰ্মক প্ৰাধান্য দিয়া হৈছে। পীতাম্বৰ কবিয়ে সেইখিনিৰ ওপৰত বিশেষ গুৰুত্ব নিদিয়াকৈ তাত থকা ঐহিক জীৱনৰ কথাখিনিক সমল কৰি শ্ৰীবৃদ্ধি ঘটাই ৰচনা কৰিছে। বিশেষকৈ চৰিত্ৰ নিৰ্মাণৰ ক্ষেত্ৰত পীতাম্বৰ কবিৰ স্বকীয়তা পৰিলক্ষিত হয়। *হৰিবংশ*ত থকা উষা, অনিৰুদ্ধ, বাণ, চিত্ৰলেখা আদি চৰিত্ৰৰ মনৰ ভাব-কল্পনা, চিন্তা, আনন্দ, বিষাদ, উৎকণ্ঠা ইত্যাদিক হুবহুকৈ ৰূপায়ণ কৰাৰ সলনি কবিয়ে *উষা-পৰিণয়*ত নিজস্ব চিন্তনেৰে স্বকীয় দৃষ্টিৰে ৰহণ সানি উক্ত চৰিত্ৰবোৰ গঢ়ি তুলিবলৈ প্ৰয়াস কৰিছে। উষাৰ শাৰীৰিক সৌন্দৰ্য্য, হৰ-পাৰ্বতীৰ বিনোদবিলাস, উষা-অনিৰুদ্ধৰ স্বপ্নদৰ্শন আৰু উভয়ৰ মদনবিকাৰ, চিত্ৰলেখাৰদ্বাৰা তামসী বিদ্যাৰ প্ৰয়োগত দ্বাৰকাৰ গড়ৰখীয়া সকলৰ অৱস্থাৰ চিত্ৰণ, হৰি-হৰৰ বাক্‌যুদ্ধ ইত্যাদিৰ প্ৰভাৱত পীতাম্বৰ কবিৰ *উষা-পৰিণয়* কাব্য *হৰিবংশ*ৰ বৰ্ণনাৰ তুলনাত অধিক প্ৰোজ্জ্বল হৈ উঠিছে। *হৰিবংশ*ত নথকা তিনিটা স্বউদ্ভাৱন *উষা-পৰিণয়*ত প্ৰতিফলিত হৈছে— (১) কোকিলা দাসী, (২) উষাৰ বিৰহত অনিৰুদ্ধৰ সন্ন্যাস গ্ৰহণৰ ইচ্ছা আৰু শ্ৰীকৃষ্ণৰ নিষেধ আৰু প্ৰবোধ বাক্য আৰু (৩) কামসেনা ৰক্ষীৰ কাৰ্য।

প্ৰথম পৰ্যায়ত মূল *হৰিবংশ*ত পৰীয়া বা চৰ সকলোৱে

১৫. কামতা নগৰে সুৰ পৰ অৱতাৰ।
এক মুখে গুণ গন কে কহিবে তাৰ।।
পীতাম্বৰ নাম কবি শিশুমতি অতি।
উষা-পৰিণয় লাস কথা ৰস অতি।।
হেমচন্দ্ৰ গোস্বামী, *অসমীয়া সাহিত্যৰ চানেকি*, ৪ৰ্থ খণ্ড, পৃষ্ঠা ৪২১।



আহি উষাই শয়ন কক্ষত পৰপুৰুষৰ সৈতে অনুগমন (সম্ভোগ) কৰিছে বুলি সন্দেহ কৰি বাণৰজাক বাৰ্তা প্ৰেৰণ কৰিছে। *ভাগৱত*ত আছে—

ৰাখিবাক বীৰগণ দিয়া আছে বাণে।
উষাক দেখিয়া সবে চাহে একে মনে।।
* * * * * * * *
নকহিলে আমাক কাটিবে ৰাজা বাণ।
এহি শুনি সবে তেতিক্ষণে দিলা জান।।[১৬]

চৰৰ মুখে বাৰ্তা পাই বাণৰজাই সেই যুৱকক ধৰি আনিবলৈ সৈন্য পঠিয়াইছে। বাৰে বাৰে পঠিওৱা সৈন্যক পৰাভূত কৰাত নিজে গৈ অনিৰুদ্ধক নাগপাশেৰে বন্দী কৰি আনিছে। কিন্তু পীতাম্বৰ কবিয়ে *উষা-পৰিণয়*ত চৰ বা পৰীয়াৰ সলনি উষাৰ শয়নকক্ষৰ বাৰ্তা ৰজাক অৱগত কৰাবলৈ 'কোকিলা' নামৰ এটি চৰিত্ৰ নিৰ্মাণ কৰিছে। *হৰিবংশ*ত চৰ বা পৰীয়াসকলে উষাৰ আওভাও, বেশভূষা, ব্যৱহাৰ দেখি সন্দেহবশতঃ ৰজাক খবৰ দিছে কিন্তু পীতাম্বৰৰ *উষা-পৰিণয়*ত কোকিলাই স্ব-চক্ষে শয়নকক্ষত এজন অচিন যুৱকৰ সৈতে উষাই শয়ন-ভোজন লাহ-বিলাহত মত্ত থকা দেখি বাণাসুৰক অবিলম্বে খবৰ দিছে। সাধাৰণতে, ৰজাঘৰীয়া গাভৰুৰ আলপৈচান ধৰিবলৈ আৰু নজৰ ৰাখিবলৈ এক বা একাধিক ধাই নিয়োগ কৰাটো স্বাভাৱিক কথা। সেইফালৰ পৰা পীতাম্বৰ কবিৰ স্বকীয় উদ্ভাৱন কোকিলা[১৭] ধাইৰ চৰিত্ৰটো ঘটনাক্ৰমৰ সৈতে ৰজিতা খাই পৰিছে।

দ্বিতীয় পৰ্যায়ত কামসেনা যক্ষীৰ চৰিত্ৰটোৰ প্ৰয়োগো পীতাম্বৰ কবিৰ স্ব-উদ্ভাৱন। *হৰিবংশ*ত[১৮] আছে— দেৱীয়ে উষাৰ গাভৰু মনটোৰ চঞ্চলতা বুজিব পাৰি ব'হাগ মাহৰ শুক্লা দ্বাদশী ৰাতি স্বপ্নত যিজন পুৰুষে তেওঁক ৰমণ কৰিব সেইজনেই তেওঁৰ পতি হ'ব বুলি বৰ দিলে। দেৱীৰ বৰ মতে, সপোনত ৰাজকুমাৰে উষাক ৰমণ কৰাৰ পাছত বাস্তৱত তাই মদন বিহ্বলা হৈ পৰিছে। পীতাম্বৰে অকল উষাক মদন-বিকাৰগ্ৰস্ত কৰাতে ক্ষান্ত থকা নাই, অনিৰুদ্ধকো সমানেই বিহ্বল কৰাৰ প্ৰয়োজনত 'কামসেনা যক্ষী' নামৰ এটা নতুন চৰিত্ৰৰ সৃষ্টি কৰিছে। উষাৰ উদ্বাউল অৱস্থা দেখি দেৱী উপস্থিত হৈছে আৰু কামসেনা-যক্ষীক উষাৰ ৰূপ ধাৰণ কৰি অনিৰুদ্ধৰ শয়ন কক্ষলৈ নিশা পঠিয়াই দিছে। কামসেনাই সেইমতে, উষাৰ ৰূপ ধাৰণ কৰি অনিৰুদ্ধক স্বপ্নত দৰ্শন দিয়ে।

উষাৰূপিনী কামসেনা-যক্ষীৰ শাৰীৰিক আৱেদনৰ আতিশয্যত ডেকা অনিৰুদ্ধৰ মন পিচলিল। মিলনৰ বাহিৰে গত্যন্তৰ নাইকিয়া হ'ল।

তৃতীয় পৰ্যায়ত দেখা গৈছে— নিজৰ উদ্দেশ্য সিদ্ধি হোৱাত, কুমাৰক মদন সাগৰত নিমজ্জিত কৰি কামসেনা যক্ষী আঁতৰি আহিছে। অনিৰুদ্ধই সপোনৰ পৰা সাৰ পাই দিঠকত সপোন কুঁৱৰীক বিচাৰি হাবাথুৰি খাইছে। ৰতি বিকাৰত বিপৰ্যস্ত হৈ কুমাৰ অনিৰুদ্ধই সন্ন্যাস গ্ৰহণ কৰিবলৈ সংকল্প লৈছে। কৃষ্ণই নাতি অনিৰুদ্ধক বুজাই বঢ়াই শান্ত কৰিছে আৰু অনিৰুদ্ধ যাতে পলাই যাব নোৱাৰে তাৰ সমুচিত ব্যৱস্থা লৈছে।

উক্ত তিনিওটা পৰ্যায়ত পীতাম্বৰ কবিৰ মৌলিকতা পৰিলক্ষিত হয়। অৱশ্যে এই উদ্ভাৱনখিনিৰ লগতে আন এক প্ৰসঙ্গও সংযোগ কৰিব পাৰি। অনিৰুদ্ধই কামনাত দগ্ধ হৈ সপোন প্ৰিয়াক পাবলৈ বিয়াকুল হৈ সেই বিৰহৰ পৰা মাৰি, চাৰিওখন দুৱাৰত পহৰা[১৯] দি থকা সময়ছোৱাত চিত্ৰলেখাই তামসী বিদ্যাৰদ্বাৰা প্ৰহৰীবোৰক নিদ্ৰামগ্ন কৰি সকলোৰে অলক্ষিত ভিতৰত প্ৰৱেশ কৰা কাৰ্যৰ মাজেদি প্ৰকাশ হোৱা কৌতুকপূৰ্ণ চিত্ৰায়ণ পীতাম্বৰ কবিৰ অন্য এক মনোৰম উদ্ভাৱন বুলিব পাৰি। অনিৰুদ্ধক প্ৰথমে মায়াপোহৰত নগৰদৰ্শন কৰোৱা কথাটোও কবিৰ নিজা উদ্ধাৱন। ইয়াৰ উপৰিও মহাদেৱৰ যুদ্ধক্ষেত্ৰলৈ অগ্ৰসৰ হোৱা প্ৰমথসেনাবোৰৰ বিৱৰণখিনিও চমকপ্ৰদ অৰ্থাৎ বিস্ময়জনক। এইখিনিয়ে কাব্যৰ সৌন্দৰ্য বৃদ্ধিত সহায় কৰিছেনে নাই সেইটোও বিচাৰ্য বিষয়। অৱশ্যে এই কথা অস্বীকাৰ কৰাৰ উপায় নাই যে, পীতাম্বৰ কবিয়ে স্ব-উদ্ভাৱনীয় চৰিত্ৰকেইটাৰ কাৰ্য-কলাপত অতিৰিক্ত যৌন-আৱেদন প্ৰয়োগ কৰিছে। পীতাম্বৰ কবিৰ উষাই হৰ-পাৰ্বতীৰ ৰতি-ক্ৰীড়া দেখি হা-হুতাহ কাঢ়িছে আৰু লজ্জাহীনা হৈ নিজৰ মনৰ পীড়া ব্যক্ত কৰিছে—

মই চাৰী পাপিনী উষাহে কতেক কৈলো পাপ।
হেন কালে স্বামী নাহি মনে কৰে তাপ।।
কিং কাৰ্যে চন্দন মোৰ হে কুসুমেৰ হাৰ।
সকল ভূষণ মোৰ লাগে চাৰখাৰ।।

উল্লেখ কৰিছে। তেওঁ এনেদৰে এই কথা ব্যক্ত কৰিছে—

ৰতিৰস বিসেস কহিতে নাজুআই।
পড়িব পাঞ্চালি গুৰু গৌৰৱ সভায়ে।।

১৬. হৰিনাৰায়ণ দত্তবৰুৱা, সম্পাদক: *শ্ৰীমদ্ভাগৱত* (সম্পূৰ্ণ), প্ৰকাশক: জ্যোতিনাৰায়ণ দত্তবৰুৱা, ১৯৯৪ চন, পদসংখ্যা ১৪৬৫১-১৪৬৫৬।
১৭. 'পীতাম্বৰৰ কোকিলা ধাই অনন্ত কন্দলীৰ *কুমাৰ হৰণ*ৰ কুঁজী বুঢ়ীৰ আদৰ্শ আছিল বুলি ভাবিব পাৰি।'— সত্যেন্দ্ৰনাথ শৰ্মা: *অসমীয়া কাহিনী কাব্যৰ প্ৰবাহ*, বাণী প্ৰকাশ, ১৯৯৬, পৃষ্ঠা ১১৩।
১৮. 'বৈশখে মাসি হৰ্মাস্থাং দ্বাদশ্যাংত্বাং দিনক্ষয়ে। ৰময়িষ্যতি যঃ স্বপ্নে সতে ভৰ্তা ভৱিষ্যতি।' ১১৮/১৯
১৯. সকল যাদৱ প্ৰহৰ ধৰে কিবা ৰাত্ৰি দিলে।
তাছোক অল্যেৰ কাজ যাইতে নাপাৰে পবনে।
পৰ্বদ্বাৰে আছে হৰি ধনুক ধৰিয়া।
উত্তৰে হলধৰ আছে নাঙল কৰি থৈয়া।।
পশ্চিম দ্বাৰে আছে গৰুড় দেখি লাগে সংকাই।
দক্ষিণত হনুমান আছে, যে পুৰিল লংকা।।
ৰতিমদনে লুকাই আছে আপোনাৰ ঘৰে।
চোখে চোখে বাপ মায়ে নিতে প্ৰহৰ ধৰে।।

সমজুৱাৰ সভাত ওজাপালি গাবলৈ অসুবিধা হ'ব বুলিহে আদি ৰসাত্মক গীত বা পদ ৰচনা কৰাৰ পৰা তেওঁ বিৰত আছে। তেওঁৰ আদি ৰসৰ প্ৰতি থকা ৰুচিলৈ চাই শঙ্কৰদেৱে তেওঁক 'কামসিক' বুলি কৰা সমালোচনাক বিৰূপ মন্তব্য বুলিব নোৱাৰি। আনকি মদন বিহ্বল অনিৰুদ্ধৰ মানসিক স্থিতি প্ৰকাশ কৰোঁতেও সংযত হোৱা নাই। স্বপ্নাৱিষ্ট অৱস্থাত অনিৰুদ্ধৰ প্ৰকট যৌনাসক্তিক এনেদৰে ৰূপায়ণ কৰিছে—

মদন সৰ্পে তনু মোৰ দংশিল নাহি আৰু
প্ৰতিকাৰ।
গায়-বিষে মোৰ তনু বিয়াকুল ঔষধ তোৰ
শৃংগাৰ।।
তোৰ দৰশনে কামাতুৰজনে মনহংস কৈল বন্দী।
লোভ পাশে ধৰি বান্ধে ভিৰি ভিৰি এৰাইতে
নাহিকে সন্ধি।।

সপোনত নিষিদ্ধ চিন্তা অহা স্বাভাৱিক। কিয়নো সপোন হ'ল অৱচেতন মনৰ অভিব্যক্তি প্ৰকাশৰ মাধ্যম। অসামাজিক ইচ্ছা, ভাব-স্পৃহা পূৰণ কৰাৰ সুবিধাও মনে সপোনত লয়। ঊষা আৰু অনিৰুদ্ধৰ ক্ষেত্ৰতো সামাজিক সংযমৰ বান্ধ সপোনত ছিঙি যোৱাটো তেনেই স্বাভাৱিক। কিন্তু তাৎপৰ্যপূৰ্ণ কথা হ'ল— পীতাম্বৰ কবিয়ে সপোনতে সেই দিশটো সীমাবদ্ধ কৰি ৰখা নাই। বাস্তৱতো ঊষা আৰু অনিৰুদ্ধৰ মানসিক সংযমৰ বান্ধ শিথিল হোৱা দেখুৱাইছে। অনিৰুদ্ধই বাস্তৱতে সপোন প্ৰিয়াক বিচাৰি চিন্তামগ্ন হৈছে এনেদৰে—

শ্ৰৱণ বিকল মোৰ সে কথা শুনিতে।
নয়ন আকুল প্ৰিয়ে তোমাক দেখিতে।।
মন মধুকৰ মোৰ আকুল পিয়াসে।
তনু ছাড়ি নযায় অধৰ মধু আশে।

পীতাম্বৰ কবিয়ে ঊষা-অনিৰুদ্ধৰ চৰিত্ৰ দুটাৰ সংলাপতহে যে শৃংগাৰ ৰস প্ৰয়োগ কৰিছে এনে নহয় কৃষ্ণ চৰিত্ৰটোৰ মুখতো যৌনগন্ধী সংলাপ প্ৰয়োগ কৰিছে। কামবিহ্বল নাতিয়েক অনিৰুদ্ধক প্ৰবোধ দিবলৈ কৃষ্ণই আত্মমৰ্যদা লঙ্ঘন কৰি ডেকাকালৰ কামোত্তেজক প্ৰেমজনিত কাহিনী বৰ্ণনা কৰিছে এনেদৰে—

নাগৰ লোকেৰ তুমি ন্যবঝ চৰিত।
মনেৰ কামনা বুজে আকাৰে ইঙ্গিত।।
মন গোপনেৰ কথা বেকত নকৰি।
তেবেসে মনেৰ কাৰ্য সাধিবাক পাৰি।।
যখন যুৱত কাল আছিল আমাৰ।
অনেক সহিয়া আছি কাম ব্যৱহাৰ।।
আমাৰ চৰিত কাৰ লিখিবে শকতি।
বিকল হইলে গৰ্ব কৰে তিৰী জাতি।।

পীতাম্বৰ কবিয়ে লোক-জীৱনৰ কাষ চপাই আনিবৰ কাৰণেই হয়তো *ঊষা-পৰিণয়*ত মূলত নথকা কিছু কথা সংযোগ কৰিছে— হৰি-হৰৰ যুদ্ধৰ প্ৰাক্-মুহূৰ্তত পৰস্পৰৰ বাক্-বিতণ্ডাৰ মাজেৰে। দেৱতাসুলভ মৰ্যাদা লঙ্ঘন কৰি দুয়োজন দেৱতাই গ্ৰাম্য দোষ-দুষ্ট বাক্যবাণেৰে আত্মতৃপ্তি লভিছে। পীতাম্বৰ কবিৰ স্বউদ্ভাৱন পৰস্পৰৰ বাক্যুদ্ধই তাৰ নিদৰ্শন। পৰৰ গাভৰুৰ লগত চোৰৰ দৰে গোপনে বিয়া কৰোৱা অনিৰুদ্ধক বাণাসুৰে বন্দী কৰা উচিত হৈছে বুলি কৃষ্ণক তিৰস্কাৰ কৰি শিৱই কৈছে—

*ষোড়শ সহস্ৰ গোপী তোম্মাৰ ৰমণী।
পৰম কামুক তুমি ত্ৰিভুৱনে জানি।।
ভাল মন্দ লোক-চৰচাক নাহি লাজ।
কিবা ৰাতি কিবা দিন তিৰি লয়া কায্য।।

* * * * * * * *

শিৱৰ তেনে কথাৰ প্ৰত্যুত্তৰ কৃষ্ণই দিছে এনেদৰে—

শংকৰৰ বচনে হৰিৰ ভৈল হাস।
বোলে মন দিয়া বাণী শুনা দিগবাস।।
সকল শাস্ত্ৰৰ কথা জানিয়া আপোনে।
তবে কেন অকাজ কৰহ ৰাত্ৰি দিনে।।
সহস্ৰেক মুখে যেবে বৎসৰেক কহি।
তোমাৰ কথাৰ তেভো অৱশেষ নাহি।।
দক্ষ প্ৰজাপতি যজ্ঞ কৰিলা যেখানে।
নাছিল তোমাক ডাক কাপালী কাৰণে।।
পৰস্পৰে মহামায়া সে কথা শুনিয়া।
প্ৰাণ পৰি হৰিল তোমাৰ লাজ পায়া।।
পাছে তুমি কামে উন্মত্ত ভৈলা আতি।
লাখে লাখে মুহিলাহা মুনিৰ যুৱতী।।
যথায়ে তথায়ে দেৱী লগত আবাসে।
অৰ্দ্ধ অঙ্গ কৈলা নাৰী কাম অভিলাসে।।
কিৰাত-কোছৰ যত আছয় যুৱতী।
বোলা কাৰ সনে নাহি অনুভৱ ৰতি।।

মূল *হৰিবংশ*ত এনে নিম্নস্তৰৰ বাক্-বিতণ্ডা নাই। হয়তোবা লোক মনোৰঞ্জনৰ উদ্দেশ্যে, গ্ৰাম্য ৰুচিৰ পৰিতোষণৰ কাৰণেই এনে বৰ্ণনা দিয়া হৈছে। ইয়াত কৃষ্ণ আৰু শিৱক সাধাৰণ মানুহৰ শাৰীলৈ পীতাম্বৰ কবিয়ে নমাই আনিছে। ফলত পীতাম্বৰ কবিৰ কাব্য প্ৰতিভা নিম্নগামী হৈছে। অৱশ্যে এই কথাও অস্বীকাৰ কৰিব নোৱাৰি যে পীতাম্বৰ কবিৰ ৰচনা ৰীতিয়ে জনগণৰ মনৰ ৰুচি পুৰণত বহুলাংশে সফলতাও লাভ কৰিছে। কাব্যখনৰ প্ৰথমৰফালে তেওঁৰ স্বকীয় সংযোজনে অনা বৈচিত্ৰ্য কিন্তু পিছৰফালে শিথিল বা গতানুগতিক হৈ পৰিছে। যুদ্ধৰ গতানুগতিক বৰ্ণনাই ইয়াৰ মূল কাৰণ বুলিব পাৰি।

পীতাম্বৰ কবিয়ে স্বকীয় উদ্ভাৱন প্ৰয়োগ কৰাৰ উপৰিও কিছু কিছু কথা বাদ নিদিয়াকৈও থকা নাই। ঊষা আৰু অনিৰুদ্ধৰ গন্ধৰ্ব প্ৰথাৰে বিয়া পাতি দিয়াৰ পাছত চিত্ৰলেখাই প্ৰিয় সখীসকলৰ পৰা বিদায় লৈ ত্ৰিদিবলৈ যাত্ৰা কৰিছে। পীতাম্বৰ কবিয়ে 'ঊষা-পৰিণয়'ত সেইকথাৰ উল্লেখেই নকৰিলে।



স্বকীয় উদ্ভাৱনৰ ক্ষেত্ৰত পীতাম্বৰ কবিয়ে *ঊষা-পৰিণয়*ত কাহিনীৰ সৈতে সঙ্গতি ৰাখি ৰচনা কৰা গীতবোৰৰ বিষয়ে উনুকিয়াব পাৰি। কবিয়ে গীত ৰচনাত কুশলতাৰ পৰিচয় দিছে। এই কাব্যখন ওজাপালি অনুষ্ঠানৰ কাৰণেহে ৰচনা কৰা হৈছিল। পদত বৰ্ণিত কথাখিনিকেই পুনৰ গীত আকাৰেও দিয়া হৈছে। চৰিত্ৰবোৰৰ মানসিক জগতত ঘটি থকা ক্ৰিয়া-প্ৰতিক্ৰিয়া, গভীৰ ভাব প্ৰকাশ কৰিবলৈ এনেদৰে গীত দিয়াৰ প্ৰয়োজন আছিল। এনে কাৰ্যই ওজাপালিৰ প্ৰয়োজন সাধিছে যদিও পুনৰুক্তি দোষৰ বাবে কাব্য সৌন্দৰ্য ম্লান হৈছে।—

**চৰিত্ৰ চিত্ৰণ:**

চৰিত্ৰ নিৰ্মাণত পীতাম্বৰ কবিৰ বিশেষ স্বাধীনতা নাছিল। কোকিলা ধাই আৰু কামসেনা-যক্ষী এই চৰিত্ৰ দুটা কবিজনাৰ স্ব-কল্পিত চৰিত্ৰ বুলি উল্লেখ কৰি অহা হৈছে। কাব্যখনৰ মুখ্য চৰিত্ৰ দুটা হ'ল ঊষা আৰু অনিৰুদ্ধ। চৰিত্ৰ দুটাৰ কাৰ্য আৰু উক্তি মূল হৰিবংশৰপৰা লৈ কবিজনাই নিজস্ব কল্পনাৰ ৰহণ সানি সোণত সুৱগাকৈ চৰিত্ৰ দুটা উপস্থাপন কৰিছে।

পীতাম্বৰ কবিয়ে ঊষাৰ জন্ম মুহূৰ্ততেই বাণৰ পতন হোৱাৰ সম্ভাৱনা প্ৰকট কৰিছে। সেই সময়ছোৱাৰ অমঙ্গলজনক দৃশ্য তেওঁ ৰূপায়ণ কৰিছে এনেদৰে—

সকল ভ্ৰাতৃৰ শেষে ঊষা ভৈল জাত।
সকল শোণিতপুৰে বৰ উতপাত।।
বিপৰীত ডাকে মেঘে ৰুধিৰ বৰষে।
উলুকা অনেক দেখি স[illegible]কাশে।।

বাণৰজাৰ বাবে এই অমঙ্গলজনক পৰিৱেশ কিন্তু আতঙ্কৰ কাৰণ হোৱা নাই। বৰঞ্চ তেওঁ জীয়ৰীৰ জন্মৰ আঁৰত ঈপ্সিত কামনা পূৰণৰ সম্ভাৱনাত আনন্দিত হৈছে। মূল হৰিবংশৰ তুলনাত *ঊষা-পৰিণয়*ৰ ঊষা বেছি প্ৰোজ্জল, মনোৰমা, চঞ্চলা আৰু মদনবিহ্বলা। ঊষাই যৌৱনত ভৰি দিয়াৰ লগে লগে স্বামী লাভৰ বাবে ব্যাকুল হৈ ভগৱতীৰ ওচৰত মৌন প্ৰাৰ্থনা কৰিছে। পাৰ্বতীৰ পৰা বৰ লাভ কৰি সপোনত স্বামীৰ পৰা ৰতিসুখ পাই ৰোমাঞ্চিত হৈছে। কুমাৰীত্ব ভঙ্গ হোৱাৰ দুখত ক্ষন্তেক সময় বিচলিত আৰু বিমৰ্শ হ'লেও পুনৰ স্বামীৰপৰা পোৱা ৰতিসুখৰ কথা স্মৰণ কৰি, সপোনৰ স্বামীজনক আকৌ লাভ কৰিবৰ কাৰণে চিত্ৰলেখাৰ ওচৰত আকুতি জনাইছে। ৰজাৰ কুঁৱৰী হৈও প্ৰগলভ হৈ পৰা ঊষাই নিলজ্জভাৱে চিত্ৰলেখাৰ ওচৰত আত্মপ্ৰকাশ কৰাৰ আঁৰত আছে সখীয়েক চিত্ৰলেখাৰ ওপৰত অগাধ বিশ্বাস। একমাত্ৰ সখীয়েকৰ আগতহে মনৰ সকলো গোপন কথা ব্যক্ত কৰিব পাৰি বাবেই নিজৰ মৰ্যদাৰ প্ৰতিকুল কথাও নিঃসঙ্কুচে সখীয়েক চিত্ৰলেখাৰ আগত ঊষাই ব্যক্ত কৰিছে; তাত অস্বাভাৱিকতা একো নাই। কিন্তু মন কৰিবলগীয়া কথা এয়ে যে চিত্ৰলেখাই দ্বাৰকাৰপৰা আনি সোঁ-শৰীৰে অনিৰুদ্ধক উপস্থিত কৰোৱাৰ সময়ত প্ৰথমবাৰ দেখা পোৱাৰ উত্তেজনা, নাৰীজাত লজ্জা বা প্ৰগলভতা কিন্তু ঊষাৰ মাজত প্ৰকাশ পোৱা নাই। গন্ধৰ্ব বিবাহৰ আগত ঊষাৰ প্ৰাধান্য কাব্যখনত যেনেদৰে কবিয়ে দেখুৱাইছিল ক্ৰমান্বয়ে সেইটো শিথিল হৈ পৰিছে। মাত্ৰ বাণৰপৰা বিপদ আশঙ্কা কৰি— 'অ' কি বিধিহে, কিনো মোৰ লিখিলা কপাল'— বুলি বিলাপ কৰি কন্দাৰ বাহিৰে আন কোনো ধৰণৰ সক্ৰিয়তা ঊষা-চৰিত্ৰৰ মাজত প্ৰকাশ পোৱা নাই। *ঊষা-পৰিণয়* কাব্যৰ প্ৰাৰম্ভিক পৰ্যায়ত প্ৰকাশ পোৱা ঊষা চৰিত্ৰৰ প্ৰাধান্য পিছৰফাললৈ ক্ৰমশঃ ম্লান হৈ পৰিছে।

অনিৰুদ্ধ এজন চফল ডেকা। কাব্যখনত শাৰীৰিক শক্তিৰে শক্তিৱান অনিৰুদ্ধক কবিয়ে উধতুৱা, চঞ্চল আৰু মদন বিহ্বল ৰূপত অঙ্কন কৰিছে। কামসেনা যক্ষীৰ ৰূপ আৰু যৌৱনত আসক্ত অনিৰুদ্ধই বংশ মৰ্যাদা পাহৰি পেলাইছে, কামনাত দগ্ধ হৈ আত্মসংযম হেৰুৱাইছে। সপোনত অজ্ঞাতকুলশীলা যুৱতীৰ লগত ৰমণ সুখ লাভ কৰি দিঠকত তাইক নাপাই বলিয়া হোৱা অনিৰুদ্ধক কামনাত অন্ধ, চঞ্চল চিত্তৰ যুৱক হিচাপে কাব্যখনত অঙ্কন কৰা হৈছে। তাৎপৰ্যপূৰ্ণ কথা হ'ল এই চঞ্চল চিত্তৰ যুৱকজনে সপোনত দেখা অজ্ঞাতকুলশীলা গাভৰুৰ বাবে সন্ন্যাস ল'বলৈ প্ৰস্তুত হোৱা আৰু চিত্ৰলেখাৰ কথামতে অজ্ঞাতদেশলৈ যাবলৈ ওলোৱা কথাটোৱে অনিৰুদ্ধৰ শিশুমতীয়া চৰিত্ৰৰ আভাস দি চৰিত্ৰটোক লঘু কৰি পেলাইছে। চিত্ৰলেখাৰ লগত এনেদৰে গোপনে ওলাই গৈ অনিৰুদ্ধই ৰোমাণ্টিক উচ্ছ্বাসৰ পৰিচয় দিছে বুলি ধৰি ল'লেও— আকাশীযানত উঠি আহোতে আৰু বাণৰজাৰ ৰাজ্যৰ অগ্নিগড় দেখি ভয়তে কোঁচ-মোচ খোৱা কাৰ্যই চৰিত্ৰটোত অসঙ্গতি সৃষ্টি কৰিছে। আকৌ, বাণৰ লগত যুদ্ধত প্ৰবৃত্ত হোৱা সময়ছোৱাত বীৰ যুদ্ধা, সাহসী ব্যক্তিৰ পৰিচয় দিবলৈও সক্ষম হৈছে। ঊষাৰ সমানে অনিৰুদ্ধ চৰিত্ৰটোৰো কাব্যৰ কাহিনী ভাগত যে বিশেষ গুৰুত্ব আছে সেই কথা কাব্যখনৰ কাহিনীয়ে প্ৰমাণ কৰে।

ঊষা আৰু অনিৰুদ্ধৰ পাছতে আটাইতকৈ উল্লেখযোগ্য চৰিত্ৰ হিচাপে বাণৰজাক ধৰিব পাৰি। মহাদেৱৰ অনুগ্ৰহত অহঙ্কাৰত অন্ধ বাণৰজা অসীম শক্তিৰ অধিকাৰী। ৰণলিপ্সা তেওঁৰ চৰিত্ৰৰ এক বৈশিষ্ট্য। শাৰীৰিক শক্তিত অটল বিশ্বাসী বাণৰজাৰ দাম্ভিকতাৰ কাৰণ শিৱৰ বৰ। শিৱৰ ওচৰত তেওঁ সমকক্ষ যোদ্ধা বিচাৰিছে। সমযোদ্ধাৰ লগত ৰণ নকৰাৰ বাবে তেওঁৰ অনুভৱ হয়— 'সহস্ৰেক ভুজ মোৰ শলা হেন লাগে।' মহাদেৱে বৰ দিছিল যেতিয়াই ময়ূৰধ্বজ খহি পৰিব তেতিয়াই তেওঁ প্ৰতিযোদ্ধা পাব। এই বৰটোৰ আঁৰত যে তেওঁৰ পতনৰ আভাস জৰিত আছে সেই কথা বাণৰজাই অনুমান কৰিব পৰা নাই। ঊষা-অনিৰুদ্ধৰ মিলনে বাণৰজাৰ অহঙ্কাৰ খৰ্ব কৰিছে। অতিপাত দাম্ভিকতাই তেওঁৰ জীৱনলৈ পতন নমাই আনিছে। পীতাম্বৰ কবিয়ে এই দাম্ভিক চৰিত্ৰটোৰ কঠোৰতাৰ মাজত কোমল মনটোৰ পৰিচয় নিদিয়াকৈও থকা নাই। অনিৰুদ্ধৰ

শাৰীৰিক সৌন্দৰ্য আৰু ভদ্ৰ আচৰণে বাণাসুৰৰ কঠোৰ হৃদয় কুমলাই পেলাইছে—

দেখিয়া কুমাৰ ৰূপ জুৰাইল পৰাণ।
অলপ হৈল কোপ বাণ দানৱৰ মন।।

প্ৰচণ্ড খং মমৰ দৰে দৰে গলিবলৈ ধৰিছিল। বাণৰ হৃদয় প্ৰস্তুত হৈছিল ক্ষমাদান কৰি অনিৰুদ্ধক জোঁৱাই হিচাপে স্বীকাৰ কৰিবলৈ—

ক্ষমিবাক আছে মন যেবে মঝে ঝান্তে।
কিন্তু ভৱা কথা সিদ্ধি নহয়।

অৱশেষত বাণে অনিৰুদ্ধক নাগপাশেৰে বন্দী কৰিছে। আনফালে অনিৰুদ্ধক উদ্ধাৰ কৰিবলৈ অহা কৃষ্ণৰ লগত যুদ্ধ কৰি কাৰ্তিক, গণপতি (গণেশ), প্ৰমথসেনা আৰু বাণাসুৰৰ অনুগত অনুচৰবোৰ পৰাজিত হোৱাৰ উপৰিও মহাদেৱো পৰাজিত হৈছে। অৱশেষত কৃষ্ণৰ মাহাত্ম্য উপলব্ধি কৰি মহাদেৱে কৈলাসলৈ প্ৰত্যাৱৰ্তন কৰে। তেনে এক অৱস্থাত যেতিয়া মন্ত্ৰীসকলে বাণাসুৰক সন্ধিৰ প্ৰস্তাৱ দিয়ে, তেতিয়া বাণাসুৰৰ আত্মসন্মানত আঘাত লাগে আৰু তেওঁ প্ৰতিবাদ কৰি দৃঢ়ভাৱে কৈছিল—

হৌক নিৰঞ্জন হৰি ত্ৰিভুবন পতি।
তথাপি যুঝিবো লোকে ৰহিব কীৰিতি।।
জীওঁ যেবে ত্ৰিভুবনে নধৰিব যশে।
মৰিলে মুকুতি পদ হৈবেক অৱশ্যে।।
সিংহ হুয়া একদণ্ড ধৰিব জীৱন।
শৃগাল অমৰ পদে কিবা প্ৰয়োজন।।

আত্মমৰ্যাদা অটুট ৰাখিবলৈ বাণে যুদ্ধক্ষেত্ৰত মহা-বিক্ৰমেৰে যুঁজিছে। দুখন বাদে হাজাৰ বাহুৰ নশ আঠাৰন্নখন যুদ্ধক্ষেত্ৰত ছেদ হোৱাৰ পিছতো বাণে কৃষ্ণৰ লগত যুঁজিবলৈ এৰা নাই। অৱশেষত মহাদেৱৰ মধ্যস্থতাত বাণৰ প্ৰাণ ৰক্ষা পৰে। কিন্তু বাণৰ আৰু ৰজা হৈ থকাৰ স্পৃহা নাইকিয়া হয়। আত্মসন্মান হেৰুৱা মহিমাচ্যুত ৰজা হোৱাৰ সলনি তেওঁ স্বইচ্ছাৰে মহাদেৱৰ শৰণাপন্ন হৈছে—

শোণিতপুৰত প্ৰভু আৰু নাহি কাজ।
সদায়ে থাকিবো প্ৰভু তোমাৰ সমাজ।।

কৃষ্ণৰ লগত যুদ্ধ কৰি মহাদেৱৰ ইচ্ছা অনুসৰি তেওঁ গণাধিপতি হৈ কৈলাসলৈ গমন কৰিছে।

*উষা-পৰিণয়*ৰ 'চিত্ৰলেখা' এটা উল্লেখযোগ্য চৰিত্ৰ। ভাগৱতৰ মতে, চিত্ৰলেখা কুম্ভাণ্ডৰ জীয়ৰী। *হৰিবংশ*ৰ মতে, তেওঁ মানৱী নহয় অপ্সৰা। পীতাম্বৰ কবিৰ *উষা-পৰিণয়*ৰ আধাৰ গ্ৰন্থ যিহেতু *হৰিবংশ* সেইবাবে মূলৰ সৈতে সঙ্গতি ৰাখি এই কাব্যতো চিত্ৰলেখাক অতিমানৱী অৰ্থাৎ অপ্সৰা হিচাপেই অংকন কৰিছে। চিত্ৰলেখা অপ্সৰা যদিও পাৰ্বতীৰ আদেশত তেওঁ উষাৰ সখী হৈছে আৰু উষাৰ প্ৰয়োজনত স্মৰণ মাত্ৰে তেওঁ উপস্থিত হ'ব বুলি কথা দিছে। উষাৰ আনগৰাকী সখী হ'ল কুম্ভাণ্ড মন্ত্ৰীৰ জীয়ৰী ৰামা। উষাই স্বপ্নত অনিৰুদ্ধক দেখি বিহ্বল হৈ পৰাত ৰামাই তেওঁক চিত্ৰলেখাক স্মৰণ কৰিবলৈ উপদেশ দিছে। ৰামাৰ কথামতে স্মৰণ মাত্ৰে চিত্ৰলেখা আহি উপস্থিত হৈছে। শিৱৰ বৰত অতি কম সময়ৰ ভিতৰতে চিত্ৰলেখাই দেৱতা, মানুহ, যক্ষ, গন্ধৰ্ব, কিন্নৰ আদিৰ চিত্ৰ আঁকিব পাৰে। আনপিনে নাৰদৰ আশীৰ্বাদত তেওঁ তামসী বিদ্যাৰো অধিকাৰী। এই দুই বিদ্যাৰ অধিকাৰী চিত্ৰলেখাই সেইবাবেই উষাৰ মনোবাঞ্ছা পূৰণ কৰিব পাৰিছে। চিত্ৰলেখাই সপোনৰ ৰাজকুমাৰ অনিৰুদ্ধক চিনাক্ত কৰাৰ পৰা তামসী বিদ্যাৰদ্বাৰা কোঁৱৰক হৰণ কৰি আনি সখীয়েক উষাৰ লগত গন্ধৰ্ব বিয়া পাতি দিয়ালৈকে সক্ৰিয়ভাৱে কাৰ্যনিৰ্বাহ কৰিছে। পীতাম্বৰ কবিয়ে 'চিত্ৰলেখা' চৰিত্ৰটোক কাব্য খনৰ এইখিনিলৈকে অত্যন্ত শক্তিশালী ৰূপত উপস্থাপন কৰোৱাৰ পাছত কাব্যৰ শেষৰফালে আওকাণ কৰিলে। অৰ্থাৎ, উষাৰ বিয়াৰ পাছত চৰিত্ৰটো সম্পূৰ্ণৰূপে কাব্যখনৰ অনুপস্থিত। উষাৰ বিবাহৰ পাছত চিত্ৰলেখা ক'লৈ গ'ল সেই বিষয়ে কাব্যখনত কোনো সম্ভেদ কবিয়ে দিয়া নাই। *হৰিবংশ*ত চিত্ৰলেখাই প্ৰিয় সখীসকলক সম্বোধন কৰি ত্ৰিদিবলৈ অৰ্থাৎ কৈলাসৰ পাৰ্বতীৰ কাষলৈ যাত্ৰা কৰিছে। মূলৰ লগত সঙ্গতি ৰাখি পীতাম্বৰ কবিয়েও সেই দিশটোত গুৰুত্ব দিব পাৰিলেহেঁতেন।

চিত্ৰলেখা চৰিত্ৰটোৰ দৰে কাব্যখনৰ কাহিনী ভাগত সক্ৰিয় অংশ গ্ৰহণ কৰা আন এটা চৰিত্ৰ হ'ল নাৰদ। উষা-পৰিণয়তো নাৰদৰ টুটকীয়া চৰিত্ৰ প্ৰকাশ পাইছে। নাৰদৰদ্বাৰা চিত্ৰলেখাৰ তামসীবিদ্যা লাভে দ্বাৰকাৰ পৰা অনিৰুদ্ধক হৰণ কৰাত সহায় কৰিছে। নাৰদে অনিৰুদ্ধক নাগপাশৰ যন্ত্ৰণাৰপৰা পৰিত্ৰাণ পোৱাৰ উপায় স্বৰূপে উষা-অনিৰুদ্ধক দেৱস্তুতি পাঠৰ পৰামৰ্শ প্ৰদানৰে কাব্যখনৰ কাহিনীভাগ আগবঢ়াত সহায় কৰিছে। অৱশ্যে ক'ৰবাত নাৰদ চৰিত্ৰৰ আতিশয্যও যে হৈছে এই কথাও অস্বীকাৰ কৰিব নোৱাৰি।

পীতাম্বৰ কবিয়ে *হৰিবংশ*ৰ কথাকে অনুসৰণ কৰি *উষা-পৰিণয়* কাব্য ৰচনা কৰিছে। *হৰিবংশ*ৰ পৰা অনুবাদ কৰি দিয়া হৰিহৰাত্মক স্তৱ কেইটা মনোৰম হৈছে। অনিৰুদ্ধৰ কৃষ্ণস্তুতিও অত্যন্ত সুন্দৰ হৈছে। হৰিবংশৰ পৰা ফালৰি কটাৰ বাবে কৃষ্ণ আৰু শিৱ চৰিত্ৰৰ মৰ্যাদা কিছু লাঘৱ হৈছে। একেদৰে শিৱানী বা চণ্ডিকাক নগ্ন অৱস্থাত ৰণক্ষেত্ৰত কেইবাবাৰো উপস্থাপন কৰাৰ বাবে কাব্যখনৰ গাম্ভীৰ্য হ্ৰাস পাইছে। *হৰিবংশ*ত ইয়াৰ উল্লেখ থাকিলেও কাব্যখনত ইয়াক পৰিহাৰ কৰিলে কাব্যখনৰ মূল উদ্দেশ্য ব্যাহত নহ'লহেঁতেন। অজ্ঞাত কুলশীলা এগৰাকী ৰমণীৰ লগত নিশা সপোনত সম্ভোগ সুখ লাভ কৰি, তেওঁক নাপাই সন্ন্যাসী হৈ যাব খোজা কাৰ্যই অনিৰুদ্ধ চৰিত্ৰৰ অনাৱশ্যক দুৰ্বলতাহে প্ৰকাশ কৰিছে। তদুপৰি, যদুকুলৰ বীৰপুত্ৰ অনিৰুদ্ধই অগ্নিগড় দেখি ভয়খোৱা কথাটোও বিশ্বাসযোগ্য হোৱা নাই। *হৰিবংশ*ৰপৰা কাহিনীৰ উৎস যথাযথভাৱে অনুসৰণ কৰাৰ ফলত *উষা-পৰিণয়*ৰ পৰিশেষত কৃষ্ণই বৰুণালয়ত উপস্থিত হৈ বাণৰ ঘটত্ৰৱা ধেনুসমূহ উদ্ধাৰ কৰা ঘটনাংশয়েও ঠাই পাইছে। অতিৰিক্তভাৱে এই অংশ সংযোগ কৰাৰ কাৰণে *উষা-পৰিণয়*ৰ কাহিনীভাগ শিথিল হৈ পৰিছে।

**সামৰণি:**

পীতাম্বৰ কবিৰ *উষা-পৰিণয়*ক পাঁচালী কাব্য হিচাপে বিচাৰ কৰিলে ওজাপালিৰ প্ৰয়োজন সাধনত, ইয়াত সন্নিৱিষ্ট গীতসমূহে যে সহায় কৰিছে এই কথাত দ্বিমত নাথাকিব। অন্যান্য পাঁচালী কবিকেইজনৰ দৰে পীতাম্বৰ কবিৰো লক্ষ্য আছিল কেৱল লোক-মনোৰঞ্জন। লৌকিকতাৰ প্ৰলেপ সানি মানুহৰ মনক সহজ কথাৰে আনন্দ প্ৰদান কৰা। সেইবাবে হয়তো কোনোধৰণৰ সাহিত্যিক নীতি অনুসৰণ কৰি তেওঁ কাব্য ৰচনা কৰাত গুৰুত্ব দিয়া নাছিল। দুই এঠাইত উপমা অলংকাৰং প্ৰয়োগ কৰাৰ বাহিৰে বহুলভাৱে কাব্যিক অলঙ্কাৰ প্ৰয়োগত তেওঁ মনোনিৱেশ কৰা দেখা নাযায়। অথচ *উষা-পৰিণয়* কাব্যত অকৃপণভাৱে আদিৰসৰ বৰ্ণনা, বীভৎস ৰসৰ প্ৰয়োগ আৰু অলৌকিকতাৰ মাজেদি লোকমনক বিস্ময়বিমূঢ় কৰাৰ চেষ্টা দেখা গৈছে। কাব্যিক বৈশিষ্ট্যৰে উৎকৃষ্ট মানদণ্ডৰ কাব্য নহ'লেও *উষা-পৰিণয়* কাব্যই পাঠক-শ্ৰোতাক নিশ্চয় আনন্দ দান কৰিব পাৰিছিল আৰু আগলৈয়ো অসমীয়া পাঁচালী সাহিত্যৰ এখন উপাদেয় কাব্য হিচাপে নিশ্চয় পৰিগণিত হৈ থাকিব। ■

---

২০. মালতী কুসুম ৰসে খোপা শোভে পাশে।
নক্ষত্ৰ মণ্ডলে যেন চন্দ্ৰৰ প্ৰকাশে।।
শিখত সিন্দুৰ যেন বিধুম হুতাশ।
তৰুণ তিমিৰে যেমন সূৰ্য্যৰ প্ৰকাশ।।
* অধৰ সুন্দৰ যেন ফুলিল পাৰলি।
দন্ত কুন্দ শ্ৰেণী যেন গান্থিলেক মালি।।
* ৰতন কুণ্ডল দুই চুলে, গণ্ডস্থলে।
দুই ৰবি আমলে যেজন কৈলে কোলে।।

---

**সহায়ক গ্ৰন্থপঞ্জী ঃ**


১. গোস্বামী, হেমচন্দ্ৰ (সম্পাদক), *অসমীয়া সাহিত্যৰ চানেকি* (দ্বিতীয় খণ্ড), দ্বিতীয় ভাগ, বৈষ্ণৱ যুগ, বাণী মন্দিৰ, ২০০২।
২. গোস্বামী, যতীন্দ্ৰনাথ, *অসমীয়া সাহিত্যৰ চমু বুৰঞ্জী*, মণিমাণিক প্ৰকাশ, ১৯৯৪।
৩. দত্তবৰুৱা, হৰিনাৰায়ণ, (সঙ্কলক, সম্পাদক), *শ্ৰীমদ্ভাগৱত সম্পূৰ্ণ* দত্তবৰুৱা এণ্ড কোম্পানি, ১৯৯৪।
৪. নেওগ, ডিম্বেশ্বৰ, *অসমীয়া সাহিত্যৰ বুৰঞ্জী*, গুৱনী প্ৰকাশ, ১৯৯৭।
৫. নেওগ, মহেশ্বৰ, *অসমীয়া সাহিত্যৰ ৰূপৰেখা*, নিউ বুক ষ্টল, ১৯৭৪।
৬. নেওগ, মহেশ্বৰ (সম্পাদিত), *পীতাম্বৰ কবিৰ উষা-পৰিণয়*, ১৯৫৯।
৭. মহন্ত, লক্ষ্মীকান্ত, *অসমীয়া সাহিত্য অধ্যয়ন*, বনলতা, ১৯৯৩।
৮. শৰ্মা, সত্যেন্দ্ৰনাথ, *অসমীয়া কাহিনী কাব্যৰ প্ৰবাহ*, বাণী প্ৰকাশ, ১৯৯৬।
৯. শৰ্মা, সত্যেন্দ্ৰনাথ, *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত*, ১৯৮১।


---

* লেখকে যিমানখিনি বিষয় বস্তুৰ ওপৰত একীভূত হ'ব পাৰিছে; যিমানখিনি অন্তঃস্থল ভেদ কৰি তাৰ সূক্ষ্মমৰ্ম গ্ৰহণ কৰি বিষয় বস্তুৰ ফালৰ পৰা সকলো কথা ৰসাভিষিক্ত কৰি তুলিব পাৰে, সেই পৰিমাণে তেওঁ জনসমাজৰ হৃদয় মচিব নোৱাৰাকৈ স্পৰ্শ কৰিব পাৰে আৰু সেই পৰিমাণে তেওঁৰ উক্তিয়ে যুগমীয়া প্ৰবচন হিচাবে লোকসমাজত প্ৰচাৰ লাভ কৰে।

— ডঃ বাণীকান্ত কাকতি।

* য'ত উদ্যম, লালসা, কামনাৰ লেলিহান বহ্নিশিখাই স্পৰ্শ কৰিব নোৱাৰে সেয়ে প্ৰকৃত কাব্য। যিয়ে জগতৰ বাহিৰৰ নজনাক জানিবলৈ প্ৰাণৰ হেঁপাহ সাধনাৰে নিৰ্দেশ দিয়ে সেয়ে কাব্যৰ চৰম অভিব্যক্তি। কাব্য ব্যক্তিগত জীৱনৰ অভিজ্ঞতাৰ ৰূপময় চিত্ৰ।

— ৰঘুনাথ চৌধাৰী।

# 'জীৱনৰ বাটত' উপন্যাসত বীণা বৰুৱাৰ চিন্তা-চেতনা

ড° বিশ্বজিৎ দাস

*জীৱনৰ বাটত* উপন্যাসৰ বিষয়ে ক'ব পাৰি- ই অসমীয়া জনজীৱনৰ উপন্যাস। উপন্যাসখনৰ ব্যাপ্তি ইমান বিশাল যে ইয়াক মহাকাব্যিক আখ্যা দিব পাৰি। যিমানে ভিতৰলৈ সোমাই গৈ থকা যায় সিমানেই যেন নতুন নতুন দিশ, ব্যাপ্তি উন্মোচিত হৈ গৈ থাকে। তেনে কেইটামান দিশৰ কথাহে মাত্ৰ ইয়াত আলোচনা কৰা হৈছে। উপন্যাসখনৰ সামগ্ৰীক আলোচনা ইয়াত নাই।

তথাকথিত অৰ্থত আধুনিকতাই যদিও পৰম্পৰাৰ পৰা আঁতৰি আহি নতুনত্বক আদৰি লোৱা বুজায় তথাপি ই কিন্তু কেৱল বাহ্যিক পৰিৱৰ্তনকে নুবুজায়। আধুনিকতাই প্ৰকৃতাৰ্থত মানৱীয় চেতনাৰ পৰিৱৰ্তনকহে বুজায়। সেই দৃষ্টিৰে পৰম্পৰাগত সৃষ্টি চেতনাৰ মাজতো আধুনিকতাক বিচাৰি পোৱা যাব পাৰে। *জীৱনৰ বাটত* উপন্যাসৰ মাজত বীণা বৰুৱাই মানৱীয় চেতনাৰ পৰিৱৰ্তনকহে অধিক গুৰুত্ব দিয়া যেন অনুভৱ হয়। উপন্যাসখনত পুঁজিবাদে কঢ়িয়াই অনা পৰিৱৰ্তন যিদৰে চিত্ৰিত কৰা হৈছে সমান্তৰালভাৱে লোক-সৃষ্টিৰ চিন্তা চেতনাৰে জীপাল হৈ থকা সমাজখনকো চিত্ৰিত কৰা হৈছে। এখোজ আগুৱাই বৰঞ্চ ক'বহে পাৰি পৰম্পৰাগত চহা জীৱনৰ মাজতে ঔপন্যাসিক বীণা বৰুৱাই অধিক সম্ভাৱনীয়তাক ব্যক্ত কৰিছে। চহা জীৱনৰ পৰম্পৰাৰ মাজত জীৱনৰ অধিক বৰ্ণিল ৰূপ লক্ষ্য কৰিছে। মধ্যবিত্ত জীৱনৰ মাজত কেৱল ব্যক্তিগত লাভালাভ, অৰ্থ লালসা আৰু বাহ্যিক প্ৰতিষ্ঠা লাভৰ চেষ্টাতে চৰিত্ৰসমূহ মত্ত হৈ পৰিছে। আনহাতে গ্ৰাম্য কৃষক জীৱনৰ মাজত দেখা পাইছে জীৱনৰ বিচিত্ৰ অভিজ্ঞতা, জীৱনৰ অধিক বৰ্ণাঢ্য ৰূপ। লোকজীৱনৰ এই বিচিত্ৰ বৰ্ণাঢ্য ৰূপ অঙ্কণৰ বাবে সেয়ে তেখেতে সহায় লৈছে-লোকজীৱনৰ উমাল চেতনাত জীপাল হৈ থকা লোকসাহিত্য, লোকবিশ্বাস আৰু লোকাচাৰৰ। আৱহমান কালৰ পৰা মানুহে লাভ কৰা অভিজ্ঞতাৰ সঞ্চিত জ্ঞানৰ ভঁড়াল হ'ল লোকসাহিত্য আৰু লোকাচাৰসমূহ। এই লোকসাহিত্য আৰু লোকাচাৰসমূহৰ মাজতেই এটা জাতিৰ জীৱন আৰু জগত সম্পৰ্কে থকা ধাৰণা লুকাই থাকে। প্ৰথিতযশা সমালোচক ড° ভৱেন বৰুৱাদেৱে *জীৱনৰ বাটত* উপন্যাসৰ আলোচনাত কৈছিল: "*জীৱনৰ বাটত* উপন্যাসত প্ৰকাশ পাইছে দুটা বস্তুঃ অসম নামৰ সত্তাৰ এখন নিখুঁত ছবি, আৰু জীৱন নামৰ এটা বস্তুৰ এক নিবিড় নৈতিক পৰ্যবেক্ষণ ।.........."

ড° ভৱেন বৰুৱাই উল্লেখ কৰা 'অসম নামৰ এখন নিখুত ছবি' ৰ তাৎপৰ্য উপলব্ধি অবিহনে *জীৱনৰ বাটত* উপন্যাসৰ ৰসাস্বাদন সম্পূৰ্ণ নহয়।

এটা জাতিৰ জীৱন প্ৰতিফলিত হয় সেই জাতিৰ সমাজ জীৱনৰ মাধ্যমেদি। জাতিৰ মনোজগত আৰু জীৱন যাপনৰ আদৰ্শ আকৌ প্ৰতিফলিত হয় সংস্কৃতিৰ মাধ্যমেদি। *জীৱনৰ বাটত* উপন্যাসত আছে অসমীয়া জীৱনৰ বহুমাত্ৰিক (multidimentional) ৰূপ। মধ্যবিত্তীয় চিন্তাচৰ্চা আৰু জীৱন-ধাৰণ, লোকজীৱনৰ পৰম্পৰা, শোষিত বঞ্চিত কৃষক জীৱন, মহাত্মা গান্ধীৰ জাতীয় আন্দোলনে জোকাৰি যোৱা জীৱন, পৰিৱৰ্তনৰ বাট বিচাৰি হাবাথুৰি খোৱা জীৱন - এই সকলোবোৰে দিছে উপন্যাসখনক বহুমাত্ৰিকতা। অসমৰ পৰম্পৰাগত লোকজীৱনৰ জীপাল ছবিৰ অঙ্কন উপন্যাসখনৰ অনন্য সম্পদ। এই লোকজীৱনৰ সম্পদ লোকসংস্কৃতি। লোকসংস্কৃতি বস্তুতঃ এটা জ্ঞাপন-মাধ্যম আৰু মানৱীয় ব্যৱহাৰ বিধিৰ প্ৰকাশশৈলী । এই লোকসংস্কৃতিৰ মাজতে লুকাই থাকে সমাজ এখনৰ প্ৰাণ-স্পন্দন, জীৱনৰ অন্তৰ্লীন সৌন্দৰ্য। এই প্ৰাণস্পন্দনৰ মাজতেই প্ৰকাশ পাইছে জীৱন নামৰ এটা বস্তুৰ এক নিবিড় নৈতিক পৰ্যবেক্ষণ । কাৰণ লোক-কথাৰ মাধ্যমেদি আপাতদৃষ্টিত অসংলগ্ন যেন বোধ হোৱা কথাৰ মাজেৰেও গভীৰ সত্যৰ সন্ধান লাভ কৰিব পাৰি।

উপন্যাসখনত কমলাকান্ত আৰু মাণিক হাজৰিকাৰ চৰিত্ৰৰ মাজেৰে মধ্যবিত্ত শ্ৰেণী চৰিত্ৰকো সমাজত প্ৰতিষ্ঠা কৰা হৈছে। পুঁজিবাদে বিপৰ্যস্ত কৰা নৈতিকতা আৰু মূল্যবোধ, আত্মকেন্দ্ৰিকতা আৰু স্বাৰ্থপৰ মনোভাব মধ্যবিত্ত জীৱনধাৰাৰ মাজত লক্ষ্য কৰা যায়। কমলাকান্তই তগৰৰ প্ৰতি কৰা বিশ্বাসঘাটকতাৰ মাজেদি মধ্যবিত্ত শ্ৰেণী চৰিত্ৰৰ প্ৰতিফলন ঘটিছে। মধ্যবিত্ত শ্ৰেণী চৰিত্ৰৰ ফোপোলা প্ৰতিষ্ঠাৰ আন এটা নিদৰ্শন হ'ল— হাজৰিকানীয়ে সুপ্ৰভাক কমলাকান্তৰ মাকৰ আগত 'বৰগীত' এটা গাই শুনাবলৈ কৈছে। সুপ্ৰভাই পিয়ানোৰ ৰিঙত বহি গালে 'ৰবীন্দ্ৰনাথৰ গান'। ৰবীন্দ্ৰ সঙ্গীতৰ প্ৰতি সম্পূৰ্ণ শ্ৰদ্ধা জনায়ো ক'ব পাৰি সেই সময়ত মধ্যবিত্ত শ্ৰেণীয়ে অনুভৱ কৰা বাংলা ভাষা, সাহিত্য, সংস্কৃতিৰ প্ৰতি থকা অসমীয়াৰ অন্ধ আনুগত্যৰ ই প্ৰকাশ মাথোন। এয়া নিশ্চয় বীণা বৰুৱাৰ অসমীয়া জাতীয়তাবাদী চৰিত্ৰক প্ৰতিষ্ঠা কৰাৰ



সচেতন প্ৰয়াস। সুভদ্ৰাৰ প্ৰতি তীব্ৰ ব্যঙ্গোক্তিও কৰিছে কমলাকান্তৰ মাকৰ জৰিয়তে: "এইটি কাৰ বৰগীত? মহাপুৰুষৰ নহয়নে?

জীয়েকৰ কীৰ্তিৰ গৌৰৱত হাজৰিকানীৰ চকুৰে মুখে হাঁহি বিৰিঙি পৰিল। বৰুৱানীৰ অৱজ্ঞাক পুতৌ কৰি লাহেকৈ উত্তৰ দিলে, এই বৰগীত নহয় নামজ্বলা বঙালী কবি ৰবীন্দ্ৰনাথৰ গান।"

ৰবীন্দ্ৰনাথ ঠাকুৰৰ বাংলা গীতৰ জৰিয়তে নিজৰ আভিজাত্য প্ৰকাশ কৰিবলৈহে সুভদ্ৰাই ৰবীন্দ্ৰ-সঙ্গীতটি পৰিৱেশন কৰিছিল । এই গোটেই ঘটনাৰ আঁৰত লুকাই আছে ঔপন্যাসিক বীণা বৰুৱাৰ অসমীয়া জাতীয়তাবাদী চিন্তাধাৰা।

উপন্যাসৰ সামৰণিত ৰহা চাৰ্কোলৰ পুলিচ ছাব-ইন্সপেক্টৰ মাধৱ মহন্তই কমলাকান্তৰ নামাঙ্কিত আঙঠি যেতিয়া দেখুৱাবলৈ আহিছে, সুপ্ৰভা তেতিয়া গাধোৱা ঘৰত। সুপ্ৰভাই গাধোৱা ঘৰত ৰবীন্দ্ৰনাথৰ গীত গুণগুণাইছে—

> বড়ো বেদনাৰ মতো বেজেছ তুমি হে আমাৰ প্ৰাণে;
> মন যে কেমন কৰে মনে মনে তাহা মনেই জানে।।

* * *

কমলাকান্তই আঙুঠিৰ টেমা তেতিয়ালৈ খোলাই নাছিল। কমলাকান্তই সুপ্ৰভাৰ গীত শুনিলে। তাৰপাছত সন্তৰ্পণে সাঁফৰ খুলি আঙুঠিটো উলিয়ালে। আঙুঠিটো দেখি 'মৰাশৰ দৰে কমলাকান্তৰ মুখখন ঢেলঢেলীয়া শেতা হ'ল'। হাতৰ পৰা টেমা আঙঠি খহি পৰিল। কি বৈপৰীত্য! ৰবীন্দ্ৰনাথৰ গীতক যদি পুনৰ আভিজাত্যৰ প্ৰতীক বুলি ধৰোঁ তেন্তে কমলাকান্তৰ অৱস্থাই এই আভিজাত্যক পুনৰ ফোপোলা কৰি তুলিব।

তগৰৰ স্বামী ধৰণী আছিল সমাজলৈ নব্য চেতনা কঢ়িয়াই অনা এজন প্ৰহৰী। যদিও বৃত্তিত উইভিং মাষ্টৰ, পৰম্পৰাক পৰিহাৰ কৰি সমাজক পৰিৱৰ্তনৰ চিন্তাৰে আগুৱাই নিবলৈ আগ্ৰহী প্ৰগতিশীল চেতনাৰ অধিকাৰী এজন ব্যক্তি। বোৱাকটা বিষয়ত গাঁৱলীয়া তিৰোতাৰ নিপুণতাই ধৰণীক তবধ মনাইছে। অসমীয়া তিৰোতাই কাপোৰত সৰগ ৰচে, বজাৰত ইয়াৰ চাহিদা আছে। অথচ বজাৰ সম্বন্ধে জ্ঞান নথকাৰ ফলত উচিত মূল্য নাপায়: "মাৰোৱাৰী মহাজনেহে ফিকিৰ ফন্দি পাতি শিপিনীহঁতৰ পৰা এড়িয়া কাপোৰ, বৰ কাপোৰ আধামূলীয়াকৈ কিনে।"

> সেয়ে ধৰণীয়ে সমস্যাৰ সমাধান উপলব্ধি কৰিছে—
> লোহাৰ তাঁতশাল বিলালে গাঁৱলীয়া মানুহৰ দুখ দুৰৱস্থা নুগুছে । মাৰোৱাৰী মহাজনৰ খতিয়ান খাতাৰপৰা গাঁৱলীয়া মানুহৰ নাম খেৰাজ নকৰিলে, গাঁৱৰ উৎপন্ন বস্তু সৰহ দামত বাহিৰলৈ সৰবৰাহ কৰিবলৈ ব্যৱস্থা নেথাকিলে, হস্কিলে মস্কিলে ধন ধাৰে দিয়া সহায়-সমিতি নহ'লে, আজৰি সময়খিনি কামত খটুৱাই অসমীয়া মানুহক উদ্যোগী, উৎসাহী, পৰিশ্ৰমপটু কৰিব নোৱাৰিলে, গাঁৱলীয়া ৰাইজৰ বেজাৰ বিননি সাধুৰ সমাপ্তি নাই।

ইয়াৰ মাজেদি প্ৰকাশ পাইছে ধৰণীৰ বজাৰ ব্যৱস্থা সম্পৰ্কে জ্ঞান। ই সম্পূৰ্ণৰূপে আধুনিক। পুঁজিবাদী অৰ্থনীতিৰ এটা অতি গুৰুত্বপূৰ্ণ বিষয় হ'ল— বজাৰ অধ্যয়ন। আমাৰ সাধাৰণ চহা মানুহৰ বজাৰ সম্পৰ্কে ধাৰণা নথকাৰ ফলত মধ্যভোগী শ্ৰেণীয়ে সদায় সুবিধা লয়। উৎপাদিত সামগ্ৰীৰ বজাৰৰ ব্যৱস্থা কৰিব পাৰিলে বহুত সমস্যাৰেই সমাধান পাব পৰা যাব। আন এটা গুৰুত্বপূৰ্ণ কথাও ধৰণীৰ বক্তব্যত প্ৰকাশ পাইছে। অসমীয়া মানুহে খেতিৰ দিনকেইটা কষ্ট কৰিয়েই বছৰটো খায়। অসমীয়া মানুহ এলেহুৱা বুলি থকা ধাৰণাৰ কাৰণটো এয়েই বুলিও হয়তো ঔপন্যাসিক বীণা বৰুৱাই অনুভৱ কৰিছিল আৰু সেয়ে ধৰণীৰ মুখেৰেই সমিধান এটা দিয়াৰো হয়তো চেষ্টা কৰিছে । খেতি নোহোৱা দিনকেইটাত কাৰ্যত এনেয়ে থকা অসমীয়া মানুহক বিকল্প হিচাপে কোনো কৰ্মৰ লগত জড়িত হোৱাৰ কথাও ব্যক্ত কৰিছে । 'উদ্যোগী, উৎসাহী, পৰিশ্ৰমপটু' শব্দকেইটাৰ মৰ্মাথ বোধহয় এয়াহ।

সমাজ এখনৰ উন্নতি, এটা জাতিৰ উন্নতি কেৱল উদ্যোগজাত সামগ্ৰীৰ ওপৰতেই নিৰ্ভৰ নকৰে। জাতি এটাৰ সৰ্বাঙ্গীন উন্নতি তেতিয়াহে হ'ব যেতিয়া থলুৱা শিল্প-উদ্যোগীসকলো উৎপাদন প্ৰক্ৰিয়াৰ লগত জড়িত হৈ পৰিব । সাধাৰণতে দেখা যায় আমদানিকৃত উদ্যোগজাত সামগ্ৰীয়ে সদায় থলুৱা উদ্যোগীসকলক কৰ্মসংস্থানহীনহে কৰি তোলে। এনে অৱস্থাত সৰ্বাঙ্গীন উন্নতিৰ ধাৰণাটো নাইকিয়া হৈ যায় । বীণা বৰুৱাই বিষয়টো উত্থাপন কৰি পৰম্পৰা আৰু পৰিৱৰ্তনৰ মাজৰ দ্বন্দক উপস্থাপন কৰিছে–

> "ফুলগুৰি, জালগুটি অঞ্চলৰ লালুং, হাৰি, কৈৱৰ্ত, কছাৰী তিৰোতাই এড়ি পুহিছিল, এড়ি কাটিছিল। একোখন ফুলবছা এড়িয়াৰ বৰ কাপোৰ দুকুৰি দেড়কুৰিত বেচিছিল । গাঁৱে- গাঁৱে কেঞাবাবুৰ গোলা বহাৰ পৰা হাতেকটা সূতাৰ কাপোৰ মানুহে নিবিচৰা হ'ল। শিপিনাসকলেও মেহনতী ব্যৱসায় এৰি পেলাইছে। ........ ঢাকোৱালী দোকানত জাপানী চীনামাটি এনামেল আৰু কাঁচৰ বাচন-বৰ্তন ওলোৱাৰ পৰা কঁহাৰ গাঁৱৰ কলিতা, কুমাৰ গাঁৱৰ হাৰিসকলৰ সম্পদ চকুৰ পচাৰতে অন্তৰ্ধান হ'ল।"

অসমীয়া জাতীয় জীৱনলৈ সঙ্কট আৰু সংঘাট কঢ়িয়াই আনিব পৰা আন এটা বিষয়ৰ অৱতাৰণা তেখেতে এনেদৰে কৰিছে—

> "খগেশ্বৰ বোলা এজনে ময়মনচিঙীয়া মানুহ লৈ নতুনকৈ মাটি ভঙাইছে । পিছে, কথাটো তেওঁ ভাল কৰা নাই। গোজেই গজালি মেলিবগৈ।

ময়মনচিঙীয়া আৰু বিহমেটেকা একে বিধৰ। এবাৰ চপাই ল'লে, গোটেইখন বিষাক্ত হৈ পৰিব।"

"লাওখোৱা, লাহৰীঘাট দুয়ো মৌজাতে ফিৰিঙতি মাটি নোহোৱাই হ'ল। এতিয়া শুনিছোঁ চৰণীয়া পথাৰকেইখনো তাহাঁতলৈ মুকলি কৰি দিবহে খুজিছে।"

"ৰাইজ মৰকেই বা তৰকেই । চৰকাৰৰ খাজনা পালেই হ'ল।"

— উপৰিউক্ত মন্তব্যৰ আঁৰত প্ৰকাশ পাইছে ঔপনিৱেশিক শাসকৰ মনোবৃত্তি , এচাম সুবিধাবাদী মধ্যভোগীৰ আগ্ৰাসন আৰু ভৱিষ্যতৰ আশঙ্কা। ঔপন্যাসিক বীণা বৰুৱাৰ মনত হয়তো এটা সংশয়ৰ সৃষ্টি হৈছিল আৰু সেয়ে উপন্যাসখনত তেনে কোনো ব্যাপ্তি নথকা সত্ত্বেও ইয়াক উল্লেখ কৰি সকিয়নি এটি দি থৈ গ'ল। আজি হয়তো উল্লেখ কৰা প্ৰয়োজন নহ'ব বীণা বৰুৱাৰ দৃষ্টি আৰু চিন্তাৰ প্ৰখৰতাৰ কথা।

মধ্যবিত্ত জীৱন চৰ্চাৰ মাজেদিও তেখেতে এটা দিশ দেখুওৱাৰ চেষ্টা কৰিছে। মূল্যবোধৰ সঙ্কট, নৈতিকতাৰ অৱক্ষয়, আত্মপ্ৰতিষ্ঠাৰ প্ৰচেষ্টা আৰু আত্মকেন্দ্ৰিকতাই মধ্যবিত্ত জীৱনৰ মাজেৰে সমাজত প্ৰতিষ্ঠা লভিছেহি। এই শ্ৰেণী চৰিত্ৰৰ মাজত সেয়ে মানসিক দ্বন্দও দেখা পোৱা গৈছে। মাধৱ মহন্তক কমলাকান্তই কৈছে: "বুজিছে মহন্ত, আমি নিজে দেশৰ একো উপকাৰ সাধিব পৰা নাই; যিসকলে কৰিছে তেওঁলোকক অযথা নিন্দা কৰা উচিত নহয়।"

আৰু সেয়েহে হয়তো ঔপন্যাসিক বীণা বৰুৱা চহা জীৱনৰ পৰম্পৰাৰ মাজত বেছি আস্থাশীল হৈ পৰা দেখা গ'ল। মধ্যবিত্ত জীৱনৰ লগত এই মানসিক দ্বন্দ এতিয়াও আছে আৰু আগলৈও থাকিব। পৰিৱৰ্তন সকলোৱে বিচাৰে আৰু পৰিৱৰ্তন অৱশ্যম্ভাৱীও। কিন্তু এই পৰিৱৰ্তনে জীৱনৰ মূল্যবোধক, পৰম্পৰাক, সংস্কৃতিক জীৱনৰ পৰা বিচ্ছিন্ন কৰিব নালাগে। কমলাকান্ত, মাণিক হাজৰিকাৰ বিপৰীতে গোলাপ বৰুৱা ডাক্তৰৰ যোগেদি সুস্থ আধুনিকতাক আদৰি অনা হৈছে। ডাক্তৰখানাৰ যোগেদি উপন্যাসত দেখুওৱা হৈছে জীৱনৰ বাবেহে পৰিৱৰ্তন আৱশ্যক। এই পৰিৱৰ্তনে মানুহৰ বাবে আনিছে অযুত আশা—

> "চকুত চামনি ধৰাৰ কাৰণে মৃত্যুক যি দেখা নাই, সেই বুঢ়া আহিছে চকুৰোগৰ অব্যৰ্থ মহৌষধ বিচাৰি; ডিঙিত গৰল লৈ যাৰ তিনিকাল গ'ল, তৃতীয় পক্ষৰ তাড়নাত সি বিচাৰিছে গৰলৰ দৰব? উত্তৰাধিকাৰী সূত্ৰত পোৱা মাটি কেইডৰাৰ দৰে যাৰ গোটেই হাতে খৰ, হাটলে আহোঁতে লগৰলগত মনত পৰি সিও সোমাইছে অকণমান খজুৱতিৰ মলম বিচাৰি। পাতলিত ফুল বছাৰ দৰে যিজনী ছোৱালী গায়ে মুখে আয়ে ফুল বাছিছে, বিয়াৰ যো-জা হোৱাত তাইকো বাপেকে লৈ আহিছে ডাক্তৰৰ কৃপাপ্ৰাৰ্থী হৈ; সংসাৰৰ কদৰ্য চিত্ৰ চাব নালাগে বুলি যিটোক বিধাতা পুৰুষে জন্মান্ধ কৰিছে, সিও আহিছে ডাক্তৰৰ যাদু মন্ত্ৰেৰে চকুৰ বান্ধ মোকোলাবলৈ; সন্তান জন্ম দিয়াৰ নিৰ্যাতনৰ পৰা যি বন্ধ্যাক ত্ৰাণ কৰা হৈছে, দৈৱৰ লগত যুঁজি তায়ো আহিছে সন্তানৰ মাক হ'বলৈ।"

—ইয়াত ডাক্তৰখানা পৰিৱৰ্তন আৰু গোলাপ ডাক্তৰ এই পৰিৱৰ্তনৰ বাহক। এই পৰিৱৰ্তন কল্যাণকামী পৰিৱৰ্তন। এই পৰিৱৰ্তনে দেশৰ, দহৰ উপকাৰ সাধন কৰিব। ধনী, দুখীয়া নিৰ্বিশেষে সকলো শ্ৰেণীৰ বাবে এই পৰিৰ্ৱতন।

*জীৱনৰ বাটত* উপন্যাসত ঔপন্যাসিক বীণা বৰুৱাই পৰম্পৰা আৰু পৰিৱৰ্তনৰ কাহিনীৰ মাজেদিয়েই অসমৰ ভৱিষ্যৎ দৰ্শন কৰিছে। আজি *জীৱনৰ বাটত* উপন্যাস লিখা পয়ষষ্ঠি বছৰৰ পাছত বীণা বৰুৱাৰ চিন্তালৈ মন কৰিলে কি দেখিম, consumerism-এ জুৰুলা কৰা মধ্যবিত্তীয় ভণ্ডামি, অস্তিত্বহীনতাত ভোগা অসমীয়া সমাজ আৰু কত কি? সেয়ে বীণা বৰুৱাৰ চেতনা অসমীয়া জাতীয় জীৱনৰ চেতনা হোৱা উচিত। অন্যথাই নিশ্চিহ্ন হ'বলৈ বেছি সময় নালাগিব।

---

* শৰীৰত প্ৰসাধনৰ প্ৰয়োজনীয়তাৰ দৰে অন্তৰতো প্ৰসাধনৰ প্ৰয়োজন আছে। মন সাহিত্য-পিপাসী কৰি তোলাই অন্তৰ-প্ৰসাধন। মনত এবাৰ সাহিত্য পিয়াহ জগাই তুলিব পাৰিলে সাজ-সজ্জাৰ দোকানতকৈ গ্ৰন্থৰ দোকানতহে ভিৰ বাঢ়িব।

— নলিনীবালা দেৱী।



(স্ব-পৰিদৰ্শন)

# কাৰ্বি ভূমিত যমুনাৰ ঐতিহাসিক তাৎপৰ্য

শিখা কোঁচ, স্নাতক দ্বিতীয় বৰ্ষ, অসমীয়া বিভাগ

কাৰ্বি আংলং জিলাৰ সোঁমাজেৰে বৈ যোৱা অন্যতম নদী হ'ল যমুনা। এই নদী সুদূৰ খনবামন পাহাৰৰ নামনি লাংব'কুৰ পৰা উৎপত্তি হৈ মানজা, বকলীয়া, হাওৰাঘাট আৰু ডবকাৰ মাজেৰে গৈ নগাঁও জিলাৰ যমুনামুখৰ কপিলী নদীত পৰিছে। এই নদীৰ পাৰতে অৱস্থিত হাওৰাঘাট নগৰ। এই নগৰতে অনুষ্ঠিত হৈছিল ৬৪তম অসম সাহিত্য সভাৰ অধিৱেশন।

যমুনা নদীৰ ঐতিহাসিক তাৎপৰ্য বহুতৰ বাবে হয়তো আশ্চৰ্যৰ কথা। ১৭শ-১৮শ শতিকাত বাণিজ্যিক অৰ্থনৈতিক তথা যাতায়তৰ দিশত এই নদীৰ অধিক গুৰুত্ব আছিল। যমুনা নদীক কাৰ্বিসকলে চমনা বুলি কয়। এই নদীৰ নাম কিয় চমনা হ'ল তাৰ স্পষ্টকৈ প্ৰমাণ পোৱা নাযায়। বহুতে এবিধ শিঙিজাতীয় সৰু মাছৰ নামৰ পৰাই এই নদীৰ নাম চমনা হয় বুলি ক'বলৈ বিচাৰে। অতীতত হয়তো এই নদীখনত চমনা মাছ উভৈনদী আছিল। সেয়ে নদীৰ পৰাই কাৰবিৰ এটি গুৰুত্বপূৰ্ণ ফকৰা-যোজনা 'কেপ্ৰেকে চমনা, কিথিকে থেপাক' উৎপত্তি হৈছিল। এই ফকৰা যোজনাৰ হুবহু অসমীয়া ৰূপান্তৰ হ'ল 'বিহ দিছিল যমুনাত, মৃত্যু হ'ল জোঁৱায়েকৰহে।' থেপাক শব্দৰ অৰ্থ জোঁৱায়েক।

কাৰ্বিসকলে নদী বা খাল-বিল আদিত মাছ ধৰা কাৰ্যক 'অক্কেপ্ৰূ' বুলি কয়। উপৰোক্ত ফঁকৰা-যোজনাত অক (মাছ শব্দটো উহ্য কৰি ৰখা হৈছে। 'অক্কেপ্ৰূ' কাৰ্বিসকলৰ এক জাতীয় পৰম্পৰা। ইয়াক উৎসৱ হিচাপে গণ্য কৰা হয়। এনেধৰণে এদিন চমনা নদীত বিহ দি মাছ ধৰোঁতে মানুহ এজনীৰ জোঁৱায়েক মৃত্যুমুখত পৰিব লগা হ'ল। মানুহজনীৰ মুখৰ পৰা দুখত অজানিতে ওলাই আহিল 'কেপ্ৰেকে চমনা, কিথিকে থেপাক' আৰু কালক্ৰমত ই ফকৰা-যোজনাত পৰিণত হ'ল। বহুতে আকৌ চমনা এজন মানুহৰ নাম বুলিও ক'ব খোজে। আৰু বিহ দি মাছ ধৰোঁতে দুৰ্ঘটনাত পতিত হৈ তেওঁৰ মৃত্যু হয়। কালক্ৰমত এই ঘটনাৰ আলমত ফকৰা-যোজনা ৰচিত হয়। যিয়েই নহওক এই ফকৰা-যোজনাই লক্ষ্যভ্ৰষ্ট হৈ নিজৰ বিপদ হোৱা অৰ্থক বুজায়। অসমীয়াত ইয়াৰ অনুৰূপ ফকৰা হ'ল: 'লোকলৈ বুলি হুল পুতি নিজে মৰে ফুটি'।

আনহাতে ১৭শ-১৮শ শতিকাতো যমুনা বুলিয়েই পৰিচিত। জন বুটলাৰে তেওঁৰ ভ্ৰমণ কাহিনী 'ট্ৰেভলছ ইন আছাম' নামক কিতাপখনত এই নদীখনৰ নাম যমুনা বুলিয়েই উল্লেখ কৰিছে। কাৰ্বিসকলক অসম আৱিষ্কৰ্তা কলম্বাছ বুলি আখ্যা দি বিষ্ণুপ্ৰসাদ ৰাভাদেৱে কয় যে 'কাৰবি' শব্দ জইমুনাকৰ পৰাই 'যমুনা' উৎপত্তি হয় বুলি কৈছিল। 'জই' শব্দৰ অৰ্থ 'সহজ'। 'জইমুনাকৰ' মানে 'অধিক সহজ'। ই তুলনামূলক শব্দ। সম্ভৱতঃ সেই সময়ত দুৰ্গম অৰণ্যৰ পাহাৰীয়া বাটেৰে অহাযোৱা কৰাতকৈ এই নদীয়েদি অহাযোৱা কৰাটো অধিক সহজ অথবা সুৰক্ষিত আছিল।

বিগত ১৭শ-১৮শ শতিকাৰ সময়ছোৱাত কাৰবিসকল মিকিৰ বুলি জনাজাত আছিল। তেতিয়া এই নদীৰ বুকুত থকা শিলভেটা এখন গুৰুত্বপূৰ্ণ বজাৰ আছিল। আৰু এই নদীয়েই সেই সময়ত পাহাৰ-ভৈয়ামৰ যোগাযোগৰ একমাত্ৰ পথ আছিল। এই বজাৰ পাহাৰ-ভৈয়ামবাসীৰ বিনিময় কেন্দ্ৰ আছিল। ভৈয়ামবাসীয়ে টুলুঙা নাৱেৰে এই নদীয়েদি উজাই আহি শিলভেটাত বাহৰ পাতিছিল আৰু কাৰ্বিসকলৰ পৰা কপাহ-তিল আদি ক্ৰয় কৰিছিল। কাৰবিসকলেও সেই বেপাৰীসকলৰ পৰা নিমখ-কেৰাচিন আদি সামগ্ৰী ক্ৰয় কৰিছিল। বৰ্তমান কাৰ্বি আংলং জিলাৰ সমূহ উত্তৰ পূব অঞ্চল ১৯শ শতিকাৰ নগাঁও জিলাৰ অধীন আছিল। তথাপি নগাঁৱৰ ওচৰৰ মৰিকলঙৰ পৰা উত্তৰে ব্ৰহ্মপুত্ৰ আৰু দক্ষিণে কপিলী নদীৰ সমূহ সমতল অঞ্চল (বৰ্তমান নগাঁও জিলাৰ অধীনস্থ) আৰু পূবে সিংহাসন পাহাৰলৈ এই বিস্তৃত অঞ্চলত ঘাইকৈ কাৰ্বিসকলে বসতি কৰিছিল। ১৮৩৩ চনৰ জুলাই মাহত গঠন হোৱা নগাঁও জিলাৰ অসামৰিক প্ৰশাসক হিচাপে ১৮৪১ চনত জন বুটলাৰক নিযুক্ত কৰা হয়। সেই সময়তে বুটলাৰে এই বিস্তৃত এলেকা পৰিভ্ৰমণ কৰে। ১৮৪৫ চনত বিদ্ৰোহী নগাসকলক দমন কৰাৰ উদ্দেশ্যে তেওঁ নগাঁৱৰ পৰা ডবকা হাওৰাঘাট হৈ নগাৰাজ্যলৈ আহে। ২৫ নৱেম্বৰত তেওঁ শিলভেটাত শিবিৰ পাতি নিশাটো অতিবাহিত কৰে। তেওঁ ডবকাৰ পৰা যমুনা নদীক সম্বল কৰি পথ নিৰ্মাণ কৰিছিল। তেওঁৰ *ট্ৰেভেলছ ইন আছাম* নামৰ ভ্ৰমণ কাহিনীত এই সম্পৰ্কে বিতংভাৱে লিপিবদ্ধ কৰি থৈ গৈছে। শিলভেটা জলপ্ৰপাতৰ সৌন্দৰ্য দেখি বুটলাৰে 'এনে দৃশ্য বিৰল' বুলি অভিহিত কৰি গৈছে। যমুনা নদীৰ ঐতিহাসিক গুৰুত্ব ইমানেই নহয়। এই নদীৰ পাৰতে কেইবাখনো ইতিহাস প্ৰসিদ্ধ স্থান আছে। কাৰবি জাতীয় বীৰঙ্গনা ৰংফাৰপী ৰংবে বুলি খ্যাত অম্‌ফু ৰংফাৰপী

(বহুতে কাৰেং ৰংফাৰপী বুলিও কয়) বসতি স্থান ৰংতেপ্লং গাঁওখনো এই নদীৰ পাৰতে অৱস্থিত। বৰ্তমান নাম বকলীয়াৰ ওচৰত থকা ৰংতেপ্লং খনেই ৰংফাৰপীৰ বাসস্থান বুলি গৱেষক প্ৰফেচাৰ গোপাল চন্দ্ৰ মেধি আৰু বিশিষ্ট লেখক লংকাম টেৰণে মন্তব্য আগবঢ়াইছে। এই ৰংতেপ্লং গাঁওখন পিছত ৰংকেৰপীৰংবে নামেৰে জনাজাত হয় বুলি প্ৰফেচাৰ মেধিয়ে কয় (হিষ্টৰিকেল জৰ্ণেল, ডিফু গৱৰ্ণমেণ্ট কলেজ ১৯৭৪)। এই গাঁওখনে আজিও সেই ঐতিহ্যবহন কৰি আছে। আনহাতে কৰতলীয়া কছাৰী ৰজা তুলাৰাম সেনাপতিৰ ৰাজধানী মৌদংগাও এই যমুনা নদীৰ পাৰতে অৱস্থিত। মৌদংগা বৰ্তমান নগাঁও জিলাৰ অন্তৰ্গত আৰু হাওৰাঘাটৰ ওচৰত অৱস্থিত। বুটলাৰে তেওঁৰ ভ্ৰমণকালত ডবকালৈ যমুনাৰ দক্ষিণ পাৰে আহি হাওৰাঘাটৰ ওচৰত নদীখন পাৰ হৈ ১৮৪৫ চনৰ ২৩ নৱেম্বৰত কাছমাৰীত (তেতিয়া কছুৱামাৰী) শিবিৰ স্থাপন কৰি তুলাৰাম সেনাপতিক তেওঁৰ ঘৰত লগ ধৰিবলৈ গৈছিল। সেনাপতিয়ে নিজে ওলাই আহি মেজৰ বুটলাৰক স্বাগতম জনাইছিল। বয়স বাঢ়ি যোৱাত সেনাপতি যথেষ্ট দুৰ্বল হৈ পৰিছিল। জন বুটলাৰৰ ভাষাত: 'মানুহজন এটা জকা যেনহে আছিল'। ১৮৫০ চনত তেওঁৰ সেনাপতিৰ মৃত্যু হোৱাত তেওঁৰ ৰাজ্য ইংৰাজৰ অধীনলৈ আহে। মৌদংগাত ঐতিহাসিক ধ্বংসাৱশেষ আজিও বিদ্যমান।

উক্ত তথ্যৰ পৰা যমুনা নদীৰ ঐতিহাসিক তাৎপৰ্যৰ বিষয়ে বুজিব পাৰি। এই নদীৰ গুৰুত্ব বৰ্তমান দিনতো হ্ৰাস পোৱা নাই। বকলীয়াঘাটত স্থাপন কৰা বৃহত্তৰ জলসিঞ্চন প্ৰকল্পই ইয়াৰ প্ৰমাণ দিয়ে। ইয়াৰ উপৰি মানজাতিস্থ বৃহত্তৰ ডিফু পানী যোগান আঁচনিৰ অন্তৰ্গত এই নদীৰ উজনি ভাগৰ লংনংৰকুৰ পৰাই পানী তোলাৰ ব্যৱস্থা কৰা হৈছে। পৰ্যটন বিভাগে শিলভেটাক এটা গুৰুত্বপূৰ্ণ পৰ্যটন স্থলীলৈ পৰিৱৰ্তন কৰাৰ আঁচনি লৈছিল যদিও কিছুমান কাৰণবশতঃ এই আঁচনিৰ কাম সফলৰূপে আগবাঢ়িব পৰা নাই। ■



**সহায়ক ব্যক্তি ঃ**
ভবেন কোঁচ, প্ৰবক্তা থনকবে মহাবিদ্যালয়, অসমীয়া বিভাগ আৰু অন্যান্য নেপবীয়া লোক।

**সহায় লোৱা প্ৰবন্ধ ঃ**
*যমুনা নদীৰ ঐতিহাসিক তাৎপৰ্য*, লেখক বিদ্যাচিং বংপী, স্মৃতিগ্ৰন্থ: *মহামায়া*, পৃষ্ঠা ৩৯।



# অসমীয়া সংস্কৃতিত লোকশিল্প

ৰিমৃঝিম্ দেৱী, স্নাতক দ্বিতীয় বৰ্ষ, অসমীয়া বিভাগ

গাঁৱলীয়া জীৱনৰ সুকুমাৰ-কলা প্ৰীতিৰ পৰিচয় ফুটি ওলায় হস্তশিল্প আৰু লোক-শিল্পত। কেৱল দৈনন্দিন প্ৰয়োজনৰ সা-সঁজুলিতে নহয়, ধৰ্মমূলক ক্ৰিয়া অনুষ্ঠানৰ লগতো লোকশিল্পৰ সম্বন্ধ মনকৰিবলগীয়া। এই লোকশিল্পৰ প্ৰাচীন নিদৰ্শন হ'ল মৃৎশিল্প বা কুমাৰ-শিল্প। গাঁৰৰ মানুহৰ নিত্য ব্যৱহাৰৰ কাৰণে তৈয়াৰ কৰা এই সামগ্ৰীসমূহত কুমাৰৰ শিল্প নিপুণতাৰ ব্যক্তিগত মনোৰম ছাপ প্ৰকাশ পায়। বাৰ্ড ডিডে ঠিকেই কৈছে: 'ৰূপ আৰু ব্যৱহাৰিক সুবিধা আৰু অনাড়ম্বৰতাৰ পিনৰপৰা ভাৰতবৰ্ষৰ মৃৎশিল্প প্ৰকৃতিৰ লগত ৰজিতা খাই পৰিছে। কলাৰ ক্ষেত্ৰতো ঘৰুৱা আৰু কম খৰচী সকলো হস্তশিল্পৰ ভিতৰত মৃৎশিল্প সৰ্বাঙ্গসুন্দৰ।'

প্ৰাচীন মৃৎ-শিল্পৰ চানেকি অসমত সৰহ নাই। ইয়াৰ প্ৰধান কাৰণ মাটিৰ বস্তু বহুদিন নিটিকে। তাৰোপৰি মাটিৰ পাত্ৰ সহজতে অশুচি হয় বুলি এবাৰ ব্যৱহাৰৰ পিছতে তাক নষ্ট কৰি পেলোৱা হয়। গুৱাহাটীৰ ৰাজ্যিক সংগ্ৰহালয়ত কেইটিমান বিভিন্ন চানেকিৰ মাটিৰ পুৰণিকলীয়া পাত্ৰ সংৰক্ষণ কৰা হৈছে। ইয়াৰে ভগা কলহ আৰু ধুনা জ্বলোৱা পাত্ৰটিয়ে শিল্পীৰ শিল্পদৰ্শনৰ সুন্দৰ পৰিচয় দিছে। কলহটোৰ গাৰ অঙ্কনৰেখাই দৰ্শকৰ দৃষ্টি সহজে আকৰ্ষণ কৰে।

দৈনন্দিন প্ৰয়োজনীয় বস্তুৰ বাহিৰেও কুমাৰে বিলাস আৰু আনন্দ উৎসৱৰ পুতলা আদি সামগ্ৰীও গঢ়ে। গাঁৰৰ কুমাৰ আৰু খনিকৰে নানা দেৱ-দেৱীৰ প্ৰতিমাও গঢ়ে। কুমাৰ আৰু কুমাৰনীয়ে গঢ়া বস্তুৰ ভিতৰত মানুহ, জীৱ-জন্তু, গছ-গছনি ইত্যাদি আছে। উল্লেখযোগ্য যে, পোৰা মাটিৰ কেইখানো প্ৰাচীন ফলক শদিয়াৰ তাম্ৰেশ্বৰী মন্দিৰ আৰু শিৱসাগৰৰ দৌল-দেৱালয়ৰ কাষত পোৱা গৈছে। উচ্চ স্তৰৰ শিল্প নহ'লেও এইবোৰত মানুহ আৰু প্ৰকৃতিৰ মনোৰম ব্যঞ্জনা ফুটি উঠিছে।

পুতলাৰ প্ৰসঙ্গত কামৰূপৰ পুতেলি বিয়াৰ উল্লেখ কৰিব পাৰি। ব'হাগ মাহত পুত্ৰহীনা বিধৱাই ঘাইকৈ বন্ধ্যা তিৰোতাই পুত্ৰ কামনা কৰি কেইবাযোৰাও পুতলা দৰা-কন্যা সাজি পুতলা বিয়া পাতে। বিবাহ অনুষ্ঠানৰ পিছত এই পুতলা দৰা-কন্যাবোৰ কলগছৰ ভূৰত তুলি কেইটামান হাঁহকণীৰে সৈতে নদীত উটাই দিয়ে।

প্ৰাচীন কালৰপৰা অসম শৈৱ আৰু শাক্ত ধৰ্মৰ প্ৰখ্যাত কেন্দ্ৰ। শৈৱ আৰু শাক্ত দেৱ-দেৱীৰ অলেখ শিলৰ মূৰ্তি অসমৰ বহু ঠাইতে আৱিষ্কৃত হৈছে। সাময়িক পূজা-অৰ্চনাৰ কাৰণে কুমাৰেও পোৰা মাটিৰ মূৰ্তি, চক্ৰ আৰু মণ্ডল সাজিছিল। এনে কেইটামান মূৰ্তি গুৱাহাটীৰ সংগ্ৰহালয়ত সংৰক্ষিত কৰা হৈছে।



এই মূৰ্তিসমূহৰ পৰা শৈৱ আৰু শাক্ত ধৰ্মৰ প্ৰচাৰ আৰু পূজানুষ্ঠানৰ বিষয়েও জানিব পাৰি।

মাটিৰ পিছতে শিল্প-সৃষ্টিৰ ক্ষেত্ৰত সহজতে পোৱা উপকৰণ হৈছে বাঁহ-বেত আৰু কাঠ। অসমৰ বাঁহ-বেতৰ কাম অতীতৰে পৰা সুবিখ্যাত। কুমাৰ ভাস্কৰবৰ্মাই মহাৰাজ হৰ্ষবৰ্ধনলৈ পঠোৱা উপহাৰৰ ভিতৰত বিচিত্ৰ ৰঙৰ বেতৰ জপাত (বেত্ৰকৰণ্ড) কুণ্ডলী পকাই ভৰাই নিয়া উত্তৰীয় বস্ত্ৰ, প্ৰিয়ং মঞ্জৰীৰ বেতৰ আসন, সহকাৰ [আম] ৰসেৰে পৰিপূৰ্ণ বাঁহৰ চুঙা, বেতৰ সজাত ভৰোৱা মাত লোৱা শুক-সাৰিকা আদিয়েই প্ৰধান। ফাটিয়া-ই-ইব্ৰাহিয়ে অসমৰ কাঠৰ কামৰ বিশেষ প্ৰশংসা কৰিছে। মোগলৰ বুৰঞ্জী লিখকসকলে ব্ৰহ্মপুত্ৰত বেগাই যাব পৰা বিভিন্ন ধৰণৰ নাৱৰ বিৱৰণো দি গৈছে। অসমৰ সত্ৰসমূহৰ হেঙুল হাইতালেৰে বোলোৱা চাৰ নাও বিশেষ উল্লেখযোগ্য। অসমৰ পুৰণি লিপি আৰু মধ্যযুগৰ সাহিত্যত বিশেষকৈ মনসা কাব্যত, সোণ খটোৱা আৰু বিভিন্ন ধৰণৰ বেপেৰুৱা নাৱৰ বৰ্ণনা আছে।

পুৰণিকালৰ যান-বাহনৰ ভিতৰত দোলা প্ৰধান। আভিজাত্যৰ স্তৰ অনুসৰি বিভিন্ন আৰ্হি আৰু কাৰুকাৰ্যমণ্ডিত দোলাৰ প্ৰচলন আছিল। স্বৰ্গদেৱসকলৰ, সত্ৰাধিকাৰৰ বিষয়াৰ বিবাহ আদি উৎসৱত ব্যৱহৃত হোৱা সাধাৰণ প্ৰজাৰ আকৌ বিভিন্ন শ্ৰেণীৰ তিৰোতাৰ সুকীয়া সুকীয়া আৰ্হিৰ দোলা আছিল।

সত্ৰৰ কৰপাট আদি ঘৰ-দুৱাৰ আৰু গাঁৱৰ নামঘৰেও গাঁৱলীয়া ৰাইজক কাৰুশিল্পৰ চৰ্চাৰ সুযোগ আৰু প্ৰেৰণা যোগাইছে। সত্ৰীয়া কীৰ্তনঘৰৰ ডাঙৰ ডাঙৰ ঘূৰণীয়া খুঁটাত, চ'তিত, দুৱাৰত বিবিধ মূৰ্তি কটা হয়। সিংহাসন, থাপনা, ঠগী আৰু গছাতো জীৱ-জন্তু, ফুল-লতা বিশেষকৈ পদুম ফুল কাটি হেঙুল-হাইতালৰ সংমিশ্ৰণত চকুৰোৱাকৈ গঢ়া হয়। ইয়াৰ বাহিৰেও সিংহ, গৰুড়, হনুমান, জয়-বিজয় আৰু প্ৰহ্লাদৰ কাঠৰ মূৰ্তিৰে নামঘৰ সজায়। কীৰ্তিমুখ, মগৰ আৰু সিংহই পিছপিনৰপৰা হাতীক আক্ৰমণ কৰা মূৰ্তি অসমৰ শিল্পত সৰ্ববহী হৈ পৰিছে। এনে মূৰ্তি সাধাৰণ মানুহৰ ঘৰ-দুৱাৰৰ বাহিৰেও তাঁত আৰু ঢেঁকীশালৰ সা-সঁজুলিতো কটা হয়।

মন্দিৰ আৰু নামঘৰৰ বেৰ সজাবলৈকো কাঠত মূৰ্তি কাটে। কোনো কোনো অঞ্চলত বছৰেকীয়া পূজাৰ দেৱ-দেৱীৰ মূৰ্তি কাঠত কটা হয়। উল্লেখযোগ্য যে পুৰণি মূৰ্তিৰ ওপৰতে বছৰে বছৰে নকৈ ৰহণ বোলাই পূজা কৰে।

বাঁহৰ কাঠী তুলাপাতৰ বাহিৰে কাঠত কটা মুখাও আছে। ভাওনাৰ মুখবোৰ ঘাইকৈ তিনিশ্ৰেণীত ভাগ কৰিব পাৰি— দেৱতা-দানৱৰ মুখা, পৌৰাণিক আৰু বাস্তৱ জীৱ-জন্তুৰ মুখা আৰু বহুৱাৰ মুখা। ইয়াৰে কেতবোৰ মুখত পিন্ধা হয়, কিছুমানে ভৰিৰ পৰা মূৰলৈকে ঢাকি ধৰে।

কাঠৰ ঘৰুৱা সা-সঁজুলিৰ ভিতৰত ফুলজালি কটা পীৰা, বৰপীৰা, চালপীৰা, পেৰা আৰু বৰপেৰা আদি সচৰাচৰ ব্যৱহৃত হয়। এইবোৰৰ গাত চৰাই-চিৰিকতি, ফুল-লতা, জ্যামিতিক চিত্ৰ কটা হয়। ধুনীয়াকৈ লতা-ফুল কটা উৱাল এটি গুৱাহাটীৰ চৰকাৰী বয়ন বিভাগে সংগ্ৰহ কৰিছে। ই যিকোনো দেশৰ শিল্প-সংগ্ৰহালয়ৰে সৌন্দৰ্য বঢ়াব। নগাঁৱত পুৰণিগুদামৰ কাঠৰ দুৰ্গা দেৱীৰ মূৰ্তি, দুৰ্গা পূজাৰ বিশেষ আকৰ্ষণ হিচাপে পৰিগণিত হৈছে।

বাঁহ-বেতৰ বস্তু ঘাইকৈ গৃহস্থালিৰ প্ৰয়োজনৰ কাৰণেই সজা হয়। ইয়াৰ সৰহভাগৰে সম্বন্ধ ধানৰ লগত। সেইবোৰ হৈছে সৰু-বৰ, ঘন-সেৰেঙা, নানা প্ৰকাৰৰ চালনী, খৰাহী, পাচি, ডুলি, ডলা, কুলা, জোখ-মাপৰ দোণ আৰু তুলাচালনী। কাপোৰ-কানি বয়-বস্তু থ'বলৈ গাঁৱৰ মানুহে বেত-বাঁহৰ জপা সাজে। ভাস্কৰবৰ্মাই এনে জপাতে কাপোৰ নুৰিয়াই হৰ্ষবৰ্ধনলৈ পঠাইছিল। অসমীয়া পুৰণি সাহিত্যৰ ঠায়ে ঠায়ে বিচনীৰ মনোৰম বৰ্ণনা আছে। জাপি লোকশিল্পৰ অন্যতম সৃষ্টি। ব্যৱহাৰিক প্ৰয়োজনৰ বাহিৰেও আহোম যুগত জাপি আভিজাত্যৰ নিদৰ্শন আছিল। কোনো কোনো পণ্ডিতে জাপি তিব্বতী-বৰ্মীভাষী, দেশৰপৰা অহা বুলি মত প্ৰকাশ কৰিছে। গাঁৱলীয়া তিৰোতাই বেত-বাঁহৰপৰা নাক-কাণৰ অলংকাৰ পাতিও গঢ়ায়। মূৰ আঁচোৰা আৰু চুলিত গোজা নানা আৰ্হিৰ ফুল-লতা কটা কাঁকৈ ফণীও বাঁহ-বেতেৰেও সজা হয়। কাঁকৈ আনকি প্ৰেম নিবেদনত উপহাৰ দিয়া হয়, পূজা-অৰ্চনাতো ইয়াৰ প্ৰয়োগ আছে। এই সম্বন্ধে লোকগীতত উল্লেখ আছে—

তোৰে মূৰ চাই ফণীখন গাঁথিলোঁ,
লগাই বাঙলীয়া বেত।
* * *
খাৰু লোৱা মণি লোৱা কুণ্ডল সাতেসৰী।
তেল সেন্দুৰ ফণি ফালি
লোৱা শৰাই ভৰি।।

তাঁতশালৰ লগত সম্বন্ধ থকা যঁতৰ, নেওঠনি, নাচনী, ৰাচ, ব-তোলা চুঙাতো কাৰুকাৰ্য কৰা আৰু ৰং-বোলোৱা হয়। শিৱসাগৰৰপৰা পোৱা তাঁতশালৰ কেইটামান ধুনীয়া সা-সঁজুলিৰ চিত্ৰ বিৰিঞ্চি কুমাৰ বৰুৱাই *অসমৰ লোক সংস্কৃতি* শীৰ্ষক গ্ৰন্থত সন্নিৱিষ্ট কৰিছে। গাখীৰ খীৰোৱা বাঁহৰ চুঙা আৰু কাঠৰ কঁৰীয়াতো নানা চিত্ৰ কটা হয়। দৈনন্দিন ব্যৱহাৰৰ এই বস্তুবোৰ সাধাৰণ মানুহৰ সৌন্দৰ্যপ্ৰীতি আৰু শিল্প প্ৰতিভাৰ পৰিচায়ক।

ঘৰুৱা জীৱন আৰু ধৰ্মানুষ্ঠানত বহা আসনৰ প্ৰয়োজন। এইবোৰ বেত কুঁহিলাৰে সজা হয়। এইবোৰৰ মাজত বৰ্গ, ত্ৰিকোণ, বক্ৰৰেখা, সৰলৰেখাৰ ৰূপ ফুটি উঠে। কোনো কোনোৰে এই চিত্ৰৰ সম্বন্ধ তান্ত্ৰিক চক্ৰ, মণ্ডলৰ লগত থকা বুলি অনুমান কৰে।

ধাতুৰ শিল্পৰ ক্ষেত্ৰতো অসমীয়া মানুহৰ শিল্প নিপুণতাৰ পৰিচয় ওলাইছে। কাঁহী, বাণ-কাঁহী, মাইহাং, পাণ-ধোৱা বাতি, বাণ-বাতি, লোটা, চৰিয়া বটা আদিৰ চাক্‌চিক্য, গঢ়, মনোৰম কাৰুকাৰ্যই কঁহাৰৰ শিল্প চাতুৰ্যৰ পৰিচয় দিয়ে। এইবোৰ বস্তুৰ গঢ় বা ৰূপৰ (যেনে মাইহাং, বাণ-বাতি) মাজেদি বিভিন্ন জাতিৰ শিল্প-সংস্কৃতিৰ সংমিশ্ৰণো পৰিলক্ষিত হৈছে।

পিতলৰ বস্তু নিৰ্মাণ সাধাৰণতে মৰীয়া সম্প্ৰদায়ৰ মাজতে আবদ্ধ। মৰীয়াসকলে কেৱল সাধাৰণ প্ৰয়োজনীয় টৌ-চৰিয়া-কলহ-গাগৰিকেই নগঢ়ে, তেওঁলোকে হিন্দুৰ ধৰ্মানুষ্ঠানত সদা-সৰ্বদা লাগি থকা শৰাই গছা, চাকিও গঢ়ে। এইবোৰৰ বাহিৰে পিতলৰ গহনা-গাঁঠৰি গাঁৱলীয়া তিৰোতাই আজিও পিন্ধে। বিহুগীতত আছে: "চকা পিতলৰে আঙঠি গঢ়াই দিম, গলপতা গঢ়াই দিম গলত"।

অৱশ্যে এইবোৰ সামগ্ৰীত শিল্প-সৌন্দৰ্যতকৈ পুৰণি ঐতিহ্যহে সংৰক্ষিত হৈছে। শিল্পীসকলৰ সৃজনধৰ্মী কল্পনা আৰু অভিনৱ ৰূপ দিয়াৰ ক্ষমতা নোহোৱাত ইয়াৰ সমাদৰ দিনে দিনে হ্ৰাস হৈছে। তদুপৰি এলুমিনিয়াম, এনামেল, চীনামাটি, প্লাষ্টিকৰ সস্তীয়া বস্তুৰ প্ৰচলনৰ লগে লগে এইবোৰৰ ব্যৱহাৰ কমি আহিছে। অৱশ্যে, এইশিল্পক কিছুদিনলৈ গাঁৱৰ ধাৰ্মিক আৰু সাংস্কৃতিক অনুষ্ঠানে জীয়াই ৰাখিব বুলি আশা কৰিব পাৰি। গাঁৱলীয়া জীৱনৰ পূজা-পাৰ্বণ, বিবাহ-মৃত্যুৰ অনুষ্ঠানত এতিয়াও এইবোৰৰ ব্যাপক প্ৰচলন মন কৰিবলগীয়া।

অসমৰ হাতীদাঁতৰ শিল্পই মহাভাৰতৰ যুগৰপৰাই খ্যাতি লাভ কৰি আহিছে। ভগদত্তই যুধিষ্ঠিৰলৈ পঠিওৱা উপহাৰৰ ভিতৰত অন্যতম আছিল হাতীদাঁতৰ নাল লগোৱা তৰোৱাল (শুদ্ধ দন্তত সৰাসীন্।)। ভাস্কৰবৰ্মাই হৰ্ষবৰ্ধনলৈ হাতী দাঁতৰ কুণ্ডল আৰু গজমুক্তা পঠিয়াইছিল। আহোম যুগত হাতীদাঁতৰ তৰোৱাল, ফণী, টেমা, তৰোৱালৰ নাল, কটাৰীৰ ডাবৰ বিশেষ প্ৰচলন আছিল। গাঁৱলীয়া শিল্প আৰু গাঁৱলীয়া মানুহৰ প্ৰয়োজনতে এই শিল্প এতিয়াও জীয়াই আছে।

গাঁৱলীয়া খনিকৰে জন্তুৰ শিঙৰপৰাও দুই-এপদ বস্তু গঢ়ে। কাঠৰ মূৰত হৰিণৰ শিং লগাই ধুনীয়া শিল্পৰ বস্তু গঢ়ে। জনজাতিসকলে ম'হৰ শিঙত বং চৰাই ঘৰৰ সমুখত সজাই থয়। ই গৃহস্থৰ স্বচ্ছল অৱস্থাৰ চিনাকি দিয়ে। ম'হৰ শিঙৰ পেঁপা, ফণীও গঢ়া হয়। গাঁৱলীয়া জীৱনৰ লগতে এইবোৰৰ ঘাই সম্বন্ধ আৰু গাঁৱৰ সংস্কৃতিত এই শিল্প বৰ্তি আছে।

সোণাৰী শিল্প অন্য এটি প্ৰাচীন শিল্প। সময়ৰ লগে লগে এই শিল্পৰ প্ৰয়োজন আৰু প্ৰচাৰ বাঢ়িছে যদিও অসমীয়া সোণাৰীৰ ব্যৱসায় চ্যুত হৈছে। গাঁৱে-ভূঞে আন দেশৰ সোণাৰীয়ে তেওঁলোকৰ স্থান দখল কৰিছে। এসময়ত অৱশ্যে অসমীয়া সোণাৰীৰ শিল্প ভাৰত বিখ্যাত আছিল। হৰ্ষবৰ্ধনলৈ ভাস্কৰবৰ্মাই পঠোৱা অলংকাৰৰ তালিকাৰপৰা অসমীয়া সোণাৰীৰ শিল্প দক্ষতা উপলব্ধ হয়। অসমীয়া সোণাৰীৰ সোণ গলোৱা প্ৰণালী, অলংকাৰ-পাতি গঢ়া শালৰ স্বকীয় পদ্ধতি আছিল। তালপাত, বিৰি, ঢোলবিৰি গেজেৰা, ডুগডুগী, কেৰু-কৰীয়া লোকাপাৰ, কাণফুল, খাৰু, গামখাৰু, আঙঠি আদি অসমীয়া গহনা-গাঁঠৰিৰ স্বতন্ত্ৰ ৰূপ লক্ষ্য কৰিবলগীয়া। এইবোৰ ফুল, লতা, শেন, ভাটৌ আদি অসমৰ প্ৰকৃতিৰ বিভিন্ন সামগ্ৰীৰ অনুকৰণত গঢ়া হয়। আজিও গাঁৱলীয়া তিৰোতা গাভৰুৰ মাজত অসমীয়া আৰ্হিৰ গহনা-গাঁঠৰিৰহে অধিক সমাদৰ। তিৰোতাৰ জীৱনত অলংকাৰৰ কি মৰ্যাদা সেই কথা আঙঠি পিন্ধোৱা, খাৰুমণি পিন্ধোৱা অনুষ্ঠানৰ পৰাই জানিব পাৰি।

ৰামায়ণ-মহাভাৰতৰ যুগৰপৰাই পাটশিল্পৰ কাৰণে অসমে খ্যাতি লাভ কৰি আহিছে। ৰামায়ণত অসমক 'পলু পোহাৰ' দেশ বুলি কোৱা হৈছে। ভাস্কৰ বৰ্মাই হৰ্ষবৰ্ধনলৈ পঠোৱা উপহাৰৰ ভিতৰত শৰৎকালৰ চন্দ্ৰ সদৃশ ক্ষৌম বস্ত্ৰ, ভূৰ্জপত্ৰৰ দৰে কোমল, যুতিফুল বৰণীয়া পাট কাপোৰ মুখ্য আছিল। মুছলমান ঐতিহাসিকে অসমৰ পাট অতি উৎকৃষ্ট আৰু চীনৰ পাট কাপোৰৰ সমকক্ষ বুলি লিখি গৈছে। বিদেশী পৰ্যটক বৰ্ণিমায়ে অসমৰ পাট শিল্পৰ ভূয়সী প্ৰশংসা কৰিছে। আহোম স্বৰ্গদেৱসকলৰ পৃষ্ঠপোষকতাত পাটশিল্প আৰু বয়ন বিদ্যা অপূৰ্বভাৱে শ্ৰীমণ্ডিত হৈছিল। আহোমসকলে কিংখাপ, মেজাংকৰী আৰু সোণালী-ৰূপালী গুণাৰ কাম কৰা কাপোৰ ব্যৱহাৰ কৰে।

বিধৱাৰ বাহিৰে অসমীয়া জীয়াৰী-বোৱাৰীয়ে সাধাৰণতে উকা সাজ নিপিন্ধে। ফুলবছা নহ'লেও শেল দিয়া ৰিহা-মেখেলা চেলেংহে সধৱা তিৰোতা আৰু জীয়ৰী-বোৱাৰীয়ে ব্যৱহাৰ কৰে। আনকি, সদায় ব্যৱহাৰ কৰা গামোছা এখনতো তেওঁলোকে ফুল বাছি সহজ সৌন্দৰ্যপ্ৰীতিৰ চিনাকি দিয়ে। প্ৰকৃতিৰ ৰূপ-ৰঙৰ প্ৰতিও অসমীয়া তিৰোতা সমানে সজাগ। চৰাই, পখিলা, ভোমোৰা, লতা-ফুল-পাত, জোন-বেলি-তৰাৰ ৰূপ অসমীয়া বোৱনীয়ে স্বাভাৱিকতেই কাপোৰত বাছিব পাৰে। তেওঁলোকৰ কাপোৰত জ্যামিতিক ৰেখাও প্ৰকাশ পায়। কোনো কোনোৱে এই চিত্ৰ সমূহৰো শাক্ততান্ত্ৰিক পূজা পদ্ধতিৰ লগত সংযোগ কল্পনা কৰে। চক্ৰপূজা বা চীনাচাৰৰ লগত সম্বন্ধ থকা কাপোৰত বছা এই ৰেখাবোৰে শত্ৰু আৰু অপদেৱতাৰ ভয় দূৰ কৰি সৌভাগ্যক আদৰণি জনায় বুলি সাধাৰণ বিশ্বাস।

গাঁৱলীয়া তিৰোতাৰ শিল্প ৰুচিৰ পৰিচয় তেওঁলোকৰ পিঠা-পনাতো ফুটি উঠে। পিঠা-পনা কেৱল সু-স্বাদু, মুখৰোচক আৰু ভোজন বিলাসৰ সামগ্ৰী নহয়, এইবোৰ লোকশিল্পৰো সৌৰভময় নিদৰ্শন। ■


সহায়ক গ্ৰন্থ ঃ
বিৰিঞ্চি কুমাৰ বৰুৱা, *অসমৰ লোক-সংস্কৃতি।*

# লোক-বিশ্বাসত তামোল-পাণ

নৱস্মৃতা দেৱী, স্নাতক দ্বিতীয় বৰ্ষ, অসমীয়া বিভাগ

অতীতৰপৰা বৰ্তমানলৈকে অসমত তামোল-পাণৰ বিশেষ প্ৰচলন আৰু সমাদৰ হৈ আছে। ভোজন বিলাসৰ বস্তু হিচাপে প্ৰয়োজন হোৱাৰ বাহিৰেও বিভিন্ন ধৰ্মানুষ্ঠান আৰু ক্ৰিয়া-কাণ্ডতো তামোলৰ প্ৰয়োজন হয়। হিন্দু-সংস্কৃতিত তামোল-পাণৰ ব্যৱহাৰ আৰ্য্যেতৰসকলৰ প্ৰভাৱত সোমাইছে বুলি পণ্ডিতসকলে অনুমান কৰে। সংস্কৃত ভাষাত 'তাম্বুল' শব্দটোৰ ব্যৱহাৰ আছে যদিও ই অৰ্বাচীন। এই প্ৰসঙ্গত তামোল বুজাবলৈ প্ৰয়োগ হোৱা নাগাবল্লী পুগফলম্, গুৱাক তাদি শব্দও তাৎপৰ্যপূৰ্ণ। এই শব্দসমূহ সম্ভৱতঃ অৰ্য্যেতৰ ভাষাভাষীসকলৰ পৰা আহিছে। জ্যঁ পুছিলুস্কিয়ে মনখেমৰ বুল্ ধাতুৰ লগত তম উপসৰ্গ সংযোগ হৈ তাম্বুল শব্দ নিষ্পন্ন হোৱা বুলি মত প্ৰকাশ কৰিছে। পুছিলুস্কিৰ মতে তামোল-পাণৰ লগত জড়িত পোণ, গণ্ডা, কৰি, বিড়া আদি শব্দৰো উৎপত্তি অষ্ট্ৰোএছিয়াটিক মনখেমৰ ভাষাৰ পৰা হৈছে।

পেন্‌জাৰে তেওঁৰ *The Romance of Betel-chewing* নামৰ সুদীৰ্ঘ প্ৰবন্ধত তামোল খোৱা প্ৰথা ভাৰতবৰ্ষ, দক্ষিণ তিব্বত, দক্ষিণ চীন, শ্যাম, ইন্দোচীন, মালয়, ইষ্ট-ইণ্ডিয়ান আৰ্কিপেলেগু, মাইক্ৰনেচিয়া আৰু নিউগিনিৰ মাজত সীমাবদ্ধ কৰিছে। লেৰুনাই Journal of Oriental Research, Madrasঅত প্ৰকাশিত প্ৰবন্ধত এই সীমাৰেখা কিছু বহলাই ধৰিছে। তেওঁৰ মতে:

> "মাদাগাস্কাৰ আৰু জাঞ্জিবাৰৰপৰা এডাল ৰেখা সিন্ধুনদীৰ ওচৰেদি এছিয়া চুই যোৱাকৈ টনা হওক। এতিয়া এই দীঘলীয়া সীমাৰ ভিতৰত যিটো অঞ্চল পৰিব, তামোল খোৱা লোকৰ অঞ্চল বুলি সম্ভৱতঃ তাক ধৰিব পাৰি। এই সীমা আৰু বঢ়াই দিব পৰা হয়। মলুকাচ, মেৰিয়ানা দ্বীপপুঞ্জ, বেৰোলিনাচ, চলোমন দ্বীপপুঞ্জ, ফিজি, নিউগিনি আৰু ৰি-ইউনিয়ন দ্বীপপুঞ্জক বৃত্তকাৰে লৈ ৰেখাটো ভাৰত মহাসাগৰৰ ফালে নি তাৰপৰা টোৰেচ প্ৰণালীৰ মাজেদি টাইমোৰলৈ বঢ়াই দিয়া হওক। তাৰপৰা সুন্দ দ্বীপপুঞ্জৰ দক্ষিণ সীমালৈকে— এই যিটো অঞ্চল হ'ব তাৰ ল'ৰা-বুঢ়া, পুৰুষ-স্ত্ৰী, ৰজা-প্ৰজা নিৰ্বিশেষে সকলো জাতি আৰু ধৰ্মৰ মানুহৰ মাজত তামোল খোৱা অভ্যাসটো ব্যাপকভাৱে প্ৰচলিত।"

কোনো কোনোৰ মতে তামোল খোৱা প্ৰথাটো দ্ৰাবিড়ীয় প্ৰথা। কাৰণ Betel (তামোল) শব্দটো মালয়ালম ভাষাৰ ৱেটিল্লা শব্দৰ পৰা অহা। পশ্চিম উপকূললৈ অহা পতুৰ্গীজ ব্যৱসায়ীসকলে এই দ্ৰাবিড়ীয় শব্দটো সৰ্বত্ৰ প্ৰচাৰ কৰে। Areca (তামোল) শব্দটোৰো উৎপত্তি দাক্ষিণাত্যত। কানাড়ী 'তাড়িকে' শব্দৰপৰা এই শব্দটো আহিছে। মহামহোপাধ্যায় কানেৰ মতে: "দক্ষিণ ভাৰতত তামোলৰ প্ৰৱৰ্তন সম্ভৱতঃ খ্ৰীষ্টীয় শতিকা আৰম্ভ হোৱাৰ কিছুদিনৰ পূৰ্বে। ইয়াৰ পিছতহে এই প্ৰথা উত্তৰ-ভাৰতলৈ বিয়পে।"

ঋগ্ বেদকে ধৰি প্ৰাচীন সংস্কৃত সাহিত্যৰ ক'তো তামোল খোৱা প্ৰথাৰ বা 'তাম্বুল' শব্দটোৰ উল্লেখ নাই। তামোল খোৱা প্ৰথাৰ উল্লেখ সৰ্বপ্ৰথম পালি সাহিত্যতেই পোৱা যায়। জাতকৰ এটা আখ্যানত বুদ্ধই তামোল খাবলৈ অমান্তি হোৱাৰ উল্লেখ আছে; অৱশ্যে *অৱদানশতকে* বুদ্ধই তামোল খোৱাৰ ইঙ্গিত দিয়ে। ভোজনৰ পিছত তামোল খোৱা প্ৰথাৰ বিধান *স্মৃতিশাস্ত্ৰত* আছে। বাৎসায়নৰ *কামশাস্ত্ৰত* দাঁত ঘঁহি মুখ ধোৱাৰ পিছত তামোল খাই মুখৰ নিশ্বাস সুগন্ধি কৰাৰ নিৰ্দেশ আছে। প্ৰেম নিৱেদনৰ সময়ত প্ৰেমিক-প্ৰেমিকাই পৰস্পৰে পৰস্পৰৰ গাত পাণ আৰু চন্দনৰ প্ৰলেপ ছটিয়াই ইজনৰ মুখৰ তামোল সিজনৰ মুখত দিব লাগে বুলি উপদেশ দিয়া হৈছে (বদনেন তাম্বুলম্)।



পূজা উপচাৰৰ অন্যতম উপকৰণস্বৰূপে দশম শতিকাত ৰচিত *কালিকা পুৰাণেই* সৰ্বপ্ৰথম তামোলক গণ্য কৰিছে। (তাম্বুল দক্ষিণা)। অসমৰ তামোল-পাণৰ বাবীৰ সুখ্যাতি পুৰণি তাম্ৰলিপিটো কৰা হৈছে। বলবৰ্মাৰ শাসনত প্ৰাগজ্যোতিষ নগৰৰ তামোলৰ গছ পাণেৰে বেষ্টিত আৰু কৃষ্ণ অগৰু গছক ইলাচি লতাই মেৰাই ধৰিছিল বুলি বৰ্ণনা আছে। সপ্তম শতিকাৰ আদিত্যসেনৰ লিপিত লৌহিত্যপাৰৰ ৰমণীয় তামোল-পাণৰ বাবীৰ ছাঁত সিদ্ধসকলে শয়ন কৰা বুলি উল্লেখ আছে। গুৱাক শব্দৰ পৰাই গুৱাহাটীৰ উৎপত্তি বুলি সাধাৰণৰ বিশ্বাস। তামোল শব্দৰপৰাও অসমৰ ভালেমান ঠাইত নাম হৈছে, যেনে— তামোলবাৰী, তামুলীছিগা ইত্যাদি।

অসমৰ তামোল খোৱা প্ৰথাৰ ব্যাপক প্ৰচলনৰ বিষয়ে *যোগিনী তন্ত্ৰৰ* শ্লোক এটাৰ পৰাই বুজিব পাৰি। শ্লোকটোত অসমীয়া তিৰোতাই সকলো সময়তে তামোল চোবোৱাৰ উল্লেখ কৰা হৈছে। অসমীয়া পুৰুষ-স্ত্ৰী, ডেকা-বুঢ়া কাৰো কাৰণে তামোল খোৱাত সামাজিক বাধা নিষেধ নাই। আনকি দাঁত নোহোৱা বুঢ়ী-বুঢ়ায়ো খুন্দনাত খুন্দি তামোল খায়। আহোম ৰজাৰ দিনত ৰজা আৰু ডা-ডাঙৰীয়াসকলক তামোল-পাণ যতনাবলৈ তামুলী বিষয়া আছিল। সত্ৰসমূহত গুৱাকটা বাব আছে।

বাৰীত তামোল-পাণ ৰোৱা অসমীয়া মানুহৰ ধৰাবন্ধা ৰীতি। অসমীয়া মানুহৰ প্ৰিয় বিয়া নাম এফাঁকি মন কৰিবলগীয়া। "আগফালৰ শুৱনি কাকিনী তামোল, পাছফাল শুৱনি পাণ।" তামোল ৰোৱা আৰু তামোলৰ বাৰী পতা সম্বন্ধে ডাক পুৰুষৰ অলেখ অমূল্য বচন আছে।

আমাৰ ধৰ্মানুষ্ঠান আৰু সামাজিক উৎসৱত তামোল-পাণ বা গুৱা-পাণে গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰি আছে। পূজাৰ নৈৱেদ্যত তামোল-পাণ অপৰিহাৰ্য উপচাৰ। গুৰু গোসাঁইলৈ বা সদৌ ৰাইজলৈ তামোলৰ শৰাই আগবঢ়োৱা হয়। উৎসৱ অনুষ্ঠানত অথবা অপায়-অমঙ্গলৰ সময়ত গুৰুপুৰুষলৈ, নাম ঘৰলৈ, দেৱতা বা অপদেৱতালৈ গুৱা-পাণ আগবঢ়োৱা হয়। আলহী-অতিথিক সৰ্বপ্ৰথম তামোল-পাণ দি অভ্যৰ্থনা কৰা হয়। তামোলখনৰ যোগেদি গুৰুৰ আশীৰ্বাদ লাভ কৰা হয়; তামোলৰ আদান-প্ৰদানত বন্ধুত্ব স্থাপনো হয়। ৰাজহুৱা দায়-জগৰত পৰিলেও তামোল-পাণৰ দণ্ড এভাগ দি দোষ খণ্ডন কৰিব পাৰি।

ডেকা-গাভৰুৰ প্ৰেম-নিৱেদন, বিবাহ আৰু বিবাহ-বিচ্ছেদৰ ক্ষেত্ৰতো তামোলৰ বৈচিত্ৰ্যপূৰ্ণ ভূমিকা আছে। ডেকা-গাভৰুৱে তামোলৰ বিনিময়েৰে ইজনে-সিজনক প্ৰেম-নিৱেদন কৰাৰ ৰীতি গাঁৱত আছে। বিহুগীতত এনে প্ৰেম-প্ৰীতিক আৱেগময় চিত্ৰ আছে—

কিনো তামোলখনি দিলা মোৰ মইনা
অতি চেনেহেৰে খালোঁ।
সেইনো তামোলখনি খাবৰে পৰা
তোমাৰ লগত চিনাকি হ'লোঁ।

বিবাহৰ নিমন্ত্ৰণ কাৰ্যতো তামোল-পাণৰ প্ৰয়োজন। তামোল পাণ থুৰিওৱা আদি কাৰ্যৰ মাজেদি তিৰোতাৰ কলাসুলভ মনৰ পৰিচয় পোৱা যায়। বিয়াৰ ভালেমান ক্ৰিয়াকাৰ্যত তামোলৰ ব্যৱহাৰ মন কৰিবলগীয়া। বিয়াৰ দিনকেইটাত দৰা-কন্যাই এযোৰ পাণ-তামোল আৰু এখন কটাৰী লগত ৰাখিব লাগে। বিবাহ অনুষ্ঠান শেষ হ'লে দৰা-কন্যাই এই তামোল-কটাৰী সলনা-সলনি কৰে। দৈয়ন দিওঁতেই পাণৰ প্ৰয়োজন। বিয়াৰ দিনা পুৱা ছোৱালীক শোৱা-কোঠাৰ দুৱাৰদলিত পিৰা এখন পাৰি বহুওৱা হয়। কন্যাৰ মাক বা আন কোনো সম্বন্ধীয় তিৰোতাই দুখন হাতত দুখন পাণ লৈ কন্যাৰ সন্মুখত আঁঠু কাঢ়ে। পাণ দুখন দৈ গাখীৰত জুবুৰিয়াই কন্যাৰ গাল, বাহু, ভৰিত সানি দিয়ে। কোনো কোনো অঞ্চলত বিবাহৰ সপ্তপদী গমনত দৰা-কন্যাই সাতখিলা পাণ গছকাৰ বিধি। অসমৰ কোনো কোনো অঞ্চলত 'পাণ-ছিঙা' প্ৰথাৰে বিবাহ-বিচ্ছেদ হয়।

তামোল-পাণ গাঁৱলীয়া দৰৱ জাতিৰ অন্যতম উপাদান। অসমীয়া নিদান মতে তামোল খালে পেটৰ অসুখ, দাঁতৰ ৰোগ আৰু বিষ ভাল হয়। গৰু-ম'হৰ বেমাৰত তামোলৰ পিক্ ব্যৱহাৰ কৰা হয়।

সংস্কৃত সাহিত্যত কৰ্পূৰ, লৱঙ্গ জাতি ফলৰ লগত মিহলাই তামোল খোৱাৰ নিয়ম বুলি কোৱা হৈছে। এই আটাইকেইটা মিলি হৈছে 'পঞ্চসুগন্ধিকম্'।

পুৰণি অসমীয়া সাহিত্যত তামোলৰ লগত সুগন্ধি দ্ৰব্য খোৱাৰ উল্লেখ আছে। বিহুগীতত আছে—

থুৰিয়াই থুৰিয়াই তামোল কাটি দিছিলা
তাৰ মাজত দিছিলা লং।

অসমৰ জনজাতিসকলৰ মাজতো তামোল খোৱা প্ৰথাৰ ব্যাপক প্ৰচলন আছে। আও, লঠা আৰু কন্যাক নগাসকলে এই অভ্যাস অসমীয়াৰ পৰাই পাইছে বুলি ডক্টৰ হটনে মন্তব্য কৰিছে। গাৰোসকলৰ মাজতো এই প্ৰথা অসমীয়াৰ পৰাই শিপাইছে বুলি ৰেভাৰেও বোগচে লিখি গৈছে। জনজাতিৰ ভিতৰত মিৰি আৰু খাচীসকলেই বেছিকৈ তামোল খায়।

মিৰিসকলে পথৰ দূৰত্ব তামোল এখন খোৱাৰ সময়ৰ পৰাই নিৰ্ণয় কৰে। সেইকাৰণেই ভ্ৰমণত ওলালে হাঁচতিত সৰহকৈ তামোল-পাণ বান্ধি নিয়ে। এই অভ্যাস অসমীয়া গাঁৱৰ মানুহৰো আছে। মুঠতে অসমৰ জাতীয় জীৱনত তামোল-পাণৰ ওচৰ সম্বন্ধ আৰু ই জাতীয় ঐতিহ্যৰ বাহক। ■

# বাঁহগছ আৰু শিল্প

নয়ন মণি বৰা, স্নাতক দ্বিতীয় বৰ্ষ

ঘৰে কাষৰে জাতি বাঁহ এজুপি
সিও মোৰ সোদৰৰ ভাই,
জীয়াই থাকো মানে কৰো কাঠি কামি
মৰিলে লগতে যায়।

বাঁহ সঁচাকৈয়ে এটি প্ৰয়োজনীয় আৰু উপকাৰী উদ্ভিদ। বৰ্তমানৰ আধুনিকতা আৰু বিজ্ঞানৰ অভূতপূৰ্ব অগ্ৰগতিৰ দিনতো নিজৰ ঐতিহ্য ম্লান পৰি যাব দিয়া নাই এই বাঁহে। বিজ্ঞানীসকলেও এই বাঁহৰ বহুমূলীয়া গুণৰ সন্ধান পাইছে। তেওঁলোকে কৈছে যে পৰিৱেশ সংৰক্ষণত বাঁহে লয় উল্লেখনীয় ভূমিকা, সালোক-সংশ্লেষণৰ প্ৰক্ৰিয়াত উচ্চ মাত্ৰাৰ অক্সিজেন নিৰ্গত কৰি বাঁহে বায়ুৰ পৰিশোধন, মাটিৰ ক্ষয় ৰোধ আৰু জল সংৰক্ষণ কৰে। বাঁহ হ'ল সৰ্বাধিক বৃদ্ধি হোৱা উদ্ভিদবিলাকৰ অন্যতম। ই আকৌ একে আকাৰত আন উদ্ভিদতকৈ ৩৫ গুণ বেছি অক্সিজেন বতাহত এৰি দিয়ে আৰু বিপৰীতে এক হেক্টৰ মাটিৰ বাঁহ খেতিয়ে বায়ুমণ্ডলৰ পৰা ১২ টন ওজন পৰিমাণৰ কাৰ্বন-ডাই-অক্সাইড শুহি ল'ব পাৰে। বাঁহে মাটি স্পৰ্শ কৰা পোহৰৰ তীব্ৰতা হ্ৰাস কৰাৰ লগতে উচ্চ মাত্ৰাত অতি বেঙুনীয়া ৰশ্মিও শোষণ কৰে।

অসমৰ প্ৰকৃতি দেখি বিদেশী পৰ্যটকৰো হেনো চকু স্থিৰ হৈ ৰয়। অসমৰ মাটিত যিহকে সিঁচা যায় সিয়ে হেনো সোণ হৈ গজে। আমাৰ বাৰীৰ চুকলৈ মন কৰিলেই গম পাওঁ। বাৰীৰ চুকত বা পাছফালে ঢাপত অনাদৰ-অযত্নত বাঢ়ি থকা বাঁহজোপাও আমাৰ জীৱন আৰু জীৱিকাৰ শক্তিশালী উৎস হ'ব পাৰে। এই বাঁহ জাতীয় উদ্ভিদসমূহৰে সৃষ্টি হোৱা শিল্প— বাঁহ শিল্প অসমৰ অন্যান্য অঞ্চলসমূহত গা-কৰি উঠিছে। অৱশ্যে অৰ্থনৈতিকভাৱে বাঁহ শিল্পীসকলক বেছি লাভান্বিত কৰিব পৰা নাই। বাঁহৰ উৎপাদন তথা মূল্যৰ ওপৰতে এইবিধ শিল্পৰ প্ৰাচুৰ্য নিৰ্ভৰ কৰিছে। ভাৰতত ১০.০৩ নিযুত হেক্টৰ ভূমি আৰু দেশৰ মুঠ অৰণ্যৰ ১২.৮ শতাংশই বাঁহেৰে পূৰ্ণ আৰু অসমৰ ২.২৩ নিযুত হেক্টৰ ভূমিত বাঁহ খেতি কৰা হয়। ভাৰতত পোৱা বাঁহৰ ভিতৰত বৰ্তমানলৈ ২২ টা জাতি আৰু ১২৬ টা প্ৰজাতি চিনাক্ত কৰা হৈছে। অসমত ৪০ টা প্ৰজাতি আৰু ১০ টা জাতিৰ বাঁহ পোৱা যায়। বনাঞ্চল, ঘৰুৱা বাগান আৰু বাৰীৰ ঢাপত হোৱা বাঁহকে ধৰি মজুত থকা মুঠ বাঁহৰ পৰিমাণ ১০০ নিযুত টনৰো অধিক, বাৰ্ষিক আহৰণ প্ৰায় ৪৫,০০০ কোটি টকা বুলি ধাৰ্য কৰা হৈছে। আৰু এয়া ২০১৫ ত প্ৰায় দুগুণলৈ বৃদ্ধি পাব বুলি আশা কৰা হৈছে। এইটো ধাৰ্য কৰা হৈছে যে প্ৰায় ২৫০ কোটি মানুহে বাঁহক এটা ৰূপত ব্যৱহাৰ কৰে আৰু আন ভাগক বিশ্বজনীন পৰ্যায়ত ব্যৱহাৰ কৰা হয়। বাঁহৰ বাণিজ্যিক ব্যৱহাৰ সম্প্ৰতি কেৱল কাগজ উদ্যোগতে সীমাবদ্ধ যদিও ইয়াক পুনৰাই গৱেষণা আৰু প্ৰযুক্তিৰ প্ৰয়োগৰ জৰিয়তে যাতে নতুন দ্ৰব্যৰ উৎপাদন কৰিব পৰা যায় তাৰ ব্যৱস্থা কৰা হৈছে। বাঁহৰ প্ৰয়োগ ইমানেই ভিন ভিন যে ইয়াক পৰিপুষ্টিমূলক খাদ্য দ্ৰব্য, উচ্চমূল্যৰ নিৰ্মাণ সঁজুলি আৰু পৰিৱেশ ভাৰসাম্যৰ এক আহিলা হিচাপে বৃহৎ পৰিসৰত উৎপাদন কৰিব পৰা যায়। উত্তৰ-পূব ভাৰতত



বিদ্যুৎ ঘাটীৰ পৰিমাণ সমগ্ৰ দেশেই জানে। বিদ্যুতৰ এই অৱস্থাই অঞ্চলটোক ঔদ্যোগিকভাৱে পাছপৰা কৰি ৰাখিছে। বিজ্ঞানীসকলে জনাইছে যে অঞ্চলটোত প্ৰচুৰ পৰিমাণে পোৱা প্ৰাকৃতিক সম্পদ বাঁহৰ পৰা বিদ্যুৎ উৎপাদন কৰা সম্ভৱ হ'ব। কাঠৰ টুকুৰা, শুকানপাত, বাঁহৰ শুকান আঁহ, চেঁচা বায়ুৰ উপস্থিতিত অতি উচ্চ মাত্ৰাত (৭০০ ডিগ্ৰী চেলছিয়াছৰ পৰা ৯০০ ডিগ্ৰী চেলছিয়াছ) জ্বলাই বিদ্যুৎ পাব পৰা হ'ব বুলি বিজ্ঞানীসকলৰ মত। ভাৰতীয় বাঁহ সম্পদ আৰু কাৰিকৰী কেন্দ্ৰই (চিৰ্বাট) বাঁহৰ পৰা বিদ্যুৎ উৎপাদনৰ সম্ভাৱনাৰ কথা আঙুলিয়াই দিছে আৰু মণিপুৰ আৰু ত্ৰিপুৰাত দুটা এনে প্ৰকল্প স্থাপনৰ কাম আৰম্ভ কৰা হৈছে। ইয়াৰে মণিপুৰৰ টামেংলং জিলাত স্থাপন কৰিব লগা প্ৰকল্পটোতে এশ মেগাৱাট বিদ্যুৎ উৎপাদন কৰি আৰু ৪৫০০ বৰ্গ কিলোমিটাৰ ঠাই আগুৰা ৬৮ খন গাঁৱক পোহৰাব বুলি চিবাৰ্টৰ মত। পোচিগোত্ৰৰ বাঁহ এবিধ ঘাঁহ জাতীয় উদ্ভিদ। প্ৰাকৃতিকভাৱে সকলোতে পোৱা ই এবিধ দীৰ্ঘজীৱী, অতি প্ৰয়োজনীয় নৱীকৰণ সম্পদ। বাঁহগছে লাখ-লাখ লোকৰ আৰ্থিক, পৰিৱেশ আৰু জীৱন ধাৰণৰ সুৰক্ষা প্ৰদান কৰিব পাৰে। শেহতীয়াভাৱে এইবিধ গছক ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চল এলেকাৰ বনাঞ্চলত ২৮ শতাংশ এলেকাত ৰোপণ কৰা আৰু ৬৬ শতাংশ ৰোপণ কৰি মজুত ৰখা হৈছে। এই গছবিধৰ গুৰুত্ব ঔদ্যোগিক আৰু ঘৰুৱাভাৱে ব্যৱহাৰতে আছে যদিও সমগ্ৰ দেশত চাহিদা বঢ়াবৰ বাবে খেতি কৰাৰ প্ৰয়োজনীয়তা আহি পৰিছে।

বাঁহ শিল্প এবিধ হস্তশিল্প অৰ্থাৎ কুটীৰ শিল্প। এইবিধ শিল্পক প্ৰস্তুত কৰাৰ বাবে যথেষ্ট শ্ৰমৰ প্ৰয়োজন। কিন্তু আধুনিক সঁজুলিৰ উদ্ভাৱন হ'লে এই শ্ৰম কিছু পৰিমাণে লাঘৱ হ'ব। শেহতীয়াভাৱে চৰকাৰে ইয়াৰ ওপৰত কিছু গুৰুত্ব আৰোপ কৰা দেখা যায়। বৰ্তমানে ব্যৱহৃত শিল্পৰ সঁজুলি সমূহৰ ভিতৰত দা-কটাৰী, হাতুৰী-বটালিৰ নাল, হেক্শ্ব', হেণ্ডড্ৰিল, ব্লুলেম্প, পোকৰস ব্ৰাছ, ভাইচ আদিয়েই প্ৰধান। এই শিল্পক অধিক মনোগ্ৰাহী কৰাৰ বাবে বাৰ্নিচ ৰং আদিৰে ডিজাইনিং কৰা হয়। বাঁহ শিল্পৰ মুখ্য প্ৰস্তুত সামগ্ৰীসমূহৰ ভিতৰত ঢাৰি, জাপি, কুলা, পাচি, খৰাহি, ডলা, চালনী, ঝাড়ু, ডুলি, বাঢ়নী, জাকৈ, খালৈ, পল', কলহ, খাটল, বিচনী, ৱালহেঙিং, কলমদানি, ফুলদানি, লেম্প, চকী, ছোফা, চুঙা, বাঁহী, টুকুৰী, সঁজা, মূঢ়া, ৰছী, বিভিন্ন ধৰণৰ প্ৰাচীন যুদ্ধ-সামগ্ৰী, আ-অলঙ্কাৰ আদি। এই শিল্প-সামগ্ৰীসমূহে বৰ্তমানৰ আধুনিক বজাৰত পৰম্পৰাগতভাৱে তৈয়াৰ কৰা সা-সজুলিৰ মাজেৰে বাঁহ শিল্পৰ ঐতিহ্য অটুট ৰাখিছে। সাম্প্ৰতিককালৰ যান্ত্ৰিক আৰু বিশ্বায়নৰ যুগত অসমৰ কিছু সংখ্যক লোকৰ পেট প্ৰৱৰ্তোৱা আৰু হাতৰ ধন গোটোৱাৰ সহায়ক হোৱা এইবিধ শিল্পক বিজ্ঞানসন্মতভাৱে প্ৰস্তুত কৰাত চৰকাৰৰ তৰফৰ পৰা সঁহাৰি প্ৰদান কৰিলে ই অদূৰ ভৱিষ্যতে এক জাতীয় শিল্পত পৰিণত হোৱাৰ সম্ভাৱনা আছে। আধুনিক যন্ত্ৰ পাতিৰ যোগান ধৰি বাঁহশিল্পীসকলক উন্নত মানৰ সামগ্ৰী প্ৰস্তুতৰ বাবে প্ৰশিক্ষণ প্ৰদান কৰিলে ই নিশ্চিতভাৱেই অধিক জনপ্ৰিয়তা অৰ্জন কৰিব আৰু শিল্পবিধে এক জাতীয় শিল্প হিচাপে স্বীকৃতি লাভ কৰিব। সম্প্ৰতি অসম তথা সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ বাঁহেৰে তৈয়াৰী সৌন্দৰ্য বৰ্দ্ধনৰ সামগ্ৰীসমূহে আন্তঃৰাষ্ট্ৰীয় বজাৰত গুৰুত্ব লাভ কৰাৰ লগে-লগে এনে সামগ্ৰী সমূহৰ চাহিদা বৃদ্ধি পাইছে। জনজাতীয় সমাজত অদ্যাপি বাঁহেৰে তৈয়াৰী বিভিন্ন আচবাব তথা পাত্ৰ ব্যৱহৃত হৈ আছে। বাঁহক প্ৰজনন তথা উৰ্বৰতাৰ প্ৰতীক হিচাপেও গণ্য কৰি অহাত শুভ কাম-কাজত, উৎসৱ, পূজা-পাতল ইত্যাদিত গ্ৰাম্যাঞ্চলত বাঁহেৰে ৰভা নিৰ্মাণ এতিয়াও চলি আছে।

সেউজীয়া প্ৰকৃতিৰ বিনন্দীয়া সম্পদ এজুঁপি বাঁহ ৰোৱাটো গঞা ৰাইজৰ নিয়মত পৰিণত হৈ আহিছে। মন কৰিবলগীয়া যে লোক উৎসৱ সমূহত বাঁহক ভিন্ন ৰূপত চিহ্নিত কৰি আহিছে। গোৱালপাৰাৰ বাঁশপূজা, হাজংসকলৰ বাঁশপূজা, পঞ্জাৱৰ বৈশাগী, বঙ্গৰ মদন উৎসৱ, চৰক পূজা, দৰঙৰ দেউল উৎসৱৰ উপৰি কামৰূপৰ ভঠেলি, সুঁৱৰী উৎসৱত বাঁহৰ প্ৰাধান্য মন কৰিবলগীয়া। বজালী অঞ্চলৰ 'পাহৰাতোলা' উৎসৱতো বাঁহৰ অপৰিহাৰ্যতা উল্লেখনীয়। ৰামদিয়াত ব'হাগৰ সাতবিহুত অনুষ্ঠিত হোৱা সুঁৱৰী বা সুৰী উৎসৱত বাঁহ নহ'লে নচলে। বৰপেটাৰ শান্তি নগৰৰ মানেন্দ্ৰ ডেকাই বাঁহেৰে ৰিক্সা, হাৰমনিয়াম তৈয়াৰ কৰি ৰাষ্ট্ৰপতিৰ পুৰস্কাৰ পোৱাটো অসমবাসীৰ বাবে গৌৰৱৰ বিষয়।

অসমৰ চুকে-কোণে এনেকুৱা বাঁহ শিল্পীয়ে আন্তঃৰাজ্যিক, ৰাজ্যিক আৰু আন্তঃৰাষ্ট্ৰীয় প্ৰদৰ্শনী আৰু প্ৰশিক্ষণৰে অঞ্চলৰ নাম উজ্জ্বল কৰিবলৈ সক্ষম হৈছে। আৰ্যভিন্ন বাঁহ-সংস্কৃতি অসমীয়া সংস্কৃতিৰ অন্যতম বৈশিষ্ট্য। ইয়াৰ উল্লেখযোগ্য অৱদান হ'ল— ই উদ্ভিদৰ ভিতৰত আটাইতকৈ প্ৰদূষণ মুক্ত হিচাপে গণ্য হৈ আহিছে। এইবাবেই বাঁহ পৱিত্ৰ ব'হাগ মাহত পূজিত হোৱাৰ লগতে মানুহৰ বন্ধু স্বৰূপ। সাংস্কৃতিক ক্ষেত্ৰতো বাঁহৰ গুৰুত্ব আছে। বাঁহেৰে নিৰ্মিত বাদ্যযন্ত্ৰৰ ভিতৰত বাঁহৰ টকা, গগণা ইত্যাদি। কৃষিকৰ্মৰ লগতে দৈনন্দিন ব্যৱহৃত সা-সঁজুলিবোৰতো বাঁহৰ ব্যৱহাৰ হয়। মৃতদেহ সৎকাৰ কৰিবলৈয়ো বাঁহ নহ'লে নচলে। অসমীয়া খাদ্যৰ ব্যঞ্জনতো বাঁহৰ গাঁজ আৰু খৰিচাৰ সুকীয়া স্থান আছে। বাঁহশিল্পৰ ৰপ্তানি ভাৰতবৰ্ষৰ অন্যান্য ঠাইৰ উপৰি চৌদিআৰৱ, ডুবাই, পাকিস্তান, বাংলাদেশ, থাইলেণ্ড, ভূটান, নেপাল আদি দেশসমূহলৈ এইবিধ শিল্প ৰপ্তানি হৈছে। বাঁহশিল্পৰ এটি উল্লেখযোগ্য শিল্প ঢাৰি শিল্পই কুটীৰ শিল্পৰ ভিতৰত আটাইতকৈ অধিক গুৰুত্ব লাভ কৰিছে। বাঁহ শিল্পক অধিক জনপ্ৰিয় কৰাৰ বাবে অসম চৰকাৰ তথা কেন্দ্ৰীয় চৰকাৰে গুৰুত্বপূৰ্ণ আৰু উন্নত পদক্ষেপ হাতত লোৱাৰ প্ৰয়োজন আছে। ইয়াৰ ফলত কিছু পৰিমাণে হ'লেও নিবনুৱা সমস্যা হ্ৰাস হ'ব। ■

# অসমীয়া সমাজৰ এটি অঙ্গস্বৰূপ 'বিয়ানাম'

জয়শ্ৰী শইকীয়া, স্নাতক তৃতীয় বৰ্ষ, অসমীয়া বিভাগ

কাইলৈ বিবাহৰ দিন আজি অধিবাস।
ৰত্ন অলঙ্কাৰ পিন্ধি কৰা লয়লাস।।
আজি অধিবাস কৰা কাইলৈ হ'ব বিয়া।
উৰুলি মঙ্গল কৰি আশীৰ্বাদ দিয়া।।

অসমীয়া লোক-সাহিত্য বা মৌখিক সাহিত্যৰ এক বিশেষ উপাদান বা অঙ্গ হ'ল বিয়ানামবোৰ। এই মৌখিক সাহিত্যসমূহ হ'ল অখ্যাত লোকৰ সুখ্যাত ৰচনা। এই বিয়ানামবোৰে একোখন বিয়াক জীৱন্ত আৰু ৰসাল কৰি তোলে। বিয়াই সৃষ্টিৰ পাতনি মেলে। যুৱীয়া জীৱনৰ আগমন ঘটায়। বিয়ানাম সমূহৰ মাজেদি এখন অসমীয়া সমাজৰ ছবি ফুটি উঠে। এই নামবোৰত ফুটি উঠে গ্ৰাম্য নাৰীৰ কল্পনাবিলাস, সৌন্দৰ্য-চেতনা আৰু ঘৰুৱা জীৱনৰ মনোৰম চিত্ৰ। বিয়ানামবোৰত সাহিত্যিক সৌন্দৰ্যও বিৰাজমান। ইয়াত ব্যৱহৃত শব্দ গাঁথনি, জতুৱা ঠাঁচ, উপমা, অনুপ্ৰাস আদি সুন্দৰ।

বৰ্তমান সমাজ-জীৱনৰ সকলো স্তৰলৈ পৰিৱৰ্তন অহাটো স্বাভাৱিক। তেনেদৰে বিবাহ-অনুষ্ঠানলৈও পৰিৱৰ্তন আহিছে সাম্প্ৰতিক কালত। বিবাহৰ আৰম্ভণিৰ পৰা শেষলৈ বিভিন্ন আচাৰ-অনুষ্ঠান পালন কৰিব লগা থাকে। কিন্তু বৰ্তমান সময়ৰ পৰিপ্ৰেক্ষিতত কিছুমান আচাৰ-অনুষ্ঠান বাদ দিবলগীয়া হৈছে। পালনীয়খিনিও আনুষ্ঠানিকতা ৰক্ষাৰ খাতিৰত সীমিত বা হ্ৰস্বম্যাদী নীতিত পালন কৰিব লগা হয়। বৰ্তমান বিয়াবোৰত শুদ্ধভাৱে ৰীতি-নীতি পালন কৰিবলৈ হ'লে জ্যেষ্ঠজনৰ সহায়-সহযোগিতাৰ প্ৰয়োজন। অৱশ্যে উজনি-নামনি আৰু অঞ্চলভেদে নিয়ম আৰু আচাৰ-অনুষ্ঠান পৃথক হয়। আমপাতত সেন্দূৰ সনা, নোওৱা, বেইসজা, কলৰ তলত নাৰিকল ৰখা, বেইৰ তলত কণী পোতা, সুৱাগুৰি তোলা আদি নিয়ম-নীতিবোৰ প্ৰায় পৰিহাৰ কৰা দেখা যায়। বৰ্তমান গাঁঠিয়ন খুন্দাও দেখা নাযায়। আনকি সুৱাগুৰি তোলাও।

অৱশ্যে বিয়া আৰু বিয়ানামবোৰত ধৰ্মীয় দিশ এটি সদায় থাকে।

কামৰূপ বা পশ্চিম অসমত বিয়াৰ যাত্ৰা, চিৰা-সান্দহ খুন্দা গীতৰ প্ৰচলন আছিল—

আমাৰ জামৰে দুই জুৰি কতোৱা
নাগেশ্বৰ ফুলৰে ঢেঁকী
আজি শুভক্ষণে যাত্ৰা সান্দহ খুন্দে
আয়তীসকলক মাতহে

আকৌ—

বহি থাক নাউ বাপু/দলিচাৰ ওপৰে
যাত্ৰা কৰি সান্দহ খুন্দো আয়তীসকলে
ঔৰ গছতে অ' দোলমইনাই বিনালে
আমাৰ বিয়া দোলা
দাইদেৰ পশ্ৰি দাড়ি বৌক লাগে শাড়ী।

পশ্চিম অসমত সুৱাগ তোলাৰ কাৰণে বিয়াৰ আগতে বনাৰ গীতো গোৱা যায়—

ৰামকৃষ্ণ হেকনী গছৰে
ৰামকৃষ্ণ কেকেনী তামোলৰ থোক
হৰি মোৰ ঐ লেটি গছৰে পাণ।
ৰামকৃষ্ণ সেই তামোল-পাণ
ৰামকৃষ্ণ আয়তীক নিদিলে
হৰি মোৰ ঐ নাজানো সুৱাগৰ ধান।।

তেলভাৰ দিওঁতে এই পদফাঁকি নামনি অঞ্চলত গোৱা



হয়—

শিঙৰা মাছৰে তিনিটা কাঠা
ঐ ৰাম বগে নাখায় ঘিণেহে।
আমাৰ বাপুৰ তেলৰ ভাৱত
ঐ ৰাম সৰ্ব অলঙ্কাৰহে।।

আনহাতে, মধ্য আৰু উজনিত জোৰোণৰ নাম এনেধৰণৰ—

খাৰু লোৱা, মণি লোৱা, কুণ্ডল সাতেসৰী।
তেল-সেন্দূৰ, ফণি, কাকৈ লোৱা শৰাই ভৰি।।

আকৌ—

সিৰত সেন্দূৰ লোৱা আজি নকৰা ক্ৰন্দন।
সিৰৰ সেন্দূৰ নাৰীৰ ভূষণ স্বামীহে জীৱন।।

বিবাহৰ অন্যতম কাৰ্য হিচাপে দৰা-কন্যাৰ দুয়োঘৰতে পানী তোলা হয়। এই পানী তোলা অনুষ্ঠানটিত ঢোলে, কালিয়ে ৰজনজনাই আয়তীসকলে নাম গাই পদযাত্ৰা কৰি যায়—

ওলাই আহা দৈৱকীয়ে ৰজাৰ মহাদৈ
শুভক্ষণে যাত্ৰা কৰি জল আনোগৈ।
কাষে ঘট লোৱা মূৰত লোৱা মালা
যমুনালৈ যাব লাগে নকৰিবা হেলা।।

নামসমূহ উপমা, ৰূপকেৰে সমৃদ্ধ আৰু ছন্দত চহকী—

ফুল চন্দন তুলসী
ভৰিলনে নভৰিল
ৰাধা তোমাৰ কলচী।।

কামৰূপ আৰু নামনি অসমত জলকুঁৱৰীক অনুৰোধ কৰা গীতো গোৱা যায়—

জল এৰি দিয়া আই জলকুঁৱৰী
মুঠিতে আনিছো কড়ি এ।
কটাৰীৰে কাটি কলচী ভৰাই
ঘৰলৈ যাত্ৰা কৰি এ।
জল এৰি দিয়া নেও কলচী ভৰি এ।।

পানী তোলাৰ পাছত দৰা-কইনাক আয়তীসকলে নোৱাওতেও বিয়া নাম গায়—

বেই পাই ঘূৰিলে পীৰা পাৰি বহিলে।
ঐ ৰাম পাট পাই মেলিলে ভৰিহে।।

দৰা-কইনাক গা-ধুওৱাৰ পিছত মূৰত চাউল দিয়া প্ৰথা উজনিৰ পৰা নামনিলৈ প্ৰচলিত, ই এক অপৰিহাৰ্য ৰীতি বুলিব পাৰি।

আগে দিয়া পাছে দিয়া পঞ্চ আয়তীয়ে
কি ৰাম ৰাম, পঞ্চ আয়তীয়ে
দুৰ্বাঘাটৰ পানী আনি মূৰত দিয়াহি।

আগৰ দিনত তিনিদিনীয়া বিবাহ কাৰ্য সম্পাদন কৰোঁতে গাঁঠিয়ন খুন্দা আৰু অধিবাসৰ নামো গোৱা হয়। বৰ্তমান গাঁঠিয়ন খুন্দা প্ৰথা প্ৰায় উঠি গৈছে বুলিব পাৰি। সময়ৰ পৰিপ্ৰেক্ষিতত এদিনীয়া বিয়া পাতিব লগা হোৱাত সময়ৰ নাটনিৰ কাৰণে এই অনুষ্ঠান প্ৰায় বাদেই পৰিছে।

বিয়াৰ আগদিনা পুৱা হোৱাৰ আগে আগে দৰা-কইনাক দৈয়ন দিয়া হয়। সেই সামান্য অনুষ্ঠানটিও বিয়ানামেৰে ৰসাল হৈ উঠে—

আগবাঢ়ি আহা বাপু সিংহ দুৱাৰলৈ।
তোমাৰ মায়ে দৈয়ন দিব আঁঠু কাঢ়ি লৈ।।

এটা মনকৰিবলগীয়া কথা যে আমাৰ বিবাহ অনুষ্ঠানটো শাস্ত্ৰীয় কৰ্মৰ সৈতে সাঙুৰ খাই আছে আৰু বিয়ানামবোৰত প্ৰাচীন শাস্ত্ৰীয় বিবাহ কাৰ্যৰ লগত মিলাই বিয়ানাম গোৱা হয়। উদাহৰণ হিচাপে দৰা অহাৰ পিছত গোৱা নাম এফাকিলৈ মন কৰক—

শিৱ গোসাঁই আহিছে ডম্বৰুটি বাজিছে।
হেমন্তৰ পদুলিত কন্যা ভিক্ষা মাগিছে।।

হোমৰ গুৰিত গোৱা নামসমূহো পৌৰাণিক আখ্যানৰ আলমত গোৱা হয়—

কলীয়া তুলসী জুপি চকলীয়া পাত।
যজ্ঞত বহি ৰামচন্দ্ৰই জালত দিছে হাত।।

বিয়ানামবোৰত কিছুমান অন্তস্পৰ্শী বিষাদৰ সুৰ বিৰাজমান। দহমাহ, দহদিন গৰ্ভত ৰাখি জন্ম দি তুলিতালি পৰৰ ঘৰলৈ উলিয়াই দিয়াৰ বেদনা অকল মাকৰে নহয় ঘৰখনৰ সকলোৰে অসহনীয় হয়। বিয়া নামত তাৰ অনুৰণন লক্ষ্য কৰক—

আগবাৰী শুৱনি   কাকিনি তামোলে
পাছবাৰী শুৱনি পাণ।
বৰঘৰ শুৱনি   জীয়ৰী ছোৱালী
উলিয়াই দিবলৈ টান।।

আকৌ—

চৰায়ে তুলিলে ছয় অৰা পোৱালি
গছৰ ডাল শুৱনি কৰি।
আই-বোপায়ে আইদেউক তুলিলে
পৰৰ ঘৰ শুৱনি কৰি।।

মুঠতে, এই বিয়ানামবোৰে বিয়াৰ বিভিন্ন অনুষ্ঠানবোৰ সৰস কৰি তুলিছে। কিন্তু সাম্প্ৰতিক কালত এই বিয়াগীতবোৰৰ প্ৰচলন কমি আহিছে। সময়ৰ পৰিপ্ৰেক্ষিতত বিয়াৰ ৰীতি-নীতিও বেলেগ হৈছে বা পৰিৱৰ্তন হৈছে। মানুহ সময় আৰু পৰিস্থিতিৰ দাস। সমস্যা বহুল জীৱনত কিছু কাৰ্য বা অনুষ্ঠান অনিচ্ছাকৃতভাৱে হ'লেও সলাবলগীয়া হয়। বৰ্তমান নগৰ-চহৰত ঠাইৰ নাটনি, সময়ৰ অভাৱ বা নতুন প্ৰজন্মই ৰীতি-নীতিবোৰ কটকটীয়াকৈ ৰাখিব মানি চলিব নোখোজে। গতিকে, কিছু এৰা-ধৰা কৰি চলিব লগা হৈছে। পুৰণি ৰীতি-নীতি, জাতিৰ সংস্কৃতি ৰক্ষা কৰাৰ হেতু ঐতিহ্য আৰু পৰম্পৰাৰ কথা জনাটো দৰকাৰ বুলি বহুজনে মত পোষণ কৰে। ■

# বিহুগীতত আনুষঙ্গিক বাদ্যযন্ত্ৰ

ৰূপিকা বৰা, স্নাতক প্ৰথম বৰ্ষ, অসমীয়া বিভাগ

অসমীয়া সংস্কৃতিৰ ভঁৰালটোত অলেখ উৎসৱ-পাৰ্বনে থিতাপি লৈ অসমীয়া জাতিটোক এক বিশেষ মৰ্যদা প্ৰদান কৰি আহিছে। এই উৎসৱ-পাৰ্বণবিলাক হৈছে জাতিটোৰ পৰিচয়ৰ সবাক দাপোণ। উৎসৱ-পাৰ্বণবিলাকে যেনেদৰে সংস্কৃতিৰ পথাৰখনত পলস পেলাই জাতীয় সত্তাৰ ভঁৰালটোক পূৰ্ণতা প্ৰদান কৰিছে। ইয়াৰে আকৌ বেছিভাগ উৎসৱক পূৰ্ণতা প্ৰদান কৰিছে ইয়াৰ স'তে জড়িত গীত-মাতসমূহে। অসমীয়াৰ জাতীয় জীৱনৰ স'তে বহু উৎসৱ-পাৰ্বণ জড়িত হৈ থাকিলেও সবাতোকৈ বিহু উৎসৱেই উল্লেখযোগ্য। কিয়নো ই অসমীয়াৰ হিয়াৰ আমঠু, বুকুৰ বান্ধৈ আৰু কলিজাৰ জীউ। এই বিহুৱেই হ'ল অসমীয়াৰ জাতীয় উৎসৱ, অসমীয়াৰ বাপতিসাহোন। বিশেষকৈ বহাগ বিহু, কাতি বিহু আৰু মাঘ বিহুৰ ভিতৰত বহাগ বিহুটোৱেই অসমীয়াৰ হিয়াৰ মণিকোঠাত সোমাই পৰিলহি।

অসমীয়াৰ হিয়াৰ মণিকোঠাত এক বিশেষ স্থান অধিকাৰ কৰা বহাগ বিহুটিয়ে যিদৰে অসমীয়াৰ জাতীয় সত্তাৰ ভঁৰালটোক পৰিপূৰ্ণ কৰি তুলিছে, ঠিক তেনেদৰে এই বিহু উৎসৱটিক আকৌ পূৰ্ণতা প্ৰদান কৰি আহিছে ইয়াৰ স'তে জড়িত বিহুগীতসমূহে। বিহু উৎসৱক সোণত সুৱগা চৰোৱা এই অমূল্য মাত্ৰাৰ সুৰীয়া সুৰৰ বিহুগীতসমূহক আকৌ পৰিপূৰ্ণ কৰি তুলিছে ইয়াৰ আনুষঙ্গিক বাদ্যযন্ত্ৰসমূহে।

বিহুগীতৰ স্তৱকৰ মাজত সাঙোৰ খাই আছে— (ক) ঢোল (খ) পেঁপা (গ) গগণাৰ লগতে (ঘ) টকা আৰু (ঙ) তাল।

**ক) ঢোল:** মাটি, কাঠ, বাঁহ বা ধাতুৰ খোলা চামৰাৰে বন্ধ কৰি সজা বাদ্যযন্ত্ৰসমূহক আনদ্ধ বাদ্য বুলি কোৱা হয়। অসমীয়া সংস্কৃতিত সবাতোকৈ উল্লেখযোগ্য আৰু জনপ্ৰিয় এই ঢোলটি হ'ল আনদ্ধ বা অৱনদ্ধ বাদ্য। যিটো অসমীয়াৰ বাপতিসাহোন ৰঙালী বিহুৰ বিহুগীতৰ লগতে বিহু নৃত্যৰ প্ৰথম আৰু সবাতোকৈ অপৰিহাৰ্য বাদ্য। ঢোলটিক বাদ দি যেন বিহুৰ কথা ভাবিবই নোৱাৰি। ঢোল কেইবাপ্ৰকাৰৰ থাকিলেও বিহুগীতৰ স'তে সঙ্গত কৰা ঢোলটোক বিহুঢোল বুলি কোৱা হয়। এই ঢোলৰ তালি দুখন থাকে। বাওঁহাতৰ খন ডাঙৰ আৰু সোঁহাতৰ খন সামান্য সৰু। ইয়াৰে ডাঙৰ তালিকাখন পাতল আৰু মাতটো কাঢ়া। এই তালিখনত এখন কাটনি চামৰা থাকে আৰু ইয়াক কিছুমানে মেখেলা বুলিও কয়। ঢোলৰ সৰু তালিখনত চামৰা এখনত কটা ঘাট থাকে আৰু ইয়াৰ লগত কিছুমান কাঠৰ বা পূৰঠ বাঁহৰ ঠিলা মৰা থাকে যিবোৰক ফৰিং বোলা হয়। এই সৰু তালিখনত এডাল মাৰিৰে কোবাই বজোৱা হয়। দুয়োখন তলি আকৌ টান কৰিবলৈ বৰতি লগোৱা হয়। এই বৰতি ঢিলা হ'লে বিহুগীতত ইয়াৰ মূৰ্ত প্ৰকাশ ঘটে এনেদৰে—

ঢোলৰে বৰতি ঢিলা ঐ ঢুলীয়া
ঢোলৰে বৰতি ঢিলা।
কালিৰে পৰা ভাতে নাইকিয়া
কঁকালৰ কাঁচুটি ঢিলা।।
মাখিৰ মূৰ কাটি ঢোলটি সাজিলোঁ
পিপৰাৰ ছালেৰে চালোঁ।
জেলুকৰ ছালেৰে বৰটি কাটিলোঁ
ফৰিঙৰ ঠেঙেৰে বালোঁ।।

**খ) পেঁপা:** পেঁ পেঁ অনুকাৰক শব্দৰ পৰা উদ্ভৱ হোৱা পেঁপা শব্দটো অনুকাৰ শব্দ। এই পেঁপা বজাবৰ বাবে তিনিটা আঙুলি ব্যৱহাৰ হোৱা কথাটোও বিহুগীতত ফুটি উঠিছে।





পেঁপাটি বজাবৰ তিনিটা আঙুলি
মাজৰটি আঙুলি লৰে।

* * *

কিহেৰে কাটিলি পেঁপা সমনীয়া
কিহেৰে কাটিলি পেঁপা।
বাঁহৰে এছাৰি ডবুৱা কটাৰী
তাৰে মই কাটিলোঁ পেঁপা।।

বিহু-পেঁপা বজোৱাটো অতিকৈ কৌশলযুক্ত কাম। এই পেঁপা তৈয়াৰ কৰা হয় ম'হৰ শিঙৰ পৰা। মৰা ম'হৰ শিঙৰ আগটো প্ৰথমে গৰম পানীত কোমলাই পাছত তাক কটাৰীৰে ৰুকি পাতল কৰি লোৱা হয়। ইয়াৰে আগৰ অংশত ৬ ইঞ্চিৰপৰা ৮ ইঞ্চি দীঘল নল বা সৰু বিজুলী বাঁহৰ চুঙাৰ অৰ্থাৎ বাঁহীৰ আকৃতিৰ চুঙাত পাঁচটা ফুটা কৰি সংযোগ কৰি লোৱা হয় আৰু ইয়াৰ ওপৰত দুই বা আঢ়ৈ ইঞ্চি দীঘল নলৰ পেঁপা এটা সুমুৱাই দিয়া হয়। ম'হৰ শিঙৰ পেঁপাৰ ম'হৰ শিংডোখৰক খোলা আৰু মুখেৰে ফু দিয়া অংশক চুপহি বুলি কোৱা হয়।

ম'হৰ দুটা শিঙেৰেও পেঁপা সজা হয়। এনে পেঁপাক যুৰীয়া পেঁপা বুলি কোৱা হয়। যুৰীয়া পেঁপাৰ মাত আনবিধতকৈ তীব্ৰ। ম'হৰ শিঙৰ পেঁপা অসমীয়া বিহুগীত আৰু লগতে বিহু নৃত্যৰো এক অপৰিহাৰ্য সঙ্গত বাদ্য।

**গ) গগণা:** বিহুগীতৰ আন এবিধ আনুষঙ্গিক বাদ্য হ'ল গগণা। বিহুগীতত এইবিধ বাদ্য সাধাৰণতে ছোৱালীয়ে বজায়। এই গগণাক ঠায়ে ঠায়ে ভেকুলী বাদ্যও বুলি কোৱা হয়। কিয়নো ভেকুলীৰ মাতৰ স'তে গগণাৰ মাতৰ সাদশ্য আছে। গগণা মূলতঃ দুবিধ— ক) লাহৰি গগণা খ) জয়ধন গগণা। ল'ৰাই বজোৱা বিধক জয়ধন গগণা আৰু ছোৱালীয়ে বজোৱা বিধক লাহৰি গগণা বুলি কোৱা হয়।

আগলি বাঁহৰে লাহৰি গগণা
উশাহৰ টিপতে বাওঁ।
আহে কি নাহে মোৰ ধন চেনাইটি
চিৰি পাতি মঙ্গলখন চাওঁ।।
গগণা আঁৰণি গগণা পুৰণি
গগণা কিহেৰে বাওঁ।
দুফালে দুছাটি মাজতে এছাটি
বুঢ়া আঙুলি বোলাই যাওঁ।।

**ঘ) টকা:** বিহুগীতৰ আনুষঙ্গিক বাদ্যযন্ত্ৰৰ ভিতৰত টকাটোও অন্যতম। চহা কৃষিজীৱী লোকে খেতি-পথাৰৰ পৰা বনৰীয়া জন্তুক খেদাবলৈ এই টকা বজাইছিল। টক্ টক্ শব্দ কৰাৰ বাবেই ইয়াৰ নাম হৈ পৰিল টকা। ই এটা অনুকাৰ শব্দ। এই টকা সজা হয় ভাল পূৰঠ জাতি বা ভলুকা বাঁহৰ আগলিৰে। ই দীঘলে দুই ফুট বা আঢ়ৈ ফুট। এই বাঁহৰ টকাটিৰ বিষয়ে বিহুগীতত নামতীৰ সুৱলা কণ্ঠেৰে প্ৰকাশিত হৈছে এনেদৰে—

বাঁহৰ টকাটি সাজি দিয়া ককাইটি
বিহু মাৰিবলৈ যাওঁ।

**ঙ) তাল:** বিহুগীতৰ আনুষঙ্গিক বাদ্যসমূহৰ লগত সঙ্গত কৰা এইবিধ বাদ্য হ'ল ঘন বাদ্য। কিয়নো ই ধাতুৰ আৰু ইয়াক নিৰ্মাণ কৰা হয় কাঁহেৰে। ইয়াৰ বিশেষকৈ নৃত্য-গীতত তাল ৰাখিবৰ বাবেহে ব্যৱহাৰ কৰা হয়। অসমত বিভিন্ন ধৰণৰ তালৰ ব্যৱহাৰ হ'লেও বিহুগীতত খুটিতাল বা কৰতালহে ব্যৱহাৰ কৰা হয়।

ৰিণিকি ৰিণিকি দেখোঁ গাঁও এখনি
সেইখনি চেনাইৰে গাঁও।
কান্ধতে ঢোল, পেঁপা, তাল, গগণা
ব'লা চেনাই বিহু মাৰিবলৈ যাওঁ।। ■

---

আমাৰ ধাননি পথাৰখন আমাৰ হাতৰ পৰা কাঢ়ি নিনিয়ালৈকে, অসমীয়াৰ জাতীয় উৎসৱ তিনি বিহু চলি থাকিব। অসমীয়াই হাঁহিব, নাচিব, গাব। যিদিনাই আমাৰ ধাননি পথাৰ নোহোৱা হ'ব, সেই দিনাই আমাৰ তিনি-বিহুও অন্তৰ্ধান হ'ব। জগতৰ আজি শিল্পৰ অৰিয়া-অৰিত, অসমকো শিল্প লাগে, আনৰ লগত সমানে আগবাঢ়িবলৈ। কিন্তু, শিল্পৰ লগতে, সমানে খেতি-প্ৰাণ অসমীয়া জাতিটোক ধাননি পথাৰখনো লাগে। তেহে অসমীয়া জাতিটোৱে জাতীয় উৎসৱ বিহুত প্ৰাণ খুলি হাঁহিব পাৰিব।

— নকুল চন্দ্ৰ ভূএঁা

# ধৰ্ম আৰু সমাজ

ৰিম্‌চী গোস্বামী, স্নাতক তৃতীয় বৰ্ষ, দৰ্শন বিভাগ

ধৰ্ম শব্দটো আমাৰ অতি পৰিচিত। গতিকে, ইয়াৰ প্ৰকৃত অৰ্থ জানিবলৈ বিশেষ আগ্ৰহ দেখা নাযায়। ধৰ্মৰ ব্যুৎপত্তিগত অৰ্থ হ'ল যিয়ে ধাৰণ কৰে, যাৰ ফলত মানুহে দুৰ্গতি আৰু পতনৰ পৰা ৰক্ষা পায়। ইংৰাজী Religion শব্দটি ওলাইছে Religere শব্দৰপৰা, যাৰ অৰ্থ হ'ল বন্ধন (bond)। গতিকে, বুজিব পাৰি ব্যক্তিৰ জীৱনলৈ যি যথাৰ্থ সংহতি আনে সিয়েই ধৰ্ম। 'ধৃ' ধাতুৰ লগত 'মন' প্ৰত্যয় যোগ কৰি সংস্কৃতত 'ধৰ্ম' শব্দটিৰ উৎপত্তি হৈছে। ধৰ্মতত্ত্বৰ ইতিহাসত ধৰ্মৰ সংজ্ঞা নানাভাৱে দিয়া হৈছে। টেইলৰৰ মতে: "ধৰ্ম হ'ল আত্মিক জীৱনৰ বিশ্বাস।" মেক্সমুলাৰৰ সংজ্ঞা হৈছে: "ধৰ্ম হৈছে অসীমৰ প্ৰত্যক্ষণ বা উপলব্ধি।" হাৰ্বাৰ্ট স্পেনচাৰৰ ভাষাত: "ধৰ্ম হ'ল এটা আনুমানিক ধাৰণা যিয়ে এই বিশ্বজগত বোধগম্য কৰি তোলে।" আনহাতে ফ্ৰেজাৰৰ মতে: "যি অলৌকিক শক্তিৰ প্ৰভাৱত প্ৰকৃতি আৰু মানৱ জীৱন পৰিচালিত হয় তাৰ তুষ্টি সাধনেই হৈছে ধৰ্ম।" এইদৰে বিভিন্ন চিন্তাবিদে ধৰ্মৰ বিভিন্ন সংজ্ঞা দিছে। ওপৰত উল্লেখ কৰা ধৰ্মৰ সংজ্ঞাবোৰে ধৰ্মৰ আটাইকেউটা দিশক প্ৰকাশ কৰিব পৰা নাই। ধৰ্মৰ সংজ্ঞা দিওঁতে আমি মনত ৰাখিব লাগিব যে ধৰ্ম হ'ল মানুহৰ চিন্তা, অনুভূতি আৰু আচৰণৰ এটা স্বাভাৱিক, বৈশিষ্ট্যপূৰ্ণ আৰু সৰ্বব্যাপক ৰূপ।

ধৰ্মৰ মাজত পৰম কল্যাণ বা পৰমাৰ্থৰ দিশটোও জড়িত হৈ আছে। ই কেৱল আচাৰ-অনুষ্ঠান সৰ্বস্ব নহয়। ধৰ্মৰ অৰ্থ সমন্ধে যিবোৰ মতবাদ উল্লেখ কৰা হ'ল সেইবোৰত ধৰ্মৰ সামাজিক দিশৰ বিষয়ে বিশেষ একো কোৱা হোৱা নাই। ডুৰখেইমৰ মতবাদত সামাজিক দিশ প্ৰকাশ পাইছে। তেওঁৰ মতে: "কোনো পৱিত্ৰ সত্তাৰ অনুভূতিৰ পৰা সেই সত্তাৰ প্ৰতি বিশ্বাস আৰু ৰীতি-নীতিৰ উদ্ভৱ হয়।" সমাজ বিজ্ঞানীসকলৰ বাবে ধৰ্মৰ এই দিশটি অতি মূল্যৱান। মেকেঞ্জিৰ ভাষাত: "ই হৈছে এক সৰ্বোচ্চ আৰু পৰম মূল্যৱান সত্তাৰ প্ৰতি ভক্তিময় অনুৰাগ।" ধৰ্মৰ প্ৰকৃত অৰ্থ গঠনমূলক আৰু সৃষ্টিমূলক। সমাজ দৰ্শনত ধৰ্মৰ সামাজিক মানৱতাৰ দিশটিৰ ওপৰত প্ৰাধান্য দিয়া হয়, কিয়নো ই সামাজিক ঐক্য আৰু সংহতিৰ যোগসূত্ৰ। ধৰ্মৰ প্ৰকৃত তাৎপৰ্য উপলব্ধি কৰিব পাৰিলে বুজা যায় যে, ধৰ্ম বাহ্যিক আচাৰ-অনুষ্ঠান, ৰীতি-নীতি, উপদেশ, আদেশবাণী বা অলৌকিকতা নহয়। ই হ'ল মানুহৰ জীৱনৰ শ্ৰেষ্ঠ প্ৰমূল্যবিলাকৰ স্বীকৃতি, অৰ্থাৎ সত্য, শিৱ, সুন্দৰৰ উপলব্ধি। সমাজদৰ্শনত ধৰ্মত জীৱনৰ প্ৰমূল্যবোৰৰ দিশ, মানৱতাৰ দিশ আৰু সামাজিক সংহতিৰ দিশতহে গুৰুত্ব দিয়া হয়।

ধৰ্মক দুটা ভাগত ভাগ কৰিব পাৰি— প্ৰাথমিক আৰু উচ্চস্তৰৰ ধৰ্ম। সমাজ দৰ্শনত প্ৰাথমিক ধৰ্মহে আলোচ্য বিষয়। উচ্চস্তৰৰ ধৰ্মত দাৰ্শনিক ব্যাখ্যাই প্ৰাধান্য লাভ কৰে। সেয়েহে, সমাজ দৰ্শনত ইয়াৰ প্ৰাসঙ্গিকতা কিছু কম। আনহাতে, ধৰ্মৰ লক্ষণসমূহ হ'ল— সন্তোষ, ক্ষমা, পবিত্ৰতা, ইন্দ্ৰিয় সংযম, বুদ্ধিৰ নিৰ্মলতা, বিবেক, সত্য, ধৈৰ্য, অক্ৰোধ, সহনশীলতা, প্ৰেম ইত্যাদি। ধৰ্মৰ প্ৰকৃত অৰ্থ উপলব্ধি কৰিব পাৰিলে এই লক্ষণসমূহ ব্যক্তি জীৱনত সম্পূৰ্ণৰূপে পৰিস্ফুট হোৱা দেখা যায়।

ধৰ্ম কেৱল মাত্ৰ কোনো পৰম সত্তাৰ বিশ্বাসেই নহয়, ই হ'ল সেই পৰম সত্তাত বিশ্বাস যি সত্য-শিৱ-সুন্দৰৰ প্ৰতীক। মানুহ হিচাপে মানুহৰ যি বৈশিষ্ট্য, অৰ্থাৎ মানুহৰ যি বিচাৰ বুদ্ধিৰ দিশ আছে, সেই দিশটিয়েই জীৱনৰ মূল্যবোধৰ বাবে আটাইতকৈ প্ৰয়োজনীয় দিশ। বিচাৰ বুদ্ধিৰ অধিকাৰী বাবেই মানুহে কামনা কৰে সত্য, শিৱ আৰু সুন্দৰৰ আদৰ্শক। গতিকে সত্য, শিৱ, সুন্দৰৰ অনুসৰণ কেৱল নৈতিকতা নহয়, ই মানুহৰ ধৰ্মবোধৰো পৰিচয়। আমি ধৰ্মক অতি সঙ্কীৰ্ণ দৃষ্টিত বিবেচনা কৰোঁ বাবে এই ধৰ্মৰ অন্তৰ্নিহিত তাৎপৰ্য উপলব্ধি কৰিব নোৱাৰোঁ। এই সঙ্কীৰ্ণ দৃষ্টিৰ বাবেই আমি ধৰ্মক আচাৰ-অনুষ্ঠান, ৰীতি-নীতি, বিচাৰহীন মতবাদ বা অলৌকিকতাৰ লগত অভিন্ন বুলি ভাবোঁ। ধৰ্মবোধে মানুহৰ নীতিবোধক উন্নত কৰে। সামাজিক ক্ষেত্ৰত আমি দেখো নীতি আৰু ধৰ্মৰ সমন্বয়। মেকেঞ্জিৰ মতে: "উচ্চস্তৰৰ দাৰ্শনিক চিন্তা, কাব্যসৃষ্টি আৰু নৈতিক প্ৰচেষ্টা সকলো ধৰ্ম সম্পৰ্কীয় বিষয়।"

ধৰ্মই মানুহৰ অন্তৰ্নিহিত গুণসমূহৰ বিকশিত, পৰিস্ফুট আৰু পৰিপুষ্ট কৰি ব্যক্তিগত আৰু সামুহিক কল্যাণৰ বাবে উপযুক্ত কৰি গঢ়ি তোলে। ধৰ্মৰ দৃষ্টি আকাশলৈ নহয়, মাটি আৰু মানুহৰ পৃথিৱীলৈহে। ধৰ্মৰ প্ৰকৃত লক্ষণসমূহ যদি কোনোৱে আয়ত্ত কৰিব পাৰে, তেনেহ'লে সেই ব্যক্তিয়ে যে পৰিয়াল আৰু সমাজৰ অশেষ কল্যাণ সাধন কৰিব তাত কোনো সন্দেহ নাই। এক হিচাপে ব্যক্তি বিশেষৰ বিশ্বাসৰ ওপৰত যদিও ই নিৰ্ভৰশীল, তথাপিও সমাজ জীৱনত ধৰ্মৰ এক বিশিষ্ট ভূমিকা আছে। সমাজবিজ্ঞানী ব্ৰেকমাৰ আৰু গিলিনৰ মতে ধৰ্ম যিমানদূৰ ব্যক্তিগত তাতোকৈ বহুত বেছি সামাজিক। তেওঁলোকৰ মতে সামাজিক উপাসনা বাদ দিলে কেৱল মাত্ৰ ব্যক্তিগত উপাসনাৰ মাজত ধৰ্ম বাচি থাকিব নোৱাৰে। ইতিহাস অনুধাৱণ কৰিলে দেখা যায় যে যি গোষ্ঠীয়ে সমবেত উপাসনা কৰাৰ পৰা বিৰত হয়, তেওঁলোকৰ ধৰ্মৰ কালক্ৰমত পৰিসমাপ্তি ঘটে। 'ধৰ্ম' শব্দৰ অৰ্থই ইয়াৰ সামাজিক তাৎপৰ্যক সূচায়। ঈশ্বৰত বিশ্বাস আৰু তেওঁৰ উপাসনা কৰা যেনেকৈ ধৰ্ম, সৎ আচৰণো সেইদৰে ধৰ্মৰ অন্তৰ্গত।

সমাজ হাজাৰ হাজাৰ বছৰৰ ধৰ্ম আৰু নীতিৰ প্ৰতীক স্বৰূপ। ধৰ্ম আৰু নীতিৰ ভিত্তিতেই নানা ৰীতি, আচাৰ-অনুষ্ঠান, বিধি-বিধান আদিৰ প্ৰচলন হৈছে। সমাজত বাস কৰা ব্যক্তিসকলে এইবোৰ মানি ল'ব লগা হয়। এইদৰে ধৰ্মই সমাজলৈ শৃঙ্খলা আৰু একাত্মবোধ আনে।

মানুহে প্ৰবৃত্তিক দমন কৰিব পাৰে। বুদ্ধি আৰু সংযমিত চৰিত্ৰই মানুহক সহজাত প্ৰবৃত্তিৰ প্ৰভাৱৰ পৰা ৰক্ষা কৰে। কিন্তু সংযম বা সৎ চৰিত্ৰ গঠনৰ কাৰণে প্ৰয়োজন হয় ধৰ্ম, নীতি আৰু মহৎ আদৰ্শৰ। সংক্ষেপে ক'বলৈ হ'লে সহজাত প্ৰবৃত্তিক দমন কৰিবলৈ হ'লে ধৰ্ম আৰু নীতিৰ গুৰুত্ব অপৰিহাৰ্য। ধৰ্মৰ এই সামাজিক মূল্য সকলো দেশতে পৰম সত্যৰূপে স্বীকৃত হৈছে। টয়েনবি, ডেমেণ্ট প্ৰভৃতিৰ মতে ধৰ্মই হ'ল সভ্যতাৰ কেন্দ্ৰস্থিত উপাদান; ধৰ্মৰ বিপৰ্যয় ঘটিলে সভ্যতাৰো বিপৰ্যয় ঘটিব।

ইতিহাসৰ পাতত আমি পাওঁ যে ধৰ্ম প্ৰচাৰকসকলৰ জীৱনৰ ঘটনাৱলীয়ে সমগ্ৰ মানৱজাতিৰ সমাজগত কল্যাণ সাধন কৰিছে। বুদ্ধ, যীশু, হজৰত আদি ধৰ্ম-প্ৰৱৰ্তকসকলে তেওঁলোকৰ জীৱনৰ মহৎ দৃষ্টান্তৰে সমাজৰ ওপৰত অসীম প্ৰভাৱ বিস্তাৰ কৰিছিল।

বিভিন্ন ধৰ্মৰ ধৰ্মীয় অনুষ্ঠানবোৰৰো যথেষ্ট সামাজিক তাৎপৰ্য আছে। আদিম যুগৰ পৰা বৰ্তমানলৈকে মানুহৰ ধৰ্ম বিশ্বাসে তেওঁলোকৰ ব্যক্তিগত আৰু সামাজিক আচৰণসমূহক পৰিচালিত কৰিছে। আদিম মানুহে প্ৰকৃতিৰ দুৰ্ধৰ্ষ শক্তিৰ কাষত প্ৰণত হৈ পৰিত্ৰাণৰ বাবে প্ৰাৰ্থনা কৰিছিল। ব্যক্তিৰ মনত ভয় আৰু বিস্ময়ে দেখা দিছিল। এই আৱেগসমূহ সাৰ্বিক আছিল। এইদৰেই গোষ্ঠী, নৃত্য, সাৰ্বজনীন পূজা, উৎসৱ অনুষ্ঠানৰ প্ৰচলন হয়। এই পূজা-পাৰ্বণ ৰীতি-নীতিবোৰৰ সামাজিক মূল্য যথেষ্ট আছে। ধৰ্মৰ সামাজিক তাৎপৰ্য বিশ্লেষণ কৰিলে দেখা যায় যে, ই কেৱল বিশ্বাস আৰু ৰীতি-নীতি গঢ়ি নোতোলে, বিভিন্ন ব্যক্তিৰ মাজত ঐক্য স্থাপন কৰে আৰু ব্যক্তিয়ে ধৰ্মীয় অনুষ্ঠানৰ যোগেদি এই সামাজিক ঐক্যৰ মূল্য বুজিবলৈ সক্ষম হয়। ধৰ্মই মানুহৰ মাজত অহিংসা, সত্য, অক্ৰোধ আৰু দান— এই চাৰিটা মহৎ গুণৰ প্ৰকাশ ঘটায়। ফলত মানৱ সেৱা আৰু সহযোগিতা তত্ত্বৰ ওপৰত সমাজ স্থাপিত কৰিবলৈ উদ্যোগী হয়। জীৱ-সেৱা তথা বিশ্বমানৱৰ সেৱা আধুনিক ধৰ্মৰ অন্যতম বৈশিষ্ট্যত পৰিণত হৈছে।

ধৰ্ম হৈছে আংশিকভাৱে ব্যক্তিগত আৰু আংশিকভাৱে সমাজগত। এই দুইটি দিশৰ যেতিয়া সহজ সমন্বয় ঘটে তেতিয়াই সংহতি শক্তিৰূপে ধৰ্মই সমাজক গঢ়ি তুলিব পাৰে। সঁচাকৈয়ে ধৰ্ম এক মহাশক্তি। যি মানুহৰ সমগ্ৰ জীৱনক নিয়ন্ত্ৰণ কৰে আৰু পশু মানৱক সামাজিক মানৱত পৰিণত কৰে। ধৰ্মৰ সামাজিক তাৎপৰ্য বুজিলেহে সংহতি শক্তিৰূপে সমাজৰ ওপৰত ধৰ্মৰ প্ৰভাৱ নিৰ্ণয় কৰিব পাৰি।■



# মানৱ বিকাশ (Human Development)

কংকনা বৰা, স্নাতক দ্বিতীয় ষাণ্মাসিক (ৰাজনীতি বিজ্ঞান বিভাগ)

বৰ্তমান সময়ত মানৱ বিকাশৰ ধাৰণাটোৱে যথেষ্ট গুৰুত্ব লাভ কৰিছে। অৱশ্যে এই ধাৰণাটো খুব পুৰণি নহয়। এইটো বিগত দুই দশক মানৱ ভিতৰত বিকশিত হৈছে।

**মানৱ বিকাশ আৰু অৰ্থ:** জনসাধাৰণৰ জীৱনৰ মানদণ্ড উন্নত কৰা প্ৰক্ৰিয়াটোকে সাধাৰণ অৰ্থত বিকাশ বোলা হয়। বিকাশৰ সৈতে পৰিৱেশ, সমাজ আৰু সংস্কৃতিও জড়িত হৈ আছে। কিন্তু সময়ে সময়ে বিকাশৰ এই বিস্তৃত ৰূপটোলৈ মন নিদি কেৱল অৰ্থনৈতিক উন্নয়নকে বিকাশ আখ্যা দিয়া হয়। বিকাশ বুলিলে কেৱল অৰ্থনৈতিক বিকাশক নুবুজায়। অৰ্থনৈতিক বিকাশৰ সৈতে মানৱ জাতিৰ জীৱন-নিৰ্বাহৰ মানদণ্ডও জড়িত হৈ আছে। ৰাষ্ট্ৰ এখনৰ বিকাশ ইয়াৰ অধিবাসীসকলৰ বিকাশৰ লগত জড়িত। সেইবাবে খাদ্য, বস্ত্ৰ, আশ্ৰয়, স্বাস্থ্যসেৱা, শিক্ষা আদি ব্যক্তিৰ মৌলিক প্ৰয়োজনসমূহ পূৰণৰ লগত বিকাশ জড়িত থাকিব লাগে। যিবোৰ বৃদ্ধিৰ প্ৰক্ৰিয়া সৰ্বসাধাৰণ মানুহৰ এনে প্ৰয়োজনসমূহ পূৰণৰ লগত জড়িত নহয় সেইবোৰক বিকাশ বুলি গণ্য কৰিব পৰা নাযায়। বিকাশ কেৱল ৰাষ্ট্ৰীয় আয়ৰ উত্থান-পতনৰ ওপৰত নিৰ্ভৰশীল নহয়। গতিকে মানৱ বিকাশ হৈছে এনে এক প্ৰক্ৰিয়া বা পৰিৱেশ য'ত ব্যক্তিয়ে নিজৰ সামৰ্থ্যৰ সম্পূৰ্ণ বিকাশ সাধন কৰিব পাৰে আৰু নিজৰ আৱশ্যকতা আৰু পছন্দ অনুসৰি উৎপাদনশীল আৰু সৃষ্টিশীল জীৱন কটাব পাৰে। মানৱ বিকাশৰ ধাৰণাটো ১৯৯০ চনৰ UNDP-এ প্ৰকাশ কৰা মানৱ বিকাশ প্ৰতিৱেদনৰপৰা জনপ্ৰিয় হয়। ইয়াৰ আগলৈকে মানৱ বিকাশে প্ৰায় অৰ্থনৈতিক প্ৰগতিক বুজাইছিল। মানৱ বিকাশৰ ধাৰণাটোৰ বিকাশত আটাইতকৈ গুৰুত্বপূৰ্ণ অৰিহণা যোগাইছিল ড° মেহবুব উল হকে। এই ধাৰণাটোৱে বিকাশৰ ক্ষেত্ৰত সৰ্বসাধাৰণ লোকৰ দক্ষতা বৃদ্ধি আৰু পছন্দৰ ওপৰত গুৰুত্ব আৰোপ কৰে।

**মানৱ বিকাশৰ মূল ভিত্তি:** মানৱ বিকাশৰ চাৰিটা মূল ভিত্তি আছে। সেইকেইটা হ'ল— ন্যায্যতা, বহন ক্ষমতা বা তিষ্ঠি থকাৰ সামৰ্থ্য, উৎপাদন আৰু সবলীকৰণ।

**ন্যায্যতা:** ন্যায্যতাই সকলোৰে বাবে ন্যায্য প্ৰাপ্তিৰ অৱস্থাক বুজায়। অৰ্থাৎ কোনো ব্যক্তিয়ে ন্যায্যৰ পৰা বঞ্চিত হ'ব নালাগে। প্ৰত্যেকে খাদ্য, বস্ত্ৰ আৰু বাসস্থানৰ উপৰি শিক্ষা আৰু স্বাস্থ্যসেৱাৰ সুবিধা পাব লাগে।

**বহনক্ষমতা বা তিষ্ঠি থকাৰ সামৰ্থ্য:** বহনক্ষমতাৰ অৰ্থ হৈছে যে প্ৰত্যেক সমাজত উপযুক্ত ধৰণে তিষ্ঠি থাকিবলৈ জীৱন-নিৰ্বাহৰ উপযুক্ত সুবিধা লাভ কৰিব লাগে। তদুপৰি সম্পদৰ সমবিতৰণৰ ওপৰত গুৰুত্ব দিয়া প্ৰয়োজন।

**উৎপাদন:** উৎপাদনে কেৱল দ্ৰব্যৰ উৎপাদনক বুজোৱা নাই। ই চৰকাৰৰ সৃষ্টিশীল ক্ষমতাক সূচাইছে আৰু সামাজিক সিদ্ধান্ত গ্ৰহণত চৰকাৰ অধিক দক্ষ হোৱাৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব দিছে।

**সবলীকৰণ:** সবলীকৰণে সামগ্ৰিক কল্যাণকৰ অৱস্থাক বুজাইছে। বিকাশৰ তাৎক্ষণিক উদ্দেশ্য দ্ৰব্য আৰু সম্পদৰ বৃদ্ধি কৰা যেন লাগিলেও ইয়াৰ মূল উদ্দেশ্য হৈছে জনসাধাৰণৰ কল্যাণ আৰু বিকাশ সাধন কৰা।

**মানৱ বিকাশৰ অগ্ৰগতিৰ বাবে অৱলম্বন কৰিবলগীয়া উপায়সমূহ:**

**অত্যধিক দৰিদ্ৰতা আৰু ক্ষুধা নিবাৰণ:** দৰিদ্ৰতা আৰু মানৱ উন্নয়নৰ মাজত প্ৰত্যক্ষ সম্পৰ্ক বিৰাজমান। দুখীয়া দেশ এখনৰ মানৱ বিকাশৰ হিচাপ সন্তুষ্টিজনক হ'ব নোৱাৰে। এনে দেশসমূহত জনসাধাৰণে সাধাৰণতে নিৰক্ষৰতা, কম জীৱনকাল আদি সমস্যাৰদ্বাৰা জড়িত হৈ থাকে আৰু এইবোৰে ব্যাপক ৰূপত সামাজিক ব্যাধি হিচাপে বিকাশৰ হেঙাৰ হৈ পৰে। সেয়ে উন্নয়নশীল আৰু কম উন্নত দেশসমূহে জনসংখ্যা হ্ৰাস কৰি দৰিদ্ৰতা আৰু ক্ষুধা নিবাৰণৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিব লাগে।

**সাৰ্বজনীন প্ৰাথমিক শিক্ষা প্ৰাপ্তি:** নিৰক্ষৰতা যিহেতু আটাইতকৈ ডাঙৰ সামাজিক ব্যাধি, সেইকাৰণে প্ৰাথমিক শিক্ষাৰ আটাইতকৈ বেছি প্ৰয়োজন। এই ক্ষেত্ৰত কন্যা সন্তানক প্ৰাথমিক শিক্ষা প্ৰদানৰ ব্যৱস্থা কৰা অতি দৰকাৰী। কাৰণ মহিলাসকল শিক্ষিত হ'লে, বিশেষকৈ গ্ৰাম্যাঞ্চলত জনসংখ্যা বৃদ্ধিৰ হাৰ আৰু নৱজাতকৰ মৃত্যুৰ হাৰ নিম্নগামী হ'ব। সেই কাৰণে ল'ৰা-ছোৱালী অৰ্থাৎ সকলো শিশুৱে যাতে প্ৰাথমিক শিক্ষা গ্ৰহণ কৰে তাৰ প্ৰতি চকু দিব লাগিব।

**লিঙ্গ বৈষম্য দূৰ কৰা:** প্ৰায় আটাইবোৰ উন্নয়নশীল আৰু কম উন্নত দেশত পৰিয়ালসমূহে কন্যা শিশুৰ তুলনাত পুত্ৰ সন্তানক শিক্ষা প্ৰদান কৰাৰ ক্ষেত্ৰত গুৰুত্ব প্ৰদান কৰে। ফলত সৰহ সংখ্যক কন্যাই প্ৰাথমিক শিক্ষাৰপৰাও বঞ্চিত হয়। বিভিন্ন সামাজিক ব্যাধি দূৰীকৰণৰ অৰ্থে এই লিঙ্গ বৈষম্য পৰিহাৰ কৰাটো অতি প্ৰয়োজনীয় কথা। শিক্ষা প্ৰদান কৰি মহিলাসকলক স্বাৱলম্বী জীৱন-যাপনৰ বাবে উৎসাহিত কৰাটো এই দেশবোৰৰ মানৱ উন্নয়নৰ অগ্ৰগতিৰ বাবে অতি আৱশ্যকীয় দিশ।

**শিশুৰ মৃত্যুৰ হাৰ হ্ৰাস:** অপুষ্টিকাৰিতা বৰ্তমান উন্নয়নশীল দেশৰ সন্তানসম্ভৱা মহিলাসকলৰ বাবে এক অভিশাপ স্বৰূপ। সেইকাৰণে এনে মহিলাই জন্ম দিয়া শিশুৰ অকাল মৃত্যু ঘটে। কম আয় আৰু অস্বাস্থ্যকৰ পৰিৱেশৰ বাবে অধিক সংখ্যক শিশু মৃত্যুমুখত পৰে। কম বয়সৰ শিশুৰ মৃত্যু ৰোধ কৰিব পাৰিলেহে পৰিয়ালৰ গঠনত সুস্থিৰতা আহিব অৰ্থাৎ ই পৰিয়াল গঠনত সহায়ক হ'ব।

**মানৱ অধিকাৰ আৰু মানৱ বিকাশ:**

মানৱ অধিকাৰৰ লগত মানৱ বিকাশৰ ওতপ্ৰোতভাৱে জড়িত হৈ আছে। মানৱ অধিকাৰ হৈছে ব্যক্তিৰ কিছুমান সহজাত অধিকাৰ যিবোৰে তেওঁলোকক প্ৰকৃত মানুহ হিচাপে মৰ্যাদা সহকাৰে জীয়াই থকাত সহায় কৰে। মানৱ অধিকাৰসমূহ স্বাধীনতা, সমতা আৰু ভ্ৰাতৃত্বৰ ভিত্তিত প্ৰতিষ্ঠিত। এইবোৰে মানুহক বৈষম্যহীনভাৱে সহযোগিতাৰ মনোভাৱেৰে জীয়াই থকাত সহায় কৰে। মানৱ বিকাশ ব্যক্তিৰ সৰ্বাঙ্গীন কল্যাণৰ লগত জড়িত। বিভিন্ন শ্ৰেণীৰ মাজত থকা বৈষম্য আৰু কিছুমানৰ বাবে সুযোগ সুবিধাৰ অভাৱে মানৱ বিকাশত প্ৰতিকূল প্ৰভাৱ পেলায়। সেইবাবে মানৱ বিকাশ, মানৱ অধিকাৰ আৰু মৌলিক স্বাধীনতাসমূহৰ ওপৰত নিৰ্ভৰশীল।

**ৰাষ্ট্ৰসংঘ আৰু মানৱ বিকাশ:**

ৰাষ্ট্ৰসংঘই মানৱ বিকাশৰ ওপৰত গুৰুত্ব আৰোপ কৰি আহিছে। এখন যুদ্ধবিহীন আৰু ৰোগমুক্ত পৃথিৱীত প্ৰত্যেকে নিজৰ মানৱ অধিকাৰসমূহ উপভোগ কৰি যাতে পৰিপূৰ্ণভাৱে জীয়াই থাকিব পাৰে তাৰ কাৰণে ৰাষ্ট্ৰসংঘই প্ৰচেষ্টা চলাই আহিছে। প্ৰত্যেক ৰাষ্ট্ৰই মানৱ বিকাশ সূচীৰ ওপৰত ভিত্তি কৰি ৰাষ্ট্ৰসংঘই মানৱ বিকাশ প্ৰতিৱেদন প্ৰস্তুত কৰি প্ৰকাশ কৰে। মানৱ বিকাশ সূচী হৈছে প্ৰত্যেক ৰাষ্ট্ৰৰ জীৱন-প্ৰত্যাশা, সাক্ষৰতা, শিক্ষা, জীৱন ধাৰণৰ মান আৰু জনমূৰি আয় নিৰ্ণয় কৰাৰ এক মাপকাঠি। মানৱ বিকাশ সূচীয়ে বিভিন্ন ৰাষ্ট্ৰৰ নীতি নিৰ্ধাৰণৰ দোষসমূহ পৰিস্ফুট কৰে আৰু সেইমতে তেওঁলোকে সেইবোৰ সংশোধনৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিব পাৰে।

মানৱ বিকাশে কিছুমান সুযোগ তথা সামৰ্থ্য আঙুলিয়াই দিয়ে। সেয়া হ'ল— সুস্বাস্থ্যৰ দীৰ্ঘজীৱনৰ সুযোগ, জ্ঞান আহৰণৰ সুযোগ, উপযুক্ত জীৱন নিৰ্বাহৰ বাবে সম্পদৰ সুযোগ। সামৰণিত ক'ব পাৰি যে মানৱ বিকাশে ভৱিষ্যতৰ দায়বদ্ধতাৰ সৈতে মানুহৰ বৰ্তমানৰ সামগ্ৰিক বিকাশক বুজায়। ■



# ভাৰতীয় সংবিধানত মানৱ অধিকাৰৰ উপস্থিতি

দীপশিখা দাস, স্নাতক (ৰাজনীতি বিজ্ঞান বিভাগ)

**আৰম্ভণি:**

মানৱীয় আদৰ্শৰ ৰক্ষা কবচ মানৱ অধিকাৰ হৈছে মানুহে জন্মৰ পৰাই লাভ কৰা এক অধিকাৰ। এই অধিকাৰৰ কোনো গ্ৰহণযোগ্য সংজ্ঞা নাই। বহল অৰ্থত মানুহ হিচাপে জীয়াই থাকিবৰ কাৰণে প্ৰয়োজনীয় আনক হস্তান্তৰ কৰিব নোৱৰা অধিকাৰসমূহক মানৱ অধিকাৰ বুলি কোৱা হয়। প্ৰকৃতি প্ৰদত্ত এই অধিকাৰ বিলাক জাতি, ধৰ্ম, বৰ্ণ, লিঙ্গ নিৰ্বিশেষে সকলো মানুহে সমানে উপভোগ কৰিব পাৰে। এই অধিকাৰে ব্যক্তিক এটা সুন্দৰ আৰু সভ্য জীৱন-যাপনৰ সুবিধা প্ৰদান কৰে আৰু সকলো মানুহৰ সন্মান সমমৰ্যাদা আৰু সুৰক্ষাৰ নিশ্চয়তা প্ৰদান কৰে। মানৱ অধিকাৰে এনে কিছুমান অৱস্থাৰ সৃষ্টি কৰে যিবিলাকৰ মাজেদি মানুহৰ জ্ঞান, বুদ্ধি আৰু শৰীৰৰ বিকাশ হয় আৰু ব্যক্তিত্বপূৰ্ণ বিকাশ সম্ভৱপৰ হয়। এই অধিকাৰক সন্মান নজনালে স্বতন্ত্ৰতা বা স্বাধীনতা অৰ্থহীন হ'ব।

এই অধিকাৰ উপভোগ এজন ব্যক্তিৰ জাতীয়তাৰ ওপৰত নিৰ্ভৰশীল নহয়। এই অধিকাৰ উপভোগৰ কাৰণে এজন ব্যক্তি কোনো এজন বিশেষ ৰাষ্ট্ৰৰ নাগৰিক হোৱাৰ কোনো প্ৰয়োজন নাই। এই অধিকাৰক কোনো এখন ৰাষ্ট্ৰৰ ভৌগোলিক পৰিসীমাৰ দ্বাৰা সীমাবদ্ধ কৰিব নোৱাৰি। মানুহৰ মাজৰ সমতা, ভাতৃত্ববোধ আৰু মানৱতাবাদী নীতিৰ ওপৰত এই অধিকাৰ প্ৰতিষ্ঠিত।

**মানৱ অধিকাৰৰ ক্ষেত্ৰত সাংবিধানিক গুৰুত্ব:**

মানুহৰ মৰ্যাদা সুনিশ্চিত কৰাৰ প্ৰচেষ্টাত মানৱ ইতিহাস সমৃদ্ধ। মানৱ অধিকাৰৰ ধাৰণাটো বিভিন্ন সাংস্কৃতিক আৰু ধৰ্মীয় পৰম্পৰাৰ চিন্তাবিদসকলৰদ্বাৰা উত্থাপিত তথা বিকশিত হৈছিল। এই ধাৰাটোৱে মাত্ৰ বিংশ শতিকাৰ দ্বিতীয়াৰ্ধতহে মানৱ অধিকাৰৰ বিকাশ আৰু সুৰক্ষাৰ এক ব্যাপক আন্তৰ্জাতিক ব্যৱস্থা হিচাপে প্ৰতিষ্ঠা লাভ কৰে। ই সম্ভৱ হৈ উঠে প্ৰধানকৈ ৰাষ্ট্ৰসঙ্ঘ, ইয়াৰ বিশেষ সংস্থাসমূহ তথা আঞ্চলিক আন্তঃচৰকাৰী সংস্থাসমূহৰ একাণপতীয়া প্ৰচেষ্টাত।

ভাৰতীয় সংবিধানখন ১৯৪৯ চনৰ ২৬ নৱেম্বৰত গ্ৰহণ কৰা হৈছিল। সংবিধানখন গ্ৰহণ কৰাৰ বহু পূৰ্বে ১৯৪৫ চনত গৃহীত ৰাষ্ট্ৰসঙ্ঘৰ চনদ আৰু ১৯৪৮ চনত ৰাষ্ট্ৰসঙ্ঘৰ সাধাৰণ সভাই গ্ৰহণ কৰা মানৱ অধিকাৰৰ সাৰ্বজনীন ঘোষণাপত্ৰৰ সপক্ষে ভোটদান কৰিছিল আৰু অনুমোদন জনাইছিল। কিন্তু সাৰ্বজনীন ঘোষণাপত্ৰ গৃহীত হোৱাৰ প্ৰায় এবছৰৰ পাছত গৃহীত ভাৰতীয় সংবিধানত 'মানৱ অধিকাৰ' শব্দটো উল্লেখ নহ'ল।

১৯৬৮ চনত তেহৰাণত হোৱা মানৱ অধিকাৰৰ আন্তঃৰাষ্ট্ৰীয় মহাসভাত (The Tehran International Conference on Human Right) সিদ্ধান্ত কৰা হৈছিল যে— 'Human rights and fundamental freedoms are indivisible'। মানৱ অধিকাৰ আৰু মৌলিক স্বাধীনতাক ভাগ কৰিব নোৱাৰি। অৰ্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক অধিকাৰ উপভোগ অবিহনে নাগৰিক আৰু ৰাজনৈতিক অধিকাৰৰ সম্পূৰ্ণৰূপে উপলব্ধি কৰা সম্ভৱপৰ নহয়। অৰ্থনৈতিক প্ৰগতিৰ কাৰণে গ্ৰহণ কৰা ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় নীতিৰ কাৰ্যকাৰিতাই মানৱ অধিকাৰসমূহৰ বাস্তৱ উপলব্ধিত সহায় কৰে। ঠিক তেনেদৰে ১৯৭৭ চনত ৰাষ্ট্ৰসঙ্ঘৰ সাধাৰণ সভাই সিদ্ধান্ত কৰিছিল যে 'All Human rights and fundamental freedom are indivisible and interdependent' অৰ্থাৎ সকলোবোৰ মানৱ অধিকাৰ আৰু মৌলিক স্বতন্ত্ৰতা অবিভাজ্য আৰু পাৰস্পৰিক ভাৱে নিৰ্ভৰশীল।

> "নাগৰিক, ৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক আদি সকলো অধিকাৰ কাৰ্যকৰী কৰিবৰ কাৰণে আৰু ইবিলাক সুৰক্ষিত আৰু উন্নত কৰিবৰ কাৰণে সমানে মনোযোগ আৰু সমানে জৰুৰীৰ বুলি বিবেচনা কৰা প্ৰয়োজন।"

১৯৯৩ চনত ভাৰতীয় সংসদে গ্ৰহণ কৰা (The Protection of Human Rights Act; 1993) মানৱ অধিকাৰ সুৰক্ষা আইনে মানৱ অধিকাৰক "ভাৰতীয় সংবিধানে নিশ্চয়তা প্ৰদান কৰা, আন্তঃৰাষ্ট্ৰীয় চুক্তিপত্ৰত সন্নিৱিষ্ট হোৱা আৰু ভাৰতীয় আদালতে বলবৎ কৰা ব্যক্তিৰ জীৱন স্বতন্ত্ৰতা, সমতা, আৰু মৰ্যাদা সম্পৰ্কীয় অধিকাৰ" বুলি ব্যাখ্যা কৰিছে। ১৯৯৩ চনৰ ২৮ ছেপ্টেম্বৰত ৰাষ্ট্ৰপতিৰদ্বাৰা এখন অধ্যাদেশ জাৰি কৰি ভাৰতত ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগ গঠন কৰা হয়। পিছত এই বছৰৰ ১৮ ডিচেম্বৰত ভাৰতীয় সংসদত মানৱ অধিকাৰ আয়োগ গঠনৰ কাৰণে ৰাষ্ট্ৰপতিৰ অধ্যাদেশৰ ঠাইত এখন বিধেয়ক উত্থাপন কৰা হ'ল। সংসদৰ দুয়োটা সদনত গৃহীত হোৱাৰ পাছত ১৯৯৪ চনৰ ৮ জানুৱাৰীত বিধেয়কখনে ৰাষ্ট্ৰপতিৰ অনুমোদন লাভ কৰি আইনত পৰিণত হ'ল। এই আইনখনকে ১৯৯৩ *চনৰ* "মানৱ অধিকাৰ সুৰক্ষা আইন" নামেৰে জনা যায়। যিহেতু ১৯৯৩ চনত ৰাষ্ট্ৰপতিয়ে জাৰি কৰা অধ্যাদেশৰ ভিত্তিত ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগ গঠন কৰা হৈছিল সেই কাৰণে ১৯৯৩ চনৰ ২৮ ছেপ্টেম্বৰৰপৰা আইনখন বলবৎ হোৱা বুলি ধৰা হয়।

ভাৰতীয় সংবিধানৰ প্ৰস্তাৱনাত উল্লেখ কৰা এই উদ্দেশ্যসমূহতো ৰাষ্ট্ৰসঙ্ঘৰ চনদ আৰু মানৱ অধিকাৰৰ সাৰ্বজনীন ঘোষণাৰ প্ৰভাৱ পৰিছিল বুলি কোৱা হয়। ভালকৈ বিশ্লেষণ কৰি চালে দেখা যায় যে ভাৰতীয় সংবিধানত সন্নিৱিষ্ট আদৰ্শসমূহ ৰাষ্ট্ৰসঙ্ঘৰ মানৱ অধিকাৰৰ সাৰ্বজনীন ঘোষণাত নিহিত হৈ আছে। এই আদৰ্শসমূহ হ'ল—

প্ৰস্তাৱনাত ভাৰতীয় নাগৰিকসকলক সামাজিক, ৰাজনৈতিক আৰু অৰ্থনৈতিক ন্যায়ৰ আশ্বাস দিয়া আছে। অৰ্থাৎ চৰকাৰে নাগৰিকসকলৰ মাজত সামাজিক, ৰাজনৈতিক আৰু অৰ্থনৈতিক ন্যায় প্ৰতিষ্ঠা কৰাৰ চেষ্টা কৰা উচিত। গণতান্ত্ৰিক জীৱনধাৰা সমতা, স্বাধীনতা আৰু ভাতৃত্ব ভাবৰ ওপৰত প্ৰতিষ্ঠিত।

প্ৰস্তাৱনাত ভাৰতীয় নাগৰিকসকলৰ কাৰণে "চিন্তাৰ, প্ৰকাশৰ বিশ্বাস আৰু উপসনাৰ" স্বতন্ত্ৰতাৰ নিশ্চয়তা প্ৰদানৰ কথা কোৱা হৈছে। এই স্বতন্ত্ৰতাৰ অধিকাৰৰ জৰিয়তে ভাৰতীয় নাগৰিকসকলক বাক্-স্বাধীনতা, মত প্ৰকাশৰ স্বাধীনতা, নিজৰ ৰুচি অনুযায়ী ধৰ্ম গ্ৰহণ, ধৰ্ম চৰ্চা আৰু ধৰ্ম প্ৰচাৰৰ অধিকাৰ দিয়া হৈছে।

সংবিধানৰ প্ৰস্তাৱনাত উল্লেখ কৰা তৃতীয় প্ৰধান উদ্দেশ্য হ'ল ভাৰতবৰ্ষৰ সকলো জনসাধাৰণৰ মৰ্যাদা আৰু সুযোগ-সুবিধাৰ সমানতা প্ৰদান কৰা। প্ৰস্তাৱনাত উল্লেখ কৰা সমতা আদৰ্শৰ বিষয়ে ১৪-১৮ নং অনুচ্ছেদলৈকে আলোচনা কৰা হৈছে। আইনৰ দৃষ্টিত সকলো সমান, আইনে সকলো লোককে সমানে ৰক্ষণা-বেক্ষণ দিয়ে। জাতি-ধৰ্ম-বৰ্ণ-ভাষা আদিৰ ভিত্তিত মানুহৰ মাজত বৈষম্যমূলক আচৰণ নিষিদ্ধ কৰা হৈছে।

ভাৰতীয় সংবিধানে নাগৰিকসকলক সমান সুযোগ আৰু সমমৰ্যাদা দি তেওঁলোকৰ ভাতৃত্বভাবৰ সৃষ্টি কৰাৰ ওপৰত গুৰুত্ব দিয়া হৈছে। ভাৰতত বিভিন্ন ধৰ্ম, জাতি, ভাষা আদিৰ মানুহ বাস কৰে। সকলো মানুহৰ সমান মৰ্যাদা আৰু ৰাষ্ট্ৰীয় একতা আৰু অখণ্ডতা সুনিশ্চিত কৰিবৰ কাৰণে ভাৰতীয় জনসাধাৰণৰ মাজত ভাতৃত্ববোধৰ ভাব বিকশিত কৰিব বিচাৰিছিল। সেয়ে দেশৰ স্বাধীনতা, সাৰ্বভৌমত্ব, ৰাজ্যিক অখণ্ডতা আৰু প্ৰশাসনীয় স্বাধীনতাৰ কাৰণে ভাৰতত বাস কৰা সকলো লোকৰ মাজত ভাতৃত্ববোধ সৃষ্টি কৰা দেশৰ একতা আৰু সংহতি ৰক্ষা কৰা নীতিৰ ওপৰত গুৰুত্ব দিয়া হৈছে। মানৱ অধিকাৰৰ সাৰ্বজনীন ঘোষণাত উল্লেখ থকা নাগৰিক, ৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক অধিকাৰবোৰ ভাৰতীয় সংবিধানৰ কোনবিলাক অনুচ্ছেদৰদ্বাৰা স্বীকৃতি জনোৱা হৈছে তাৰে কেইটামান তলত আলোচনা কৰা হ'ল—

(১) **জীৱন ধাৰণৰ অধিকাৰ (Right to life):** মানৱ অধিকাৰৰ সাৰ্বজনীন ঘোষণাপত্ৰৰ ৩ নং অনুচ্ছেদত উল্লেখ কৰা ব্যক্তিৰ জীৱন, স্বতন্ত্ৰতা আৰু নিৰাপত্তাৰ অধিকাৰ ভাৰতীয় সংবিধানৰ ২১ নং অনুচ্ছেদত সন্নিৱিষ্ট কৰা হৈছে। ইয়াত কোৱা হৈছে যে আইনৰ যথোচিত প্ৰক্ৰিয়া অনুসৰণ নকৰাকৈ কোনো মানুহক জীৱন আৰু ব্যক্তিগত স্বতন্ত্ৰতাৰপৰা বঞ্চিত কৰিব নালাগিব।

(২) **দাসত্ব আৰু দাস ব্যৱসায় নিষিদ্ধকৰণ (Prohibition of slavery and slave trade):** সাৰ্বজনীন ঘোষণাপত্ৰৰ ৪ নং অনুচ্ছেদৰদ্বাৰা দাসত্ব ব্যৱস্থা নিষিদ্ধ কৰা হৈছে। অনুৰূপ ব্যৱস্থা ভাৰতীয় সংবিধানৰ ২৩ নং অনুচ্ছেদতো কৰা হৈছে। এই অনুচ্ছেদৰদ্বাৰা বলপূৰ্বকভাৱে শ্ৰম আদায় কৰা মানুহৰ ব্যৱসায় কৰা আৰু ভিক্ষাবৃত্তি নিষিদ্ধ কৰা হৈছে।

(৩) **আইনৰ চকুত সমান অধিকাৰ (Equality before eye of law):** সাৰ্বজনীন ঘোষণাপত্ৰৰ ৭ নং অনুচ্ছেদত কোৱা হৈছে যে সকলো মানুহ সমান। কোনোধৰণৰ বৈষম্য বা ভেদাভেদ নকৰি আইনে সকলোকে সমান সুৰক্ষা দান কৰিব। ভাৰতীয় সংবিধানৰ ১৩ ৰপৰা ১৮ নং অনুচ্ছেদৰদ্বাৰা সমতাৰ এই আদৰ্শসমূহ কাৰ্যকৰী কৰিব বিচৰা হৈছে।

(৪) **কাম কৰাৰ অধিকাৰ (Right to work):** মানৱ অধিকাৰৰ সাৰ্বজনীন ঘোষণাপত্ৰৰ ২৩ (১) নং অনুচ্ছেদে সকলো মানুহক কাম কৰাৰ অধিকাৰ, পচন্দ অনুসৰি কাম বাছনি কৰাৰ অধিকাৰ প্ৰদান কৰিছে। ভাৰতীয় সংবিধানৰ ৪১ নং অনুচ্ছেদে অৰ্থনৈতিক সামৰ্থ্য অনুসৰি এটা নিৰ্দিষ্ট সময় সীমাৰ ভিতৰত সকলো মানুহক কাম কৰাৰ অধিকাৰ প্ৰদান কৰিবৰ কাৰণে আৰু নিযুক্তিহীন আৰু বৃদ্ধসকলৰ কাৰণে ৰাজহুৱা সাহায্য প্ৰদান কৰিবৰ কাৰণে নিৰ্দেশনা প্ৰদান কৰিছে।

(৫) **সমান কামৰ কাৰণে সমান দৰমহাৰ অধিকাৰ (Right to Equal pay for equal work):** ঘোষণাপত্ৰৰ ২৩ (২) অনুচ্ছেদৰ মতে কোনো ধৰণৰ বৈষম্য নোহোৱাকৈ সকলো মানুহক সমান কামৰ কাৰণে সমান দৰমহা প্ৰদান কৰিব লাগে। ভাৰতীয় সংবিধানৰ ৩৯ (ঘ) অনুচ্ছেদতো পুৰুষ আৰু মহিলাক সমান কামৰ কাৰণে সমান দৰমহাৰ বিধান দিয়া হৈছে।

(৬) **শিক্ষাৰ অধিকাৰ (Right to education):** সাৰ্বজনীন ঘোষণাৰ ২৬ নং অনুচ্ছেদে সকলো মানুহক ব্যক্তিত্বপূৰ্ণ বিকাশৰ কাৰণে শিক্ষাৰ অধিকাৰ প্ৰদান কৰিছে। আমাৰ সংবিধানৰ ১১ নং অনুচ্ছেদত সকলো মানুহক এক নিৰ্দিষ্ট সময়সীমাৰ ভিতৰত শিক্ষাৰ অধিকাৰ প্ৰদান কৰিবৰ কাৰণে ৰাষ্ট্ৰক নিৰ্দেশ দিয়া হৈছে। ইয়াৰ উপৰি ৪৫ নং অনুচ্ছেদৰদ্বাৰা বিনামূলীয়া প্ৰাথমিক শিক্ষাৰ ব্যৱস্থা কৰিবৰ কাৰণে ৰাষ্ট্ৰক নিৰ্দেশ দিয়া হৈছে।

**সামৰণি:**

মানুহ সামাজিক আৰু সামাজিক কল্যাণবোধ যুক্ত জীৱ। এই যৌথ সামাজিক কল্যাণবোধৰ পৰাই অধিকাৰৰ জন্ম। মানৱ জাতিৰ সুৰক্ষা আৰু বিকাশৰ বাবে মানৱ অধিকাৰৰ ধাৰণাই অধিক প্ৰাধান্য লাভ কৰে। এটা নিম্নতম স্বাচ্ছন্দ্যৰ জীৱন যাপনৰ বাবে মানৱ অধিকাৰ অতীৱ প্ৰয়োজনীয়। মানুহ হিচাপে প্ৰত্যেক ব্যক্তিয়েই মূল্যৱান, সেয়ে কোনো মানুহে আনক সেৱা কৰিবলৈ জন্মগ্ৰহণ নকৰে। প্ৰত্যেক ব্যক্তিৰে ভিতৰুৱা কাঢ়ি নিব নোৱৰা মূল্য আছে। গতিকে প্ৰত্যেককে সমান অধিকাৰ দিব লাগিব যাতে প্ৰত্যেকেই এটা সুন্দৰ জীৱন যাপন কৰিব পাৰে। বিশ্বৰ সকলো দেশতে বৰ্তমান মানুহে মানৱ অধিকাৰ লাভৰ বাবে সংগ্ৰাম কৰি আছে। ইতিমধ্যে মানুহৰ অধিকাৰ সংৰক্ষণৰ বাবে বহু সংঘৰ্ষ হৈ গৈছে। উদাহৰণস্বৰূপে সংগ্ৰামৰ ফলস্বৰূপে দাসত্ব প্ৰথা উঠি গৈছে। বৰ্তমান মানৱ অধিকাৰে নতুন নতুন দিশ সামৰি ল'বলৈ আৰম্ভ কৰিছে, যেনে প্ৰাকৃতিক পৰিৱেশ প্ৰদূষণ মুক্ত কৰা, বায়ু বিশুদ্ধকৰণ কৰা, মহিলা, শিশু আৰু ৰোগগ্ৰস্ত সকলৰ বাবে সুৰক্ষাৰ ব্যৱস্থা কৰা ইত্যাদি। দেশৰ সকলো জনসাধাৰণে যাতে এটা মৰ্যাদাপূৰ্ণ আৰু আত্মসন্মানৰ জীৱন-যাপন কৰিব পাৰে এই উদ্দেশ্য আগত ৰাখি ৰাষ্ট্ৰসঙ্ঘই মানৱ অধিকাৰ ঘোষণা পত্ৰ প্ৰকাশ কৰিছে আৰু বৰ্তমান বিশ্বৰ প্ৰায় সকলো দেশতে মানৱ অধিকাৰ ভঙ্গৰ বাবে শাস্তিৰ ব্যৱস্থা কৰা হৈছে। ■


প্ৰসঙ্গ পুথি ঃ

ড° যজ্ঞেশ্বৰ বৰা: *মানৱ অধিকাৰ*, লীহ লেভিন, *মানৱ অধিকাৰ*।
ড° নিৰু হাজৰিকা: ড° জ্যোতিনাথ চক্ৰৱৰ্তী, *ৰাজনীতি তত্ত্ব*।
ড° কৃপেশ চন্দ্ৰ পাল: প্ৰতুল চন্দ্ৰ নায়ক, শুভাশীষ শৰ্মা, *ভাৰতৰ ৰাজনৈতিক ব্যৱস্থা*।


**অকণমান ভাবি চাওঁ আহক**

* জীৱন ৰূপী উদ্যানত প্ৰতিজোপা বৃক্ষৰে একোটি নিজস্ব মহত্ত্ব আছে।
* শুভ প্ৰচেষ্টাই আপোনাক যিমান আপদ দিব, এই প্ৰচেষ্টাত ফলৱতী হ'লে আৰু অধিক আনন্দ পাব।
* সমস্যা দেখি কেতিয়াও ভয় নাখাব। ভয় খালে সকলো মিছা হৈ যাব। সকলো পৰিস্থিতিতে মন-মগজুক শীতল কৰি ৰাখক।
* জীৱনৰূপী নাটকৰ আপুনি এজন বিশেষ অভিনেতা আপোনাৰ অভিনয় আপোনাতকৈ অধিক দক্ষতাৰে আন কোনেও কৰিব নোৱাৰিব।
* যদি ধন গ'ল, তেন্তে হয়তো একোৱে নগ'ল। যদি স্বাস্থ্য হানি হ'ল তেন্তে কিবা এটা গ'ল। কিন্তু যদি চৰিত্ৰ হানি হ'ল তেতিয়া যে সকলোখিনিয়েই গ'ল।
* চেষ্টাৰ কোনো ত্ৰুটি নকৰিব। তেতিয়া অন্ততঃ আক্ষেপৰ কোনো স্থল নাথাকিব।
* ঈৰ্ষা আৰু ঘৃণাই মানুহক নিৰানন্দ কৰি তোলে। প্ৰেম আৰু শুভ-ভাবনাই মনৰ দুখ দূৰ কৰে।
* সন্মান পাব বিচাৰিলে প্ৰথমতে সকলোকেই মান দিয়ক।
* বিনয় কবচ পৰিধান কৰিলে সকলোৰে পৰা মৰম আৰু সহযোগ পাব।
* অকলশৰে হয়তো আপোনাৰ কোনো গুৰুত্বই নাই, কিন্তু সংগঠনৰ মাজত থাকি যদি সকলোৰে লগত সহনশীল, স্নেহশীল আৰু সহযোগী হৈ চলে তেন্তে আপোনাৰ গুৰুত্ব অপৰিসীম হ'ব।
* কৰ্ম আৰু কৰ্মৰ প্ৰভাৱ দুটা ভিন্ন বস্তু। কৰ্ম যদি সাধাৰণো হয়, তথাপি ইয়াৰ প্ৰভাৱ সৃজনশীল, লাভদায়ক আৰু সুখদায়ক হোৱা উচিত।
* 'মই বৰ সহ্য কৰিছোঁ'— এনে মনোভাব যদি আপোনাৰ মনলৈ আহিছে তেনেহ'লে সঁচাকৈয়ে আপোনাৰ মাজত সহনশক্তিৰ অভাৱ ঘটিছে।
* বহুত মানুহে ক্ৰোধক এপাত ঘাটক অস্ত্ৰৰ দৰে ব্যৱহাৰ কৰে। তেনেক্ষেত্ৰত আপুনি নম্ৰতাৰ কবচ পৰিধান কৰি সুৰক্ষাৰ অনুভৱ কৰক।
* কাইটেৰে পৰিৱেষ্টিত হৈ থাকিও গোলাপ ফুল সদায় সুৰক্ষিত থাকে। আপুনি নিজকো বাৰু তেনে বুলি ভাবেনে?



# শিশুসকলৰ মানৱ অধিকাৰ (Human Rights of children)


ৰীমা বৰা, স্নাতক দ্বিতীয় ষাণ্মাসিক (ৰাজনীতি বিজ্ঞান বিভাগ)


তুলনামূলকভাৱে মানৱ অধিকাৰৰ ধাৰণাটো নতুন। প্ৰাকৃতিক ৰাজ্যত বসবাস কৰা সময়ৰপৰা মানুহে কিছুমান অধিকাৰ ভোগ কৰি আছিল যদিও সেই অধিকাৰবিলাকক মানৱ অধিকাৰ হিচাপে স্বীকৃতি দিয়া নাছিল। মানৱ অধিকাৰ-ধাৰণাটো ১৯৪৫ চনত ৰাষ্ট্ৰসংঘ গঠন হোৱাৰ পিছৰপৰাহে প্ৰাধান্য লাভ কৰে।

বহল অৰ্থত মানুহ হিচাপে জীয়াই থাকিবৰ কাৰণে প্ৰয়োজনীয়, আনক হস্তান্তৰ কৰিব নোৱৰা অধিকাৰ সমূহকে মানৱ অধিকাৰ বুলি কোৱা হয়। মানৱ অধিকাৰ এক জন্মগত অধিকাৰ হোৱাৰ কাৰণে প্ৰত্যেক ব্যক্তিয়ে জাতি, ধৰ্ম, বৰ্ণ, ভাষা, লিঙ্গ নিৰ্বিশেষে মানৱ অধিকাৰৰ গৰাকী হয়। এই অধিকাৰ বিলাকৰ অবিহনে এজন ব্যক্তি মানুহ হিচাপে জীয়াই থকা সম্ভৱ নহয়, মানৱ অধিকাৰে ব্যক্তিক এটা সুন্দৰ আৰু সভ্য জীৱন-যাপনৰ সুবিধা দান কৰে আৰু সকলো মানুহৰ সন্মান, সমমৰ্যাদা আৰু সুৰক্ষাৰ নিশ্চয়তা প্ৰদান কৰে, মানৱ অধিকাৰে এনে কিছুমান অৱস্থাৰ সৃষ্টি কৰে যিবিলাকৰ মাজেদি মানুহৰ জ্ঞান, বুদ্ধি আৰু শৰীৰৰ বিকাশ হয় আৰু ব্যক্তিত্বৰ পূৰ্ণ বিকাশ সম্ভৱপৰ হয়।



**শিশুৰ মানৱ অধিকাৰসমূহ:**

শিশুসকলৰ প্ৰতি সকলো সময়তে মানৱীয় আচৰণ কৰিবৰ কাৰণে বহু আগৰপৰাই যুক্তি প্ৰদৰ্শন কৰিছিল যদিও ১৯২৪ চনৰ পূৰ্বে শিশুৰ অধিকাৰ সমূহ সুৰক্ষিত কৰিবপৰা নাছিল। ১৯২৪ চনত 'লীগ অব নেচনচ্'ৰ উদ্যোগত শিশুৰ অধিকাৰ সম্পৰ্কে পাঁচটা নীতি গ্ৰহণ কৰা হৈছিল, লীগে গ্ৰহণ কৰা এই নীতিসমূহক ১৯২৪ চনৰ জেনেভা ঘোষণা (Geneva Declaration of 1924) নামেৰে জনা যায়। এই নীতিসমূহ হ'ল—

ক) সকলো শিশুক তেওঁলোকৰ বিকাশৰ কাৰণে শাৰীৰিক আৰু আধ্যাত্মিক প্ৰয়োজনীয় বস্তু যোগান ধৰিব লাগে।

খ) ভোকাতুৰ শিশুক খাবলৈ দিব লাগে, ৰোগগ্ৰস্ত আৰু পিছপৰা শিশুক সহায় কৰিব লাগে আৰু অপৰাধী শিশুক সংশোধন কৰিব লাগে। মাউৰা আৰু কোনো নোহোৱা ল'ৰা-ছোৱালীক উদ্ধাৰ কৰি সাহায্য দান কৰিব লাগে।

গ) যিকোনো দুখ-কষ্টৰ সময়ত শিশুক প্ৰথমে সাহায্য দান কৰিব লাগে।

ঘ) সকলো শিশুক শোষণৰ বিৰুদ্ধে সুৰক্ষা দান কৰিব লাগে আৰু জীৱিকা-নিৰ্বাহৰ সুবিধা দান কৰিব লাগে।

ঙ) সকলো শিশুক সচেতনতাৰে এনেকৈ ডাঙৰ-দীঘল কৰিব লাগে যাতে ডাঙৰ হৈ তেওঁলোকে মানৱ জাতিৰ সেৱাৰ কাৰণে নিজকে উচৰ্গা কৰিবলৈ শিকে।

**ৰাষ্ট্ৰসংঘৰ শিশু পুঁজি:**

১৯৪৬ চনৰ ১১ ডিচেম্বৰত বিশ্বৰ উন্নয়নশীল ৰাষ্ট্ৰবিলাকৰ শিশুসকলৰ আৰু যুদ্ধ বিধ্বস্ত ৰাষ্ট্ৰবিলাকৰ শিশুসকলৰ কল্যাণৰ কাৰণে ৰাষ্ট্ৰসঙ্ঘৰ উদ্যোগত এটা পুঁজি গঠন কৰা হয়। এই পুঁজিটোক 'United Nations International Children's Emergency Fund' চমুকৈ Unicef নামেৰে নামকৰণ কৰা হৈছিল।

আন্তঃৰাষ্ট্ৰীয় শিশুবৰ্ষ ১৯৭৯ (International year of the Child, 1970) ১৯৭৬ চনত ৰাষ্ট্ৰসঙ্ঘৰ সাধাৰণ পৰিষদে ১৯৭১ চনটো আন্তঃৰাষ্ট্ৰীয় শিশুবৰ্ষ হিচাপে উদ্‌যাপন কৰিবলৈ সিদ্ধান্ত কৰে। ৰাষ্ট্ৰসঙ্ঘই ১৯৫৯ চনত শিশুৰ অধিকাৰ ঘোষণা কৰা

(Declaration of the Rights of child) বিশ্বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে ১৯৭৯ চনত আন্তঃৰাষ্ট্ৰীয় শিশুবৰ্ষ পালন কৰা হয়।

**শিশু অধিকাৰ সম্পৰ্কীয় আন্তঃৰাষ্ট্ৰীয় চুক্তিপত্ৰ: (Internal Convention on the Rights of child)**

১৯৮১ চনৰ নৱেম্বৰত ৰাষ্ট্ৰসঙ্ঘৰ সাধাৰণ সভাই বিশ্বৰ শিশুসকলৰ অধিকাৰ সম্পৰ্কে এক চুক্তিপত্ৰ গ্ৰহণ কৰে। এই চুক্তিপত্ৰ ১৯৯০ চনৰ ২ ছেপ্টেম্বৰৰ পৰা কাৰ্যকৰী কৰা হয়। ১৯৯৪ চনৰ জানুৱাৰীলৈকে বিশ্বৰ ১৫৪ খন ৰাষ্ট্ৰই এই চুক্তিপত্ৰক অনুমোদন জনাইছে, চুক্তিপত্ৰৰ মূল নীতিবিলাক হ'ল—

১ নং অনুচ্ছেদত শিশু শব্দটোৰ অৰ্থ ব্যাখ্যা কৰি কোৱা হৈছে যে ১৮ বছৰৰ তলৰ সকলো ল'ৰা-ছোৱালীক শিশু শব্দটোৰদ্বাৰা বুজোৱা হৈছে।

২ নং অনুচ্ছেদৰ মতে চুক্তি সম্পাদনকাৰী কোনো ৰাষ্ট্ৰই জাতি, ধৰ্ম, গাৰ ৰং, ভাষা, ৰাজনৈতিক আদৰ্শ, জাতীয়তা, নৃগোষ্ঠী বা সামাজিকাৰণ, সম্পত্তি, পৰিয়াল, পিতৃ-মাতৃ বা আইনগত অভিভাৱক আদি যিকোনো কাৰণত কোনো শিশুৰ প্ৰতি কোনো ধৰণৰ বৈষম্যমূলক ব্যৱহাৰ কৰিব নোৱাৰিব।

**নাগৰিক অধিকাৰ আৰু শিশু স্বতন্ত্ৰতা: (Civil Rights and Liberties of the child)**

১) ৬ নং অনুচ্ছেদৰদ্বাৰা সকলো শিশুৰ জীয়াই থকাৰ প্ৰাকৃতিক অধিকাৰ সমূহক স্বীকৃতি জনোৱা হৈছে, সকলো শিশুক জীয়াই ৰাখিবৰ কাৰণে আৰু তেওঁলোকৰ বিকাশৰ কাৰণে সকলো ৰাষ্ট্ৰই কাম কৰিব লাগে।

২) সকলো শিশুক জন্মৰ পাছতে পঞ্জীয়ন কৰাব লাগে যাতে তেওঁলোকৰ নাম আৰু জাতীয়তা আহৰণৰ অধিকাৰ থাকে। প্ৰত্যেক শিশুক পিতৃ-মাতৃৰ পৰিচয়ৰ লগতে পিতৃ-মাতৃৰ যত্নত ডাঙৰ কৰিবলৈ চেষ্টা কৰিব লাগে।

৩) কোনো শিশুৰ প্ৰতি নিষ্ঠুৰ, অমানৱীয় আৰু অপমানজনক ব্যৱহাৰ কৰিব নালাগিব।

**শিশুৰ শিক্ষাৰ অধিকাৰ: (Educational Rights of child)**

চুক্তিপত্ৰৰ ২৮ নং অনুচ্ছেদত সকলো শিশুক শিক্ষা আহৰণৰ সমান সুযোগ সুবিধাৰ অধিকাৰ প্ৰদান কৰিছে, ইয়াত কোৱা হৈছে যে—

১) সকলো শিশুক বাধ্যতামূলক বিনামূলীয়া প্ৰাথমিক শিক্ষাৰ অধিকাৰ প্ৰদান কৰিব লাগিব।

২) যোগ্যতাৰ ভিত্তিত উচ্চ শিক্ষাৰদ্বাৰা সকলোৰে কাৰণে মুকলি কৰিব লাগিব।

৩) সকলো ছাত্ৰ-ছাত্ৰীৰ স্কুলত নিয়মীয়াকৈ উপস্থিত থাকিবৰ কাৰণে অনুপ্ৰাণিত কৰিব লাগিব আৰু অকৃতকাৰ্য ছাত্ৰ-ছাত্ৰীৰ সংখ্যা হ্ৰাস কৰিবৰ কাৰণে যত্ন কৰিব লাগিব।

৪) সকলো শিশুক উচ্চ-মাধ্যমিক শিক্ষাৰ কাৰণে উৎসাহিত কৰিব লাগিব, প্ৰয়োজন অনুসৰি বিত্তীয় সাহায্য আৰু বিনামূলীয়া শিক্ষাদানৰ ব্যৱস্থা কৰিব লাগিব।

শিক্ষাৰ উদ্দেশ্য সম্পৰ্কত ২৯ নং অনুচ্ছেদত কোৱা হৈছে যে শিক্ষাৰ উদ্দেশ্য হ'ব—

ক) শিশুৰ ব্যক্তিত্ব, প্ৰতিভা, মানসিক আৰু শাৰীৰিক সামৰ্থ্য যিমান বেছিকৈ পাৰি সিমানেই বেছিকৈ বিকাশ কৰা।

খ) মাক-দেউতাকক সন্মান কৰিবলৈ শিকা, নিজৰ ভাষা, সাংস্কৃতিক পৰিচয়, মূল্যবোধ ৰক্ষা কৰিবলৈ শিকা আৰু মাতৃভূমিৰ প্ৰতি ভালপোৱাৰ ভাব জগাই তোলা।

গ) মানৱ অধিকাৰ আৰু মৌলিক স্বাধীনতা আৰু ৰাষ্ট্ৰসংঘৰ চনদত সন্নিবিষ্ট নীতিবিলাকৰ প্ৰতি সন্মান আৰু শ্ৰদ্ধাৰ ভাব জগাই তোলা।

ঘ) এনে মুক্ত সমাজৰ দায়িত্বশীল নাগৰিকৰ দায়িত্ব পালন কৰা।

**স্বাস্থ্যৰক্ষাৰ অধিকাৰ: (Rights to Health)**

চুক্তিপত্ৰত শিশুৰ স্বাস্থ্য সম্পৰ্কে নিম্নলিখিত অধিকাৰসমূহক স্বীকৃতি দিয়া হৈছে।—

ক) শিশুৰ সাধাৰণতে হোৱা ৰোগ আৰু পুষ্টিহীনতাক প্ৰাথমিক স্বাস্থ্যসেৱাৰ অন্তৰ্ভুক্ত কৰিব লাগিব, সকলো শিশুৰ কাৰণে যথোপযুক্ত পুষ্টিকৰ খাদ্য, পৰিষ্কাৰ খোৱা পানীৰ ব্যৱস্থা কৰিব লাগিব।

খ) শিশুৰ স্বাস্থ্যৰ কাৰণে মাক-দেউতাকক স্বাস্থ্যৰক্ষাৰ জ্ঞান আৰু পৰিয়াল পৰিকল্পনাৰ আৱশ্যকতাৰ বিষয়েও অৱগত কৰাব লাগিব।

গ) শিশুৰ মৃত্যুৰ হাৰ হ্ৰাস কৰিবৰ কাৰণে সকলো ৰাষ্ট্ৰই প্ৰয়োজনীয় চিকিৎসা প্ৰদান কৰিব লাগিব।

এনেদৰে দেখা যায় যে মানৱ অধিকাৰৰ ধাৰণাটো যথেষ্ট ব্যাপক। মানৱ অধিকাৰত সন্নিৱিষ্ট হোৱা শিশুৰ অধিকাৰসমূহ যথেষ্ট গুৰুত্বপূৰ্ণ যদিও বহু ক্ষেত্ৰত শিশুৰ অধিকাৰ সুৰক্ষিত হৈছে বুলি ক'ব নোৱাৰি, কাৰণ প্ৰত্যেক দেশতে শিশু শ্ৰমিক, শিশু বিক্ৰী, ব্যৱসায়ৰ উদ্দেশ্যে শিশুক তোলনীয়া কৰি নিৰ্যাতন চলোৱা ইত্যাদি। শিশুৰ ক্ষেত্ৰত স্বীকৃত হোৱা অধিকাৰসমূহ যদি প্ৰত্যেক শিশুৱে লাভ কৰিবলৈ সক্ষম হয় তেনেহ'লে যিসকল শিশুৱে নিৰ্যাতন সহিবলগীয়া হৈছে তেওঁলোকেও এটা সুস্থ জীৱনযাপন কৰিব পাৰিব।■



# মহিলা সবলীকৰণ

কবিতা বসুমতাৰী, স্নাতক দ্বিতীয় যাণ্মাসিক (ৰাজনীতি বিজ্ঞান বিভাগ)

পৃথিৱীৰ মুঠ জনসংখ্যাৰ প্ৰায় আধাভাগেই নাৰী। কিন্তু সমাজৰ কোনো কোনো খণ্ডত নাৰী তেনেই অৱহেলিত আৰু পীড়িত হৈ আছে। ভাৰতীয় সমাজত এহাতে নাৰীক দেৱী দুৰ্গা, কালী, সৰস্বতী, লক্ষ্মী আদিৰ ৰূপত পূজা কৰা হয়। আনহাতে, নাৰীৰ ওপৰত অত্যাচাৰ, ধৰ্ষণ যৌতুকৰ কাৰণে জ্বলাই দিয়া, যৌন উৎপীড়ন আদি অমানুষিক অত্যাচাৰো চলি আহিছে। মহিলাসকলে এইবোৰ নীৰৱে সহ্য কৰি আহিছে। সেইবাবে মহিলাসকলক 'weaker sex' বুলি অভিহিত কৰা হয়। বিশেষকৈ বিকাশশীল আৰু অনগ্ৰসৰ স্বৰূপে পৰিচিত দেশবোৰত নাৰীসকলৰ ওপৰত অত্যাচাৰৰ পৰিমাণ বেছি।

মহিলাসকল তেওঁলোকৰ শৈক্ষিক, অৰ্থনৈতিক, ৰাজনৈতিক, সামাজিক তথা সাংস্কৃতিক জগতখনত দুৰ্বল আৰু গুৰুত্বহীন ব্যক্তি স্বৰূপে আজিও পৰিগণিত হৈ আছে। মহিলাসকলৰ জীৱনধাৰণৰ মান উন্নত কৰি সুখে-সন্তোষে থকাৰ উপৰি সম্ভৱপৰ ক্ষেত্ৰত সভ্যতা-সংস্কৃতিক আগুৱাই নিয়াত অৰিহণা যোগাবলৈকো সক্ষম হ'বলৈ মহিলাসকলক পুৰুষৰ দৰে অৰ্থাৎ লিঙ্গৰ ভিত্তিত কোনো পাৰ্থক্য নৰখাকৈ বিকাশৰ যথোপযুক্ত সা-সুবিধা আৰু স্বাধীনতা দিব লাগে। মহিলাক বিকাশৰ বাবে সকলো সুযোগ আৰু প্ৰয়োজনীয় স্বাধীনতা প্ৰদান কৰা প্ৰক্ৰিয়াকে মহিলা সবলীকৰণ বুলিব পাৰি।

**মহিলা সবলীকৰণৰ অৰ্থ আৰু সংজ্ঞা:**

মহিলাসকলৰ আৰ্থ সামাজিক দুৰ্বলতাই সৃষ্টি কৰি তোলা তেওঁলোকৰ অনগ্ৰসৰতা কেৱল ভাৰতবৰেই আছুতীয়া সমস্যা নহয়, ই এক জাগতিক সমস্যাস্বৰূপ। কেৱল উন্নত দেশবোৰহে এই সমস্যাৰপৰা মুক্ত। ১৯৮৫ চনত নাইজেৰিয়া দেশৰ নাইৰোবিত অনুষ্ঠিত হোৱা 'আন্তৰ্জাতিক মহিলা সন্মিলন'ত মহিলা সবলীকৰণৰ ধাৰণা উপস্থাপন কৰা হৈছিল। তলত কেইটামান মহিলা সবলীকৰণৰ সংজ্ঞা উল্লেখ কৰা হ'ল—

১) ১৯৮৫ চনত নাইৰোবিত অনুষ্ঠিত হোৱা আন্তৰ্জাতিক মহিলা সন্মিলনে সবলীকৰণৰ সংজ্ঞা এনেদৰে দিছে: "সামাজিক ক্ষমতা আৰু সম্পদসমূহ চন্তালাৰ ক্ষেত্ৰত মহিলাৰ সপক্ষত এক পুনৰ বিতৰণ।"

২) ভেনচা গ্ৰীফেনৰ ভাষাত ক্ষমতাৰ অৰ্থ হ'ল: "সমাজৰ সকলো ক্ষেত্ৰতে অৱদান আগবঢ়াবৰে সক্ষম হোৱা।"

৩) UNESCO অৰ Gender Empowerment Indexৰ মতে: "এজন ব্যক্তি তেতিয়া ক্ষমতাশালী হয় যেতিয়া তেওঁ সামাজিক আৰু ৰাজনৈতিকভাৱে নিজৰ লগতে আনৰো সিদ্ধান্ত নিজে ল'ব পৰাকৈ সক্ষম হয়।"

ওপৰৰ সংজ্ঞাসমূহৰ পৰা গম পাওঁ যে— যিবোৰ ধাৰণা আৰু পৰম্পৰাৰ বাবে সমাজত নাৰী পুৰুষৰ অধীন হৈ থাকিব লগা হৈছে সেইবোৰক প্ৰত্যাহ্বান জনোৱা আৰু পৰিৱৰ্তন কৰাৰ বাবে মহিলাৰ সামৰ্থ্য বঢ়োৱাৰ প্ৰক্ৰিয়াকে মহিলা সবলীকৰণ বুলিব পাৰি। অধিক স্বাধীনতা পোৱাত নিজৰ জীৱনৰ কাৰ্যাৱলীত অধিক নিয়ন্ত্ৰণ লাভ কৰাত সামাজিক, অৰ্থনৈতিক, ৰাজনৈতিক আদি বিভিন্ন ক্ষেত্ৰত সিদ্ধান্ত গ্ৰহণৰ আৰু সম্পদ ব্যৱহাৰৰ অধিক সুযোগ লাভ কৰাত মহিলাসকলক এই প্ৰক্ৰিয়াই সহায় কৰে।

সবলীকৰণৰ প্ৰক্ৰিয়াই মহিলাসকলক নিজা ভাবমূৰ্তি আৰু সামাজিক স্থিতি উন্নত কৰাত সহায় কৰে। সবলীকৰণৰ ফলত সমাজৰ মূল সমস্যাসমূহ সমাধানৰ কাৰণে প্ৰচেষ্টা চলোৱাত পুৰুষৰ লগত সমানে অংশগ্ৰহণ কৰিবলৈ মহিলাসকল সক্ষম হ'ব।

**মহিলা সবলীকৰণৰ লক্ষ্য:**

মহিলা সবলীকৰণৰ প্ৰধান লক্ষ্যকেইটা হ'ল—

(১) মহিলাসকলক প্ৰতিভা বিকাশৰ সুযোগ দিয়া।

(২) মহিলাক প্ৰদত্ত অধিকাৰ অনুসৰি সুযোগ সুবিধা লোৱাৰ বাবে সক্ষম কৰা।

(৩) সমাজৰ অৱহেলিত, নিষ্পেষিত মহিলাৰ আত্মসন্মানবোধ আৰু আত্মবিশ্বাস সৃষ্টি হোৱাত সহায় কৰা আদি।

ভাৰতীয় সংবিধানৰ মতে সামাজিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক ক্ষেত্ৰত ন্যায় বিচৰাৰ চিন্তা, ভাৱপ্ৰকাশ, ধৰ্ম, প্ৰাৰ্থনা আদিৰ স্বাধীনতা আৰু সামাজিক স্থান আৰু সুযোগৰ ক্ষেত্ৰত সমতা বিচৰাৰ অধিকাৰ ভাৰতৰ সকলো নাগৰিকৰ আছে। কিন্তু দেশৰ অৱহেলিত, নিষ্পেষিত মহিলাসকলৰ ক্ষেত্ৰত সংবিধান প্ৰদত্ত কিছুমান অধিকাৰ অৰ্থহীন হৈ আছে, সবলীকৰণে সেই মহিলাসকলকো সংবিধান প্ৰদত্ত অধিকাৰ অনুসৰি সুযোগ-সুবিধা পোৱাত সহায় কৰিব।

**মহিলা সবলীকৰণৰ বাবে আমাৰ দেশত লোৱা ব্যৱস্থাসমূহ:**

উচ্চশিক্ষা লৈ পুৰুষৰ সৈতে সমান কৃতিত্বৰে বিভিন্ন বিভাগত সেৱা আগবঢ়োৱা ভাৰতীয় মহিলাৰ সংখ্যা সময়ৰ লগে লগে বাঢ়িছে সঁচা, কিন্তু এতিয়াও ভাৰতৰ বহু নাৰী নিষ্পেষিত অৱস্থাত আছে। নানা নিৰ্যাতন ভোগি, অন্ন-বস্ত্ৰৰ

সমস্যাত জুৰুলা হৈ দৰিদ্ৰ সীমাৰেখাৰ তলত বাস কৰা ভাৰতৰ বহু নাৰীৰ কল্যাণৰ বাবে কৰিবলগীয়া ভালেমান কাম আছে।

ভাৰতৰ সংবিধানে নাৰীক স্বাধীনতা আৰু পুৰুষৰ লগত সমতাৰ অধিকাৰ দিছে। শিক্ষা আৰু নিয়োগৰ ক্ষেত্ৰত আৰু সামাজিক, আৰ্থিক আৰু ৰাজনৈতিক সা-সুবিধা পোৱাৰ ক্ষেত্ৰত নাৰী আৰু পুৰুষৰ অধিকাৰ সমান বুলি সংবিধানত উল্লেখ আছে। কিন্তু পুৰুষপ্ৰধান ভাৰতীয় সমাজত নাৰীৰ ন্যায্য প্ৰাপ্তিৰ বাবে কেৱল সাংবিধানিক ব্যৱস্থাই যথেষ্ট নহয়। সংবিধান গ্ৰহণ কৰা ৬২ বছৰ পাৰ হ'ল যদিও এইক্ষেত্ৰত পৰিস্থিতিৰ কোনো উল্লেখযোগ্য পৰিৱৰ্তন হোৱা নাই। সকলো বিষয়তে নাৰীয়ে পুৰুষৰ লগত সমানে সা-সুবিধা পোৱাটো নাৰীৰ বাবে অগ্ৰাহ্য কৰিব নোৱৰা মানৱ অধিকাৰ বুলি মানি লৈ আৰু দেশখনৰ প্ৰগতিৰ বাবে নাৰীয়ে আগবঢ়াব পৰা অৱদানৰ কথা বিবেচনা কৰি নাৰীৰ প্ৰতি যুগ যুগ ধৰি পুৰুষে গ্ৰহণ কৰি অহা মনোভাবৰ পৰিৱৰ্তন হ'ব লাগিব।

স্বাধীনতা লাভৰ পিছত ১৯৫২ চনতে 'Community Development Programme' আৰম্ভ কৰি নাৰীৰ অৱস্থান উন্নতি সাধনৰ প্ৰথম প্ৰচেষ্টা হাতত লোৱা হৈছিল।

১৯৭৪ চনত 'Commission on the status of women in India' ই দিয়া প্ৰতিৱেদনত নাৰীৰ দুৰ্গত অৱস্থাৰ উন্নতিৰ অৰ্থে নাৰীক পুৰুষে পোৱাৰ দৰে সকলো সা-সুবিধা দিয়াৰ পৰামৰ্শ আগবঢ়োৱা হৈছে।

দেশৰ ঘাই সুঁতিৰ প্ৰজেক্ট আৰু কাৰ্যসূচীবোৰত মহিলাক বিশেষ সুবিধা দিব লাগে বুলি পৰামৰ্শ সন্নিৱিষ্ট কৰি ১৯৮৮ চনত ভাৰত চৰকাৰে 'National perspective plan for women' (NPPW) প্ৰস্তুত কৰিছিল। 'National commission for women' গঠন কৰা হৈছে ১৯৯২ চনৰ জানুৱাৰী মাহত।

২০০১ চনত মহিলা সবলীকৰণৰ বাবে ৰাষ্ট্ৰীয় নীতি ঘোষণা হোৱাৰ পিছত নাৰী আৰু শিশু বিকাশ, নাৰীৰ নিয়োগ আৰু আয়ৰ পথৰ ব্যৱস্থা কৰা, সা-সুবিধা লাভৰ ক্ষেত্ৰত নাৰী আৰু পুৰুষৰ মাজত পাৰ্থক্য হ্ৰাস কৰা আদি নাৰীৰ কল্যাণৰ বাবে কৰিবলগীয়া কাম হাতত লৈছে।

ঘৰুৱা পৰিৱেশত পুৰুষে কৰা উৎপীড়নৰ পৰা নাৰীক মুক্ত কৰাৰ উদ্দেশ্যে ২০০৫ চনৰ ২৩ জুন তাৰিখে লোকসভাত এখন বিধেয়ক 'Protection of Women from Domestic Violence Bill- 2005' পাছ হৈছে।

মহিলাৰ কল্যাণ বা সবলীকৰণৰ বাবে এইদৰে ভালেমান ব্যৱস্থা গ্ৰহণ কৰা হৈছে যদিও আমাৰ দেশৰ দৰিদ্ৰ সীমাৰেখাৰ তলত বাস কৰা লোকৰ সৰহভাগেই মহিলা। নিৰক্ষৰতা আৰু বহিঃ জগতৰ বা-বাতৰিৰ লগত সম্পৰ্ক ৰাখিব নোৱৰাই ইয়াৰ মূল কাৰণ। বৰ্তমান ৰূপায়ণ কৰি থকা সৰ্বশিক্ষা অভিযানে মহিলাৰ সাক্ষৰতাৰ ওপৰত বিশেষকৈ গ্ৰাম্যাঞ্চলৰ মহিলাৰ সাক্ষৰতাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। এই কাৰ্যসূচী যদি সফল হয় আৰু মহিলাসকলক ব্যৱহাৰিক সাক্ষৰতা (Functional Literacy) প্ৰদান কৰা হয়, তেওঁলোকৰ কল্যাণ হ'ব আৰু সবলীকৰণ আঁচনিৰ কামো আগবাঢ়িব। ■


**সহায়ক গ্ৰন্থ:**

যতীন বৰুৱা: শিক্ষা, সুনীতা আগৰৱালা: শিক্ষা




# ছাত্ৰ জীৱনত ৰাজনীতিৰ ভূমিকা


ডনা দাস, স্নাতক প্ৰথম বৰ্ষ, ৰাজনীতি বিভাগ


**আৰম্ভণি:**

বৰ্তমান বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ যুগ। এই যুগত ৰাজনীতিৰ বিষয়ে সচেতন নহ'লে জনসাধাৰণে উন্নতিৰ পথত আগুৱাই যাব নোৱাৰে। গতিকে ক'ব পাৰি যে ছাত্ৰ জীৱনত ৰাজনীতিৰ ভূমিকা অপৰিহাৰ্য। ৰাজনীতি অবিহনে ছাত্ৰ আগবাঢ়ি যাব নোৱাৰে। ছাত্ৰও ৰাজনীতিৰ অবিহনে অসম্পূৰ্ণ। সেয়েহে, ছাত্ৰ আৰু ৰাজনীতি এই দুটাক একেটা মুদ্ৰাৰেই দুটা পিঠি বুলি ক'ব পাৰি।

**ছাত্ৰ জীৱনত ৰাজনীতিৰ ভূমিকা:**

ছাত্ৰ জীৱনত ৰাজনীতিৰ যে এটা উল্লেখযোগ্য ভূমিকা আছে তাক অস্বীকাৰ কৰিব নোৱাৰি। কোনো এজন ছাত্ৰৰ যদি ৰাজনীতিৰ প্ৰতি বিশেষ ধাউতি থাকে তেতিয়া সেই ধাউতিক কাৰ্যকৰী দিশত আগুৱাই নিবলৈ পিতৃ-মাতৃ, শিক্ষক আৰু সামাজিক পৰিৱেশে নিশ্চয় উৎসাহ যোগাব লাগিব। মাতৃ হৈছে শিশুৰ প্ৰধান শিক্ষক। মাতৃৰ গৰ্ভৰ পৰাই কোনো এটা শিশুৱে বিশেষ বিশেষ গুণবোৰ আহৰণ কৰি আহে। পিছত উপযুক্ত পৰিৱেশ আৰু শিক্ষকৰ তত্ত্বাৱধানত এনে গুণবোৰৰ বিকাশ ঘটে। গতিকে, ৰাজনীতিৰ প্ৰতি ধাউতি থকা ছাত্ৰ-ছাত্ৰীক ৰাজনীতিৰ শিক্ষাহে দান কৰিব লাগে। পিতা-মাতা, শিক্ষক-শিক্ষয়িত্ৰী আৰু সু-সভ্য পৰিৱেশৰ পৰাহে ছাত্ৰ-ছাত্ৰীয়ে প্ৰকৃত জ্ঞান লাভ কৰা সম্ভৱ। নহ'লে ছাত্ৰ-ছাত্ৰীসকল ভুল পথত অৱতীৰ্ণ হ'ব। উদাহৰণস্বৰূপে— বোনাৰ কথাই উল্লেখ কৰিব পাৰি। বোনা নামৰ ছোৱালীজনীৰ ৰাজনীতিৰ বিষয়ে ধাউতি অধিক। কিন্তু তেওঁক ৰাজনীতিৰ পথত আগবাঢ়ি যাবলৈ উৎসাহ যোগাবলৈ উপযুক্ত পৰিৱেশ নাছিল। গতিকে, তেওঁ বিভ্ৰান্ত হোৱা স্বাভাৱিক। সেয়েহে, উপযুক্ত পৰিৱেশ সৃষ্টিৰ বাবে পিতৃ-মাতৃ আৰু শিক্ষক-শিক্ষয়িত্ৰীয়ে ৰাজনীতি বিষয়ৰ শিক্ষাদান কৰিব লাগে। গণতান্ত্ৰিক দেশত ৰাজনীতি বুলিলে জনসাধাৰণৰদ্বাৰা নিৰ্বাচিত প্ৰতিনিধিৰে গঠন হোৱা চৰকাৰৰ কথাকে সাধাৰণতে ধৰা হয়। চৰকাৰৰ এই ক্ষেত্ৰত ভূমিকা অপৰিসীম। ছাত্ৰ-ছাত্ৰীৰ প্ৰতি চৰকাৰৰ মনোযোগে তেওঁলোকক সততে আকৰ্ষিত আৰু উৎসাহিত কৰে। এনে কৰিলে বোনাহঁতৰ দৰে আগ্ৰহীসকল বিপাঙত নপৰে নতুবা হতাশাগ্ৰস্ত নহয়।



ৰাজনীতিয়ে কিদৰে ছাত্ৰ জীৱনত প্ৰভাৱ বিস্তাৰ কৰিব পাৰে তাক আলোচনা কৰাৰ প্ৰয়াস কৰা হৈছে—

১। **ছাত্ৰৰ ধাউতি বৃদ্ধি:** ৰাজনীতি বিজ্ঞান হ'ল এনে এক ধৰণৰ বিজ্ঞান যাৰ জৰিয়তে দেশৰ বৰ্তমান অৱস্থাৰ বিষয়ে জানিব পাৰি। এতিয়া বেছি ভাগ ক্ষেত্ৰতেই ৰাজনীতিয়ে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰা দেখা যায়। উদাহৰণস্বৰূপে— দেশত হোৱা দুৰ্নীতি আৰু ভ্ৰষ্টাচাৰৰ কথা উল্লেখ কৰিব পাৰি। ৰাজনীতি বিজ্ঞানৰ অধ্যয়নৰদ্বাৰা এইবোৰৰ কাৰণ উদ্‌ঘাটন কৰিব পৰা যায়। ছাত্ৰ জীৱনত ভৱিষ্যতে সুনাগৰিক হোৱাৰ পাঠ গ্ৰহণেৰে নিজক প্ৰস্তুত কৰিব পৰা যায়।

২। **ছাত্ৰ-ছাত্ৰীসকলক সঠিক পথত আগবাঢ়ি যাবলৈ সহায় কৰে:** ৰাজনীতিয়ে প্ৰকাৰন্তৰে ছাত্ৰ-ছাত্ৰীসকলক সঠিক পথ নিৰ্ধাৰণ কৰি দিয়াতো সহায় কৰে। উদাহৰণস্বৰূপে— উচ্চ মাধ্যমিক অৰ্থাৎ হাইস্কুল শিক্ষান্ত পৰীক্ষাত ফাৰ্ষ্ট ডিভিজনত পাছ কৰা ছাত্ৰ-ছাত্ৰীক কম্পিউটাৰ প্ৰদান কৰি বৰ্তমান উৎসাহ প্ৰদানৰ ব্যৱস্থা কৰিছে।

৩। **সুনিৰ্দিষ্ট পথ বাছি লোৱাত সহায় কৰা:** বৰ্তমান ৰাজনীতিয়ে ছাত্ৰ-ছাত্ৰীবোৰক উপযুক্ত পথ বাছি লোৱাটো সহায় প্ৰদান কৰা দেখা পোৱা যায়। উদাহৰণস্বৰূপে— TET পৰীক্ষাৰ কথাও উল্লেখ কৰিব পাৰি। বৰ্তমান ভাৰত চৰকাৰে Teacher Eligibility Test-ৰদ্বাৰা ছাত্ৰ-ছাত্ৰীসকলক সঠিক পথত আগবাঢ়ি যোৱাত যথেষ্ট পৰিমাণে সহায় কৰিছে।

৪। **ৰাজনীতিত অংশগ্ৰহণত সহায় কৰে:** ৰাজনীতিৰ জ্ঞানে ছাত্ৰ-ছাত্ৰীসকলক যুক্তিবাদী কৰে। চিন্তা কৰিবলৈ শিকায়। উচিত-অনুচিত বিচাৰ কৰি মুক্তভাৱে ৰাজনীতিত প্ৰৱেশ কৰাত সহায় কৰে। সেয়েহে ক'ব পাৰি যে ৰাজনীতিয়ে ছাত্ৰ-ছাত্ৰীৰ মনত এটা বিৰাট প্ৰভাৱ বিস্তাৰ কৰাত বহলভাৱে সহায় কৰে।

৫। **ৰাজনীতিৰ বিষয়ে জ্ঞান লাভ কৰাত সহায় কৰে:** ৰাজনীতি বিজ্ঞানে বৰ্তমান ৰাজনীতিৰ বিষয়ে জ্ঞান লাভ কৰাত যথেষ্ট পৰিমাণে সহায় কৰে। ৰাজনীতি বিজ্ঞানৰ সহায় অবিহনে ৰাজনীতি প্ৰাণহীন এটা যন্ত্ৰৰ নিচিনা। গতিকে, ক'ব পাৰি যে ৰাজনীতি বিজ্ঞান হৈছে ৰাজনীতিৰ প্ৰাণস্বৰূপ। সেয়েহে ৰাজনীতিৰ বিষয়ে জ্ঞান লাভ কৰা সম্ভৱ কেৱল ৰাজনীতি বিজ্ঞানৰ অধ্যয়নৰ যোগেদিহে। সেয়েহে ৰাজনীতি বিজ্ঞান নামে এটা গুৰুত্বপূৰ্ণ পাঠ্যক্ৰম ছাত্ৰ-ছাত্ৰীৰ বাবে তৈয়াৰ কৰা হৈছে। গতিকে, ক'ব পাৰি যে ছাত্ৰ আৰু ৰাজনীতিৰ মাজত এটা নিবিড় সম্পৰ্ক থাকে। ৰাজনীতি বিজ্ঞান অধ্যয়ন অবিহনে ছাত্ৰ জীৱন অসম্পূৰ্ণ। আজিৰ ছাত্ৰ কালিলৈ দেশৰ ভৱিষ্যৎ। ভৱিষ্যতে ৰাষ্ট্ৰযন্ত্ৰ তেওঁলোকে পৰিচালনা কৰিব লাগিব। ৰাজনীতিৰ আখৰাঘৰ হ'ল স্কুল-কলেজ-বিশ্ববিদ্যালয়। সেয়ে ক'ব পাৰি যে ছাত্ৰ-ছাত্ৰী আৰু ৰাজনীতি হৈছে একেটা মুদ্ৰাৰেই দুটা পিঠি।

**সামৰণি:**

ছাত্ৰ জীৱনত ৰাজনীতিৰ বিশেষ প্ৰভাৱ আছে। অৱশ্যে ইয়াৰ কু-প্ৰভাৱো নথকা নহয়। উদাহৰণস্বৰূপে আন্না হাজাৰেৰ কথাকে উল্লেখ কৰিব পাৰোঁ। তেওঁৰ নেতৃত্বত যি গণ-আন্দোলন সংঘটিত হৈছিল তাৰ কিছুমান ভাল দিশ আছে যদিও ইয়াৰ বেয়া দিশো নথকা নহয়। এই আন্দোলনে ছাত্ৰ-ছাত্ৰীসকলক ৰাজনীতিত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰাত যেনেদৰে উৎসাহিত কৰিছে, তেনেদৰে ক'ৰবাত ক'ৰবাত আৱেগ প্ৰৱণো কৰি তুলিছে। ফলত বহুতো ঠাইত বহুত অঘটনো ঘটা পৰিলক্ষিত হৈছে। গতিকে ক'ব পাৰি যে প্ৰত্যেক বস্তুৰেই ভাল আৰু বেয়া দিশ থাকে। সেইবাবে ৰাজনীতিৰ বিষয়ে উপযুক্ত জ্ঞান লাভ কৰাই ছাত্ৰ-ছাত্ৰীৰ মূল লক্ষ্য হোৱা উচিত। তেতিয়া ৰাজনীতিত প্ৰৱেশ কৰি দেশৰ আৰু দহৰ উপকাৰ সাধাত সহায় হ'ব।

ছাত্ৰ জীৱনত ৰাজনীতিয়ে প্ৰভাৱ পেলাব পাৰে। উচ্চ বুদ্ধি আৰু তীক্ষ্ণ আদৰ্শ থকা ব্যক্তি এজনে ৰাজনীতি অবিহনে জীয়াই থাকিব নোৱাৰে। সেয়েহে ছাত্ৰ সংস্থা নামৰ এটা সংস্থাক ৰাজনীতিত অংশগ্ৰহণ কৰাৰ সুবিধা চৰকাৰে প্ৰদান কৰিছে। ৰাজনীতি বিজ্ঞানৰ অধ্যয়নৰ অবিহনে ব্যক্তিৰ বৌদ্ধিক বিকাশ সম্ভৱ নহয়। ব্যক্তিৰ বৌদ্ধিক বিকাশ সম্ভৱ নহ'লে ৰাজনীতিত সক্ৰিয় ভূমিকা পালন কৰা সম্ভৱ নহয়। সেয়ে ছাত্ৰ-ছাত্ৰীসকলে ৰাজনীতিৰ জ্ঞান লাভ কৰা আৱশ্যক। ৰাজনীতিয়ে ছাত্ৰ-ছাত্ৰীক পৰীক্ষণ আৰু নিৰীক্ষণ দুয়োটাতে পাৰদৰ্শী হ'বলৈ শিকায়। উল্লেখ কৰি অহা হৈছে যে, ছাত্ৰ-ছাত্ৰীসকল হৈছে দেশৰ উমৈহতীয়া ভৱিষ্যৎ। সেই ভৱিষ্যতক সমৃদ্ধ কৰিব লাগিলে ৰাজনীতিৰ জ্ঞান থাকিব লাগিব। ৰাজনীতি জ্ঞান সমৃদ্ধ হ'লে নিজে নিজেই দেশৰ উন্নতি সাধন সম্ভৱ হ'ব। গতিকে এইটো সত্য যে ছাত্ৰ জীৱনত ৰাজনীতিৰ এটা বিশেষ ভূমিকা আছে। ■



# ভাৰতবৰ্ষৰ অৰ্থনৈতিক উন্নয়নত প্ৰাকৃতিক আৰু মানৱ সম্পদৰাজিৰ গুৰুত্ব

জয়শ্ৰী গোস্বামী, স্নাতক প্ৰথম বৰ্ষ, অৰ্থনীতি বিজ্ঞান বিভাগ

অৰ্থনৈতিক উন্নয়নৰ বাবে প্ৰাকৃতিক সম্পদ, জনসম্পদ আৰু মূলধন অপৰিহাৰ্য। প্ৰাকৃতিক পৰিৱেশত বিদ্যমান আৰু সমাজৰ উপকাৰৰ বাবে ব্যৱহাৰযোগ্য যিকোনো সামগ্ৰীয়েই প্ৰাকৃতিক সম্পদ বুলি ক'ব পাৰি। সেইদৰে ভূ-খণ্ড, জলজ সম্পদ, খনিজ সম্পদ, বনজ সম্পদ, জলবায়ু, বৃষ্টিপাত আৰু ভূ-সংস্থান প্ৰাকৃতিক সম্পদৰ অন্তৰ্ভুক্ত হয়।

কিছুমান প্ৰাকৃতিক সম্পদৰ যোগান অতি সীমিত। যেনে— ভূমি। ভূমি প্ৰকৃতি দত্ত। ইয়াৰ যোগান সীমিত। অৱশ্যে ইয়াৰ যোগান কেতিয়াবা সামান্যভাৱে হ'লেও বৃদ্ধি কৰিব পৰা যায়। গছ-গছনি কাটি, নতুন ভূমি মুকলি কৰি উপকূলীয় ভূমি পুনৰ আহৰণ কৰি, ভূমিৰ খণ্ডিতকৰণ ৰোধ কৰি আৰু পতিত মাটি পুনৰুদ্ধাৰ কৰি ভূমিৰ পৰিমাণ কিছু বৃদ্ধি কৰিব পৰা যায়।

অৰ্থনৈতিক উন্নয়নত প্ৰাকৃতিক সম্পদৰাজিয়ে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে, সেইদৰে অৰ্থনৈতিক উন্নয়নৰ ফলতো নতুন-নতুন সম্পদৰ আবিষ্কাৰ আৰু ব্যৱহাৰ সম্ভৱ হৈ উঠিব পাৰে। আণৱিক শক্তি, সৌৰশক্তি আৰু বায়ুশক্তি ইত্যাদিৰ ব্যৱহাৰ এইদৰেই বৃদ্ধি হৈ আহিছে। সেইবাবে অৰ্থনৈতিক উন্নয়নৰ বিভিন্ন স্তৰৰ সৈতে জড়িত আৰু আৱিষ্কৃত সকলোবোৰকেই প্ৰাকৃতিক সম্পদ হিচাপে ধৰা হয়।

প্ৰাকৃতিক সম্পদৰাজিৰ প্ৰধান উৎস তিনিবিধ। সেই কেইবিধ হ'ল— ভূ-পৃষ্ঠ আৰু ইয়াৰ উপৰিভাগ আৰু জলজ সম্পদ।

ভাৰতবৰ্ষৰ ভূ-পৃষ্ঠৰ সম্পদৰাজিলৈ চালে দেখা যায় যে, মুঠ ভৌগোলিক এলেকাৰ পৰিমাণ হৈছে প্ৰায় ৩২৯ নিযুত হেক্টৰ। ইয়াৰে প্ৰায় ৪৭ শতাংশ খেতিৰ বাবে উপযোগী। পৃথিৱীৰ আন-আন দেশৰ তুলনাত ভাৰতবৰ্ষত জনমূৰি খেতিৰ মাটি কম। বিশ্বৰ মুঠ জনসংখ্যাৰ ১৬ শতাংশ, বিশ্বৰ মুঠ মাটিকালিৰ ২.৪ শতাংশহে ভাৰতবৰ্ষই সামৰি লৈছে। জনমূৰি খেতিৰ মাটিৰ পৰিমাণ হ'ল ০.২৬ হেক্টৰ।

বনজ সম্পদ ভাৰতবৰ্ষৰ আটাইতকৈ গুৰুত্বপূৰ্ণ ভূমি সম্পদ। ভাৰতবৰ্ষৰ মুঠ ভৌগোলিক এলেকাৰ প্ৰায় ২৩ শতাংশ বনাঞ্চলে আৱৰি আছে। বনাঞ্চলৰ উপকাৰিতা সম্পৰ্কে সন্দেহৰ অৱকাশ নাই। ই ভূমি সংৰক্ষণ, বানপানী প্ৰতিৰোধ, জলবায়ু নিয়ন্ত্ৰণ, বায়ু প্ৰদূষণমুক্ত, উদ্যোগসমূহলৈ কেঁচা সামগ্ৰী আৰু শক্তিৰ যোগান ধৰে। কাগজ, কাঠ ইত্যাদি সামগ্ৰীৰ উৎপাদন আৰু ৰপ্তানি সুচল কৰি তোলে আৰু বিদেশী পৰ্যটকক আকৰ্ষণ কৰি পৰ্যটন উদ্যোগটোক লাভৱান কৰি তোলে।

ভাৰতবৰ্ষই প্ৰতি বছৰে ১.৩ নিযুত হেক্টৰ বনভূমি হেৰুৱাবলগীয়া হৈছে। বৰ্তমান ভাৰতবৰ্ষৰ মুঠ ভৌগোলিক এলেকাৰ মাত্ৰ ১৬.৮৯ শতাংশহে বনাঞ্চলে আগুৰি লৈছে।

দ্বিতীয়বিধ উৎস হ'ল ভূ-গৰ্ভৰ সম্পদৰাজি বা খনিজ সম্পদসমূহ। এই সম্পদসমূহৰ নৱীকৰণ নহয়। কিন্তু এনেবোৰ সম্পদৰাজিৰ ব্যৱহাৰ ক্ৰমাৎ বৃদ্ধি পাই আহিছে। শক্তি উৎস হিচাপে দ্বিতীয়বিধ গুৰুত্বপূৰ্ণ খনিজ সম্পদ হ'ল কয়লা। ইয়াৰ ক্ৰমবৰ্দ্ধমান ব্যৱহাৰৰ সৈতে বায়ু প্ৰদূষণৰ সমস্যাটো সাঙোৰ খাই আছে। প্ৰাকৃতিক গেছো বিশ্বৰ সবাতোকৈ দ্ৰুতভাৱে বৃদ্ধি পোৱা শক্তিৰ উৎস।

ভাৰতবৰ্ষৰ কেইবিধমান গুৰুত্বপূৰ্ণ খনিজ পদাৰ্থৰ নাম হ'ল— লো, কয়লা, খনিজ তেল, ইউৰেনিয়াম আৰু থ'ৰিয়াম নাইবা মেঙ্গানিজ, বক্সাইট, ক্ৰমিয়াম, জিপচাম, চূণশিল ইত্যাদি।

প্ৰাকৃতিক সম্পদৰাজিৰ তৃতীয়বিধ উৎস জলজ সম্পদ। এইক্ষেত্ৰত ভাৰতবৰ্ষ এখন চহকী দেশ। অসংখ্য নদ-নদী, জান-জুৰি, খাল-বিল আৰু সুদীৰ্ঘ উপকূল ৰেখাৰে সৈতে ভাৰতবৰ্ষৰ জলজ সম্পদৰ পৰিমাণ সুবৃহৎ বুলি ক'ব পাৰি। ভাৰতবৰ্ষৰ ভূ-পৃষ্ঠৰ জলসম্পদৰ পৰিমাণ বছৰি ১৬৮ নিযুত হেক্টৰ মিটাৰ বুলি ঠাৱৰ কৰা হৈছে। ইয়াৰে ৩৩ শতাংশৰ বাষ্পীকৰণ হয়, ২২ শতাংশ ভূ-গৰ্ভত লীন হয় আৰু বাকী ৪৫ শতাংশহে নদীয়ে বহন কৰে।

ভাৰতবৰ্ষৰ উপকূলীয় অঞ্চলৰ দৈৰ্ঘ্য প্ৰায় ৬,১০০ কিল'মিটাৰ। এই উপকূল ডাঙৰ-সৰু বন্দৰেৰে ভৰা। ভাৰতবৰ্ষত বৰ্তমান ১০ টা প্ৰধান আৰু ১০০ টাতকৈও অধিক সৰু-সৰু বন্দৰ আছে। ১০ টা প্ৰধান বন্দৰে ভাৰতবৰ্ষৰ বৈদেশিক বাণিজ্যৰ প্ৰায় ৯০ শতাংশ সামৰি লৈছে। উল্লেখযোগ্য যে ভাৰতবৰ্ষৰ মুঠ ৰপ্তানিৰ ১৫ শতাংশ সাগৰেদি সৰবৰাহ কৰা হয়। জলসম্পদ ভাৰতবৰ্ষৰ জলসিঞ্চন ব্যৱস্থাৰ আধাৰ হোৱাৰ উপৰি শক্তি উৎপাদন আৰু পৰিবহণৰ ক্ষেত্ৰতো অপৰিহাৰ্য হৈ পৰিছে। ভাৰতবৰ্ষৰ মুঠ পৰিবহণ উপযোগী আভ্যন্তৰীণ জলপথৰ দৈৰ্ঘ্য হ'ব প্ৰায় ১৪,১৫০ কিল'মিটাৰ। ভাৰতবৰ্ষত ৪১ নিযুত K.W. জলবিদ্যুৎ উৎপন্ন কৰিব পৰা যায়।

দেশ এখনৰ অৰ্থনৈতিক উন্নয়নত প্ৰাকৃতিক

সম্পদৰাজিয়ে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। কিন্তু প্ৰাকৃতিক সম্পদত চহকী হ'লেই স্বয়ংক্ৰিয়ভাৱে অৰ্থনৈতিক উন্নয়ন হ'ব নোৱাৰে। জনশক্তিৰ অবিহনে এই সম্পদৰাজি আৱশ্যকীয় সা-সামগ্ৰীলৈ ৰূপান্তৰিত হ'ব নোৱাৰে। সেইবাবে জনসম্পদৰ অৰ্হতা আৰু কৰ্মশক্তিয়ে গুৰুত্বপূৰ্ণ স্থান দখল কৰে। অধিক কাৰ্যদক্ষ জনশক্তিৰ লগতে মূলধনৰ প্ৰয়োজনীয় যোগানৰ আধাৰতহে প্ৰাকৃতিক সম্পদৰাজি ব্যৱহাৰ কৰি জাতীয় উৎপাদন বৃদ্ধি কৰিব পৰা যায়। এইক্ষেত্ৰত মানৱ সম্পদৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ। প্ৰাকৃতিক সম্পদৰাজি নিষ্ক্ৰিয়, মানৱ সম্পদ সক্ৰিয়। মানৱ সম্পদ অবিহনে প্ৰাকৃতিক সম্পদৰাজিৰ উদ্ঘাটন আৰু ব্যৱহাৰ অসম্ভৱ। অৱশ্যে মানৱ সম্পদ সীমিত হ'লে যিদৰে সমস্যাৰ সৃষ্টি হ'ব পাৰে, ঠিক সেইদৰে অত্যধিক জনসংখ্যাৰ পৰাও সমস্যাৰ সৃষ্টি হ'ব পাৰে। প্ৰকৃততে অত্যধিক জনসংখ্যা এটা বোজাহে; সম্পদ নহয়। জাতীয় আয় বৃদ্ধিৰ তুলনাত জনসংখ্যা বৃদ্ধিৰ হাৰ অধিক হ'লে জনমূৰি আয় হ্ৰাস পাব। নিম্ন জনমূৰি আয়ৰ দেশসমূহেই হ'ল অনুন্নত দেশ। অনুন্নত দেশসমূহত জনসংখ্যা বৃদ্ধিয়ে অৰ্থনৈতিক উন্নয়নত প্ৰভাৱ বিস্তাৰ কৰে।

মানৱসম্পদৰ কেইটামান মৌলিক ধাৰণা তলত আগবঢ়োৱা হ'ল। ই জনসংখ্যা অধ্যয়নৰ সৈতে জড়িত।

**পৰিয়াল:** পৰিয়াল হ'ল সমাজৰ প্ৰাথমিক গোট। ইয়াতেই এজন ব্যক্তিয়ে ভাষা, আচাৰ-আচৰণ আদি শিকে আৰু সামাজিক নীতি-নিয়মৰ সৈতে চিনাকি হোৱাৰ প্ৰথম, সুযোগ পায়। ই হ'ল এটা সাৰ্বজনীন গোট। নগৰ, চহৰ, গাঁও, জনজাতি, অ-জনজাতি বসতি অধ্যুষিত অঞ্চল, হিন্দু-মুছলমান, খ্ৰীষ্টিয়ান, শিখ সকলো ধৰ্মাৱলম্বী লোকৰ মাজত পৰিয়াল আছে। পৰিয়ালৰ গাঁথনিৰ পৰিৱৰ্তন থাকে। জনজাতি আৰু কৃষি প্ৰধান সমাজত যৌথ পৰিয়াল দেখা যায়। ঔদ্যোগিক সমাজত একান্নৱৰ্তী পৰিয়াল দেখা যায়। পৰিয়ালত সভ্যসকলৰ মাজত এক আবেগিক ঐক্য ৰক্ষিত হয়। পৰিয়ালে সভ্যসকলক আৰ্থিক সুৰক্ষা প্ৰদান কৰে। পৰিয়ালে নতুন পুৰুষক চিনি পোৱাত সহায় কৰে।

**চুবুৰী:** চুবুৰী এটা সীমিত সম্প্ৰদায় বুলি ক'ব পাৰি। একেঠাইতে কেইবাজনো ব্যক্তি বা পৰিয়াল ওচৰা-উচৰিকৈ বসবাস কৰিলে চুবুৰীৰ সৃষ্টি হয়। চুবুৰীত থকা পৰিয়াল কেইটাৰ মাজত লোকাচাৰ আৰু মূল্যবোধৰ সাদৃশ্য দেখা যায়।

**জন্মৰ হাৰ:** নিৰ্দিষ্ট বছৰৰ ভিতৰত প্ৰতি হাজাৰ জন-সংখ্যাৰ সৈতে জড়িত জন্ম সংখ্যাকে জন্মহাৰ বুলি কোৱা হয়।

**মৃত্যুৰহাৰ:** এক নিৰ্দিষ্ট বছৰৰ ভিতৰত প্ৰতি হাজাৰ জনসংখ্যাৰ মৃত্যুৰ সংখ্যা হ'ল মৃত্যু হাৰ। শিশুৰ মৃত্যুৰ হাৰ এবছৰৰ তলৰ শিশুৰ বাবে নিৰ্ণয় কৰা হয়।

**জনসংখ্যাৰ ঘনত্ব:** ই জনসংখ্যা আৰু ভূমিৰ অনুপাত বুজায়। প্ৰতি বৰ্গ কিল'মিটাৰত জনসংখ্যাৰ পৰিমাণেই হ'ল জনসংখ্যাৰ ঘনত্ব। ই ঠাই বিশেষে বেলেগ বেলেগ হয়।

**যৌন অনুপাত:** প্ৰতি হাজাৰ পুৰুষত মহিলাৰ সংখ্যাই হ'ল যৌন অনুপাত। অনুন্নত দেশত যৌন অনুপাত কম অৰ্থাৎ প্ৰতি হাজাৰ পুৰুষত মহিলাৰ সংখ্যা কম। কন্যা শিশুৰ প্ৰতি অৱহেলা, মহিলাৰ নিম্ন সাক্ষৰতাৰ হাৰ আদিয়েই ইয়াৰ মূল কাৰণ।

**সাক্ষৰতাৰ হাৰ:** মাতৃভাষাত পঢ়িব আৰু লিখিব পৰা জনকেই সাক্ষৰ বুলি ক'ব পাৰি। সাধাৰণতে চহৰ অঞ্চলতকৈ গাঁও অঞ্চলত সাক্ষৰতাৰ হাৰ কম। শিক্ষাৰ প্ৰতি আগ্ৰহ, শিকাৰ সামৰ্থ্য আৰু শিক্ষানুষ্ঠান এইকেইটাই সাক্ষৰতাৰ প্ৰধান নিৰ্ণয়কাৰী উপাদান।

**নগৰীকৰণ:** যি প্ৰক্ৰিয়াৰ যোগেদি গাঁও অঞ্চল নগৰ অঞ্চললৈ পৰিৱৰ্তিত হয়, সেই প্ৰক্ৰিয়াটোৱেই হ'ল নগৰীকৰণ। ভাৰতবৰ্ষত ৫,০০০ জনসংখ্যাৰ এলেকা একোটাক নগৰ বুলি ধৰা হয়। ইয়াৰে পুৰুষৰ মুঠ সংখ্যাৰ ৭৫ শতাংশ কৃষি বহিৰ্ভূত আৰ্থিক কাৰ্যৰ সৈতে জড়িত হ'ব পাৰে। ভাৰতবৰ্ষৰ নগৰ অঞ্চলৰ গ্ৰামীকৰণহে হৈছে।

চীনদেশৰ পিছতেই 'ভাৰতবৰ্ষ' জনসংখ্যাৰ ফালৰপৰা দ্বিতীয় বৃহত্তম দেশ হিচাপে পৰিগণিত হৈছে। গতিকে মানৱ সম্পদৰ উন্নয়ন হ'বলৈ হ'লে জনসংখ্যাৰ ধাৰণাসমূহক ভালকৈ বুজি লোৱাটো অতি প্ৰয়োজনীয় বুলি ভাবি উপৰোক্ত কাৰণসমূহ আগবঢ়োৱা হ'ল।

ভাৰতবৰ্ষত বছৰি ১৬ নিযুতকৈ জনসংখ্যা বৃদ্ধি পাইছে। ইয়াৰ লগে লগে প্ৰত্যাশিত আয়ুস, যৌন অনুপাতৰ পৰিৱৰ্তন হ'ব ধৰিছে। ভাৰতবৰ্ষৰ জনসংখ্যা তৰুণ জনসংখ্যা। ভাৰতবৰ্ষৰ সাক্ষৰতাৰ হাৰ বৃদ্ধি পাইছে যদিও যথেষ্ট বুলি ক'ব নোৱাৰি। ভাৰতবৰ্ষৰ ৭৩ শতাংশ লোকে গাঁৱত বাস কৰে।

ভাৰতবৰ্ষৰ জনসংখ্যাৰ দ্ৰুত বৃদ্ধিয়ে বিভিন্ন ধৰণৰ সমস্যাৰ সৃষ্টি কৰে। তাৰ ভিতৰত জীৱন-নিৰ্বাহৰ মানদণ্ড, জনস্বাস্থ্য আৰু শিক্ষা, পাৰিপাৰ্শ্বিকতা, খাদ্য যোগান, নিয়োগ আৰু মূলধন গঠনৰ ক্ষেত্ৰত জনসংখ্যা বৃদ্ধিয়ে সমস্যাৰ সৃষ্টি কৰে।

জনসংখ্যা নীতি দুটা ব্যৱস্থাৰ সংমিশ্ৰণ বুলি ধৰা হৈছে। হ্ৰস্বম্যাদী আৰু দীৰ্ঘম্যাদী। পৰিয়াল পৰিকল্পনা এবিধ হ্ৰস্বম্যাদী ব্যৱস্থা। ছোৱালীৰ বিবাহ বয়স বৃদ্ধি আৰু জনসংখ্যাৰ জনশিক্ষাৰ প্ৰসাৰ সাধন দুবিধ গুৰুত্বপূৰ্ণ দীৰ্ঘম্যাদী ব্যৱস্থা। এই শিক্ষা বিদ্যালয়ৰ প্ৰাথমিক পৰ্যায়ৰ পৰা বিশ্ববিদ্যালয় পৰ্যন্ত প্ৰৱৰ্তন কৰিব পৰা যায়।

ভাৰত চৰকাৰৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগে কোৱা মতে দেশৰ ৰাজ্যসমূহৰ বাবে মানৱ উন্নয়ন সূচকসমূহৰ ছবিখন তেনেই নিৰুৎসাহজনক। আমি সকলোৱেই এই ক্ষেত্ৰত আগভাগ ল'লেহে মানৱ সম্পদ উন্নয়ন কৰিব পৰা যাব। ইয়াৰ বাবে চৰকাৰেও বিভিন্ন পদক্ষেপ হাতত ল'ব লাগিব।

দেশৰ প্ৰাকৃতিক আৰু মানৱ সম্পদৰাজিৰ বিকাশ অবিহনে অৰ্থনৈতিক উন্নয়ন সম্ভৱ হৈ নুঠে। অৰ্থনৈতিক বিকাশ হ'বলৈ হ'লে উক্ত সম্পদৰাজিৰ সংৰক্ষণ আৰু উন্নয়ন কৰাটো দেশৰ প্ৰতিজন নাগৰিকৰে কৰ্তব্য বুলি ধৰি লৈ যৎপৰোনাস্তি চেষ্টা কৰাটো অতি প্ৰয়োজনীয় হৈ পৰিছে। ইয়াৰ অবিহনে ৰঘুমলাৰ দৰে বিয়পি থকা বিভিন্ন অৰ্থনৈতিক সমস্যা সমূহ আঁতৰ কৰাত দেশ সফল হ'ব নোৱাৰিব। গণতান্ত্ৰিক দেশৰ নাগৰিক হিচাপে দেশখনৰ উন্নতিৰ হকে চিন্তা কৰা প্ৰতিজন ব্যক্তি তথা ছাত্ৰ-ছাত্ৰী যুৱ মানসিকতাৰ গুৰুত্ব আটাইতকৈ উল্লেখযোগ্য। ■

*(উৎস: বিভিন্ন অৰ্থনীতি বিভাগৰ কিতাপ, বাতৰি কাকত আদিৰ সহায় লৈ...)*

---

"কৰাগ্ৰে বসতি লক্ষ্মী, কৰমধ্যে সৰস্বতী।
কৰমূলেষু গোবিন্দ প্ৰভাতে কৰদৰ্শনম্।"

হাতেৰে শ্ৰম কৰি আমি জ্ঞান আহৰণ কৰোঁ। বৃত্তিত বুৎপত্তি আৰ্জন কৰোঁ। আজিৰ সমাজত আমি ঘাইকৈ জ্ঞানেৰে কাম কৰোঁ বা ঘাইকৈ হাতেৰে শ্ৰম কৰোঁ। মানৱ দেহৰ দুই অঙ্গ: মগজুৰ বুদ্ধি বিবেক ব্যৱহাৰ আৰু হাতৰ শ্ৰমৰ ফলত আমাৰ প্ৰতিটো কাম সম্পন্ন হয়। কাম কৰোঁ, খাই বৈ সুখেৰে থাকিবলৈ; আমাৰ জ্ঞান, দক্ষতা আদিৰ নিয়োজনত লাগতিয়াল বস্তু বাহানি আৰু সেৱাৰ ব্যৱস্থা কৰোঁ। এই মূল কথাত সন্দেহ নাই। সঞ্চালক, প্ৰশাসক, পৰিচালক, কাৰ্যবাহী, কাৰিকৰ, সহায়কে স্তৰ নিৰ্বিশেষে, সকলোৱে খাবলৈ আৰু ভালদৰে জীয়াই থাকিবলৈকে কাম কৰে। সেই প্ৰক্ৰিয়াৰ মাজেৰে নিজৰ জ্ঞান, দক্ষতা বা পটুতাৰ ব্যৱহাৰ কৰে আৰু উৎপাদন (সামগ্ৰী আৰু সেৱা)ৰ যোগেৰে সমাজলৈ অৰিহণা যোগায়। ইয়াকে কৰি অনেকেই কৰ্ম জীৱনত উন্নতি কৰাত আগ্ৰহী হয়; জখলাত বগাই ওপৰলৈ যাবলৈ হাবিয়াস কৰে। বহুতে কিন্তু যি কাম কৰিছে তাকে ভালকৈ কৰি মানুহৰ চকুত আৰু নিজৰ বিবেচনাত সমাজৰ উপযোগী হৈ থাকিয়েই সন্তুষ্ট হয়। লাইব' নামে এজন নৃতত্ত্ববিদে লিখা এটা প্ৰবন্ধৰ শীৰ্ষক আছিল: "সমাজত অনাৱশ্যকীয় বুলি ভয়ানক উপলব্ধি লৈ কোনো মানুহ জীয়াই থাকিব নোৱাৰে।" তাত তেওঁ অতি সাৰুৱা কথা কেইটামান লিখি কৈছে "'লেথ' মেচিন চালক, কাৰখানাত গতানুগতিক কামৰ কাৰিকৰ, ট্ৰাকচালক, অফিচৰ সহায়ক আদিৰ জীৱিকাত, উদ্গতিৰ বাট নাথাকিব পাৰে, সেইবুলি এনেবোৰ কামকতো বেয়া বুলিব নোৱাৰি। আমাৰ সমাজৰ সকলোৱে কৰ্মজীৱনত উদ্গতি কৰিবলৈ নিবিচাৰিব পাৰে। কাম কৰি খোৱা বহুতে জীৱন জখলাৰ কথা নাভাবে; কাম কৰে, পৰিয়ালক পোহপাল দিয়ে; তেনে কামেৰেই তেওঁলোক সমাজৰ উপযোগী বিবেচিত হৈ থাকে। তেওঁলোকে ফ'ৰমেন, কাৰখানাৰ মেনেজাৰ বা অফিচৰ বিষয়া হ'বলৈ আশা নকৰে। হয়তো মাজে সময়ে অসন্তুষ্ট হয়; কামৰ বিনিময়ত যি পায় তাতকৈ সৰহ বিচাৰিহে এনে হয়। বেলেগ কিবা এটা বিচাৰি নহয়। তাৰে তেওঁলোকে জীৱিকাতো আৰ্জিছে। আন কামৰ দৰেই এইবোৰো কাম।" সেয়ে কোনো কামকে হেয় জ্ঞান কৰা উচিত নহয়।

— সত্যব্ৰত শৰ্মা।

# গ্ৰাহক হিচাপে আমি কিমান সজাগ?

লীনা বৰা হাজাৰী, সহকাৰী অধ্যাপিকা, অৰ্থনীতি বিভাগ

ভাৰতৰ বজাৰসমূহলৈ লক্ষ্য কৰিলে এই কথা স্পষ্ট হয় যে, উপভোক্তাই বজাৰ ব্যৱস্থাত এক বিশেষ ভূমিকা গ্ৰহণ কৰি আহিছে। উন্নয়ন প্ৰক্ৰিয়াৰ লগতে গোলকীকৰণ তথা উদাৰীকৰণ নীতিৰ বৃদ্ধিৰ লগে-লগে উপভোক্তাৰ লগত জড়িত বিষয়বোৰৰ গুৰুত্ব বাঢ়ি আহিছে। দৈনন্দিন জীৱনৰ প্ৰতিটো ক্ষেত্ৰত বা মুহূৰ্তত আমি প্ৰত্যেকেই একো একোজন গ্ৰাহক। গতিকে গ্ৰাহকৰ দল (group)কেই আমি পৃথিৱীৰ ভিতৰত সৰ্ববৃহৎ দল হিচাপে স্বীকৃতি দিব পাৰোঁ।

সাধাৰণতে, যিকোনো দ্ৰব্য ক্ৰয় কৰি সেয়া উপভোগ বা ব্যৱহাৰ কৰা এজন ব্যক্তিকেই উপভোক্তা বা গ্ৰাহক বুলি কোৱা হয় যদিও আইনৰ চকুত কেৱল ক্ৰয় কৰা ব্যক্তিজনেই গ্ৰাহক নহয়; সেই গ্ৰাহকজনৰ সমৰ্থনত অন্য এজন ব্যক্তিয়েও যদি সেই দ্ৰব্য ব্যৱহাৰ কৰে তেন্তে তেওঁকো গ্ৰাহকৰ অন্তৰ্ভুক্ত কৰা হয়। গতিকে, প্ৰত্যক্ষ বা পৰোক্ষ দুয়োধৰণেই সকলো প্ৰকাৰৰ ব্যক্তিয়েই উপভোগ কাৰ্যৰ লগত জড়িত হৈ আছে জাতি, ধৰ্ম, বৰ্ণ, ভাষা, লিঙ্গ নিৰ্বিশেষে।



কিন্তু গুৰুত্বপূৰ্ণ প্ৰশ্নটো হ'ল, গ্ৰাহক হিচাপে আমি কিমান সুৰক্ষিত বা সজাগ। সুৰক্ষিত আৰু সজাগ দুয়োটা এটা মুদ্ৰাৰ দুটা পিঠিৰ দৰে। কিয়নো আমি সজাগ হ'লেহে সুৰক্ষিত হ'ব পাৰোঁ। সাধাৰণতে যিকোনো দ্ৰব্য ক্ৰয় কৰাৰ আগতে গ্ৰাহকে তিনিটা কথাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। যেনে— দ্ৰব্যটোৰ দাম, ক'ত কিনিব আৰু কিমান উপযোগিতা পাব? ১৯৮৬ চনৰ গ্ৰাহক সুৰক্ষা আইনে বিশেষকৈ ৮ টা অধিকাৰ গ্ৰাহকসকলৰ স্বাৰ্থৰ বাবে প্ৰণয়ন কৰিছে। ইয়াৰে প্ৰথম ৬ টা এই আইনৰ মূল অধিকাৰ আৰু বাকী দুটা সংবিধানত মানি লোৱা হৈছে। এই অধিকাৰসমূহ হৈছে— (১) সুৰক্ষিত হোৱাৰ অধিকাৰ, (২) তথ্য জনাৰ অধিকাৰ, (৩) পছন্দ কৰাৰ অধিকাৰ, (৪) শুনাৰ অধিকাৰ, (৫) অভিযোগ কৰাৰ অধিকাৰ, (৬) গ্ৰাহক শিক্ষাৰ অধিকাৰ, (৭) সুস্থ পৰিৱেশৰ অধিকাৰ আৰু (৮) মূল প্ৰয়োজনীয়তা পূৰণৰ অধিকাৰ।

ইমানবোৰ অধিকাৰ গ্ৰাহকসকলক ন্যস্ত কৰা সত্ত্বেও বিভিন্ন কাৰণত গ্ৰাহকসকলে উদাসীনতাৰ ভাব লোৱা দেখা যায়। আজি প্ৰতিযোগিতামূলক বজাৰ ব্যৱস্থাত বৃহৎ-বৃহৎ বহুজাতিক সংস্থাৰ আগমন তথা উৎপাদনকাৰীসকলৰ কম সময়ত অধিক লাভ অৰ্জন কৰাৰ মানসিকতাৰ বাবে গ্ৰাহকসকলে নাকনি-কাননি খোৱাৰ অজস্ৰ উদাহৰণ প্ৰতিদিনে আমি প্ৰত্যক্ষ কৰিছোঁ। সেয়েহে গ্ৰাহকসকলে তেওঁলোকৰ অধিকাৰসমূহৰ প্ৰতি সচেতন হোৱাৰ উপৰি নিজৰ দায়িত্ব সম্পৰ্কেও সজাগ হোৱাটো অতি প্ৰয়োজনীয়। কিয়নো অৰ্থনৈতিকভাৱে উন্নতি কৰিবলৈ হ'লে প্ৰত্যেক নাগৰিকে নিজৰ আয় সঠিক সম্পদ ক্ৰয় কৰাত খৰচ কৰিব লাগিব। জাৰ্মানীৰ দৰে উন্নত অৰ্থনীতিয়ে এটা কথা সদায় মানি চলে, সেইটো হৈছে *Money is yours, but resources belong to the society.* অন্যান্য কাৰকৰ লগতে এইটো এটা গুৰুত্বপূৰ্ণ কথা যে, তেওঁলোকে সম্পদৰ সুষম ব্যৱহাৰ বুজি পায়, সেয়ে উন্নতমানৰ দ্ৰব্য ব্যৱহাৰ কৰাৰ উপৰি কোনো বস্তুৰ কেতিয়াও অপচয় নকৰে।

গ্ৰাহকৰ দায়িত্ব কেৱল ভাল দ্ৰব্য অথবা ভাল দোকান পছন্দ কৰাতে শেষ নহয়। তেওঁৰ দায়িত্ব বস্তু ক্ৰয় কৰাৰ পূৰ্বৰ পৰা ঘৰলৈ আনি ব্যৱহাৰ কৰালৈকে থাকে। এজন গ্ৰাহকে দ্ৰব্য বা সেৱা উপলব্ধ কৰাৰ আগতে আগতীয়াকৈ এটা পৰিকল্পনা কৰি ল'ব লাগে। যি যি দ্ৰব্য ক্ৰয় কৰিবলৈ যাব সেই সেই দ্ৰব্যৰ গুণাগুণৰ বিষয়ে এটি বিতং তথ্য আগতীয়াকৈ গোটোৱাতো তেওঁৰ কৰ্তব্যৰ ভিতৰত পৰে। এজন গ্ৰাহকে বিক্ৰেতা তথা উৎপাদনকাৰী সম্বন্ধে অনুসন্ধান কৰাৰ উপৰি ক্ৰয় কৰাৰ সময়ত পণ্য সামগ্ৰীবিধৰ ব্যৱহাৰ প্ৰণালী সম্পৰ্কেও অৱগত হোৱাটো প্ৰয়োজন। ক্ৰয় কৰাৰ পিছত বিক্ৰেতাৰ ফালৰপৰা পিছলৈ কেনেধৰণে পৰামৰ্শ লোৱা হ'ব, সেয়া গ্ৰাহকজনে আগতীয়াকৈ জানিবৰ বাবে ফোন নম্বৰ, ঠিকনা তথা ই-মেইল ঠিকনা লোৱাটো খুবেই জৰুৰী। লগতে গেৰাণ্টী বা ৱাৰেণ্টী কাৰ্ডত কি লিখা আছে সেয়া পঢ়ি চোৱা উচিত। ঠিক সেইদৰে এই কাৰ্ডত স্বাক্ষৰ, মোহৰ এইবোৰ ঠিকমতে মৰা হৈছেনে নাই ক্ৰয় কৰাৰ সময়ত চাব লাগে। দ্ৰব্যবিধ ক্ৰয় কৰি ঘৰলৈ লৈ অহাৰ পিছত এজন সচেতন গ্ৰাহক হিচাপে আমি ইয়াৰ ব্যৱহাৰ প্ৰণালীৰ ওপৰতো গুৰুত্ব দিয়া উচিত। দোকানৰ পৰা দিয়া ব্যৱহাৰৰ কিতাপ, বিল, মেমো তথা গেৰাণ্টী কাৰ্ড ইত্যাদি নিৰাপদকৈ ৰখাটো আমাৰ কৰ্তব্যৰ ভিতৰত পৰে। যোগাযোগৰ নম্বৰত কিবা অসুবিধা বা অভিযোগ থাকিলে তৎক্ষণাৎ জনাব লাগে।

গ্ৰাহক সুৰক্ষা আইন ১৯৮৬য়ে গ্ৰাহকসকলৰ স্বাৰ্থৰ বাবে যথেষ্ট সুবিধাৰ বাট মুকলি কৰি দিছে। এই আইন অনুসৰি গ্ৰাহকে বিশেষ আনুষ্ঠানিকতা পূৰণ নোহোৱাকৈও নিজৰ অভিযোগ দাখিল কৰিব পাৰে। ইয়াৰ উপৰি, অভিযোগ দিবৰ বাবে গ্ৰাহকে এটা কেছ ফাইল কৰিবলৈ কোনো আইনবিদৰ সহায় লোৱাৰো বাধ্যবাধকতা নাই। গ্ৰাহকে নিজেই কেছটো আগবঢ়াই নিব পাৰে। নিজৰ অভিযোগ আনকি ৰেজিষ্টাৰ্ড ডাকযোগে পোষ্ট কৰিও পঠিয়াব পাৰে। আনকি পঞ্জীয়নযুক্ত গ্ৰাহক সুৰক্ষা সংগঠনৰ সহায়তো নিজৰ অভিযোগ পঠিয়াব পাৰি। সাধাৰণতে যিকোনো ধৰণৰ আইনী কাম-কাজৰ বাবে যিধৰণৰ খৰচৰ কথা ভবা হয়, এই ধৰণৰ কেছৰ বাবে ইমান টকাৰো কোনো প্ৰয়োজন নহয়। অতি নিম্ন পৰিমাণৰ খৰচ কৰিয়েই উচিত ফলাফল পাব পৰা যায়।

এই আইন অনুযায়ী এজন গ্ৰাহকে যদিহে (যিকোনো ধৰণে) তেওঁ প্ৰতাৰিত হৈছে বুলি ভাবে, তেতিয়া উল্লেখ কৰা ধৰণে অভিযোগ দাখিল কৰিব পাৰে—

(১) দ্ৰব্য বা সেৱা বিধৰ যিকোনো দোষ বা দুৰ্বলতা থাকিলে।
(২) নিম্নমানৰ সেৱা।
(৩) দ্ৰব্যবিধৰ পৰা হোৱা ক্ষতি (স্বাস্থ্য, জীৱন তথা সম্পত্তিৰ ক্ষেত্ৰত)
(৪) দ্ৰব্যবিধৰ পৰা হোৱা যিকোনো বিপদ।
(৫) বিজ্ঞাপনৰদ্বাৰা বিপথে পৰিচালিত কৰা।
(৬) আইন বিৰোধী কাম কৰা।
(৭) অনৈতিক বাণিজ্যনীতি অনুসৰণ কৰা ইত্যাদি।

গ্ৰাহকক ভুৱা সাজিবলৈ কৰা যিকোনো প্ৰচেষ্টাই দোষণীয়; সেয়ে গ্ৰাহকে নিজেই সচেতন হোৱাৰ লগতে অভিযোগ দাখিল কৰিবলৈ সৎ-সাহস গোটাব লাগিব। উল্লেখযোগ্য যে, ভাৰতবৰ্ষতেই পৃথিৱীৰ ভিতৰত গ্ৰাহকৰ সুৰক্ষাৰ বাবে আটাইতকৈ বেছি আইন প্ৰণয়ন কৰা হৈছে। তৎসত্ত্বেও, ইয়াতেই সৰ্বসাধাৰণ মানুহ আটাইতকৈ বেছি প্ৰতাৰিত হৈছে। খোৱা বস্তুৰ পৰা আৰম্ভ কৰি সোণ ক্ৰয় কৰালৈকে প্ৰত্যেকটো পণ্য সামগ্ৰীৰ ক্ষেত্ৰত এজন সচেতন গ্ৰাহক হিচাপে আমি মনত ৰখা উচিত যে আমি যেন কোনো কাৰণতেই সম্পদৰ অপচয় নকৰোঁ। নৱীকৰণ অথবা অনৱীকৰণযোগ্য সামগ্ৰী যিয়েই নহওক, যিমানখিনি আমাৰ বাবে প্ৰয়োজনীয়, সিমানখিনিয়েই ব্যৱহাৰ কৰা দৰকাৰ। পানী, ইন্ধন, বিদ্যুৎ ইত্যাদিৰ ক্ষেত্ৰত অপচয় কৰা মানে ভৱিষ্যতে আমাৰেই বিপদ। ঠিক তেনেদৰে নতুন দ্ৰব্য কিনাতকৈ যদি এটা ব্যৱহৃত দ্ৰব্য দীৰ্ঘদিন ব্যৱহাৰ কৰিব পৰা অৱস্থাত থাকে, তেনেহ'লে সেই দ্ৰব্যকে ব্যৱহাৰ কৰা উচিত। পৰিৱেশ দূষিত কৰিব নোৱৰা দ্ৰব্য ব্যৱহাৰ কৰাটোও এজন সুগ্ৰাহকৰ কৰ্তব্য। ইংৰাজীত ইয়াক 3Rs বুলি কোৱা হয়। অৰ্থাৎ Reduce, Reuse আৰু Recycle।

সেয়ে, সজাগ গ্ৰাহক হিচাপে আহক আমি সকলোৱে গুণগত মানদণ্ডৰ ওপৰত গুৰুত্ব দিও। মানদণ্ডৰ প্ৰতীক ব্যৱহৃত যেনে ISI, Agmark, FRO, Woolmark, Eco-mark, Hallmark এইবোৰ চাবলৈ সকলোৱে যত্নপৰ হওঁ। খাদ্য যাতে ভেজাল কৰিব নোৱাৰে, জোখ-মাপত যাতে আমাক ঠগিব নোৱাৰে তাৰবাবে আমি সতৰ্ক হওঁ। উপভোক্তা আইন ১৯৮৬ য়ে আমাৰ বাবে তিনিতৰপীয়া আইনী আদালতৰ ব্যৱস্থা কৰিছে। এই আদালত জিলা স্তৰ, ৰাজ্যিক স্তৰ তথা কেন্দ্ৰীয়ভাৱে বিশেষ সা-সুবিধাৰে তৈয়াৰ কৰা হৈছে। আমি যদি সচেতন নাগৰিক হিচাপে এই আদালতৰ ন্যায়িক সুবিধাসমূহ ল'বলৈ আগবাঢ়ি নাযাওঁ, তেন্তে প্ৰত্যেক ক্ষেত্ৰতে ঠগ খোৱাৰ প্ৰৱণতা বাঢ়িব। কি খাদ্য সামগ্ৰী, কি মোবাইল সেৱা অথবা কি পৰিবহন সেৱা সকলোতে পুঁজিবাদী অৰ্থনীতিয়ে সৰ্বসাধাৰণ ৰাইজক ক্ৰমে গ্ৰাস কৰিবলৈ আৰম্ভ কৰিছে। ৰঙীন বিজ্ঞাপনে চকুত চাট মাৰি ধৰাকৈ আমাক প্ৰলোভিত কৰিছে। বিজ্ঞাপনে প্ৰতাৰিত কৰা ব্যক্তি কেৱল অশিক্ষিত লোকসকলেই নহয়, শিক্ষিত ব্যক্তিসকলো ইয়াৰ ভিতৰত পৰে। ক'লাবজাৰে বস্তুৰ দাম হো-হোকৈ ওপৰলৈ তুলি লৈ গৈ আছে। বস্তুৰ দাম কেনেকৈ বাঢ়িছে, কিয় বাঢ়িছে, আমি জানিবলৈ চেষ্টাও নকৰোঁ। মূল উৎপত্তিস্থলত বস্তুৰ দাম যিমান হয়, তাতকৈ চাৰিগুণ দামত বজাৰৰ বস্তু বিক্ৰী হয়। মধ্যভোগী দালাল শ্ৰেণীৰ স্বাৰ্থৰ কথা জানিও সকলো নিমাত। আজি গুজৰাট বা পশ্চিমবঙ্গৰ দৰে ৰাজ্যত উপভোক্তা আইনখন যথেষ্ট কাৰ্যকৰী হৈছে। যিহেতু, তাৰ মানুহে যিকোনো ক্ষেত্ৰতে নিজৰ অধিকাৰ খৰ্ব হ'লে দলবদ্ধ হৈ মাত মাতে। আজি যদি নগৰীয়া অঞ্চলত 'পৌৰসভাই' নলা-নৰ্দমা, জাবৰ-জোঁথৰ পৰিষ্কাৰ কৰা নাই, লগে-লগে অভিযোগ কৰে। কাৰণ অভিযোগ কৰিবলৈ আমাৰ অধিকাৰ আছে, যিহেতু আমি সময়মতে কৰ-কাটল পৰিশোধ কৰি আহিছোঁ।

আজিৰ সকলোতকৈ প্ৰয়োজনীয় জানিবলগীয়া বিষয়বোৰৰ ভিতৰত অত্যন্ত সময়োপযোগী বিষয় হৈছে 'গ্ৰাহক সুৰক্ষা'। কোৱা হয়, মাতৃৰ গৰ্ভত থকাৰপৰা মৃত্যু পৰ্যন্ত মানুহে দ্ৰব্য বা সেৱা উপভোগ কৰে। সেয়ে ছাত্ৰ-ছাত্ৰীসকলক মূল পাঠ্যক্ৰমৰ লগত 'গ্ৰাহকৰ সজাগতা' সম্বন্ধে জ্ঞান দিব লাগে। কোনো ক্ষেত্ৰত যদি তেওঁলোক প্ৰতাৰিত হৈছে যুক্তিসহকাৰে মাত মাতিবলৈ শিকাব লাগে। এই শিক্ষাই তেওঁলোকক জীৱনভৰ শুদ্ধ সামগ্ৰী নিৰ্বাচন কৰাত তথা মুদ্ৰাৰ যথোচিত ব্যৱহাৰ সম্বন্ধে সজাগ কৰি ৰাখিব। ■

# পৰিৱেশ আৰু প্ৰাকৃতিক সম্পদ
# Environment and Natural Resources

পল্লৱী শইকীয়া, স্নাতক দ্বিতীয় যাণ্মাসিক (ৰাজনীতি বিজ্ঞান বিভাগ)

**আৰম্ভণি:** বৰ্তমান বিশ্ব ৰাজনীতিত পৰিৱেশ আৰু প্ৰাকৃতিক সম্পদ সম্পৰ্কীয় আলোচনা আৰু বিতৰ্কই গুৰুত্বপূৰ্ণ স্থান লাভ কৰিছে। বিশ্বায়নৰ প্ৰক্ৰিয়া ত্বৰান্বিত হোৱাৰ লগে লগে প্ৰাকৃতিক সম্পদত চহকী তৃতীয় বিশ্বৰ দেশ আৰু অঞ্চলসমূহৰ ওপৰত বহুজাতিক কোম্পানীসমূহে নিয়ন্ত্ৰণ সাব্যস্ত কৰিবলৈ চেষ্টা কৰাৰ ফলত বহুতো সংঘাত গা-কৰি উঠিছে। লেটিন আমেৰিকাৰ দেশ যেনে— ইকুৱেডৰ, বলিভিয়া, আৰ্জেণ্টিনা অথবা ভেনিজুৱেলাত প্ৰাকৃতিক সম্পদ ৰক্ষাৰ্থে যিবোৰ আন্দোলন গঢ়ি উঠিছে সেইবোৰে দেশীয় তথা আন্তৰ্জাতিক ৰাজনীতিত প্ৰভাৱ পেলোৱা দেখা গৈছে। উদ্যোগীকৰণে পৰিৱেশ, ভূ-মণ্ডলৰ উষ্ণতা তথা সাগৰীয়া জলপৃষ্ঠৰ ওপৰত পেলোৱা নেতিবাচক প্ৰভাৱ সীমিত কৰিবৰ বাবে ১৯৭০ৰ দশকৰপৰা আন্তৰ্জাতিক স্তৰত সন্মিলন গঢ়ি উঠিছে আৰু কেইবাখনো ঘোষণা পত্ৰ গ্ৰহণ কৰা হৈছে। প্ৰকৃতি আৰু পৰিৱেশৰ ওপৰত প্ৰধানতঃ নিৰ্ভৰশীল তৃতীয় বিশ্বৰ জনজাতীয় তথা থলুৱা লোকৰ জীৱন-জীৱিকাৰ ওপৰতো উদ্যোগীকৰণ কাৰ্যসূচীসমূহে বা বিকাশৰ অন্যান্য কাৰ্যসূচীয়ে পেলোৱা প্ৰভাৱৰ ফলত পৃথিৱীৰ বিভিন্ন ঠাইত পৰিৱেশ আন্দোলনে গা-কৰি উঠিছে। উদাহৰণস্বৰূপে— ভাৰতবৰ্ষৰ নৰ্মদা নদীৰ ওপৰত নিৰ্মীয়মান চৰ্দাৰ সৰোবৰ বান্ধ অথবা উত্তৰ-পূব ভাৰতত নিৰ্মীয়মান আৰু প্ৰস্তাৱিত শতাধিক বৃহৎ নদী বান্ধৰ বিৰুদ্ধে বহুতো আন্দোলন গঢ়ি উঠিছে।

পৰিৱেশ আৰু প্ৰাকৃতিক সম্পদক কেন্দ্ৰ কৰি বিতৰ্কৰ আলোচনাই প্ৰধানতঃ তলত দিয়া দিশসমূহৰ ওপৰত আলোকপাত কৰে।

(ক) সাম্প্ৰতিক বিশ্ব ৰাজনীতিত পৰিৱেশ আৰু প্ৰাকৃতিক সম্পদৰ ক্ৰমবৰ্ধিত গুৰুত্ব।
(খ) ১৯৬০ ৰ দশকৰ পৰা গঢ়ি উঠা পৰিৱেশ আন্দোলনসমূহৰ এক তুলনামূলক অধ্যয়ন।
(গ) জীৱন-জীৱিকাৰ উমৈহতীয়া সম্পদৰ প্ৰতি বাঢ়ি অহা প্ৰত্যাহ্বান।
(ঘ) বিগত সময়ছোৱাত আন্তৰ্জাতিক স্তৰত ভাৰতবৰ্ষই পৰিৱেশ সম্পৰ্কত গ্ৰহণ কৰা স্থিতি।
(ঙ) সম্পদকেন্দ্ৰিক ভৌগোলিক ৰাজনীতি আৰু পৰিৱেশ সম্পৰ্কত থলুৱা লোকৰ অভিমত।

**বিশ্ব ৰাজনীতিত পৰিৱেশকেন্দ্ৰিক চিন্তা-দুঃচিন্তা: (Environmental Concern in World Politics)**

যদিও আন্তৰ্জাতিক ৰাজনীতিত প্ৰধানতঃ যুদ্ধ তথা চুক্তি, ৰাষ্ট্ৰ ক্ষমতাৰ উত্থান-পতন, আন্তৰ্জাতিক ৰাজনীতিত বিভিন্ন দেশৰ মাজৰ দ্বিপাক্ষিক বা বহুপাক্ষিক সম্পৰ্ক আদিৰ বিষয়ে আলোকপাত কৰা হয়, তথাপি সম্প্ৰতি ইয়াৰ পৰিসৰ দ্ৰুত হাৰত বৃদ্ধি পাইছে। বৰ্তমানৰ সমস্যা দৰিদ্ৰতা, সংক্ৰামক ৰোগ দেশৰ ভৌগোলিক চাৰিসীমাৰ মাজত সীমাবদ্ধ হৈ নাথাকি ই আন্তৰ্জাতিক ৰাজনীতিৰ বিষয়-বস্তু হৈ পৰিছে। ১৯৯০-ৰ দশকৰ পৰা ত্বৰান্বিত হোৱা বিশ্বায়ন প্ৰক্ৰিয়াই দৰিদ্ৰতা, প্ৰদূষণ আদি বিষয়সমূহ অধিকভাৱে আন্তৰ্জাতিক পৰিষদলৈ ঠেলি দিয়া দেখা গৈছে। ইয়াৰ কিছুমান উদাহৰণ তলত আলোচনা কৰা হ'ল—

(১) গোটেই পৃথিৱী জুৰি উৎপাদনক্ষম ভূমিৰ পৰিমাণ খুব কম পৰিমাণে বৃদ্ধি পোৱাৰ বিপৰীতে তেনে ভূমিৰ উৰ্বৰ ক্ষমতা দ্ৰুত হাৰত হ্ৰাস পাইছে। চৰণীয়া পথাৰৰ দৰে মাছ উৎপাদনৰ আধাৰসমূহত অত্যধিক হেঁচা পৰাৰ ফলত ভূ-পৃষ্ঠৰ জলকে ধৰি পানী ধৰি ৰখা আধাৰসমূহ শুকাই গৈছে আৰু ফলত তাৰ প্ৰদূষণ ঘটিছে। খাদ্য উৎপাদনৰ ওপৰতো ই নেতিবাচক প্ৰভাৱ পেলাইছে।

(২) ২০০৬ তনৰ ৰাষ্ট্ৰসংঘৰ উন্নয়ন আঁচনিয়ে প্ৰকাশ কৰা মানৱ বিকাশ প্ৰতিবেদন অনুসৰি উন্নয়নশীল দেশসমূহকত ১.২ বিলিয়ন লোকৰ নিৰাপদ খোৱা পানীৰ ব্যৱস্থা নাই, ২.৬ বিলিয়ন লোকৰ উপযুক্ত শৌচাগাৰৰ ব্যৱস্থা নাই। ফলত ৩ (তিনি) মিলিয়নতকৈ অধিক শিশু বছৰি মৃত্যুমুখত পৰিছে।

(৩) পৃথিৱীৰ বায়ুমণ্ডলৰ ষ্ট্ৰেট'ফেয়াৰ স্তৰত ক্ৰমান্বয়ে অম্লজান গেছ কমি অহাৰ ফলত ই সমগ্ৰ জীৱজগত আৰু মানুহৰ স্বাস্থ্যৰ প্ৰতি আশংকা কঢ়িয়াই আনিছে।

(৪) বনাঞ্চলে জলবায়ু সুস্থিৰ কৰি ভূ-গৰ্ভৰ পানীৰ সমতুলতা বজাই ৰাখে আৰু পৃথিৱীৰ জীৱ-জন্তুক আশ্ৰয় দিয়ে। কিন্তু বৰ্তমান উন্নয়নমূলক কাম-কাজৰ ফলত বনাঞ্চল ধ্বংস কৰি পেলোৱাৰ লগতে অধিবাসীসকলক আন স্থানলৈ হস্তান্তৰ কৰা ব্যৱস্থাত জৈৱ বৈচিত্ৰ্যতাৰ অস্তিত্বৰ প্ৰতি ভাবুকিৰ সৃষ্টি কৰিছে।

১৯৭২ চনত 'ৰোম ক্লাব (Club of Rome) এ *উন্নয়নৰ সীমাবদ্ধতা* নামৰ এখন গ্ৰন্থ প্ৰকাশ কৰে। ইয়াত জনসংখ্যা বিস্ফোৰণৰ ফলত প্ৰাকৃতিক সম্পদ ক্ষতিশীল কৰাৰ সম্ভাৱনীয়তাৰ বিষয়ে উল্লেখ কৰাৰ উপৰিও 'ৰাষ্ট্ৰসংঘৰ পৰিৱেশ আঁচনি' আদিৰ দৰে আন্তৰ্জাতিক সংস্থাসমূহে বিভিন্ন আন্তঃৰাষ্ট্ৰীয় সন্মিলন অনুষ্ঠিত কৰাৰ লগতে পৰিৱেশ সম্পৰ্কীয় সমস্যাসমূহ সমাধানৰ বাবে ৰাষ্ট্ৰসমূহৰ সহযোগিতা আৰু সঁহাৰিৰ ওপৰত গুৰুত্ব দিছে। তেতিয়াৰ পৰাই বিশ্ব ৰাজনীতিত পৰিৱেশে বিশেষ গুৰুত্ব লাভ কৰে।

বৰ্তমান সময়ত বিশ্ব ৰাজনীতিত পৰিৱেশ সম্পৰ্কীয় চিন্তা-চৰ্চাই যথেষ্ট গুৰুত্ব লাভ কৰিছে। ইয়াৰ প্ৰথম সূত্ৰপাত ঘটে ১৯৯২ চনৰ জুন মাহত ব্ৰাজিলৰ ৰিঅ' দি জেনেইৰ্ৰত (Rio de Janairo)ত ৰাষ্ট্ৰসংঘই অনুষ্ঠিত কৰা পৰিৱেশ আৰু উন্নয়ন সম্পৰ্কীয় সন্মিলনত, যাক ভূমি সন্মিলন (Earth Summit) হিচাপেও জনা যায় আৰু বিশ্বৰ ১৭০ খন ৰাষ্ট্ৰ আৰু কেইবাহাজাৰ বে-চৰকাৰী সংস্থাৰ লগতে বহুতো বহুজাতিক কোম্পানীয়ে এই সন্মিলনত অংশ গ্ৰহণ কৰে। ১৯৮৭ চনত প্ৰকাশ পোৱা 'আমাৰ উমৈহতীয়া ভৱিষ্যত' (Our Common Future) শীৰ্ষক ব্ৰানডটলেণ্ড প্ৰতিবেদনত (Vrundtland Report) সকলো ৰাষ্ট্ৰকে ভৱিষ্যত ঔদ্যোগিক বিকাশৰ বাবে অনাগত দিনত অৰ্থনৈতিক উন্নয়নৰ পৰম্পৰাগত পদ্ধতিসমূহ গ্ৰহণযোগ্য নহ'ব আৰু বিশ্বৰ দক্ষিণৰ ৰাষ্ট্ৰসমূহে এই বিষয়ত বিশেষ গুৰুত্ব প্ৰদান কৰিব বুলি সঁকিয়াই দিয়ে। সেয়েহে ৰিঅ' সন্মিলনত বিশ্বৰ উত্তৰাঞ্চল (Global North) হিচাপে পৰিচিত বিশ্বৰ ধনী আৰু উন্নত দেশসমূহৰ মতামতৰ লগত বিশ্বৰ দক্ষিণাঞ্চল (Global South) হিচাপে পৰিচিত তৃতীয় বিশ্বৰ দুখীয়া আৰু উন্নয়নশীল দেশসমূহৰ মতানৈক্যৰ সৃষ্টি হয়। বিশ্বৰ উত্তৰাঞ্চলৰ ৰাষ্ট্ৰসমূহে অজন ক্ষয়কৰণ আৰু গোলকীয় উষ্ণতা বৃদ্ধিৰ ওপৰত গুৰুত্ব দিয়াৰ বিপৰীতে বিশ্বৰ দক্ষিণাঞ্চলৰ ৰাষ্ট্ৰসমূহে অৰ্থনৈতিক উন্নয়ন আৰু পৰিৱেশৰ ভাৰসাম্যতাৰ প্ৰশ্নটো গভীৰভাৱে আলোচনা কৰাৰ ওপৰত গুৰুত্ব দিছিল।

ৰিঅ' সন্মিলনত জলবায়ু পৰিৱৰ্তন, বনানীকৰণ, জৈৱ বৈচিত্ৰ্য আদি বিভিন্ন বিষয়ত প্ৰতিনিধি সভা অনুষ্ঠিত হয় আৰু সন্মিলনৰ শেষত উন্নয়নৰ ২১ দফীয়া (Agenda 21) কাৰ্যসূচী গ্ৰহণ কৰা হয়। কিন্তু এই কাৰ্যসূচীত কিছুমান বিতৰ্কিত সমস্যা অমীমাংসিতভাৱে ৰৈ যায় যদিও অৰ্থনৈতিক উন্নয়নৰ লগতে জীৱজগতৰ প্ৰতি থকা দায়বদ্ধতাৰ ক্ষেত্ৰত ৰাষ্ট্ৰসমূহ ঐক্যমতত উপনীত হয়। অৰ্থাৎ অৰ্থনৈতিক বিকাশৰ ক্ষেত্ৰত ভৱিষ্যত প্ৰজন্মৰ প্ৰতি থকা দায়বদ্ধতাৰ ওপৰত যথেষ্ট গুৰুত্ব দিয়া হয়। ইয়াক 'বহনক্ষম উন্নয়ন' (Sustainable development) বুলি কোৱা হয়। কিন্তু এনে উন্নয়ন কেনেদৰে সম্ভৱ হ'ব এই লৈ সমস্যাৰ সৃষ্টি হয়। কিছু সমালোচকৰ মতে ৰিঅ' সন্মিলনৰ ২১ দফীয়া কাৰ্যসূচীয়ে পৰিৱেশতন্ত্ৰৰ সংৰক্ষণতকৈ অৰ্থনৈতিক বিকাশৰ ওপৰতহে অধিক গুৰুত্ব দিয়া পৰিলক্ষিত হয়।

**পৰিৱেশ সম্পৰ্কীয় প্ৰশ্নসমূহত ভাৰতবৰ্ষৰ স্থিতি: (India's Stand on Enviornment Issues):**

বিশ্বৰ আগশাৰীৰ উন্নয়নশীল দেশসমূহৰ ভিতৰত ভাৰতবৰ্ষ অন্যতম। ভাৰতবৰ্ষই ২০০২ চনৰ আগষ্ট মাহত কিঅ'ট' প্ৰট'কলত অনুমোদন আৰু স্বাক্ষৰ দান কৰে। উল্লেখযোগ্য যে ১৯৯৭ চনত কিঅ'ট' প্ৰট'কলত স্বাক্ষৰ কৰাৰ সময়ত ভাৰতবৰ্ষ আৰু চীনকে আদি কৰি উন্নয়নশীল দেশসমূহক ইয়াৰ পৰা ৰেহাই দিয়া হৈছিল। কাৰণ গোলকীয় উষ্ণতা বৃদ্ধি, জলবায়ু পৰিৱৰ্তন আদি সমস্যাসমূহৰ কাৰণ হিচাপে চিহ্নিত সেউজ গৃহৰ ভাপ নিৰ্গমণ প্ৰক্ৰিয়াত এই দেশসমূহৰ অৰিহণা তেনেই নগণ্য বুলি বিবেচিত হয়। তথাপিও কিঅ'ট' প্ৰট'কলত বহু সমালোচকে এইবুলি মন্তব্য আগবঢ়াইছিল যে খুব সোনকালেই নাইবা পলমকৈ হ'লেও এই উন্নয়নশীল দেশসমূহেও গৃহৰ পৰিমাণ বৃদ্ধি কৰাত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব। আনহাতে ২০০৫ চনৰ জুন মাহত অনুষ্ঠিত হোৱা G-৮ ৰ সভাত ভাৰতবৰ্ষই কয় যে উন্নত দেশসমূহৰ তুলনাত উন্নয়নশীল দেশসমূহৰপৰা এনে নিৰ্গমণৰ হাৰ অতি নগন্য। উমৈহতীয়া অথচ পৃথক দায়বদ্ধতা নীতিৰ ওপৰত ভিত্তি কৰি ভাৰতবৰ্ষই মত পোষণ কৰে যে যিহেতু বহু বছৰ ধৰি উন্নত দেশসমূহৰ ঔদ্যোগিক কাম-কাজে এই নিৰ্গমণ সংঘটিত কৰি আহিছে, সেয়েহে বৰ্তমান ইয়াক নিয়ন্ত্ৰণ কৰাৰ বাবে উন্নত দেশসমূহে মুখ্য ভূমিকা গ্ৰহণ কৰা উচিত।

ভাৰতবৰ্ষ বহু পৰিমাণে ৰাষ্ট্ৰসংঘৰ জলবায়ু পৰিৱৰ্তনৰ আধাৰ সভাৰ নীতিসমূহৰ ওপৰত নিৰ্ভৰশীল। এই নীতি অনুসৰি সেউজ গৃহৰ ভাপ নিৰ্গমণ প্ৰক্ৰিয়াত উন্নত দেশসমূহ মূলতঃ জগৰীয়া। বৰ্তমান সময়ত উন্নয়নশীল দেশসমূহৰ বাবে অৰ্থনৈতিক আৰু সামাজিক উন্নয়ন বেছি গুৰুত্বপূৰ্ণ। ২০০০ চনত বিশ্বৰ নিৰ্গমনৰ গড়মূৰি পৰিমাণ আছিল ৩.৮ টন। ভাৰতবৰ্ষত ইয়াৰ পৰিমাণ আছিল ০.৯ টন। কিন্তু ২০৩০ ভিতৰত ভাৰতত ইয়াৰ পৰিমাণ ১.৬ টনলৈ বৃদ্ধি হোৱাৰ সম্ভাৱনা আছে।

পৰিৱেশ সংৰক্ষণৰ বাবে ভাৰতবৰ্ষই গ্ৰহণ কৰা পদক্ষেপসমূহ হ'ল ভাৰতবৰ্ষৰ নেশ্যনেল অ'টো ফুৱেল পলিচি (National Auto Fueal Policy) এ যান-বাহনসমূহক বাধ্যতামূলকভাৱে পৰিষ্কাৰ ইন্ধন ব্যৱহাৰ কৰিবৰ বাবে আদেশ জাৰি কৰিছে। ইয়াৰ উপৰি ২০০১ চনত অনুমোদিত হোৱা শক্তি সঞ্চয় আইন (Energy Conservation Act)ৰ আধাৰত শক্তি কাৰ্যদক্ষতা বৃদ্ধি কৰিবৰ বাবে বিভিন্ন পদক্ষেপ হাতত লৈছে। ২০০৩ চনৰ বিদ্যুৎ আইনৰ জৰিয়তে নৱীকৰণযোগ্য শক্তি ব্যৱহাৰৰ ওপৰত গুৰুত্ব দিয়া হৈছে। শেহতীয়াকৈ প্ৰাকৃতিক গেছ আমদানিকৰণ আৰু পৰিষ্কাৰ কয়লা প্ৰযুক্তিবিদ্যাৰ ব্যৱহাৰৰ ওপৰত ভাৰতবৰ্ষই যি ব্যৱস্থা হাতত লৈছে, ই দেশখনৰ পৰিৱেশ সম্পৰ্কীয় সচেতনতাক বুজাইছে। ইয়াৰোপৰি, বৰ্তমান চৰকাৰে

'ৰাষ্ট্ৰীয় জৈৱ ইন্ধন অভিযান (Normal Mission on Bio-Dicel) ৰূপায়ণ কৰাৰ প্ৰচেষ্টা হাতত লৈছে। ২০১১-১২ ৰ ভিতৰত ১১ মিলিয়ন হেক্টৰ ভূমি ব্যৱহাৰৰ জৈৱ ইন্ধন উৎপাদন কৰিবলৈ সক্ষম হ'ব বুলি আশা কৰা হৈছে।

পৰিৱেশৰ ক্ষেত্ৰত ভাৰতবৰ্ষই গ্ৰহণ কৰা আন এটা উল্লেখযোগ্য পদক্ষেপ হৈছে ৰিঅ' সন্মিলনৰ চুক্তি পত্ৰৰ কাৰ্যকৰীকৰণৰ পুনৰীক্ষণৰ বাবে ১৯৯৭ চনত গ্ৰহণ কৰা পদক্ষেপ। পুনৰীক্ষণৰ অন্তত ভাৰতবৰ্ষই এইবুলি মত প্ৰকাশ কৰিছিল যে উন্নত দেশসমূহৰ পৰা উন্নয়নশীল দেশসমূহলৈ নতুনকৈ ওপৰঞ্চিভাৱে কোনো বিত্তীয় সম্পদ আৰু পৰিৱেশৰ কোনো ক্ষতি সাধন নকৰাকৈ প্ৰযুক্তিবিদ্যা হস্তান্তৰ কৰা হোৱা নাই। সেয়েহে ৰাষ্ট্ৰসংঘৰ জলবায়ু পৰিৱৰ্তনৰ আধাৰ সভাৰ চুক্তিসমূহ কাৰ্যকৰী হ'ব পৰাকৈ উন্নত দেশসমূহে তাৎক্ষণিকভাৱে উন্নয়নশীল দেশসমূহৰ বিত্তীয় সাহায্য আৰু নিকা প্ৰযুক্তিবিদ্যাৰে সহায় কৰা প্ৰয়োজন। তাৰোপৰি ভাৰতবৰ্ষই মত পোষণ কৰিছিল যে ছাৰ্ক (Saarc)ৰ অন্তৰ্গত সকলো সদস্যই পৰিৱেশ সম্পৰ্কীয় বিষয়ত আন্তৰ্জাতিক স্তৰত উমৈহতীয়া স্থিতিৰে কাম কৰা প্ৰয়োজন। ■

**সহায়ক গ্ৰন্থ:**
শ্ৰীআদ্যনাথ চক্ৰৱৰ্তী, ড° কৃপেশ চন্দ্ৰ পাল, অধ্যাপক প্ৰতুল চন্দ্ৰ নায়ক, ড° অখিল ৰঞ্জন দত্ত: *সাম্প্ৰতিক কালৰ বিশ্ব ৰাজনীতি*।

চিৰকাল সভ্য মানুহে নিৰাপত্তা, স্বাচ্ছন্দ্য আৰু জ্ঞান-তৃষ্ণা নিবৃত্তিৰ আশাত সমুখৰ ফালে আগুৱাই যাবলৈ বিচাৰিছে— মানৱ সমাজৰ বিৱৰ্তনৰ ইতিহাস তাৰ সাক্ষী। ক্ৰমাগতভাৱে বিভিন্ন ধাৰাৰ ৰাষ্ট্ৰনীতি আৰু ৰাজনৈতিক মতাদৰ্শক কেন্দ্ৰ কৰি দেশে দেশে নানা পৰীক্ষা-নিৰীক্ষা, উত্থান-পতন হৈছে। কল্যাণকামী বিশ্ববাসীয়ে আজিকোপতি কোনো স্থিতাৱস্থা বিচাৰি পোৱা নাই। পিছে বিংশ শতিকাৰ দ্বিতীয়াৰ্ধ জুৰি গোটেই বিশ্বৰ ৰাজনৈতিক অস্থিৰতা আৰু যোৱা দশকত ৰাষ্ট্ৰব্যৱস্থাৰ বিপৰ্যয়ে মানুহক নতুন যি উপলব্ধিৰ ফালে চকু দিয়াইছে সেইটো হৈছে বিজ্ঞান মনস্কতা আৰু বৈজ্ঞানিক দৰ্শন। আজি এই কথা বহুতে উপলব্ধি কৰিছে যে সামাজিক আৰু ৰাষ্ট্ৰীয় উন্নয়ন ঘটাবলৈ হ'লে, সামগ্ৰিকভাৱে মানৱকল্যাণৰ স্বপ্ন পূৰাবলৈ হ'লে, মানুহৰ মৌলিক মুক্তি-চাহিদাক ন্যূনতম সম্পূৰ্ণতা দিবলৈ হ'লে ব্যাপক মানুহৰ বৈজ্ঞানিক দৃষ্টিভংগী (Scientific temper) গঢ়ি তোলা একান্ত কৰ্তব্য। কিয়নো একমাত্ৰ বিজ্ঞানেই কোনো দেশ-জাতি-সম্প্ৰদায়-বৰ্ণ-গোষ্ঠী নেমানে। একমাত্ৰ বিজ্ঞানেই কোনো নিৰ্দিষ্ট লক্ষ্য আগতীয়াকৈ স্থিৰ কৰি নাৰাখে; একমাত্ৰ বিজ্ঞানেই কোনো পৰম-গুৰু, পৰিত্ৰাতা, 'অৰ্থৰিটি' বা 'বেদবাক্য'ৰদ্বাৰা পৰিচালিত নহয়। সেয়ে যোৱা দুটি দশক ধৰি নতুন বিশ্বৰ সমাজ-চিন্তাত 'বিজ্ঞানমনস্কতা' সমাজ গঢ়াৰ এক শক্তিশালী আহিলাৰূপে পৰিচিত হ'বলৈ ধৰিছে। পাশ্চাত্য দেশৰ গ্ৰীণ পাৰ্টি আন্দোলন আৰু আমাৰ দেশৰ যুক্তিবাদী গণবিজ্ঞান আন্দোলন (তুলনাত ক্ষীণ শক্তিসম্পন্ন যদিও,) সাম্প্ৰতিক এই উপলব্ধিৰেই ফল।

— ড° অশোক বন্দোপাধ্যায়



# পৰিৰেশ আৰু পৰিৰেশ প্ৰদূষণ

ৰশ্মিৰেখা ফুকন, উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ

**পৰিৱেশ:** 'পৰিৱেশ' শব্দটোৰ সাধাৰণ অৰ্থ বুলিলে আমি আমাৰ চৌপাশৰ সমাজ আৰু সেই সমাজত বসবাসকাৰী মানুহখিনিকে বুজোঁ। কিন্তু বিজ্ঞানীসকলে পৰিৱেশ শব্দটোক বহল অৰ্থত ব্যৱহাৰ কৰিছে। বিজ্ঞানীসকলৰ ভাষাত পৰিৱেশ হ'ল প্ৰধানতঃ পাঁচটা উপাদানৰ উপযুক্ত সমন্বয়। এই পাঁচটা উপাদান হ'ল— মাটি, পানী, বায়ু, উদ্ভিদ আৰু প্ৰাণী; অৰ্থাৎ কেৱল জীৱজগতেই নহয়, জীৱজগতক আৱৰি যি সামগ্ৰিক প্ৰকৃতি আছে সেয়াই হ'ল আমাৰ পৰিৱেশ। পৰিৱেশৰ বিভিন্ন উপাদানসমূহ পৰস্পৰৰ ওপৰত নিৰ্ভৰশীল। অৰ্থাৎ এটা নাথাকিলে আনটো থাকিব নোৱাৰে। এই নিৰ্ভৰশীলতাই মানুহ আৰু প্ৰকৃতিৰ মাজত এক সমতাৰ সৃষ্টি কৰে, যিটো জীৱনধাৰণৰ বাবে অতি প্ৰয়োজনীয়। থোৰতে কেইটামান প্ৰদূষণৰ বিষয়ে উনুকিওৱা হ'ল—

**পৰিৱেশ প্ৰদূষণ:** কেতিয়াবা কোনো অনিষ্টকাৰী পদাৰ্থ আমাৰ চৌপাশে থকা মাটি, পানী আৰু বায়ুত প্ৰৱেশ কৰি এইবোৰৰ স্বাভাৱিক বৈশিষ্ট্যবোৰ (মাটিত থকা খনিজ পদাৰ্থ, বেক্টেৰিয়া, কেঁচু আদি অনেক সৰু সৰু জীৱ, পানীত থকা অক্সিজেন, হাইড্ৰোজেন আৰু বায়ুত থকা অক্সিজেন, হাইড্ৰোজেন, কাৰ্বন-ডাই-অক্সাইড আদি) নষ্ট কৰে। তাৰ ফলত বায়ু, পানী, মাটি জীৱ-জগতৰ ব্যৱহাৰৰ অনুপযোগী হৈ পৰে আৰু জীৱ-জগতৰ ক্ষতি সাধন হয়। পৰিৱেশ এনেদৰে দূষিত হোৱা ঘটনাই হ'ল প্ৰদূষণ বা পৰিৱেশ দূষিতকৰণ (Pollution)। প্ৰদূষণ সৃষ্টি কৰা পদাৰ্থবোৰক প্ৰদূষণ বোলা হয়।

**বায়ু প্ৰদূষণ:** যিদিনাই আদিম মানুহে শিলে শিলে ঘঁহনি খুৱাই জুইৰ আৱিষ্কাৰ কৰিছিল, সেইদিনাৰ পৰাই বতাহ দূষিত



হৈ আহিছে। শক্তি উৎপাদন কেন্দ্ৰ, গাড়ী-মটৰৰ ধোঁৱা, উদ্যোগ, কাৰখানা, উৰাজাহাজ, পেলনীয়া আৱৰ্জনা আদিৰ পৰাই ঘাইকৈ বায়ু দূষিত হয়। সকলোবোৰ দূষিতকৰণৰ ভিতৰত বায়ুৰ পৰা হোৱা দূষিতকৰণেই আটাইতকৈ বেছি আৰু ভয়াৱহ। বায়ুৰ পৰা হোৱা দূষিতকৰণৰ বহু কুফল আছে। প্ৰতিবাৰত আমাৰ উশাহত গড়ে প্ৰায় যাঠি হেজাৰ ধূলিকণা নাকেৰে শৰীৰৰ ভিতৰলৈ সোমায়। তাৰ শতকৰা 0.2 ভাগ হাওঁফাওঁ পায়গৈ। বায়ু দূষিত হ'লে এনে দূষিত বায়ুও আমাৰ হাওঁফাওঁ পায়গৈ। পৰিমাণত কম হ'লেও প্ৰদূষিত বায়ুত উশাহ ল'লে এয়াই আমাৰ বাবে যথেষ্ট ক্ষতিকাৰক হ'ব পাৰে। বায়ু প্ৰদূষণে আমাৰ শৰীৰৰ ক্ষতি সাধন কৰাৰ উপৰি প্ৰস্তৰ মূৰ্তি, কংক্ৰিট, ইটা, ৰঙীণ চিত্ৰ আদিও নষ্ট কৰে।

**জল প্ৰদূষণ:** পানী দূষিত কৰা পদাৰ্থসমূহ ঘাইকৈ উদ্যোগ, কৃষি পাম আৰু পেলনীয়া আৱৰ্জনাৰ পৰা আহে। ঘৰুৱা পেলনীয়া বস্তু, সংক্ৰামক ৰোগৰ বীজাণু, কীটনাশক, তৃণনাশক আদি দ্ৰব্য, গা-কাপোৰ আদি ধোৱা চাবোন, বাচন-বৰ্তন চাফা কৰা পাউডাৰ, বিভিন্ন প্ৰকাৰৰ ৰাসায়নিক পদাৰ্থ আদিয়েই পানী দূষিত কৰণৰ মূল কাৰণ। পানী দূষিত হোৱাৰ ফলত মানুহৰ শৰীৰৰ যথেষ্ট অনিষ্ট হোৱাৰ লগতে পানীত থকা মাছ-কাছ আদি জলচৰ জীৱ-জন্তুৰো ক্ষতি হয়। পানীত হোৱা এই প্ৰদূষণৰ কাৰণেই বিভিন্ন জলচৰ পানীৰ সংখ্যা দিনে দিনে কমি আহিছে।

**পেলনীয়া আৱৰ্জনাৰ পৰা হোৱা প্ৰদূষণ:** ঘৰুৱা জাৱৰ-জোঁথৰবোৰক আৰম্ভ কৰি প্লাষ্টিকৰ বিভিন্ন বস্তু, কাঁচৰ বটল, পলিথিনৰ পেকেট, নাইলনৰ বস্তু, কাগজ, চামৰা, গাড়ীৰ টায়াৰ আৰু আন ভগা-ছিগা অংশ আৰু আন বিভিন্ন পেলনীয়া বস্তু সাধাৰণতে মাটিত দ'মাই থোৱা হয়। পুৰি পেলোৱা হয় নতুবা ৰাস্তাৰ দাঁতিত, পথাৰত আৰু পানীত পেলোৱা হয়। ফলত এক অস্বাস্থ্যকৰ পৰিৱেশৰ সৃষ্টি হয়। জাৱৰ-জোঁথৰে বায়ু দূষিত কৰে। মাটিত দ'মাই থোৱা বস্তুবোৰ গেলি-পচি নানা পোক-পৰুৱা, পঁইতাচোৰা, ম'হ, মাখি, এন্দুৰ, নিগনি আদি অনিষ্টকাৰী জীৱৰ বৃদ্ধিত সহায় কৰে। এই আৱৰ্জনাবোৰে পানীও দূষিত কৰে।

আমি প্ৰত্যেকেই এই সৃষ্টিৰ প্ৰতি দায়িত্বশীল হ'ব লাগে। ছাত্ৰ জীৱনত অকল পাঠ্যপুথিৰ জ্ঞান অৰ্জন কৰি পৰীক্ষাত নম্বৰ গোটোৱাই উদ্দেশ্য হ'ব নালাগে। আমি আমাৰ চৌপাশৰ পৰিৱেশ যাতে প্ৰদূষিত নহয় তাৰবাবে সচেতন হ'ব লাগিব। তেতিয়াহে সৃষ্টি বৰ্তি থাকিব। ■

# নাৰীৰ ভূষণ অলঙ্কাৰ

অনামিকা শৰ্মা, উচ্চতৰ মাধ্যমিক, দ্বিতীয় বৰ্ষ

অলঙ্কাৰ অথবা গহনা অবিহনে এগৰাকী নাৰীৰ সৌন্দৰ্য সম্পূৰ্ণ হ'ব নোৱাৰে। অলঙ্কাৰে নাৰীৰ সৌন্দৰ্যক অধিক মোহনীয় কৰি তুলিব পাৰে। প্ৰাচীনকালৰে পৰা নাৰীসকলে সোণ, ৰূপ, হীৰা আৰু বিভিন্ন মণি-মুকুতাৰে তৈয়াৰী অলঙ্কাৰ সৌন্দৰ্য চৰ্চাৰ বাবে ব্যৱহাৰ কৰি আহিছে। নাৰী এগৰাকীক ভৰিত পিন্ধা নূপুৰে, হাতৰ খাৰু কেইপাতে, আঙুলিৰ বাখৰ খটোৱা আঙুঠিবোৰে, কাণ-নাকৰ ফুলিয়ে, কপালৰ কপালিডালে অধিক সুন্দৰী কৰি তোলে। লগতে এগৰাকী নাৰীৰ সৌন্দৰ্য পিয়াসী মন, ৰুচিবোধ আৰু আৰ্থিক তথা সামাজিক অৱস্থানৰো পৰিচয় দিয়ে।



অলঙ্কাৰৰ ঐতিহ্য আছে, আছে ইতিহাস আৰু পৰিচয়। পূৰ্ণ পৰ্যায়ৰ গহনা অথবা অলঙ্কাৰৰ নমুনা পোনপ্ৰথমে মিছৰত পোৱা গৈছিল। মিছৰৰ পিৰামিডত সজ্জিত তথা সংৰক্ষিত অনেক উচ্চ-মানদণ্ডৰ অলঙ্কাৰ উদ্ধাৰ হৈছে। আনহাতে ঊনৈছ শতিকাৰ শেষৰফালে ফেশ্বনৰ দেশ ফ্ৰান্সে আধুনিক অলঙ্কাৰ-জগতৰ নেতৃত্ব বহন কৰিবলৈ সক্ষম হৈছে। ভাৰতীয় অলঙ্কাৰ অতি পুৰণি। ভাৰতৰ বিভিন্ন অঞ্চলত পুৰাতাত্ত্বিক খনন কাৰ্য চলাই প্ৰাক্-ঐতিহাসিক যুগৰ পুৰুষ-মহিলাই পৰিধান কৰা অনেক অলঙ্কাৰ উদ্ধাৰ কৰা হৈছে। মহেঞ্জোদাৰো, হৰপ্পা আৰু তক্ষশীলাত আৱিষ্কৃত বিভিন্ন অলঙ্কাৰে ভাৰতীয় অলঙ্কাৰৰ ঐতিহাসিক বিশিষ্টতাৰ চানেকি দাঙি ধৰিছে। প্ৰাচীন মঠ-মন্দিৰৰ গাত খোদিত মূৰ্তিবোৰৰ গাত অনেক প্ৰাচীন অলঙ্কাৰ পৰিলক্ষিত হৈছে।

বিবাহিত জীৱনত মৰ্যাদা বজাই ৰাখিবলৈ ভাৰতবৰ্ষৰ নাৰীয়ে অতীজৰেপৰা বিভিন্ন ধৰণৰ অলঙ্কাৰ পৰিধান কৰিছিল। এগৰাকী মহিলাই অকল সৌন্দৰ্য বৰ্দ্ধনৰ খাতিৰতহে যে অলঙ্কাৰসমূহ পৰিধান কৰে এনে নহয়, এগৰাকী নাৰীয়ে মূৰৰপৰা ভৰিলৈকে পিন্ধা অলঙ্কাৰসমূহে সৌন্দৰ্যৰ লগতে বিবাহৰ স্থিতি তথা সমাজত প্ৰচলিত পৰম্পৰাসমূহো যিমান দূৰ পাৰি ৰক্ষা কৰিবলৈ চেষ্টা কৰে। সেয়ে অলঙ্কাৰে সামাজিক পৰম্পৰা ৰক্ষাতো বিশেষ ভূমিকা পালন কৰে। কিন্তু আজি-কালিৰ নাৰীয়ে সেই পৰম্পৰাগত ভূষণ পৰিধান নকৰে। বৰ্তমান ফেশ্বনৰ যুগত বিজ্ঞানৰ আৱিষ্কৃত নানাতৰহৰ বস্তুৱে মানুহক ফেশ্বনেব'ল কৰি তোলাৰ ফলতেই মহিলাসকলৰো পৰম্পৰাগত গহনাৰ প্ৰতি আকৰ্ষণ কমি আহিছে। বজাৰত পোৱা নানা তৰহৰ ফেশ্বনেৱল আৰু readymade বস্তুৱে তেওঁলোকক আকৰ্ষিত কৰাৰ কাৰণে নিজৰ জাতীয় গহনা-গাঁঠৰি অথবা নিজা সংস্কৃতিৰ প্ৰতি তেওঁলোকৰ আদৰ আৰু আকৰ্ষণ কমাই পেলাইছে। ফলত জাতীয় মৰ্যাদা ধ্বংসৰ গৰাহলৈ গৈছে।

সেয়াই নহয় আনকি আজিকালি ফেশ্বনৰ নামত তেওঁলোকে পৰিধান কৰা কাপোৰসমূহ পশ্চিমীয়া দেশৰ মানুহৰ দৰে পিন্ধিবলৈ লৈছে। ফলত প্ৰায় চুটি লিপিটখাই থকা অৰ্ধ নগ্ন পোছাক-পৰিচ্ছদ আৰু ফেশ্বনৰ নামত অদ্ভুত অলঙ্কাৰেৰে ভূষিত নাৰী দিনে দিনে সুন্দৰীৰ নামত অসুন্দৰী আৰু শ্ৰীহীন হৈ যাবলৈ ধৰিছে। ই আমাৰ সংস্কৃতিৰ অৱক্ষয়ৰ পৰিচায়ক। এনেবোৰ কাৰ্য ৰোধ কৰিবৰ বাবে নাৰীসমাজৰ সজাগতাৰ অত্যন্ত আৱশ্যক। কাৰণ এটা জাতিৰ মৰ্যাদা আৰু জাতীয় চেতনা তথা সংস্কৃতি ৰক্ষা কৰাত এগৰাকী নাৰীয়েহে মুখ্য ভূমিকা পালন কৰে। গতিকে, এক কথাত ক'ব পাৰি নাৰীয়েই হৈছে সমাজ, জাতি তথা দেশৰ সংস্কৃতিৰ বাহক।

দৈহিক সৌন্দৰ্য, মান-মৰ্যাদা, পৱিত্ৰতা আদি জাতীয় বৈশিষ্ট্য ৰক্ষা কৰি চলিবৰ বাবে নাৰীক পৰম্পৰাগত অলঙ্কাৰ লাগিবই। অলঙ্কাৰে নাৰীৰ দৈহিক সৌন্দৰ্য বৃদ্ধি কৰাৰ উপৰি দিয়ে ব্যক্তিত্ব। সেয়েহে, সততে কোৱা হয় অলঙ্কাৰ নাৰীৰ শ্ৰেষ্ঠ ভূষণ। অলঙ্কাৰ অথবা গহনা অবিহনে এগৰাকী নাৰীৰ সৌন্দৰ্য কেতিয়াও পৰিপূৰ্ণভাৱে প্ৰকাশ হ'ব নোৱাৰে। ■



# ইনফৰ্‌মেশ্বন টেক্‌ন'লজিয়ে সলনি নকৰে গ্ৰন্থৰ শৰীৰ

দিব্যজ্যোতি শইকীয়া, সহযোগী অধ্যাপিকা, ভূগোল বিভাগ

মানুহে পৃথিৱীত অন্য প্ৰাণীৰ তুলনাত শ্ৰেষ্ঠত্ব সাব্যস্ত কৰাৰ প্ৰথম আৰু প্ৰধান শক্তি হ'ল মানুহৰ অনুভূতি প্ৰকাশৰ ক্ষমতা। মনৰ অনুভূতি, আনন্দ, হতাশা, ক্ৰোধ, প্ৰেম আৰু উত্তেজনা আটাইবোৰ প্ৰকাশৰ বাবেই মানুহে এদিন আৱিষ্কাৰ কৰিছিল শব্দৰ। শব্দৰ আৱিষ্কাৰৰ পাছত জুই, চকৰি আৰু ঈশ্বৰৰ আৱিষ্কাৰ কৰি মানুহে এদিন আৰম্ভ কৰিছিল সভ্যতা আৰু সংস্কৃতিৰ জয়যাত্ৰা। সভ্যতাৰ এই জয়যাত্ৰাৰ উষালগ্নৰপৰাই মানুহে আৰম্ভ কৰিছিল অভিজ্ঞতা প্ৰকাশৰ ইতিহাস। যি দেখিছিল, যি শুনিছিল বা যেনে ধৰণৰ অভিজ্ঞতা লাভ কৰিছিল তাক জনোৱাৰ স্বাভাৱিক প্ৰকৃতিৰপৰাই মানুহে প্ৰাক্ ঐতিহাসিক যুগৰপৰাই পাৰস্পৰিকভাৱে যোগাযোগ কৰাৰ বা জনোৱাৰ অভ্যাস কৰে। এনেকৈ আদিম মানৱে চিকাৰৰ পশু-পক্ষীৰ সন্ধান আনক দিয়াৰ উদ্দেশ্যে এদিন গুহাৰ বেৰত কেতবোৰ সাঙ্কেতিক চিত্ৰ অঙ্কন কৰিছিল। এনেদৰেই আৰম্ভ হৈছিল মানুহৰ স্ব-উপাৰ্জিত জ্ঞান ৰক্ষণ আৰু বিতৰণৰ প্ৰথম প্ৰচেষ্টা। এই কল্যাণকৰ প্ৰচেষ্টাৰে অগ্ৰগামী মানুহে উত্তৰণৰ বাট কাটি ক্ৰমশঃ আৱিষ্কাৰ কৰি ল'লে বিভিন্ন লেখন সামগ্ৰীৰ। মেচোপটেমীয়াবাসীয়ে মাটিৰ সাঁচ মাৰি তৈয়াৰ কৰা সাঙ্কেতিক চিহ্নবোৰেই আছিল লিপি পদ্ধতি আৱিষ্কাৰৰ প্ৰথম সূচনা। খৃষ্টীয় নৱম শতিকাত ওৱাং চিহে ব্লকৰ সহায়ত প্ৰথম ছপাৰ কৌশল আৱিষ্কাৰ কৰাৰ আগলৈকে সাঁচিপাত, তুলাপাত, কলম, চিঞাহীৰ মাজতে আবদ্ধ আছিল মানুহৰ বৌদ্ধিক অনুশীলন।

মানুহৰ জ্ঞান-চৰ্চাৰ মাধ্যমক আধুনিক মুদ্ৰণ গ্ৰন্থৰ ৰূপ দিয়াত যন্ত্ৰৰ ভূমিকা অনস্বীকাৰ্য। যন্ত্ৰৰ অবিহনে নিশ্চিতভাৱেই বাধাগ্ৰস্ত হৈ পৰিলহেঁতেন মানুহৰ বৌদ্ধিক জয়যাত্ৰা। খ্ৰীষ্টীয় পঞ্চদশ শতিকাত জোহানগুটেনবাৰ্গৰ চলনশীল মুদ্ৰণ যন্ত্ৰৰ আৱিষ্কাৰ মানুহৰ জ্ঞান সাধনাৰ ইতিহাসত এক যুগ সন্ধিক্ষণৰূপে চিনাক্ত কৰিব পাৰি। এই মহৎ আৱিষ্কাৰৰ যোগাত্মক প্ৰভাৱতে সম্ভৱপৰ হৈ উঠিছে জ্ঞানৰ দ্ৰুত প্ৰসাৰণ। জ্ঞানৰ এই দ্ৰুত বিস্তাৰৰ ফলতেই উন্মোচন হৈছে ন ন উদ্ভাৱনাৰ নতুন দিগন্ত। স্বপ্ৰতিভা আৰু সৃজনী শক্তিৰ প্ৰতি ক্ৰমে ক্ৰমে আত্মবিশ্বাসী হৈ উঠিছে মানুহ। নিত্য নতুন যন্ত্ৰ কৌশল আৱিষ্কাৰৰ লগত তাল মিলাই তড়িৎ গতিৰে পৰিৱৰ্তন হৈছে সমাজ আৰু সভ্যতাৰ। এনে পৰিৱৰ্তিত প্ৰেক্ষাপটত গ্ৰন্থও পুনৰবাৰ সাজু হৈ উঠিছে এক যুগান্তকাৰী পৰিৱৰ্তনৰ অভিমুখে। কাগজেৰে নিৰ্মিত গ্ৰন্থ ইলেক্ট্ৰনিক মাধ্যমেৰে সোমাবগৈ ইণ্টাৰনেটৰ বুকুত। সলনি হ'ব গ্ৰন্থৰ শৰীৰ। মুদ্ৰিত গ্ৰন্থই ৰূপ ল'ব 'ইলেক্ট্ৰনিক গ্ৰন্থ' বা 'ই-বুক'ৰ।

একবিংশ শতিকাৰ অত্যাধুনিক প্ৰযুক্তি কৌশল ইনফৰ্‌মেশন টেকন'লজি বা ইণ্টাৰনেট মানৱ সভ্যতাৰ বাবে পৰম বিস্ময়। ইণ্টাৰনেট সম্পৰ্কে ৰবীন কুকে মন্তব্য কৰিছে— "This was the Third Industrial Revolution of our time. Steam and electricity were the previous two" দ্বিতীয় মহাযুদ্ধৰ পিচত ছোভিয়েট ইউনিয়ন আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ মাজত চলি থকা পাৰমাণৱিক শক্তিৰ প্ৰতিদ্বন্দ্বিতাত দেশৰ সুৰক্ষাৰ প্ৰতি সন্দিহান হৈ পৰে আমেৰিকা যুক্তৰাষ্ট্ৰ। সেয়েহে যুক্তৰাষ্ট্ৰৰ প্ৰতিৰক্ষা বিভাগে দেশখনৰ গৱেষণাগাৰবোৰ সুৰক্ষিত ৰাখিবলৈ উন্নত যোগাযোগ মাধ্যমৰূপে গৱেষণাগাৰবোৰত থকা হাজাৰৰো অধিক কম্পিউটাৰ, টেলিফোন লাইনৰ যোগেদি পেণ্টাগণত থকা এটা চুপাৰ কম্পিউটাৰৰ সৈতে সংযোগ কৰি পোনপ্ৰথম কম্পিউটাৰ নেটৱৰ্ক স্থাপন কৰে। ইয়েই পৃথিৱীৰ বিস্ময় প্ৰযুক্তি ইণ্টাৰনেট বিপ্লৱৰ শুভাৰম্ভ। এই প্ৰযুক্তিয়ে বৰ্তমান সমগ্ৰ পৃথিৱীখনকে এখন জালৰ দৰে ছাটি ধৰি পৃথিৱীৰ প্ৰতিটো কোণকে পৰস্পৰ সংযোগ কৰিছে।

অতি উন্নত যোগাযোগ মাধ্যমৰূপে ইণ্টাৰনেটৰ সুবিধা অসীম। শিক্ষা, তথ্য আৰু বিনোদন— এই সকলো দিশতে ইণ্টাৰনেটে সেৱা আগবঢ়াইছে। উচ্চ কম্পনাঙ্কৰ তৰঙ্গৰদ্বাৰা পৰিচালিত ইণ্টাৰনেট ব্যৱস্থাই তথ্যৰ যোগান ধৰাত অভূতপূৰ্ব সাফল্য লাভ কৰিছে। পুথি অধ্যয়নৰ জৰিয়তে যি পৰিমাণৰ তথ্য লাভ কৰিবলৈ পটুৱৈক ছমাহ সময় লাগে, সেই একে পৰিমাণৰ তথ্য ইণ্টাৰনেটে ছয় ছেকেণ্ডতে যোগান ধৰিব পাৰে।

জ্ঞান সংৰক্ষণৰ যি দায়িত্ব গ্ৰন্থই যুগ যুগ ধৰি পালন কৰি আহিছে, সেই একে কামকে ইণ্টাৰনেটে অধিক সহজসাধ্য কৰি সমাপন কৰিছে। ইণ্টাৰনেট ব্যৱস্থাত গ্ৰন্থ সংৰক্ষণৰ বাবে প্ৰয়োজন হোৱা সু-বৃহৎ আয়তনৰ ব্যয় বহুল পুথিভঁৰালৰো আৱশ্যকতা নাথাকিব। ইণ্টাৰনেট প্ৰযুক্তিত তথ্য মজুত ৰখা হয় Cyber space (মহাশূন্য)ৰ বুকুত। তদুপৰি একোটা বিষয়ৰ সমস্ত তথ্য লাভ কৰা সম্ভৱ নহয়, ইণ্টাৰনেটে কিন্তু একোটা বিষয়ৰ সমস্ত তথ্যৰ যোগান ধৰিব পাৰে।

ইণ্টাৰনেট পদ্ধতিত Cyber spaceত থকা তথ্য ভাণ্ডাৰৰপৰা প্ৰয়োজনীয় তথ্য সংগ্ৰহ কৰি যোগান ধৰাৰ সমস্ত দায়িত্ব ইণ্টাৰনেটযুক্ত কম্পিউটাৰটোৱে পালন কৰে। এইক্ষেত্ৰত মানুহৰ শ্ৰম আৰু সময় দুয়োটাৰে ৰাহি কৰে ইণ্টাৰনেটে। ইণ্টাৰনেটে শ্ৰম আৰু সময়ৰ লগতে অৰ্থৰো ৰাহি কৰে। এই ব্যৱস্থাত কম খৰচতে অনেক সুবিধা ল'ব পাৰি। উদাহৰণস্বৰূপে

দৈনিক প্ৰকাশিত সমস্ত বাতৰি-কাকত এজন গ্ৰাহকৰ পক্ষে সংগ্ৰহ আৰু ক্ৰয় কৰা সম্ভৱ নহয়। ইন্টাৰনেটে কিন্তু গ্ৰাহকৰ নিৰ্দেশ অনুযায়ী সকলোখিনিকে হাজিৰ কৰাব পাৰে।

দূৰত্বৰ ব্যৱধান কমাই ইন্টাৰনেটে সমগ্ৰ পৃথিৱীখনকে এটা গোলকলৈ ৰূপান্তৰ কৰিছে। পৃথিৱীৰ ইমূৰ-সিমূৰ সংযোগ কৰি পৃথিৱীৰ চুকে-কোণে সংঘটিত ঘটনাৰ খবৰ, আলোকচিত্ৰ আদি তৎমুহূৰ্ততে লাভ কৰাৰ সুবিধা প্ৰদান কৰিছে। বিশেষকৈ ইলেক্ট্ৰনিক গ্ৰন্থৰ ব্যাপক প্ৰচলন সম্ভৱ হৈ উঠিলে পৃথিৱীৰ যিকোনো অঞ্চলতে প্ৰকাশিত গ্ৰন্থ গ্ৰাহকে সেই মুহূৰ্ততে লাভ কৰিব পাৰিব। তদুপৰি সমগ্ৰ পৃথিৱীজুৰি যিমান সংখ্যক ইন্টাৰনেট যুক্ত কম্পিউটাৰে একেলগে সংগ্ৰহ আৰু বিতৰণ সেৱাত জড়িত হ'ব, সিমান সংখ্যক গ্ৰন্থ একেবাৰতে ছপাশালত ছপা কৰা আৰু বিতৰণ কৰা প্ৰকাশকৰ পক্ষে সম্ভৱ নহয়।

এনেবোৰ সুচল ব্যৱস্থা থকাৰ বাবেই গ্ৰন্থৰ ঠাই এদিন ইন্টাৰনেটে দখল কৰাৰ সম্ভাৱনা উজ্জ্বল হৈ উঠিছে। ইলেক্ট্ৰনিক মাধ্যমত সলনি হ'ব গ্ৰন্থৰ ভাষা আৰু লিপি। বিগত প্ৰায় দহ হাজাৰ বছৰ ধৰি মানুহে যি লিপি বা অক্ষৰ পদ্ধতি ব্যৱহাৰ কৰি গ্ৰন্থ চৰ্চা কৰি আহিছে, কম্পিউটাৰ এটা সেই অক্ষৰ পদ্ধতি গ্ৰহণ কৰিবলৈ সক্ষম নহয়। ই মানুহৰ সকলো ভাষা ডিজিটেললৈ সলনি কৰিহে গ্ৰহণ কৰে। পুনৰ এক যান্ত্ৰিক পদ্ধতিৰে সলনি হৈ মানৱ ব্যৱহৃত লিপিৰূপে মনিটৰত দৃশ্যমান হয়। এই সমগ্ৰ কাম কম্পিউটাৰ এটাই মুহূৰ্তৰ ভিতৰতে সমাপন কৰে। ইলেক্ট্ৰনিক গ্ৰন্থ বিপ্লৱৰ যি সম্ভাৱনাই দেখা দিছে, সেই সম্ভাৱনাৰ বাবেই পৃথিৱী জুৰি গঢ়ি উঠিছে কম্পিউটাৰ সাক্ষৰতা অভিযান। কাৰণ এই বিপ্লৱ সফল হ'বলৈ মানুহে প্ৰথমে আয়ত্ত কৰিব লাগিব কম্পিউটাৰৰ ভাষাজ্ঞান। শংকা কৰা হৈছে— ইলেক্ট্ৰনিক গ্ৰন্থ আন্দোলনে পথৰুদ্ধ কৰি পেলাব নেকি প্ৰচলিত গ্ৰন্থ পৰম্পৰাক? যিদৰে দ্ৰুতগামী আৰু সুবিধাজনক টেলিফোনৰ প্ৰচলনে স্তব্ধ প্ৰায় কৰি তুলিছে চিঠি-পত্ৰৰ লেহেমীয়া গতিক। টেলিফোন যিদৰে চিঠি পত্ৰৰ পৰিপূৰক হ'ব নোৱাৰে, সেইদৰে ইন্টাৰনেটো হ'ব নোৱাৰে গ্ৰন্থৰ পৰিপূৰক। যি পদ্ধতিৰে মানুহে হাজাৰ হাজাৰ বছৰ ধৰি চিন্তাৰ কচৰৎ কৰি আহিছে সেই পদ্ধতিৰ সৈতে মানুহে আৱেগিক সম্পৰ্কৰ শিপা উভলা বৰ সহজ কথা নহয়। তদুপৰি মানুহৰ সামাজিক আৰু সাংস্কৃতিক জীৱনৰ বহু প্ৰমূল্যৰ সৈতে জড়িত হৈ আছে গ্ৰন্থ পৰম্পৰা।

গ্ৰন্থ কেৱল জ্ঞান বিতৰণৰ মাধ্যমেই নহয়, গ্ৰন্থ হৈছে মানুহৰ জ্ঞান সঞ্চয়ৰ ভঁৰাল। ইলেক্ট্ৰনিক মাধ্যমত সেই জ্ঞান বা তথ্য জমা ৰখা হয় Cyber spaceত। যন্ত্ৰৰ বিজুতি অসম্ভৱ বা অকল্পনী. নহয়। যদিহে কিবা কাৰণত যন্ত্ৰৰ বিজুতি ঘটি ইন্টাৰনেটে কম্পিউটাৰে সংযোগ হেৰুৱাই Cyber spaceৰ সৈতে আৰু পুনৰ সংযোগ স্থাপন যদিহে সম্ভৱ হৈ নুঠে, তেন্তে মহাশূন্যৰ বুকুতেই বিলীন হৈ যাব মানুহৰ হাজাৰ হাজাৰ বছৰীয়া জ্ঞান-সঞ্চয়ন। মানৱ জাতি হ'ব সৰ্বস্ৰান্ত। পুনৰ সেই হৃতজ্ঞান সংগ্ৰহৰ বাবে মানুহ উভতি যাব লাগিব গুহাবাসী যুগলৈ। মানুহৰ অত্যাধিক যন্ত্ৰ নিৰ্ভৰতাই যে মানৱ সভ্যতালৈ সংকট আনিব পাৰে সেই কথা ইতিপূৰ্বে সদৰি কৰিছে বহুজন চিন্তাবিদে। চি এম জোডে এঠাইত লিখিছে "যন্ত্ৰৰ উদ্ভাৱন কৰা হৈছিল মানুহৰ গোলাম হিচাপে কাম কৰিবৰ কাৰণে। কিন্তু এতিয়া মানুহ যন্ত্ৰৰ ওপৰত অতি বেছিকৈ নিৰ্ভৰশীল হোৱাৰ ফলত মানুহ হৈ পৰিছে যন্ত্ৰৰ গোলাম। খুব অচিৰেই এনে এটা দিন আহিব যেতিয়া যন্ত্ৰই আমাক শাসন কৰিব।" একে আশংকাকে প্ৰকাশ কৰিছিল ত্ৰৈলোক্যনাথ গোস্বামীয়েও: "যান্ত্ৰিক সভ্যতাক নিজা গতি পথত এৰি দিলে সদাশিৱৰ বাবেই বকাসুৰৰ মৃত্যুৰ কাৰণ হোৱাৰ দৰেই বৈজ্ঞানিক আবিষ্কাৰো এদিন মানৱ সভ্যতা ধ্বংসৰ কাৰণ হৈ পৰাৰ ভয় আছে।" ইন্টাৰনেট ব্যৱস্থাও এনে সন্দেহৰ উৰ্দ্ধত নহয়।

গ্ৰন্থৰ ব্যাপক প্ৰচলন, বৃহৎ কলেৱৰৰ গ্ৰন্থৰ 'ই-ফাইল' ব্যৱহাৰ আদি ক্ষেত্ৰত এতিয়াও ইন্টাৰনেট পৰীক্ষা-নিৰীক্ষাৰ স্তৰতে আছে। ইন্টাৰনেট ব্যৱস্থা ফলপ্ৰসূ হ'বলৈ হ'লে সমানেই ফলপ্ৰসূ হ'ব লাগিব দূৰ-সংযোগ আৰু বিদ্যুৎ যোগান ব্যৱস্থা। যিহেতু এই তিনিওটা মাধ্যমৰ আন্তঃ সংযোগতহে ইন্টাৰনেট ব্যৱস্থা গঢ় লৈ উঠিছে। গতিকে পিছপৰা, অনুন্নত অঞ্চলত ইন্টাৰনেটৰ বহুল প্ৰচলন বাস্তৱক্ষেত্ৰত বাধাগ্ৰস্ত হোৱাৰে সম্ভাৱনা অধিক। তদুপৰি বাটে-ঘাটে যিকোনো অৱস্থাতে মানুহৰ কিতাপ পঢ়াৰ যি অভ্যাস আৰু ৰুচি আছে গ্ৰন্থৰ ইলেক্ট্ৰনিক মাধ্যমে তাক পূৰণ কৰিব নোৱাৰে। কিতাপ প্ৰতিপালনৰ যি মাদকতা গ্ৰন্থপ্ৰেমীয়ে কিতাপৰ স্পৰ্শৰ মাজত অনুভৱ কৰে, ঘৰত কিতাপ সজ্জিত কৰি ৰাখি যি বৌদ্ধিক পাৰিপাৰ্শ্বিকতাৰ আনন্দ লাভ কৰে ইন্টাৰনেট ব্যৱস্থাত সেয়া সম্ভৱ হৈ নুঠিব।

এই কথা সমগ্ৰ আলোচনাৰপৰা প্ৰতীয়মান হয় যে, ইন্টাৰনেট কেতিয়াও গ্ৰন্থৰ বিকল্প হ'ব নোৱাৰে। আধুনিক আৰু সুবিধাজনক ব্যৱস্থা হিচাপে ইন্টাৰনেটে জনপ্ৰিয়তা অৰ্জন কৰিলেও গ্ৰন্থৰ সাৰ্বজনীনতা ইন্টাৰনেট ব্যৱস্থাত নাই। গ্ৰন্থৰ দৰে সমাজৰ সকলো স্তৰতে ইয়াক ব্যৱহাৰ কৰাত অসুবিধা আছে। আনুভূতিক কাৰণতো যন্ত্ৰ ব্যৱস্থা এটাই গ্ৰন্থৰ প্ৰতি থকা আকৰ্ষণক ওফৰাই পেলাব নোৱাৰে। অত্যাধুনিক, দ্ৰুত, সহজসাধ্য মাধ্যমৰূপে সমাজত ইন্টাৰনেটৰ ব্যৱহাৰ থাকিব গ্ৰন্থৰ সমান্তৰালভাৱেহে; গ্ৰন্থৰ বিকল্প ৰূপত নহয়। সভ্যতাৰ পৰিক্ৰমাত ইন্টাৰনেট আৰু গ্ৰন্থক নিজা নিজা সুকীয়া পথেৰেহে অগ্ৰসৰ হ'ব। ইটো-সিটোৰ সম্পূৰক হোৱাৰ সম্ভাৱনা নাই।

সামৰণিত এযাৰ কথাই ক'ব পাৰি যে, প্ৰস্তৰ যুগৰ গুহালিপি, শিলালিপিৰ দৰে ধ্ৰুপদী শিল্প, মধ্য যুগৰ সাঁচিপাত, তুলাপাত, আধুনিক যুগৰ "অৰ্থবহ কাগজৰ গ্ৰন্থিত গ্ৰন্থ" অথবা ইলেক্ট্ৰনিক মাধ্যম যি ৰূপতে নহওক, গ্ৰন্থৰ বৃদ্ধি আছে, ৰূপান্তৰ আছে কিন্তু বিনাশ নাই। গ্ৰন্থ মানে জ্ঞান। জ্ঞান মানেই অমৃত। যি মৃত্যুহীন আৰু শাশ্বত। পৃথিৱীত মানুহ থকালৈকে গ্ৰন্থ থাকিব— মানুহক মৃত্যু বিজয়ী এক আলোক পথৰ সন্ধান দিবলৈ। ■



# বৰ্তমান সময়ত অধিক প্ৰচলিত এটা সমস্যা— মোবাইল প্ৰেম

উপাসনা বৰদলৈ, উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ

বৰ্তমান সময়ত এক সাধাৰণ ঘটনাত পৰিণত হৈছে মোবাইল প্ৰেম। এই মোবাইল প্ৰেমবদ্ধাৰা সংঘটিত হৈছে বহু অসামাজিক তথা অবৈধ কাম-কাজ। ইয়াৰ পৰিণতিত বহুতে মৃত্যু পৰ্যন্ত সাৱটি ল'ব লগা হৈছে।

ক্ৰিং ক্ৰিং.... প্ৰথমতে এটা মিছ কল, তাৰ পিছত ৰং নম্বৰ। লাহে লাহে চিনাকি, বন্ধুত্ব আৰু এদিন প্ৰেম। মোবাইল প্ৰেম, বৰ্তমানৰ এক সৰ্বজনবিদিত স্পৰ্শকাতৰ বিষয়। মোবাইল আৰু প্ৰেম, দুখন ভিন্ন পৃথিৱী, দুটা ভিন্ন বিষয়। এই দুটাৰ মাজত আকাশ পাতাল পাৰ্থক্য। মোবাইল মানে কি তাক আজি কাকো বেলেগকৈ বুজোৱাৰ প্ৰয়োজন নাই। শিশুৰ পৰা বৃদ্ধলৈকে সকলোৱে জানে। মোবাইলৰ অসমীয়া প্ৰতিশব্দ হ'ল— 'ভ্ৰাম্যমান'। অৰ্থাৎ এঠাইৰ পৰা আন ঠাইলৈ লৈ ফুৰিব পৰা যন্ত্ৰ। হয়তো মানুহৰ প্ৰয়োজনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি এই যন্ত্ৰটো আৱিষ্কাৰ কৰা হৈছিল। যাতে মানুহে কম সময়ৰ ভিতৰতে অতি সহজে দূৰ-দূৰণিৰ মানুহৰ লগত সংযোগ স্থাপন কৰিব পাৰে। সকলো বস্তুৰে ভাল আৰু বেয়া দুটা দিশ আছে। সেইদৰে এই যন্ত্ৰটিয়েও সমাজত দুয়োটা দিশৰে সূচনা কৰিছে। আজিৰ সভ্য সমাজত হয়তো এনে এজন মানুহ নোলাব যি কোনোদিনে মোবাইলৰ সংস্পৰ্শলৈ অহা নাই। স্কুল-কলেজৰ ল'ৰা-ছোৱালীৰ পৰা আৰম্ভ কৰি সকলো লোকৰ হাতত শোভা পাইছে, ইয়াৰ ব্যৱহাৰ হৈছে। আজিৰ সমাজত মোবাইলৰ ব্যৱহাৰ যিমানে বাঢ়িছে সিমানে ইয়াৰ প্ৰভাৱ গাঢ় হৈ পৰিছে। এই যন্ত্ৰটি যেন জীৱনৰ এক এৰাব নোৱৰা অঙ্গ হৈ পৰিছে।

অন্যহাতে প্ৰেম এক সংজ্ঞাহীন অনুভৱ, এক পবিত্ৰ সম্পৰ্ক; যাৰ উৎপত্তি হয় হৃদয়ৰ অতি নিভৃত কোণত। ইয়াক সংজ্ঞাৰে আবদ্ধ কৰা সম্ভৱ নহয়। এই অনুভৱ অসীম, অনন্ত আৰু বহুৰঙী যৌৱনৰ এক অবুজ শিহৰণ এই প্ৰেম। এজনৰ আনজনৰ প্ৰতি বিশ্বাস, বুজা-বুজি, মৰম-ভালপোৱা আদিবোৰেই প্ৰকৃত প্ৰেমৰ উপাদান। কিন্তু পূৰ্বৰ সেই স্বাভাৱিক প্ৰেম যেন আজি আবদ্ধ হৈ পৰিল মোবাইলৰ মাজত। আজিৰ প্ৰেম আগৰ সেই স্বৰ্গীয় প্ৰেম নহয় বা স্বৰ্গীয় প্ৰেমৰ দৰে তাৰ উৎপত্তিত ব্যক্তিৰ চাঁচা হৃদয়ত নহয়। আজিৰ প্ৰেম! জন্ম হয় মোবাইলত। আজি এটা মিছকল বা এছ এম এছৰপৰাই জন্ম হ'ব পাৰে এক যান্ত্ৰিক প্ৰেমৰ। ভুলবশতঃ কাৰোবাৰ মোবাইলত অজানিতে কোনো এটা নম্বৰৰপৰা এটা মিছকল বা ফোন কল যোৱাটো স্বাভাৱিক কথা। কাৰণ মানুহ মাত্ৰেই ভুল হয়। কথাতো যদি সেইখিনিতে ৰৈ যায় তেন্তে চিন্তা কৰিবলগীয়া বিশেষ একো নাই। কিন্তু এবাৰ ৰং নম্বৰ বুলি কোৱাৰ পিছতো যদি একেটা কামৰে পুনৰাবৃত্তি হৈ থাকে, চিন্তাটো হ'বই আৰু জানিবলৈ মন যাবই যে সেই অচিন নম্বৰটো কাৰ? আৰু তাকে জানিবলৈ এদিন তেওঁ অচিন নম্বৰটোলৈ ফোন লগালে। স্বাভাৱিকতেই তেওঁলোকৰ মাজত চিনাকি হ'ল, লাহে লাহে এদিন দুয়ো বন্ধুত্বৰ পৰ্যায় পালেগৈ। আৰু তাৰপাছত তেওঁলোকৰ মাজত আৰম্ভ হ'ল প্ৰেম। অদ্ভুত এক প্ৰেম। এনেবোৰ প্ৰেম বুজাবুজি, মৰম, ভালপোৱা, বিশ্বাস আদিৰে পূৰ্ণ প্ৰকৃত-প্ৰেম বুলিব নোৱাৰি। ই এক যান্ত্ৰিক প্ৰেম, মোবাইল প্ৰেম! অৱশ্যে মোবাইল প্ৰেমৰ প্ৰৱণতাটো বিশেষকৈ যুৱক-যুৱতীসকলৰ মাজতহে বেছিকৈ দেখা যায়। আজি অধিকাংশ যুৱক-যুৱতীয়ে মোবাইলৰ প্ৰেমত আসক্ত। তেওঁলোকে ভাবি চোৱা নাই যে এইবোৰৰ মাজত থাকি তেওঁলোকে জীৱনৰ বহুতো মূল্যৱান সময় হেৰুৱাই পেলাইছে। সময় অসময় নাই সকলো সময়তে ব্যস্ত হৈছে যন্ত্ৰটোৰ মাজত। ইচ্ছা গ'লেই প্ৰিয়জনলৈ পঠিয়াই দিছে মিছকল, এছ এম এছত আবদ্ধ মৰম ভালপোৱা। তাকে পাই আকৌ আনজনৰ হৃদয়ত প্ৰেমৰ জোৱাৰ উঠিছে। তেৰোঁ তেওঁৰ প্ৰিয়জনক একেদৰেই তাৰ প্ৰতিদান দিছে। ভিন্ন কথাৰ আদান-প্ৰদান কৰিছে। ইয়াতে ব্যস্ত থাকি সময়ৰ কাম সময়ত কৰিব নোৱাৰি যুৱক-যুৱতীসকল হতাশাত ভুগিছে। তথাপিও কাৰো আহৰি নাই মোবাইলৰ সৰু পৰ্দাখনৰ পৰা মূৰ তুলি বাহিৰৰ বিশাল পৃথিৱীখন এবাৰ চাবলৈ। অৱশেষত পৰম্পৰে মোবাইলৰ মাধ্যমেৰে নিজৰ স্থান বিচাৰি ভাৰাক্ৰান্ত হৈ পৰিছে।



মুঠতে, মহামাৰীৰ দৰে বিয়পি পৰা এই মোবাইল প্ৰেমে সমাজত যি ঋণাত্মক দিশৰ সূচনা কৰিছে, তাৰপৰা পৰিত্ৰাণ পাবলৈ হ'লে আজি প্ৰতিজন মানুহেই সচেতন হোৱাৰ প্ৰয়োজনীয়তা আহি পৰিছে। এইক্ষেত্ৰত উঠি অহা যুৱক-যুৱতীসকলৰ ভূমিকা অতি বেছি। হাতৰ মুঠিত আবদ্ধ এই যন্ত্ৰটোৰ সৎপ্ৰয়োগ কৰিবলৈ শিকক। মোবাইলৰ সৎ ব্যৱহাৰৰ প্ৰতি লক্ষ্য ৰাখক। ■

# সফল জীৱন গঢ়াৰ চাবিকাঠি

জুলি কলিতা, উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ

জীৱনটো বৰ চুটি, কিন্তু বৰ মহান। ভাগ্যক ধিয়াই নাথাকি গঢ় দিব পাৰোঁ আমি ইয়াক নিজৰ ইচ্ছাৰে। অসম্ভৱ শব্দটো কেৱল মুৰ্খৰ অভিধানতহে পোৱা যায়। চুটি জীৱনটো মহিয়ান কৰি তুলিবৰ ক্ষমতা আমাৰ হাততেই আছে। ইয়াৰ বাবে প্ৰয়োজন মাথোঁন গভীৰ ইচ্ছা শক্তি, কঠোৰ পৰিশ্ৰম আৰু একাগ্ৰতা। লগতে লাগিব ভগৱানৰ ওপৰত গভীৰ বিশ্বাস।



জীৱনটো সফল কৰিবলৈ, উন্নতিৰ পথত আগুৱাই যাবলৈ আমাৰ প্ৰথমতেই প্ৰয়োজন ইচ্ছা শক্তিৰ। দুৰ্বাৰ ইচ্ছা শক্তিৰ অবিহনে আমি কোনো এটা কামত আমাৰ সৰ্বশক্তি নিয়োজিত কৰিব নোৱাৰোঁ।

কেৱল মাত্ৰ প্ৰবল ইচ্ছা শক্তিৰ ওপৰত নিৰ্ভৰ কৰি যদি আমি হাত সাবটি বহি থাকোঁ তেতিয়া জানো হ'ব? কেতিয়াও নহয়! সফল জীৱনৰ বাবে প্ৰয়োজন হ'ব কঠোৰ পৰিশ্ৰম আৰু একাগ্ৰতাৰ। এটা ভাল ৰিজাল্ট পাবলৈ হ'লে নতুবা এটা সুনিৰ্দিষ্ট লক্ষ্যত উপনীত হ'বলৈ হ'লে ব্যক্তিয়ে কঠোৰ পৰিশ্ৰম কৰিবই লাগিব।

জীৱন পথত ভগৱানৰ আশিস নোহোৱাকৈ জানো আগবাঢ়ি যাব পাৰি? জীৱনৰ প্ৰতিটো সৎকামত সফলতা লাভ কৰিবলৈ আমাক লাগিব ভগৱানৰ কৰুণা। luck বা chanceৰ অৱস্থিতি উলাই কৰিব নোৱাৰি যদিও, আমাৰ দায়িত্ব হ'ল— "কৰ্ম কৰি যোৱা, ফলাফল ফলদাতা বিভূৰ হাতত।" সৎসাহস, নেৰানেপেৰা চেষ্টা, একাগ্ৰতা, কঠোৰ পৰিশ্ৰম আৰু মনোবল সফলতাৰ মূল চাবিকাঠি। ■

* * *

# চোৰ আৰু ডকাইতৰ প্ৰভেদ

স্নাতক দ্বিতীয় যাণ্মাষিকৰ ছাত্ৰীসকল, অৰ্থনীতি বিভাগ

খগেন আৰু নগেন— দুজন নলেগলে লগা বন্ধু। দুয়োজনে সুলভ মূল্যৰ দোকান এখনৰ আগত আড্ডা দি আছিল। সিহঁতে আগনিশা ওচৰৰ এঘৰ মানুহৰ ঘৰত চুৰি আৰু আন এঘৰত ডকাইতি হোৱাৰ কথা আলোচনা কৰিবলৈ ধৰিলে।

নগেন: অই খগেন⎕শুনিলিনে লাপুং বুঢ়াৰ ঘৰত চুৰি হ'ল বোলে ?

খগেন: অ' শুনিছোঁ। পিছে মহাজনৰ ঘৰত যে ডকাইত হ'ল সেইটো গম পাইছ নে নাই ?

নগেন: অ' হয় নে কি⎕গমেই পোৱা নাই অ' পাই।

খগেন: অই কথা এটা হ'ল নহয়।

নগেন: কি অ'?

খগেন: চোৰ আৰু ডকাইতৰ মাজত কি কি পাৰ্থক্য আছে ক'ব পাৰিবিনে?

নগেন: (নগেনে অলপ সময় ভাবি ক'লে) মই নাজানোঁ। তয়ে ক'চোন।

খগেন: ময়ো নাজানোঁ। ব'লচোন চেষ্টা কৰি চাওঁ।

নগেন: চোৰ হ'ল... মানে চোৰৰ লাজ আছে, ডকাইতৰ নাই। কাৰণ চোৰে মানুহে সি চুৰি কৰা বুলি গম পালে লাজ পায়, কিন্তু ডকাইতে নাপায়।

খগেন: চোৰৰ উপস্থিত বুদ্ধি আছে, ডকাইতৰ নাই কাৰণ চুৰি কৰি চোৰে সাধাৰণ মানুহৰ জুমত সোমাই চোৰ চোৰ বুলি চিঞৰিব পাৰে, পাছে হেঃ হেঃ হেঃ— ডকাইতে ওলোটাই ডেগাৰ, বন্দুকহে দেখুৱায়।

নগেন: ঠিকেই কৈছ দেই। পিছে এটা মিলো আছে নহয়।

খগেন: কিনো কচোন।

নগেন: দুয়োৱে কামফেৰা কৰাৰ আগতে কিন্তু ভগৱানক স্মৰণ কৰে।

খগেন: অ, হয় অ'। হাঃ হাঃ হাঃ... ■



চুটিগল্প

# বেমাৰ

মৃদুলা হাজৰিকা, প্ৰাক্তন ছাত্ৰী

উৎকত গৰমত বিচনাখনতে ইবাগৰ-সিবাগৰ কৰি থাকোঁতেই প্ৰতিপদৰ জোনটোৰ এচেৰেঙা পোহৰে দিবাকৰ শইকীয়াৰ দিনতে চোৰে চৰ মাৰিলেও নেদেখা ঘৰটোৰ অ'ত ত'ত লুকা-ভাকু খেলিবলৈ ধৰিলে। নিগনি এটাই গাৰুৰ কাষেৰে সৰ্‌সৰকৈ লৰ মৰাত তেওঁৰ কাষতে নাকৰ ঘোতোৰ ঘোতোৰ শব্দ কৰি শুই থকা মেকুৰীটোৰ গাত বিচনীৰ নালডালেৰে চটপকৈ একোব লগাই দিলে। মেকুৰীটোৱে প্ৰথমে একো গমেই পোৱা নাছিল। অৱশ্যে কথাটো কি বুজি পাবলৈ তাইৰ বেছি সময় নালাগিল। হাজাৰ হওঁক মেকুৰীৰ চকু! দিবাকৰৰ লগত গৰম ভাত খাই খাই ধোদ হ'লেও গৰাকীৰ হাতৰ বিচনীৰ নালডাল চিনি পাবলৈ কেইচেকেণ্ডমান সময়হে লাগিল। মুহূৰ্ততে তাই ধহমহাই উঠি বিচনাৰ পৰা লৰ মাৰিলে।

— "মাউৰত মৰতী, গ'লিনে আঠুৱাখন গুচাই থৈ।"

এই দুপৰৰাতি দিবাকৰৰ তাহানিৰ যাত্ৰাপাৰ্টিত অগ্নিমিত্ৰ ঋষিৰ ভাও কৰোঁতে উঠা খংটো মূৰলৈকে উজাই আহিল। তাৰ পিছত তেওঁ এফালৰপৰা প্ৰথমে মাউৰত মৰা মেকুৰীটো, মেকুৰীটোৱে আঠুৱাখন দাঙি থৈ যোৱাৰ কাৰণে সপৰিয়ালে সোমাই অহা ভেনামাখিহেন মহৰ জাকটো আৰু হতচিৰি হোৱা পুতেকহঁতক গালি পাৰি পাৰি শেষত ঘৈণীয়েকৰ বাপেক অৰ্থাৎ ডেৰকুৰি বছৰৰ আগতেই যমপুৰীলৈ যোৱা শহুৰেকৰ মুখত শাহুৱেকৰ "হেৰি"ৰে পিণ্ডটো দিয়াতহে গাটো অলপ ঠাণ্ডা ঠাণ্ডা লাগিল। হাতৰ বিচনীখন কেৰেট কেৰেটকৈ দুপাকমান ঘূৰাই জোৰেৰে চকুদুটা মুদি এইবাৰ তেওঁ টোপনি যাবলৈ চেষ্টা কৰিলে।

চিলমিলকৈ টোপনি আহিবলৈ লৈছিলহে, হঠাতে তেওঁৰ ঠিক নাইটোৰ কাষতে আমৰলি পৰুৱা এটাই কামোৰ মাৰি দিয়াৰ নিচিনা লাগিল। লগে লগে তেওঁ ধহ্‌মহকৈ বিচনাখনত বহি পৰিল। এইবাৰ যেন কেইবাটাও আমৰলি পৰুৱাই লগ হৈ তেওঁৰ নাইটোৰ চৌপাশে আক্ৰমণ কৰিবলৈ ধৰিলে। আৰু ৰক্ষা নাই। গাৰুটোৰ তলৰপৰা খেপিয়াই খেপিয়াই দিয়াশলাই বাহটো উলিয়াই আনিলে। খৰধৰৰ কোবত কাষতে আগনিশা আধাখোৱাকৈ থোৱা বিড়িৰ টুকুৰা এটা মাটিত পৰিল। টিপচাকিটো জ্বলই উস-আস কৰি প্ৰথমতে তেওঁ বিচনাৰ তলৰপৰা জুপি জুপি বিড়িৰ টুকুৰাটো উদ্ধাৰ কৰিলে। এইবাৰ বাহৰ দাংডাল গুচাই দুৱাৰখন খুলি চাকিটো বাহিৰত থ'লে। হাততে পোৱাতে পানীৰ টেকেলিতো আছিলেই। সেইটো লৈ তেওঁ ঘৰৰ পিছৰফালে দৌৰ মাৰিলে। অলপমান পনীয়া পায়খানা হোৱাৰ পাছত পেটটো অলপ ভাল লগাত তাৰপৰা উঠি আহি বাৰাণ্ডাৰ কাষৰ শিলটোত ভৰি দুখন ধুই আকৌ বিচনাখনত বহি ল'লে। আগৰাতিতকৈও গৰমটো অলপ বাঢ়িছে। গছৰ পাত এটাও লৰচৰ কৰা নাই। শেহৰাতিলৈ বৰষুণেই হয় নেকি? দুটামান কাহ মাৰি দিবাকৰ শইকীয়াই এইবাৰ অথনি উদ্ধাৰ কৰা বিড়িডাল জ্বলাই লৈ একান্তমনে হুপিবলৈ ধৰিলে।

ঘৰখনত কাৰো এটা হাঁচি-কাহ নাই। উত্তৰ ফালৰ কাঠৰ কেঞ্চি-বাটাম লগোৱা ঘৰটোত ঘৈণীয়েক, সৰুপুতেক ৰবীন আৰু জীয়েক তৰা শোৱে। পূৱফালৰ ঘৰটোত বাপু আৰু তাৰ পৰিয়ালটো আছিল। বাপুয়ে তাৰ পৰিয়ালটো চাকৰি কৰা ঠাইলৈ লৈ যোৱাৰ পিছত এতিয়া ঘৰটোত ৰাতি ৰাতি তৰাই প্ৰকাণ্ড তলা এটা ওলোমাই থয়। দক্ষিণৰ ঘৰটো চতুৰ্থ পুতেক প্ৰভাতৰ। ঘৰটো ডাঙৰেই। হ'লে কি হ'ব। তেনেকুৱা আৰু পাঁচটামান ঘৰ হ'লেও তাৰ বস্তুবোৰ ভালকৈ থ'ব পৰা নাযাব। হৰি⎕হৰি! শামুকৰ খোলা এটাও তাৰ হাতৰ পৰা সাৰি নাযায়। কিতাপ থাকে বিচনাত, বিচনাৰ কাপোৰ আকৌ পঢ়া টেবুলত। তৰাই ঘৰ সাৰিবলৈ সোমালে সদায় এখন খকা-খুন্দা। বাঢ়নীৰ আগত প্ৰায়ে তাৰ দৰকাৰী কাগজ আহে। "আধোগতি যাব"— দিবাকৰে ভোৰভোৰাই উঠিল। হঠাতে তেওঁৰ পেটটো আকৌ কামোৰা যেন লাগিল। কামোৰাও নহয়। অলপ যেন বিষাইছে, মিৰমিৰকৈ হোৱা এটা বিষ। লগে লগে তেওঁৰ মনটো চেবালে। ই কথাই কথা নহয়। মাজৰাতি এইদৰে পানী পানী শৌচ কৰিবলৈ দিনতনো খাইছিল কি ডাল? চহৰীয়াৰ ঘৰৰ গোসাঁনী সেৱা আছিল। তেওঁহে নাযায়, ঘৈণীয়েকৰ খেচ্‌খেচনি—

— "ঘৰটোতে সোমাই থকাতকৈ ওলায়তো যাব পাৰে। ইমান জোৰকৰি মতা কথা। কাম কৰিবলৈ মতা নাই। খাবলৈহে মাতিছে। ওলাই গলে দুই এজন লগ বন্ধুও মিলে।"

— "চকুত চলিহাপৰা বুঢ়ীয়ে মই কেৱল ঘৰটোত সোমাই থকাহে দেখে। জানো, চব জানো, চবৰে চকু মোৰ ভাতৰ কাহীখনত।"

বুঢ়াৰ এইবাৰ শোকে খুন্দা মাৰি ধৰিলে। লগে লগে আকৌ পেটত সেই সহস্ৰ পৰুৱাৰ কামোৰ। টেকেলিটো লৈ তেওঁ আকৌ দৌৰ মাৰিলে। এটা বেলা মহ চপৰিয়াই চপৰিয়াই বহি থাকি দ্বিতীয়বাৰ উঠি আহোতে গাটো অলপ অৱশ অৱশ লাগিল। থৰক্ বৰককৈ আহি বিচনাখনত বহি ল'লে।

— "চহৰীয়া ঘৰৰ গোসাঁনী কাজত খালোনো কিমান? প্ৰথমবাৰ দিয়া কেইটাৰ বাহিৰে এটাও খুজি লোৱা নাই। পঠাৰ মাংসৰ জোলখিনিৰে দুগৰাহমান ভাত খাইছিলোঁ। তাৰ পিছত পোনে পোনে আহি হৰিপদৰ ঘৰত সোমাইছিলোঁ।"

দিবাকৰ শইকীয়াই দিনটোৰ ঘটনাৱলী মনত পেলাবলৈ

যত্ন কৰিলে। বানপানীয়ে বাৰীৰ পাণবোৰ একেবাৰে ধুই লৈ গ'ল। বোলে তামোল এখন খাও, পাণ দুপাতমান লৈও যাও। হয়! হয়! তেওঁৰ যেন হঠাতে মনত পৰিল। তাতেই তেওঁ শুনিছিল, হৰিপদৰ ভতিজাক মনোহৰৰ কথা। অসহ্য পেটৰ বিষ। বমি বমি ভাব। আজি এসপ্তাহ ধৰি ডাক্তৰ কবিৰাজেও হেনো বেমাৰকে ধৰিব পৰা নাই। কথাষাৰ মনত পৰাৰ লগে লগে দিবাকৰৰ গাটো সিৰসিৰাই গ'ল। নহ'বৰ আৰু একো নাই। তেওঁকো মনোহৰৰ সেই অচিন বেমাৰটোৱে পাইছে। এই পেট কামোৰৰ চেলু লৈয়েই এইবাৰ তেওঁ মৰিব। নিৰ্ঘাত মৰিব। দিবাকৰে তেওঁৰ কাণত যেন মৃত্যুৰ ঘণ্টাধ্বনি শুনিবলৈ পালে। লগে লগে পেটটো বেছিকৈ বিষোৱা যেন লাগিল। বমি হ'ব। বমি হ'ব। হ ... ক, হ ... ক। ওৱাক। তেওঁ পিৰালিলৈ লৰ মাৰিলে। অলপ আগতে ভৰি ধোৱা শিলটোত বহি লৈ এইবাৰ তেওঁ ওকালিলে আৰু ঘৈণীয়েক পুতেকহঁতক হতচিৰি যাবলৈ অভিশাপ দিয়া কামটো সমানে সমানে চলাই গ'ল—

ডাঙৰ পুতেক বাপু সি স্কুললৈ নাযায়। সেই সোণেশ্বৰৰ পুতেক অকালতে যমে নিয়া মদনৰ লগ লাগি লোকৰ বাৰী লুৰুকিবলৈ আৰম্ভ কৰিলে। প্ৰথম দুদিনমান খবৰেই নাছিল। কেনেকৈনো খবৰ ৰাখে? পুৱাই হালখন লৈ ওলাই যায়। কেইদিনমান পিছতহে কথাটো কেনেবাকৈ তেওঁৰ কাণত পৰিল। ধনেশ্বৰৰ জামু গছ জোপাৰ পৰা কম কষ্ট কৰি নমাই আনিলেনে? নমাই অনাৰ পিছত তাক কি চাবা? বা ... প! পেন্দুকণাটোৰ গাতো ইমান বলনে? এহাতে ফলি কিতাপ, এখন হাতেৰে তাক দাঙি লৈ স্কুল পোৱালৈকে তাৰ নখৰ আঁচোৰত দিবাকৰৰ পথাৰৰপৰা অহা শুদা গাটো দমলা-দমলকৈ ফুলিছিল। এতিয়া সি বৰ মানুহ। চাকৰি কৰে। ঘৈণীয়েকক চিনেমাৰ অভিনেত্ৰীৰ দৰে সজাইছে আৰু মোৰ হেইয়া এইখন ফটা তুলি। গাটো ধুই সলাবলৈ দ্বিতীয়খন চুৰীয়া নাই। দিবাকৰ ক্ৰমাৎ উত্তেজিত হৈ আহিল। বকনিও ক্ৰমাৎ বাঢ়ি আহিল। ই মাজু .... ইয়ো কম আছিল নেকি? বুঢ়াই যেন কথাবোৰ কাৰোবাক কৈ আছিল। তেনেকৈয়ে কৈ থাকিল। স্কুললৈ যাবলৈ গৈ তাৰ নগেনৰ ঘৰত আড্ডা। প্ৰথমবাৰ মেট্ৰিক ফেইল কৰোঁতে তাৰ কি কোব। বোলো পৰীক্ষাত গৈ বাপেৰে লিখি দিব লাগিছিল নেকি? মই বোলে তাক অবয়সতে হালৰ মুঠিত ধৰিব দিলো। তাই বাপেকৰ মুখত মাকে হেৰি কৰি দিয়াজনীয়ে কয়। তায়েই খালে, আচলতে তায়েই খালে ল'ৰা-ছোৱালীকেইটাৰ মূৰ। মই কিবা এটা ক'লেই গোটেইকেইটা একগোট হৈ মোৰ লগত লাগে। এতিয়া কি ডাল কৰিলি? ৰাস্তাৰ কাষৰ সোণ হেন মাটি বিঘা বেচি ভেটি দি কোনোমতে পুলিচৰ চাকৰিটো গোটাই দিলোঁ। গ'ল নহয় নগেনৰ জীয়েক নাটেশ্বৰীজনীক পলুৱাই লৈ।' আপোন মনে কথাখিনি কৈ দিবাকৰ বুঢ়াই দুটামান কাহ মাৰিলে। কফ এসোপা থলৰকৈ পেলাই শিলটোত ভালকৈ বহিবলৈ লওঁতেই কিনকিনকৈ বৰষুণ পৰিবলৈ ধৰিলে। তেওঁ লৰালৰিকৈ উঠিলে। আচৰিত ধৰণে এইখিনি সময় তেওঁৰ পেটৰ বিষ আৰু বমি বমি বমি ভাবটো নহাকৈ থাকিল। শিলছটাৰ পৰা উঠোতেহে তেওঁৰ মনত পৰিল, হয়তো! পেটৰ অসুখৰ কাৰণেহে বাহিৰত বহি আছিল। সেইয়ে মনোহৰৰ ডাক্তৰে চিনি নোপোৱা বেমাৰটো তেওঁৰো আৰম্ভ হৈছিল ....। কথাষাৰ মনত পৰাৰ লগে লগে তেওঁৰ আকৌ বমি বমি ভাব হোৱা যেন লাগিল।

অলপ আগতে কিনকিনকৈ আৰম্ভ হোৱা বৰষুণজাক এইবাৰ হিৰহিৰকৈ পৰিবলৈ ধৰিলে। মাজুৰে আচ্ছন্ন কৰি ৰখা মনটো ক্ষন্তেকৰ কাৰণে পাতল পাতল লাগিল। হওক তেওঁ পেটৰ বিষটো যদি আকৌ নুঠে ভালকৈ এঘুমতি মাৰিব পৰা যাব। কিন্তু পিছমুহূৰ্ততে তেওঁৰ মনটো বিষাদেৰে ভৰি পৰিল। অলপ আগতে যে ছাগলীৰ গৰালটোৰ কাষত শৌচ কৰিছিল সেয়াচোন এতিয়া বৰষুণে ধুই লৈ যাব আৰু ধুই নিলে কাইলৈ পুৱা কোনেও গমেই নাপাব তেওঁৰ যে পেট কামুৰিছিল সেই কথাটো। ইমান সময়ে সিটো ঘৰত এটা পানী পৰুৱাৰ মাতো নুশুনিলে। তেওঁ গোটেই ৰাতি পেটৰ বিষত উজাগৰে কটাব আৰু ঘৰৰ বাকীবোৰে আৰামত টোপনি মাৰিব! তেওঁ এনেয়ে দুবাৰমান আই ঐ মৰিলো ঐ বুলি কেকনি মাৰিলে। কিছুসময় পিছতে বৰষুণজাক গ'ল। আকাশখন ডাৱৰীয়া আছিল যদিও অ'ত ত'ত অকলশৰীয়া এটা দুটা তৰা জিলিকি আছিল। হঠাৎ ওচৰৰ বাঁহনিখনৰপৰা এজাক শিয়ালে ৰাউচি জুৰিলে। দিবাকৰে বুজিলে ৰাতি পুৱাবলৈ আৰু বেছি দেৰি নাই। এক অদ্ভূত দুখে তেওঁৰ মনটো আগুৰি ধৰিলে।

সিদিনা ভোগধৰৰ ঘৰলৈ গৈছিল। ভোগধৰৰ কোঠাটোৰ এখন টেবুল ঔষধেৰে ভৰি আছে, যেন সৰু-সুৰা ফাৰ্মাচীহে। ভোগধৰৰ পুতেক পকা মিস্ত্ৰীৰ যোগালীহে। এই বুঢ়া বয়সত তেওঁৰ এটা কাহৰ ঔষধো নাই। মৰিব কেতিয়াবা এই কফে সোপা মাৰি ধৰি। বুকুভগা এটা কান্দোন যেন ডিঙিলৈকে উজাই আহিল। তেওঁৰ খুব পিয়াহ লগাৰ নিচিনা লাগিল। ঘৈণীয়েকক মাতিব নেকি? এবাৰ ভাবিলে। নাই নাই। আগৰ দিন হোৱা হ'লে কথা নাছিল। ঘৈণীয়েকক চুলিত ধৰি উঠাই এই মুহূৰ্ততে গৰমপানী, ঠাণ্ডাপানী চব ঠিক কৰি ল'লেহেঁতেন। কিন্তু তাইৰ কাষতে শুই থকা সৰু জীয়েক তৰাৰ মুখখন মনত পৰাৰ লগে লগে তেওঁৰ মনটো চুই দিয়া কেৰেলুৱাডালৰ নিচিনা হ'ল। তেওঁৰ কেতিয়াবা হাঁহিও উঠে। কেইদিনৰনো ছোৱালী তাই। সৌ সিদিনালৈকে তাইক কান্ধত উঠাই বৰুৱাৰ ঘৰত টি ভি দেখুৱাবলৈ লৈ গৈছিল। ঘূৰি আহোঁতে হাটীপটী, কালপুৰুষ দেখুৱাই দেখুৱাই আনিব লাগিছিল। বগীৰামহঁতৰ বাটৰ আমজোপা পাৰ হোৱাৰ সময়ত তাই সদায় চকু মুদি দিছিল। সেইকণ ছোৱালী। সেই ছোৱালীজনীলৈকে তেওঁৰ ইমান ভয়। তাইক সন্মুখত দেখিলে অগ্নিমিত্ৰৰ খংটো পানী হৈ যায়। ডাঙৰ জীয়েক মনোমতী সেইহেন লাওপাত কচুপাত মুখ, হাতে-মুখে একেলগে চলে। দিবাকৰ শইকীয়াৰ চাৰিবছৰৰ আগতে বিয়া দিয়া ডাঙৰ জীয়েক মনোলৈ মনত পৰিল। বুঢ়াৰ সদায়েই এনেকুৱা হয়। এই অকণমান গুহাৰ নিচিনা পুলিটোত কেতিয়াবা ৰাতি বিয়লি মনত দুখ লাগিলে জীয়েক মনোলৈ মনত পৰে। যিমানেই দুখ লাগে সিমানেই "বেটী,



নৰকতো ঠাই নাপাবি" বুলি অভিশাপ দিয়ে। কেতিয়াবা কু কু কৈ কান্দেও। আজিও অকলশৰীয়া দুৰ্যোগৰ এই নিশাটোত তেওঁৰ ঘনকৈ জহন্নামে যোৱা মনোমতীলৈ মনত পৰিল। পোন্ধৰ বছৰ আগৰ নিশাটো তেওঁৰ চকুত জলজল-পট্‌পটকৈ জিলিকি উঠিল।

থানেশ্বৰী বুঢ়ীয়ে দিবাকৰ আৰু ঘৈণীয়েকক বিয়াৰ পিছদিনাই উত্তৰফালৰ ঘৰটোৰ পানীপোতাত থকা শিলটোত মাটিৰ চাকিটো থৈ যি সুমুৱাই দিছিল তেতিয়াৰপৰা তৰা ছবছৰীয়া হোৱালৈকে দিবাকৰ আৰু ঘৈণীয়েক ৰাতি সেইটো ঘৰতে আছিল। ল'ৰাকেইটা ডাঙৰ হোৱাত সিহঁত বেলেগ বেলেগকৈ থাকিবলৈ লোৱাত উত্তৰ ফালৰ সেই দুকোঠালিৰ বৰঘৰটোৰ সন্মুখৰ পুলিটোৰ বিচনাখনত দিবাকৰ আৰু ভিতৰৰ পুলিৰ ডাঙৰ বিচনাখনত ঘৈণীয়েক আৰু ছোৱালী দুজনী থাকিবলৈ লৈছিল। বুঢ়াৰ কাহটো ঠিক কেতিয়াৰপৰা আৰম্ভ হৈছিল মনত নাই, কিন্তু সেইটো এসময়ত তেওঁৰ একচেটীয়া সম্পদৰ নিচিনাই হৈ পৰিছিল। ৰাতিটো কেৱল ঘুতুৰ ঘুতুৰ কাহ আৰু পিছদিনা খেকাৰেৰে ভৰি থকা এখন মজিয়া। মনোমতীয়ে প্ৰথমে ভোৰভোৰাইছিল, পিছলৈ গালিয়েই পৰা কৰিলে।

— "এই বিড়িসোপা নাখালেওতো হয়। ৰাতিটোত এপেকেট বিড়ি আৰু এটা দিয়াশলাই বাহ।"

ৰাতিপুৱা মজিয়াখন সাৰিবলৈ লৈ পকা খেকাৰ, দিয়াশলাই কাঠি আৰু বিড়িৰ টুকুৰাৰে ভৰি থকা মজিয়াখনলৈ চাই মনোমতীয়ে বিৰক্তিৰে কয়।

— "মোৰ খোৱাবস্তুৰ ওপৰত তহঁতৰ চকুটো এনেয়ো বেছিকৈ পৰে। দিবাকৰে বিচনাৰ পৰা গোজৰি উঠিল। বিড়ি মই এনেয়ে নাখাও নহয়। বিড়িডাল খালে অলপ কাহটো ফুটে।"

দিনবোৰ এনেকৈয়ে গৈ আছিল। মনোমতীৰ মুখখন ৰাতিপুৱা ঘৰসৰাৰ সময়ত প্ৰায়ে চলিছিল, বাপেকেও কাহটো ফুটাবলৈ বিড়ি খায়েই আছিল। এদিন হঠাতে মাজমান ৰাতি মনোমতীৰ লাগিল জোৰত প্ৰস্ৰাৱ কৰা। দুবাৰমান মাকক মাতিলে, হেচুকিও চালে। নাই সাৰসুৰ। তাই ৰৈ থাকিব নোৱাৰিলে। খেপিয়াই খেপিয়াই চাকিটো জ্বলাই ওলাই আহিব খুজি দেখে যে চেণ্ডেল এপাত নাই। তাইৰহে ৰ'ব নোৱৰা অৱস্থা। উপাই নাপাই এপাত চেণ্ডেল নোহোৱাকৈয়ে আহি দেউতাকৰ কোঠাত ভৰি দিওতেই দিলে একেবাৰে নৰকসোপাতে সুদা ভৰিখন। লগে লগে স্বয়ংক্ৰিয়ভাৱে 'ওহ' বুলি এবেজা থু মজিয়াত পেলাই দিলে। দুৱাৰখন খুলি সৰুপানী চুই অহাৰ পিছতহে আচল অগ্নিমিত্ৰ ঋষিৰ জীয়েকৰ ফাইটো উঠিল। মাক টোপনিৰপৰা সাৰ নোপোৱাৰ ফাইটো আগৰেপৰাই উঠি আছিলেই। ভৰি-চৰি নোধোৱাকৈয়ে তাই কলহৰ কাণে পানী ঢলাকৈ দেউতাকৰ সেই পৰকিতি লৰা স্বভাৱ, মৰিব ওলোৱা কাহটো আৰু শেষত লাওলোৱা ঘৰত জন্মহোৱাৰ দুখ আটাইখিনি সেই মাজৰাতি উগাৰি উগাৰি উলিয়াই দিলে। তেতিয়ালৈ আৰু ঘৰৰ কাৰো সাৰ পাবলৈ বাকী নাথাকিল। দিবাকৰৰ এনেয়ো বহুদিনৰে পৰা খং উঠি আছিল। প্ৰথম খং আছিল পুতেকহঁতে কফৰ ঔষধ কিনি নিদিয়া, দ্বিতীয় সদায় সদায় ৰাতিপুৱা মনোমতীৰ ভোৰভোৰণি শুনা, শেষত এই ৰাতি টোপনি ভগাত তেওঁৰ খং গৈ চুলিৰ আগ পালে। এটাও বাক্য ব্যয় নকৰি তেওঁ বিচনাখন টানি টানিয়ে ঢেঁকী ঘৰ পালেগৈ। তাৰপিছত এসপ্তাহ কেইবাখনো সৰুসুৰা সমৰৰ পিছত উপায় নাপাই পুতেকহঁতে এই অকণমান ঘৰটো সাজি দিছিল। তেতিয়াৰপৰা আজি পোন্ধৰ বছৰে পূবফালে এটা পকীঘৰ আৰু বাকী আটাইকেইটা দিশত কাঠৰ কেঞ্চি-বাটাম লগোৱা ঘৰ হ'ল। কিন্তু কোনেও বুঢ়াক এইটো ঘৰৰপৰা উলিয়াই নিবলৈ নোৱাৰিলে। চাৰিবছৰ হ'ল মনোমতীক এঘৰলৈ উলিয়াই দিছে। তথাপি জীয়েকলৈ এটা আখেজ ৰৈ গ'ল। বাঁহনিজোপাৰ মাজত এটা নিশাৰ চৰায়ে চিঞৰি উঠিল। দিবাকৰো সচকিত হ'ল।

— "ছেঃ! গোটেই ৰাতি টোপনি নাহিল। ঘৰৰ আটাইৰে ঘোৰ টোপনি।"

তেওঁ এনেয়ে দুবাৰমান কেঁকনি মাৰিলে। পেটৰ বিষটো উঠিছেনে নাই এবাৰ পেটত হাত দিও চালে। দিবাকৰ শইকীয়াৰ মনোমতী আৰু তৰাৰ চেহেৰা দুটা একেলগে মনলৈ আহিল। দুয়োজনী সম্পূৰ্ণ বেলেগ। মনোমতীয়ে অনবৰত ৰৌ-ৰৌৱাই চৌ-চৌৱাই থাকিলেও বুঢ়াই তাইক ভয় নকৰিছিল। কিন্তু তৰাই চকুদুটা সৰু কৰি এবাৰ তেওঁলৈ চালেই বুকু কঁপি যায়। দেউতাকৰ গালি-শপনি বেছি হোৱাৰ দিনা তাই ৰেডিঅ'ৰ ভলিউমটো অলপ বঢ়াই দিয়ে। তাইৰ খংটো কিবা টান মাটিত খন্দা খালৰ পানীৰ নিচিনা। নাই নাই নাই! এই যদি অলপ ওলায় বচ্ ওলাই থাকিলে হল-হল-কল-কল। এদিনযে দেউতাকক কৈছিল—

— "তয়ো বুঢ়া হৈছ, মাও বুঢ়ী হৈছে। দুয়োটাই একে। মাই খৰি খেৰ গোটাই লৈ ইমানকেইটা পৰিয়ালৰ খোৱাবোৱাৰ জঞ্জাল মাৰি তোৰ গাধোৱা কাপোৰখন ধুই আনে। পানী লগা জ্বৰ হ'লেও তোৰ ভাতকেইটা তুলি নি বিচনাত দিব লাগে। তাৰ মাজতে এই গৰমপানী, এই চাহ। অলপ ইফাল সিফাল হ'লেই বাতি দলিয়াবি, কাঁহী দলিয়াবি। মাৰি মাৰিয়েই তই মাৰ দাঁতবোৰ সৰালি। এতিয়া হাতেৰে মাৰিব নোৱৰা কাৰণে মুখেৰেই অনবৰত কিলাই থাকিবলৈ তোৰ অকণো বেয়া নালাগেনে? মাক তই বান্দী কৰি আনিছিলি নেকি? নে আমি আটাইবোৰ বানপানীত ভাঁহি অহা, তই যে অনবৰত আমাক শাওপাত দি থাক? অসুবিধা পাইছ যদি যা বুলি নকৰ কিয়? চব গুচি যাম; তই অকলে অকলে আৰামত থাকিব পাৰিবি।"

শেষৰ ফালে তাইৰ মাতটো থোকা থুকি হৈ গৈছিল। দিবাকৰৰ ওচৰত কোনোবাই কু-কুৱাই কান্দি উঠা যেন লাগিল। তেওঁ জাপ মাৰি উঠিল।

— "অ' মেকুৰীটোহে। ঐ বুন্দী! আহ, তইহে মোৰ লগ।"

দিবাকৰে এহাতে ধৰি বুন্দীক গাৰফালে টানিলে। তেনেকুৱা কৰোতে বাপুৰ ল'ৰা-ছোৱালী হাললৈ মনত পৰিল। হয়! ল'ৰা-ছোৱালীহঁত চব নিজৰ মতত চলা হ'ল। নিও বুলিয়েই সি পৰিয়ালটো লৈ চহৰ পালে। দিবাকৰ বুঢ়া যেন হঠাতে এটা শিশু হৈ গ'ল। সকলো পাহৰি তেওঁ কান্দিবলৈ ধৰিলে।

পূবে পোহৰ হ'বলৈ আৰু বেছি সময় নাছিল। বিচনাত পৰি তৰা আৰু মাকে কাণ উনায়েই আছিল। গোটেই ৰাতিটো অকণমানো টোপনি নাহিল। আগৰাতি অলপমান টোপনি আহোতেই বুঢ়াৰ যিহে চিঞৰ-বাখৰ, কেঁকনি-গেঁঠনি। তাৰ পিছৰপৰা পুৱা ৰাতিলৈকে বৈ বৈ মৰা জাহাজৰ উকিটোৰ নিচিনাকৈ "আ... ই! অ .... হ" বুলি একোটা চিঞৰ মাৰে। তাৰ পিছত মাজে মাজে আকৌ পুতেক, জীয়েক, ঘৈণীয়েকহঁতক দিয়া শাওপাত সোপাটো আছেই। চিলমিলকৈ টোপনিটো আহিব খোজে আকৌ সেই জাহাজৰ উকি। শেষৰ ফালে জাহাজৰ উকিও কমি আহিছিল। বৰষুণজাকৰ পিছত দুয়োজনীৰে অকণমান টোপনিও আহিছিল। হঠাতে অদ্ভুত এটা চিঞৰত দুয়োজনী একেলগে বিচনাত জাপ মাৰি বহি ল'লে। তৰাৰ মাক থৰথৰকৈ কঁপিছিল। কান্দিছে। কোনোবাই কান্দিছে।

— "দেউতা!" তৰাই লাহেকৈ ক'লে।

— "এইটো আজি মৰিব নেকি অ'। গোটেই ৰাতি টোপনি মাৰিব নিদিলে। নিজে দিনত চিহ তিহকৈ শুই লয়তো।"

কাষৰ কোঠাটোত ইমানসময় মনে মনে শুই থকা ৰবীনে গেঙেৰি মাৰি উঠিল। দূৰত কুকুৰাই ডাক দিলে। চৰাইবোৰো বাহৰপৰা ওলাবলৈ ধৰিলে। গোৱিন্দ আৰু প্ৰভাত প্ৰায় একেলগে বিচনাৰপৰা উঠি আহিল। দিবাকৰে বিচনাত পৰি তেতিয়াও দেদাউৰি পাৰিয়েই আছিল।

— "দেউতা! তোৰ হৈছে কি কচোন?"

প্ৰভাতৰ মাতত ঠিক খংনে বিৰক্তি আছিল তৰাই ধৰিব নোৱাৰিলে। কিছুপৰলৈ সকলো নিতাল মাৰি থাকিল। তৰা আৰু মাকে উঠি ৰাতিপুৱাৰ কামত হাত দিলে। ইফালে সাৰি শব্দ নাপাই বুঢ়াই আকৌ চিঞৰিব ধৰিলে।

— "আই অ!"

এপাকত তেওঁ দুৱাৰখন কেৰেককৈ খুলি পানীৰ টেকেলিটো লৈ বাৰীৰ ফালে লৰ মাৰিলে।

— "বেমাৰ...।"

গোৱিন্দই সুৰটো দীঘলকৈ টানিলে। অলপ পিছত কেকাই কেকাই বুঢ়া ঘৰলৈ আহিল। মুখত শাওপাতখিনি লাগিয়েই আহিল।

— "নৰকতো ঠাই নাপাবি বেটাহঁত। মোক তহঁতে যিমান অত্যাচাৰ কৰিলি ....। অ...হ! আই... ঐ ...!"

আকৌ টেকেলিটো লৈ দৌৰ। ওৰে ৰাতি টোপনি ক্ষতি কৰি পথাৰলৈ যাবলৈ ওলোৱা গোৱিন্দৰ হঠাতে টিঙিচকৈ খংটো উঠি আহিল। সিওতো বাপেকৰহে পুতেক। নাঙলখন ঠেকেচকৈ থৈ সি প্ৰভাতক ক'লে—

— "যা তাৰাতাৰি অচ্যুত ডাক্তৰক লৈ আহ। নহ'লে বেমাৰী ভাল নহয়। এলা-পেচা বেমাৰ নহয় নহয়! হা ... গ ... নি। হৰিপদহঁতৰ ঘৰৰপৰা পাণ অনা বুলি শুনিয়েই মনটো গোন্ধাইছিল। আহিলে নহয় মনোহৰৰ অসুখটো। কি চাই আছ লৰালৰি কৰ।"

— "অচ্যুত ডাক্তৰ নাহে। সেইবাৰ যিহে ভূত উজাৰি খেদিছে।"

ডাক্তৰক খেদা কথাটো গোবিন্দই নাজানে। সি তেতিয়া ককায়েকৰ ঘৰত আছিল।

— "কিয়? কি কৰিলেনো?" সি সুধিলে।

— "কি কৰিব আৰু? ভোগধৰ দাইটিহঁতৰ ঘৰত ফুৰিবলৈ গৈছিল। খুৰীৰ অসুখ। কিবা বোলে মূৰটো ৰিম্‌জিম কৰে, খাবলৈ মন নাযায়। গা দুৰ্বল। ঘৰ নাপাওতেই দেউতাৰ হ'লেই নহয় "ভেমাৰটো"। উপায় নাই, অচ্যুত ডাক্তৰক মাতি আনিলোঁ। হাইপ্ৰেচাৰ থকা মানুহ। কৰিবও পাৰে মূৰে ৰিম জিম। ডাক্তৰে চাইহে চাই "চব নাৰ্মেল"। লাহেকৈ ক'লে। "দাদা আপোনাৰ দেখোন চব ঠিকে আছে" ক'বলৈহে পালে....।"

— "অ' ভালেহে! সেইবাৰ মাৰ অসুখ হওঁতে মই মাতি মাতিও ডাক্তৰক আনিব নোৱাৰিলোঁ। বাৰু যা, ডাক্তৰে বেজী এটা নিদিলে দেউতাৰ "ভেমাৰটো" এনেয়ো ভাল নহয়। সোনকালে জীতেন ডাক্তৰকে লৈ আহ। নহ'লে বেমাৰীৰ ক'ত কি হয়!"

কেঁকাই কেঁকাই আহি দিবাকৰ পিৰালি পাইছিলহে। শেষৰ কথাখিনি শুনিয়ে কেঁৰেককে দুৱাৰখন খুলি ধমকৈ দাংডাল দি বিচনাখনত বহি ভোৰভোৰাবলৈ ধৰিলে।

— "মোৰ কিবা হ'লেই ভেমাৰ হয়!"

বুঢ়াৰ বকনি শুনিবলৈ পুতেক অৱশ্যে ৰৈ নাথাকিল। নাঙলখন কান্ধত লৈ গৰুহালৰ পিঠিত চটপ্‌-চটপ্‌কৈ দুকোবমান দি পথাৰলৈ লৈ গ'ল। আকৌ সকলো আগৰ নিচিনা হৈ পৰিল। সেয়া তৰাই চোতাল সাৰিছে। মাকে কলৰ পাৰত বাচন ধুইছে। প্ৰভাতে মুখ ধুইছে। কিছুসময় থকাৰ পিছত বুঢ়াৰ পেটটো আকৌ বিষোৱা যেন লাগিল। দিবাকৰে নিজেই নিজক ক'লে—

— "সঁচাকৈয়ে যদি মনোহৰৰ বেমাৰটো হৈছে! ডাক্তৰটোৱে আহি চাই কিবা এটা ঔষধ দিলেও অলপ শান্তি হ'ল হয়!"

কাৰো ক'তো কাণষাৰ নাই। হঠাতে তেওঁৰ বমি বমি লাগিল।

— "হ...ক হ....ক— আস! আই ঐ, অ' আই! মই মৰিলোঁ, মই মৰিলোঁ আই।"

এই কথাখিনি বুঢ়াই এক অদ্ভূত সুৰ লগাই গালে।

— "দাদা ... ঐ দাদা।"

চোতাল সাৰি থকাৰ পৰাই তৰাই চিঞৰিলে।

— "তই সোনকালে ডাক্তৰটো লৈ আহগৈ যা।"

দিবাকৰ শইকীয়া এইবাৰ মনে মনে থাকিল। অলপ পিছত চাইকেলখন ঝৰঝৰকৈ টানি লৈ প্ৰভাত ওলাই গ'ল ডাক্তৰ বিচাৰি। বুঢ়াৰ অলপ সকাহ পোৱা যেন লাগিল।

— "যি হ'ল হ'ল! ৰাতিও টোপনি নাই। ডাক্তৰ আহি পোৱালৈকে এঘুমতি এতিয়া মাৰি লোৱা যাওক।" ■



# দূৰ্গা পাগল

দেৱযানী, শিক্ষা বিভাগ

দূৰ্গাপ্ৰসাদ শইকীয়াক অঞ্চলটোৰ সকলোৱে কিন্তু দূৰ্গা পাগল বুলিহে জানে। লেতেৰা, গেলা-গোন্ধৰে এগালমান কাপোৰ জাপি-জাপি পিন্ধি থকা দুৰ্গা। দুৰ্গাকি বাটত পালে সৰু ল'ৰা-ছোৱালীয়ে পাথৰ মাৰে, পাগল-পাগল বুলি চিঞৰি জোকায়। কেতিয়াবা বেছিকৈ জোকালে সি কান্দে, প্ৰায়ে মানুহ দেখিলে সি দৌৰি পলায়। কিন্তু কাৰ পৰা? সমাজৰ মানুহৰপৰা নে নিজৰ পৰা? নে তাৰ দুগৰ্ন্ধময় শৰীৰটোৰ পৰা— মানুহবোৰক ৰক্ষা কৰিবলৈ!

মোৰ মনত পৰাৰে পৰা দূৰ্গাক সেই ৰূপতে দেখিছোঁ। ঠাণ্ডা-গৰম, ৰ'দ-বতাহ যিয়ে হওঁক এগালমান কাপোৰ পিন্ধিব। ককাইৰ আচৰণ দেখি মাজে-মাজে ভাব হয়, তেওঁ বাৰু সমাজৰ প্ৰত্যেকজন মানুহক নিজৰ এই ৰূপত আইনাহে দেখুৱাই নেকি? তেওঁক যদি কোনো লোকে মৰম কৰে, তেওঁ সেইজনৰে লগ লয়। এটা পাগল মানুহেও যে এই মানৱীয়তাকণ বুজি পায়!! জীয়াই থাকিবলৈ মানুহক বাৰু অকণমান মৰমেই লাগে নেকি? ককাই গাঁৱৰ কেইঘৰমান নিৰ্দিষ্ট মানুহৰ ঘৰলৈহে গৈছিল। আমাৰ ঘৰ, বৰদেউতাহঁতৰ ঘৰ আৰু নামঘৰৰ কাষৰ দেউতি বৰতাহঁতৰ ঘৰলৈ। ৰাতিপুৱা ককাৰ জুহালত চাহৰ অতিথি— দূৰ্গা ককাই। ভাত খাইহি মা বা বৰমাৰ ওচৰত বহি। ৰাতিৰ ভাত প্ৰায় আমাৰ ঘৰত খায়। তেওঁৰ সম্পত্তি এবিধো আছে। লাইব্ৰেৰিৰ চুকত— এটা পুৰণা টিনৰ বাকচ। সেইটো খোলাৰ গুৰুত্ব কোনেও অনুভৱ কৰা নাই যদিও আজিলৈকে অৱশ্যে কোনেও আঁতৰাই পেলোৱাও নাই। মানুহজনৰ নম্ৰ আচৰণলৈ সকলোৰে পুতৌ জন্মে। ৰাতি তেওঁ লাইব্ৰেৰিৰ বাৰান্দাতে শুই থাকে।

মই দূৰ্গাক— 'দূৰ্গা ককাই' বুলি মাতিছিলোঁ। সৰুৰে পৰাই মানুহজনে মোক বৰ মৰম কৰিছিল। মোক পুতলা বুলি মাতিছিল। প্ৰথমতে মই বৰ অসহ্য পাইছিলো। তেনেকৈ নামাতিবলৈ কওঁতে মোক এদিন তেওঁ কৈছিল, তুমি পুতলা, পুতলা বুলি নামাতি আৰু কি বুলি মাতিম? মোৰ তালৈ খং উঠে ইমান ডাঙৰ ডাঙৰ কথাবোৰ ক'ব পাৰে, কিন্তু নিজেই লেতেৰা-পেতেৰা হৈ থাকিব। ককায়ে চাহৰ লগত বিস্কুট দিবলৈ দিলে মই ওপৰৰ পৰাহে দিওঁ। চাফা হ'বলৈ দিলে নহয়। ভগৱানে হেনো এচাম মানুহক তেনেকৈয়ে স্ৰজিছে। মানুহটোৰ কথাবিলাকো বৰ আচৰিত। তেওঁক কথা ক'বলৈ অহাৰ আগতেই কেতিয়াবা কথাটো জিভাৰ পৰা কাঢ়ি আনে। মানুহবোৰে হ'বলা তেওঁক এনেয়ে বেয়া পায়! কিছুমান মানুহক যেনেকৈহে কথা ক'ব, পাগল নহৈ যেন আন কোনোবাহে। অৱশ্যে সৰুতে হেনো তেওঁ বৰ চোকা আছিল। মই এদিন ক'লো— 'বেছি চোকা মানুহবোৰ পাগল হয়েই।'

বাহিৰত কিবা পঢ়ি অহাৰ পিছতহে বোলে মানুহটোৱে মানসিক সুস্থিৰতা হেৰুৱালে। সি নিজেও লেতেৰা বুলি জানে। বিহুৰ দিনা আমি সকলোৱে ভিতৰত জলপান খালোঁ। মানুহজনক বাহিৰত দিবলৈ বেয়া লাগিল। মোৰ কুটুৰণিতে ককায়ে তাক ভিতৰলৈ মাতিলে। ভিতৰখন লেতেৰা হোৱাৰ চিন্তাতে বেটা ভিতৰলৈ নাহিল। উপায় আৰু কি? ককায়ে ময়ে জুহালতে দূৰ্গা ককাইৰ ওচৰত বহি খালোঁ। একপ্ৰকাৰে তাৰ কথাই মোক আৰু ককাক বাধ্যহে কৰিছিল যেন। মানসিক বিকাৰগ্ৰস্ত মানুহ এটাৰো কি যে মানসিক শক্তি! জীৱন সম্পৰ্কে তেওঁৰ দৰ্শনেই বেলেগ। এটা কথা কিন্তু ঠিক , আমাৰ মানুহতকৈ কোনো গুণেই সি বেলেগ নহয়। পাগলহে। পৃথিবীৰ প্ৰত্যেকজন মানুহেই বেলেগ। যমজ সন্তানৰো কিবা অকণমান পাৰ্থক্য থাকে। মানুহজন কাৰো নিচিনাই নহয়। কথাবোৰ পাগল যদিও, চিন্তা কৰি কৰিহে কয়। দুই এটা কথাহে কয় তেওঁ। তেওঁৰ আৰু এটা ভাল স্বভাৱ আছিল। কিবা বস্তু পৰি থাকিলেও গৃহস্থৰ অনুমতি নোহোৱাকৈ হাত নিদিয়ে।

প্ৰায়ে মানুহজনক দেখি মই চিন্তাত পৰোঁ। এনে এজন মানুহ অসুস্থ হ'ব পাৰে জানো? তেওঁৰ নম্ৰ স্বভাৱটোৰ কাৰণেই আমাৰ দুয়োখন ঘৰৰ মানুহে তেওঁক আদৰ কৰিছিল। আইতায়েহে কিয় জানো দেখিব নোৱাৰিছিল। আইতাৰ ভঁৰালৰ ধান চুৰ কৰে বুলিয়ে তেওঁৰ চিন্তা চাগে! মায়ে ভাত-চাহ দিলে মাকো সুদাই নেৰে। সেইকাৰণে মায়ে ককাৰ অনুমতিলৈ বাট চায়। জ্যেষ্ঠ হিচাপে মায়েও তেওঁক পুতৌ কৰিছিল। এবাৰ সৰুতে মোৰ জ্বৰ হৈছিল। মোৰ মনত নাই, ককাহঁতৰ মুখত শুনিছিলোঁ। মোৰ জ্বৰ ভাল নোহোৱালৈকে ঘৰৰ বাৰান্দাত বহি আছিল। সঁচায়ে তেওঁ বৰ জ্ঞানী মানুহ। কিন্তু এনে এজন মানুহৰ এনে দশা কিয় হল? তাক লৈহে মই বৰ চিন্তাত পৰিছিলোঁ। মোৰ সৰুৰে পৰা এটা বদ স্বভাৱ আছিল। কিবা কথাৰ পিছত পৰিলে ওৰ নাপাওঁ মানে শান্তি নালাগে। দূৰ্গাৰ বিষয়ে মনত যিবোৰ প্ৰশ্ন উঠিছিল, সেইবোৰ লাহে-লাহে মোৰ অচেতন মনত ঠাঁই খাইছিল।

তাৰপাছত দিনবোৰ তেনেকৈয়ে পাৰ হৈ থাকিল। মই পঢ়িবলৈ গুৱাহাটীলৈ আহিলো। দূৰ্গা ককাইৰ দৈনিক ৰুটিন একেখনেই আছিল। ককাৰ জুহাল, বৰদেউতাহঁতৰ ঘৰ, ...। মই Psychology বিষয়টোৰ ওপৰত অধ্যয়ন কৰিছিলোঁ। বিভিন্ন ধৰণৰ মানুহৰ মনৰ অৱস্থিতি কেনেধৰণৰ হয়, সেই বিষয়ে আমাৰ অধ্যয়ন। মনৰ স্বৰূপ কি? কোনো ব্যক্তি যদি মানসিক অশান্তিত ভোগে তেনেহলে বিশেষ কিছুমান পদ্ধতিৰে আমি সেইবোৰ সমাধান কৰোঁ। মানসিক ব্যাধি মানে কিন্তু পাগল নহয়। মানুহে তাক পাগল বুলি ভাবে যদিও উপযুক্ত চিকিৎসাৰে ইয়াক সুস্থ

কৰিব পৰা যায়। মই মোৰ অধ্যয়নৰ সময়ছোৱাত দূৰ্গা ককাইঁতৰ দৰে মানসিক অৱস্থাৰ মানুহ পোৱা নাছিলোঁ। কিন্তু মই অধ্যয়নৰ পৰা নিশ্চিত হৈছিলোঁ যে তেওঁ পাগল নহয়। তেন্তে তেওঁৰ এই অৱস্থা কিয়? তেওঁৰ মনোজগতখন আচলতে কেনেধৰণৰ? আমাৰ বিভাগৰে চেমিনাৰ এখনত ভাগ ল'বলৈ বিখ্যাত Psychologist হেলী আহিছিল। Psychologyৰ student হিচাপে আমি তেওঁৰ লগত কথা পতাৰ সুযোগ অকণ পাইছিলোঁ। কিমান নিষ্ঠা আৰু একাগ্ৰতাৰে অধ্যয়নৰত হ'লে মানুহ এজন জ্ঞানী মানুহ হ'ব পাৰে, তেওঁক দেখিহে অনুমান কৰিব পাৰিছিলোঁ। তেওঁৰ লগত কথা পাতি মই দূৰ্গা ককাইৰ কথা উলিয়াইছিলোঁ। আলোচনাৰ অন্তত দূৰ্গা ককাইৰ কথা ভাবি মই তভক মাৰিছিলোঁ। মোৰ মনৰ অনুভৱ কেনেকুৱা আছিল মই বুজাব নোৱাৰোঁ। দূৰ্গা, দূৰ্গাককাই পাগল নহয়। আমাৰ Psychologyৰ ভাষাত তেওঁ 'gitted child'। হেলীয়ে তেওঁক নেদেখাকৈয়ে তেওঁৰ বিষয়ে যিবোৰ কথা কৈছিল সেইবোৰ মই জনা দূৰ্গাককাইৰ চৰিত্ৰৰ পৰা অকণো ইফাল-সিফাল হোৱা নাছিল। হেলীৰ মাজত মই এটা চিনাকি মনৰ ৰূপ দেখা পাইছিলোঁ। ইমান দিনে মোৰ মনত খু-দোৱনি তুলি থকা সমস্যাৰ সমাধান মই পাই গৈছিলোঁ। হেলীক ধন্যবাদ জনাই মই ৰূমলৈ আহিলো। উৰি আহি যেন দূৰ্গাককাইৰ ওচৰ পামহি। ঘৰলৈ অহাটো ঠিক কৰিলোঁ। কিন্তু তাৰ আগতে মই ককাক সকলো কথা ফোনত জনালোঁ। আৰু নোৱাৰি, এনে এজন মানুহক পাগল ৰূপ দি সমাজৰ মানুহে কিমান ডাঙৰ পাপ কৰিছে তাৰ হিচাপ নাই। সমাজৰ অজ্ঞতা আৰু উপযুক্ত পৰিৱেশৰ অভাৱতে এইসকল মানুহৰ এনে দশা হয়। হেলীৰ মতে, এওঁলোকৰ স্থান সমাজৰ মানুহতকৈ বহু ওপৰত।

দূৰ্গাককাইক এবাৰ চাবলৈ মোৰ মনটো কিমান অস্থিৰ হৈ পৰিছিল, মইহে বুজিছিলোঁ। দূৰ্গা ককাইৰ বাবে একো কৰিব নোৱৰাৰ কাৰণে Psychologyৰ student হৈ মোৰ কাৰণে এই অস্থিৰতা, চৰম পৰাজয় আছিল। বাটত যিজনকে লগ পাইছিলোঁ তেওঁকেই কথাবোৰ কৈ পেলাইছিলোঁ। মোৰ গাড়ীখন আহি চোতালত ৰ'লহি। আমাৰ ঘৰখন একেবাৰে বিয়াঘৰ হোৱাদি হৈ আছে। এতিয়াহে দূৰ্গাক চবেই বুজিছে।

— "এয়া কি? কোন ঢুকাল?"

বাৰান্দাৰ এটা চুকত মা আৰু আইতা। ককায়ে নিজকে সংযত কৰি দেখুৱাইছিল। মানুহবোৰে মোৰ ফালে কি চাইছে, এনেকৈ! মাৰ চকুলৈ চালোঁ। কোনো উত্তৰ নাই। ধৈৰ্যৰ বান্ধ চিঙি গ'ল। ভয়েৰে চোতালত পৰি থকা শৱটোৰ মুখৰ পৰা কাপোৰখন গুচাই দিলো। লগে-লগে কান্দোনৰ ৰোল উঠিল। একো নুশুনা হ'লোঁ। উঃ হায়! নিয়তিৰ কি যে পৰিহাস! যি মোক আঙুলিত ধৰি ক, খ, শিকাইছিল, যাৰ কাৰণে মই Psychologyৰ student হৈছিলোঁ, গোটেই পৃথিৱীখন একাশৰীয়াকৈ থৈ মই তেওঁৰ মনৰ অধ্যয়ন কৰিছিলোঁ এই সকলোবোৰ বিফল কৰি থৈ, তেওঁ গুচি গ'ল!

তেওঁৰ কাঠ-সংস্কাৰ কৰাৰ পিছত ককায়ে মোক কেইটামান কথা কৈছিল। ককায়ে যেতিয়া মোৰ পৰা তেওঁৰ বিষয়ে কথাবোৰ শুনিলে তেতিয়াই হেনো তেওঁ গৈ ককাইৰ ওচৰ পালেগৈ। ককায়ে যেতিয়া মই কোৱা কথাখিনি ককাইৰ আগত ক'লে আচৰিতভাৱে মানুহজন প্ৰথমতে শান্ত হৈ পৰিল। বহুত পৰ হেনো তেওঁ ওপৰলৈ চাই আছিল। লাহে-লাহে তেওঁৰ চকুৰ পৰা দুটোপাল পানী ওলাই আহিল। ককাৰ ফালে চাই হেনো তেওঁ কৈছিল, 'দদাই, মোৰ সাধনা সফল হ'ল আৰু মোৰ সময়ো শেষ হ'ল।' ককায়ে তেওঁৰ কথালৈ গুৰুত্ব নিদি আমাৰ ঘৰলৈ লৈ আহিছিল। ধমকি দি ককায়ে তেওঁক গা-ধুৱাইছিল। তেওঁ সেইদিনাই হাঁহিছিল। প্ৰসন্ন মনে। আৰু ককাৰ কথামতে সুন্দৰকৈ ধূতি-পাঞ্জাৱী পিন্ধিছিল। ককায়ে তেওঁৰ মূৰত এটা বৰমূৰীয়া পাগ মাৰি দিছিল। ধূতি-পাঞ্জাৱী আৰু পাগটোৰ সৈতে হেনো তেওঁক বুঢ়াডাঙৰীয়া যেন দেখিছিল। আইতায়েও তেওঁৰ ফালে চাইছিল। দূৰ্গা ককাইয়ে যেন এটা নতুন জীৱন পাইছিল। তেওঁৰ সেইদিনা কৰা আচৰণ আনদিনাতকৈ আচহুৱা আছিল। ভিতৰলৈ আহিবলৈ বেয়া পোৱা মানুহজনে নিজেই গৈ বহুত পৰ মোৰ কোঠাত সোমাই আছিল। দুপৰীয়া ওলাই আহি ককাৰ লগত শাৰী পূৰাই ভাত খাইছিল। ইতিমধ্যে তেওঁৰ কথা গাঁৱৰ মানুহৰ মাজত বিজুলী বেগেৰে বিয়পিছিল। ভাত খাই উঠি ককাক তেওঁ কৈছিল, "পুতলালৈ আৰু মই ৰ'ব নোৱাৰিম। তাইক মনত ক্ষোভ ৰাখিবলৈ নিদিব। দদাই। মোক অনুমতি দিয়া।" ককাৰ অনুমতি লৈ তেওঁ বাট চালেনে নাই ককাৰ মনত নাই। তেওঁ মাটিত পাৰি থোৱা কঠখনতে ঢলি পৰিছিল।

ককা দেউতায়ে মোক কৈছিল, এনে এটা সময় আহিব বুলি হেনো তেওঁ আগৰ পৰায়ে জানিছিল। সেইমতেই তেওঁ প্ৰস্তুত হৈ আছিল।

মই অকণো পলম নকৰি পুথিভঁৰালৰ বাৰান্দা পালোঁ। সেই টিনৰ বাকচটো চুকতে পৰি আছে। বাকচটোৰ ভিতৰত পৃথিৱীৰ তিনিখন বিখ্যাত Psychology সম্পৰ্কীয় কিতাপ আছিল। তাৰমানে তেওঁ এইবোৰ অধ্যয়ন কৰিছিল। প্ৰতিজন মানুহৰ বিষয়ে কথাবোৰ তেওঁ সেই কাৰণেহে ক'ব পাৰিছিল। কাষত এইবোৰ কি? ফটা-চিটা বহীপাতৰ দম। প্ৰতিটো পাতত গোট গোট আখৰেৰে কিবা লিখা আছে। কি সুন্দৰ আখৰ। যি ৰহস্যৰ উদ্‌ঘাটন কৰিবলৈ পৃথিৱীত ডাঙৰ-ডাঙৰ মনোবিজ্ঞানীসকলে অহৰহ চেষ্টা চলাইছে, হেলীৰ দৰে মনিষী অপাৰগ, সেই সত্য উদ্‌ঘাটন কৰিলে দূৰ্গা প্ৰসাদ শইকীয়াই নে দূৰ্গা পাগলে?

— 'অপূৰ্ব! অপূৰ্ব তুমি দূৰ্গা ককাই। যি সমাজে তোমাক ঘৃণা কৰিছিল, সেই সমাজে তোমাৰ গুৰুত্ব উপলব্ধি কৰিলে। কিন্তু সিহঁতে এখন নতুন মুখা পিন্ধি তোমাক স্পৰ্শ কৰাৰ আগতেই তুমি বিদায় ল'লা। যি হীৰা, মুকুতাৰ পিছত আজি মানুহ দৌৰিছে, তাতকৈও মূল্যৱান স্বৰ্গৰ জ্ঞান-ভাণ্ডাৰ, তোমাৰ এই ভগা বাকচতে পৰি থাকিল। দুৰ্ভগীয়াহঁতে চিনিয়ে নাপালে। তোমাৰ মূল্যাঙ্কন কৰিবলৈ ভাষা বা শব্দৰ অভাৱ। হেলীতকৈও তুমি বহুত ওপৰত। এই সমাজৰ পৰাও তুমি কোটি-কোটি মাইল আগত দূৰ্গা ককাই!' ■



# স্মৃতিৰ আৱেশ

শিল্পী শইকীয়া, স্নাতক দ্বিতীয় যাণ্মাসিক (ভূগোল বিভাগ)

পুৱাৰ চাহ কাপ ভালকৈ খাবলৈ পালেহে বৰ্ণালীৰ মনটো ভাল লাগে, কিন্তু আজি ভাবি ভাবি কৰোঁতে চাহত মিঠা নহ'লেই। যোৱাকালি বজাৰত গাৰ্গীক লগ পাই অহাৰ পাছৰেপৰা তাই কিবা এটা চিন্তাত মগ্ন হৈ আছে। গাৰ্গীক লগ পোৱাৰ পাছৰেপৰা বৰ্ণালীৰ মনটোৱে তাইক বাৰে বাৰে তাইৰ অতীতলৈ টানি নিছে, বাৰে বাৰে সেই তিনিবছৰৰ আগৰ কথাবোৰে তাইক খুন্দা মাৰি ধৰিছেহে। সুখ-দুখৰ সেই মুহূৰ্তবোৰ চকুৰ আগত ভাঁহি উঠিছে। বৰ্ণালীৰ মনটো এক অজান পুলকত পুলকিত হৈ উঠিল।

তিনি বছৰৰ আগৰ কথা, উচ্চশিক্ষা ল'বৰ বাবে বৰ্ণালী ঘৰৰপৰা ওলাই আহিব লগা হৈছিল। মাক-দেউতাকৰপৰা কেতিয়াও আঁতৰি নথকা বৰ্ণালী সেইদিনা ঘৰৰপৰা সকলোকে এৰি আঁতৰি আহিবলৈ সাজু হৈছিল। তাইৰ মনটো গধুৰ হৈ পৰিছিল। মনত মাথো এটা কথাই খেলাইছিল তাই বাৰু মাকক এৰি থাকিব পাৰিবনে? কথাটো ভাবিলেই তাইৰ দুগালেদি দুধাৰি চকুপানী বৈ আহে। কিন্তু তাই বহুত ধৈৰ্য ধৰি আছিল, কাৰণ তাই যদি কান্দে মাকৰ অৱস্থা কি হ'ব? কিন্তু, মাকহঁতে যেতিয়া তাইক হোষ্টেলত থৈ গুছি গ'ল। তেতিয়া তাই মাকৰ কন্দনামুৱা মুখখন চাই আৰু ধৈৰ্য ধৰি থাকিব নোৱাৰিলে, কান্দিয়ে পেলালে। বৰ্ণালী এটা কথাৰ বাবেই টেনচন ফ্ৰী হৈ আছে যে তাই থাকিবলৈ অহা হোষ্টেলখন প্ৰাইভেট হোষ্টেল অৰ্থাৎ ইয়াত অন্ততঃ ৰেগিঙৰ বাবে ভয় কৰিবলগীয়া নাই। নহ'লে আজি-কালি চৰকাৰী হোষ্টেলবোৰত যেনেকৈ হে ৰেগিং কৰে, ভাবিলেই বৰ্ণালীৰ ভয় লাগে। ৰেগিং যদিও আইনগত ভাৱে উঠাই দিয়া হৈছে কিন্তু কিছুমান কলেজ আৰু হোষ্টেলত ৰেগিঙৰ নামত ছাত্ৰ-ছাত্ৰী সকলক ভাল হাৰাশাস্তি কৰে। এই ৰেগিংটোৰ কাৰণে যে কিমান ল'ৰা-ছোৱালীৰ জীৱন ধ্বংস হৈছে তাৰ হিচাপ নাই। বৰ্ণালীৰ মতে যিবোৰ কলেজ আৰু হোষ্টেলত ৰেগিং প্ৰথাটো এতিয়াও আছে তাত চৰকাৰে বিহিত ব্যৱস্থা ল'ব লাগে। যি কি নহওক, বৰ্ণালীৰ মনৰ পৰা ৰেগিঙৰ ভয়টো আঁতৰিল যদিও নানাধৰণৰ চিন্তাৰ আগমন ঘটিয়েই থাকিল।

হোষ্টেলটোত কেনেকুৱা ধৰণৰ ছোৱালী থাকে বা! ৰূমমেটজনী কেনেকুৱা হ'ব বাৰু? সকলোৰে লগত মিলিব পাৰিবনে বাৰু তাই! আদি নানানটা চিন্তাই বৰ্ণালীৰ মনটো আৱৰি থাকিল। ৰীমাও এইটো হোষ্টেলতে থাকে। ৰীমা আৰু বৰ্ণালী খুব ভাল বান্ধৱী। ৰীমায়েই বৰ্ণালীক এইটো হোষ্টেলত থকাৰ কথা কৈছিল। বৰ্ণালীহঁতৰ চহৰেৰে আৰু দুজনী ছোৱালীও ইয়াতে থাকে, বন্দনা আৰু মনালিছা।-বৰ্ণালীয়ে সিহঁতক ভালকৈয়ে চিনি পায়। তথাপি বৰ্ণালীৰ মনটো কিবা খালী খালী লাগি থাকিল। মাকহঁতৰ আগবঢ়াই আহি বৰ্ণালী নিজৰ ৰূমতে বহি থাকিল। তাইৰ ৰূমত যিজনী ছোৱালী থাকে তাই বৰ্ণালীৰ লগৰে, কিন্তু বেলেগ কলেজৰ। তাই কলেজৰপৰা আহি পোৱাহি নাই। ৰীমা বৰ্ণালীৰ কাষৰ ৰূমটোতে থাকে। তাইয়ো অহা নাই কলেজৰপৰা। বৰ্ণালী এইদৰে অকলে ৰূমত বহি থকা দেখি বন্দনা আহিল আৰু ক'লে—

— "অই! কি হ'ল? আনদিনা ইমান ফুৰ্তি কৰি থাক' আজি ইমান মন মাৰি আছ' যে কিয়? ইমান মন মাৰি থাকিবলৈ কিনো হ'ল? তই একেবাৰে ঘৰ এৰি থৈ অহা নাই নহয়, মন মাৰি নাথাকিবি আৰু আমিতো আছোৱেই।"

তাই আৰু বহুত কিবাকিবি ক'লে যদিও বৰ্ণালীৰ সেইবোৰ শুনিবলৈ মনেই নগ'ল। তাই নিজৰ ভাবতে বিভোৰ হৈ থাকিল। বৰ্ণালীৰ কোনো পৰিৱৰ্তন নেদেখি বন্দনাই তাইক বুজাবলৈ এৰি সুধিলে,

— "অই পৰিস্মিতা অহা নাই নেকি?"

কৰিশ্মাৰ প্ৰশ্নটো শুনি বৰ্ণালী আচৰিত হ'ল আৰু আচৰিত হোৱাৰ ভঙ্গীৰেই সুধিলে "কোন পৰিস্মিতা?" তেতিয়া বন্দনায়ে ক'লে—

— "অ' তইটো পোৱাই নাই ন! তোৰ ৰূমমেট, তাই আমাৰ কলেজতে পঢ়ে মোৰ লগৰ ইংলিছত মেজৰ, পঢ়াত বহুত ভাল আছিল।"

বৰ্ণালীয়ে তেতিয়াও মনটো মাৰি থকাত বন্দনায়ে বৰ্ণালীক সিহঁতৰ ৰূমলৈ লৈ গ'ল। তাতে তাই মনালিছাকো পালে আৰু কেইজনীমান ছোৱালীৰ সৈতে বন্দনাই তাইক চিনাকি কৰাই দিলে। বৰ্ণালীয়েও খুব কম সময়ৰ ভিতৰতে সিহঁতৰ লগত ফ্ৰী হৈ গ'ল। সিহঁতৰ লগত কথা-বতৰা পাতি বৰ্ণালীৰ বৰ বেয়া নালাগিল, সন্ধিয়া সময়ত তাই সিহঁতৰ সৈতে অলপ ওলাইয়ো গ'ল।

এতিয়া বৰ্ণালীৰ মনটো আগতকৈ অলপ পাতল হৈছে। সিহঁতৰ লগত কথা বতৰা শেষ কৰি সন্ধিয়া যেতিয়া বৰ্ণালী ৰূমলৈ আহিল তেতিয়াহে তাই প্ৰথমবাৰৰ বাবে তাইৰ ৰূমমেট পৰিস্মিতাক লগ পালে। ছোৱালীজনী দেখাত ভাল যেনেই লাগিল। কিন্তু খুব মুডত থাকে আৰু খুব গহীন। বৰ্ণালীৰ আন মানুহৰ লগত মিলিবলৈ বৰ বেছি সময় নালাগে। কিন্তু তাই অলপ গহীনত থকাৰ বাবেই নেকি; তাইক কিবা সুধিবলৈ

বৰ্ণালীৰ অলপ সঙ্কোচ হ'ল। তাই কিন্তু বৰ্ণালীক কিবা কিবি সুধিলে। বৰ্ণালীয়ে তলা অনা নাছিল বাবে তাই বৰ্ণালীক তলা এটাও দিলে। বৰ্ণালীৰ ছোৱালীজনীক ভালেই লাগিল। কিন্তু ফ্ৰী হ'ব নোৱৰাৰ বাবে  অলপ বেয়াও লাগিল। বৰ্ণালীয়ে আনকি তাইক তাইৰ নামটোও সুধিব নোৱাৰিলে। সেইটোও বন্দনাৰপৰাই জানিছিল। 'যি মুডত থাকে, সুধাৰ সাহ আৰু নহ'ল।' বৰ্ণালী অলপ সময় ৰুমতে থাকিল, কিন্তু তাইৰ কিবা থাকি ভাল লগা নাই, তাতে ৰুমমেটৰ লগটো ফ্ৰী হ'ব পৰা নাই। ঘৰলৈও বৰকৈ মনত পৰিছে। নাই, তাই আৰু এনেকৈ কথা-বতৰা নোকোৱাকৈ নিঃসঙ্গতাৰে থাকিব নোৱাৰে। সেয়ে তাই আকৌ বন্দনাহঁতৰ ৰুমলৈ বুলি ওলাই গ'ল। তিতা-মিঠা অভিজ্ঞতাৰে সৈতে বৰ্ণালীৰ হোষ্টেলীয়া জীৱনৰ প্ৰথমটো নিশা এনেকৈয়ে পাৰ হ'ল।

পিছদিনা শোৱাৰপৰা উঠি গা-পা ধুই বৰ্ণালী কলেজলৈ যাবলৈ সাজু হ'ল। কিন্তু এতিয়াহে আচল সমস্যাটো হ'ল, চূৰ্ণী ল'বলৈ পিন নাই। কি হ'ব এতিয়া? যি জনা ৰুমত আছে তেওঁক আৰু পিন খোজাৰ সাহস বৰ্ণালীৰ নাই। উপায় নাপাই তাই কাষৰ ৰুমত থকা ৰীমাকে মাত দিলে। ৰীমাৰ ৰুমত দুজনী ছোৱালী আছে। এজনীৰ নাম নিশিতা, তাই মেডিকেলৰ ক'চিং কৰি আছে। তাইৰ লগত কালি ৰীমায়ে চিনাকি কৰাই দিছিল। চিনাকি কৰাই দিয়াৰ পিছত বৰ্ণালীৰ তাই লগত কেবাবাৰো সাক্ষাৎ হৈছে আৰু প্ৰতিবাৰেই তাই বৰ্ণালীৰ ফালে চাই কিবা এটা কয় আৰু এটা ধুনীয়া হাঁহিৰেই সম্ভাষণ জনায়। তাই এইদৰে বৰ্ণালীক হাঁহিৰে সম্ভাষণ জনোৱাৰ আঁৰটো এটা ৰহস্য আছে। যিটো কালি ৰাতি ৰীমায়ে কওঁতেহে তাই গম পালে। আচলতে বৰ্ণালীৰ ল'ৰা সুলভ ঢং এটা আছে। মানে তাই ল'ৰাৰ নিচিনাকে থাকে আৰু সেইবাবে নিশিতাই হাঁহি পেলাই তাইক জোকাই থৈ যায়। বৰ্ণালীয়ে প্ৰথমতে কথাটো অনুভৱ কৰা নাছিল পিছত ৰীমায়ে কোৱাতহে গম পালে। নিশিতাই তাইক ঠাট্টা কৰে বুলি জানিলে যদিও বৰ্ণালীৰ তাইক বেয়া নালাগিল। হয়তো ছোৱালীজনী বহুত ফ্ৰেংক আৰু সেই বাবেই ...।

ৰীমাৰ কোঠাতে থকা আনজনী ছোৱালী অলপ ডাঙৰ। তেওঁ কোনোবা কলেজৰ প্ৰফেচাৰ বুলি ৰীমাৰ মুখৰপৰা শুনিছে যদিও তেখেতক দেখাৰ সৌভাগ্য বৰ্ণালীৰ তেতিয়ালৈকে হোৱা নাই। বৰ্ণালীয়ে ৰীমাক পিন বিচৰাত তাই ক'লে—

— "মোৰ তাতো পিন নাই। প্ৰতিমাক সুধি চাও আছে নেকি?"

সেই নেদেখা গৰাকীৰ নামেই যে প্ৰতিমা বৰ্ণলীৰ বুজিবলৈ বাকী নাথাকিল। তাই ভাবিলে হওঁক তেওঁ এই সুযোগতে অন্ততঃ দেখা পাব। কিন্তু বৰ্ণালীৰ সেই আশা পূৰণ নহ'ল। তেখেতে ভিতৰৰপৰাই পিনকেইটা ৰীমাৰ হাততে দি অলপ দমত ক'লে—

— "আহি ওভতাই দিবাহি।"

কথাৰ সুৰ শুনি বৰ্ণালীৰ খংটো টিঙিচকৈ উঠিছিল। সাধাৰণ পিন দুটাৰ কাৰণে ইমান দম। কিন্তু এতিয়া নলৈও উপায় নাই, কলেজলৈ দেৰি হৈছে। তথাপিও বৰ্ণালীৰ মনত খং এটা উঠি থাকিল। বাহিৰত কিনকিনিয়া বৰষুণ পৰি আছিল। হোষ্টেলৰ ওচৰতে কলেজখন হোৱা বাবে বৰ্ণালী বৰষুণত তিতি তিতিয়েই কলেজলৈ গ'ল। কলেজৰ প্ৰথম দিনটোত এইদৰে বৰষুণৰ আদৰণি পায় তাইৰ বেয়া নালাগিল। তাই মেট্ৰিক পাছ কৰি প্ৰথম দিনা কলেজলৈ যোৱাৰ দিনাও এইদৰেই বৰষুণ পৰি আছিল। কলেজৰ প্ৰথম দিনটোত বৰষুণে ভালকৈয়ে আদৰণি জনালে। কলেজত সোমায়ে ছোৱালীবোৰক দেখি বৰ্ণালীয়ে অলপ ভয়ো খালে যদিও এটা কথাৰ কাৰণেই অলপ সাহসো  আছিল কিয়নো সিহঁতৰ চহৰৰে তাইৰ বান্ধৱী দুজনীও আছে। কিন্তু কথা হ'ল সিহঁতক পাব ক'ত? বৰ্ণালী জুনিয়ৰ কলেজৰপৰা পাছ কৰা ছাত্ৰী। তাত প্ৰিন্সিপালজনে ক্লাছ নকৰি ফাং ফুং কৰা ল'ৰা-ছোৱালীবোৰক সদায় কৈছিল—

— "তহঁতে যে ইমান ফাং ফুং কৰি থাক? এতিয়া সকলো ৰেডিমেড্ পাইছতো আৰু ইয়াত বহুত গুৰুত্বও পাৱ যে এতিয়া গম নাপাবি। যেতিয়া ডিগ্ৰী পঢ়িবলৈ বাহিৰলৈ যাবি তেতিয়া গম পাবি, এখন বিশাল সাগৰ আৰু সেই সাগৰৰ মাজত তহঁত একো একোটা দৰিকণা মাছ।"

আজি কলেজখনৰ ভিতৰৰ এই পৰিৱেশটো দেখি বৰ্ণালীৰ ছাৰৰ কথাটোলৈ মনত পৰি গ'ল। সঁচায়ে ইয়াত কোনেৰে কাৰোলৈ চাবলৈ সময় নাই, কাৰো কথা শুনিবলৈ সময় নাই, সকলো নিজক লৈয়ে ব্যস্ত। সঁচায়ে এখন বিশাল সাগৰ। আজি গোটেই দিনটো বৰ্ণালীয়ে বৰষুণত তিতি তিতি ক্লাছৰুম বিচাৰোঁতেই পাৰ হ'ল। ভালকৈ ক্লাছ কৰাটো নহ'লেই, লগৰ কেইজনীকো বিচাৰি নাপালে। কলেজৰপৰা ৰুমলৈ বুলি আহোঁতে তাইৰ লগৰ সুৰভি আৰু মৰমীক লগ পালে। দুয়োজনী এইখন কলেজৰে গাৰ্লছ হোষ্টেলত থাকে। দুয়োজনীক  দেখি বৰ্ণালী আচৰিত হৈ গ'ল, আৰে ইহঁতৰচোন অৱস্থাই নাই। দুয়োজনীৰে মুখ কেইখন শেতা আৰু চকু কেইটাও চলচলীয়া হৈ আছে। বৰ্ণালীয়ে সিহঁতক কি হৈছে সোধাত দুয়োজনীয়ে ক'লে, সিহঁতক হেনো হোষ্টেলত বহুত বেয়াকৈ ৰেগিং কৰে। চিনিয়ৰৰ কথা নুশুনিলে গালিটো পাৰেই আৰু খোৱাৰ সময়তো ভালকৈ খাবলৈ নিদিয়ে। কিবা কিবি কমেণ্ট পাছ কৰি থাকে। সিহঁতৰ অৱস্থাটো দেখি বৰ্ণালীৰ বহুত বেয়া লাগিল। সিহঁতে তাইক ক'লে, সিহঁত আৰু হোষ্টেলত নাথাকে আৰু এনেকৈ সহ্য কৰি থাকিব নোৱাৰে।

সিহঁতৰ কথাবোৰ শুনি বৰ্ণালীৰ অসমৰ এই দুৰ্নীতিগ্ৰস্ত অৱস্থাটোৰ কথা ভাবি বহুত বেয়া লাগিল। বৰ্ণালী আজি হোষ্টেললৈ অহা তিনিদিনমান হ'ল। কিন্তু তাই এতিয়ালৈকে তাইৰ ৰুমমেটজনীৰ লগত ফ্ৰীয়ে হ'ব পৰা নাই। তাইৰ লগত



কথা পতা হয়, কিন্তু ইমান ফ্ৰী হ'ব পৰা নাই। কিন্তু আজি তাই বৰ্ণালীক এটা ডাঙৰ বিপদৰপৰা বচালে। ৰাতি হোষ্টেলৰ চাদলৈ যোৱা নিষেধ আৰু সেই কথাটো ৰীমা, বৰ্ণালী, বন্দনাহঁতে নাজানে। সেয়ে সিহঁতে ৰাতি নমান বজাত গোটেই কেইজনীয়ে চাদত আড্ডা দি আছিল আৰু কথাটো হোষ্টেলৰ ভাত ৰন্ধা মানুহজনীয়ে গম পালে আৰু ভাত আনিবলৈ যাওঁতে তেওঁ সকলোকে ভালকৈ গালি দিলে। কিন্তু পৰিস্থিতাই বৰ্ণালীৰ ভাতকেইটা আগতেই লৈ অহা বাবে তাই ভাত আনিবলৈ যাব লগা নহ'ল আৰু  তাই যে চাদলৈ গৈছিল কথাটো কোনেও গম নাপালে। গতিকে তাই গালি খোৱাৰ পৰাও বাচি গ'ল। কিন্তু লগৰ কেইজনীয়ে গালি খোৱাৰ বাবে তাইৰ বহুত বেয়া লাগিল। ৰুমত আহি পৰিস্মিতাই বৰ্ণালীক বহুত কিবা কিবি বুজালে—

— "আজিৰপৰা ৰাতি আৰু চাদত নাযাবা; আজিযে গৈছিলা সেইটো কথা কাকো নক'বা।"

তাই আৰু বহুত কিবা কিবি ক'লে। তাই আজিহে এনেকৈ বৰ্ণালীৰ লগত কথা পাতিছে। আৰু বৰ্ণালীৰো আজিহে তাইৰ লগত কথা পাতি ভাল লাগিছে লগতে তাইকো ভাল লাগিল। এই কাৰণে নহয় যে তাই বৰ্ণালীক গালি খোৱাৰ পৰা বচালে, এই কাৰণে যে তাই দুদিন চিনি পোৱা ছোৱালী এজনীৰ কথা ইমানখিনি ভাবিব পাৰিছে। ভালটো লাগিলেই কিন্তু নিজৰ ওপৰত খঙো উঠিল এই কাৰণেই যে ছোৱালীজনীয়ে তাইক ইমান সহায় কৰিলে, কিন্তু তাই তাইৰ সম্পূৰ্ণ নামটোকে আজিলৈকে ভালকৈ নাজানে। তাই অলপ  গহীন হৈ থাকে বাবেই তাইৰ লগত কথাও নাপাতে। বৰ্ণালীৰ তাইক সুধিবলৈ একো নথকাত তাই লাহেকৈ হাঁহি পেলাই ক'লে—

— "ৰাজখোৱা! মই আহো।"

তাই আজি অলপ ভাল মুডত কথা পতা দেখি বৰ্ণালীয়ো তাইৰ আচল ফ'মত আহি গ'ল আৰু তাইক জোকালে—

— "অ' ৰজাৰ বংশধৰ মানে।"

কথাষাৰ কৈ হে ভাবিলোঁ— কি ক'লোঁ। এই জনাৰ যিহে খং, বেয়া নাপালেই আছে। কিন্তু তেনেকুৱা একো নহ'ল। বৰ্ণালীয়ে ধেমালিৰে কোৱা কথাষাৰ পৰিস্মিতাই ধেমালিৰে সমৰ্থনো কৰিলে। বৰ্ণালীয়ে মনতে ভাবিলে— অ' বস্তু তাৰমানে গৰম আছে, পিছে মইহে তেওঁৰ কথা তেনেকৈ ভাবিছোঁ, তেওঁ বা মোৰ কথা কি ভাবিছে? যিহে উৎপাত কৰি থাকোঁ, পাগল বুলি নাভাবিলেই আছে। যিয়েই নাভাবক আনৰ ভাবনাকতো আৰু বাধা দিব নোৱাৰি; গতিকে নিজৰ ভাবনাকে বাধা দি বৰ্ণালী শুবলৈ গ'ল। আজি এদিনহে পাইছে, আগলৈ বা কি হয়? বেছি গৰম হ'লেও বেয়া, বেছি ঠাণ্ডা হ'লেও বেয়া, মুঠৰ ওপৰত ফূৰ্তি কৰা বিধৰ হ'লেই বৰ্ণালীৰ শান্তি আৰু!

এনেকৈয়ে বৰ্ণালী প্ৰায় হোষ্টেলৰ সকলো ছোৱালীৰে লগতে মিলি পৰিছে। বৰ্ণালীহঁতৰ ৰুমৰ ভিতৰফালে আৰু এটা ৰুম আছে তাত থকা ছোৱালী দুজনীৰ লগত মাত্ৰ বৰ্ণালীৰ মাত-বোলহে আছে। বাকীবিলাকৰ দৰে সিহঁতৰ লগত ইমান ফ্ৰী নহয়। আচলতে সিহঁত দুজনী অলপ বেলেগকৈয়ে থাকে। এজনীৰ নাম জুলি, তাই হায়াৰ ছেকেণ্ডেৰীৰ ফাইনেল ইয়েৰ আৰু আনজনী প্ৰিয়াঙ্কী, তাই পেৰামেডিকেলৰ ক'চিং কৰি আছে। আজি এটা নঘটিবলগীয়া ঘটনা ঘটিল। জুলিহঁত বাহিৰলৈ আহিলে বৰ্ণালীহঁতৰ ৰুমেৰে আহিবলগীয়া হয়। বৰ্ণালীহঁতৰ দৰ্জাখন বন্ধ থাকিলে সিহঁতৰ ৰুমলৈ যোৱাৰ বেলেগ ৰাস্তা নাই। আজি কি হ'ল, পৰিস্মিতা কলেজলৈ যাওঁতে দৰ্জাখনত তলা লগাই গ'ল তাইৰ ক্লাছ প্ৰায় দুটা-তিনিটামানলৈ থাকে। বৰ্ণালীৰো ক্লাছ দেৰিলৈকে থাকে। প্ৰিয়াঙ্কীৰ ক্লাছ সদায় সোনকালে শেষ হয় আৰু  তাই সোনকালেই আহে। আজি তাই আৰু জুলি দুয়োজনী সোনকালে আহিল আৰু ৰুমত তলা মাৰি থোৱাৰ বাবে সিহঁত বাহিৰতে থাকিব লগা হ'ল। তলাটোৰ চাবি সিহঁতৰ তাত নথকা নহয়, হয়তো নিবলৈ পাহৰিলে। বৰ্ণালীৰ কিবা কাৰণবশতঃ ক্লাছ সোনকালে শেষ হ'ল আৰু সেয়ে তাই সোনকালেই উলটি আহিল। আহিয়েই সিহঁতক বাহিৰত বহি থকা দেখি তাই প্ৰথমতে অলপ আচৰিত হ'ল কিন্তু দৰ্জাখনত তলাটো দেখি ঘটনাৰ গুৰি বুজিবলৈ বৰ্ণালীৰ বাকী নাথাকিল। সিহঁতৰ লগত ইমান কথা বতৰা নহয় যে তথাপিও তাই সোধো-নোসোধাকৈ প্ৰিয়াঙ্কীলৈ চাই সুধিলে—

— "বাহিৰত আছা যে, চাবি নিনিলা হ'বলা?"

বৰ্ণালীৰ প্ৰশ্নটোৰ কোনো উত্তৰ নিদিলে প্ৰিয়াঙ্কীয়ে আৰু দৰ্জাখন খুলি দিয়াৰ লগে খুব মুডত তাই ৰুমলৈ সোমায় গ'ল। জুলিয়ে বৰ্ণালীলৈ চাই লাহেকৈ ক'লে—

— "পাহৰিলোঁ নিবলৈ।"

প্ৰিয়াঙ্কীৰ এনে আচৰণত বৰ্ণালীৰ বহুত বেয়া লাগিল। তাইৰ ওপৰত খং উঠিল যদিও আকৌ ভাবিলে বহুত সময় বাহিৰত ৰৈ আছে বাবে তাইৰ খং উঠি আছে চাগৈ, সেইবাবে এনেকুৱা কৰিলে। এনেয়ো তাই কথা-বতৰা অলপ কমেই কয়। যি হ'ল সেইটো কথা সিমানতে বাদ দি বৰ্ণালী নিজৰ কামত লাগিল। অলপ সময়ৰ পাছত জুলি বৰ্ণালীৰ ওচৰলৈ আহিল আৰু 'মিৰাণ্ডা'ৰ বটল এটা দি ক'লে—

— "এইটো খোৱা, প্ৰিয়া বায়ে দিছে।"

বৰ্ণালী আচৰতি হ'ল। আৰে কেনেকুৱা ধৰণৰ কথা! মানে নামাতে, কিন্তু খাবলৈ বস্তু পঠাই দিয়ে। হয়তো অথনি কৰা ব্যৱহাৰৰ বাবে তাইৰো বেয়া লাগিছে। খং কৰিলে আৰু এতিয়া 'মিৰাণ্ডা' পঠিয়াই 'চৰি' কৈছে। তাইৰ 'চৰি' কোৱা ষ্টাইলটো বৰ্ণালীৰ বেয়া নালাগিল আৰু কাণ্ডটো দেখি হাঁহিও উঠিল। তাইৰ ওপৰত বৰ্ণালীৰ খং এটা উঠি আছিল যদিও এতিয়া আৰু তাৰ প্ৰভাৱ নাই। আজি দুপৰীয়া ভাত খাবৰ সময়ত বৰ্ণালীয়ে সিহঁতক ভাত খাবলৈ লগ ধৰিলে আৰু একেলগেই খালে। সিহঁতৰ লগত তাই বহুত কিবা-কিবি কথাও

পাতিলে। এতিয়া বৰ্ণালীৰ সিহঁতৰ লগতো ভালেই। তায়ো সিহঁতক ভালকৈ মাতে আৰু তাইৰ লগত সিহঁতে কিবা-কিবি ধেমালি কৰে। বৰ্ণালী অলপ উৎপতীয়া স্বভাৱৰ আৰু তাইৰ মাতটোও অলপ ডাঙৰ। তাইৰ মতে, জীৱনটো দুদিনীয়া, যাক ফূৰ্তি তামাচা কৰিয়ে পাৰ কৰিব লাগে। দুখ সকলো মানুহৰে জীৱনত থাকে। জীৱনত সুখৰ মুহূৰ্ত খুব কমেই থাকে আৰু দুখৰ মুহূৰ্ত বহুত বেছি থাকে। গতিকে যিখিনি সময়ত মানুহৰ কোনো দুখ নাথাকে আৰু মনত কোনো ধৰণৰ চিন্তা ভাবনা নাথাকে সেই মুহূৰ্ততো এনেয়ে পাৰ কৰাতকৈ ফূৰ্তি কৰিব লাগে। সেই ফূৰ্তিকণেই কেতিয়াবা নহয় কেতিয়াবা দুখৰ মুহূৰ্ততো সুখৰ সন্ধান দিয়ে বুলি বৰ্ণালীয়ে বিশ্বাস কৰে। তাইৰ মতে যি সময়ত কোনো ধৰণৰ চিন্তা-ভাবনা নাথাকে, সেই সময়ত নিজেও সুখত থাকিব লাগে আৰু আনকো সুখত ৰাখিব লাগে।

সেই বুলিয়ে বৰ্ণালীহঁতে হোষ্টেলত যে কেৱল ফূৰ্তিয়েই কৰিছিল তেনে নহয় সিহঁতৰ গ্ৰুপটোৱে পঢ়া-শুনাটো সমানেই গুৰুত্ব দিছিল। বৰ্ণালীক এতিয়া হোষ্টেলৰ সকলোৱে চিনি পায় আৰু তায়ো প্ৰায় সকলোকে চিনি পোৱা হৈছেহি। হোষ্টেলৰ প্ৰায়খিনি ছোৱালীয়ে তাইক ভালকৈয়ে মাতে আৰু তায়ো সকলোকে ভাল ব্যৱহাৰেই কৰে। তথাপিও এজনী আছিল যিজনীৰ লগত ভালকৈ মাতবোল হোৱাটো দূৰৰে কথা এতিয়ালৈকে ভালকৈ দেখা সাক্ষাৎ যে হোৱা নাই সেইজনা আৰু কোনো নহয় ৰীমাৰ ৰুমমেট প্ৰণতিবা। ভগৱানৰ কৃপাত আজিহে বৰ্ণালীয়ে তেখেতক দেখা পাইছে। আজি তেওঁ বৰ্ণালীহঁতৰ লগতে ভাত খাবলৈ গ'ল। বৰ্ণালীৰ সিদিনাখন পিনৰ কথাটোৰ বাবে অলপ খঙো উঠি আছিল যদিও তাই বাক ভালকৈয়ে মাতিলে। বায়ে তাইক কিবা কিবি সুধিলে, খং উঠি আছিল তথাপিও তাই বাক ভালকৈয়ে উত্তৰ দিলে আৰু ডাঙৰ দেখি অলপ সন্মানো কৰিলে। প্ৰথমতে যিদৰে বৰ্ণালীয়ে প্ৰণতি বালৈ ভয় কৰিছিল আজি-কালি ভয় প্ৰায় কমি গৈছে। এতিয়া তাই বাক ভালকৈয়ে মাতে আৰু বায়ে তাহাতক অলপ শাসনো কৰে আৰু বা ডাঙৰ বাবে সিহঁতে বাৰ কথা মানিও চলে। বৰ্ণালী সিদিনাখন কিবা কথাৰ প্ৰসঙ্গত ৰীতা চৌধুৰীৰ উপন্যাস এখনৰ কথা কৈ আছিল আৰু তাকে হয়তো বায়ে শুনিয়ে আৰু সন্ধিয়া সময়ত তাইক ৰুমলৈ মাতি পঠালে। হঠাৎ এনেকৈ মতাত বৰ্ণালীয়ে অলপ ভয়ো খালে। কিন্তু ডাঙৰে মাতিছে যেতিয়া যাবটো লাগিবই! বৰ্ণালী ভয়ে ভয়ে গ'ল যদিও বায়ে কোনো ভয় খাবলগীয়া কথা সুধিবৰ বাবে মতা নাছিল যেনিবা। উসঃ ৰক্ষা, নহ'লে বায়ে যিহে দম দিয়ে; কিন্তু বায়ে ৰীতা চৌধুৰীৰ উপন্যাসখনৰ কথাহে সুধিলে আৰু কাহিনীটো অলপ ক'বলৈ ক'লে। বৰ্ণালীয়ে বাক উপন্যাসখনৰ বিষয়ে ক'লে—

আগষ্ট মাহৰ প্ৰথম ৰবিবাৰ অৰ্থাৎ ফ্ৰেইণ্ডশ্বিপ্ ডে'। বৰ্ণালীয়ে মনতে ভাবিয়ে আছিল এইবাৰ ফ্ৰেইণ্ডশ্বিপ্ ডে' হ'ব নে নহ'ব! প্ৰণতিবায়ে ক'লে—

— "ইয়াত আমি ক'ব ক'ৰপৰা যে আহি মিলিছোহি। আমাৰ সকলোৰে মাজত এতিয়া প্ৰায় এটা ভাল বিলেশ্বনশ্বিপ্ গঢ়ি উঠিছে। গতিকে কালিলৈ আমি সকলোৱে মিলি ফ্ৰেইণ্ডশ্বিপ্ ডে' পাতো দিয়া।"

বৰ্ণালীয়ে প্ৰথমতে বায়ে মানা কৰিব বুলি ভাবিছিল। কিন্তু নাই বায়েও সমৰ্থন কৰিলে। সেয়ে পিছদিনা শোৱাৰপৰা উঠিয়েই বৰ্ণালী, পৰিস্মিতা আৰু গাৰ্গী মিলি গাৰ্গীহঁতৰ ৰুমটো সুন্দৰকৈ সজালে। জুলি আৰু প্ৰিয়া সেই সময়ত হোষ্টেলত নাছিল। কিন্তু সিহঁত সন্ধিয়া আহি পাম বুলি কোৱাত প্ৰগেমটো সন্ধিয়ালৈকে কৰা হ'ল। গোটেই দিনটো সজোৱা পৰোৱা আদি কামবোৰ কৰি বৰ্ণালীহঁতে গোটেই দিনটো বহুত এনজয় কৰিলে। তেওঁলোকে সন্ধিয়াৰ বাবে ধেমেলীয়া কিবা কিবি উলিওৱাৰ লগতে ফ্ৰেইণ্ডশ্বিপ্ ডে'ৰ ওপৰত কোনে কি ক'ব তাৰো প্ৰস্তুতিও চলালে। সন্ধিয়াৰ পাৰ্টীলৈ সিহঁতে হোষ্টেলৰ ৱাৰ্ডেন, ভাত বন্ধা মানুহজনী মানে বা আৰু তেওঁক সৰু-সুৰা কামত সহায় কৰা দেৰোক অতিথি হিচাপে নিমন্ত্ৰণ দিলে। আটাইতকৈ ফূৰ্তি লাগিল তেতিয়া যেতিয়া আণ্টি মানে বৰ্ণালীহঁতৰ ৱাৰ্ডেন পাৰ্টীলৈ আহিল। কিয়নো আণ্টিয়ে চেলোৱাৰ আৰু কামিজ পিন্ধি আহিছিল। তেওঁ সদায় শাৰী পিন্ধিয়ে থাকে আৰু প্ৰথমবাৰৰ বাবে আণ্টিক এনেকৈ দেখি সকলো আচৰিত হ'ল আৰু সমানে আচৰিত হ'ল আণ্টিও সকলোকে ফৰ্মেল ড্ৰেচত দেখি। বৰ্ণালীহঁতে তেখেতক ফ্ৰেইণ্ডশ্বিপ্ ডে' পাতিছো বুলি নিমন্ত্ৰণ দিলে আৰু তেখেতে শুনিলে ফ্ৰেন্সি ড্ৰেচ কম্পিটিশ্যন্। গতিকে তেখেতেও জমাবলৈ তেনেকৈ সাজি কাছি আহিছে। কিন্তু আহিহে গম পালে যে সেয়া ফ্ৰেন্সি ড্ৰেছ কম্পিটিশ্যন্ নহয় ফ্ৰেইণ্ডশ্বিপ ডে'ছ্যালিব্ৰেছন্ হে। আণ্টিয়ে ভুলকৈ শুনাৰ বাবে বৰ্ণালীহঁতৰ এনজয়মেন্ট্ দুগুণে বাঢ়িল। আজিৰ এই ফ্ৰেইণ্ডশ্বিপ ডে' ৰ অনুষ্ঠানটো বৰ্ণালীহঁতৰ তিনিটা ৰুমৰ ছোৱালীখিনিক আৰু ওচৰচপাই আনিলে।

সেইদিনাখনৰপৰা সিহঁত ৰুমমেট, ৱালমেট গুচি ট্ৰু ফ্ৰেইণ্ড হৈ পৰিল। সঁচায়ে বৰ্ণালীৰ গোটেই দিনটো আৰু সন্ধিয়া পাৰ্টীটো বহুত ভাল লাগিল। সঁচায়ে এই দিনটো তাই জীৱনত কেতিয়াও নাপাহৰে। বৰ্ণালীয়ে সপোনতো ভবা নাছিল যে তাই ঘৰৰপৰা ওলাই আহি এনেকুৱা কিছুমান ফ্ৰেইণ্ড আৰু এনেকুৱা পৰিৱেশ পাব য'ত তাই নিজকে এনেদৰে খাপ-খুৱাই ল'ব পাৰিব। সঁচায়ে এই সকলোবোৰ বৰ্ণালীৰ কল্পনাৰ বাহিৰত আছিল। এই সকলোবোৰৰ বাবে বৰ্ণালী তাই মাকৰ ওচৰত চিৰ কৃতজ্ঞ হোষ্টেললৈ অহাৰ আগতে মাকে তাইক প্ৰায় এটা কথাকে বুজাইছিল—

— "তই এতিয়া বাহিৰলৈ যাবি আৰু অকলে থাকিব লাগিব, তাত নানান ধৰণৰ ছোৱালী পাবি। সিহঁতৰ লগত মিলি জুলি থাকিব লাগিব। তই যেনেকৈ ইয়াত আমাক এৰি থৈ যাবি তাহাতেও ঘৰৰ সকলোকে এৰি থৈ আহিছে, গতিকে কেতিয়াও কাৰো অন্তৰত লগাকৈ কথা নক'বি। এৰাধৰাৰ মাজেৰে চলিবি। তাহাতকে আপোন বুলি ভাবিবি। তেতিয়া সিহঁতেও তোক আপোন বুলি ভাবিব। সিহঁতৰ কিবা প্ৰয়োজন থাকিলে সহায়ো কৰিবি। সকলোকে যদি আপোন বুলি ভাবি মিলিব পাৰ, চাবি তেতিয়া তোৰ ঘৰলৈও কমকৈ মনত পৰিব।"

মাকৰ কথাকেইটা শুনি বৰ্ণালীৰ বহুত দুখ লাগিছিল কিন্তু মাকৰ সেই কথাষাৰৰ মূল্য ৰাখিছিল। তাই সকলোৰে লগতে আন্তৰিকতাৰেই সম্পৰ্ক কৰিছিল আৰু সিহঁতৰপৰা আন্তৰিক সমৰ্থনো পাইছিল। অকল সুখতেই যে সকলো একে লগে আছিল তেনে নহয়, সিহঁতে ইজনীয়ে আনজনীৰ দুখতো সমভাগী হ'ব জানিছিল। তাইৰ বান্ধৱীসকলৰ মাজৰ এই গুণটোৱে অতিকৈ প্ৰিয়। সিহঁতে যেনেকৈ সুখত থাকে সমানে দুখৰ সময়তো সহায় কৰে। বন্ধুত্বৰ অৰ্থ কেৱল নিঃসঙ্গতা দূৰ কৰাৰ লগৰী নহয়, ইয়াৰ প্ৰকৃত অৰ্থ হৈছে বন্ধুৰ সুখত সুখী হোৱা আৰু দুখতো সমভাগী হোৱা। সেয়ে আজি বন্ধুত্বৰ দিনত বৰ্ণালীৰ এনে কিছুমান বান্ধৱী পাই মনটো সীমাহীন আনন্দৰে ভৰি পৰিছে।

পিছদিনা সোমবাৰ। ৰাতি দেৰিকৈ শোৱাৰ বাবে বৰ্ণালীৰ উঠা অলপ দেৰি হ'ল। তাই ঘড়ীটোলৈ চাই দেখে ন বাজিল চোন। কালি তৃষ্ণায়ে তাইক ফোন কৰি সোনকালে আহিবলৈ কৈছিল, লাইব্ৰেৰীত কিতাপ এখন বিচাৰিবলগীয়া আছে বাবে। এতিয়াচোন দেৰিয়ে হ'ল আজি তাই তৃষ্ণাৰ পৰা ভাল গালি খাব লাগিব। তৃষ্ণা-বৰ্ণালীৰ কলেজৰ ফ্ৰেইণ্ড। দুয়োজনীৰে মেজৰো একেটা বিষয়তে। তৃষ্ণা ছোৱালীজনীৰ অন্তৰখন বহুত ভাল। তাই ইমান কম সময়ৰ ভিতৰতে বৰ্ণালী, সুৰভি আৰু মৰমীৰ লগত ভালকৈয়ে মিলি পৰিছে। তাই বহুত হেল্পফুল। সিহঁত কেইজনী কলেজত প্ৰায় একেলগেই থাকে আৰু ডিমিটো আছেই। মৰমী, বৰ্ণালী আৰু ডিমি আগৰেপৰা ভাল বান্ধৱী। সুৰভি সিহঁতৰ একেখন চহৰৰে যদিও বৰ্ণালীৰ আগয়ে তাইৰ লগত ইমান ভাল সম্পৰ্ক নাছিল। ইয়ালৈ আহিহে তাইৰ লগত ভাল হৈছে। কলেজৰ হোষ্টেলত সিহঁতক প্ৰথম কেইদিন বহুত বেছি ৰেগিং কৰাৰ বাবে সিহঁত তাত থাকিব নোৱাৰিলে। সুৰভি এতিয়া বৰ্ণালীহঁতৰ হোষ্টেলতে থাকে। মৰমী আৰু ডিমি একেলগে একেটা ৰুমত থাকে। সুৰভি ছোৱালীজনী বৰ বেয়া নহয় তাইৰ এটাই প্ৰব্লেম, তাইৰ নিজৰ ওপৰত অলপো ভৰসা নাই। তাই নিজে কি কৰিব সেইটোও আনক সুধে আৰু অলপ কথাতে খুব ভয় খাই থাকে। তাই কিবা অদ্ভুত কথা কিছুমান চিন্তা কৰি থাকে। তাই প্ৰথম হোষ্টেললৈ অহাৰ দিনা, প্ৰথম আহিছে কাৰণে হয়তো অলপ ভয়ো খাইছিল আৰু সেয়ে তাই ৰাতি বৰ্ণালীৰ লগতে শুলে। পিছদিনা ৰাতিপুৱা শোৱাৰ পৰা উঠি বৰ্ণালীয়ে তাইক ৰাতি ভালকৈ টোপনি গৈছিল নে নাই, ভয় খাইছিল নেকি বুলি সোধাত তাই ক'লে—

— "কালি কি হ'ল জানা? মই যে সপোনত ক্ষীণ হাতী এটা দেখিলোঁ আৰু হাতীটোৰ শুঁৰ ডাল যে লেচেকেনি ডালৰ নিচিনা ক্ষীণ।"

তাইৰ কথাটো কোৱাৰ ধৰণ দেখি বৰ্ণালী আৰু পৰিস্মিতা হাঁহিত থাকিব নোৱাৰিলে। তাই দেখিছেও দেছিছে ক্ষীণ হাতী দেখিছে। বৰ্ণালীহঁতে হঁহা দেখি তাই অলপ লাজো পালে। তেতিয়াৰ পৰা তাইক হোষ্টেলত সকলো "ক্ষীণ হাতী" বুলিয়ে মাতে। কথাবোৰ ভাবি ভাবি বৰ্ণালী কেতিয়ানো আহি কলেজ পালেহি গমকে নাপালে।

কলেজৰ গেটৰ মুখত মনত পৰিল যে তাই লাইব্ৰেৰিত সোনকালে আহি কিতাপ বিচৰাৰ কথা আছিল। তৃষ্ণায়ে তাইক গালি দিব বুলি ভাবিছিল যদিও তাই একো নক'লে। দুয়োজনী লাইব্ৰেৰীলৈ গ'ল আৰু প্ৰয়োজনীয় কিতাপ দুখন মান লৈ ৰিডিং ৰুমলৈ গ'ল। ৰিডিং ৰুমত বৰ্ণালীয়ে সিহঁতৰ ডিপাৰ্টমেন্টৰ সন্ধ্যাক পালে। তাই কিবা লিখি আছিল। তৃষ্ণাই তাইক মাত দিলে। সন্ধ্যা ছোৱালীজনী পঢ়াত বিশেষ বেয়া নাছিল। কিন্তু আজি-কালি তাই কলেজলৈ সদায় আহে যদিও ক্লাছ এটাও নকৰে কেতিয়াবাহে কৰে। বৰ্ণালীহঁতে তাইক ঘূৰি ফুৰায়েই দেখে। আৰু টকা এনেকৈ খৰচ কৰে যেন, পানীহে পেলাইছে। তাইক দেখিলে বৰ্ণালীৰ মনত প্ৰায়েই এটা প্ৰশ্ন উঠে তাইৰ বাৰু মাক-দেউতাকে জানেনে— তাই যে কলেজলৈ আহি ক্লাছ নকৰাকৈ এনেকৈ ঘূৰি ফুৰিছে! তেওঁলোকৰ চাগে কিমান আশা আছে তাইৰ ওপৰত। তাই বাৰু কেতিয়াও অনুভৱ নকৰেনে? অৱশ্যে, তাইৰ কথা— তায়ে জানে। মানুহৰ জীৱনটো এই পৃথিৱীখনৰ সমানেই ডাঙৰ, গতিকে তাত সন্ধানহীন হোৱাটো ডাঙৰ কথা নহয়। ডাঙৰ কথা হৈছে নিজকে বিচাৰি লৈ প্ৰতিষ্ঠা কৰাটোহে। তায়ো এতিয়া সন্ধানহীন, হয়তো কেতিয়াবা নিজকে বিচাৰি পাব, কিন্তু তেতিয়ালৈ দেৰি নহ'লেই হ'ল!

আগদিনা ৰাতি দেৰিলৈকে থকাৰ বাবে বৰ্ণালীৰ টোপনি টোপনি ভাব এটা আহিল বাবে তাই কিতাপ এখন মেলি ল'লে যদিও বেছি সময় পঢ়িব নোৱাৰিলে। সেয়ে তাই ডেস্কতে মূৰটো পেলাই দিলে। তৃষ্ণায়ে কিন্তু ভালকৈয়ে পঢ়িলে আৰু মাজে মাজে কিবা পালে বৰ্ণালীকো দেখুৱালে। এবাৰ লাইব্ৰেৰিয়ান ছাৰজনে সিহঁত দুজনীয়ে তেনেকৈ কথা পতা দেখিলে আৰু ছাৰে আহি সিহঁতক এবাৰ ৱাৰ্নিং দি গ'ল— কথা নাপাতিবলৈ আৰু বৰ্ণালীলৈ চাই ক'লে—

"তাই কিবা পঢ়ি আছে নহয়, তুমিও কিতাপ এখন মেলি চোৱা। এনেকৈ ইয়াত মূৰ পেলাই নাথাকিবা।"

অলপসময় যোৱাৰ পাছত তৃষ্ণাই আকৌ কিবা এটা বৰ্ণালীক সুধিছিল আৰু ছাৰে দেখি সিহঁতে কথা পাতি আছে বুলি ভাবি দুয়োজনীকে সকলোৰে আগতে ধমকি দিলে আৰু তাৰ পৰা উলিয়াই দিলে। অফিচলৈ আনি দুয়োজনীৰ কাৰ্ড

দুখনো কেন্‌চেল কৰি দিলে। ঘটনাটো ইমান হঠাৎ ঘটিল যে সিহঁতে এৰেকো টলকিবই নোৱাৰিলে। তৃষ্ণা ছোৱালীজনী অলপ চিৰিয়াছ টাইপৰ, সেয়ে তাই কান্দিয়ে পেলালে। বৰ্ণালীয়ে নাকান্দিলে যদিও তাইৰো বৰ বেয়া লাগিল।

সিহঁতে সকলোৰে আগত লাজ পালে। দুয়োজনী লাইব্ৰেৰিৰপৰা আহি ডিপাৰ্টমেণ্টত মন মাৰি বহি থাকিল। সকলোৰে আগত কান্দিবও পৰা নাই। বৰ্ণালীৰো বেয়া লাগিছিল যদিও তৃষ্ণাৰ বাবেহে বেছিকৈ বেয়া লাগিল। তাই বহুত চিৰিয়াছ। আৰু আজি একমাত্ৰ বৰ্ণালীৰ বাবেই তাইৰ এনেকুৱা অৱস্থা হ'ল। বৰ্ণালীৰ নিজৰ ওপৰতেই খং উঠিল। অলপ তেনেকৈ বহি থকাৰ পাছত তাই তৃষ্ণাক ক'লে—

— "ঐ এনেকৈ কান্দি থাকি আৰু লাভ নাই। ব'ল আমি ছাৰক চৰি কওঁগৈ।"

তায়ো পৰি মৰা বিধৰ নাছিল। চকুপানী মচি মচি ক'লে—

— "হয় দে, ব'ল ভুলটো হৈছেই। আমি ছাৰক গৈ ক্ষমা খুজিম। যি হয় দেখা যাব।"

দুয়োজনী লাইব্ৰেৰিলৈ উলতিল। ভয়ে ভয়ে ছাৰৰ কেবিনলৈ গ'ল। তেতিয়ালৈ ছাৰৰ খঙটো অলপ কমিছিল। সিহঁতে গৈ সঙ্কোচ মনেৰে ক্ষমা খুজিলে আৰু দ্বিতীয়বাৰ এনেকুৱা ভুল আৰু কেতিয়াও নকৰোঁ বুলি ক'লে। ছাৰজন খঙাল আছিল যদিও বহুত ভাল আছিল। ছাৰে হাঁহি হাঁহিয়ে সিহঁতক সুধিলে—

— "তহঁতে ক্ষমা খুজিবলৈ নিজেই আহিছ নে কোনোবাই পঠিয়াইছে?"

সিহঁতে নিজে আহিছোঁ বুলি কোৱাত ছাৰে ক'লে—

— "তহঁতৰ সাহসটো দেখি ভালেই লাগিছে। কিন্তু আৰু এনেকুৱা কেতিয়াও নকিৰিবি বুজিছ। মোৰ খংটো অলপ সোনকালেই উঠে আৰু সোনকালে মাৰো যায়। মই একো ধৰি থকা নাই। ভালকৈ পঢ়া-শুনা কৰিবি আৰু কিবা কিতাপ লাগিলে লৈ যাবি ইয়াৰপৰা।"

ছাৰে আৰু বহুত কিবা কিবি বুজালে আৰু সিহঁতৰ কাৰ্ড দুখন পুনৰ ইছ্যু কৰাই দিলে আৰু ক'লে—

— "আজিৰপৰা দুয়োজনীকে মনত ৰাখিছোঁ, ৰিজাল্ট ভাল কৰিব লাগিব কিন্তু।"

বৰ্ণালীৰ মনটো এতিয়াহে অলপ ভাল লাগিল, হয়তো তৃষ্ণাৰো! বৰ্ণালীয়ে আজি এটা কথা উপলব্ধি কৰিছে যে মনত যদি সাহস থাকে তেন্তে সমস্যা সমাধানৰ পথ নিজেই ওলাই আহে। আজি যদি সিহঁতৰ মনত সাহস নাথাকিলে হয় তেন্তে ছাৰে হয়তো সিহঁতক সদায় বেয়া পাই থাকিল হয়। যি নহওক এতিয়া অন্তত সিহঁতৰ মনত কোনোধৰণৰ খোকোজা নাই। কলেজৰপৰা উলটি আহোঁতে এক অচিন সুবাস আহি বৰ্ণালীৰ নাকত লাগিলহি। এক অজান সুবাস, হয়তো এয়া সোণাৰুৰ সুবাস।

বৰ্ণালীহঁতৰ তলৰ ফ্ল'ৰৰ ৰুম এটাত তিনিজনী ছোৱালী থাকে— জ্যোতিকা, অৰ্চনা আৰু দীপা। সিহঁতৰ ৰুমৰ ভিতৰফালে এটা ৰুম আছে। তাত এজনী বেক্তত চাকৰি কৰা ছোৱালী থাকে। ছোৱালীজনীক বৰ্ণালীয়ে কেতিয়াবা আহোঁতে যাওঁতে পায় আৰু ভালকৈ চিনি নাপায় যদিও মাতষাৰ দিয়ে বা সুধে—

— "ভালনে তোমাৰ?"

ছোৱালীজনীৰ নামটো নীতু। বৰ্ণালীৰ ছোৱালীজনীৰ লগত কথা পাতিবলৈ মন যায়, কিন্তু তাই আজিলৈকে নীতু বাক কাৰো লগতে কথা পতা দেখা নাই। নীতু নিজৰ ভাগে নিজে থাকে। এবাৰ বৰ্ণালীয়ে নীতু বাক মানুহ এজনৰ সৈতে কথা পতা দেখিছিল। হয়তো মানুহজন নীতুবাৰ অফিচৰ হ'ব, নহ'লে কোনোবা চিনাকি মানুহ হ'ব পাৰে। তেওঁ অলপ খঙেৰে কিবা কথাৰ বাবে নীতুবাক দোষাৰূপ কৰি আছিল। মানুহজনে কথাবোৰ খুব গহীনকৈ কৈছিল। আন কোনোবা হোৱা হয় দোষী হওঁক বা নহওঁক ভয়তে তেওঁৰ কথা শুনি থাকিল হয়। কিন্তু নীতু বা তেনেকৈ শুনি থকা বিধৰ নাছিল। তেওঁ নিজৰ কথাখিনি মানুহজনৰ ওচৰত নিৰ্ভয়ে কৈছিল। যাৰ বাবে বৰ্ণালীৰ নীতুবাক খুব ভাল লাগি গ'ল আৰু ভালকৈ কথা পাতিবলৈও হেঁপাহ জাগিল। কিন্তু আজিলৈকে ভালকৈ মতাৰ সৌভাগ্য বৰ্ণালীৰ হোৱা নাই। নিজৰ হকৰ কথা ক'বলৈ মানুহৰ বহুত সাহস লাগে আৰু সেইখিনি সাহস নীতুবাৰ আছিল। এদিন ৰাতি ভাত খাবলৈ যাওতে বৰ্ণালীয়ে নীতুবাক পালে। নীতুবায়ে সদায় ভাত নিজৰ ৰুমতে খায়। সেইদিনা বৰ্ণালীয়ে নীতুবাক ক'লে—

— "বা! সদায়টো ৰুমতেই ভাত খোৱা, আজি আমাৰ লগতো খায় চোৱাচোন, কেনেকুৱানো লাগে।"

নীতুবা মান্তি হ'ল। জ্যোতিকা, অৰ্চনা, দীপাহঁতেও সদায় ৰুমতে ভাত খায়। কিন্তু আজি সিহঁতো ভাত খাবলৈ ব'ল। সিহঁতৰ লগৰ দীপা বুলি কোৱা ছোৱালীজনীক বৰ্ণালীয়ে বৰ এটা ভাল নাপালে, অকল বৰ্ণালী বুলিয়ে নহয় পৰিস্মিতা, গাৰ্গীহঁতেও ভাল নাপায়। কাৰণ এটাই ছোৱালীজনীয়ে ব্যৱহাৰ অলপো নাজানে। ডাঙৰ-সৰু একো নাচায়। যাকে-তাকে যিকোনো কথা কৈ দিয়ে, কাকো কেয়াৰ নকৰে। মাতটো টেং টেংকৈ, শুনিলেই খং উঠে। জ্যোতিকা আৰু অৰ্চনা তাইৰ লগতেই থাকে বাবে সিহঁতৰ লগতো বৰ্ণালীহঁতৰ ইমান সম্বন্ধ নাই। সিহঁতে সদায় ৰুমতে ভাত খায়, গতিকে বৰ্ণালীয়ে এনেয়ে ধেমালিতে সিহঁতক ক'লে—

— "তোমালোকেটো সদায় ৰুমতে ভাত খোৱা, আজি যে ইয়াত ভাত খালা কথাটো কি? একো নাই আজি বাৰু খোৱা, কিন্তু কালিলৈৰপৰা ফাইন দিব লাগিব।"

সেইটো কথা সম্ভৱ দীপাৰ গাত লাগিল আৰু হাঁহি হাঁহিয়ে বৰ্ণালীৰ লগত বহুত তৰ্কাতৰ্কি কৰিলে। কিন্তু বৰ্ণালী সেইবোৰ কথা ধৰি থকা বিধৰ নহয়। তাই সেইবোৰ কথা তাতে বাদ দিলে আৰু নীতুবাহঁতৰ লগত কথা-বতৰা পাতি ভাত-পানী খাই ৰুমলৈ আহিল। ৰুমলৈ অহালৈকে দীপায়েও সকলোৰে লগত ভালকৈয়ে কথা পাতি আছিল। বৰ্ণালী ৰুমলৈ অহাৰ পোন্ধৰ মিনিটমান পাছতেই জ্যোতিকা সিহঁতৰ ৰুমলৈ আহিল আৰু বৰ্ণালীক ক'লে—

— "তুমি অলপ এইফালে আহাচোন?"

বৰ্ণালী প্ৰথমে আচৰিত হ'ল আৰু যেনেকৈহে মাতিছে অলপ ভয়ো খালে। তথাপি তাই জ্যোতিকাৰ লগত সিহঁতৰ ৰুমলৈ গ'ল। সিহঁতৰ ৰুমত গৈ বৰ্ণালীয়ে যিটো পৰিস্থিতি দেখিলে, তাই সপোনতো ভবা নাছিল। দীপাই ইনাইবিনাই কান্দি আছে। মানুহ মৰিলেও হয়তো কোনেও এনেকৈ নাকান্দে। পিছে সেইজনাৰ কান্দোনৰ গুৰিয়াল যে সাক্ষাৎ বৰ্ণালী নিজেই তাকেহে নুবুজিলে। একো আঁতি-গুৰি নোপোৱাত তাই জ্যোতিকাক সুধাত তাই ক'লে—

— "তুমি যে তাইক ডাইনিংহ'লত কিবা কৈছিলা, সেইবাবে তাই কান্দি আছে। তাই কৈছে তাই বহুত বেয়া ছোৱালী। তাইক সকলোৱে বেয়া পায়।"

কথাকেইটা শুনি বৰ্ণালীৰ গাত কাৰেণ্টৰ চক লগা দি লাগিল। সেই কথাটো কোৱা যথেষ্ট সময় হ'ল। এইজনাক এতিয়াহে বেজাৰে হেঁচা মাৰি ধৰিলে। বৰ্ণালীয়ে কি কৰিব একো ভাবি নাপালে। তাইৰ নিজকে কিবা কথা ক'বলৈ নজনা বুৰ্বক যেন লাগিল। একো উপায় নাপাই বৰ্ণালী তাইৰ ওচৰলৈ গ'ল আৰু তাইক ক'লে—

— "মই আচলতে ধেমালিহে কৰিছিলোঁ। তুমি ইমান চিৰিয়াছকৈ ল'বা বুলি ভবা নাছিলোঁ। নজনাকে তোমাক বহুত দুখ দিলো। তাৰ বাবে চৰি।"

বৰ্ণালীয়ে তাইক আৰু বহুত কিবা কিবি বুজালে তেতিয়াহে তাই শান্ত হ'ল আৰু ধুনীয়াকৈ হাঁহি ক'লে—

— "ঠিক আছে দিয়া। মই বেয়া পোৱা নাই।"

কথাষাৰ শুনি বৰ্ণালীৰ মনে মনে বৰ খং উঠিল যদিও তাই একো নক'লে। কাৰণ তাই দীপাক একো বেয়াকৈ কোৱা নাছিল। এনেয়ে ইমানখিনি 'ড্ৰামা' কৰি বৰ্ণালীৰ মাথাটো নষ্ট কৰিলে। বৰ্ণালীৰ মনটো বহুত বেয়া লাগিল। মানুহৰ ব্যৱহাৰেই মানুহৰ পৰিচয়। আৰু আজি দীপায়ে তাইৰ ব্যৱহাৰেৰে তাইৰ পৰিচয় দি দিলে। বৰ্ণালী নিজৰ ৰুমলৈ গ'ল। কথাখিনি সকলোৰে আগত খুলি কোৱাত সকলোৱে তাইক বুজালে—

— "হ'ব দে, বাদ দে, তাইৰ কথাত ধৰে নেকি তাই তেনেকুৱাই। আজি গম পালি নহয়। আজিৰ পৰা আৰু তাইৰ লগত কথা নাপাতিবি।"

বৰ্ণালীৰ মনটো অলপ পাতল লাগিল যদিও ৰাতি আৰু টোপনি নাহিল। কিন্তু কোৱা হয় নহয়, যি হয় ভালৰ কাৰণেই হয়। বৰ্ণালীৰো তেনেকুৱা হ'ল। অৰ্থাৎ সেইদিনাখনৰ ঘটনাটোৰ বাবে তাই দুজনী ভাল বান্ধৱী পালে। জ্যোতিকা আৰু অৰ্চনা। দীপাৰ লগত থাকে বাবে বৰ্ণালীহঁতে সিহঁতকো দেখিব নোৱাৰিছিল। কিন্তু সিহঁত ইমান বেয়া নাছিল। সিদিনাখন ঘটনাটো নঘটা হয় বৰ্ণালীহঁতে হয়তো সিহঁতক এনেয়ে বেয়া পাই থাকিল হয়। ঘটনাটো ঘটাৰ পিছদিনা জ্যোতিকাই বৰ্ণালীক লগ পায় ক'লে—

— "কালি তেনেকৈ মাতি অনাৰ বাবে বেয়া নাপাবা। দীপায়ে ইমান কান্দিছিল যে কি কৰিম একো ভাবিয়ে নাপালোঁ। গতিকে তোমাকে মাতি আনিলোঁ। তোমাৰ ছাগৈ কালি বহুত বেয়া লাগিছিল নহয় জানো? জানো তোমাৰ গাত দোষ নাছিল। তুমিতো ধেমালিহে কৰিছিলা আৰু তায়ো তোমাক বহুত কিবা কিবি কৈছিল, তাইৰ স্বভাৱটো তেনেকুৱাই। গতিকে বেয়া পাই নাথাকিবা।"

বৰ্ণালীয়ে ক'লে—

— "নাই একো নাই মই ধৰি থকা নাই।"

কিয় জানো বৰ্ণালীৰ ছোৱালীজনীৰ কথাকেইটা শুনি বৰ ভাল লাগিল। তাই কথাকেইটা বৰ মৰমলগাকৈ কয়। তেতিয়াৰপৰা তাই যেতিয়া বৰ্ণালীক দেখে ভালকৈ মাতে, কথা পাতে, সিহঁতৰ ঘৰৰ কথা বৰ্ণালীৰ আগত কয় আৰু বৰ্ণালীহঁতৰ ঘৰৰ কথাও সোধে। চাওঁতে চাওঁতে জ্যোতিকাৰ লগত বৰ্ণালীৰ এটা ভাল সম্পৰ্ক গঢ়ি উঠিছে। অকল বৰ্ণালীৰ লগতেই নহয় পৰিস্মিতা, সুৱভিহঁতৰ লগতো এতিয়া ভাল। জ্যোতিকাই আজিকালি বৰ্ণালীহঁতক সকলো কথাই খুলি কয় আৰু সিহঁতেও তাইক সকলো কথা ক'ব পাৰে। জ্যোতিকা ছোৱালীজনী বহুত মৰমিয়াল। তাই বৰ্ণালীহঁততকৈ অলপ ডাঙৰ। সেইবাবেই তাই বৰ্ণালীহঁতক সৰু ছোৱালীৰ দৰে মৰম কৰে। যিজনী ছোৱালীক দুদিনমান আগলৈকে দেখিবই নোৱাৰিছিল, আজি সেইজনী ছোৱালীৰ লগত ইমান ভাল সম্পৰ্ক। বৰ্ণালীৰ কথাটো ভাবিলে আচৰিত লাগে আৰু তাৰ বাবে তাই দীপাক অলপ হ'লেও ধন্যবাদ দিবই লাগিব।

অৰ্চনা ছোৱালীজনীও বেয়া নহয়। তাই বহুত ধেমেলীয়া তাই সময়ত এনেকুৱা কিছুমান নাভূত-নাশ্ৰুত কথা কয় যে মৰা মানুহে শুনিলেও হাঁহিবলৈ বাধ্য হ'ব। দীপাৰ বাবে এতিয়া হোষ্টেলৰ ছোৱালীখিনিৰ মাজত এটা সুন্দৰ এবাৰ নোৰৱা সম্পৰ্ক গঢ়ি উঠিছে। যিটো অতি মধুৰ আৰু স্বাৰ্থহীন। গোটেই হোষ্টেলৰ ছোৱালীখিনি মিলি এখন তলীয়া ৰাজ্য স্থাপন কৰিলে। য'ত ৰজা বুলি খ্যাতি লভিছে পৰিস্মিতাই। প্ৰথম আহিয়েই যে বৰ্ণালীয়ে তাইক ৰজাৰ বংশধৰ বুলি কৈছিল, তেতিয়াৰপৰা তাইক সকলোৱে ৰজা বুলিয়ে মাতে। বৰ্ণালী তাইৰ ৰুমমেট বাবে, তাই হ'ল ৰজাৰ এক মাত্ৰ প্ৰজা। সিহঁতৰ লগত নেৰা-নেপাৰাকৈ থাকে বাবে গাৰ্গী হ'ল মন্ত্ৰী। প্ৰিয়াঙ্কীয়ে কেতিয়াবা এনেয়ে মদ খোৱাৰ একটিং কৰি ধেমালি কৰি থাকে বাবে তাই হ'ল মদাহী অৰ্থাৎ

তাইৰ সকলোৱে চুলাই বুলিয়ে কয়। ঠিক তেনেকৈয়ে সুৰভি ৰাণী, জুলি নৰ্টকী, অৰ্চনা সখী আৰু জ্যোতিকা গুপ্তচৰ। এইদৰেই বৰ্ণালীহঁতৰ হোষ্টেলৰ তলীয়া ৰাজ্য সম্পূৰ্ণ হৈছিল। নীতু বা আৰু প্ৰণতি বা আছিল সিহঁতৰ বচ। সিহঁতৰ সমগ্ৰ তলীয়া ৰাজ্যৰ এটা গুণ ভাল আছিল, সিহঁতে কেতিয়াও আনৰ কথা সমালোচনা নকৰে। আৰু হয়তো সেইকাৰণেই সিহঁত এনেদৰে মিলি থাকিব পাৰিছিল। সঁচায়ে বৰ্ণালীয়ে হোষ্টেললৈ আহি বহুত নজনা কথা শিকিছে। বৰ্ণালীৰ এটা কথা ভাবিয়ে বেয়া লাগে যে ইহঁতক যেতিয়া একেবাৰে এৰি যাব লাগিব তেতিয়া কি হ'ব? কথাটো ভাবিলেই বৰ্ণালীৰ বহুত দুখ লাগে।

কিন্তু কি হ'ব? এদিন এৰিটো যাবই লাগিবই। ষষ্ঠ যাণ্মাষিক পৰীক্ষা দিয়াৰ পাছত যেতিয়া সকলো হোষ্টেলৰ পৰা যাবলৈ ওলাইছিল সঁচায়ে বৰ্ণালীৰ বহুত দুখ লাগিছিল। সেইদিনা বৰ্ণালীয়ে বহুত কান্দিছিল। পৰিস্মিতা, জ্যোতিকা, সুৰভিহঁতেও কান্দিছিল। কোনেও একো কথা ক'ব পৰা নাছিল। পুনৰ লগ পোৱাৰ প্ৰতিশ্ৰুতি দি ইজনীয়ে সিজনীৰ পৰা বিদায় মাগিছিল। সঁচায়ে সেই মুহূৰ্তটো বহুত দুখৰ আছিল।

হঠাৎ প্ৰেচাৰ কুকাৰৰ হুইছেলটো বজাতহে বৰ্ণালী বাস্তৱলৈ ঘূৰি আহিল। বৰ্ণালীয়ে এতিয়া গুৱাহাটীত এম এ পঢ়ি আছে। তাই গুৱাহাটীৰ ভাড়া ৰুম এটাত থাকে। তাই অতীত স্মৰণ কৰি থাকোতে পাহৰিয়ে গ'ল কালি বজাৰত লগ পাই গাৰ্গীয়ে আজি তাইৰ ৰুমলৈ আহিব বুলি কৈছিল। গাৰ্গীয়ে কালি দিয়া খবৰটোৰ কথা ভাবি বৰ্ণালীৰ মনত আনন্দ লাগি আছে আৰু কথাটো হৈছে গুৱাহাটী ইউনিভাৰচিটিত তিনিদিনীয়া কাৰ্যসূচীৰে এখন চেমিনাৰ আয়োজন কৰা হৈছে আৰু তাত বৰ্ণালীহঁতৰ তলীয়া ৰাজ্যৰ সকলো আহিব, তিনিদিনৰ কাৰণে। মানে, সিহঁত আকৌ একেলগে একেখন চাদৰ তলতে থাকিব পাৰিব। আকৌ আগৰ দৰে ফূৰ্তি কৰিব পাৰিব। কিযে ভাল লাগিব নহয়! বৰ্ণালীয়ে আকৌ ভাবিলে সিহঁত বাৰু এতিয়াও আগৰ নিচিনা হৈ আছে নে? নে সলনি হ'ল? নাই বৰ্ণালীৰ বিশ্বাস আছে সিহঁতৰ তলীয়া ৰাজ্যৰ বাসিন্দাসকলৰ স্বভাৱ-চৰিত্ৰ-মনৰ কেতিয়াও সলনি নহয়। ফূৰ্তিতে বৰ্ণালীয়ে চিঞৰিয়ে দিলে—

— "তলীয়া ৰাজ্য জিন্দা বাদ ..... তলীয়া ৰাজ্য জিন্দাবাদ।"

সকলো মানুহৰ জীৱনতে বন্ধু বা বান্ধৱীৰ প্ৰভাৱ থাকে আৰু সেই বন্ধুত্ব যদি সঁচা অন্তৰেৰে গ্ৰহণ কৰা হয়, তেন্তে এই পৃথিৱীত তাতকৈ মহৎ আৰু একো থাকিব নোৱাৰে। তাই প্ৰেছাৰ কুকাৰটোলৈ চাই ভাবিলে। ■

---

**নিঃসঙ্গতাৰ যন্ত্ৰণাৰ পৰা ৰক্ষা পোৱাৰ উপায়—**

আপোনাক যদি এই মুহূৰ্তৰপৰাই বন্ধুত্বৰ হাতখন বঢ়াই দিবলৈ কোৱা হয়, আপুনি জানো ভাবি অবাক নহ'ব? বন্ধুত্ব লাভৰ উপায় কি ক'ব পাৰিবনে আপুনি? সেয়া জানো আপোনালোকৰ মাজৰ কোনোৱে ক'ব পাৰিব?

সেইবোৰ যাওক বাৰু।

তেনেহ'লে আহকচোন সেই অজানা যাদুকৰৰ সন্ধান কৰোঁ, যাৰ হাতত আছে সেই চাবি-কাঠী! কোন হ'ব পাৰে বাৰু সেই যাদুকৰ?

হয়তো কাইলৈ প্ৰাতঃভ্ৰমণত তেওঁৰ লগত আপোনাৰ সাক্ষাৎ হ'ব। অলপ মূৰটো দোৱাই আদৰ কৰিলেই সি গদ্ গদ্ হৈ জঁপিয়াই আহি আপোনাৰ কোলাত উঠিব। ঘন ঘনকৈ নেজ জোঁকাৰি, নোমাবৃত ঠেংকেইটাৰে আহি তীক্ষ্ণ মিঠা চকুকিটাৰে পিট্‌পিট্‌কৈ লক্ষ্য কৰি আপোনাক কৃতজ্ঞতা জনাব। এনে ভাব দেখুৱাব যেন সি আপোনাৰ কত দিনৰ চিনাকি, যেন সি আপোনাক অত্যন্ত ভাল পায়। আপুনিও উপলব্ধি কৰিব যে, তাৰ এই ভাল পোৱাৰ ভঙ্গীটো বৰ আন্তৰিকেই; কাৰণ তাৰ এনে কোনো পাৰ্থিৱ সম্পদ নাই যিহেৰে সি আপোনাক আকৰ্ষণ কৰিব পাৰিব। সি আপোনাৰ জীৱন-সঙ্গিনীও হ'ব নিবিচাৰিব।

হয় আপুনি ঠিকেই ধৰিব পাৰিছে, সিয়েই হৈছে কুকুৰ! পৃথিৱীত কুকুৰেই হ'ল একমাত্ৰ জীৱ বা প্ৰাণী যিয়ে কণীও নাপাৰে, গাখীৰো নিদিয়ে, কুলি-কেতেকী চৰাইৰ নিচিনাকৈ গানো নাগায়। তেন্তে তাৰ কামটোৱেই বা কি?

সকলো কামতকৈ শ্ৰেষ্ঠ ভালপোৱা সিয়েই দিয়ে— যি ভালপোৱা নিঃস্বাৰ্থ আৰু নকলবিহীন অৰ্থাৎ অকৃত্ৰিম ভালপোৱা।

**— Dale Carnegie: In Search of Happy Life and Work**

অনুবাদ: ব্ৰজকুমাৰ তালুকদাৰ



# অসাৰ্থক প্ৰেম

পাখী বৰা, স্নাতক তৃতীয় বৰ্ষ

ফাগুন মাহ। দেওবাৰ। বৰলুইতৰ পাৰ। ৰাতিপুৱা পাঁচ বাজিছে। প্ৰভাতী উষা পৃথিৱীলৈ ন-কইনাৰ বেশেৰে নামি আহিছে। গছ-লতা, পশু-পক্ষী সকলোবোৰ আনন্দত মতলীয়া। চাৰিওফালৰ নিস্তব্ধতাৰ মাজত পানীৰ কুলু-কুলু শব্দটো স্পষ্ট হৈ উঠিছে। পানীবো যেন বৰ আনন্দ। নিশ্চয় ন-কইনা চোৱাৰ হেঁপাহ। লুইতৰ পাৰত কেইখনমান সৰু সৰু নাও। ফাগুন মাহৰ বতাহৰ জিৰজিৰ শব্দ। বতাহেও যেন ইঙ্গিত দিছে অভিক, জন্মতে ওপৰৱালাই জীৱনটোৰ লগত যুঁজ কৰিবলৈহে শিকাই পঠিয়াইছে। লুইতৰ পাৰৰ গছজোপাৰ তলত অভিয়ে বহি ভাবিছিল যে নাৱৰীয়া অবিহনে নাওকেইখন যিদৰে স্থিৰ হৈ ৰৈ আছে সেইদৰে পৰীৰ অবিহনে যেন তাৰ জীৱনটো সিমানতে শেষ হৈ গৈছে। তাৰ মনত পৰিল—

সেইদিনা আছিল সোমবাৰ। ৰাতিপুৱাৰ সময়। গাঁৱৰ ঘৰবোৰৰ খিড়িকীবোৰ মুকলি হৈছে। নিৰ্মল বতাহে ঘৰবোৰ পৱিত্ৰ কৰিছে। অভিয়ে লৰালৰিকৈ ঘৰৰ খিড়িকীবোৰ মুকলি কৰিছে। সি যেন বুজি পাইছে বতাহজাক তাৰ বাবে নিষ্ঠুৰ নহয়। বাহিৰত বৰষুণৰ কিনকিন্‌নি। অভিয়ে ছাতি এটা লৈ পৰীহঁতৰ ঘৰৰ ফালে ওলাই যায়। অভিহঁতৰ ঘৰত মাক-দেউতাকৰ বাহিৰে আন কোনো নাছিল। সি আছিল মাক-দেউতাকৰ একমাত্ৰ সন্তান। দেউতাকে গাঁৱৰে প্ৰাথমিক স্কুল এখনত শিক্ষকতা কৰিছিল। অভি আৰু পৰীয়ে বৰ্তমান হাইস্কুল শিক্ষান্ত পৰীক্ষাত পাছ কৰি ঘৰতে আছে। অভিৰ দেউতাকে এতিয়া তাক চহৰত পঢ়াবৰ বাবে যা-যোগাৰ কৰিছে। কিন্তু পৰীৰ মাক-দেউতাকে তাইক আৰু পঢ়ুৱাৰ ইচ্ছা কৰা নাই। কাৰণ তেওঁলোকৰ মতে, ছোৱালীক পঢ়ুৱাই একো লাভ নাই। দুদিনৰ পিছত এঘৰলৈ উলিয়াই দিব লাগিব। পৰীহঁতৰ ঘৰত মাক-দেউতাক আৰু এটা সৰু ভায়েক আছে।

ৰাতিপুৱা ন বাজিছে। পৰী ঘৰুৱা কামত ব্যস্ত। অভিয়ে আহি 'পৰী' বুলি মাত দিয়াত তাই দৌৰি আহি তাৰ ওচৰত থিয় হ'ল। তাইৰ মুখত এটি মিচিকিয়া হাঁহি। তাইৰ চকু দুটি এনেদৰে উজ্জ্বল হৈ উঠিছিল যেন কেতিয়াও নেদেখা বস্তু এটাহে দেখিছে। তাৰ পাছত পৰীয়ে তাক মূঢ়া এটা আনি বহিবলৈ কৈ, তাই ওচৰতে পিৰালিটোত বহি দুয়ো কথা পতাত ব্যস্ত হয়। সি যে চহৰত পঢ়িবলৈ যাব সেই বিষয়ে পৰীক কৈছিল আৰু পৰীয়ে তাইৰ নিজৰ বিষয়ে কৈছিল। পৰীৰ মাকে কিন্তু ভিতৰত ভোৰভোৰাই আছিল। কাৰণ অভি আৰু পৰীয়ে এইদৰে কথা পাতি থকাটো মাকে পছন্দ নকৰিছিল।

আজিকালি পৰীৰ মাকে অভি আহিলে পৰী নাই বুলি তাক বাহিৰৰপৰাই পঠিয়াই দিয়ে। পৰীৰ মাকৰ এনে ব্যৱহাৰত অভি অতিষ্ঠ হৈ পৰীহঁতৰ ঘৰলৈ প্ৰায় নহা হ'ল। সিহঁতে এতিয়া বৰলুইতৰ পাৰৰ গছ এজোপাৰ তলত বহি কথা পাতে। আনকি সি চহৰলৈ যোৱাৰ দিনাও সিহঁত দুটা সেই গছজোপাৰ তললৈ আহিছিল। পৰীক সি মাজে-সময়ে ঘৰলৈ আহি খবৰ লৈ থাকিব বুলি কৈছিল। কিন্তু পৰীৰ চকুৰপৰা অবিৰাম গতিত এনেদৰে চকুপানী ওলাইছিল যেন বৰলুইত ওফন্দি উঠি পাৰ ভাঙিহে গৈছে। কাৰণ তাৰ বাহিৰে তাইৰ সুখ-দুখৰ কথা ক'বলৈ আন কোনো নাই।

বৃহস্পতিবাৰ। ৰাতিপুৱা সময়ত পৰীয়ে আগফালৰ কোমোৱা গছজোপাত পানী দি আছে। পৰীৰ মুখত আশাৰ ৰেঙণি। এই যেন অভিয়ে আহি তাইক চিঞৰি মাতিবহি□এই সময়তে 'পৰী' বুলি মাতটো শুনি তাই পিছফালে ঘূৰি চাই অভিক দেখি আচৰিত হৈ উঠে। তাই তাক বহিবলৈ কৈ মাকক চিঞৰি মাতে। মাক ওলাই আহি তাৰ খা-খবৰ লয় আৰু পৰীক তাৰ বাবে চাহ-জলপান যোগাৰ কৰিবলৈ কয়। মাকে পেটে-পেটে ভাল পাইছিল যে অন্ততঃ সি তাইৰ পৰা আঁতৰি থাকে। সি পিছদিনা যাব গৈ সেইবাবে মাকে নেদেখাকৈ তাইক সেইদিনা আবেলি গছজোপাৰ তললৈ মাতি পঠিয়ালে।

আবেলি দুয়ো আহি গছজোপাৰ তলত লগ পোৱাত দুয়োটাই মনৰ কথা পাতিলে। সি তাইৰ বিষয়ে জানিবলৈ বিচৰাত তাইৰ গাতো আজিকালি ভালে নাথাকে বুলি ক'লে। সি তেতিয়া পিছদিনা নাযাওঁ বুলি কৈ তাইক ডাক্তৰৰ তাত দেখুওৱাৰ কথা ক'লে। তাই ভাবিলে— ঘৰত গম পালে খং কৰিব আৰু তাইৰটো কোনো ডাঙৰ বেমাৰ হোৱা নাই। সেইবাবে তাই অভিক চিন্তা নকৰিবলৈ কৈ একো নোহোৱাৰ দৰে বুজালে—

"কেতিয়াবা এনেই গাটো বেয়া লাগে। গতিকে চিন্তা কৰিব নালাগে।"

এই বুলি তাক সান্ত্বনা দিয়াত সি মান্তি হ'ল।

তাইৰ কথা মতেই সি পঢ়িবলৈ নগৰলৈ গ'ল। কিন্তু সি প্ৰায়ে ঘৰলৈ আহি তাইৰ খবৰ ল'বলৈ নাপাহৰিলে। হঠাতে এদিন সি ঘৰলৈ আহি গম পালে যে, পৰীৰ অসুখ বেছিয়েই। তাই এতিয়া বিছনাত। তথাপি মাক-বাপেকৰ কোনো কাণসাৰেই নাই। তেওঁলোকৰ মতে, পৰীৰ কোনো ডাঙৰ বেমাৰ হোৱা নাই। তাইৰ সাধাৰণ জ্বৰহে হৈছে। জৰা-ফুকা কৰিলেই ভাল হ'ব। এইবুলি কেইবাদিনো গাঁৱৰে বেজ এজনৰ হতুৱাই জৰা-

ফুকা কৰিছে। কিন্তু পৰীয়ে অলপো ভাল পোৱা নাই। দিনক দিনে তাইৰ অৱস্থা বেয়াৰ ফালেহে ঢাল খাইছে। অভিয়ে পৰীৰ অৱস্থা দেখি অতিষ্ঠ হৈ যেতিয়া নিজৰ মাক-দেউতাকক ডাক্তৰ অনাৰ কথা ক'লে তেতিয়া তেওঁলোকে ক'লে—

— "লোকৰ ছোৱালী! মাক-দেউতাকে অনুমতি নিদিলে আমি একো কৰিব নোৱাৰোঁ।"

এইবাৰ অভিয়ে সাহস কৰি পৰীৰ মাক-দেউতাকৰ আগত ডাক্তৰ অনাৰ কথা ক'লে। তেতিয়া তেওঁলোকে ক'লে—

— "আৰু দুদিনমান চোৱা যাওঁক।"

এনেদৰে এসপ্তাহ পাৰ হৈ গ'ল। অভিয়ে দুয়োপক্ষকে সৈমান কৰাব নোৱাৰিলে। দুখ আৰু বেদনাত ম্ৰিয়মান হৈ সি নগৰ পালেগৈ। আনহাতে চিকিৎসাৰ অভাৱত, বিশেষকৈ অভিৰ অনুপস্থিতিত পৰীৰ বেমাৰ বাঢ়িবলৈ ল'লে। দিনে দিনে পৰী নিশকতীয়া হৈ পৰিল। আৰু এনে অৱস্থা হ'ল, বিছনাত পৰি পৰি পৰীয়ে মৃত্যুৰ ক্ষণ গণিবলৈ ল'লে। তাই বাৰে-বাৰে অভিক বিচাৰিলে।

সেইদিনা শনিবাৰ। গোটেই আকাশখন ক'লা ডাৱৰে আৱৰি আছে। ৰাতিপুৱাই অলপ কিনকিনকৈ বৰষুণ পৰিছিল। কিন্তু ক্ৰমাৎ নাইকিয়া হ'ল। অভিৰ আজি ৰাতিপুৱাৰেপৰা মনটো ভাল লগা নাই। কিবা উদং-উদং যেন ভাব তাৰ মনলৈ আহি আছে। তাৰ মনটো ভাল নহয় বাবে ৰাতিপুৱাৰেপৰা মুখত পানী এটোপাও দিয়া নাই। অভিমান এৰি সি পৰীৰ খবৰ কৰিবলৈ যাওঁ বুলি ভাবোঁতেই কিনকিনকৈ বৰষুণ দিয়াত সি যাব নোৱাৰিলে। অলপ পিছতে তাক পৰীৰ ভায়েকে আহি খবৰ দিলে, পৰীয়ে তাক বিচাৰিছে বুলি। সি ক্ষন্তেক সময়ো পলম নকৰাকৈ পৰীহঁতৰ ঘৰ পালেগৈ। বাহিৰৰ পৰা খুড়া, খুড়ী, পৰী বুলি চিঞৰি গ'ল। কিন্তু কাৰো মাত নাপাই সি ভিতৰলৈ সোমাই গ'ল। সোমাই দেখা পালে পৰীয়ে বিছনাতে চকুকেইটা মেলি দুৱাৰমুখৰ ফালে এনেদৰে চাই আছিল যেন তাৰেই অপেক্ষাত আছে। বিছনাৰ কাষতে পৰীৰ মাক-দেউতাক আৰু তাইৰ ভায়েকটো, ওচৰৰ মানুহ দুটামান আছে। নিস্তব্ধ-নিমাত। কেৱল সকলোৰে চকুৰপৰা চকুলো বৈছে অবিৰাম গতিত। অভিৰ মূৰত যেন সৰগ ভাগি পৰিল। তাৰ মুখত কোনো শব্দ নাই। কোনোবাই টানি নিয়াৰ দৰে সি বিছনাখনৰ কাষ পালে আৰু আক্ৰোশেৰে পৰীৰ মাকৰ ফালে চালে। মাকে পৰীৰ কাষৰ পৰা উঠি আহি অভিৰ হাত এখনত ধৰি কান্দি কান্দি ক'বলৈ ধৰিলে—

"পৰী, পৰী আৰু ...।"

সৌৱা, নৈখন বৈ আছে— কুলু কুলু সুৰেৰে। গছজোপাও থিয় হৈ আছে আগৰ দৰে। সিও বৈ আছে ...। ■

সমগ্ৰ মানৱ-জাতিক সাধাৰণভাৱে দুটা শ্ৰেণীত ভাগ কৰিব পাৰি। সাধাৰণ মানুহ আৰু অসাধাৰণ মানুহ। অসাধাৰণ মানুহ লাখ বা আনকি কোটিৰ ভিতৰতো মাত্ৰ এজনহে থাকিব পাৰে। পৃথিৱীৰ বেছিভাগ মানুহেই আপোনাৰ-মোৰ নিচিনা সাধাৰণ মানুহ। সাধাৰণ আৰু অসাধাৰণ মানুহৰ জীৱনৰ সমস্যা একে নহয়। অসাধাৰণ মানুহ এনে প্ৰতিভা লৈ ওপজে— যি প্ৰতিভাৰ বলেৰে তেওঁ আন কাকো অনুসৰণ নকৰি নিজৰ বাট নিজে কাটি লয়; সাধাৰণ মানুহে যিবোৰ উৎসৰপৰা সুখ, শান্তি, জীয়াই থকাৰ আনন্দ আৰু পাৰ্থিৱ কৃতকাৰ্যতা আহৰণ কৰে, সেইবোৰক তেওঁ সমূলি তুচ্ছ জ্ঞান কৰে বা অৰ্থহীন বুলি ভাবে; নিজৰ কৃতকাৰ্যতাৰ মাপকাঠি তেওঁ নিজেই তৈয়াৰ কৰি লয়। অসাধাৰণ মানুহৰ ব্যক্তিগত লক্ষ্য বুলি কোনো এটা বস্তু নাথাকে, বা থাকিব নোৱাৰে। তেওঁৰ জীৱনৰ কৰ্ম বা সাধনা হ'ল সমগ্ৰ মানৱ-সমাজৰ কাৰণে নতুন নতুন লক্ষ্য ঠিক কৰি দিয়া, নতুন নতুন দিগন্ত উন্মোচিত কৰি দিয়া।

— হোমেন বৰগোহাঞি



# এক পুৱাৰ আশ্চৰ্য্য

জ্যোতিস্মিতা দেৱী, স্নাতক প্ৰথম বৰ্ষ

কলেজৰপৰা উলটি অহা বাটটোত মিনাক্ষীয়ে পাগলীজনীক দেখি ওচৰলৈ গৈ সুধিলে—

— "ঐ ছোৱালী! তোৰ নাম কি?"

কিন্তু পাগলীজনীয়ে একো নকৈ হতভম্ব হৈ পৰিল। তাই মানে পাগলীজনীয়ে মনে মনে ভাবিলে,

— "মোৰ নাম কি আছিল?"

আজি বহু বছৰে তাইক কোনেও নাম কাঢ়ি মতা বুলি তাইৰ দেখোন মনত নপৰে□আনকি আজি তাই নিজৰ নামটোও যেন মনত পেলাব পৰা নাই। এই পাগলীজনীক চহৰৰ সকলো মানুহেই দেখি আহিছে। পিন্ধনত তাইৰ ফটা-ছিঙা কিছুমান কাপোৰ, লগত পলিথিন বেগত যিবোৰ আনৰ বাবে অখাদ্য তাই খাদ্য হিচাপে কঢ়িয়াই লৈ ফুৰে। স্কুল আৰু কলেজলৈ অহা ল'ৰা-ছোৱালীবোৰে তাইক দেখি শিলগুটি মাৰে আৰু 'পাগলী' 'পাগলী' বুলি জোকায়। কেতিয়াবা তাই এই ল'ৰা-ছোৱালীবোৰলৈ মৌন দৃষ্টিৰে চাই থাকে। কেতিয়াবা দুখ লাগিলে তাই উগ্ৰমূৰ্ত্তি ধৰি সিহঁতক মাৰিবলৈ খেদি যায়। কিন্তু ল'ৰা-ছোৱালীবোৰে তাইৰ খং দেখি বৰ ৰং পায়।

কেতিয়াবা কোনোবাই তাইক খাবলৈ দিয়ে, কোনোৱে দুই-এটা পইচা দিয়ে, আকৌ কোনোৱে কেতিয়াবা ধমকি দি খেদি দিয়ে। এইদৰেই তাই পেটৰ ক্ষুধা নিবাৰণ কৰি আছে।

কোনেও তাইক আজিলৈকে সুধা নাই তাই কেনেকৈ-কিয় পাগলী হ'ল? কোনেও তাইৰ সৈতে ভদ্ৰ মানুহৰ দৰে কথা নাপাতে। তাইৰ বিষয়ে মানুহৰ মুখত এটাই কথা শুনে সেইটো হৈছে 'পাগলী'। কিন্তু তাই যেন এই পাগলী শব্দৰ অৰ্থ উপলব্ধি কৰিব পাৰে। তাই বসবাস কৰা ঠাইখনৰ নাম তাই নাজানে, কিন্তু সৰুতে ভূগোলত পোৱা অসম যে এইখনেই সেইটো তাই জানে। আজি দহ-বাৰ বছৰৰ পাছত তাই মানুহৰ মুখত অসমীয়া ভাষাটো শুনি-শুনি প্ৰায় সকলো বুজি পোৱা হৈছে। কিন্তু অসমীয়া ভাষাটো ভালকৈ ক'ব পাৰিবনে নোৱাৰে তাই এতিয়াহে চিন্তা কৰিলে। আনকি মাতৃভাষাটোকে তাই পাহৰি গৈছে।

হঠাৎ মিনাক্ষীৰ মাতত তাই চেতনা ঘূৰাই পালে আৰু মিনাক্ষীক ভঙা-ভঙা অসমীয়াতে ক'লে—

— "মোৰ লগত কথা পাতিলে আন মানুহে আপোনাক বেয়া বুলিব। কাইলৈ আপুনি সোনকালে কলেজলৈ আহিব। মই ইয়াতেই ৰৈ থাকিম আৰু মোৰ নাম, মোৰ জীৱনৰ কথা আপোনাক ক'ম।"

মিনাক্ষীয়েও তাইৰ লগত বেছি কথা নাপাতি ঘৰলৈ বুলি খোজ ল'লে। কোনেও কোনোদিনে সেই পাগলীজনীৰ বিষয়ে ভাবিবলৈ অৱকাশ পোৱা নাই, যদিও সেইদিনা মিনাক্ষীৰ তাইৰ বিষয়ে ভাবি ভাল লাগিল।

পিছদিনাখন মিনাক্ষীয়ে সোনকালে কলেজলৈ ওলাই আহিল। পাগলীজনীয়ে আগ্ৰহেৰে অপেক্ষা কৰি থকা তাই আঁতৰৰপৰা দেখা পালে। আজি তাইক এটা নতুন ৰূপত দেখি মিনাক্ষী আচৰিত হ'ল। আজি তাই নিজকে এজনী ভাল মানুহৰ দৰে সজাই তুলিবলৈ ফটা-ছিটা, কিন্তু এযোৰ চাফা কাপোৰ পিন্ধি বৃথা চেষ্টা কৰিছে। মিনাক্ষী ওচৰ চপাৰ লগে-লগে তাই ভঙা ভঙা অসমীয়াত ক'বলৈ আৰম্ভ কৰিলে যে তাই ভালকৈ অসমীয়া ক'ব নোৱাৰে। মিনাক্ষীয়ে তাই কোৱা কথাখিনি জুঁকিয়াই বুজি পালে— তাইৰ নাম 'লভিতা মাৰাক' আৰু জন্মস্থান থাইলেণ্ডৰ ৰিয়াংচ্যুকীত। তাইৰ দেউতাক আছিল এখন হাইস্কুলৰ সহকাৰী শিক্ষক। তাই দেউতাকৰ একমাত্ৰ কন্যা আছিল। আৰু দুজন অতি মৰমৰ ককায়েকো আছিল। সিহঁতৰ ঘৰৰ কাষতেই আছিল উগ্ৰপন্থীৰ কোনোবা গোটৰ ট্ৰেইনিং কেম্প। এজন ক্ষমতাশীল পুলিচ অফিচাৰ তেওঁলোকৰ পূৰ্বপুৰুষীয়া শত্ৰু আছিল। তেওঁ ক্ষমতাৰ বলত তাইৰ দুয়োজন ককায়েকক উগ্ৰপন্থী বুলি নিৰ্দয়ভাৱে হত্যা কৰিছিল। তাইৰ মনত যেতিয়া প্ৰতিশোধৰ জুই দপ্‌দপাই জ্বলি উঠিছিল আৰু উগ্ৰপন্থী দলৰ অতি সক্ৰিয় সদস্য হৈ নিজৰ প্ৰতিশোধ পূৰণৰ চেষ্টা কৰিছিল। কেইদিনমানৰ পাছত তেওঁলোকৰ দলৰ সকলো গেৰিলা ট্ৰেইনিঙৰ বাবে আন এখন পাহাৰীয়া ঠাইলৈ গৈছিল, কিন্তু এদিন থাইলেণ্ডৰ সামৰিক সেনাই তাত উপস্থিত হৈ অতৰ্কিতে সকলোকে আক্ৰমণ কৰি গাঁওখন পুৰি চাৰখাৰ কৰিলে। একমাত্ৰ তাইহে তাৰপৰা কথমপি ৰক্ষা পৰিল। তাইৰ কাপোৰ-কানি ফালি তেতিয়াই ছিৰাছিৰ হৈছিল। তাই যেতিয়া এই অচিনাকি মানুহবোৰৰ মাজলৈ আহিছিল তেতিয়া সকলোৱে তাইক পাগলী বুলি ইতিকিং কৰিছিল। ভিক্ষাৰ পাত্ৰ হাতত লৈ, লেতেৰা কাপোৰ পিন্ধি য'তে-ত'তে থাকি জীৱন কটালে পাগলী বুলি নকৈ কি ক'ব? কিন্তু বহু বছৰৰ পাছত যেতিয়া পাগলীৰ অৰ্থ উপলব্ধি কৰিব পাৰিছিল তাই তেতিয়া তাইৰ নিজৰ মাতৃভাষাতে প্ৰতিবাদ কৰিছিল। চিঞৰি-চিঞৰি সকলোকে বুজাইছিল। কিন্তু কোনেও তাইৰ কথা নুবুজিলে। কিন্তু যেতিয়া তাই অসমীয়া ভাষাত সকলো বুজাব পৰা হ'ল, কোনেও তাইৰ কথা কাহানিও বিশ্বাস নকৰিলে।

কথাখিনি কৈ থাকোঁতে লভিতাৰ কণ্ঠস্বৰ কঁপি উঠিছিল। তাই উচুপি-উচুপি চকুপানী টুকিছিল, লাহে-লাহে তাইৰ কান্দোনৰ

শব্দ স্পষ্ট হৈ পৰিছিল। মিনাক্ষীৰ চকু দুটা কৌতুহ'ল বশতঃ ক্ৰমাৎ ডাঙৰ হৈ আহিছিল। তাইৰ মুখৰ পৰা আপোনা-আপুনি ওলাই আহিল—

— "তাৰ পাছত ... ?"

লভিতাই কান্দি-কান্দি ক'লে—

— "ভাষা বিনিময়ৰ অভাৱত, এইকণ জ্ঞান নথকাৰ বাবেই এই নিষ্ঠুৰ মানুহবোৰে মোক পাগলী সজালে আৰু ময়ো এই চৈধ্য বছৰে পাগলী হৈয়ে কটালোঁ।"

তাইৰ কথা শুনি মিনাক্ষী হতভম্ভ হৈ পৰিল। কলেজ ছুটি হোৱাৰ পাছত লভিতাক ঘৰলৈ লৈ গ'ল আৰু ঘৰৰ সকলোকে তাইৰ কথাবোৰ জনালে। মিনাক্ষীয়ে সঙ্কল্প ল'লে দুৰ্ভগীয়া লভিতাক পুনৰ সুস্থ-সবল কৰি তুলিব। আৰু পাৰিলে এন জি অ'ৰ সহায়ত থাইলেণ্ডৰ ৰিয়াংচ্যুকৰ নিজা ঘৰখনলৈ পঠিয়াব। যদিহে লভিতাই ভাবে তাইৰ লগত ঘৰুৱা কাম-কাজ কৰি জীৱন প্ৰৱৰ্তাব, তেতিয়াও কথা নাই— থাকিব।

দয়া আৰু বিশ্বাসে মানুহক শান্তি আৰু মনুষ্যত্ব দান নকৰিলে আন কোনে মানুহক মানুহ হিচাপে স্বীকৃতি দিব? মিনাক্ষীয়ে গুণগুণালে—

"অথিৰ ধন-জন জীৱন যৌৱন
অথিৰ এই ভূৱ সংসাৰ।" ■

---

ঈৰ্ষাৰ ফলত ৰাজনৈতিক হত্যাকাণ্ড:

| | |
|---|---|
| **ভাৰত:** | |
| মহাত্মা গান্ধী | ১৯৪৮ |
| ইন্দিৰা গান্ধী | ১৯৮৪ |
| ৰাজীৱ গান্ধী | ১৯৯১ |
| **শ্ৰীলঙ্কা:** | |
| ছল'মন বন্দৰনায়েক | ১৯৫৯ |
| ৰংগন বিজয়ৰত্নে | ১৯৯১ |
| ললিত অতুলাতমুদালি | ১৯৯৩ |
| ৰণসিংহ প্ৰেমদাসা | ১৯৯৩ |
| **বাংলাদেশ:** | |
| মুজিবৰ ৰহমান | ১৯৭৫ |
| জিয়াউৰ ৰহমান | ১৯৮০ |
| **পাকিস্তান:** | |
| লিয়াকত আলী | ১৯৫১ |
| বেনজিৰ ভুট্টো | ২০০৮ |
| **ম্যানমাৰ:** | |
| আউঙচান | ১৯৪৭ |
| **ফিলিপিন্‌ছ:** | |
| বেনিগনো আকিনো | ১৯৮৩ |
| **ভিয়েটনাম:** | |
| নগোদিন দিয়েম | ১৯৬৩ |
| **আফগানিস্তান:** | |
| মহম্মদ দাউদ খান | ১৯৭৮ |
| নূৰ মহম্মদ তৰাকি | ১৯৭৯ |
| হাফিজল্লা আমিন | ১৯৭৯ |

—ড° পাৰ্থ চট্টোপাধ্যায়



# বেদনা নাই ক'ত

পূজা কলিতা, উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ

বুকুত বহুতো সপোন লৈ মাক শেতেলীয়ে কল্পনাক বোৱাৰী হিচাপে ব'হাগৰ প্ৰথম সপ্তাহতে ঘৰ সোমোৱালেহি। দীননাথ আছিল পিতৃ পৰিচয়হীন সন্তান। তাকে বুকুত গুজি লৈ মাক শেতেলীয়ে দিন হাজিৰা কৰি কোনোমতে পেট পূৰাই আছিল। অবৈধ সন্তানৰ মাতৃ হোৱাত শেতেলীক আৰু তাই ঘৰখনক গাঁৱৰ ৰাইজে এঘৰীয়া কৰিছিল। শেতেলী আছিল মাক-দেউতাকৰ একমাত্ৰ সন্তান। সেই আঘাতত দেউতাক হৃদৰোগত আক্ৰান্ত হৈ ঢুকাল আৰু তাৰ কেইমাহমানৰ পিছতে মাকো কুষ্ঠৰোগত আক্ৰান্ত হৈ চিকিৎসাৰ অভাৱত ঢুকাল। এতিয়া ঘৰখনত মাথো প্ৰাণী দুটা তাই আৰু দীননাথ।

গাঁওখনে অৱজ্ঞা কৰিলেও ওচৰ-চুবুৰীয়াই শেতেলীক বৰ মৰম কৰিছিল। মৰমেৰে তাইক 'শেতেলী বাই' বুলি মাতিছিল। দীনও ক্ৰমান্বয়ে ডাঙৰ হৈ আহিল। শেতেলীয়ে লোকৰ ঘৰত কাম কৰি চাউলৰ পৰা আদি কৰি যি দুই-এপইচা পাই তাকে গোটাই কৰি এদিন অঞ্চলৰ প্ৰাইমাৰী স্কুল এখনত দীনক নাম ভৰ্তি কৰি দিলে। দীনও মাকৰ প্ৰতি কৃতজ্ঞ হৈ পঢ়া-শুনাত ভালদৰে মনপুতি লাগিল। এনেকৈয়ে সি এদিন মাকৰ আদৰ যত্নতেই হাইস্কুল শিক্ষান্ত পৰীক্ষাত প্ৰথম বিভাগত উত্তীৰ্ণ হৈছিল।

পৰীক্ষাৰ প্ৰ-পত্ৰ পূৰণৰ বাবে দিবলগীয়া পইচা অকলে গোটাব নোৱৰাত, শেতেলী বাইয়ে মাকৰ অৰ্থাৎ দীনৰ আইতাকৰ দুই-এপদ অলঙ্কাৰ বেছি পোৱা টকাকেইটা প্ৰ-পত্ৰ পূৰণৰ বাবে বিদ্যালয়ৰ শিক্ষকৰ হাতত দিলেগৈ। দীনই আগতকৈ অলপ বেছিকৈ পঢ়িবলৈ লৈছিল। কাৰণ হাইস্কুল শিক্ষান্ত পৰীক্ষাই মানুহৰ জীৱন গঢ়াৰ একমাত্ৰ চাবিকাঠি। এই পৰীক্ষাৰ ফলাফলেই আনে মানুহৰ জীৱনলৈ বহু সালসলনি। যাৰদ্বাৰা মানুহে সমাজত সন্মানীয় ব্যক্তিৰূপে আসন লাভ কৰে। অ, আ, ক, খ নিচিনা শেতেলীয়ে আধুনিকতাৰ পোহৰ পাই পঢ়া-শুনা কৰা শিক্ষিত মানুহৰ দম্ভ, অহঙ্কাৰৰ বিষয়ে অনভিজ্ঞ আছিল। শেতেলীৰ জীৱন যদিও বিষাদ-বেদনাৰে ভৰা তথাপি একমাত্ৰ পুতেক দীনলৈ চাই সকলো পাহৰি থাকে। দীনও আছিল মাকৰ একান্ত বাধ্য সন্তান। আদৰ্শ মাতৃ হিচাপে শেতেলীয়ে দীনক ঘৃণাৰ প্ৰতীক হিচাপে নহয়, আনন্দৰ প্ৰতীক হিচাপে ডাঙৰ কৰিলে।

দীনৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফলে শেতেলীৰ জীৱনলৈ সুখ কঢ়িয়াই আনিলে। শেতেলীৰ মুখমণ্ডল উজলি উঠিল পুতেকক উচ্চশিক্ষা দিয়াৰ হেঁপাহত। দৰিদ্ৰ পৰিয়ালৰ ল'ৰা ছোৱালীক চৰকাৰে ধন দি পঢ়া-শুনাৰ ক্ষেত্ৰত সহায় কৰিব বুলি গম পাই শেতেলীয়ে পঞ্চায়তৰ সভাপতিৰ ওচৰলৈ গৈ পুতেকক নাম-ঠিকনা দিলে আৰু এনেকৈয়ে দীন এদিন ঘৰৰ পৰা ওলাই গ'ল উচ্চশিক্ষা লাভৰ বাবে।

দীনই উচ্চশিক্ষা সমাপ্ত কৰি কাম এটা যোগাৰ কৰি ল'লে। শেতেলীয়েও এতিয়া লোকৰ ঘৰত কাম কৰিবলৈ নোযোৱা হ'ল। উপযুক্ত বয়সত মাক শেতেলীয়ে তাক ঘৰ পতাৰ কথা ক'লে। সিও আপত্তি নকৰি কলেজীয়া জীৱনৰ বান্ধৱী কল্পনাক বিয়া পাতিব বুলি মাকক ক'লে আৰু মাকেও একমাত্ৰ পুতেকৰ পছন্দ নাকচ নকৰি কল্পনাক বোৱাৰী হিচাপে গ্ৰহণ কৰিলে।

আজিকালি প্ৰায়ে দীন আৰু কল্পনাৰ মাজত খামখেয়ালি লাগি থাকে। অভিজাত বংশৰ জীয়ৰী কল্পনা গাঁৱলীয়া সমাজত থাকিব নোৱাৰে। কথাই প্ৰতি পবিত্ৰ শব্দ 'মা' ঠাইত 'বুঢ়ী' শব্দ ব্যৱহাৰ কৰে কল্পনাই। দীনই পত্নীক কোনো কাৰণতেই দুখ দিব নোৱাৰি মাকক অৱহেলা কৰি এদিন পত্নীৰ সুখৰ বাবে গাঁও এৰি চহৰলৈ গুচি আহিল। দুয়ো চলিব পাৰিব, কাৰণ দুয়োজন চাকৰিয়াল। সেই যে মাকক গাঁৱৰ ঘৰত এৰিলে তাৰ পাছত দুই নে এদিন গৈছিল। যেতিয়া মাকৰ অসুখটোৰ কথা গম পালে তেতিয়া লোকৰ হাতত টকা দি পঠিয়ালে, কিন্তু সিহঁত নাহে। শেতেলীৰ হাতৰ গাঁঠিফুলি পানী জমা হৈছিল। এই লক্ষণ কুষ্ঠৰোগৰ বুলি গম পাই সোঁচৰা ৰোগ বুলি দীন আৰু কল্পনা কোনো নহা হ'ল। এনেকৈয়ে এদিন শেতেলীয়ে পুত্ৰ থাকিও 'মৃত্যু' নামৰ শব্দটো আঁকোৱালি লৈ চিৰদিনলৈ পৃথিৱীৰ কোলাত শুই পৰিল। মৃত্যুৰ আগত শেতেলীয়ে জানি গ'ল যে— আজিৰ আধুনিক শিক্ষাই মানুহক শিক্ষিত কৰাৰ পৰিৱৰ্তে স্বাৰ্থপৰ আৰু অহঙ্কাৰী কৰি গঢ়ি তুলিছে। তাহানিৰ শিক্ষানীতি বৰ্তমানৰ সৈতে একে যদিও বৰ্তমানৰ যুৱ প্ৰজন্মই তাক সৎ ব্যৱহাৰ কৰিবলৈ পাহৰি গৈছে। তাইৰ আঁচলত ধৰি একমাত্ৰ পুত্ৰ দীননাথে তাইৰ হৃদয়ৰ সৰ্বস্ব মহতিয়াই তাইক দীন কৰি থৈ গ'ল। ■

# ৰোমন্থন

মণি বৰা, স্নাতক দ্বিতীয় ষাণ্মাসিক (অৰ্থনীতি বিভাগ)

'বাইদেউ! নগাঁও ছোৱালী কলেজ পালেহি'— নবেনে ক'লে, তেতিয়াহে প্ৰিয়া গাড়ীৰ পৰা নামিল আৰু চাৰিওপিনে এবাৰ চকু ফুৰালে। আজি প্ৰায় ১০ বছৰৰ পাছত প্ৰিয়া নগাঁও ছোৱালী কলেজলৈ আহিছে। আজিৰ পৰা ১০ বছৰৰ আগতে এইখন কলেজৰ পৰাই অৰ্থনীতিত স্নাতক ডিগ্ৰী লৈ উত্তীৰ্ণ হৈছিল। কলেজখন আগৰ দৰে হৈ থকা নাই; বহুত সলনি হ'ল। আগতে কলেজখনৰ এটা নিৰিবিলি পৰিৱেশ আছিল। এতিয়া কলঙৰ পাৰত বহুতো সৰু-ডাঙৰ দোকান-পোহাৰ গঢ় লৈ উঠিছে। এইবোৰ কথা ভাবি থাকোঁতেই প্ৰিয়াই এজন চানাৱালাক দেখিলে আৰু কিছুমান পুৰণি স্মৃতিয়ে আহি তাইৰ চকুৰ সন্মুখত অহা-যোৱা কৰিলে।

প্ৰিয়াৰ প্ৰথমদিনটোৰ কথা মনত পৰিল যেতিয়া নগাঁও ছোৱালী কলেজলৈ আহিছিল, তেতিয়া তাইৰ মনত বহুত সংকোচ ভাব আছিল। তাইৰ পুৰণি বান্ধৱী কোনো এজনীয়েও এই কলেজত পঢ়া নাই আৰু বেলেগ ছোৱালীক তাই চিনি নাপায়। প্ৰিয়া কলেজৰ গেটখনৰ সন্মুখত থিয় হ'ল আৰু লাহে লাহে কলেজখনৰ অৰ্থনীতি বিভাগৰ ফালে খোজ দিলে। তাই গৈ দেখিলে অৰ্থনীতি বিভাগত আগৰেপৰা কেইজনীমান ছোৱালী বহি আছে। প্ৰিয়াই ক্লাছত সোমাই সিহঁতৰ লগতে বহিলে। এজনী ক্ষীণ-মীন ওখকৈ ছোৱালী তাইৰ ওচৰত বহিছিল আৰু ক্লাছ শেষ হোৱাৰ পিছত ছোৱালীজনীয়ে প্ৰিয়াৰ লগত চিনাকি হৈছিল। ছোৱালীজনীৰ নাম জয়া আছিল। লাহে লাহে সকলোবোৰ ছোৱালীৰ লগত প্ৰিয়াৰ চিনাকি হৈছিল ছোৱালীকেইজনীৰ নাম আছিল—শিবানী, ভাৰতী, জেছমিন, চয়নিকা, কঙ্কনা আৰু বিস্মিতা। লাহে লাহে সিহঁত সকলোবোৰ খুব ভাল বান্ধৱী হৈ পৰিছিল। এজনীয়ে আনজনীৰ দুখত দুখী হ'বলৈ আৰু এজনীয়ে আনজনীৰ সুখত সুখী হ'বলৈ শিকিছিল। ক'লেজৰ কেন্টিন আৰু চানাৱালাজনৰ ওচৰৰ বেঞ্চখন প্ৰিয়াহঁতৰ গ্ৰুপটোৰ প্ৰিয় আছিল।

— 'অই প্ৰিয়া ৰাক্ষসী'! বাদাম অকলে খাই আছ'— শিবানীয়ে প্ৰিয়াক উদ্দেশ্য কৰি ক'লে।

— 'অই! মোৰ বেষ্ট ফেণ্ডক ৰাক্ষসী বুলি ন'কবি। কথা বেয়া হ'ব'— জয়াই শিবানীৰ কথাৰ প্ৰত্যুত্তৰ দিলে। তেনেতে সেই ঠাইত বিস্মিতা, জেছমিন, ভাৰতী, ছয়নিকা আৰু কঙ্কনা উপস্থিত হ'ল।

ভাৰতীয়ে ক'লে— 'তহঁতে কি কথাতনো কাজিয়া কৰি আছ'?

প্ৰিয়াই কৈছিল— "আমি কাজিয়া লগা নাই অ' এই পাগলী দুজনীয়ে এনেয়ে ...।"

তেনেতে ছয়নিকাই ক'লে—"ক্লাছ অফ্ আছে; 'ক'ৰবালৈ যাওঁ ব'ল।"

বিস্মিতাই ক'লে— "শ্বহীদ ভৱনত চিত্ৰ সমাৰোহ হৈছে তালৈকে যাব পাৰি।" সকলোৱে একেস্বৰে সমৰ্থন জনালে।

এনেদৰেই হাঁহি ফুৰ্তিৰে সকলোবোৰ দিন পাৰ হৈছিল। এজনীয়ে আনজনীক এৰি একো নকৰিছিল, ক'লৈকো নগৈছিল, একো নাখাইছিল। কিন্তু আজি কোন ক'ত কেনেদৰে আছে ভাবিলেই আচৰিত লাগি যায়।

সকলো বান্ধৱী এতিয়া দূৰে দূৰে। জয়াৰ স্বামীৰ ঘৰ তেজপুৰত আৰু তাই তেজপুৰৰ এখন কলেজৰ অৰ্থনীতি বিভাগৰ অধ্যাপিকা। শিবানী এতিয়া অভিযন্তা স্বামীৰ লগত দিল্লীত থাকে। ভাৰতী এতিয়া অসমৰ এগৰাকী আগশাৰীৰ সাহিত্যিক আৰু তাই অধ্যাপক স্বামীৰ লগত যোৰহাটত থাকে। বিস্মিতাই এতিয়া এছ বি আইত কাম কৰে আৰু ডিজাইনাৰ স্বামীৰ লগত গুৱাহাটীত থাকে। চয়নিকাৰ পঢ়ি থাকোতেই বিয়া হৈছিল আৰু জেছমিনৰ বিষয়ে প্ৰিয়াই বিশেষ নাজানে। কঙ্কনা এতিয়া ছিলঙত থাকে।

আৰু প্ৰিয়া? প্ৰিয়া ছিকিমত এটি নামী কোম্পানিত কৰ্মৰত অৱস্থাত আছে. কোম্পানিৰ কামত দুদিনৰ কাৰণে নগাঁৱলৈ আহিছে।

প্ৰিয়াই আজিও কলেজলৈ অহা প্ৰথম দিনটোৰ দৰে কলেজৰ গেটৰ সন্মুখত অকলশৰে থিয় হৈ আছে। অৱশ্যে আজি তাইৰ লগত সকলো বান্ধৱীয়ে যোগাযোগ ৰাখিছে। তথাপিও প্ৰিয়াই অনুভৱ কৰে তাই যেন এখন বিশাল পথাৰৰ মাজত থকা এজোপা কহুঁৱা বনৰ দৰে। অকলশৰীয়া। যাৰ একাকীকত্বৰ কোনো আনন্দ নাই। তাই আজি মন থাকিলেও কলেজত পঢ়া দিনবোৰৰ দৰে বান্ধৱীবোৰক নিজৰ সুখ আৰু দুখৰ ভাগ দিব নোৱাৰে। হাঁহিব নোৱাৰে...।

'বাইদেউ! আন্ধাৰ হ'বলৈ আৰম্ভ কৰিছে'— ড্ৰাইভাৰ নবেনৰ মাতত প্ৰিয়াৰ চিন্তাৰ ওৰ পৰিল আৰু প্ৰিয়া বাস্তৱলৈ উভতি আহিল। তাই দেখিলে, যে ইতিমধ্যে সূৰ্যই এই ধৰাৰপৰা আজিৰ দিনটোলৈ বিদায় মাগিছে আৰু সূৰ্যৰ শেহতীয়া পোহৰবোৰে গছৰ পাতবোৰৰ মাজেৰে এক সোণালী ৰঙৰ চিত্ৰপট সৃষ্টি কৰিছে। ঠিক সোণালী অতীতৰ দৰে। ■



# নিঃসঙ্গতাৰ লগৰী

বিচামণি দাস, উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষ

এনেদৰে সদায় আবেলি গিৰীয়েক মহিম চৌধুৰীক ধৰি আনি আগফালৰ বাৰাণ্ডাৰ নিৰ্দিষ্ট আৰামী চকীখনত বহুৱাই দি প্ৰতিভাই নিজেও মূঢ়া এটাত বহি লয়। অতি জৰুৰী কথা নেথাকিলে কাচিৎহে তেওঁলোকৰ মাজত কথা-বতৰা হয়, বেছিভাগ সময় তেওঁলোকে মৌন হৈয়েই কটায়। কিন্তু তেওঁলোকৰ চকু দুযোৰ নিবদ্ধ হৈ থাকে সন্মুখৰ ঘৰটোৰ চোতালত খেলি থকা ল'ৰা-ছোৱালীহালৰ ওপৰত। খেলাৰ লগৰী কৰি সিহঁতে নগুৰ-নাগতি কৰে আইতাকক। পুতেকে বজাৰত মিঠাইৰ দোকান দিয়ে। আবেলি দোকানত গ্ৰাহকৰ ভিৰ বেছি হয়। সেয়ে পুতেকৰ সহায় হওঁক বুলি বোৱাৰীয়েকক দোকানলৈ পঠিয়াই আইতাকজনী নাতি-নাতিনীহালৰ লগত সম্পূৰ্ণ ব্যস্ত হৈ পৰে। কেতিয়াবা প্ৰতিভাইহঁতক আপত্তি দৰ্শাই—

— "বুজিছে, এই দুটা সাত ঘাটৰ চেঙেলী। দিনটোতো মোক দৌৰাই-ঢপৰাই মাৰেই, ৰাতিও শুবলৈ শান্তি নিদিয়ে। দুয়োটাকে মোৰ লগত শুবলৈ লাগে, মই সাধু নক'লে বোলে সিহঁতৰ টোপনিয়েই নাহে।"

সিহঁতৰ হৈ আপত্তিসূচক মন্তব্য আগবঢ়ালেও প্ৰতিভাই মন কৰে কথাখিনি কওঁতে আইতাকজনীৰ মন যেন তৃপ্তিৰে ভৰি থাকে।

— "এৰা! এইবোৰহে সংসাৰ।"

অতৰ্কিতে প্ৰতিভাৰ হুমুনিয়াহ ওলাই আহে! মুখ মেলিলেই গৰ্ভ দেখা মানুহ মহিম চৌধুৰী।

"তেনেকৈ ভাবিব নেপায় প্ৰতিভা। তুমিয়েইটো তোমাৰ চোকা বুদ্ধিৰ ল'ৰা-ছোৱালীকেইটাক লৈ গৰ্ব কৰিছিলা। এতিয়া আমাক সঙ্গ দিবলৈকে সিহঁতে 'কেৰিয়াৰ' ধ্বংস কৰিবনে? মাক-বাপেক হিচাপে আমি আমাৰ কৰ্তব্য কৰি গৈছোঁ ইমানেই।"

প্ৰতিভা নিমাতে ৰয়।

সন্ধ্যা ধূপ-ধুনা লগাই প্ৰতিভা আহি চৌধুৰীৰ কাষতে বহিলহি। চৌধুৰীয়ে প্ৰতিভাক বৰ আগ্ৰহেৰে সুধিলে—

"মই যদি কওঁ মোৰ এটা বস্তু খাবৰ বৰ মন গৈছে, তুমি তাহানিৰ দৰে অভিমান কৰিবা নেকি?"

প্ৰভাই প্ৰশ্নবোধক দৃষ্টিৰে চৌধুৰীলৈ চাই ৰ'ল।

"অকণমান পোৰা গৰৈমাছৰ পিটিকা, তাত ধনিয়া আৰু কেঁচা জলকীয়াও দিবা।"

চৌধুৰীক তেওঁৰ মাকে তৈয়াৰ কৰি দিয়া এই জুতি তেওঁ যেন আজিও পাহৰিব পৰা নাই। এই লৈয়েই আগেয়ে তেওঁলোকৰ মাজত খুব ওফোন্দা-ওফন্দি হৈছিল। পোৰা মাছৰ গোন্ধ সহ্য নহয় প্ৰতিভাৰ। তাতে এদিন গৰৈ মাছ এটা নুৰিয়াওতে পকা অঙঠাৰ ওপৰত মাছটোৱে ধৰ্ফৰাই থকা দেখি প্ৰতিভাৰ অন্তৰখনে কান্দি পেলাইছিল। চৌধুৰীৰ কিন্তু সেইবোৰলৈ ভ্ৰুক্ষেপ নাছিল। কথাই কথাই তেওঁ মাথো মাকৰ ৰন্ধা-বঢ়াৰ প্ৰশংসা কৰিছিল। কেতিয়াবা যদি প্ৰতিভাই ৰন্ধা কিবা এবিধ উপকৰণ ঘৰখনৰ আটায়ে শলাগে, সেইদিনা চৌধুৰীক প্ৰতিভাই আগ্ৰহেৰে সোধে—

"আজি মোৰ ৰন্ধা কেনে পালা?"

চৌধুৰীৰ নিৰুদ্বেগ উত্তৰ—

"ভালেই হৈছে, কিন্তু মায়ে ৰন্ধাৰ দৰে হোৱা নাই।"

চৌধুৰীৰ উত্তৰত অসন্তুষ্ট হৈ প্ৰতিভাই বৈ অহা চকুপানীখিনি কোনেও নেদেখাকৈ আঁচলেৰে মচি লৈছিল। এতিয়া অৱশ্যে বয়সে গৰকিলে প্ৰতিভাক। বুজি পোৱা হ'ল তেওঁৰ মাকে ৰন্ধা জুতি। এনেয়ে জানো মানুহে কয়—

"নৈৰ সমান ব'ৰ কোনে, আইৰ সমান হ'ব কোন?"

প্ৰতিভাৰ দুচকুৰে সৰ্সৰকৈ পানী বাগৰিল। ক'ত বাৰু তেওঁ এতিয়া গৰৈ মাছ পাব? কাম কৰা বাইজনীও সন্ধিয়াৰ আগে আগে ঘৰলৈ যায়গৈ। চৌধুৰীক অকলে এৰি থৈ প্ৰতিভাত বজাৰলৈ যায় কেনেকৈ?

এইদৰে প্ৰতিভাই চিন্তা কৰি থাকোঁতে চৌধুৰীয়ে ক'লে—

"নাকান্দিবা প্ৰতিভা। মই আজিয়েই খাম বুলিতো কোৱা নাই। পিছত কেতিয়াবা খাম দিয়া।"

কালিলৈ যদি চৌধুৰী খাব পৰা অৱস্থাত নেথাকে? কথাটো ভাবি প্ৰতিভাৰ বুকুখন কঁপি উঠিল। এসময়ত যিখন ঘৰত মানুহেৰে ভৰি আছিল আজি সেইখন ঘৰতে বজাৰলৈ ওলাই যাবলৈও মানুহ এটাৰ অভাৱ। তেওঁলোকৰ ল'ৰা-ছোৱালী নিজৰ ঘৰ-সংসাৰ লৈ দূৰে দূৰে ব্যস্ত। নিসঙ্গতাত বুৰগৈ থাকে প্ৰতিভা আৰু চৌধুৰী। কিন্তু মাক-দেউতাকক সঙ্গ দিয়াৰ খাতিৰতে সিহঁতে জানো চাকৰি-বাকৰি এৰি দিব? চৌধুৰীয়ে মাজে মাজে প্ৰতিভাৰ মুখলৈ চাই থাকে। মুখ ফুটাই নক'লেও হয়তো মনে মনে ভাৱে—

"মই সোনকালে মৰাই ভাল হ'ব নেকি প্ৰতিভা? মোৰ বাবে তুমি আৰু কিমান কষ্ট সহ্য কৰিবা?"

প্ৰতিভাৰ হৃদয়ে যেন কয়—

"নক'বাচোন তেনেকৈ। তুমি এনেকৈয়ে কেৱল 'প্ৰতিভা' বুলি মাতিবাৰ দিবলৈকে মোৰ কাষত থাকাচোন। তোমাৰ মাতষাৰেই মোৰ জীয়াই থকাৰ প্ৰেৰণা। তোমাৰ অবিহনে মই

বৰ অকলশৰীয়া হৈ যাম। এতিয়া মই তোমাৰ অসুখীয়া দেহাটোৰ আলপৈচান ধৰিয়েই সময়বিলাক পাৰ কৰিছোঁ। কিন্তু তোমাৰ কিবা এটা হ'লে মোৰ দেখোন ঘৰখনত কৰিবলৈকো একো নাথাকিব।"

এটা সময়ত প্ৰতিভাই ল'ৰা-ছোৱালীৰ লগত লৰা-ঢপৰা কৰি ফুৰোঁতে চৌধুৰীয়ে নিজকে অৱহেলিত হোৱা বুলি ভাবি প্ৰতিভাৰ ওপৰত মৃদু অভিমান কৰিছিল। প্ৰতিভাই হাঁহি হাঁহি কৈছিল—

"ইহঁতবোৰ যেতিয়া পঢ়ি-শুনি নিজৰ ভৰিত নিজে থিয় দিব পাৰিব, তেতিয়া মোৰ সকলো সময় কেৱল তোমাৰ বাবেই হ'ব।"

কিন্তু সময়বোৰ যে ইমান নিষ্ঠুৰ। সময়ে চৌধুৰীক প্ৰতিভাৰ পৰা কাঢ়ি নিব বিচাৰিছে যে....।

প্ৰতিভাই চৌধুৰীৰ কপালত লাহেকৈ হাত এখন থ'লে।

— "কবা ক'বা?"

চৌধুৰীয়ে প্ৰতিভাৰ হাতৰ ওপৰত তেওঁৰ হাত এখন থৈ সুধিলে—

— "তুমি অকণমান অকলে থাকিব পাৰিবানে? মই মন্দিৰত চাকি এগছি জ্বলাই আহোঁগৈ?"

"মই মৰিম বুলি তোমাৰ খুউব ভয় হৈছে প্ৰতিভা?"

প্ৰতিভাই একো উত্তৰ নিদিলে। বুকু ভাঙি ওলাই আহিব খোজা কান্দোনটোক চেপি ৰখাৰ প্ৰয়াস কৰিলে মাথোঁ। চৌধুৰীৰ অনুমতি লৈ প্ৰতিভাই যেতিয়া মন্দিৰ পালেগৈ তেতিয়া মন্দিৰলৈ মানুহৰ সমাগম বন্ধ হৈছে। প্ৰতিভাই লৰালৰিকৈ চাকিগছ জ্বলাই ঘৰমুৱা হ'ল। প্ৰতিভাৰ মনত এটা বিশ্বাস আছে যে— যদি জ্বলাই অহা চাকিগছ ভৰ্‌ভৰ্‌কৈ জ্বলে তেন্তে মনৰ আশা পূৰণ হয় আৰু যদি কিবা কাৰণত চাকিগছ নুমাই যায় তেন্তে প্ৰতিভাৰ মনত সন্দেহে বাহ লয়, কিজানিবা? আজিও সেই ভাবেৰে চাকিগছ ভালদৰে জ্বলিছেনে নাই চাবলৈ বুলি মূৰ ঘূৰাওঁতেই....।

প্ৰতিভাৰ বুকুখন ধপ্‌ধপাই উঠিল। মন্দিৰৰ চৌপাশ দেখোন আন্ধাৰ! বতাহ-বৰষুণ একো নোহোৱাকৈ হঠাতে চাকিগছ নুমাল কেনেকৈ? চাকিগছ দিয়া হৈছিল চৌধুৰীৰ স্বাস্থ্যৰ উন্নতিৰ কামনাৰে। গতিকে স্বাভাৱিকতে প্ৰতিভাৰ বুকুখন কঁপি উঠিল। তেওঁ পুনৰ মন্দিৰৰ ফালে অগ্ৰসৰ হ'ল। প্ৰতিভাই দূৰৈৰ পৰাই আধা আন্ধাৰ আধা আলোকত দেখা পালে যে গছজোপাৰ তলত এটা ছায়ামূৰ্তিয়ে দ্ৰুত গতিৰে ইফাল-সিফাল কৰি ফুৰিছে। একো তৎ ধৰিব নোৱাৰি তড়িৎ বেগেৰে প্ৰতিভা সেইখিনি ঠাই পালেগৈ।

— "অই ল'ৰা!"

প্ৰতিভাৰ মাতত সাত-আঠ বছৰীয়া ল'ৰাটো উচপ খাই উঠিল।

— "তই ইয়াত কি কৰিছ?"

ল'ৰাটোৱে কিবা এটা লুকুৱাবলৈ চেষ্টা কৰিছে। প্ৰতিভাই টৰ্চৰ পোহৰ তাৰ সমগ্ৰ দেহত বিয়পাই দিলে।

— "সেইটো কি লুকুৱাইছ চাওঁ?"

ল'ৰাটো ভয়তে বিবৰ্ণ হৈ কাপোৰৰ তলৰ পৰা এটা সৰু বটল প্ৰতিভালৈ আগবঢ়াই দিলে। প্ৰতিভাই বিচূৰ্তি খালে। বটলটোত অলপমান মিঠাতেল। প্ৰতিভাই ধমক দি সুধিলে—

— "তাৰমানে চাকিবোৰ নুমুৱাই বটলত তেলবোৰ ভৰাইছ?"

সি কন্দনামুৱা হৈ প্ৰতিভাৰ কথাৰ একো উত্তৰ নিদি ভিৰাই লৰ মাৰিলে। ইচ্ছা কৰি নে ভয় খাই বটলটো তাতে পেলাই থৈ গ'ল। প্ৰতিভা তাতে কিছু সময় তভক মাৰি ৰ'ল। মনত অসংখ্য ভাবৰ হেন্দোলনি উঠিল। কিয় ভৰাই লৈছিল সি বটলত আধাপোৱা তেলবোৰ? অনুসন্ধিৎসু মনটোৱে তাৰ পিছ ল'বলৈ প্ৰতিভাক বাধ্য কৰিলে আৰু এটা সময়ত ল'ৰাটো সোমাই যোৱা জুপুৰীটোৰ দুৱাৰমুখত প্ৰতিভাই ভৰি থ'লেগৈ। ভিতৰত কোনোবা এগৰাকী তিৰোতাই সেহাই সেহাই কোৱা শুনিলে—

— "কাঠি এটাহে আছে, সাৱধানে জ্বলাবি।"

ল'ৰাটোৱে ক'লে—

— "আইতা আজি আনিব নোৱাৰিলোঁ। তই পুৰিয়েই খাব লাগিব।"

— "কিয় বাছা? আজি মন্দিৰলৈ কোনোৱেই অহা নাছিলনে?"

— "আজি মই ধৰা পৰি গ'লো আইতা।"

— "হে ভগৱান! তোক মাৰধৰ কৰা নাইতো?"

প্ৰতিভাই সশব্দে কাহ এটা মাৰি তেওঁ অহাৰ জাননী দিলে। ল'ৰাটোৱে দৌৰ মাৰি বেৰৰ জলঙাৰে জুমি চাই ক'লে—

"মৰিলোঁ আইতা! মানুহজনী দেখোন আমাৰ ঘৰ পালেহি।"

সি আইতাকৰ কাষত গৈ উচুপি উঠিল। সি হয়তো মানুহজনীয়ে তাক অনুসৰণ কৰিব বুলি ভবাই নাছিল।

— "দুৱাৰখন খোলা। মই তোমাক সহায় কৰিবলৈহে আহিছোঁ।"

কেৰ্ কেৰ্ শব্দৰে বাঁহৰ দৰ্জখন খোল খাই গ'ল। দৰ্জাখন খুলিয়েই ল'ৰাটো দৌৰি গৈ বিছনাত পৰি থকা আইতাকৰ পিঠিৰ ফালে কুচিমুচি নিজকে লুকুৱাবৰ চেষ্টা কৰিলে। ধিমিক্-ধামাক্‌কৈ জ্বলি থকা টিপ চাকিৰ শিখাটোৱে কোঠাটো সম্পূৰ্ণৰূপে পোহৰাব পৰা নাই। বিছনাৰ মানুহগৰাকীৰ মুখখন স্পষ্টকৈ দৃষ্টিগোচৰ নোহোৱাত প্ৰতিভাই টৰ্চটো জ্বলাই দিলে।

এজনী শীৰ্ণকায় ক্ষীণদেহী বুঢ়ী মানুহ। কোটৰগত চকু। বুঢ়ীয়ে এখন হাতেৰে ল'ৰাটোক ধৰি আছে, সেয়া হয়তো মৌন আশ্বাস। দুয়োয়ে প্ৰতিভাৰ ফালে কৌতুহলেৰে চাই ৰ'ল। কথা প্ৰতিভায়েই আৰম্ভ কৰিলে—

— "আপোনালোকৰ কথাবোৰ মই শুনিলোঁ। কিবা পুৰি খোৱাৰ কথাও ক'লে। কথাবোৰ খুলি কওঁকচোন। বিশ্বাস কৰক মই আপোনালোকক সহায়হে কৰিম।"



বুঢ়ীয়ে সেহাই সেহাই কৈ যোৱা কথাবোৰৰ সাৰমৰ্ম হ'ল— ল'ৰাটো। বুঢ়ীৰ জী-নাতি। জোঁৱায়েকৰ দুঘৰ্টনা এটাত মৃত্যু হোৱাত জীয়েক অন্য এজনৰ লগত পলাই গৈ ল'ৰাটো বুঢ়ীৰ টেটুত লগাই থৈ গ'ল। এতিয়া বুঢ়ীৰ বিছনাৰপৰা উঠিবই নোৱৰা অৱস্থা। দিনে-দিনে দুৰ্বল হৈহে গৈছে। ইফালে ডাক্তৰে জীয়া মাছৰ জোল খাবলৈ দিছে। নাতিয়েকে বৰশী টোপাই, দল চেলাই বা কেতিয়াবা বজাৰৰপৰা বেপাৰীক খুজি-মাগি দুই-এটা মাছ আইতাকলৈ বুলি লৈ আনে। কিন্তু তেল কিনিবলৈ পইচা নথকাৰ বাবে— বুঢ়ীয়ে কান্দিবলৈ আৰম্ভ কৰিলে। প্ৰতিভাই বুঢ়ীক সান্ত্বনা দিয়াৰ ভাষা বিচাৰি নেপালে।

আইতাকে ক'লে—

"মোৰ এতিয়া অন্য চিন্তা নাই, বাইদেউ! মই মৰিলে নাতিটোৰ কি হ'ব, তাৰ দায়িত্ব কোনে ল'ব, এইবোৰ চিন্তাইহে মোক খুলি-খুলি খাইছে।"

প্ৰতিভাৰ চকুযোৰ তিৰ্‌বিৰাই উঠিল। ভগৱানে কিজানি তেওঁৰ ফালে চকু মেলি চাইছে। দিবনে বাৰু বুঢ়ীগৰাকীয়ে প্ৰতিভাক তেওঁৰ নাতিটো। প্ৰতিভাৰ সুপ্ত সপোনটো জাগ্ৰত হৈ উঠিল— সন্ধ্যা প্ৰতিভাই জোনাকত পাটি পাৰি বহি লৈ তাক সাধু শুনাব। ৰাতি বুকুৰ মাজত সুমুৱাই টোপনি যাব। প্ৰতিভাৰ নিজৰ নাতি-নাতিনী কেইটাই তেওঁলোকৰ লগত কথাই পাতিব নোখোজে। কিন্তু এই কণমানি ল'ৰাটোৱে কিমান কষ্ট কৰি আইতাকক আপডাল কৰিছে। প্ৰতিভাৰ মনত এটি আচৰিত ভাবৰ উদয় হ'ল। প্ৰতিভাই যদি বুঢ়ীগৰাকীৰ লগত এটা চুক্তি কৰে! প্ৰতিভাই ল'ৰাটোক ওচৰলৈ মাতি মূৰত হাত ফুৰালে আৰু বেগৰ পৰা টকা এশ উলিয়াই দি ক'লে—

— "যোৱা, দোকানৰ পৰা কি কি লাগে লৈ আহাগৈ।"

বুঢ়ীয়ে কঁপা কঁপা হাত দুখন একলগ কৰি ক'লে—

— "আপুনি দেৱী নে মানৱী?"

প্ৰতিভাই বিনম্ৰভাৱে ক'লে—

— "মোক আপুনি ইমান ওখ স্থান নিদিব। ময়ো আপোনাৰ দৰেই সুখ-দুখ উপলব্ধি কৰিব পৰা তেজ-মঙহৰ মানুহ। শুনক, ভগৱানে মোক টকা-পইচা সকলো দিছে, কিন্তু মোৰ লগত থাকিবলৈ এটা নাতি দিয়া নাই। আপোনাক নাতি দিছে, কিন্তু টকা দিয়া নাই। সেয়ে আপোনাক মই এটা অনুৰোধ কৰোঁ মই আপোনালোকৰ সকলো দায়িত্ব ল'ম, কিন্তু বিনিময়ত আপোনাৰ নাতিটোৱে আপোনাৰ অবিহনে মোৰ নাতিৰ স্থান পূৰাব লাগিব। আমাৰ দুয়োৰে নিসঙ্গতাৰ সঙ্গী হ'ব সি।"

বুঢ়ীয়ে অবিশ্বাসৰ চাৱনিৰে প্ৰতিভালৈ চালে—

— "আপুনি কোৱা কথাবোৰ মই ঠিকেই শুনিছোঁতো! ইমানদিনে মই এনেকুৱা এটা কথাই ভাবি আছিলোঁ। ভগৱানে আজি যেন মোলৈ চকু মেলি চাইছে।"

বুঢ়ীয়ে প্ৰতিভাৰ ভৰি দুটা চুবলৈ খুজিলে। প্ৰতিভাই বুঢ়ীক সাবটি ধৰি আশ্বাস দিলে আৰু আকৌ অহাৰ প্ৰতিশ্ৰুতি দি ল'ৰাটোৱে বৰশী টোপাই অনা গৰৈ মাছ এটা লৈ আত্ম সন্তুষ্টিৰে ঘৰলৈ উলটিল। ভগৱানৰ ওপৰত যেন প্ৰতিভাৰ বিশ্বাস আৰু গভীৰ হ'ল। সেয়ে প্ৰতিভাই ঘৰলৈ উলটি আহোঁতে মন্দিৰত আকৌ এগছি চাকি জ্বলাই দিলে। অভ্যাসবশতঃ এইবাৰো ঘূৰি চালে প্ৰতিভাই। চাকিগছ নুমুৱা নাই, জ্বলি আছে ভৰ্‌ভৰ্‌কৈ। ■

---

জন্মৰপৰা ওঠৰ বছৰ বয়সলৈ এজনী ছোৱালীক লাগে ভাল পিতৃ-মাতৃ। ওঠৰ বছৰৰপৰা পঁয়ত্ৰিছ বছৰ বয়সলৈ তেওঁক লাগে দেখনিয়াৰ চেহেৰা। পঁয়ত্ৰিছ বছৰৰপৰা পঁচপন্ন বছৰলৈকে লাগে সবল ব্যক্তিত্ব। পঁচপন্ন বছৰৰ পিছত তেওঁৰ কাৰণে যিটো বস্তুৰ আটাইতকৈ দৰকাৰী, সেইটো হ'ল নগদ ধন।

— ছফি টাকাৰ।

মানুহৰ জীৱনত সাঙ্ঘাতিক সৌভাগ্য কাচিৎহে আহে, সেয়েহে সুখী হ'বৰ বাবে মানুহে সৌভাগ্যলৈ বাট চাব নালাগে। প্ৰতিদিনাই মানুহৰ জীৱনলৈ যিকণ সৰু-সুৰা সুবিধা আহে তাৰ সহায়তেই মানুহে সুখী হ'বলৈ যত্ন কৰিব লাগে।

— বেঞ্জামিন ডিজৰেলি।

জীৱনত তুমি যিহকে হ'ব খোজা হ'ব পাৰিবা, যিহকে কৰিব খোজা কৰিব পাৰিবা। তুমি যিহকে বিশ্বাস কৰা, যিহকে তোমাৰ মনচক্ষুৰ দৃষ্টিগোচৰ কৰা, যিহৰ বাবে প্ৰাৰ্থনা কৰা আৰু যিহৰ বাবে কৰ্মৰত হোৱা তাকেই তুমি লাভ কৰিব পাৰিবা। তোমাৰ মনটোৰ গভীৰতালৈ দৃষ্টিপাত কৰা। পৰম বিস্ময়কৰ ব্যাপাৰবোৰ তাত তুমি দেখা পাবা।

— নৰমান ভিনচেণ্ট পীল।

# নৰাগতা আদৰণি সভাত একেষাৰ

জয়ন্তী চুতীয়া

নৰাগত আদৰণি সভা প্ৰতিটো অনুষ্ঠানৰে এক গুৰুত্বপূৰ্ণ উৎসৱ। ন-পুৰণি ছাত্ৰ-ছাত্ৰীৰ মিলন উৎসৱত শিক্ষক-ছাত্ৰ সকলো উল্লাসিত হৈ পৰে। নানাধৰণৰ উলহমালহেৰে বিচিত্ৰ অনুষ্ঠানৰ পৰিৱেশনেৰে শৰীৰ-মন আলোড়িত কৰি এই দিনটো উদ্‌যাপন কৰা হয়। আদৰণি সভাত নৰাগতসকলক শিক্ষক-শিক্ষয়িত্ৰীয়ে উৎসাহ-উদ্দীপনা যোগায় আৰু তেওঁলোকেও ভৱিষ্যতে পুৰণিচামৰ আদৰ্শৰে অনুপ্ৰাণিত হৈ শিক্ষক-শিক্ষয়িত্ৰীয়ে প্ৰদান কৰা নতুন চিন্তাধাৰাৰে উজ্জীৱিত হৈ নিজৰ জীৱন গঢ়াৰ আৰু এখন আদৰ্শ সমাজ গঢ়াৰ বাবে সঙ্কল্পবদ্ধ হয়।



নগাঁও ছোৱালী কলেজত ছাত্ৰীসকলে উচ্চশিক্ষাৰ কাৰণে ভৰ্তি হৈছে। বঞ্চিত অথচ প্ৰতিভাৱান ছাত্ৰীসকলৰ বাবে এনে ধৰণৰ মুক্ত শিক্ষা গ্ৰহণ কৰাৰ বহুখিনি সুবিধা আছে বা প্ৰয়োজনো আছে। মহাত্মা গান্ধীয়ে কৈছিল: "যেতিয়া এজন পুৰুষ শিক্ষিত হয়, তেতিয়া এজন ব্যক্তি শিক্ষিত হয়। তেতিয়া এটা পৰিয়াল, এখন দেশ শিক্ষিত হয়।"

বিশ্বৰ জনসংখ্যাৰ অৰ্ধসংখ্যক হ'ল নাৰী। পুৰুষৰ সমানে নাৰীয়ে শিক্ষাগ্ৰহণ নকৰিলে বা জ্ঞান অৰ্জন নকৰিলে এখন ডেউকাবিহীন এটা চৰায়ে আকাশত উৰিব নোৱাৰা দৰে এখন সমাজ কেতিয়াও উন্নতিৰ পথত আগুৱাব নোৱাৰে। স্ত্ৰীশিক্ষা যিমানেই বৃদ্ধি পাব, সিমানেই সামাজিক সমতা স্থাপন হ'ব, আৰু সমাজ উন্নতিৰ পথত আগবাঢ়িব।

শিক্ষাৰ প্ৰধান উদ্দেশ্য হ'ল সৎচৰিত্ৰ গঠন আৰু সৎ নাগৰিক গঢ়ি তোলা। ইয়াৰ উপৰিও শিক্ষাৰ যোগেদি সমাজৰ পৰা কু-সংস্কাৰ, কু-নীতি, অন্ধবিশ্বাস বহিষ্কাৰ কৰি মানুহৰ মনত বৈজ্ঞানিক মানসিকতা গঢ়ি তুলিব লাগিব। তাৰোপৰি বিজ্ঞান, সাহিত্য, কলা-দৰ্শনৰ এই সকলো বিষয়তে ন্যূনতম চৰ্চাৰ আৱশ্যক।

ভাৰতৰ শিক্ষা জগতৰ ইতিহাস অতি প্ৰাচীন আৰু সমৃদ্ধিশালী। বৈদিক যুগৰে পৰাই এই দেশত শিক্ষাৰ প্ৰচলন হৈছিল। ঋষি, মুনি, পণ্ডিতসকলে মৌলিকভাৱে শিক্ষা প্ৰদান কৰিছিল। লাহে লাহে আখৰৰ উদ্ভাৱন হ'ল, শব্দ আৰু বাক্যৰ সৃষ্টি কৰি পণ্ডিতসকলে সাঁচিপাতত বা গছৰ বাকলিত তেওঁলোকৰ জ্ঞান, বিজ্ঞানৰ কথাবোৰ লিপিবদ্ধ কৰিলে। গুৰুগৃহই তেতিয়া আছিল শিক্ষানুষ্ঠান, শিক্ষা প্ৰদান আৰু শিক্ষা গ্ৰহণ দুয়োটাই আছিল আন্তৰিকতাপূৰ্ণ, নিভাঁজ আৰু পবিত্ৰ কাৰ্য। ধৰ্ম-শিক্ষা, নীতিশিক্ষাৰ লগতে লাহে লাহে মানুহে দৰ্শন, গণিত, জ্যোতিৰ্বিজ্ঞান, চিকিৎসা বিদ্যাৰ চৰ্চা কৰিলে।

হৰপ্পা যুগতে দশমিক পদ্ধতি প্ৰচলন হ'ল খ্ৰীঃপূঃ হাজাৰ বছৰৰ আগেয়ে যোগ, বিয়োগ, পূৰণ, হৰণ, বৰ্গমূল আদি গাণিতিক পদ্ধতিবোৰ পুথিত লিখি ৰখা হৈছিল। খ্ৰীঃপূঃ পাঁচশ বছৰৰ আগতেই দিন-ৰাতি হোৱা, পৃথিৱীৰ আৱৰ্তন, সূৰ্যগ্ৰহণ, চন্দ্ৰগ্ৰহণৰ কথা ব্যাখ্যা কৰা হৈছিল। বাৰ শতিকাত গণিতবিদ ভাস্কৰাচাৰ্যই *Sine Function*ৰ ব্যাখ্যা কৰিছিল। বাৰ শতিকালৈকে জ্ঞান-বিজ্ঞানৰ গভীৰ চৰ্চা হৈছিল যদিও মোগলৰ দিনত এই চৰ্চা কমি আহিল।

কিন্তু অতিশয় গৌৰৱৰ কথা যে পঞ্চম শতিকাত নেপালৰ দক্ষিণফালে, ভাৰতৰ উত্তৰ-পূব দিশত নালন্দা বিশ্ববিদ্যালয় স্থাপন হৈছিল। প্ৰায় সাতশ আঠশ বছৰ ধৰি ই জ্ঞান-বিজ্ঞান চৰ্চাৰ প্ৰধান কেন্দ্ৰ আছিল, বৰ্তমান যুগৰ যি আৰ্হিমূলক বিশ্ববিদ্যালয়ৰ কথা কোৱা হয়, নালন্দা বিশ্ববিদ্যালয় ঠিক তেনেধৰণৰ আন্তৰ্জাতিক বিশ্ববিদ্যলয় আছিল। দেশ-বিদেশৰ ছাত্ৰ, গৱেষক, পণ্ডিতসকল আহি ইয়াত অধ্যয়ন, গৱেষণা-আলোচনা কৰিছিল। ইয়াৰ সুবৃহৎ পুথিভঁৰাল বিখ্যাত আছিল আৰু প্ৰধানকৈ বৌদ্ধ ধৰ্ম চৰ্চাৰ কেন্দ্ৰ হিচাপে পৰিগণিত হৈছিল। কিন্তু ইউৰোপৰ বিশ্ববিদ্যালয়সমূহ স্থাপন হোৱাৰ লগে লগে নালন্দা বিশ্ববিদ্যালয়ৰ অৱস্থা ম্লান হৈ আহিল।



ঊনৈশ শতিকাৰ প্ৰথম অৱস্থাত ভাৰতত বিজ্ঞান আৰু সাহিত্য চৰ্চাৰ ধাৰা ক্ৰমান্বয়ে অধোগামী হৈছিল। বোম্বে কলিকতা মাদ্ৰাজত বিশ্ববিদ্যালয় স্থাপন হৈছিল। কলিকতাত অতি দূৰদৃষ্টিসম্পন্ন মহেন্দ্ৰলাল চৰকাৰৰ নেতৃত্বত Indian Association for cultivation of Science গঢ় লৈ উঠে। তেওঁ কৈছিল যে বিজ্ঞানত পিছ পৰি থকা কাৰণে আমাৰ দেশখনো পিছ পৰি আছে। মৌলিক গৱেষণা আৰু অধ্যয়নবদ্ধাৰাহে দেশৰ সমস্যা সমাধানৰ পথ বিচাৰি পোৱা যাব। তেওঁ এষাৰ অতি মূল্যৱান কথা কৈছিল, "I want freedom for the Institution– Cultivate science both natural and humanistic" এই অনুস্থানত গৱেষণা কৰিয়েই ছাৰ চি ভি ৰমনে বিজ্ঞানৰ পদাৰ্থ বিজ্ঞানৰ ন'বেল বঁটা লাভ কৰিছিল। আজি সেই বিদ্যামন্দিৰ দেশৰ এটি পুৰণি অথচ আগশাৰীৰ বিজ্ঞান গৱেষণাকেন্দ্ৰ হিচাপে স্বীকৃত।

বৰ্তমান যুগত স্কুল-কলেজৰ সংখ্যা আনকি বিশ্ববিদ্যালয়ৰ সংখ্যা উচ্চ হাৰত বাঢ়িব লাগিছে। ই শুভলক্ষণ। কিন্তু নতুনকৈ বাঢ়ি অহা শিক্ষানুষ্ঠান সমূহৰ শিক্ষাৰ মানদণ্ড বৰ উন্নত নহয়। আনকি বহুক্ষেত্ৰত শিক্ষাপ্ৰদান আঁসোৱাহপূৰ্ণ বুলি বহু ঠাইত আলোচিত হৈছে। তেনেস্থলত গুণগত শিক্ষাপ্ৰদান কেনেদৰে কৰিব পাৰি তাৰ সম্যক অধ্যয়ন হোৱা উচিত। প্ৰতিভাৱান শিক্ষক নিয়োগ, গৱেষণা আৰু অধ্যয়নৰ উপযুক্ত পৰিবেশ, শিক্ষাদানৰ কৌশল, ছাত্ৰ-ছাত্ৰীৰ মাজত প্ৰতিযোগিতামূলক মনোভাৱ, সৃষ্টি শক্তিৰ বিকাশ আদি হ'ল আদৰ্শ শিক্ষাৰ উপাদান। তেহে এখন মহাবিদ্যালয় বা বিশ্ববিদ্যালয় উৎকৰ্ষ সাধনৰ কেন্দ্ৰ হিচাপে পৰিণত হ'ব।

আজি ভাৰতবৰ্ষত অৰ্থনীত উন্নয়নত বাধা আহি পৰিছে। চুনামীৰ দৰে হঠাতে অহা অৰ্থসংকটে দেশখন কোঙা কৰি পেলাইছে। ৰাজনৈতিক অস্থিৰতাই সুখ-শান্তি হৰণ কৰিছে, সামাজিক মূল্যবোধৰ বিপৰ্যয় ঘটিছে। এই শোচনীয় অৱস্থাৰ সমস্যাসমূহৰ সমাধান হ'বলৈ হ'লে শিক্ষাব্যৱস্থাৰ উন্নতি হ'ব লাগিব। প্ৰাকৃতিক সম্পদ, মানৱ সম্পদ যথাযথভাৱে ব্যৱহাৰ কৰি সঙ্কটমোচনৰ উপায় উলিয়াব লাগিব। আমাৰ শিক্ষা ব্যৱস্থাই ছাত্ৰ-ছাত্ৰীক চিন্তা কৰিবলৈ শিকাব লাগিব। তেহে দেশ উন্নতিৰ পথত সঠিক দিশত আগবাঢ়িব।

হাভাৰ্দ, কেম্ব্ৰিজ, অক্সফোৰ্ড আদি পশ্চিমৰ বিশ্ববিদ্যালয়সমূহ বিশ্বৰ আগশাৰীৰ অনুষ্ঠান। এছিয়া মহাদেশৰ চীন, জাপান সৰ্বোচ্চ স্থানত আছে। দক্ষিণ কোৰিয়া, থাইলেণ্ড মালয়েছিয়া ছিঙ্গাপুৰ তেওঁলোকৰ ঠিক পাছতেই আছে। অতীতৰ সমৃদ্ধিশালী ইতিহাস থকা সত্বেও বৰ্তমান ভাৰতৰ আটাইতকৈ উচ্চ গুণসম্পন্ন আগশাৰীৰ অনুষ্ঠানটিও পৃথিৱীৰ ১৮৭ নম্বৰ স্থানহে পাইছে। শিক্ষাই হ'ল দেশৰ উন্নতিৰ লাইখুটা। আমেৰিকা বিশ্বৰ Super Power হোৱাৰ মলতে হ'ল তেওঁলোকৰ কৌশলপূৰ্ণ শিক্ষাব্যৱস্থা। এখন দেশৰ ভৌগোলিক, সামাজিক, অৰ্থনৈতিক অৱস্থাৰ অধ্যয়নে প্ৰকৃত শিক্ষা ব্যৱস্থা কেনে হ'ব লাগিব তাক নিৰ্ণয় কৰে।

সাহিত্য, ধৰ্ম, দৰ্শন, ৰাজনীতি আদি বৌদ্ধিক শাখাবোৰৰ পৰা মানুহে জ্ঞান আহৰণ কৰে। বিজ্ঞানৰ লগতে এই শাখাবোৰৰ পাৰ্থক্য হ'ল যে বিজ্ঞানৰ যোগেদি কেৱল পৰিদৃশ্যমান জগতখন বা প্ৰকৃতিৰ বিষয়েহে শিকিব পাৰি। আৱহমান কালৰপৰাই মানুহে প্ৰকৃতি ঈশ্বৰ বা সৃষ্টিকৰ্তা, জীৱন আৰু জগত সম্পৰ্কে জানিবলৈ চেষ্টা কৰি আহিছে। অৱশ্যে এই কথাও নিশ্চয় ক'ব লাগিব যে বিজ্ঞান আৰু সাহিত্যৰ যুক্ত সাধনাইহে জীৱন আৰু প্ৰকৃতিৰ স্বৰূপ গভীৰভাৱে উপলব্ধি কৰাত সহায় কৰে। কুৰি শতিকাত বিজ্ঞান আৰু প্ৰযুক্তিয়ে মানুহৰ জীৱনযাত্ৰাৰ সামাজিক, অৰ্থনৈতিক, ৰাজনৈতিক সকলো দিশতে বিস্তৰ পৰিৱৰ্তন সাধিছে। একৈশ শতিকাত বিজ্ঞান আৰু প্ৰযুক্তিয়ে মানৱ সমাজক ক'লৈ লৈ যাব তাক ঠাৱৰ কৰা টান হৈ পৰিছে। এনেক্ষেত্ৰত সৰ্বসাধাৰণ মানুহে বিজ্ঞান আৰু প্ৰযুক্তি জগতৰ প্ৰয়োজনীয় কথাবোৰ নাজানিলে বৰ্তমান যুগৰ লগত খোজ মিলাই জীৱন ধাৰণ কৰাই টান হৈ পৰিব। আমাৰ গোটেই জীৱনটোৱেই হ'ল এটা শ্ৰেণী কোঠা, য'ত আমি অহৰহ শিক্ষা লাভ কৰোঁ। যিদিনাই আমি শিকিবলৈ এৰিম সেইদিনাই আমি মৃত।

বহু মহিলাৰ ক্ষেত্ৰত দেখা যায় যে তেওঁলোকে জীৱনত কি বিচাৰে সেই কথা নজনাকৈয়ে জীৱন-যাপন কৰে। সেই কথা জানিলেও তাক পাবৰ বাবে ইচ্ছাশক্তি নাথাকে বা অনায়াসে জীৱনক যেনেদৰে পাইছে তেনেকৈয়ে গ্ৰহণ কৰাটো সমীচীন বুলি ভাবে। বহু প্ৰতিভাসম্পন্ন নাৰীয়ে প্ৰতিভা বিকাশৰ বাবে কোনো ধৰণৰ আঁচনি হাতত নলয় বা দাবী নকৰে। সংসাৰৰ জটিল পাকত পৰি তেওঁলোকৰ প্ৰতিভা অথবা মৰহি যায়। কিন্তু সকলো মানুহৰ জীৱনত এটা সঙ্কল্প বা এটা সপোন থাকিব লাগে যাক বাস্তৱত পৰিণত কৰাটোৱেই হ'ল জীৱনৰ আনন্দ।

নতুন প্ৰজন্মৰ সপোন হ'ব লাগিব দেশখনক নকৈ গঢ় দিয়াৰ। তাৰবাবে তেওঁলোকক লাগিব আদৰ্শ শিক্ষা। সেৱা আৰু ত্যাগৰ মনোভাবেৰে শিক্ষা প্ৰদান আৰু গ্ৰহণ— এই মহৎ কাৰ্যই আমাৰ সমাজখনক ধ্বংসৰ গৰাহৰ পৰা ৰক্ষা কৰিব।

সৰ্বশেষত নৱাগতসকলৰ ভৱিষ্যত জীৱনৰ উন্নতি কামনা কৰি মোৰ শুভেচ্ছা যাচিলোঁ।

ধন্যবাদ। ■

# নগাঁও ছোৱালী কলেজৰ অসমীয়া বিভাগৰ সৈতে অসমৰ জনপ্ৰিয় অভিনেত্ৰী বৰষাৰাণী বিষয়াৰ অন্তৰঙ্গ আলাপ

(**বৰ্ষাৰাণী বিষয়া:** প্ৰতিভা আৰু একনিষ্ঠতাৰে এগৰাকী অভিনেত্ৰী হিচাপে অসমৰ ভ্ৰাম্যমান নাট্যজগত, বোলছবি জগতক সমৃদ্ধ কৰা আমাৰ সকলোৰে এটা অতি চিনাকি নাম। বোলছবিতকৈ মঞ্চক যিয়ে ভাল পায়, দৰ্শকৰ সহস্ৰ চকুলৈ তৃপ্তিৰ জোৱাৰ আনিবলৈ যি সক্ষম, যাৰ সংলাপৰ কথনশৈলী, অভিনয় দক্ষতাই কাঢ়ি-আঁজুৰি আনে অনেকৰ হৃদয়, সেইগৰাকী অভিনেত্ৰীৰ মনৰ টুকুৰা খবৰ যুগুতোৱা হ'ল।)

১৮/৬/১২ৰ সুন্দৰ এটা আবেলি। সময় ৩ বাজি ২০ মিনিট। সিদিনা আমি উপস্থিত হৈছিলোঁ জনপ্ৰিয় অভিনেত্ৰী বৰ্ষাৰাণী বিষয়াৰ বাসগৃহত। আমি গৈ প্ৰথমতে তেওঁৰ দুৱাৰমুখত থকা কলিং বেলটো টিপিছিলোঁ। খন্তেক পিছতেই তেওঁ নিজেই ওলাই আহি দুৱাৰখন খুলি আমাক সম্ভাষণ জনালে, মুখত এমোকোৰা সুন্দৰ মিঠা হাঁহি লৈ। তাৰপিছত আমাক তেওঁ ঘৰৰ ভিতৰলৈ আমন্ত্ৰণ জনাই বহিবলৈ দিলে আৰু তেৰোঁ আমাৰ লগত বহিল। প্ৰথমে আমি তেওঁক এখনি ফুলাম গামোচা আৰু এটি জাপিৰে সম্ভাষণ জনালোঁ। তাৰপাছতেই আমি আৰম্ভ কৰিলোঁ তেওঁৰ সৈতে কিছু অন্তৰঙ্গ আলাপ—



? নমস্কাৰ ল'ব। আমি নগাঁও ছোৱালী কলেজৰ অসমীয়া বিভাগৰ তৰফৰ পৰা আপোনাক শুভেচ্ছা জনাইছোঁ।

— ধন্যবাদ।

? আমি চাৰিওগৰাকী নগাঁও ছোৱালী কলেজৰ ছাত্ৰী। আপোনাৰ লগত চিনাকি হোৱাৰ এটা সাঙ্ঘাতিক হাবিয়াসেৰে আপোনাৰ ওচৰলৈ আহিছোঁ। লগতে আমাৰ আগন্তুক ২০১১-১২ বৰ্ষৰ প্ৰকাশ হ'বলগীয়া নগাঁও ছোৱালী কলেজ আলোচনীখনৰ বাবে এটা সাক্ষাৎকাৰ বিচাৰি আপোনাৰ কাষ চাপিছোঁ।

— অ' ঠিক আছে। তোমালোকে সুধি যোৱা।

? প্ৰথমে আমি জানিবলৈ বিচাৰিছোঁ আপোনাৰ শৈশৱ আৰু ঘৰখনৰ বিষয়ে।

— মোৰ জন্ম গুৱাহাটীৰ ছাত্ৰীবাৰী হাস্পতালত আৰু ২০ ছেপ্টেম্বৰত! চনটো নকওঁ আৰু! তাৰপিছত, মই উজান বজাৰত থাকোঁ। মোৰ জন্মৰ পিছতে মাৰ জণ্ডিচ হোৱাৰ বাবে আইতাৰ লগত থাকোঁ (মাৰ মাক)। খুব সাঙ্ঘাতিক উৎপতীয়া আছিলো মই। চকলেট বা আইচক্ৰীম নিদিলে বিক্সাৰপৰা জঁপিয়াই দিছিলোঁ। সৰুৰে পৰাই মই নাচিছিলোঁ। তিনিবছৰমান বয়সৰ পৰাই মই বিহুনাচ শিকিছিলোঁ মোৰ মাহীৰ ওচৰত, তেখেতৰ নাম মঞ্জুমণি ভড়ালী। ক্লাছ এইটত এখন মই নাটক কৰিছিলোঁ। নাটকখনৰ নাম *লাচিত বৰফুকন*। মই অৱশ্যে নাটকখনৰ সূত্ৰধাৰহে আছিলোঁ। তাৰপিছত মই *মাধৱী* নামৰ আন এখন নাটক কৰিছিলোঁ। স্কুলীয়া শিক্ষা গ্ৰহণ কৰিছিলোঁ গুৱাহাটীৰ ছেইণ্ট মেৰিজৰপৰা আৰু কলেজীয়া শিক্ষা গ্ৰহণ কৰিছিলোঁ কটন কলেজৰ পৰা পলিটিকেল চাইন্সত অনাৰ্চ লৈ।

? বৰষা বা! আপুনি অভিনয় জগতত কেতিয়া প্ৰৱেশ কৰিছিল?

— মই অষ্টম মান শ্ৰেণীৰপৰা অভিনয় জগতত প্ৰৱেশ কৰিছিলোঁ।

? আমি জনাত আপুনি বিহু সম্ৰাজ্ঞী হৈছিল। আপুনি বাৰু কাৰ ওচৰত বিহুনাচ শিকিছিল?

— নাই, নাই— মই বিহু সম্ৰাজ্ঞী হোৱা নাই। বিহু ৰাণীলৈকে' হৈছোঁ। এবাৰ বিহু সম্ৰাজ্ঞী প্ৰতিযোগিতাত জইন কৰিছিলোঁ। তেতিয়া মই ডিগ্ৰী ফাইনেল ইয়েৰৰ ছাত্ৰী আৰু মই একেবাৰে সাজু নাছিলোঁ। দেউতাই বৰ জোৰ দিয়াত মই জইন কৰিছিলোঁ। সেইবাৰ মই নাপালোঁ। সেই নাপালোঁ যে আৰু বিহু সম্ৰাজ্ঞীত অংশ গ্ৰহণো কৰা নাছিলোঁ।

? আপোনাৰ পিতৃ এজন বিশিষ্ট ছবি পৰিচালক বুলি আমি সকলোৱে জানো। এজন পিতৃ হিচাপে বাৰু আপোনাক সময় দিব পাৰিছিলনে?

— দেউতা মোৰ এই লাইনত গড ফাদাৰৰ নিচিনা। এতিয়া যেনেকৈ মই গাড়ী-চাৰি চলাই ঘূৰি ফুৰোঁ বা মোৰ চিন্তাধাৰা, মই জীৱনটোক যেনেকৈ চাওঁ, যেনেকৈ লওঁ এই প্ৰত্যেকটো দিশতে দেউতাই মোক সহায় কৰি আহিছে। মাটো definately মোৰ লগত আছেই। দেউতাক এজনে যিমানে freedom নিদিয়ক মাকজনীয়েও মানে দেউতাককে সুধিব লগা হয়। মা-দেউতা মোৰ best friend হয়। মই মা-দেউতাৰ লগত সকলো কথা পাতো, নাপাতা কথা একোৱেই নাই। কিন্তু মানে মই এইটো ক'ব খুজিছোঁ যে মই ক'ৰবালৈ যোৱাৰ ক্ষেত্ৰত মায়েও দেউতাৰ পাৰ্মিচন (Permission) ল'বলগীয়া হয়। এইক্ষেত্ৰত দেউতাই মোক কেতিয়াও বাধা দিয়া নাই। সেইকাৰণে মোৰ এতিয়া ভয়-সংশয় কম আৰু যিকোনো কিবা এটা কৰাত খুব বেছি কনফিডেন্ট মই। এইবিলাক হৈছে মোৰ দেউতাৰ কাৰণে।

? আপুনি নাটকৰ লগতো জড়িত। ছবিজগত আৰু ভ্ৰাম্যমান জগতৰ লগত আপুনি কেনেধৰণৰ পাৰ্থক্য দেখা পায়?

— বহুত বেছি পাৰ্থক্য দেখা পাওঁ। মঞ্চৰ অভিনয় কৰোঁতে দৈহিক পৰিশ্ৰম অলপ বেছি হয় আৰু খুব চিঞৰি কৰিবলগীয়া হয়। সতৰ্ক হৈ থাকিবলগীয়া হয় যাতে গেলেৰীৰ দৰ্শকে দেখা পায় আৰু শুনে। আনহাতে ছবিজগতত কেমেৰাৰ সন্মুখত নেচাৰেল অভিনয় কৰিব লাগে। অলপ বেছি কৰিলে অভাৰ একটিং যেন লাগে। ভ্ৰাম্যমানত নাটক এখন কৰোঁতে আমাৰ লগতে দৰ্শকে হাঁহে-কান্দে। গতিকে মঞ্চত এটা বেলেগ আমেজ পোৱা যায়। কিন্তু ছবিজগতত অভিনয় কৰোঁতে সেই আমেজটো পোৱা নাযায়।

? আপোনাৰ প্ৰথম ছবিখনৰ নামটো ক'ব নেকি?

— *যৌৱনে আমনি কৰে*।

? আমি জনা মতে বলীউদৰ বিশিষ্ট অভিনেতা অমিতাভ বচ্চনৰ সৈতে আপোনাৰ সাক্ষাৎ হৈছিল। সেই সময়ৰ আপোনাৰ অনুভৱৰ বিষয়ে অলপ কওঁকচোন।

— এইটো অভিজ্ঞতা মোৰ বাবে এটা স্মৰণীয় অভিজ্ঞতা। অমিতাভ বচ্চনক লগ পাম। প্ৰথমতে ভাবিছিলোঁ দূৰৈৰপৰা দেখিম আৰু! মোৰ স্বামীৰ বায়েক বম্বেৰ এগৰাকী জাৰ্নেলিষ্ট। তেওঁ মাতি পঠিয়ালে বোলে— 'অমিতাভ বচ্চনক চাবা নেকি?' মই ক'লো— 'ভাবিয়েই আছিলোঁ, কিয় নাচাম।' তাৰপাছত গম পালোঁ তেওঁক ওচৰৰপৰা লগ পাম। অৱশ্যে মই মোৰ স্বামী আৰু শাহুৰে সৈতে গৈছিলোঁ। নিৰ্দিষ্ট সময়ত তেওঁ আহিল আৰু বায়ে আমাক তেওঁৰ লগত চিনাকি কৰি দিলে। তেওঁ ইমান ধুনীয়াকৈ আমাক নমস্কাৰ দিছিল, ইমান সুন্দৰকৈ আমাৰ লগত কথা পাতিছিল কি ক'ম! কোনো অহঙ্কাৰ নাই, কোনো দাম্ভিকতা নাই। যেতিয়া বায়ে তেওঁক ক'লে— 'মই অসমৰ এগৰাকী অভিনেত্ৰী', তেতিয়া তেওঁ এনেকুৱা ফিল কৰিছিল— 'অ' ৰিয়েলি তুমি একটিং কৰা?' সেই সময়ত মোৰ এনেকুৱা অনুভৱ হৈছিল যেন মইহে অমিতাভ বচ্চন আৰু তেওঁহে অসমৰপৰা আহিছে। সেইটো এটা মোৰ জীৱনৰ ডাঙৰ অভিজ্ঞতা আৰু শিক্ষা— অমিতাভ বচ্চন যিমানেই ডাঙৰ মানুহ নহওক কিয় তথাপিও তেওঁ দৰ্শকৰ কাৰণে আন্তৰিকতাৰে তেওঁৰ দায়বদ্ধতা পালন কৰি আহিছে। কিয়নো তেওঁ ভাবে, তেওঁ আজি দৰ্শকৰ জৰিয়তেহে অমিতাভ বচ্চন বুলি পৰিচিত হৈছে। তেওঁৰ পৰা মই এই শিক্ষাই ল'লো। যিহেতু মই দৰ্শকৰ বাবেই বৰষা ৰাণী বিষয়া বুলি পৰিচিত হৈছোঁ, সেয়েহে মই দৰ্শকৰ বাবে সদায় সময় দিবলৈ চেষ্টা কৰিম।

? এনেকুৱা কিছুমান Rumer ওলাই যে যেতিয়া এজনী ছোৱালী ছবিজগতলৈ যায় তেতিয়া যৌন নিৰ্যাতনৰ বলি হ'বলগীয়া হয়। কথাষাৰ কিমান দূৰ সঁচা? আপুনি কেতিয়াবা এনেকুৱা পৰিস্থিতিৰ সন্মুখীন হৈছিল নেকি?

— অসমত মই এনেকুৱা অভিজ্ঞতা আজিলৈকে পোৱা নাই। যিহেতু মোৰ এটা ফেমিলি বেকগ্ৰাউণ্ড আছে। এতিয়া এনে পৰিৱেশ কাৰোবাৰ বাবে হৈছে যদি মই নাজানো, মোৰ ক্ষেত্ৰত হোৱা নাই। যিহেতু মোৰ ফেমিলি বেকগ্ৰাউণ্ড আছে সেয়েহে অসমত মোক এতিয়ালৈকে কোনেও এইবোৰ কথা ক'বলৈ সাহস কৰা নাই আৰু নকৰেও। অৱশ্যে যেতিয়া মই মুম্বাইত আছিলোঁ, অৰ্থাৎ, তাত ষ্ট্ৰাগল কৰি আছিলোঁ তেতিয়া মই তেনেকুৱা মানুহ লগ পাইছিলোঁ। মানে, ফেচ-টু-ফেচ কৈ দিয়ে। এই বুলি যে কম্প্ৰমাইজ নকৰিলে কোনো উপায় নাই। তাত বেয়া মানুহৰ অনুপাতে ভাল মানুহ নথকা নহয়। কিন্তু মোৰ কপাল বেয়া যে মই ভাল মানুহখিনিৰ ওচৰ চাপিবলৈ নোৱাৰিলোঁ। বেয়া মানুহখিনিকহে লগ পালোঁ। তেতিয়াই মই বিশ্বাস কৰিলোঁ যে এই কথাষাৰ সঁচা, যিটো কথা আগতে শুনিছিলো। এতিয়া সেইটো মই নিজেই দেখা পালোঁ।

? বৰ্তমান আপুনি কি কামত ব্যস্ত হৈ আছে? তাৰ বিষয়ে অলপ ক'ব নেকি?

— মই এতিয়া একদম ঘৰতে ব্যস্ত হৈ আছোঁ। জুলাই ৭ তাৰিখৰ পৰা আকৌ থিয়েটাৰ আৰম্ভ হ'ব। ৰাজতিলকত আছো এইবাৰ। গতিকে এতিয়া মই চিধা-চিধি হাউচ ৱাইফ হ'বলৈ চেষ্টা কৰি আছোঁ।

? আজৰি সময়ত আপুনি কি কৰি ভাল পায়?

— শুই ভাল পাওঁ। কাৰণ যেতিয়া কাম থাকে তেতিয়া বহুত পৰিশ্ৰম হয়, সেয়ে যিমান পাৰো শুই লওঁ। তাৰোপৰি কিতাপ পঢ়ি ভাল পাওঁ, গান শুনি খুবেই ভাল পাও আৰু টি ভি চাই ভাল পাওঁ।

? আপুনি ৰন্ধা-বঢ়া কৰি ভাল পায়নে?

— ৰন্ধা-বঢ়া কৰি ভালো নাপাওঁ, বেয়াও নাপাওঁ। মই এটাই

ভাবো যে ভগৱানে চাগে মোক বন্ধা-বঢ়া কৰিবলৈ পঠোৱা নাই। তথাপিও কেতিয়াবা বান্ধো আৰু কিবা স্পেচিয়েল ৰান্ধিব লগা হ'লে।

? প্ৰধান অভিনেতা/ অভিনেত্ৰীসকলৰ ভিতৰত আপোনাৰ কাক বেছি ভাল লাগে আৰু কিয়?

— তেনেকৈ নিৰ্দিষ্টকৈ এজনৰ নাম লোৱাতো টান হ'ব। মোৰ সকলোকে ভাল লাগে। কাৰণ তেওঁলোকে নিয়মানুৱৰ্তীভাৱে অভিনয় কৰে আৰু তেওঁলোকৰ সাজ-পোছাকো মাৰ্জিত। সেয়েহে তেওঁলোকক মোৰ ভাল লাগে।

? আপুনিতো হিন্দী চিৰিয়েলো কৰিছে। কেনে অনুভৱ হৈছিল সেই সময়ত?

— অ! খুব ভাল অভিজ্ঞতা তাত হৈছে। প্ৰফেচনেলিজমটো কি তাত গৈহে গম পাইছো। প্ৰফেচনেলিজম মানে অকল চাৰ্ভিচতেই সীমাবদ্ধ নহয়। মানে সময়ত গৈ পাইছে, সময়ত কাম কৰিছে সেয়ে নহয়, টকা-পইচাৰ ক্ষেত্ৰতো তেওঁলোক প্ৰফেচনেল। তাত চিফ্‌ট্‌ ওৱাইজ কাম হয়। এবাৰ মই ৩৬ ঘণ্টা মান কাম একেৰাহে কৰিছিলোঁ। তাত চিফ্‌ট্‌ ওৱাইজ টকা দিয়ে; তাৰবাবে লৰালৰিকৈ এপিচ'ড জমা দিব লাগে। অকল সেয়াই নহয় তাত নিৰ্দিষ্ট সময় দি দিয়ে, সেইটো সময়তে গৈ পাবগৈ লাগিব। টেক্‌নিচিয়ান বিলাকো খুব টাইমত গৈ পায়। সেইবোৰ ক্ষেত্ৰত তেওঁলোক খুব প্ৰফেচনেল। মোৰ বেছ ভাল লাগিছিল।

? ভৱিষ্যতে বলীউদত অভিনয় কৰা পৰিকল্পনা আছে নেকি?

— সেইয়া অকণমান আগতে ক'লোৱেই নহয়। হেঁপাহ আছিল বলীউদত অভিনয় কৰাৰ। কিন্তু সঠিক মানুহ বা সঠিক পথ বিচাৰি নোপোৱাৰ বাবেই উলটি আহিবলগীয়া হ'ল। আচলতে কপালতো থাকিব লাগিব বুলি ভাবি ল'লোঁ।

? অসমৰ ছবিজগতৰ নৱপ্ৰজন্মসকলৰ বিষয়ে কিবা ক'ব বিচাৰে নেকি?

— মই এটাই ক'ব খোজোঁ যে সাধনা লাগিব। সাধনাৰ অবিহনে একো নাই।

? আপোনাৰ নগাঁৱত থাকি কেনে লাগিছে?

— খুব ভাল লাগিছে। 'জাহা পিয়া ৰহা মে' সেই হিন্দী গান এটা আছে যে। সেইটোৱেই নহয়, ইয়াত কিছু ঠাইত আসাম টাইপৰ ঘৰবোৰ আছে আৰু বহুতো নামঘৰ আছে। ইয়াত এতিয়াও বহু পৰিমাণে অসমীয়াৰ feelings (অনুভৱ) আছে। বিশেষকৈ নগাঁৱৰ মানুহে মোক বহুত মৰম কৰে। সেয়েহে মোৰ বহুত ভাল লাগিছে নগাঁৱত থাকি।

? অসমীয়া ছবিজগতৰ ভৱিষ্যত সম্পৰ্কে আপোনাৰ মতামত কি?

— *যৌৱনে আমনি কৰে* ৰিলিজ হওঁতে যেনেকৈ হিলদ'ল ভাঙি মানুহবোৰ হ'ললৈ আহিছিল৷ তেতিয়া কি হৈছিল যে এটা ট্ৰেণ্ড চেঞ্জ হৈছিল চিনেমা নিৰ্মাণ কৰাৰ। *যৌৱনে আমনি কৰে* ওলোৱা এতিয়া ১৪ বছৰ হ'ল। গতিকে এতিয়াৰ চিনেমাবোৰো ট্ৰেণ্ডটো চেঞ্জ কৰিব লাগিব। আমি আজিৰ জেনেৰেচনৰ লগত মিলাকৈ ছবি নিৰ্মাণ কৰিব লাগিব। নতুন চিন্তাধাৰা লাগিব অসমীয়া ছবিত। অকল দৰ্শকক দোষ দি থাকিলে নহ'ব এইবুলি যে— "দৰ্শক নাহে অসমীয়া ছবি চাবলৈ।" আমি এনেকুৱা ছবি নিৰ্মাণ কৰিব লাগিব যিখন ছবি চাবৰ কাৰণে দৰ্শক বাধ্য হ'ব, ভিৰ কৰিবহি হ'লত চাবলৈ। গতিকে এটা পৰিবৰ্তন মই কামনা কৰোঁ আৰু সেইখিনি হ'লেই নিশ্চয় অসমীয়া ছবিজগতৰ ভৱিষ্যত উজ্জ্বল হ'ব বুলি মই ভাবোঁ।

? আমাৰ নগাঁও ছোৱালী কলেজৰ বাবে আপোনাৰ ফালৰপৰা দুআষাৰ বক্তব্য ৰাখিবনে?

— নগাঁও গাৰ্লছ কলেজৰ বিষয়ে মই তেনেকৈ নাজানো। কিয়নো মই নগাঁৱৰ নহয়। নগাঁৱত থকা মোৰ ডেৰ বছৰমানহে হৈছে আৰু এই ডেৰ বছৰ মই নগাঁৱত থাকোঁতে মানুহে মোক প্ৰায়েই সুধিছে তুমি ক'ত থাকা? মই তেতিয়া নগাঁও গাৰ্লছ কলেজৰ নামটোহে প্ৰথমতে লওঁ। তথাপিও মই ক'ব খোজোঁ নগাঁও গাৰ্লছ কলেজৰ প্ৰত্যেক গৰাকী ছাত্ৰীৰে ভৱিষ্যত উজ্জ্বল হওক আৰু জীৱনত তেওঁলোকে উন্নতি কৰক। যিটোৱে নগাঁৱলৈ তেওঁলোকৰ ঘৰলৈ, তেওঁলোকৰ মাক-দেউতাকলৈ বহুত সন্মান কঢ়িয়াই আনিব। এতিয়া যুগ সলনি হৈছে, মানসিকতা সলনি হৈছে। এতিয়া ল'ৰা-ছোৱালীয়ে সমানে খোজ মিলাব পৰা হ'ল। নগাঁও গাৰ্লছ কলেজৰ ছোৱালীৰ মনত সিমানখিনি সাহস ভগৱানে দিয়ক, যাতে সমানে সমানে ফেৰ মাৰিব পাৰে আৰু জীৱনত বহুত উন্নতি কৰিব পাৰে।

নগাঁও গাৰ্লছ কলেজৰ ছোৱালীবোৰৰ উদ্দেশ্যে আৰু এটা কথা কওঁ— অন্যায় সহ্য নকৰিবা। যদি কোনোবা ছোৱালীৰ লগত অন্যায় হোৱা দেখা, নতুবা সমাজত অন্যায় হোৱা দেখা তেন্তে উচিত কথাত মুখ খুলি সাহস কৰি ক'বা। ভয় কৰিব নালাগে, অন্যায় সহ্য কৰিব নালাগে। সাহসী হোৱা।

? শেষত পুনৰবাৰ আপোনাক ধন্যবাদ জ্ঞাপন কৰিলোঁ— আপোনাৰ মূল্যৱান সময় দি আমাক সহযোগিতা কৰাৰ বাবে।

— মোৰ ফালৰ পৰাও তোমালোকলৈ অশেষ ধন্যবাদ জ্ঞাপন কৰিলোঁ। ■

— সাক্ষাৎকাৰ গ্ৰহণ কৰিলে নগাঁও ছোৱালী কলেজৰ অসমীয়া বিভাগৰ স্নাতক দ্বিতীয় বৰ্ষৰ ছাত্ৰী অম্বিকা দাস, চিৰঞ্জীতা বৰুৱা, জয়শ্ৰী শইকীয়া, আৰু অস্মিতা শইকীয়াই।



# মোৰ অনুভৱ এটি গল্পৰ

প্ৰিয়া গোস্বামী, স্নাতক তৃতীয় বৰ্ষ

মই সেইদিনাখন এটা অসাধাৰণ গল্প পঢ়িছিলোঁ। সেই গল্পটো লিখিছিল ড° ভবেন্দ্ৰ নাথ শইকীয়াদেৱে। তেওঁ সাধাৰণ মানুহৰ চকুত ধৰা নপৰা অথচ ইন্দ্ৰিয়গ্ৰাহ্য অনুভূতিক সংবেদনশীলভাৱে দাঙি ধৰি চৰিত্ৰৰ মানসিক অন্তৰ্দ্বন্দ্ব সৃষ্টি কৰা অনেক গল্প লিখিছিল। তেনে এটি গল্প হৈছে *বৰ্ণবোধ*। এই গল্পটি পঢ়ি মই বহুত উৎফুল্লিত হৈছিলে। মোৰ দৰে হাজাৰ হাজাৰ অনাথ শিশুয়ে পঢ়িলে তেওঁলোকৰো নিশ্চয় মোৰ দৰে এক অনুভৱ জাগ্ৰত হ'ব বুলি মোৰ বিশ্বাস। সঁচাকৈয়ে সমাজৰ চকুত ধৰা নপৰাকৈ ভদ্ৰ মানুহৰ গণ্ডীত নপৰা এনে হাজাৰ-বিজাৰ মানুহ একেখন সমাজত জীয়াই থাকে। যিসকল সঁচাকৈয়ে নিবক্ষৰ, নিষ্পেষিত, দলিত আৰু অপমানিত। বাবু সমাজত সিহঁতৰ পৰিচয় হ'ল— লগুৱা, ভৃত্য, চাকৰ, ৰখা ছোৱালী, আপী, আয়া ইত্যাদি। ড° শইকীয়াই পিছে তথাকথিত আধুনিক সমাজখনৰ শ্ৰেণী বৈষম্যৰ কথা ক'বলৈ গৈ গল্পটিত তিনিটা দৰিদ্ৰ শিশুক লৈ এটা কাহিনী দাঙি ধৰিছে। প্ৰথমটো শিশু হ'ল জয়ন্তী। যিজনী ছোৱালী লোকৰ ঘৰৰ কেঁচুৱা লালন-পালন কৰিয়েই গাভৰু হ'ল। মালিক-মালিকনীৰ ডাবি ধমকি, ককৰ্থনাৰ মাজত দিন-ৰাতি একাকাৰ কৰি তাই কেৱল ঘৰখনত কামলা হে কামৰ সৈতে লিপিট খাই থাকিব লাগে। নিজৰ দুখ-যাতনা, আশা-ভৰসা সেইবোৰ বুলিবলৈ একো নাই। এখন বিয়াক কেন্দ্ৰ কৰি জয়ন্তীৰ জীৱনলৈ কিছু পৰিৱৰ্তন আহিছে।

দ্বিতীয়টো শিশু হৈছে ৰমা। ৰমা আছিল সামান্য পঢ়া-শুনা জনা ছোৱালী। কিন্তু দুৰ্ভাগ্যবশতঃ তায়ো লোকৰ ঘৰত কাম কৰা ছোৱালী হ'বলগীয়া হ'ল আৰু তৃতীয়টো কাম কৰা শিশু হৈছে গজেন। ৰমাৰ দৰে বনকৰা ছোৱালীজনীয়ে জয়ন্তী আৰু গজেনক তাই যি সামান্য লিখা-পঢ়া জানিছিল সেই কথা শিকাইছিল। এই শিক্ষণৰ জৰিয়তে তিনিওজনৰ মাজত এক বিশেষ গভীৰ সম্পৰ্ক গঢ় লৈ উঠিছিল। পিছলৈ জয়ন্তীয়ে গজেনক মাত্ৰ এটা বৰ্ণ 'ক'ৰদ্বাৰা নিজৰ প্ৰেমৰ বিষয়ে গোপন বাৰ্তা দিছিল। জয়ন্তীয়ে বহু ঘন আন্ধাৰৰ মাজতো যেন এচমকা পোহৰ দেখিছিল।

এইদৰে কত শিশুয়ে নিজৰ ইচ্ছা নথকাতো বাধ্যত পৰি আনৰ ঘৰত বনকৰা লগুৱা হিচাপে থাকিব লাগে। কিমান শিশুয়ে যে শিক্ষাগ্ৰহণ কৰিব পৰা নাই। এই গল্পটিয়ে মোক বহুত চিন্তাৰ বিষয় দিছে। তাৰে এক অংশহে প্ৰকাশ কৰিছোঁ। মই এজনী অনাথ শিশু। মা-দেউতা কোনো নাই। যদি মই কোনো অনাথালয়ত আশ্ৰয় নেপালোঁ হয়, জয়ন্তীহঁতৰ দৰে এই সমাজৰ তথাকথিত লোকে মোক আপী, দাস হিচাপে পৰিচিত কৰিলে হয়। এই সমাজত মানুহেই কেৱল মানুহৰ মাজত শ্ৰেণী চেতনাৰ ভাবৰ জন্ম দিয়ে। ধনীৰ দয়া-পুতো আৰু উচ্ছিষ্ট খাই জীৱন-ধাৰণ কৰা এই নিৰীহ-নিমাখিত শ্ৰেণীৰ শ-শ শিশুৰ ভৱিষ্যৎ বুলিবলৈ একো নাথাকে। ঘাইকৈ শিক্ষাৰ পৰা বঞ্চিত হ'বলগীয়া হয়। ধনী শ্ৰেণীৰ আলপৈচান ধৰিয়েই অতিবাহিত কৰিবলগীয়া হয় তেওঁলোকৰ জীৱন। এয়া ঊনবিংশ শতিকাৰ বিশেষ শিক্ষিত ধনীক শ্ৰেণীৰ সৃষ্টি বুলি আখ্যা দিব পাৰি।

ভবেন্দ্ৰনাথ শইকীয়াৰ *বৰ্ণবোধ* চুটিগল্পটোৰ 'ক'টোৱে মোকো বাৰে বাৰে প্ৰশ্ন কৰে। পিছে মই কাক ক'ম— দৰিদ্ৰ শিশুবোৰক পুতৌ নকৰিবা। সিহঁতক মৰম কৰিবা। মানুহ হিচাপে গণ্য কৰিবা। কাৰণ তেজ-মঙহেৰে, আশা-আকাংক্ষাৰে সিহঁতো মানুহৰ সন্তান। ■

* * *

# ক'লনিৰ ডাষ্টবিন

মাধুৰী শৰ্মা, দ্বাদশ মান (সংস্কৃত বিভাগ)

তেতিয়া ৰাতি পুৱাইছিল। সূৰ্য উদয়ৰ সময়। বিছনাৰপৰা টোপনিৰ মিঠা আমেজ দুচকুত সানি অয়নে দাঁত ব্ৰাছ কৰি মৰ্ণিংৱাক কৰিবলৈ গৈছিল। কেইটামান পদুলি সাৰি গৈ সিহঁতৰ ক'লনিৰ ডাষ্টবিনটোৰ ওচৰতে কিছুমান আচহুৱা শব্দ শুনি সি ৰৈ গ'ল। শব্দটোৰ উৎস বিচাৰি অয়নে আৱিষ্কাৰ কৰিলে ডাষ্টবিনটোত থকা কিছুমান লেতেৰা গেলা-পচা বস্তুক লৈ দুটামান কুকুৰ আৰু পাগল লাটুৱে খোৱা-কামোৰা কৰি আছে। এই ঘটনাটোৱে হঠাতে অয়নৰ হৃদয় স্পৰ্শ কৰি গ'ল। অজানিতে

তাৰ চকুপানী ওলাই আহিল। সি তাৰ পৰা লৰা-লৰিকৈ ঘৰলৈ ঘূৰি আহিল। হাত, মুখ, ধুই সি মাকে যতনাই দিয়া গাখীৰ, বিস্কুট খাই পঢ়াৰ টেবুলত বহিল। পঢ়াত অয়নৰ মন নবহিল। বাৰে বাৰে লাটুৰ কথা মনলৈ আহিল।

লাটু আছিল এটা মৰম লগা ১১-১২ বছৰীয়া ল'ৰা। তাৰ দেউতাক এজন আদৰ্শৱান পুলিছ বিষয়া আৰু মাক এগৰাকী আদৰ্শ গৃহিনী। লাটুহঁতৰ ঘৰ অয়নহঁতৰ ক'লনিৰ ওচৰতে। লাটু আছিল অয়ন, পিকু, পাপু, ৰিকু আৰু কাকুহঁতৰ খেলৰ লগৰীয়া। দিন অতিবাহিত হৈছিল। নিয়তিৰো যে কি নিষ্ঠুৰ পৰিহাস। এদিন ৰাতি লাটুহঁতৰ ঘৰত দহ-বাৰ জনীয়া বন্দুকধাৰী দুবৃত্তৰ এটা দল সোমাল। সিহঁতে লাটুৰ মাক, বাপেকক লাটুৰ আগতে গুলিয়াই হত্যা কৰিলে আৰু লাটুকো সিহঁতে প্ৰায় আধা মৰা কৰি অচেতন অৱস্থাত ওচৰৰ খাল এটাত পেলাই থ'লে। পিছদিনা ওচৰ-পাজৰৰ মানুহখিনিয়ে লাটুক খালটোৰপৰা উদ্ধাৰ কৰিছিল যদিও সি একপ্ৰকাৰৰ মানসিক ভাৰসাম্য হেৰুৱাইছিল। সি ঘৰত নাথাকি য'তে-ত'তে অনাই-বনাই ফুৰিছিল। য'তে যি পায় তাকে খাইছিল। এসময়ৰ তীক্ষ্ণ চোকা বুদ্ধিৰ মেধাৱী ল'ৰাটোক এতিয়া প্ৰায় সকলো লোকে 'লাটু পাগল' বুলি ক'বলৈ লৈছিল। সঁচাকৈ ভগৱানৰ যেন কি নিষ্ঠুৰ বিচাৰ!

এনেতে অয়নক বায়েক ৰশ্মিতাই মাত দিওঁতে সি পুনৰ বাস্তৱলৈ ঘূৰি আহিল। (অয়ন লাটুৰ খেলৰ লগৰীয়া) অয়নে ৰশ্মিতাক পুৱাৰ ঘটনাটো ভাঙি-পাতি ক'লে। তাৰ কথা শুনি ৰশ্মিতাই ক'লে 'অয়ন তোমাক কথা এটা ক'বলৈ মই পাহৰি আছোঁ। কি জানা— দেউতাই কৈছে, লাটুক বোলে তেওঁ উন্নত চিকিৎসাৰ বাবে অসমৰ বাহিৰলৈ নিব।' বায়েকৰ কথা শুনি অয়নৰ আনন্দতে চকুলো বাগৰি গ'ল। সি সুহুৰিয়াই সুহুৰিয়াই নদীৰ ঘাট পালেগৈ। সি ভগৱানৰ ওচৰত লাটুৰ বাবে প্ৰাৰ্থনা কৰিলে।

'প্ৰভু তুমি কিনো দেৱহৰি
অনাথ হৈয়া, কৰো সেৱা
কৰ যোৰ কৰি।' ■

* * *

লোক কথা

## থংনকবে

ইলিনা টেৰন পী, স্নাতক প্ৰথম বৰ্ষ

থংনকবেৰ সম্পূৰ্ণ নাম থং টেৰণ। তেওঁৰ দেউতাকৰ নাম অন টেৰণ আৰু মাকৰ নাম কৰিক বেপী। থংনকবে বৰ কষ্টৰে ডাঙৰ-দীঘল হৈছিল। সৰু কালৰেপৰা তেওঁ বাহুবলী আছিল। মল্লযুদ্ধত দুই তিনিজনে একেলগে ধৰিলেও হৰুৱাব নোৱাৰিছিল। সেয়ে তেওঁক থংনকবে বুলি কৈছিল।

এবাৰ থংনকবে খাৰিংখা নামে পিনপ গাঁও আৰু জান্তাপুৰ গাঁৱৰ মাজত বছৰেকীয়া ৰাস্তা বনোৱা কাম কৰিছিল।সেই কাম জয়ন্তীয়া আৰু কাৰ্বি ৰাইজৰ দায়িত্বত আছিল। ৰাস্তা বনোৱা কাম শেষ হ'লে কাম কৰা মানুহ বিলাকক গণনা কৰা হৈছিল। সেই গণনা কৰা কাম জয়ন্তীয়া মানুহ বিলাকে কৰিছিল। বছৰেকীয়া ৰাস্তা বনোৱা এই কামক খাতৰি ৰাস্তা বনোৱা বুলি কৈছিল। সেই খাতৰি ৰাস্তা বনোৱাৰ সময়ত কাম কৰা মানুহৰ সংখ্যা গণনা কৰাটো কাচিৰ আগেৰেহে কৰা হৈছিল। এই কাম কেৱল কাৰবি লোকৰ ক্ষেত্ৰতহে কৰা হৈছিল যদিও জয়ন্তীয়া লোকসকলক তেনেদৰে কাঁচিৰে গণনা কৰা নহৈছিল।

প্ৰতি বছৰে এই কাম কৰোঁতে কাৰ্বি সকলে কাচিৰ আঘাত সহ্য কৰিবলগীয়া হৈছিল। সেই বছৰ খাতৰি ৰাস্তা বনোৱাৰ কথা থংনকবেও শুনিছিল আৰু তেওঁ সেই কামত যোগদান কৰিবলৈ গৈছিল। এটা সময়ত ৰাস্তা বনোৱা কাম শেষ হোৱাত শাৰী-শাৰী কৰি গণনা আৰম্ভ কৰিবলৈ ধৰিলে। তৎক্ষণাৎ থংনকবেয়ে গণনা কৰিব ধৰা মানুহ জনৰপৰা কাচিখন কাঢ়ি লৈ আজি মইহে কাম কৰা মানুহক গণনা কৰিম বুলি কৈ কাৰ্বি সকলক এক, দুই, তিনি, চাৰিকৈ মূৰৰ ওপৰে ওপৰে কাঁচিৰ আগেৰে গণনা কৰিলে আৰু জয়ন্তীয়া ৰাইজৰ কপালত কাচিৰ আগেৰে দাগ দি গণনা কৰিলে। তাৰ পাছত পূৰ্বে দাগ দি দি গণনা কৰা গণনাকাৰীসকলক ডিঙি কাটি পেলালে। তেতিয়া থংনকবেক ভয় কৰি জয়ন্তীয়া লোকসকল পলাবলৈ ধৰিলে।

এই ঘটনাৰ পৰাই কাৰ্বিসকলক খাছিয়া-জয়ন্তীয়া লোকসকলে কোনো ধৰণৰ হিংসা নকৰা হ'ল। তেতিয়াৰপৰা কাৰ্বিসকলেও থংনকবেক বীৰ আখ্যা দিলে আৰু থংনকবে কাৰ্বিসকলৰ বীৰ পুৰুষ হিচাবে জনাজাত হৈ পৰিল।■

* * *



# তিৱা জনগোষ্ঠীৰ লোককথা

পলী মেধি, স্নাতক দ্বিতীয় বৰ্ষ

কথিত আছে যে, সকলো জনগোষ্ঠীৰ আৰম্ভণিৰ নিশ্চয় কিবা নহয় কিবা ৰহস্য থাকে। সেই ৰহস্য বা কাহিনী মতে সমাজত সেই জনগোষ্ঠীৰ নিজাকৈ একোটা পৰিচয় বা স্থান আছে। জনগোষ্ঠী সৃষ্টিৰ লগত সম্পৰ্ক থকা জনশ্ৰুতি কিম্বদন্তিক সকলোৱে গ্ৰহণ কৰে।

ঠিক তেনেদৰে 'তিৱা' বা 'লালুং' জনগোষ্ঠীৰো সমাজত প্ৰচলিত এক লোককথা আছে।

সত্যযুগৰ সদাশিৱৰ দিনৰপৰা এই লোককথা প্ৰচলিত হৈ আহিছে। কথিত মতে, মহাপ্ৰভু শিৱ এজন ভঙোৱা। তেওঁ সকলো সময়তে ভাঙতে ডুবি থাকে। ভাং খাই একো ক'ব নোৱৰা হৈ থাকে। তেওঁৰ এইটোও আনকি খবৰ নাথাকে যে তেওঁৰ এখন সংসাৰ আছে, সংসাৰৰ কিছুমান দায়িত্ব আছে। তেওঁৰ সংসাৰৰ ফাললৈ কোনো ভ্ৰূক্ষেপেই নাই। আনফালে তেওঁৰ পত্নী পাৰ্বতী বৰ একা-চেকা বিধৰ আছিল। তেওঁৰ স্বামীৰ এই কটু-কাৰ্যবোৰ একেবাৰে সহ্য নহৈছিল। তেওঁৰ স্বামীয়ে ভাং খাই এইদৰে দায়িত্বহীন হৈ ঘূৰি ফুৰাতো তেওঁৰ একেবাৰে পচন্দ হোৱা নাছিল। সেয়েহে পাৰ্বতীয়ে তেওঁক সদায় ককৰ্থনা কৰি থাকে। সদায় সদায় তেওঁ পাৰ্বতীৰ ককৰ্থনা শুনি-শুনি অসহ্য হোৱাত এদিন কৈলাশৰ পৰা গুচি আহি জয়ন্তিয়া পাহাৰ পালেহি। তাৰপাছত তেওঁ জয়ন্তিয়া পাহাৰতে ধ্যানত মগ্ন হ'ল। ধ্যানৰ অন্তত তেওঁ এঠাইত পূজাৰ নিমিত্তে বিষ্ণুনাম জপ কৰি ঠাইখিনিৰ চাৰিওফালে ঘূৰিবলৈ ধৰে। এনেকৈ কেইবাপাকো ঘূৰাৰ অন্তত এটা সময়ত তেওঁ সংজ্ঞাহীন হৈ মাটিত বাগৰি পৰে। সদাশিৱ বাগৰি পৰাত তেওঁৰ হাতৰপৰা ডম্বৰুটো চিটিকি গৈ যিখিনি ঠাইত পৰিলগৈ সেই ঠাইডোখৰত এটা হ্ৰদৰ সৃষ্টি হ'ল। সেই হ্ৰদটোৰ নাম হ'ল নীল হ্ৰদ। যেতিয়া হ্ৰদটোৰ সৃষ্টি হৈছিল তেতিয়া সদাশিৱ মূৰ্চ্ছিত অৱস্থাত আছিল। সেই হ্ৰদটোৰ সৃষ্টি হোৱাৰ পিছত তাৰপৰা পানীৰ ঢৌ আহি তেওঁৰ মুখ স্পৰ্শ কৰে। পানীৰ ঢৌৰ পৰশত তেওঁ সংজ্ঞা ঘূৰাই পালে। সংজ্ঞা ঘূৰাই পোৱাৰ পিছত এনে এটা কটাক্ষ দৃষ্টি তেওঁ হ্ৰদটোলৈ নিক্ষেপ কৰিছিল যে সেই কটাক্ষ দৃষ্টিতে এটি ল'ৰা সন্তানৰ জন্ম হ'ল। প্ৰভু মহাদেৱে সেই ল'ৰা সন্তানটিৰ নাম দিলে লুংলা। তেওঁ লুংলাক জয়ন্তী দেৱীৰ লগত বিয়া পাতি দিলে আৰু তাৰ পিছত জয়ন্তিয়া পাহাৰৰ পৰা উভতি গ'লগৈ। লুংলাৰ বিয়াৰ পিছত তিনিজনী কন্যা সন্তানৰ জন্ম হ'ল। তিনিজনীৰ নাম হ'ল ক্ৰমান্বয়ে 'লাই', 'হিলালি', 'লেহি'। তিনিওজনী বাই-ভনী সাঙ্ঘাতিক দুষ্ট আছিল। ইমানে দুষ্ট আছিল যে সিহঁতে যিবোৰ কাম কৰিবলৈ নালাগে সেইবোৰ কামকেই কৰি ফুৰিছিল। যিমানেই মাক-দেউতাকে বুজাইছিল সিমানেই বেছিহে কৰিছিল। ইমান বুজুৱাৰ পিছতো সিহঁতে কোনো বুজ লোৱা নাছিল। এদিন দেউতাকৰ সিহঁতে কৰা দুষ্টামিৰ বাবে ইমান খং উঠিল যে তেওঁ খং চম্ভালিব নোৱাৰি জীয়েকহঁতক অভিশাপ দিলে যে, 'এইদৰে তহঁত কোনো নিজৰ জাতত নাথাকিবি। তহঁতে বেলেগ-বেলেগ জাতত উঠিবি। নিজৰ জাত এৰিবি।' সেই অভিশাপ অনুসৰি লাইয়ে কাৰ্বি জনগোষ্ঠী, হিলালিয়ে 'বড়ো-কছাৰি' জনগোষ্ঠী আৰু লেহিয়ে 'তিৱা' বা 'লালুং' জনগোষ্ঠীৰ সৃষ্টি কৰিলে।

এই লোককথা মতে 'তিৱা' সম্প্ৰদায় বা জনগোষ্ঠীৰ সৃষ্টি হৈছিল বুলি জনসমাজত প্ৰচলিত কাহিনী বা ৰহস্য আছে।■

* * *

# কাৰ্বি লোক কাহিনী ৰংফাৰপী ৰংবে

ইলিনা তেৰণপী, স্নাতক প্ৰথম বৰ্ষ

এসময়ত এজন কছাৰী ৰজাই তেওঁৰ অধীনত থকা প্ৰজাসকলৰ ওপৰত এটা অপমানজনক প্ৰস্তাৱ গ্ৰহণ কৰিছিল। সেই সময়ত কছাৰী ৰজাই এটা বাঘৰ পোৱালি পুহিছিল। পোৱালিটোক গাঁৱৰ তিৰোতাৰ গাখীৰ খুৱাই ডাঙৰ-দীঘল কৰিবলৈ বিচাৰিছিল। সেয়ে সৈন্য বিলাকক পঠিয়াই সৰু কেঁচুৱা থকা মহিলাৰপৰা গাখীৰ খীৰাই আনিবলৈ নিৰ্দেশ দিছিল।

সৈন্যবিলাকে বহুত বিচাৰি কেঁচুৱা থকা ঘৰ নাপাই বিবুদ্ধিত পৰে। সেই সময়ত কাৰবি তিৰোতাসকলে পাহাৰত খৰি লুৰিবলৈ গৈছিল। তাৰে ভিতৰত এগৰাকী তিৰোতাৰ নাম কাৰিক আৰু আন গৰাকীৰ নাম কাৰেং ৰংফাৰপী আছিল। কাৰিকে কাৰেঙক কছাৰী ৰজাই বাঘৰ পোৱালি এটা পোহা আৰু পোৱালীটোৰে খাবৰ বাবে গাঁৱত সৈন্য বিলাকক মানুহৰ গাখীৰ খীৰাবলৈ পঠোৱা কথাটো কৈ আছিল।

এনে সময়ত ৰজাৰ সৈন্যবিলাকে তিৰোতাবোৰে খৰি

কাটি থকা শব্দ শুনে আৰু সেইফালে আহিবলৈ লয়। অৱশেষত ৰজাৰ সৈন্যবোৰে কাৰবি তিৰোতাবিলাকক লগ পায়। সৈন্যবোৰে গাখীৰৰ চুঙা লৈ ক'লে— 'ৰজাৰ হুকুম কেঁচুৱা থকাবোৰে গাখীৰ দিব লাগে। ৰজাই পোহা বাঘৰ পোৱালিক খুৱাব লাগে। আৰু যদি তোমালোকে গাখীৰ নিদিয়া তেন্তে আমিয়েই গাখীৰ খীবাই লৈ যাম।'

সিহঁতৰ কথা শুনি কাৰেং ৰংফাৰপীয়ে ক'লে— 'মোৰ কেঁচুৱাটোকে গাখীৰ দিব পৰা নাই, তোমালোকক কেনেকৈ দিম।'

তেতিয়া কছাৰী ৰজাৰ সৈন্যবোৰে ক'লে— 'তোমাৰ কেঁচুৱা মৰা-জীয়াৰ কথা আমি নাজানোঁ, মুঠতে আমি গাখীৰ পাবই লাগিব।'

ইয়াৰ পাছতো তিৰোতাসকলে কোনো উত্তৰ নিদিয়াত সৈন্য এজনে বলপূৰ্বকভাৱে কাৰেঙৰ পৰা গাখীৰ খীবাবলৈ বিচাৰিলে।

কাৰেং এজনী আত্মসন্মানবোধ থকা, নিজ মৰ্যদাৰ চিন্তা কৰা আৰু মানসিকভাৱে শক্তিশালী মহিলা আছিল। সেয়ে তেওঁ নিজৰ সন্মান ৰক্ষা কৰিবলৈ তৎক্ষণাৎ যুঁজিবলৈ ধৰিলে আৰু সৈন্যজনক খৰি কটা দাখনেৰে কাটি পেলালে।

আকস্মিকভাৱে এনে পৰিস্থিতিৰ সন্মুখীন হৈ সৈন্যবিলাক পলাবলৈ ধৰিলে। তেতিয়া পাহাৰৰ পৰা কাৰেংহঁতেও নামি আহি এফালৰপৰা গাঁৱৰ বাইজৰ খবৰ দিলে। তদুপৰি এই কথা ৰজাই শুনিলে বাইজক অন্যায় কৰিব বুলিও কাৰেংহঁতে ক'লে।

কাৰেঙৰ কথা মতে সকলো গাঁওবাসীয়ে গাঁও এৰি গুচি গ'ল। গাঁওবাসী নিশ্চিত অত্যাচাৰৰপৰা ৰক্ষা পৰিল। কাৰেং ৰংফাৰপীৰ এই দুঃসাহসিকতাই গাঁওবাসীক ৰক্ষা কৰাৰ বাবে সেইদিনাৰ পৰাই তেওঁ ৰংফাৰপী ৰংবে বুলি খ্যাতি অৰ্জন কৰিলে।■

* * *

**সাধু/কাহিনী**

# উপলব্ধি

মিলি শইকীয়া, উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ

পবিত্ৰ আৰু অসীম এই দুয়োজন ভাল বন্ধু আছিল। দুয়োজন ল'ৰা পঢ়া-শুনাত বৰ চোকা আছিল। দুয়োজনে হাইস্কুল শিক্ষান্ত পৰীক্ষাত প্ৰথম বিভাগত উত্তীৰ্ণ হৈছিল। পবিত্ৰৰ হোষ্টেলত থাকি পঢ়াৰ মন আছিল। দেউতাকে তাৰ ইচ্ছা অনুসৰি হোষ্টেলত ৰাখি পঢ়োৱাবলৈ সন্মত হ'ল। পবিত্ৰৰ আনন্দৰ সীমা নাই। কাৰণ সি যি বিচাৰিছিল তাকে পালে। সি অসীমৰ ওচৰলৈ আহিল আৰু অসীমকো তাৰ লগত বাহিৰত থাকি পঢ়িবলৈ জোৰ কৰিলে। কিন্তু অসীম মান্তি নহ'ল। কাৰণ অসীমহঁতৰ ঘৰৰ অৱস্থা বেছি ভাল নাছিল। অসীমে তাক ক'লে— 'মই হ'লে বাহিৰত পঢ়াৰ কথা ভবা নাই। যি ভাল ৰিজাল্ট কৰিব, ইয়াত পঢ়িয়েই কৰিব পাৰিব। গতিকে তয়ো ইয়াতে পঢ়।" কিন্তু পবিত্ৰ কোনোপধ্যেই অসীমৰ কথাত মান্তি নহ'ল। পবিত্ৰ গ'ল বাহিৰত পঢ়িবলৈ আৰু অসীমেও ঘৰৰ ওচৰৰে এখন কলেজত নাম লগাই ল'লে। পবিত্ৰই বাহিৰত পঢ়িবলৈ গৈ অসীমক প্ৰায় পাহৰিয়েই গ'ল। কিন্তু অসীমে তাক পাহৰা নাছিল। অসীমে মন দি পঢ়িছিল আৰু প্ৰতিবাৰতেই প্ৰথম বিভাগত উত্তীৰ্ণ হৈছিল। অসীমৰ সৰুৰে পৰা ইচ্ছা আছিল 'ডাক্তৰ' হোৱাৰ। শেষত সি নিজৰ লক্ষ্যত উপনীত হ'বলৈ সক্ষম হ'ল। আনপিনে পবিত্ৰই বাহিৰত পঢ়িবলৈ গৈ লাহে লাহে বেয়াৰ ফালে ঢাল খালে। যিটো ল'ৰাই পঢ়াৰ বাহিৰে আন কথা চিন্তা নকৰিছিল, সেই ল'ৰাই মদ, ভাং, ড্ৰাগছ খাই জীৱনৰ সোণোৱালী সময়ছোৱা অবাবতে ব্যয় কৰিছিল। পঢ়া-শুনাৰ ফালে সি একেবাৰে পিঠি দিলে। শেষত পবিত্ৰক সি কৰা বেয়া কামবোৰৰ কাৰণে কালেজৰ পৰা উলিয়াই দিলে। পবিত্ৰই লাজে-অপমানে জৰ্জৰিত হৈ ঘৰ পালেহি। ঘৰলৈ আহিও সি কৰা ভুলবোৰৰ বাবে কোনো অনুশোচনা নকৰিলে। সি আগৰ দৰেই থাকিল।

এদিন পবিত্ৰ ফুৰিবলৈ ওলাই গৈছিল। সি অসীমক এখন গাড়ী লৈ তাৰ ফালে আহি থকা দেখা পালে। বহুদিনৰ পাছত অসীমে পবিত্ৰক দেখি আনন্দত অধীৰ হৈ পৰিল আৰু পবিত্ৰক সাবটি ধৰিলে। অসীমে পবিত্ৰক সি কি কৰে, ক'ত থাকে, কলেজৰপৰা কেতিয়া আহিল আদি বিভিন্ন কথা সুধিবলৈ ধৰিলে। পবিত্ৰক সি সকলো বিৱৰি ক'লে। অসীমে নিজৰ কথা এফালৰ পৰা গোটেইখিনি কৈ গ'ল। কিদৰে সি নিজকে এজন 'ডাক্তৰ' হিচাপে প্ৰতিষ্ঠিত কৰিলে। পবিত্ৰই কিন্তু ভাবিছিল অসীমেও ছাগে তাৰ দৰে পঢ়া-শুনা এৰি ঘূৰি ফুৰিছিল। যেতিয়া অসীমৰ মুখেৰে সকলো কথা শুনিলে তাৰ দুচকুৰে চকুপানী ওলাল। সি তেতিয়া ক'লে যে, মই যদি ইয়াতেই থাকি তোৰ লগতে পঢ়িলোহেঁতেন তেতিয়াহ'লে মোৰ এই দশা কেতিয়াও নহ'লহেঁতেন। সি (পবিত্ৰ) আগতে কৰা ভুলৰ বাবে অনুতাপ কৰিবলৈ ধৰিলে।■



# আপোন

জোনমণি দেৱী, উচ্চতৰ মাধ্যমিক বিদ্যালয় দ্বিতীয় বৰ্ষ

এদিন সেই মানুহগৰাকীক লগত লৈ মিহিৰামে নতুন ঠাইলৈ ফুৰিবলৈ গৈছিল। মিহিৰামে সেই মানুহগৰাকীক কেইমাহ মানৰ আগতহে লগ পাইছিল। কিন্তু ইমান কম সময়ৰ ভিতৰতে ইমান বেছিকৈ মানুহ গৰাকীক জানিবলৈ পাই আৰু মানুহগৰাকীৰ লগত থাকিবলৈ পাই তেওঁ অত্যন্ত সুখী। মানুহগৰাকী আছিল অকলশৰীয়া।

পুতেক দুজন আছিল। কিন্তু বিয়াৰ পিছত সিহঁতে মাকক আলৈ-আথানি কৰি পত্নীৰ ঘৰতে ঘৰজোঁৱাই হৈ থাকিল। বেচেৰী মানুহগৰাকীৰ চোৰা-চিতা কৰাৰ বাবে ওচৰৰে মানুহ এজনে মিহিৰামক আনি দিছে। মিহিৰাম বেছি বয়সৰ ল'ৰা নহয়। তাৰ বয়স ১৭-১৮ মান হ'ব। বেচেৰাই আকৌ সৰুতে মাক-দেউতাকক হেৰুৱাব লগা হৈছিল। সেয়েহে মানুহজনে আনি তেওঁৰ ওচৰত গতাই দিলে। সেই বয়সত মিহিৰামে ভৰ যৌৱনত ভৰি দিছিল। কিন্তু, কামৰ তাড়নাত পৰি তাৰ যৌৱনে তাক ইমান আমনি কৰিব পৰা নাছিল। সি সেই মানুহগৰাকীক বজাৰ কৰি দিয়ে, ইখন-সিখন কাম কৰি দিয়ে। মাজে-সময়ে দুয়ো একেলগে বহি সুখ-দুখৰ কথাও পাতে। ফুৰিবলৈ যোৱাৰ পাছত ঘূৰি আহি সেই মানুহগৰাকীৰ বেমাৰ হ'ল। বেমাৰটো ইমান ডাঙৰ নাছিল। অথচ বেমাৰ বেমাৰেই, ডাঙৰ হওক বা সৰু হওক। তেওঁৰ বেমাৰত মিহিৰামে ইমান নিষ্ঠাৰে বেমাৰটো ভাল হ'বলৈ তেওঁৰ শুশ্ৰূষা কৰিলে। কিন্তু নিজৰ পুতেক দুটাক ইমান খবৰ দিয়াৰ পাছতো তেওঁলোকে সৰু বেমাৰ বুলি ভাবি কোনো কাণসাৰ নিদি নিজৰ পৰিবাৰৰ লগত ব্যস্ত হৈ থাকিল। তেতিয়াৰ পৰাই মানুহগৰাকীয়ে মিহিৰামকে নিজৰ পুত্ৰ বুলি মানি ল'লে। আৰু নিজৰ পুত্ৰক তেজ্যপুত্ৰ হিচাপে ঘোষণা কৰিলে। কেতিয়াবা আপোনজনো পৰ হয় আৰু পৰ বুলি ভবা জনো বুকুৰ আগমঙহ হয়। কিয়ে বিচিত্ৰ মানুহৰ মন। প্ৰেম আৰু ভালপোৱাৰ কিয়ে বিচিত্ৰ সংজ্ঞা।■

* * *

# সোণালী সপোন

মিছ আছমিনা বেগম, স্নাতক প্ৰথম বৰ্ষ, দ্বিতীয় ষাণ্মাসিক (অৰ্থনীতি বিভাগ)

'অ' মা! আজি মই সপোনত কি দেখিলোঁ জানা?' বুলি ৰিংকীয়ে বিচনাৰপৰা উঠি মাকক সাবটি ধৰিলে। মাকে ক'লে, 'কিনো দেখিলা অ' তুমি, ইমান যে ফুৰ্তি'? মাকে এই বুলি সোধাত তাই মাকক ক'লে, 'আজি মই এটি ধুনীয়া সপোন দেখিলোঁ। প্ৰথমতে মোক কোৱা, মোৰ জন্মদিন কেতিয়া আছিল বাৰু?' মাকে ক'লে— "তোমাৰ জন্মদিনলৈ আৰু দুদিন আছে। মানে ২৭ মে'ত তোমাৰ জন্মদিন।" ৰিংকিয়ে ক'লে "মই আজি জন্মদিনক লৈ এটা সপোন দেখিলোঁ।" দহ বছৰীয়া এই মৰমলগা ছোৱালীজনীৰ উৎসাহজনক কথাত মাকৰ এনে লাগিছিল তাই ছাগে জন্মদিনৰ উপহাৰ, কোনে কি দিলে, নিদিলে তাকে দেখিলে। কিন্তু তাই এটি আচৰিত সপোনহে আচলতে দেখিছিল। তাই মাকৰ আগত সপোনটো ব্যাখ্যা কৰিবলৈ আৰম্ভ কৰিলে—

কালিলৈ বুধবাৰ। ৰিংকি বোলে হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফল ওলাব। কালি ২৭ মে'। তাইৰ জন্মদিন।দেউতাকে বৰ উলহ-মালহেৰে জন্মদিনৰ বাবে প্ৰস্তুতি চলালে। দেউতাকৰ বিশ্বাস আছিল যে তাই প্ৰথম বিভাগতটো উত্তীৰ্ণ হ'বই। সেইবাবে আজি মাক-দেউতাক গৈছে তাইলৈ কাপোৰ আনিবলৈ। অতিথি মাতি আগতকৈও বেছি ভালদৰে জন্মদিন পাতিবৰ বাবে অনেক বস্তুৰ দৰকাৰ হৈছিল। সেইবাবে মাকো গৈছেল দেউতাকৰ লগত। তেওঁলোকক পঠিয়াই তাই বিচনাত শুই পৰিছিল। তেনেতে এটি সপোনে আহি তাইক দেখা দিছিলহি। সপোনৰ অৰ্থ তাই বুজিব নোৱাৰিলে যদিও তাই বৰ চিন্তিত হৈ পৰিছিল। কালিলৈ কি হ'ব? মাক-দেউতাকৰ বিশ্বাসত বাৰু চেঁচাপানী ঢালিব নেকি তাই? এনে বহু প্ৰশ্নই তাইক আমনি কৰিছিল। সময়ত মাকহঁত আহি পালে। তাইলৈ অনা নতুন পোছাকযোৰ দেখুৱালে। কিন্তু তাই পোছাকযোৰত বৰ আনন্দ নাপালে। তাইৰ মনটো যেনহতাশাই আবৰি পেলালে। কিন্তু অলপ পাছতো তাই যেন সকাহ পালে। তাই একো চিন্তা নকৰি সকলো ভগৱানৰ ওপৰত এৰি দিলে। তাই বাট চালে কালিলৈ দিনটোলৈ। অৱশেষত ভাত-পানী খাই সকলো শুবলৈ গ'ল। তাইও শুলে।

পিছদিনা বহু পুৱাতেই ৰিংকি বিছনাৰপৰা উঠি গা-পা ধুই নতুন কাপোৰ পিন্ধি বাট চাই থাকিল ফলাফললৈ। তাইৰ আজি জন্মদিন। সেইবাবে সকলোৱে তাইক জন্মদিনৰ শুভেচ্ছা দিলে। তাই বহু ফুৰ্তিৰে মাথোঁ অপেক্ষা কৰিছে ফলাফললৈ। ফলাফল আনিবলৈ গৈছিল তাইৰ ভায়েক, দেউতাক আৰু খুৰায়েকহঁতে। ভায়েক যেন বৰ ফুৰ্তিত ওলাইছিল বায়েকৰ ৰিজাল্ট ল'বলৈ। ঘৰত মাকে বৰ চিন্তাৰে বিচনাত বহি আছিল। তাই ভিতৰত সোমাব নোৱাৰিলে। কাৰণ তাই মাকৰ মুখখনে যেন বৰ চিন্তাত

পেলাইছিল। কি হ'ব। যদি তাইৰ বেয়া হয়? তাই সেইবাবে এই সময়ছোৱা খুড়ায়েকহঁতৰ ঘৰতে থকাৰ সিদ্ধান্ত ল'লে। তাই বহি বহি ভগৱানক প্ৰাৰ্থনা কৰি ক'লে, যাতে ভালেই কিবা এটা হয়, হঠাতে ককায়েকৰ ফোনটো বাজি উঠিল। বৌয়েকে চিঞৰি উঠিল বোলে, 'শুনিছে আমাৰ মাজনী বোলে পাছ কৰিছে'। তাই অলপকৈ শুনিছিলহে। দৌৰি গৈ বৌৱেকক সুধিলে— "পাছ মানে!" তাই যেন আৰু কিবা আশা কৰে— "কি হ'ল বৌ! কোৱাচোন মোৰ কি হ'ল ৰিজাল্ট?" বৌয়েকে উত্তৰ দিলে, 'মাজনী□তুমি বোলে প্ৰথম বিভাগত উত্তীৰ্ণ হৈছা।' কিন্তু তাইৰ মনটো অসন্তুষ্টিৰে ভৰি পৰিল। সকলোৱে ফূৰ্তি কৰিলে। তাই যেন মাক-দেউতাকৰ বাবে আৰু কিবা কৰিব বিচাৰিছিল। কিন্তু দেউতাক সুখী। ঘৰলৈ দেউতাকহঁত উভতি অহাত সকলোৱে মিলি সেইদিনা বৰ উলহ-মালহেৰে তাইৰ জন্মদিন উদ্‌যাপন কৰিলে।

"কিন্তু মা! এইটো এটা সপোনহে। বাস্তৱত বাৰু মই ডাঙৰ হ'লে এনেকুৱা হ'বনে?" অকণমানি ছোৱালীজনীৰ গভীৰ সপোনটোৱে মাকক মুগ্ধ কৰিলে। মাকে মৰমেৰে তাইৰ মূৰত হাত থৈ ক'লে, 'ভালদৰে পঢ়া ৰিংকি; নিশ্চয় এনে এটা দিন তোমাৰ বাবে বৈ আছে। আমিও তেনে আশাই কৰোঁ। মই আশীৰ্বাদ কৰিছোঁ তুমি যাতে ইয়াতকৈ বেছি ভাল দিন দেখিবলৈ পোৱা।' ■

* * *

# এহাল যুৱক-যুৱতীৰ কাহিনী

ৰিমি তেৰাংপী, উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ ২০১২

প্ৰাচীনকালত কোনো এখন গাঁৱত লক্ষীৰাম নামৰ এজন অতি মেধাৱী যুৱক আছিল। একেখন গাঁৱতে কুংৰী নামৰ একে বয়সৰে এজনী অপৰূপা সুন্দৰী ছোৱালী আছিল। কুংৰীৰ ৰূপ দেখি যিকোনো মানুহেই মুগ্ধ নহৈ নোৱাৰিছিল।

লক্ষী আৰু কুংৰী দুয়োজনে সৰুৰ পৰা একে পৰিৱেশত ডাঙৰ-দীঘল হৈছিল। দুয়ো দুয়োৰে সমনীয়াবোৰৰ লগত ওমলি-জামলি ৰংঘৰ সাজিছিল। দুয়োজনে ডাঙৰ হৈ অহাত শিক্ষাগ্ৰহণ কৰিবলৈ আৰম্ভ কৰিলে। দিন বাগৰি বছৰ বাগৰি দুয়ো ভৰ যৌৱনত ভৰি দিলে, যুৱক-যুৱতী হ'ল। এনেকৈয়ে লক্ষী আৰু কুংৰীৰ মাজত এটা প্ৰেমৰ সম্পৰ্ক গঢ় লৈ উঠিল। ইজনে-সিজনক এখন্তেক নেদেখিলে বহু বছৰ নেদেখাৰ দৰে সিহঁতৰ অনুভৱ হ'ল। এদিন লক্ষীয়ে উচ্চশিক্ষা গ্ৰহণৰ বাবে বহু দূৰৰ চহৰ এখনলৈ যাবলৈ বিচাৰিলে। লক্ষীয়ে চহৰলৈ যোৱাৰ কথা শুনি কুংৰীৰ মূৰত বজ্ৰপাত পৰাৰ দৰে হ'ল আৰু তাই নিথৰ হৈ লক্ষীৰ ফালে চাই থাকিল। তাৰ পাছত বহু সময় লক্ষীৰ বুকুত মূৰ থৈ লক্ষীৰ কোনো কথা নুশুনি হুক্‌হুকাই কান্দিবলৈ ধৰিলে। লক্ষীয়ে উচ্চশিক্ষা গ্ৰহণ কৰি উলটি অহাৰ পিছত কুংৰীক নীতি-নিয়মৰ মাজেৰে বিয়া কৰাৰ বাবে প্ৰতিশ্ৰুতি দি তাইক এৰি থৈ গ'ল। তথাপিও কুংৰীয়ে এখন্তেকৰ বাবেও লক্ষীক এৰিব নোৱাৰে বুলি কৈ কান্দিবলৈ ধৰিলে। তাইক পুনৰ লক্ষীয়ে বুজালে অনাগত দিনবোৰত যুগ্ম জীৱনত সুখী হ'বলৈ হ'লে, নিজকে গঢ়ি তুলিবলৈ হ'লে কিছু ত্যাগৰ প্ৰয়োজন আছে বুলি। এইবুলি কৈ লক্ষীয়ে কুংৰীক পুনৰ লগ পোৱাৰ আশাৰে বিদায় ল'লে। কুংৰীক বিদায় দি অহাৰ সময়ত দেখি অহা তাইৰ আউলি-বাউলি চুলি আৰু ৰূপালী মুখমণ্ডলত দুগালেদি বৈ যোৱা চকুপানীৰ দৃশ্যটো লংকীৰ চকুত ভাহি উঠিছিল। তথাপিও লক্ষীয়ে নিজকে সংযত কৰিলে আৰু চহৰলৈ অহাৰ উদ্দেশ্য পূৰণ কৰিবলৈ কুংৰীৰ ভাবনা সমস্ত পৰিত্যাগ কৰি আপ্ৰাণ প্ৰচেষ্টাৰে আগুৱাই গ'ল। উচ্চশিক্ষা গ্ৰহণৰ ক্ষেত্ৰত আৰু কোনো অঘটন নঘটাকৈ তাৰ জীৱন আগবাঢ়ি থাকিল।

ইফালে লক্ষীয়ে এৰি থৈ যোৱাৰ দিনৰে পৰাই কুংৰীৰ থকা-খোৱা, পিন্ধা-উৰাৰ কোনো থান-থিত নোহোৱাৰ দৰে হ'ল। ঘৰৰ সকলো কাম বাদ দি দিনত এবাৰ হ'লেও ৰাস্তালৈ তাই যাবই। কিজানিবা লক্ষী চহৰৰপৰা আহে, তাকে ভাবি থাকে। তেনেকৈয়ে দিন গ'ল, মাহ গ'ল, বছৰ বাগৰিল। ইফালে শিক্ষা সমাপ্ত কৰি লক্ষী ঘৰলৈ অহাৰ সময় হ'ল। সেয়েহে কুংৰীয়ে নিজকে সুন্দৰকৈ ৰখাৰ চেষ্টা কৰিবলৈ ল'লে। লক্ষী আহি পাবলৈ মাথো কিছুদিনহে বাকী আছে। সেয়ে কুংৰীৰ মনটো আগতকৈ অধিক উৎফুল্লিত হ'বলৈ ধৰিলে। কিন্তু কথাতে কয়— "ভবা কথা নহয় সিদ্ধি বাটত আছে কণা বিধি।" কোনে জানে মানুহৰ জীৱনত কেতিয়া কি ঘটে? মানুহে বিচৰাৰ মতে সকলো পালে এই পৃথিৱীত কোনো দুখী হৈ নাথাকিলহেঁতেন।

সেই ৰাতি কুংৰীহঁতৰ ঘৰত এটা সকাম আছিল। তাৰবাবে কেইখিলামান কলপাতৰ প্ৰয়োজন হৈছিল। সেয়েহে কুংৰীয়ে ঘৰৰপৰা অলপ দূৰত থকা বাৰীলৈ যাবলগীয়া হ'ল। তাই লক্ষী আহিব বুলি ফূৰ্তিত সাজি-কাচি গীত গাই গাই বাৰী অভিমুখে আগবাঢ়ি গ'ল। বাৰীত কলপাত কাটি থাকোঁতে প্ৰচণ্ড ধুমুহা অহাৰ দৰে শব্দ হ'ল। তাই পিছফালে ঘূৰি চাই দেখিলে, এটা বৃহৎ আকাৰৰ বান্দৰৰ ৰজা তাইৰ পিছফালে বৈ আছে। কুংৰীয়ে বান্দৰটো দেখাৰ লগে লগে দুবাৰমান চিঞৰি অচেতন হৈ মাটিত ঢলি পৰিল। এই সুযোগতে বান্দৰটোৱে কুংৰীক দাঙি গাঁৱৰ পৰা বহু দূৰলৈ লৈ গ'ল।

সন্ধ্যা পৰলৈকে কুংৰী ঘৰলৈ উলটি নোযোৱাত ঘৰখনৰ মানুহৰ মাজত হুলস্থূল হ'ল। ঘৰৰ মানুহে তাইক গোটেই বাৰীখনত



বিচাৰিবলৈ ধৰিলে। কিন্তু তাইক বিচাৰি পোৱা নগ'ল। তেতিয়া গাঁৱৰ মতা মানুহবোৰ একগোট হৈ হাতে হাতে অস্ত্ৰ লৈ হাবিৰ ফালে আগবাঢ়ি গ'ল। হাবিত তাইক বিচাৰি যাওঁতে তাইৰ হাতত লৈ যোৱা মোনা আৰু কটাৰী হাবিত পৰি থকা দেখিলে। তেতিয়া সকলোৱে আচৰিত হ'ল এই বুলি যে তাইৰ কটাৰী আৰু মোনা হাবিত কেনেকৈ আহি পালে। সকলোৱে সন্দেহ কৰিলে নিশ্চয় কোনোবা হিংস্ৰ জন্তুৱে তাইক হাবিলৈ লৈ গৈছে। সেয়ে সকলোৱে হাবিত কুংৰীক বিচাৰিবলৈ ধৰিলে। কিন্তু কুংৰীক বিচাৰি নাপালে। সকলোৱে বিমৰ্ষ মনেৰে ঘৰলৈ উভতি আহিল।

সেই সময়তে লক্ষী নিজৰ উচ্চশিক্ষা সমাপ্ত কৰি গাঁৱলৈ উভতি আহিল। গাঁৱলৈ আহি পোৱাৰ লগে লগে লক্ষীয়ে কুংৰীৰ সকলো কথা গম পায়। লংকীয়ে অলপ সময়ো পলম নকৰি হাতত অস্ত্ৰ লৈ কুংৰীক বিচাৰিবলৈ হাবিৰ ভিতৰত সোমাই পৰিল। হাবিত সোমাই লক্ষীয়ে কুংৰীৰ নাম লৈ চিঞৰিবলৈ ধৰিলে। তেতিয়া কাৰোবাৰ চিনাকি মাত শুনি তাই উচপ্ খাই উঠিল। বান্দৰৰ ৰজাটোৱে গম পালে যে কোনোবাই তাইক বিচাৰি আহিছে। গতিকে বান্দৰটোৱে যিমান পাৰে তাইক হাবিৰ মাজলৈ চোঁচোৰাই লৈ গ'ল। পুনৰ বাৰৰ বাবে লক্ষীৰ মাত শুনাৰ লগে লগে তাইৰ গাৰ শক্তি বাঢ়ি গ'ল। তাই লক্ষী বুলি খুব জোৰেৰে চিঞৰিবলৈ ধৰোঁতেই বান্দৰটোৱে তাইৰ মুখত সোপা মাৰি ধৰিলে। ফলত তাই চিঞৰিব নোৱাৰিলে। ইফালে অবিৰতভাৱে চিঞৰি থকা লক্ষীৰ ৰিণিকি ৰিণিকি মাত তাইৰ কাণত পৰিয়েই থাকিল। তাই মনে মনে বহি নাথাকি বান্দৰটোৰ সৈতে যুঁজ আৰম্ভ কৰিলে। সেই যুঁজত কেনেবাকৈ কুংৰী বান্দৰ ৰজাৰ হাতত পৰা এৰাই গ'ল। সুযোগ পাই প্ৰাণপনে তাই তাৰ পৰা দৌৰি আহিল। হাবিখনত মানুহৰ মাত শুনি বান্দৰটোৱে কুংৰীক খেদি আহিল। কুংৰীয়ে বান্দৰটোৱে পিছে পিছে খেদি আহি আছে বুলি জানি লক্ষীক চিঞৰিবলৈ সাহস নকৰিলে। লক্ষীয়ে নাখাই নবৈ হাবিত চিঞৰি চিঞৰি অৱশ হৈ পৰিল। সি ভাবিলে ইমান ঘন অৰণ্যত আহি চিঞৰ-বাখৰ কৰিও কুংৰীৰ কোনো শুংসূত্ৰই পোৱা নগ'ল। গতিকে তাই আৰু এই পৃথিৱীত নাই। কোনো হিংস্ৰ জন্তুৱে তাইক আক্ৰমণ কৰিলে। এইবুলি ভাবি অৱশ মন আৰু অৱশ শৰীৰ লৈ এজোপা গছৰ তলত বহি পৰিল। তাৰপাছত হুক্‌হুকাই কান্দিবলৈ ধৰিলে। আৰু কুংৰীৰ অবিহনে এই পৃথিৱীত থকাৰ কোনো কাৰণ নাই বুলি ভাবি হাতত লৈ থকা যাঠিডালেৰে নিজৰ বুকুত খুচি আত্মহত্যা কৰিলে।

ঠিক তেনেকুৱা সময়তে কুংৰী সেই ঠাইত উপস্থিত হ'লহি। লক্ষীক তেনে অৱস্থাত দেখা পাই তাই নিথৰ হৈ ৰৈ থাকিল। অলপ সময়ৰ পিছত চেতন পাই তাই লক্ষীৰ বুকুৰপৰা যাঠিডাল আঁতৰাই তাক সাবটি কান্দিবলৈ ধৰিলে। লগে লগে লক্ষীৰ মূৰটো মাটিত ঢলি পৰিল। কুংৰীয়ে লক্ষীৰ সৈতে ঘৰ-সংসাৰ কৰি সুন্দৰভাৱে জীৱন কটাব বুলি যি সপোন দেখিছিল সেই সপোন নিমিষতে চাৰখাৰ হৈ গ'ল। তাই সহ্য কৰিব নোৱাৰি যিডাল যাঠিৰে লক্ষীয়ে নিজৰ বুকুত খুচিছিল সেই যাঠিডালেৰেই নিজে বুকুত খোচ মাৰি আত্মহত্যা কৰিলে। লক্ষী আৰু কুংৰীৰ প্ৰেমৰ অন্তৰায় বান্দৰটোৱে গছৰ ফেৰেঙনিত বহি দাঁত নিকটাই হাঁহিলে। ■

* * *

## ডাক পখিলী

(১)

শ্ৰীহৰি

গাঁও: তেলিয়া গাঁও
ডাক: হয়বৰগাঁও
নগাঁও (অসম)
২-১২-২০১১

পৰম পূজনীয়
জেঠাই,
সেৱা গ্ৰহণ কৰিব।

বহুদিনৰ মূৰত আপোনালোকলৈ মোৰ মৰম আৰু হিয়া ভৰাই শুভেচ্ছা জ্ঞাপন কৰিছোঁ।

দিনবোৰ বাগৰি এটি বছৰলৈ আৰু বছৰবোৰ বাগৰি এটি যুগলৈ ৰূপান্তৰ হয়। কুলি-কেতেকীৰ সুৱদি মাত, জান-জুৰিৰ কুলু কুলু শব্দত ক'তনো হেৰাই যাওঁ গমকে নাপাও। বাৰু আপোনালোকৰ ভালনে? বহুত দিনেই হ'ল আপোনালোকৰ পৰা কোনো খা-খবৰ পোৱা নাই। কি হ'ল আপোনালোকো দেখোন আমাৰ ঘৰলৈ বহুত দিন অহা নাই। কিবা বেয়া পাইছে নেকি? সকলোবোৰ ভালে-কুশলে আছে নে? অ' মই সুধিবলৈ পাহৰিলোৱেই নহয়, সেই অকণমানিৰ খবৰ কেনে? তাৰ বাৰু দাঁত গজিছেনে? মাত ফুটিছেনে? কিমান দিন যে হ'ল মই তাক নেদেখা। তাৰ জন্ম হওঁতেই যোৱা; তাৰ পাছত যোৱা হোৱাই নাই। মাজনী বাৰ খবৰ কি? তাই ঘৰলৈ আহিছেনে? মাজনী বাৰ কপালখন বৰ ভাল ন' জেঠাই। নহ'লেনো তাই ইমান ভাল শাহুৰ-শহুৰ পাইনে? কিন্তু গিৰীয়েকটোক মানিছো দেই, এবাৰ কথা ক'লে আকৌ কেতিয়া শেষ হ'ব অপেক্ষা কৰাতহে জোৰ। হ'লেও মানুহজন কিন্তু খুব ভাল। আঃ মই পাহৰিলোৱেই নহয়, আমাৰ মা-দেউতাৰ কথা ক'বলৈ। বৰ্তমান ভালেই। দেউতাৰ ভাল বুলিয়েই ক'ব পাৰি, কিন্তু মাৰহে মাজে মাজে গাটো বিষাই বুলি কয়। চিন্তা কৰিবলগীয়া নাই, সকলো ঠিকে ঠাকেই আছে। বহুত দিনেই হ'ল আপোনালোকৰ ঘৰলৈ নোযোৱা। সেইকাৰণে এইবাৰ বন্ধত যাম বুলি ভাবিছো। অ' জেঠাই! আপোনাৰ মনত আছেনে সৰুতে যে মই এবাৰ

হেৰাই গৈছিলো। আৰু যে এবাৰ পিলিকিৰ লগত ফুৰিবলৈ যাওঁতে পৰি মোৰ নাকটো ভাঙিছিল। বেচেৰী পিলিকিজনীক কম গালি পাবিছিলনে। অ' মই পিলিকিৰ কথা সুধাই নাই নহয়। তাইৰ ভালনে? তাই জানো এইবাৰ মেট্ৰিক নিদিব। তাইক ভালদৰে পঢ়িবলৈ দিব। মিছা-মিছিকৈ সময় নষ্ট কৰিবলৈ নিদিব। সময়ত খাবলৈ আৰু শুবলৈ দিব। বাৰু শেষত সকলোকে মোৰ শ্ৰদ্ধা আৰু সেৱা জনাই আজিলৈ সামৰিলোঁ।

পাণ খালো চুণ খালো
আৰু খালো লং।
কাউৰী ঠেঙিয়া আখৰ দেখি
নকৰিবা খং।।

উৰি উৰি চিঠিখনি
ঘূৰি ঘূৰি পৰে।
মৰমৰ জেঠায়ে থাপ মাৰি ধৰে।।

ইতি
আপোনালোকৰ মৰমৰ
ভাগিন

* * *

(২)

'ওঁম'

মোৰ
মৰমৰ বান্ধৱী প্ৰণামী,
মৰম ল'বা।

২-১২-২০১১

প্ৰণামী! মোৰ ভালেই। তোমাৰ ভালনে? তোমাৰ মোলৈ মনত পৰেনে? মই তোমাক শেষবাৰৰ বাবে হাইস্কুল শিক্ষান্ত পৰীক্ষাত লগ পাইছিলো। যেতিয়া সেই পৰীক্ষাৰ ফলাফল ঘোষণা কৰিছিল তেতিয়া মই গম পালো তুমিয়ো উত্তীৰ্ণ হৈছা। সেইদিনা তোমাক লগ নাপালো। মই হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হৈ নগাঁও ছোৱালী মহাবিদ্যালয়ত নাম ভৰ্তি কৰিলোঁ আৰু ২০১০ ৰ ২১ জুন তাৰিখে মহাবিদ্যালয়লৈ বুলি প্ৰথম দিনা ঘৰৰপৰা ওলাই আহিলোঁ। প্ৰথম দিন, গতিকে কোনোবাই ৰেগিং কৰিব নেকি বুলি ভয় লাগিছিল। কিন্তু মই মহাবিদ্যালয়লৈ গৈ গম পালো যে ৰেগিং নায়েই। পিছত ছাৰ-বাইদেউসকলৰ লগতে নতুন বান্ধৱী সকলক লগ পাই মোৰ বৰ ভাল লাগিল। মই মহাবিদ্যালয়লৈ আহি আমাৰ মহাবিদ্যালয়ত থকা (NCC) ৰাষ্ট্ৰীয় সৈনিক শিকাৰু নামৰ বিভাগ এটাত নামভৰ্তি কৰিলোঁ। এই বিভাগটোৰ পৰা মই নগাঁৱতে দহ দিনীয়া কেম্পত থাকি প্ৰশিক্ষণ ল'লো। তাত মই সঁচা-সঁচি বন্দুকৰ প্ৰশিক্ষণ ল'বলৈ সুবিধা পালো। প্ৰশিক্ষণৰ বাবে আমাক চাপানলাত থকা কন্দলী পাহাৰলৈ নিলে। আমাৰ মহাবিদ্যালয়খন মোৰ বৰ ভাল লাগে। ইয়াৰ পৰিৱেশটো বৰ ধুনীয়া। তুমি নগাঁৱলৈ আহিলে মই তোমাক আমাৰ মহাবিদ্যালয়খন দেখুৱাই দিম। তোমাৰ বাৰু তোমালোকৰ মহাবিদ্যালয়খন কেনেকুৱা লাগিছে? তুমি ক'ত পঢ়িছা? তোমাৰ মাহঁতৰ ভালনে? মাক লৈ আমাৰ ঘৰলৈ বন্ধৰ দিনত আহিবাচোন। সময় পালে তুমিয়ো মোলৈ এখন চিঠি লিখিবা বুলি আশা কৰিলোঁ। তোমাক ভগৱানে মঙ্গল কৰক বুলি মই ভগৱানৰ ওচৰত প্ৰাৰ্থনা কৰিম।

ইতি
ডিম্পী

* * *

(৩)

শ্ৰীহৰি

মৰমৰ বান্ধৱী
সুমন

নগাঁও
২-১২-২০১১

মোৰ মৰম ল'বা। আশা কৰোঁ তোমাৰ ভাল। মোৰ ভালেই। তোমাক লগ নোপোৱা যে কিমান দিন হ'ল? সেই স্কুলৰ দেওনা পাৰ কৰাৰ পৰাই লগ পোৱা নাই।

তোমালৈ মোৰ বৰকৈ মনত পৰি থাকে। তোমাৰ মোলৈ মনত পৰেনে? সেই যে একেলগে কটোৱা দিনবোৰ, হাঁহি-ধেমালি, কাজিয়া কৰা— এই সকলোবোৰ স্মৃতিয়ে মোক মাজে মাজে বৰকৈ আমনি কৰে। তোমাৰো চাগে তেনে হয়।

মই মোৰ চিনাকি বান্ধৱী এজনীৰ পৰা গম পালো যে তুমি নগাঁও কলেজত পঢ়া বুলি। কলেজলৈ গৈ তোমাৰ কেনে লাগিছে? নতুন বন্ধু-বান্ধৱীবোৰৰ লগত তোমাৰ লগত চিনাকি হৈছেনে? ময়ো নগাঁও ছোৱালী কলেজত নাম লগালো। কলেজলৈ অহা প্ৰথমদিনা বৰ ভয় লাগিছিল জানা? সকলোবোৰ অচিনাকি। কিন্তু এতিয়া লাহে লাহে সহজ হৈছোঁহি। বান্ধৱীও বহুত গোট খালে। কলেজৰ পৰিৱেশটোও বৰ ভাল লাগে। আমাৰ লগৰ যে হিমাদ্ৰী, মমিতাহঁত.... সিহঁতো ইয়াতে পঢ়ে।

তোমাৰ পঢ়া-শুনা বাৰু কেনে চলিছে? পৰীক্ষা হৈছেনে? মোৰ পঢ়া-শুনা মোটামুটি ভালেই চলি আছে। প্ৰথম পাঠগোট পৰীক্ষা হৈ গৈছে। বহীবোৰো দিছে। পৰীক্ষা সিমান ভাল হোৱা নাই। তুমি পঢ়া-শুনা ভালকৈ কৰি থাকিবা। আমাৰ ঘৰলৈ আহিবাচোন। তোমাৰ লগত বহুত কথা পাতিবলগীয়া আছে। লগ পালে পাতিম। আজিলৈ ইমানতে সামৰোঁ। সবিশেষ জনাই চিঠিৰ উত্তৰ দিবা।

ইতি
তোমাৰ মৰমৰ

* * *

(৪)

শ্ৰীহৰি

পৰম পূজনীয়
বাইদেউ,

গাঁও: টাউন তেলিয়াগাঁও
ডাক: হয়বৰগাঁও
৩-১২-২০১১

প্ৰথমে মোৰ হিয়াৰ মৰম, আন্তৰিক শ্ৰদ্ধা যাচিলোঁ। মোৰ বৰ্তমান ভালেই। আৰু তোৰো আশা কৰোঁ বাইদেউ ভালেই। আমাৰ মেট্ৰিকৰ ৰিজাল্ট ২০ মে'ত দিছিল। মই মোৰ ৰিজাল্ট পাই ইমান সুখী হোৱা নাই। কাৰণ, তহঁতে বিচৰাৰ দৰে ভাল ফলাফল কৰিব নোৱাৰিলোঁ। মোৰ আশা আছিল যে এখন চৰকাৰী মহাবিদ্যালয়ত ভৰ্তি হোৱাতো। মই কিন্তু অতি মাত্ৰা সুখী এই কাৰণে যে নগাঁৱৰ মাজ-মজিয়াত থকা কলং পাৰত অৱস্থিত নগাঁও ছোৱালী কলেজত আসন পালোঁ। এই নগাঁও ছোৱালী কলেজখন ১৯৬২ চনত স্থাপিত হৈছিল আৰু ১১/৬/২০১০ তাৰিখে মই নগাঁও ছোৱালী কলেজত নাম ভৰ্তি কৰিলোঁ আৰু ২১/৬/২০১০ তাৰিখৰপৰা কলেজলৈ বুলি ৰাওনা হলোঁ। কলেজৰ ভিতৰত সোমাই মোৰ ইমান ভাল লাগিলে যে, ভাষাৰে প্ৰকাশ কৰিব নোৱাৰোঁ। কলেজখন নিজান ঠাইত নীৰৱতাৰ প্ৰকাশ। আমাৰ কলেজত সকলো সুবিধা আছে। আৰু কলেজৰ নৱাগত আদৰণি সভা আৰু সাপ্তাহিক খেল-ধেমালি খুব ভালদৰে আয়োজন কৰা হয়। কলেজৰ চাৰিওফালে গছ-গছনিৰে ভৰা। আৰু কলেজখনৰ ভিতৰতে ছাত্ৰী জিৰণি কোঠা আছে আৰু এখন কেণ্টিনো আছে। কলেজখনৰ সকলো শিক্ষক-শিক্ষয়িত্ৰী বৰ মৰমীয়াল। পাঠদানো খুব ভালদৰে কৰে। এই কলেজখনত পঢ়ি মোৰ খুব ভাল লাগিছে। মই ভাবিছো উচ্চতৰ মাধ্যমিক পৰীক্ষাত ভাল ফলাফল কৰিব পাৰিম আৰু কলেজখনলৈ সুনাম কঢ়িয়াই আনিম। প্ৰত্যেকজন ছাৰ-বাইদেউৰ পৰা আশীৰ্বাদ লৈ মই মোৰ লক্ষ্যত উপনীত হ'ব পাৰোঁ যেন। এয়ে মোৰ আশা। আৰু বিশেষ নিলিখোঁ। এতিয়া ইমানতে সামৰণি মাৰিলোঁ। বাইদেউ! শেষত তোলৈ পুনৰায় শ্ৰদ্ধা জনালোঁ।

ইতি
তোৰ ভণ্টি
ঋতু

* * *

(৫)

শ্ৰীহৰি

পৰম পূজনীয়
খুড়া,

গাঁও: .................
ডাক: ..................
২-১২-২০১১

প্ৰথমে মোৰ মৰম ল'বা। বৰ্তমান আমাৰ ঘৰৰ সকলোৰে ভালেই। আশা কৰোঁ তোমালোকৰো মঙ্গল। খুড়া! তুমি এইবাৰ মোৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফল ল'বলৈ আহিম বুলি কৈছিলা নহয়। কিয় নাহিলা ক'ব নোৱাৰো। নিশ্চয় কিবা কাৰণত আহিব নোৱাৰিলা। কোনো কথা নাই। সময় পালে এবাৰ আহিবা। মোৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফল ভাল। বৰ্তমান নগাঁও ছোৱালী কলেজত নাম লগালো। কলেজখনৰ পৰিৱেশ বেয়া নহয়। কলেজখনৰ শিক্ষাগুৰুসকল বৰ মৰমিয়াল। তেওঁলোকে সকলো বিষয়ৰ সকলোবোৰ দিশ ভালকৈয়ে খৰচি মাৰি বুজায়। উচ্চতৰ বৰ্ষৰ বাহঁতেও আমাক কিবা নাজানিলে (কলেজৰ বিষয়ে) শিকাই দিয়ে। খুড়া, মোৰ গোট পৰীক্ষা ইমান ভাল হোৱা নাই। তুমিতো জানাই যে মোৰ গাত পূজা আগেয়ে লাগে। সেয়েহে পূজাৰ উৎপাতত নপঢ়িলোৱেই ভালকৈ। তাৰ ফলস্বৰূপে পৰীক্ষা বেয়া

হ'ল। কিন্তু তুমি খং নকৰিবা, ইয়াৰ পাছত আৰু এটা গোট পৰীক্ষা, আৰু উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ ফাইনেল পৰীক্ষা আছে। সেই দুটা পৰীক্ষা ভালকৈ দিবলৈ চেষ্টা কৰিম। তুমিও আশীৰ্বাদ কৰিবা যাতে মোৰ পৰীক্ষা ভাল হয়। ফাইনেলৰ পাছত তোমালোকৰ ঘৰলৈ যাম বুলি ভাবিছো আৰু সেইকাৰণে তোমাক কৈছো যে সময় পালে এবাৰ আহিবা। তেতিয়াহে ময়ো যাব পাৰিম, নহয়নে?

শেষত সকলোটিলৈ আন্তৰিক মৰম আৰু শ্ৰদ্ধা জনাই চিঠিৰ সামৰণি মাৰিলোঁ। চিঠিৰ উত্তৰ দিবা।

ইতি
তোমাৰ মৰমৰ ভতিজা
শ্ৰীদিপ্তী কাকতী

* * *

(৬)

শ্ৰীহৰি

পৰম পূজনীয়া

নগাঁও
৩/১২/২০১০

মাহী,

প্ৰথমে মোৰ প্ৰণাম গ্ৰহণ কৰিব। আশা কৰোঁ আপুনি ভালে আছে। মই আপোনাৰ আশীৰ্বাদত ভালেই আছো। মেট্ৰিক পাছ কৰি পঢ়ি আছো। কিন্তু আপুনি বিচৰা মতে মই অতি ভাল ৰিজাল্ট কৰিব পৰা নাই যদিও, হাইছেকেণ্ডেৰী পৰীক্ষাত ভাল ৰিজাল্ট কৰিম বুলি আশা কৰিছোঁ। হাইছেকেণ্ডেৰীত ভাল ৰিজাল্ট কৰিবৰ বাবে মই 'নগাঁও ছোৱালী কলেজ'ত নামভৰ্তি কৰি বৰ্তমান পঢ়ি আছো। কলেজৰ ছাৰ-বাইদেউ সকলোৱে ছাত্ৰীক আপোনভাৱে অতি মৰমেৰে বুজায়। আমাৰ কলেজৰ প্ৰিঞ্চিপাল বাইদেউ বৰ মৰমীয়াল। কলেজৰ চাৰিওপিনে থকা দৃশ্যবোৰ দেখিবলৈ আকৰ্ষণীয়। কলেজৰ সন্মুখেৰে কলং বৈ গৈছে। সেই কলঙৰ পাৰত বান্ধৱীসকলৰ সৈতে বহি কথা পাতো। হাঁহি-ধেমালি কৰোঁ। প্ৰথম বৰ্ষটো আনন্দ উপভোগ কৰোতেই গ'ল। কিন্তু এতিয়া মোৰ পৰীক্ষাৰ সময় আহি পালেহিয়েই। পৰীক্ষাটো ভাল হোৱাৰ কামনা কৰোঁ। মই আশা কৰোঁ আপুনিও যাতে মোৰ পৰীক্ষাটোৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা কৰে। ইয়াতে মই সামৰিলোঁ।

ইতি
ৰিম্পী দত্ত

* * *

(৭)

শ্ৰীহৰি

মোৰ মৰমৰ

চিমি,

মৰম ল'বা।

২-১২-২০১১

তোমাৰ খবৰ কেনে? বহুত দিন হ'ল তোমাৰ কোনো খা-খবৰ নাই। তোমাৰ মা-দেউতালৈ মোৰ আন্তৰিক শ্ৰদ্ধা যাচিলোঁ। চিমি! তোমাৰ মেট্ৰিক পৰীক্ষাৰ ৰিজাল্ট পালো, জানানে? মোৰ খুবেই ভাল লাগিল। ময়ো মেট্ৰিক পৰীক্ষা দিছিলো। ভালেই হৈছে। কিন্তু আৰু অলপ ভাল হ'ব লাগিছিল। মোৰ অসুখ হৈ থকাৰ বাবে ইমান ভাল নহ'ল। তথাপিও মই যত্ন কৰি সুফল অৰ্জন কৰিছোঁ। এতিয়া মই কলেজত নাম ভৰ্তি কৰাৰ কথা কওঁ শুনা। মই ভাবিছিলো নগাঁও ছোৱালী কলেজত নাম ভৰ্তি কৰিম। ভগৱানৰ আশীৰ্বাদত মোৰ মনৰ আশা পূৰণ হ'ল। নগাঁও ছোৱালী কলেজত মই নাম ভৰ্তি কৰিলোঁ। ছোৱালীবোৰৰ লগত মিলি-জুলি একেলগে আজৰি সময়ত পঢ়া-শুনাৰ কথা, কাৰ কি লক্ষ্য আছে, কোনে ভৱিষ্যতত কি হ'ব, সেইখিনি কথা আলোচনা কৰোঁ। মোৰ কিন্তু পঢ়ি-শুনি ভাল চাকৰি এটা কৰিবলৈ বৰ মন আছে জানা। ভগৱানে যাতে মোৰ মনৰ কামনা পূৰণ কৰি দিয়ে। যেতিয়া মই এই ছোৱালী কলেজলৈ আহিছিলো নাম ভৰ্তি কৰিবলৈ, মোৰ খুব ভাল লাগিছিল। কিয় জানানে, মই ভাবিছিলো আজিৰ পৰা এইখন আমাৰ কলেজ। কিবা সুবিধা অসুবিধা হ'লে আমি নিজে দূৰ কৰিম। কাৰণ, কোনেও যাতে আমাৰ কলেজখনক লৈ কোনো বেয়া কথা নকয় তাৰ কাৰণে আমি নিজে খুব সাৱধান হৈ উঠিম। আমি নিজেই ঠিক থাকিম আৰু আমাৰ কলেজৰ ভাল-বেয়া কথা চিন্তা কৰিম জানানে? নগাঁও ছোৱালী কলেজখন কলংপাৰৰ মাজ মজিয়াত অৱস্থিত। কলেজখনৰ বাহিৰৰ প্ৰাকৃতিক দৃশ্য বৰ মনোৰম। চাৰিওকাষে সেউজীয়া গছ-গছনিৰে ভৰা। কলেজখনৰ দুয়োকাষত দুখন দলং আছে। সেই দুখন দলঙৰ মাজভাগত কলঙৰ পানীবোৰ বৈ গৈ থাকে। আমাৰ কলেজখন তিনিমহলীয়া। দেখিবলৈ বৰ ধুনীয়া। মই প্ৰথম দিনাখন কলেজলৈ যেতিয়া গৈছিলো তেতিয়া মোৰ কিন্তু বৰ ভয় লাগিছিল। মই নিজকে প্ৰশ্ন কৰিবলৈ আৰম্ভ কৰিছিলো, মই এই কলেজৰ ৰীতি-নীতি-নিয়মবোৰ ভালকৈ পালন কৰিবলৈ পাৰিম নে নোৱাৰিম? কিন্তু লাহে লাহে যেতিয়া মই কলেজখনৰ নীতি-নিয়মবোৰ গম পালো তেতিয়া মোৰ সঁচাই বহুত ভাল লাগিছিল। আমাৰ কলেজখনত ছাৰ-বাইদেউ প্ৰায় ৫০ জনমান আছে আৰু এইখন কলেজত কাম কৰা বহুতো কৰ্মচাৰীও আছে। আমাৰ কলেজখনৰ ছাৰ-বাইদেউসকল খুব মৰমীয়াল। কিবা নুবুজিলে এশবাৰ শিকাবলৈ যত্ন কৰে। আমাৰ পঢ়া-শুনাত খুব গুৰুত্ব দিয়ে। আৰু তেওঁলোকে পাঠ দান কৰা কথাবোৰলৈ মন কৰোনে নকৰো তাৰ প্ৰতি সদায় চকু দিয়ে। মই এইখন কলেজত পঢ়ি সুনাম অৰ্জন কৰিম বুলি আশা ৰাখিছো। আৰু আমাৰ ছাৰ-বাইদেউসকলৰ আশীৰ্বাদত বহুত উন্নতি কৰিম বুলি আশা ৰাখিছো। আমাৰ কলেজখনত বহুতো সুবিধা আছে। সেইবোৰ হ'ল যে পুথিভঁৰাল, কম্পিউটাৰ, খেলা-ধূলা কৰা ঠাই, ছোৱালী জিৰণি কোঠা ইত্যাদি। ছোৱালীবোৰে খাবলৈ কেণ্টিনো আছে। প্ৰস্ৰাৱ-পায়খানা কৰাৰ ঠাই আছে। সঁচাই এইখন কলেজলৈ মই আহি বহুত আনন্দিত হৈছো। কলেজত খেল-ধেমালি এই কাৰণে পাতে যাতে ছোৱালীবোৰে নিজৰ নিজৰ পাবদৰ্শিতা দেখুওৱাব পাৰে। আমাৰ কলেজত সভা-সমিতি হ'লে তাত যোগদান কৰিবলৈ উৎসাহ দিয়ে। সৃজনী প্ৰতিভা প্ৰকাশৰ বাবে কলেজ আলোচনীও আছে। তোমাৰ কলেজখনৰ বিষয়ে জনাবাচোন। আজিলৈ মৰমেৰে ইয়াতে সামৰিলো।

ইতি
তোমাৰ বান্ধৱী
ছৃচনাৰা বেগম

* * *

(৮)

শ্ৰীহৰি

পৰম পূজনীয়

ঠাই - ইটাচালি, নগাঁও
৮/১২/২০১০

মোমাইদেউ

বহুত দিনৰ পিছত আপোনালৈ চিঠি লিখিছোঁ। প্ৰথমে মোৰ মৰম আৰু শ্ৰদ্ধা যাচিলোঁ। মোৰ বৰ্তমান ভালেই। আশা কৰোঁ আপোনালোকৰ পৰিয়ালটোৰ মঙ্গল। ভগৱানে আপোনালোকৰ পৰিয়ালটোক ভালে-কুশলে ৰাখে যেন। আমাৰো সকলোটি ভালে আছে। মোৰ মেট্ৰিক পৰীক্ষাৰ ৰিজাল্ট দিলে। ৰিজাল্টটো পাই মই ইমান সুখী হোৱা নাই, কিয়নো মই আপোনালোকে ভবাৰ দৰে ৰিজাল্ট কৰিব নোৱাৰিলোঁ। মনত দুখ লাগিছে। তথাপি মই যেনে-তেনে পাছ কৰি নগাঁৱৰ মাজ-মজিয়াত অৱস্থিত 'নগাঁও ছোৱালী কলেজ'ত নাম লগালোঁ। এইখন কলেজত পঢ়ি মই সঁচাকৈ বহুত ভাল পাইছোঁ। কিয়নো ইয়াত সকলো ছাৰ-বাইদেউ বৰ ভাল। ভালদৰে পঢ়ায় আৰু মই বুজিও পাওঁ। প্ৰথম দিনা মই অসমীয়া ক্লাছবে কলেজীয়া জীৱন আৰম্ভ কৰিছোঁ। কলেজলৈ গৈয়ে মই মোৰ নতুন নতুন বান্ধৱী পাতিলোঁ। মোৰ বান্ধৱীবোৰ বৰ ভাল। আমি সকলোৱে সদায় মিলা-প্ৰীতিৰে থাকোঁ। আমাৰ কলেজখন দেখিবলৈ বৰ ধুনীয়া, আহল-বহল। কলেজৰ চাৰিওফালে ধুনীয়া-ধুনীয়া সেউজীয়া গছ-গছনিবোৰ আছে। আমাৰ নিচেই কাষত কলং নৈ এখনো আছে। আমাৰ কলেজত পঢ়িবলৈ পুথিভঁৰাল আছে, আমি আজৰি সময়ত গৈ তাতে কিতাপ পঢ়ি থাকোঁ। খাবৰ বাবে কেণ্টিনো আছে। ছাত্ৰী বহিবৰ বাবে ছাত্ৰী জিৰণী কোঠাও আছে। মই আৰু মোৰ বান্ধৱীবোৰে কলেজত বহুত ফূৰ্তি কৰি থাকোঁ। মাজতে আমাৰ কলেজত খেল-ধেমালি আদি অনুষ্ঠানবোৰ হৈছে। তাত বৰ ভাল লাগিছে। আমাৰ কলেজত HS 1st year প্ৰথম পাঠগোট পৰীক্ষাও হৈ গৈছে। মোৰ পৰীক্ষা বৰ্তমান ভালেই হৈছে। আৰু মই চেষ্টা কৰি ভালদৰে পঢ়ি যাতে মেট্ৰিক পৰীক্ষাৰ ৰিজাল্টতকৈ HS 1st year পৰীক্ষাৰ ৰিজাল্ট বেছি ভাল কৰিব পাৰোঁ তাৰ বাবে সঙ্কল্প লৈছোঁ। আজিলৈ ইমানতে সামৰণি মাৰিলোঁ। শেষত আপোনালৈ শ্ৰদ্ধা যাচিলোঁ।

ইতি
তোমাৰ মৰমৰ ভাগিনী
পিংকী বিশ্ব শৰ্মা

* * *

(৯)

শ্ৰীহৰি

নাম: চম্পা দাস
গাঁও: কচলুখোবা, পোঃ অঃ: নগাঁও
পিন: 782001
ক্লাছ: HS 1st year, ৰোল নং: 103
তাৰিখ: 06/12/2010

পৰম পূজনীয়

বাইদেউ,

প্ৰথমে মোৰ হিয়াৰ মৰম আৰু আন্তৰিক শ্ৰদ্ধা যাচিলোঁ। মই বৰ্তমান ভালে কুশলেই আছো আৰু আশা কৰিছোঁ তুমিও ভালেই আছা। মই এইবাৰ মেট্ৰিক পৰীক্ষা দিছো। মোৰ পৰীক্ষাৰ ফলাফল মোটামোটি ভালেই হৈছে। কিন্তু মই মোৰ পৰীক্ষাৰ ফলাফল পাই বেছি সুখী হোৱা নাই। তাৰ কাৰণ মই তোমালোকে বিচৰাৰ দৰে ৰিজাল্ট বেছি ভাল কৰিব পৰা নাই। কিন্তু মই আগলৈ তোমালোকে বিচৰাৰ দৰে মোৰ পৰীক্ষাৰ ফলাফল ভাল কৰি দেখুৱাম। মই অতিমাত্ৰা সুখী যে নগাঁৱৰ মাজ-মজিয়াত থকা কলং নদীৰ পাৰত অৱস্থিত নগাঁও ছোৱালী কলেজত মই পঢ়িবলৈ পালো। ১১/৬/২০১০ তাৰিখে মই নগাঁও ছোৱালী কলেজত নাম ভৰ্তি কৰিলোঁ আৰু ২১/৬/২০১০ তাৰিখৰপৰা আমাৰ পাঠদান আৰম্ভ হৈছে। কলেজখনৰ ভিতৰত সোমাই মোৰ ইমান ভাল লাগিলে যে মই প্ৰকাশ কৰিব নোৱাৰোঁ। কলেজখন নিজান আৰু একেবাৰে নীৰৱ ঠাইত অৱস্থিত। কোনো ধৰণৰ গাড়ী-মটৰৰ হুলস্থুল নাই। কলেজখনৰ পৰিবেশ বহুত ভাল আৰু আকৰ্ষণীয়। কলেজখন বহুতো ফুল আৰু ফলৰ গছ-গছনিৰে ভৰা। আমাৰ কলেজত ছোৱালীৰ বাবে সকলো সুবিধা আছে। কলেজত এখন কেন্টিন, ছোৱালীৰ বাবে জিৰণি কোঠা আছে আৰু ছোৱালীৰ পঢ়াৰ কাৰণে এটা লাইব্ৰেৰীও আছে। য'ত বহি ছাত্ৰীসকলে নীৰৱে আৰু শান্তিপূৰ্ণভাৱে পঢ়া-শুনা কৰিব পাৰে। আমাৰ কলেজখনত নৱাগতা আদৰণি সভা আৰু সাপ্তাহিক খেল-ধেমালি খুব ভালদৰে আয়োজন কৰা হয়। কলেজখনৰ সকলো শিক্ষক-শিক্ষয়ত্ৰীসকল বহুত মৰমীয়াল। পাঠদান সমূহ খুব ভালদৰে হয়। এই কলেজখনত পঢ়ি মোৰ খুব ভাল লাগিছে। আৰু মই ভাবিছোঁ উচ্চতৰ মাধ্যমিক পৰীক্ষাৰ প্ৰথম বৰ্ষৰ ফলাফল ভাল কৰিব পাৰিম। আৰু পৰীক্ষাৰ ফলাফল ভাল কৰি আমাৰ কলেজলৈ সুনাম কঢ়িয়াই আনিম। আমাৰ কলেজৰ অধ্যক্ষা মহোদয়া বাইদেউক মোৰ বৰ ভাল লাগে। তেওঁ আমাক বৰ মৰম আৰু স্নেহ কৰে। প্ৰত্যেকজন ছাৰ-বাইদেউৰ পৰা আশীৰ্বাদ লৈ মই মোৰ লক্ষ্যত উপনীত হ'ব পাৰোঁ যেন— এয়ে মোৰ পৰম আশা। ইয়াকে লিখি মই সামৰণি মাৰিলো। আৰু বিশেষ একো নিলিখিলোঁ। শেষত তোমালৈ আকৌ মৰম আৰু শ্ৰদ্ধা যাচিলোঁ।

ইতি
তোমাৰ মৰমৰ সৰু ভণ্টি
চম্পা

*      *      *

(১০)

মৰম হওক হিয়াভৰা আশীৰ্বাদ ইয়াৰপৰা

মৰমৰ

চিমি,

তাং - ১/১২/২০১০

মৰম ল'বা। তোমাৰ ভালনে? মোৰ ভাল। তোমাক বহুদিন হ'ল লগ পোৱা নাই। তোমালৈ মোৰ বৰ মনত পৰি থাকে। তোমাৰ মা আৰু দেউতাক মোৰ সেৱা জনাবা। মই মেট্ৰিক পাছ কৰি নগাঁও ছোৱালী মহাবিদ্যালয়ত পঢ়ি আছো। তুমি কোন কলেজত পঢ়ি আছা? মোৰ প্ৰথম দিনা কলেজলৈ যাওঁতে বৰ ভয় লাগিছিল। মই ভাবিছিলো কলেজৰ ছোৱালীৰ লগত মিলিব পাৰিম নে? কলেজৰ পৰিৱেশটো কেনেকুৱা হ'ব? ছাৰ-বাইদেউসকল কেনেকুৱা হ'ব? কিন্তু কলেজৰ পৰিৱেশটো সঁচাই বৰ ভাল লাগিছে। আমাৰ প্ৰথম ক্লাছটো হৈছিল অসমীয়া আৰু প্ৰথম ক্লাছটো অসমীয়া বিভাগৰ ছাৰে লৈছিল, ছাৰে আমাৰ প্ৰথমে পৰিচয় লৈছিল। আমাৰ কলেজত বিভিন্ন জাতিৰ ছোৱালী আছে। সিহঁতৰ লগত কথা পাতি বৰ ভাল লাগে। তোমাৰ বাৰু প্ৰথম দিনাখন কলেজলৈ যাওঁতে কেনেকুৱা লাগিছিল? আমাৰ ছাৰ-বাইদেউসকল বহুত মৰমীয়াল। আমাৰ স্কুলৰ পৰিৱেশতকৈ কলেজৰ পৰিৱেশ বহুত বেলেগ। আমি ক্লাছত আগৰ বেঞ্চত বহিবলৈ আগে ভাগে দৌৰি যাওঁ। তোমাৰ বাৰু সকলো কিতাপ কিনা হ'লনে? মোৰ ঘৰৰ অসুবিধাৰ কাৰণে মই সকলো কিতাপ কিনিব পৰা নাই। কলেজৰ লাইব্ৰেৰীৰপৰা আনি পঢ়িছো। তুমি লাইব্ৰেৰীৰ পৰা কিতাপ আনি পঢ়ানে? আমাৰ লাইব্ৰেৰীত বহুত ভাল ভাল কিতাপ আছে। মই প্ৰায়ে কিতাপ আনি পঢ়োঁ। আমি এইবাৰ নৱাগতা আদৰণি সভাত সমবেত সঙ্গীত গাইছিলোঁ। তুমি নৱাগতা আদৰণি সভাত কিবা গাইছিলানে? এইবাৰ দুৰ্গা পূজা চাবলৈ গৈছিলানে? মই অষ্টমী দিনাখন বন্তি দিবলৈ গৈছিলোঁ। তোমালোকৰ ঘৰত লক্ষ্মী পূজা পাতানে? আমাৰ ঘৰত লক্ষ্মী পূজা পাতো। কাতি বিহু তোমাৰ ভালদৰে গ'লনে? মোৰ ভালদৰে গ'ল। তুমি এইবাৰ দেৱালীত ব'ম ফুটালানে? মই এইবাৰ এটাও ব'ম ফুটুৱা নাই। তোমালোকৰ তাত কালী পূজা পাতানে? আমাৰ গাঁৱৰ লাইব্ৰেৰীত কালী পূজা পাতিছিল। আৰু পিছদিনা 'ৰুক্মিণী হৰণ' ভাওনা পাতিছিল। আমাৰ কলেজতত সপ্তাহ পাঁচদিন অনুষ্ঠিত হৈছিল। আৰু মই 'মাৰ্চ-পাচ প্ৰতিযোগিতাত যোগদান কৰিছিলো আৰু আমাৰ দলটোৱে দ্বিতীয় স্থান পাইছিলো। আমাৰ কলেজত ১১ তাৰিখে অসম ভিত্তিক তৰ্ক প্ৰতিযোগিতা অনুষ্ঠিত হৈছিল। কলেজ সপ্তাহৰ শেষৰ দিনাখন সাংস্কৃতিক শোভাযাত্ৰা হৈছিল। শেষলৈ বঁটা বিতৰণী সভা আৰু সাংস্কৃতিক সন্ধিয়া অনুষ্ঠিত হৈছিল।
শেষত আগন্তুক পৰীক্ষালৈ শুভেচ্ছা থাকিল। পৰীক্ষাৰ শেষত আমাৰ ঘৰলৈ আহিবা বুলি আশা থাকিল। চিঠিৰ উত্তৰ দিবা।

ইতি
মৰমেৰে তোমাৰ বান্ধৱী
সীমা

*      *      *

(১১)

আল্লাই ভৰষা

মেহেৰবানুযু

ডিমকগুৰি

মামী (বেবী),

তাং - ৩/১২/২০১০

আপোনালোকৰ সকলো আল্লাৰ দোৱাত ভালে কুশলে আছে ছাগৈ? ৰিজু আৰু বিজুহঁতৰ পঢ়া-শুনা ভালেই চলিছে ছাগৈ? মামাৰো বেপাৰ-বাণিজ্যৰ ক্ষেত্ৰত ভালেই চলিছে চাগৈ?

মামী! মাজান আৰু আব্বাজানহঁতৰ ভালেই। ভাইটিবো পঢ়া-শুনা ভালেই চলিছে। আচল কথাতো কোৱাই নহ'ল (মামী)— আমাৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ৰিজাল্ট ২৯-৫-২০১০ তাৰিখে ঘোষণা কৰিছে। মই পৰীক্ষাত তৃতীয় বিভাগত পাছ কৰিছোঁ। মামী! মই পাছ কৰাৰ কথা শুনি অতি আনন্দিত হৈছিলোঁ। মই যি কাৰণে কোৱাণ পঢ়িছিলোঁ সেই উদ্দেশ্য সফল হৈছে। পৰম আল্লাই মোৰ দোৱা কবুল কৰিলে। কিন্তু মাজান সুখী হোৱা নাছিল। যিমান আশা কৰিছিল তাৰ ফল নাপালো। মোৰ নাম ভৰ্তি হৈ গ'ল। মই 'নগাঁও ছোৱালী কলেজ'ত নাম ভৰ্তি কৰিলোঁ। মই কলেজখনত পঢ়িবলৈ পাই অতি আনন্দিত হৈছোঁ। এই কলেজখনত পঢ়াৰ বাবে এটা উপযুক্ত পৰিৱেশ আছে। মামী! মোৰ কলেজৰ প্ৰথম দিনটো আছিল অতি আনন্দময়। কলেজখনত প্ৰথম দিনাখন গৈ প্ৰথমে ক'ত যাব লাগে মই একোৱেই জনা নাছিলোঁ। প্ৰথমে মোৰ ভয় লাগিছিল। কিন্তু বান্ধৱী কেইজনীক লগ পাই মোৰ ভয় নাইকিয়া হৈছিল। মামী! মোৰ প্ৰথম কেইদিনত টকা-পইচাৰ অভাৱ আছিল। আব্বাজানে যিখিনি মোৰ বাবে খৰচ কৰিছিল তাতকৈ অধিক খৰচ কৰাবলৈ মোৰ মন নগৈছিল। কিতাপ নিকিনাৰ বাবে পঢ়াত বৰ অসুবিধা হৈছিল। কিন্তু কলেজৰ পুথিভঁৰালৰপৰা কিতাপ ল'বলৈ পাই বৰ সুখী হৈছিলোঁ। আমি স্কুলৰ দৰে এটা ৰুমতে পঢ়া-শুনা কৰিব লগা হোৱা নাছিল। ৰুমবোৰ সলায় থাকিবলগীয়া হৈছিল। মই এই কলেজখনত পঢ়িবলৈ পাই নানান জ্ঞান লাভ কৰাৰ লগতে নতুন নতুন অভিজ্ঞতা কিছুমান লাভ কৰিব পাৰিছে। আজিলৈ সামৰিলো মামী।

পৰম আল্লাৰ ওচৰত দোৱা কৰোঁ যেন আপোনালোকৰ সকলো ভালে-কুশলে থাকে। মাজে-সময়ে চিঠি-পত্ৰ দি থাকিব। চিঠিৰ উত্তৰ দিব।

ইতি
আপোনাৰ ভাগিন
মাইনা (.............)

*      *      *

# ভণ্টিৰ বাবে নীলা খামৰ চিঠি

ৰশ্মিৰেখা ভাগৱতী, স্নাতক দ্বিতীয় ষাণ্মাসিক (ৰাজনীতি বিজ্ঞান বিভাগ)

মৰমৰ

ভণ্টি,

প্ৰথমে মোৰ হিয়াভৰা মৰম একাজলি মা-দেউতাৰ লগতে তয়ো সাদৰেৰে গ্ৰহণ কৰিবি। ভণ্টি তই ছাগৈ বৰ এজনী হ'লি?? এই জনমত হয়তো তোৰ এই দুৰ্ভগীয়া ককায়েৰৰ লগত আৰু দেখা-দেখিয়েই নহ'ব। বৰ্তমান মই কণ্টকময় পথত সংঘৰ্ষৰে জৰ্জৰিত হৈ আছোঁ। আমাক চাৰিওফালৰপৰা সেনাবাহিনীয়ে বেৰি ৰাখিছে। জীৱন ৰক্ষাৰ পথ অতি দুৰ্গম। ঈশ্বৰেহে জানে আৰু কিমান সময়ৰ মূৰত মোৰ বুকুলৈ কাল-অমানিশা নামি আহে। ইতিমধ্যে মোৰ সেনাৰ লগত হোৱা সংঘৰ্ষত ভৰি এখনত গুলি লাগিছে। তথাপিতো জীৱনৰ শেষ বিন্দুটোপা তেজ থকালৈকে সঙ্ঘৰ্ষ কৰি যাম। এয়া আমাৰ সংগঠনৰ প্ৰতিজন যুৱকৰে প্ৰতিজ্ঞাবদ্ধ সঙ্কল্প।

ভণ্টি! আজি মোৰ অতীতৰ স্মৃতিৰ খিৰিকিখন খোল খাইছে। প্ৰতি মুহূৰ্ততে মনত পৰিছে তোলৈ আৰু মা-দেউতালৈ। এজন আদৰ্শৱান শিক্ষক হিচাপে সমগ্ৰ অঞ্চলতে দেউতাৰ কিমান সন্মান আছিল! সেই সকলোবোৰ সন্মানতে কলঙ্ক সানিলো ময়েই। কিমান আশা আৰু কষ্টৰে দেউতাই মোক বি এছ চি পাছ কৰোৱাৰ পিছতো যেতিয়া মই মন্ত্ৰী, এম এল এৰ ভৰিত ধৰিও এটা চাকৰি যোগাৰ কৰিব নোৱাৰিলোঁ, মোৰ মনটো একেবাৰে ভাগি গৈছিল। সেয়ে তলে তলে মোৰ মনটো বিদ্ৰোহী হৈও উঠিছিল। বৃদ্ধ বয়সত দেউতাৰ পেঞ্চনৰ টকাৰে ঘৰ চলোৱাৰ প্ৰক্ৰিয়া দেখি মোৰ অন্তৰখনে কান্দি উঠিছিল। কি কৰিম ভণ্টি! ডিগ্ৰীধাৰী অসহায় জীৱন হ'লেও মোৰ অন্তৰত বিদ্ৰোহৰ দাবানল জাগিছিল। মই জীয়াই থকাৰ সকলোবোৰ আশা হেৰুৱাই পেলাইছিলোঁ। মোৰ জীৱনৰ হাঁহি, কান্দোনবোৰ চিৰদিনৰ বাবে কাঢ়ি নিলে শাসনতন্ত্ৰই। হায়, হায়! কিযে অসহায় জীৱন!কোনেও নুবুজে। সকলোৰে মুখত মাথো 'কিবা' এটা কৰাৰ কথা। এই কিবাটোৱেই এই (সমস্যাৰ) সাঁথৰ। কিমান যে ইণ্টাৰভিউ দিলোঁ তাৰ লেখ-জোখ নাই। ঘৰখনৰ শেষ সম্বল মাটিখিনিও শেষ কৰি দিলোঁ চাকৰিৰ আশাতেই। দুখৰ অন্ত নপৰিল, মোৰ বাবে ঘৰখনো নিঃশেষ হৈ গ'ল অথচ জীৱনবো সংস্থান একোৱেই নাপালোঁ।

লাহে লাহে শাসনতন্ত্ৰৰ বিৰুদ্ধে মোৰ মনত প্ৰতিহিংসাৰ জুই দপ্-দপ্কৈ জ্বলি উঠিছিল। এনে সময়তে লগ পাইছিলোঁ এই সংগঠনটোৰ এজন সদস্যক। মোৰ মনৰ সকলোবোৰ ক্ষোভ, দুখৰ কথাবোৰ তেওঁৰ আগত প্ৰকাশ কৰাত, তেঁৱেই মোক এই জুই নুমুৱাবলৈ আৰু দুটামান টকা ঘটিবলৈ এই সংগঠনত যোগ দিবলৈ উপদেশ দিছিল। সঁচাকৈয়ে ভণ্টি, সেই সময়ত মোৰ বিবেকৰ বান্ধ ভাগি গৈছিল। মই সুস্থ হৈ থাকিব পৰা নাছিলোঁ। সেয়ে মই ঘৰৰপৰা নীৰৱে কাঁইটীয়া পথত ভৰি দিলোঁ আৰু তহঁতৰ তিনিওকে উপহাৰ দিলোঁ— সেনাবাহিনীয়ে মোৰ ওপৰত কৰা অবৰ্ননীয় অত্যাচাৰ দুখ আৰু বেদনা। বহুত পলম হৈ গ'ল ভণ্টি, জনাই নাছিলোঁ এই সংগঠনৰ পৰা ওলাই অহাৰ পথো অতি দুৰ্গম।

অদম্য সাহ আৰু অনিৰ্দিষ্ট পথেদি অসমৰ ইমূৰৰপৰা সিমূৰলৈ দিনক ৰাতি আৰু ৰাতিক দিন কৰি নিৰ্ভীকভাৱে ঘূৰি ফুৰিলোঁ কিন্তু ক'তো নাপালো শান্তিৰ বাৰিধি। আদেশ অমান্য কৰিলেই মৃত্যু অনিবাৰ্য। অৱশেষত কঠোৰ শাসনৰ বাঘজৰী দুহাতেৰে ছিঙি নিজক প্ৰতিষ্ঠিত কৰাৰ মানসেৰে আত্মসমৰ্পনৰ উদ্দেশ্যে ওলাই আহিলোঁ। লগৰ সতীৰ্থবোৰ হেৰাই গৈছিল। সেই হেৰোৱাৰ বিভিষিকাই হ'ল মৃত্যু! ভণ্টি, মৃত্যু!!! মই কেতিয়াবা ঘৰ ওলাবলৈ পাৰিম বুলি আৰু নাভাবিবি। সতীৰ্থৰ হাতত জীৱন ইতিহাসৰ এখন চিঠি তোলৈ বুলি পঠালো। আশা কৰোঁ এজন উগ্ৰপন্থী বুলি ককায়েৰৰ চিঠিখন দলিয়াই নেপেলাই অন্ততঃ পঢ়ি চাবি। মই তহঁতক একোৱেই দিব নোৱাৰিলোঁ অ' ....। সেইদিনা গম পাবি যিদিনা সেনাৰ হাতত তোৰ দাদাৰৰ শেষ বিন্দুটোপা তেজ গৈ এটা শৱ হ'ম। হয়তোবা ঘৰত চোতালৰ তুলসীৰ তলত বগা কাপোৰেৰে ঢাকি ৰাখিব। মই বৰ উদ্বিগ্ন আৰু চিন্তাত ভাগি পৰিছোঁ ভণ্টি! এফালে জীৱন বেলি মাৰ যোৱাৰ পথত আৰু আনফালে মা-দেউতাৰ প্ৰতি হৃদয়বিদাৰক চিন্তা, লগতে তোৰ ভৱিষ্যত! মোক ক্ষমা কৰি দিবি ভণ্টি, মা-দেউতাক মোৰ সেৱা জনাবি। বিদায়, বি.... দায়, বি ..... দা ..... য়।

ইতি

তোৰ দাদা

# বহুদিন তাইক দেখা নাই

ৰুমা দত্ত, স্নাতক প্ৰথম বৰ্ষ

বহুদিন হ'ল
তাইক লগ পোৱা নাই
আজি-কালি তাই খোজকঢ়া বাটত
বন নহৰুৰে ভৰি পৰিছে
তাই নথকাত গছ-বিৰিখেও
পাত সলাবলৈ এৰিছে
কেইবাটাও বসন্ত
পাৰ হৈছে হেলাৰঙে
তাই যিখন নৈত স্নান কৰে
এতিয়া সেইখন নিস্তব্ধ
শুনিবলৈ পোৱা নাযায়
কুলু কুলু শব্দ...
তিমিৰক এশিকনি দি
পোহৰাব নিবিচাৰে ৰবিয়ে
সৰি নপৰা হ'লে
নিয়ৰৰ টোপালবোৰ
মাত-কথা নোহোৱা হ'লহেঁতেন
ককাদেউতা নাতিহঁতৰ
তাইৰ অবিহনে সকলো মিছা
তাই যি বাটে গ'ল সেই বাটে উভতি আহক
বহুদিন হ'ল
তাইক দেখা নাই।

# পাহৰিব পৰা নাই

প্ৰমতা ডাউলাগুফু, স্নাতক দ্বিতীয় বৰ্ষ

